শ্ৰীমন্ত শঙ্কৰদেৱৰ
সাহিত্যৰ মৌলিকতা বিচাৰ
(দ্বিতীয় খণ্ড)

লেখক
ড° নাৰায়ণ চন্দ্ৰ গোস্বামী

প্ৰকাশক
শ্ৰীমন্ত শংকৰদেৱ সচেতন মঞ্চ, অসম

শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ (দ্বিতীয় খণ্ড), সত্ৰাধিকাৰ ড° নাৰায়ণ চন্দ্ৰ গোস্বামীৰ দ্বাৰা বিৰচিত আৰু শ্ৰীমন্ত শংকৰদেৱ সচেতন মঞ্চ, অসম, ২৮ এম. জি. ৰোড, উজান বজাৰ, গুৱাহাটী-১ৰ হৈ সচিব প্ৰভাত চন্দ্ৰ দাসৰ দ্বাৰা প্ৰকাশিত। ২০১০ চন, **মূল্য- ২৫০.০০ টকা**

সৰ্বস্বত্ব ঃ শ্ৰীমন্ত শংকৰদেৱ সচেতন মঞ্চ, অসম।

মূল্য ঃ ২৫০.০০ টকা

প্ৰকাশক ঃ প্ৰভাত চন্দ্ৰ দাস
২৮ এম, জি. ৰোড
গুৱাহাটী-১, অসম
দূৰভাষ ঃ ৯৮৬৪১-৫০১৩৯
ই-মেইল - prabhatch.das@gmail.com

মুদ্ৰক ঃ কে. ডি. কম্পিউটেক
শ্লুইশ্ব গেট, ভৰলুমুখ, গুৱাহাটী
দূৰভাষ ঃ ৯৮৬৪০-৫৫১৪৪

উছৰ্গা

আমাৰ সেই সময়ত বয়স বোধহয় সোতৰ বা ওঠৰৰ অধিক নহয়। তেনে অৱস্থাতে চাকৰি সূত্ৰে মাজুলীলৈ আহিব লগীয়া হ'ল— যোৰহাটৰ স্বৰ্গীয় শশীচন্দ্ৰ বৰবৰুৱা ডাঙৰীয়া। এটি সম্ভ্ৰান্ত পৰিয়ালৰ অপৰিচিত লোকজন আমাৰ পূৰ্বৰ মাননীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰী স্বৰ্গীয় ঘনকান্ত দেৱ গোস্বামী প্ৰভু ঈশ্বৰৰ একান্ত ভক্ত হৈ পৰিল আৰু সেই সূত্ৰে আমাৰো অতি আপোন হৈ গ'ল তেখেত। সপ্তাহত চাৰিদিন ৰাতিয়ে দিনে ধৰ্ম, সংস্কৃতিৰ আলোচনা হয় সত্ৰাধিকাৰ চ'ৰাত আৰু আমি অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিবলৈকো পোৱা হয়। এনেধৰণৰ সজ আলোচনাৰ মাজতে আমাক তেখেতে ধৰ্ম্মগ্ৰন্থ অধ্যয়ন আৰু অন্যান্য শিতানৰ পৰামৰ্শ দি এদিন হঠাতে আমাৰ হাতত তুলি দিলেহি "নাৰদ পঞ্চৰাত্ৰ তন্ত্ৰ" নামৰ সংস্কৃত গ্ৰন্থখন। সেয়ে আমাৰ গ্ৰন্থ অধ্যয়নৰ আৰম্ভনি। তাৰ পিছতো দুই এখনি গ্ৰন্থ আমাৰ হাতত একাদিক্ৰমে তুলি দি অধ্যয়ন কৰাত প্ৰেৰণা যোগাইছিল বৰবৰুৱাদেৱে। গ্ৰন্থ অধ্যয়নত স্বাদ অনুভৱ কৰি কৰি এতিয়ালৈকে যিবোৰ গ্ৰন্থ ৰচনা কৰা হ'ল, তাৰ মূল কেন্দ্ৰীয় লোকজনেই হ'ল বৰবৰুৱাদেৱ। তেখেতে পূৰ্বোক্ত গ্ৰন্থখনি পঢ়িবলৈ দি প্ৰেৰণা নোযোগোৱা হ'লে আজি হয়তো বঁটা-বাহন প্ৰাপ্তি আৰু ৰাইজৰ আশীৰ্বাদ লাভ কৰিবলৈ সক্ষম নহ'লোহেঁতেন। সেই কাৰণে স্বৰ্গীয় বৰবৰুৱাদেৱৰ নামতে এই "শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ" গ্ৰন্থখনিৰ দ্বিতীয় খণ্ডটি আমি অতি আন্তৰিকতাৰে উছৰ্গা কৰা হ'ল।

তাৰিখ ঃ ৮ আহাৰ ১৯৩২

ইং ২৩-০৬-২০১০

ইতি

শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী

সত্ৰাধিকাৰ

শ্ৰীশ্ৰী মাজুলী কমলাবাৰী সত্ৰ

লেখকৰ একাষাৰ

যোৱা ১৯৩১/২০ আহাৰ ইং ৫/৭/২০০৯ তাৰিখে গুৱাহাটীৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আমাৰ দ্বাৰা ৰচিত "**শ্ৰীমন্ত শঙ্কৰদেৱৰ** সাহিত্যৰ মৌলিকতা বিচাৰ"ৰ প্ৰথম খণ্ডটি উন্মোচন কৰা হয়। "**শ্ৰীমন্ত শঙ্কৰদেৱ** সচেতন মঞ্চ অসম"ৰ মাননীয় সভাপতি, সম্পাদক প্ৰমুখ্যে গ্ৰন্থ প্ৰকাশকসকলৰ ওচৰত আমি তাৰ কাৰণে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হৈছে। সম্প্ৰতি দ্বিতীয় খণ্ডটিয়ে প্ৰকাশৰ মুখ দেখিবলৈ পোৱাটি আমাৰ কাৰণে আনন্দৰ বিষয় হৈ পৰিছে। প্ৰথম খণ্ডটিৰ মুখবন্ধত আমি গ্ৰন্থখনিৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ বৰ্ণনা দাঙি ধৰাৰ কাৰণে পুনৰ একো লিখা নহ'ল। দ্বিতীয় খণ্ডটিত যোগ হৈছে (১) দশম স্কন্ধ ভাগৱতৰ আদি ভাগ আৰু শেষ ভাগ, (২) একাদশ স্কন্ধ আৰু (৩) দ্বাদশ স্কন্ধ ভাগৱত। সৰ্বমুঠ তিনিটি খণ্ড ইয়াত যোগ দিয়া হৈছে। প্ৰথম খণ্ডটিৰ নিচিনাকৈ দ্বিতীয় খণ্ডটিতো ইয়াৰ বিশ্লেষণ, যোগ-বিয়োগ, আৰু সৃষ্টিমূলক ৰচনাৰ আঁত ধৰি যি পৰা যায় বৰ্ণনা দিয়া হৈছে। সদাশয় পাঠক সমাজে ত্ৰুটীসমূহ আঙুলিয়াই দিলে পৰম কৃতাৰ্থ হোৱা হ'ব।

কৃষ্ণাৰ্পণমস্তু

শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী
সত্ৰাধিকাৰ
শ্ৰীশ্ৰী মাজুলী কমলাবাৰী সত্ৰ

১৯৩২ শক, ৮ আহাৰ, ইং ২৩-০৬-২০১০

প্ৰকাশকৰ নিবেদন

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ সাহিত্যিক কৰ্মৰাজিৰ ভিতৰত প্ৰৱেশ কৰিবলৈ হ'লে আধুনিক অসমীয়া ভাষা জ্ঞানৰ উপৰি প্ৰাচীন অসমীয়া ভাষাৰ নিতান্তই প্ৰয়োজন হয়। সংস্কৃত ভাষা জ্ঞানে ইয়াত বিশেষভাৱে সহায়ক হৈ পৰে। কিয়নো তেৰাসৱৰ মৌলিক সৃষ্টিখিনি বাদ দি সৰহভাগ সৃষ্টিৰে মূল আছিল সংস্কৃত ভাষাত ৰচিত সনাতন হিন্দু ধৰ্মৰ শাস্ত্ৰসমূহ। সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰিবৰ সময়ত দুয়োগৰাকী মহাপুৰুষে কোনো কোনো ক্ষেত্ৰত হুবহু অনুবাদ কৰিছে, কোনো কোনো ক্ষেত্ৰত ভাবানুবাদ আৰু প্ৰয়োজনবোধে হ্ৰস্ব-দীৰ্ঘ কৰিছে। মন কৰিবলগীয়া কথা হ'ল যে — অসমীয়া অনুবাদৰ বেলিকা তেৰাসৱে স্থানীয় বৈশিষ্ট্য অটুট ৰাখিছে। পিছে এই বিষয়বিলাক উপলব্ধি কৰিবলৈ হ'লে সংস্কৃত সাহিত্যৰ লগত তেৰাসৱৰ সাহিত্যৰ এক তুলনামূলক অধ্যয়নৰ প্ৰয়োজন হয়। এনে এক অধ্যয়নৰ অভাৱতে বিভিন্ন সময়ত বিভিন্নজনে গুৰু দুজনাৰ সাহিত্যৰ ওপৰত নানান মন্তব্য দিয়াও দেখা যায়। এই সমস্যা সমাধানৰ বাবে সাম্প্ৰতিক কালৰ অসমৰ বৌদ্ধিক পৰিমণ্ডলৰ ভিতৰত এগৰাকী মূৰ্ধণ্য পুৰুষ নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ ড° নাৰায়ণ চন্দ্ৰ গোস্বামী প্ৰভুৱে অশেষ শ্ৰম কৰি লিখি উলিয়াইছে *শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ* নামেৰে এখন বৃহৎ কলেৱৰৰ গ্ৰন্থ। এই গ্ৰন্থৰ প্ৰথম খণ্ডটি প্ৰকাশ পোৱাৰ পাছত পাঠক সমাজে তাক আদৰি লোৱাত আমি সন্তোষ প্ৰকাশ কৰিছোঁহক। গ্ৰন্থখনৰ দ্বিতীয় খণ্ডটিকো পাঠক সমাজে একেদৰেই আদৰি লৈ লেখক আৰু প্ৰকাশক উভয়কে উদগণি যোগাব বুলি আশা কৰা হ'ল।

"শ্ৰীমন্ত শংকৰদেৱ সচেতন মঞ্চ অসম"য়ে বিগত কালছোৱাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক বৌদ্ধিক দিশত প্ৰতিষ্ঠাৰ লক্ষ্য আগত ৰাখি ইতিমধ্যে অসমীয়া, ইংৰাজী, হিন্দী, নেপালী, গুজৰাটী আদি ভাষাত কেবাখনো মূল্যবান গ্ৰন্থ প্ৰকাশ কৰি ৰাইজৰ হাতত তুলি দিবলৈ সক্ষম হৈছে। সেই গ্ৰন্থবোৰ বিশ্বৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল আৰু বিভিন্ন পণ্ডিতৰ ব্যক্তিগত পুথিভঁৰাল পাইছেগৈ। আমি ব্যৱসায়িক দিশটোলৈ লক্ষ্য নাৰাখি গুৰুদুজনাক বিশ্ব দৰবাৰত

প্ৰচাৰৰ যি উদ্দেশ্য আগত ৰাখি নানান ঘাত-প্ৰতিঘাত, সমালোচনা-বিলোচনা আদি হজম কৰি গতিপথত অগ্ৰসৰ হ'বলগীয়া হৈছে —তাকে দেখি অনুমান কৰিব পাৰিছো গুৰু দুজনাই আমাতকৈ ক'ত গুণে বেছি নিৰ্যাতন, সমালোচনা, ষড়যন্ত্ৰণা আদিৰ সম্মুখীন হ'বলগীয়া হৈছিল। যি নহওক আমাৰ গতি অব্যাহত থাকিব। কোনো সমালোচনা-বিলোচনাই আমাৰ গতিপথত হেঙাৰ স্বৰূপে থিয় দিব নোৱাৰে।

গ্ৰন্থখনিয়ে প্ৰকাশৰ মুখ দেখাত আমাৰ লগত সহযোগিতা কৰাসকলৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগিব— মঞ্চৰ সভাপতি ডালিম পাঠকদেৱৰ। তাৰ পাছতেই উপ-সভাপতি পৰেশ চন্দ্ৰ বৰদলৈ, শংকৰ দাস, নিৰঞ্জন মহন্ত, ভাৰত বৰা, মঞ্চৰ সদস্যবৃন্দ কণিকা পাঠক, ৰবীন দাস, কমল কাকতি, মিনু গগৈ লাহন আৰু অন্যান্য সকলক আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ। গ্ৰন্থখন অধ্যয়ন কৰি পাঠকসমাজ উপকৃত হলেই লেখক আৰু প্ৰকাশকৰ শ্ৰম আৰু অৰ্থব্যয় সাৰ্থক হ'ব বুলি ভবা হৈছে।

২৫-০৯-২০১০ প্ৰভাত চন্দ্ৰ দাস

ওচৰত নানা প্ৰকাৰ প্ৰেমাদৰ পাই নিজকে অন্য গোপীতকৈ শ্ৰেষ্ঠ বুলি ভাবিবলৈ ধৰিলে। কিয়নো কৃষ্ণই তেওঁৰ চৰণ সেৱাৰ প্ৰাৰ্থিনী সকলো গোপীকে ত্যাগ কৰি তেওঁৰ সৈতে বিবিধ প্ৰেম ব্যৱহাৰ কৰিছিল।

২। ইয়াৰ পিছত গভীৰ অৰণ্যত প্ৰবেশ কৰি সেই কৃষ্ণ প্ৰেমব্যৱহাৰ গৰ্বিতা গোপীয়ে কৃষ্ণক কলে— আমি আৰু মুঠেই যাব নোৱাৰোঁ। মোক কোলাত লৈ তুমি তোমাৰ যি ইচ্ছা হয় তালৈ লৈ যোৱা।

৩। শ্ৰীকৃষ্ণই গোপীৰ কথা শুনি ক'লে— তেতিয়াহলে তুমি মোৰ কান্ধত উঠা। এই কথা কৈ কৃষ্ণই সেই ঠাইতে অন্তৰ্দ্ধান হ'ল আৰু সেই গোপী গৰাকীয়ে তাকে দেখি বিলাপ কৰিবলৈ ধৰিলে।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

স্ত্ৰীৰো দুৰ্জনভাৱ শুনা আত পৰে।।
চলি যায় যিটো গোপী কৃষ্ণৰ লগত।
মহা গৰ্বভাৱ তাইৰ বাঢ়িল মনত।।
কৃষ্ণক আশায়ে আইলো যত গোপীজাক।
সবাকো এৰিয়া কৃষ্ণে ভজিল আমাক।।
মোক সম সুন্দৰী নাহিকৈ ত্ৰৈলোক্যত।
ভোল ভৈলা কৃষ্ণ মোৰ পৰম ৰূপত।।
আউৰ মোৰ বাক্য কৃষ্ণে নকৰিতে পাৰে।
কঙ্কাল ফান্দিয়া দুই বাহুক আচাৰে।।
ক্ষণেক নপাইলে কোপে চাৱৈ টেৰ কৰি।
কৃষ্ণে টনুকান্তে তাই মাতে গলতৰি।।
মনত আলছে কিয় ফুৰো ভৰি বুলি।
কাবো কৰি নিৰন্ত বোকাত মোক তুলি।।
হেন বুলি গোপিকা বসিলা পাক ফুৰি।
মহাদৰ্পে মাতিলা কৃষ্ণক বৈস জুৰি।।
হে কৃষ্ণ কিনো তুমি দাৰুণ পুৰুষ।
ভূমি পাৱে ফুৰো মই জীয়ন্তা মানুষ।।
চলিবে নুৱাৰো আৰ মই এক ভৰি।
যৈক মন নিয়া আৱে যেন লাগে কৰি।।
স্বভাৱে চঞ্চল স্ত্ৰী আৰো পাইলৈ লাই।

ভূমিকা

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ প্ৰপন্ন শিষ্য আতাপুৰুষ কেইগৰাকীৰ অন্যতম বদলা পদ্ম আতাৰ দ্বাৰা স্থাপিত মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ ড° নাৰায়ণ চন্দ্ৰ গোস্বামী অসমৰ বৌদ্ধিক ক্ষেত্ৰখনৰ এটি শ্ৰদ্ধেয় নাম। মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত ধৰ্ম-দৰ্শন, সাহিত্য-সংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰত সাম্প্ৰতিক কালৰ ৰাজ্যখনৰ বৰেণ্য পুৰুষসকলৰ ভিতৰত ড° গোস্বামী আগ শাৰীৰ বহুমুখী প্ৰতিভাসম্পন্ন এগৰাকী পণ্ডিত। শংকৰদেৱৰ ধৰ্ম-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ তেওঁ ইতিমধ্যে আগবঢ়োৱা অৱদানে তেওঁৰ নাম যে উজ্জ্বল কৰি ৰাখিব তাত সন্দেহ নাই। সম্প্ৰতি তেওঁ গভীৰ অধ্যয়নেৰে পুষ্ট হৈ অতি শ্ৰম কৰি প্ৰণয়ন কৰিছে বৃহৎ কলেবৰৰ এখনি অনুপম গ্ৰন্থ— 'শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ'। গ্ৰন্থখনি ছয়টা খণ্ডত বিভক্ত কৰি প্ৰকাশৰ বাবে 'শ্ৰীমন্ত শংকৰদেৱ সচেতন মঞ্চ, অসম'য়ে দায়িত্ব লবলৈ পাই সুখী হৈছো। গ্ৰন্থখনিয়ে লেখকৰ তুলনামূলক অধ্যয়নৰ স্বাক্ষৰ বহন কৰিছে। গুৰু দুজনাৰ বিশাল সাহিত্যৰ ভিন্ ভিন্ দিশ আলোকপাত কৰি অনেক গুণী-জ্ঞানী লোকে অজস্ৰ মূল্যবান গ্ৰন্থ ৰচনা কৰি জাতীয় সাহিত্যৰ ভৰাল চহকী কৰি তুলিছে। কিন্তু মহাপুৰুষ দুজনাৰ সাহিত্য কৰ্মৰ মৌলিকতা বিচাৰ কৰি লিখা গ্ৰন্থ নাই বুলিবই পাৰি। সেয়েহে ড° গোস্বামীদেৱৰ এই গ্ৰন্থখনিয়ে শংকৰদেৱৰ সাহিত্য সৃষ্টিৰ বৈশিষ্ট্য তথা মৌলিকতা বিচাৰৰ দিশত আলোক সন্ধানীৰ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি।

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত মধ্য ভাৰতীয় আৰ্য ভাষাৰ ভিতৰুৱা এটা ভাষা হ'ল অসমীয়া। আনুমানিক দশম-একাদশ শতিকাত উদ্ভৱ হোৱা মধ্য ভাৰতীয় আৰ্য ভাষাবোৰৰ মাজৰে পুৰণি অসমীয়া ভাষাতেই শঙ্কৰদেৱে একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰৰ অৰ্থে নানান গীত-পদ

ৰচনা কৰে। তেৰাৰ সৰহভাগ সাহিত্য কৰ্মই আছিল অনুবাদ জাতীয় কৰ্ম। কিন্তু গুৰুজনাৰ অনুবাদৰ সুকীয়া বৈশিষ্ট্য আছে। তেৰাৰ অসাধাৰণ কবিত্ব শক্তি, সূক্ষ্ম ৰস-বিচাৰ, ভাব বৈচিত্ৰ, নানান ছন্দ অলংকাৰৰ ব্যৱহাৰে অনুবাদ কৰ্মক অনন্য, অতুলনীয় পৰম মোহনীয় ৰসময় কৰি তুলিছে। এনে এগৰাকী মহান কবি-গুৰুৰ সাহিত্য কৰ্মৰ মৌলিকতা বিচাৰ কৰাটো সহজ কাম নহয়। এনে মহৎ কৰ্মৰ বাবে অগ্ৰসৰ হোৱাজনৰ শঙ্কৰদেৱৰ ধৰ্ম-দৰ্শন সম্পৰ্কে সম্যক ধাৰণা থকাৰ উপৰি প্ৰাকৃত, সংস্কৃত, অপভ্ৰংশ আদি ভাষাৰ জ্ঞান আৰু সমকালীন ভাৰতীয় সাহিত্যৰ লগত পৰিচয় থকাটো নিতান্তই বাঞ্চনীয়। ড° গোস্বামী উপৰি উক্ত গুণবিলাকেৰে অলঙ্কৃত এগৰাকী গৱেষক পণ্ডিত।

প্ৰথম খণ্ডটিত গোস্বামীদেৱে সংস্কৃত শ্ৰীমদ্ভাগৱতৰ শংকৰদেৱে কৰা অসমীয়া পদ-পয়াৰৰ ১ম, ২য়, ৩য় (অনাদি পাতন), ৬ষ্ঠ (অজামিল উপাখ্যান), ৮ম (অমৃত মন্থন, হৰমোহন, বলি চলন) সামৰি লৈছিল। দ্বিতীয় খণ্ডটিত ভাগৱতৰ ১০ম (আদিছোৱা), ১১শ আৰু ১২শ স্কন্ধ সামৰি লৈছে। শংকৰদেৱে অসমীয়া পদ ভাঙনি কৰোতে কেতিয়াবা মূলানুগ বা কেতিয়াবা হ্ৰস্য-দীৰ্ঘ কৰি অনুবাদ কৰা দেখা যায়। তাৰ মাজতেই তেৰাৰ অনুবাদৰ মৌলিকতা প্ৰকাশ পাইছে। এই গ্ৰন্থৰ পাতে পাতে গুৰুজনাৰ অনুবাদ ৰীতিৰ মৌলিকতা প্ৰকাশ পোৱাৰ উপৰি লেখকৰো অধ্যয়ন আৰু বিশ্লেষণৰ বহুমুখীতা প্ৰকাশ পাইছে। গ্ৰন্থখনৰ প্ৰথম খণ্ডটিক ৰাইজে আদৰি ললেই লেখক আৰু প্ৰকাশকৰ শ্ৰম সাৰ্থক হ'ব বুলি ভাবিছো।

৩ চেপ্তেম্বৰ, ২০১০
গুৱাহাটী

ডালিম পাঠক
সভাপতি,
শ্ৰীমন্ত শংকৰদেৱ সচেতন মঞ্চ, অসম

(৯) দশম স্কন্ধ

১-আদ্য দশম

শ্ৰীমদ্ভাগৱত পুৰাণৰ দ্বাদশ স্কন্ধৰ ভিতৰত দশম স্কন্ধটিয়েই আকাৰত সৰ্ববৃহৎ আৰু ইয়াৰ শ্লোক সংখ্যা ৩৯৫৫ আৰু অধ্যায়ৰ সংখ্যা নব্বৈ। মতান্তৰে তথা শাস্ত্ৰান্তৰে শ্লোক সংখ্যা নানাবিধ থকাও দেখা যায়। দশম স্কন্ধৰ পদ্য ভাগত তিনিটি ভাগ কৰা হৈছে— (১) আদ্য দশম (২) মধ্য দশম আৰু (৩) শেষ দশম। ইয়াৰে আদ্য দশম আৰু শেষ দশমৰ কুৰুক্ষেত্ৰ অংশটি শংকৰদেৱৰ আৰু মধ্য দশম আৰু শেষ দশমৰ পৰিশিষ্ট খণ্ডটিৰ পদ্যকাৰ অনন্ত কন্দলি। সম্পূৰ্ণ দশম স্কন্ধটি ৰচনা কৰিবলৈ গুৰুজনাৰ পৰিকল্পনা আছিল। কিন্তু অনন্ত কন্দলিয়ে গুৰুজনাৰ ওচৰত শৰণ লৈ আহাৰৰ অৱশিষ্ট বিচৰাত গুৰুৱে অৱশিষ্ট নিদি শাস্ত্ৰৰ অৱশিষ্ট মধ্য দশমকে ৰচনা কৰিবলৈ দিলে বুলি চৰিত পুথিত পোৱা যায়। কথাগুৰু চৰিতত এনেকৈ আছে— 'একদিনা শৰণ পৰিখা মনে নিচই কৰি বোলে আকে যদি বুজে মনৰ কথা আৰা কৃষ্ণ ভজিম গুৰু। পাছে সেইদিনা ভাগৱত কৈ ৰ'ল। গুৰুজন ভোজন কৈ উঠাৰ বেলা হৈছে। তেনেতে ধ্বজা আতৈত কৈ জনোৱালে বোলে আমি গুৰুজন ঠাই জাব খোজো কি বোলে। গৈ ক'লে তাৰা বোলে সঙ্গ আনাগৈ। নিলেহি পাই দণ্ডৱতে পৰি বোলে বাপ অৱশেষ প্ৰাৰ্থনা কৰিছে মহাপুৰুষ গুৰু হস্ত দাঙ্গি বোলে বিপ্ৰ উঠাজক পাবা। বোলে আমি আদ্য কৰিম, মধ্য শেষ কৰিবা তুমি। কৃষ্ণৰ ভক্তিলীলা বন্নাই গাস্থিবা। সম্পূৰ্ণে কৰিব খুইছিলো, তুমিজে প্ৰাৰ্থিলা কৰাগৈ।' ইত্যাদি।

শ্ৰীমদ্ভাগৱত পুৰাণৰ দ্বিতীয় স্কন্ধৰ পৰা দ্বাদশ স্কন্ধলৈকে আৰম্ভণি মংগলাচৰণৰ আদ্য শ্লোক পাবলৈ নাই। প্ৰথম স্কন্ধৰ আদিতে প্ৰথম শ্লোকৰ শেষাংশ পাদৰ তিনিটি শব্দ 'সত্যং পৰং ধীমহি', অৰ্থাৎ সত্য স্বৰূপ পৰমেশ্বৰক ধ্যান কৰো— এই বাক্যটি আৰু দ্বাদশ স্কন্ধৰ শেষ অধ্যায়ৰ ঊনৈশ (১২/১৩/১৯) সংখ্যাৰ শ্লোকটিৰ শেষত বাক্যটি 'সত্যং পৰং

ধীমহি' অৰ্থাৎ সত্যস্বৰূপ পৰমেশ্বৰক ধ্যান কৰোঁ। এই দুটি গায়ত্ৰী পদ বাচ্যৰ বুলি জনা যায়। গ্ৰন্থাৰম্ভত বিঘ্নি বিনাশৰ কাৰণে শাস্ত্ৰকাৰসকলে যাৰ যি উপাস্য, সেইজনৰ নামত নমস্কাৰ জনাই মঙ্গলাচৰণ কৰাটি পৰম্পৰাগত পৰিণত হৈ আহিছে। প্ৰথম স্কন্ধ ভাগৱতৰ প্ৰথমটি শ্লোকতহে মঙ্গলাচৰণ কৰা হৈছে। বাকীসকলত নাই। কিন্তু গুৰুজনে প্ৰতিস্কন্ধতে আনকি তাৰ সামান্য অংশতো মঙ্গলাচৰণ কৰিছে। আদ্য দশমৰ কৃষ্ণ জন্মৰপৰা গোপী উদ্ধৱ সংবাদলৈকে এই ভাগটিৰ ভিতৰতে গুৰুজনে আদ্য দশম হিচাপে অনূদিত কৰিলেও 'গোপী উদ্ধৱ সংবাদ' অধ্যায়টিৰ ৰচনা একাষৰীয়া কৰি ৰাখিছে। গুৰুজনে প্ৰথম ধৰ্ম প্ৰচাৰ কালত সৰ্বপ্ৰথম 'গোপী উদ্ধৱ সংবাদ' অধ্যায়টি ৰচনা কৰি পুথিখনি থাপনা পাতি ৰাম ৰাম গুৰু প্ৰমুখ্যে ব্ৰাহ্ম ব্ৰাহ্মণেতৰসকলক শৰণ দিয়া কথা চৰিত পুথিত ব্যক্ত কৰা হৈছে। যেনেঃ

দশমৰ পুৰাণৰ শ্লোক পাছে চাই।
উদ্ধৱ সম্বাদ পুথি কৰিলন্ত যাই।।
সাৰ উদ্ধাৰিয়া তাৰ পদ কৰিলন্ত।
উদ্ধৱ সম্বাদ নাম তাহাৰ দিলন্ত।।

* * * * *

ঠাই মুচি সৰ্বজয়ে আনিলন্ত পুথি।
আনো বিপ্ৰগণে উঠি কৰিলন্ত স্তুতি।।
ৰাম ৰাম গুৰু আগে বস্ত্ৰ খসাইলন্ত।
পুস্তকক লাগি দণ্ডৱত কৰিলন্ত।।

(গুৰু চৰিত/ৰামচৰণ ঠাকুৰ)

ভাগৱত দশম স্কন্ধৰ প্ৰথম অধ্যায়ৰ পৰা সাত চল্লিশ অধ্যায় পৰ্যন্ত (গোপী উদ্ধৱ সংবাদ সামৰি) 'আদ্য দশম' নামৰ প্ৰথম খণ্ডটিৰ ১৯৫৪ সংখ্যক শ্লোকৰ ভাঙনি ২৪৬৩ টি পদত সমাপন কৰা হৈছে। পিছৰ 'কুৰুক্ষেত্ৰ' খণ্ডটিৰ শ্লোক সংখ্যা ২২৩ টি আৰু পদ সংখ্যা ৬০২। দুয়োটি ভাগৰ শ্লোক সংখ্যা যোগ কৰিলে হয়গৈ ২১৭৭ টি। অধ্যায়ৰ সংখ্যা একাৱন্ন, পদৰ সংখ্যা সৰ্বমুঠ ৩০৬৫। এতিয়া সম্পূৰ্ণ হিচাপ কৰিলে দেখা যায় যে দশমৰ ৩৯৫৫ টি শ্লোকৰ পৰা বিয়োগ কৰিলে শংকৰদেৱেই সৰ্বাধিক শ্লোকৰ ভাঙনি কৰিছে। কন্দলিয়ে ভাঙনি কৰিছে ১৭৭৯ টি শ্লোকৰ আৰু পদ সংখ্যা ৩৭৪৯ টি। শ্লোকানুপাতে পদ ভাঙনি গুৰুজনাৰ যথেষ্ট কম। কিন্তু কন্দলিৰ ভাঙনি শ্লোকানুপাতে যথেষ্ট অধিক।

ভাগৱতৰ সমগ্ৰ স্কন্ধৰ ভিতৰত দশম স্কন্ধটিৰ আকাৰ সৰ্ববৃহৎ হোৱাৰ এটি প্ৰধান কাৰণ হ'ল— ভাগৱতৰ ঘাই চৰিত্ৰ আৰু আধাৰ পুৰুষ শ্ৰীশ্ৰীকৃষ্ণদেৱৰ চৰিত্ৰ চিত্ৰণ। অসমীয়া সমাজে বা অসমীয়া বৈষ্ণৱ সমাজে ভাগৱত বুলিলে প্ৰধানকৈ দশম স্কন্ধকে মানি লয়। মহাপুৰুষীয়া ধৰ্মৰ প্ৰধান শাস্ত্ৰ দশম, কীৰ্তন, ঘোষা; ৰত্নাৱলী— এই চাৰিখনি পুথিয়েই প্ৰসিদ্ধ। দশম বুলিলে সমগ্ৰ ভাগৱতকে বুজায় বা বুজোৱাৰ নিচিনা হয়। ইয়াৰ জনপ্ৰিয়তাও অধিক। শংকৰদেৱে আন স্কন্ধবোৰৰ অনুবাদ কৰোঁতে বহুতো শ্লোক বাদ দিছে। কিন্তু দশম স্কন্ধৰ অনুবাদত সামান্য এৰা-ধৰা নীতিৰে শ্লোকবোৰ সামৰিছে। কোনো কোনো ঠাইত প্ৰসংগানুসৰি বিষয় বহল কৰিছে, ক'ৰবাত একোটি শ্লোকৰ ভাঙনি এশাৰী বা দুশাৰীতে শেষ কৰিছে আৰু ক'ৰবাত এটি সামান্য সূত্ৰৰ আধাৰতে অধিক বহলকৈ বৰ্ণনা দিছে। গুৰুজনে পূৰ্বোক্ত অধ্যায়ৰ শ্লোকসমূহৰ পৰা সৰ্বমুঠ আঠান্নৱৈটি শ্লোক বাদ দিছে। ইয়াৰ মাজত গুৰুজনাৰ স্বভাৱসিদ্ধ ৰস সৃষ্টি, কাল্পনিক ৰূপ আদি বিষয়বোৰো প্ৰসংগানুসৰি যোগ হোৱাত বাদ দি ৰখা শ্লোকতকৈ অধিকহে হৈছে। গুৰুজনাই নিজে স্বীকাৰ কৰি লিখিছে—

শুনিয়োক বুধজন হুয়া সাৱধান মন
কৰযোৰে বোলো তুতিবাক।
যেবে টীকা ভাষ্য চাই দেখা ইটো কথা নাই
নিন্দা তেবে কৰিবা আমাক।।
যিবা কিছু দেখা বঢ়া ইটো অপৰাধ এৰা
ব্যাসো দেন্ত কথাত ৰঞ্জন।
আনো মহা কবিচয় কাব্যৰস নিবন্ধয়
তাক নিন্দে কোন সাধুজন।

শংকৰদেৱে কাব্যৰস দিয়াৰ লগতে শ্ৰীধৰ স্বামীৰ টীকাৰ পৰাও যে বিষয়বস্তু গ্ৰহণ কৰিছে, সেই সম্পৰ্কে ইয়াৰ আগৰ স্কন্ধ আৰু অধ্যায়বোৰত প্ৰসংগক্ৰমে উল্লেখ কৰি আহিছো। দশম স্কন্ধতো পৰিস্থিতি তথা প্ৰসংগানুসৰি ঠায়ে ঠায়ে স্বামী টীকাৰ প্ৰভাৱ পৰিছে। কেৱল সেয়ে নহয়— গুৰুজনে ভাগৱত ৭/১৩/১ সংখ্যক শ্লোকৰ সূত্ৰ এটিও দশম স্কন্ধত দাঙি ধৰিছে। সূত্ৰটি হ'ল 'তস্মাৎ কেনাপ্যুপায়েন মনঃ কৃষ্ণ নিৱেশচয়ৎ'। অৰ্থাৎ গুৰুজনাৰ ভাষাৰে 'যেনতেন মতে মাত্ৰ স্মৰোক সততে' ইত্যাদি।

আমি পূৰ্বতে প্ৰকাশ কৰি অহা অনুসৰি দশম স্কন্ধৰ আদিতো মংগলাচৰণ শ্লোক নাই। কিন্তু গুৰুজনে আৰম্ভতে 'জয় নমো যাদৱ মাধৱ জনাৰ্দন। জয় হৃষীকেশ সদাশিৱ সনাতন' বুলি মংগলাচৰণ কৰিছে। সেইদৰে ৰাসলীলা, গোপী-উদ্ধৱ সম্বাদ আৰু কুৰুক্ষেত্ৰ— এই তিনটি কাহিনীতো মূলতঃ মংগলাচৰণ শ্লোক নাই। কিন্তু গুৰুজনে (ৰাসলীলা) 'জয় জগন্নাথ জগতৰ আদি মূল। 'গোপ ৰূপ ধৰি হৰি তাৰিলা গোকুল', (গোপী উদ্ধৱ সম্বাদ) 'জয় জগন্নাথ নাৰায়ণ নিৰঞ্জন। জয় দামোদৰ দেৱ দৈৱকী নন্দন', (কুৰুক্ষেত্ৰ)— 'জয় জয় কৃষ্ণ পয়োধি মাধৱ। ব্ৰহ্মা হৰে পূজে যাৰ চৰণ পল্লৱ' ইত্যাদিত মংগলাচৰণ কৰিছে। উক্ত মংগলাচৰণ কৰাৰ কাৰণো নথকা নহয়। সম্ভৱতঃ আটাইকেইটি কাহিনী একে সময়তে ৰচনা কৰা নাছিল। আনহাতে আটাইকেইটি কাহিনীৰ সম গুৰুত্ব থকাৰ কাৰণেও মংগলাচৰণ স্বতন্ত্ৰভাৱে কৰা হৈছে। ইয়াৰ ভিতৰত ৰাসলীলাতত্ত্ব অতি গভীৰ। দশমৰ পাঁচোটি অধ্যায়ত ৰাসলীলাতত্ত্বৰ ব্যাখ্যা কৰা হৈছে। ইয়াক সেই কাৰণে ৰাস পঞ্চাধ্যায় বোলে। শুকদেৱে পৰীক্ষিতক ৰাসলীলাতত্ত্ব ব্যাখ্যা কৰোঁতে বৰ আন্তৰিকতাৰে তথা তাৎপৰ্যপূৰ্ণভাৱে কৈছে। শ্ৰীধৰ স্বামীয়েও টীকা প্ৰণয়নত এই অধ্যায়টিত বিশেষ গুৰুত্ব দিছে। 'গোপী উদ্ধৱ সংবাদ'ৰ ৰচনাও গুৰুত্বপূৰ্ণ। প্ৰেমাস্পদ শ্ৰীকৃষ্ণই গোকুল এৰি অহাত নন্দ-যশোদাক আৰু গোপীসকলৰ কৃষ্ণ দৰশন ব্যাহত হোৱাত তেওঁলোকক সান্ত্বনা দিবলৈ উদ্ধৱক দূতৰূপে পঠোৱা হৈছে আৰু কৃষ্ণৰ প্ৰতি থকা গোপীসকলৰ অকৃত্ৰিম স্নেহৰ বিষয়টি প্ৰকাশ কৰোঁতে কৃষ্ণ প্ৰেমৰ সুন্দৰ নিদৰ্শন দুটি অধ্যায়ত পৰিষ্কাৰ হৈ পৰিছে। সেয়ে ইয়াক স্বতন্ত্ৰ বিষয় হিচাপে চিহ্নিত কৰিব পাৰি। কুৰুক্ষেত্ৰও তদনুৰূপ। নন্দ-যশোদা আৰু গোপীসকলে কৃষ্ণক কুৰুক্ষেত্ৰত লগ পাওঁতে হোৱা কথোপকথন আৰু কৃষ্ণ বিৰহত দুখী গোপীসকলৰ কৃষ্ণ সংগ লাভত আনন্দৰ বিষয়বোৰ চাৰিটি অধ্যায়ত পৰিষ্কাৰ হৈছে। দুয়োটি বিষয়ৰ কৃষ্ণ দৰ্শন লাভৰ উৎকণ্ঠা ইয়াত স্বতন্ত্ৰভাৱে প্ৰকাশিত হৈছে।

দশম স্কন্ধৰ আদিতে আৰম্ভ কৰা শ্লোকটিৰ তাৎপৰ্য যথেষ্ট আছে। সেই শ্লোকটি উদ্ধৃত কৰা হ'ল, যেনে—

কথিতো বংশ বিস্তাৰো ভৱতা সোমসূৰ্য্যয়োঃ।
ৰাজ্ঞাঞ্চোভয়বংশ্যানাং চৰিতং পৰমাদ্ভুতম।।

(ভাগৱত। ১০/১/১

পৰীক্ষিতে শুকদেৱক ক'লে— আপুনি চন্দ্ৰ আৰু সূৰ্যৰ পুত্ৰ পৌত্ৰাদি বংশক্ৰমৰ বৰ্ণনা কৰিলে আৰু সেই বংশৰ ৰজাসকলৰ অতিশয় অদ্ভুত চৰিত্ৰৰো বৰ্ণনা দিলে।

পূৰ্বোক্ত শ্লোকটিৰ অৰ্থৰহ এটি তাৎপৰ্য আছে। শ্লোকৰ প্ৰথম পাদৰ শেষোক্ত 'সোমসূৰ্যয়োঃ'— পদৰ অৰ্থ হ'ল— 'চন্দ্ৰ সূৰ্য'ৰ। 'সোম' পদটি আগতে দি 'সূৰ্য' পদটি শেষত কিয় দিলে? ইয়াৰ কাৰণ হ'ল চন্দ্ৰ শ্ৰেষ্ঠবাচক পদ আৰু ই ষোল্লকলাৰে পূৰ্ণ আৰু সূৰ্য বাৰ কলাৰে পূৰ্ণ। আনহাতে শ্ৰীকৃষ্ণ পৰিপূৰ্ণতমাৱতাৰ আৰু চন্দ্ৰ বংশজাত মহাপুৰুষ আৰু শ্ৰীৰামচন্দ্ৰ হ'ল পৰিপূৰ্ণাৱতাৰ আৰু সূৰ্য বংশজাত ৰজা। সেয়ে শ্ৰীৰামচন্দ্ৰতকৈ ভগৱান কৃষ্ণৰ মহত্ত্ব অধিক। গতিকে গুৰুজনে চন্দ্ৰ বংশজাত কৃষ্ণদেৱৰ প্ৰতি বিশেষ গুৰুত্ব দি বিষয়টি আৰম্ভ কৰিছে।

দশমৰ প্ৰথম শ্লোকৰ পৰা ষোল্ল সংখ্যাৰ শ্লোকলৈকে তাৰ সাৰাংশ লৈ বাৰটি পদত মংগলাচৰণ, শুক-পৰীক্ষিতৰ প্ৰশ্নোত্তৰ প্ৰসংগটি টানি আনি প্ৰথম অধ্যায়টিৰ পাতনি মেলা হৈছে। সোতৰ সংখ্যাৰ শ্লোক আৰু তেৰ সংখ্যাৰ পদৰ পৰাহে মূল বিষয়লৈ আহিছে। শ্লোক, শ্লোকৰ নিৰ্দিষ্ট সূত্ৰ, টীকাৰ সূত্ৰৰ আধাৰত গুৰুজনে সংযোজন, বিয়োজন, সৃষ্টিমূলক বৰ্ণনা আদি কৰা বিষয়টি সুকীয়া। কাৰ্যকৰণ বিশেষে, পৰিস্থিতি সাপেক্ষে ভগৱান কৃষ্ণৰ গুৰুত্ব বঢ়াবলৈ, ছন্দ মিলাবলৈ গুৰুজনাৰ নিজৰ স্বাভাৱিক ৰীতিৰ বিষয়টি ইয়াত যোগ হৈ আমি এতিয়া শ্লোকৰ লগত পদৰ সম্পৰ্ক কেনেকুৱা তাকে দেখুৱাবলৈ তলত অসমীয়া ৰূপটি দাঙি ধৰা হ'ল।

(ভাগৱত। ১০/১/১৭—২৬)

১। বিপথগামী ৰাজবেশধাৰী দৈত্যসকলৰ আৰু অসংখ্য সৈন্য-সামন্তৰে ভাৰাক্ৰান্ত হৈ পৃথিৱীয়ে ব্ৰহ্মাৰ শৰণাপন্ন হ'ল।

২। তেওঁ জীৰ্ণ-শীৰ্ণ দেহাৰে গো-ৰূপ ধাৰণ কৰি অশ্ৰুসিক্ত হৈ কান্দি কান্দি ব্ৰহ্মাৰ ওচৰত নিজৰ দুখ বৃত্তান্ত জনালে।

৩। ব্ৰহ্মাই পৃথিৱীৰ দুখ বৃত্তান্ত শুনি শিৱ, ইন্দ্ৰাদি দেৱগণৰ সৈতে তেওঁক লগত লৈ ক্ষীৰ সাগৰৰ তীৰলৈ যাত্ৰা কৰিলে।

৪। ব্ৰহ্মাই ক্ষীৰ সাগৰৰ তীৰত উপস্থিত হৈ একান্তমনে পুৰুষসূক্ত স্তৱ উচ্চাৰণেৰে জগত পালক দেৱপূজ্য শৰণাগত ৰক্ষক বাঞ্ছিত ফলদায়ক শ্ৰীহৰিৰ আৰাধনা কৰিলে।

৫। ব্ৰহ্মাই সমাধিযোগে আকাশবাণী শ্ৰৱণ কৰি দেৱগণক ক'লে হে দেৱগণ! তোমালোকে শ্ৰীহৰিৰ আদেশ বাক্য শ্ৰৱণ কৰা আৰু তাক অবিলম্বে পালন কৰা।

৬। আমি শ্ৰীহৰিৰ ওচৰত পৃথিৱীৰ দুখ বাৰ্তা জনোৱাৰ পূৰ্বতে তেওঁ সেই কথা জানে। তেওঁ নিজৰ কালশক্তিৰ প্ৰভাৱত পৃথিৱীৰ ভাৰ হৰণৰ কাৰণে যিমান দিন থাকিব, তোমালোকো সিমান দিন যদুবংশত আৰু যাদৱসকলৰ আত্মীয় বংশত জন্ম গ্ৰহণ কৰি পৃথিৱীত থাকিবা।

৭। ভগৱান পুৰুষোত্তম শ্ৰীকৃষ্ণই বসুদেৱৰ গৃহত স্বয়ং অৱতীৰ্ণ হ'ব। তেওঁৰ ৰুক্মিণী প্ৰভৃতি পত্নীসকলৰ পৰিচৰ্যাৰ কাৰণে দেৱ ৰমণী সকলো পৃথিৱীত জন্ম গ্ৰহণ কৰিব।

৮। শ্ৰীকৃষ্ণৰ অংশ আৰু তেওঁৰ সংগ অবিহনে আনত থাকিব নোৱৰা সহস্ৰ বদন অনন্তই কৃষ্ণৰ প্ৰীতিবিধানৰ কাৰণে জ্যেষ্ঠ ভাতৃ হৈ আগতে জন্মগ্ৰহণ কৰিব।

(১০) শুকদেৱে ক'লে প্ৰজাপতিৰো পতি ব্ৰহ্মাই দেৱতাসকলক এনে প্ৰকাৰে ভগৱানৰ অৱতাৰ কাহিনীৰ কথা কৈ পৃথিৱীক মধুৰ বাক্যেৰে আশ্বাস কৰি সত্য লোকস্থিত নিজ ধামলৈ গমন কৰিলে।

গুৰুজনাৰ অনুবাদ ঃ

উপজিলা ৰাজা হুয়া দৈত্য অসংখ্যাত।
বলৰ দৰ্পত কৰে সন্তক বিঘাত।।
ব্ৰহ্মাত শৰণ লৈলা ধেনুৰূপ ধৰি।
তনু ভৈলা ক্ষীণ পীড়িলেক গুৰুভাৰে।
তিন্তি আছে মুখ আতি লোতকৰ ধাৰে।।
হুমাহুমি কান্দিলা মনত মহা ৰাগে।
নিবেদিলা দুখ সবে বিধাতাৰ আগে।।
পাছে ব্ৰহ্মাদেৱে দুখ দেখি পৃথিৱীৰ।
ত্ৰিদশে সহিতে গৈলা ক্ষীৰোদধি তীৰ।।
লাগিলাহা মন্ত্ৰে মাধৱক আৰাধিত।
শুনিলা আকাশী বাণী ব্ৰহ্মা সমাধিত।

পাছে ত্ৰিদশক ব্ৰহ্মা বুলিলা বচন।
বিষ্ণুৰ আদেশ শুনিয়োক দেৱগণ।।
সংহাৰিবা হৰি পৃথিৱীৰ মহাভাৰ।
তুমি সবো হোৱা যদুকুলে অৱতাৰ।।
বসুদেৱ গৃহত সাক্ষাতে নাৰায়ণ।
উপজিবা অৱশ্যে শুনিয়োক দেৱগণ।।
তানে অৰ্থে দিব্য নাৰীগণ হৌক জাত।
আগে উপজিবা হৈবা অনন্ত সাক্ষাৎ।
বিষ্ণুৰ আদেশে যোগমায়া ভাগৱতী।
কাৰ্য সাধিবাক প্ৰতি হৈবা উতপতি।।
এহি বুলি ব্ৰহ্মা দিয়া দেৱক আদেশ।
ভূমিক আশ্বাস বাণী বুলিলা অশেষ।
খণ্ডিবা তোমাৰ মহাদুখ দেৱহৰি।
খেদ পৰিহৰি স্বস্থ হুয়ো বসুন্ধৰী।
এহি বুলি নিজ থানে গৈলা সৃষ্টিকৰ।

প্ৰথম অধ্যায়ৰ ২৭ সংখ্যাৰ পৰা ৬১ সংখ্যালৈকে সৰ্বমুঠ চৌত্ৰিশটি শ্লোকৰ ভিতৰত চাৰিটি শ্লোক (৪১, ৪২, ৪৩, ৫১) বাদ দি ত্ৰিশটি শ্লোকৰ অনুবাদ শ্লোকানুগতভাৱে তেইশটি পদত সমাপন কৰা হৈছে। দুই-এটি শব্দৰ পৰিৱৰ্তনৰ বাহিৰে বাকী অংশবোৰ সুন্দৰকৈ শ্লোকানুৰূপ কৰা হৈছে। স্থান বিশেষে কেইবাটিও শব্দৰ ঠাইত এটি শব্দতে চমু কৰি পেলাইছে। যেনে— ‘জগন্নাথ দেৱ দেৱেং’ (ভাগৱত। ১০/১/২০) ইয়াৰ ঠাইত ‘মাধৱ’ক বুলি কৈছে। সেই দৰে ‘পুৰুষসূক্তেন’ এই পদত ‘মন্ত্ৰে’ বুলি চমু কৰি থৈছে। এনে প্ৰকাৰে আৰু এটি উদ্ধৃতি দিব বিচৰা হৈছে — (ভাগৱত। ১০/১/৩৫)

ইত্যুক্তঃ সখলঃ পাপো ভোজনাংকুলপাংসনঃ।
ভাগিনীং হন্তমাৰব্ধঃ খড়গপাণি কচেঽগ্ৰহীৎ।।

অৰ্থাৎ— দৈৱবাণী শুনা মাত্ৰেই ভোজবংশৰ কলঙ্কস্বৰূপ সৰ্পৰ নিচিনা ক্ৰূৰ পাপ প্ৰকৃতিৰ সেই কংসই তৰোৱাল লৈ ভাগিনী দৈৱকীক চুলিত ধৰিলে আৰু কাটিবলৈ উদ্যত হ'ল।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

শুনিয়া নিস্ফল কংসে খাণ্ডা লৈলা তুলি।
দৈৱকীৰ কেশত ধৰিলা কাটো বুলি।।

পূৰ্বোক্ত শ্লোক আৰু গুৰুজনাৰ অনূদিত পদৰ মাজত সামান্য মাত্ৰ শব্দচয়ন আৰু ব্যৱহাৰত পাৰ্থক্য আছে অৰ্থাৎ মূলগত ৰূপ হেৰফেৰ নোহোৱাকৈ সুন্দৰ অৰ্থবহ শব্দ ব্যৱহাৰ কৰিছে। এতিয়া আমি আহোঁ পিছৰ অধ্যায়লৈ। সেই অধ্যায়ৰ ৬২-৬৯ শ্লোকলৈকে মুঠ আঠটি শ্লোকৰ অসমীয়া অনুবাদ তলত দিয়া হ'ল।

হে পৰীক্ষিত? নন্দাদি ব্ৰজবাসী গোপসকল, তেওঁলোকৰ পত্নীগণ, বসুদেৱাদি যাদৱসকল, দৈৱকী প্ৰমুখ্যে যাদৱৰমনীসকল, আৰু নন্দ বসুদেৱ উভয়েই কংসানুৰক্ত জ্ঞাতি, বন্ধু, ভৃত্য আদি সকলোৱেই ছদ্মবেশী দেৱতা।

সৰ্বজ্ঞ নাৰদমুনি স্বৰ্গৰ পৰা মথুৰা পুৰীলৈ আহি কংসৰ ওচৰত উক্ত বৃত্তান্ত আৰু পৃথিৱীৰ ভাৰস্বৰূপ দৈত্য গণৰ নিধনৰ কাৰণে দেৱতাসকলে যে গোপনে ষড়যন্ত্ৰ ৰচনা কৰিছে, সেই সকলো কথা প্ৰকাশ কৰিলে।

নাৰদমুনি মথুৰাৰ পৰা যোৱাৰ পিছত কংসই যাদৱগণক দেৱতা বুলি জানি আৰু হৰিয়ে দৈৱকীৰ গৰ্ভত জন্ম গ্ৰহণ কৰি তেওঁক বধ কৰিব বুলি জানি দৈৱকী বসুদেৱক কাৰাবদ্ধ কৰিলে আৰু হৰিয়ে জন্ম লোৱাৰ আশঙ্কাত তেওঁলোকৰ জন্ম হোৱা সন্তানবোৰ বধ কৰিব ধৰিলে।

পৃথিৱীত স্বাৰ্থপৰ আৰু বিষয়ী ৰজাবোৰে প্ৰায়েই নিজৰ পিতৃ-মাতৃ ভাতৃ আদি আত্মীয়সকলক বধ কৰি থাকে।

পূৰ্বজন্মত কংস কালনেমি নামৰ অসুৰ আছিল আৰু হৰিয়ে তেওঁক বধ কৰিছিল। এই জন্মত কংসৰূপে জন্ম লৈছে। এই কথা নাৰদৰ মুখত শুনি কংসই যাদৱসকলৰ লগত শত্ৰুতাচৰণ কৰিবলৈ ধৰিলে।

যদু, ভোজ, অন্ধকাদি বংশৰ অধিপতি নিজৰ পিতৃ উগ্ৰসেনক কাৰাগাৰত আৱদ্ধ কৰি কংসই নিজেই ৰাজভোগ কৰিবলৈ ধৰিলে।

গুৰুজনাই অনুবাদ কৰিছে এনেধৰণেৰে ঃ

অনন্তৰে আসি নাৰদে বোলন্ত
শুনৰে অবোধ কংস।
বসুদেৱ আদি কৰিয়া যতেক
দেখহ যাদৱ কংস।।
নন্দ আদি কৰি যতেক গোৱাল
আছে মনুষ্যৰূপে।

ইটোসৱে দেৱ জানিবি নিশ্চয়
কহিলো তোক স্বৰূপে।
দৈৱকী যশোদা আদি কৰি যত
সবে দেৱতাৰ নাৰী।
তই কালনেমি আছিলি পূৰ্বত
বধিলা তোক মুৰাৰি।।
দৈৱকীৰ গৰ্ভে উপজি দুনাই
তোক মাৰিবন্ত হৰি।
যাক জ্ঞাতি বুলি আপোন মানস
সবেয়ো তোহোৰ বৈৰী।।
তোক মাৰিবাক সবাৰে যতন
সত্বৰে চিন্ত উপাই।
এহি বুলি উঠি লৰিলা নাৰদ
হাতে দিব্য বীণা বাই।।
নাৰদৰ বাণী শুনিয়া কংসৰ
মহাক্ৰোধ জ্বলি গৈলা।
বসুদেৱ দৈৱ কীক আনি ঘৰে
লোহা লগাই বান্ধি থৈলা।
তাসম্বাৰ পুত্ৰ উপজে মাত্ৰকে
ধৰি মাৰৈ তাৎক্ষণে।
পিতৃ মাতৃ ভ্ৰাতৃ একোৱে নমানে
নিদাৰুণ ৰাজাগণে।।
যাদৱ বংশক হিংসা কৰিবাক
লাগিল কংস নিলাজ।
উগ্ৰসেন পিতৃ তাহাকো নিগ্ৰহ
আপুনি ভুঞ্জয় ৰাজ।

দশম স্কন্ধৰ দ্বিতীয় অধ্যায়ৰ মুঠ শ্লোক সংখ্যা বিয়াল্লিশ। ইয়াৰে আঠোটা বাদ দি (১৩, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৯, ৪০) বাকীখিনিৰ অনুবাদ কৰা হৈছে যদিও মাজে মাজে কিছু শ্লোকৰ সাৰাংশহে লৈছে। তাৰ কেইটিমান উদাহৰণ দিয়া হ'ল। (১০/২/১০, ১১, ১২)।

(১) পৃথিৱীবাসীসকলে সৰ্বকামবৰেশ্বৰী আৰু সৰ্বকাম্যফলপ্ৰদ তোমাক ধূপ, নৈবেদ্যাদি উপকৰণৰ দ্বাৰা অৰ্চনা কৰিব।

(২, ৩) পৃথিৱীবাসীসকলে তোমাক নানা স্থানত স্থাপন কৰিব আৰু দুৰ্গা, ভদ্ৰা কালী, বিজয়া, বৈষ্ণৱী, কুমুদা, চণ্ডিকা, কৃষ্ণা, মাধৱী, কন্যাকা, মায়া, নাৰায়ণী, ঈশানী, শাৰদা, অম্বিকা, প্ৰভৃতি নামেৰে অভিহিত কৰিব।

গুৰুজনে একেবাৰে সংক্ষিপ্ত ৰূপত প্ৰকাশ কৰিছে এনেকৈ—

দুৰ্গা ভদ্ৰাকালী আদি হৈবেক তোমাৰ নাম
থাকিবা লোকৰ পূজা খাই।। পদ-৫৫

(৪) এই পৰিদৃশ্যমান সংসাৰ বৃক্ষৰ প্ৰকৃতি আশ্ৰয় সুখ, দুখ এই দুইটি ফল, ইয়াৰে সত্ত্ব, ৰজ, তম এই তিনটিমূল ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চাৰিটি ৰস, চক্ষু, কৰ্ণ, নাসিকা, জিহ্বা, ত্বক্— এই পঞ্চ ইন্দ্ৰিয় জ্ঞান, শোক, মোহ, জৰা, মৃত্যু, ক্ষুধা, পিপাসা এইকেইটি স্বভাৱ। ৰস, ৰক্ত, মাংস, মেদ, আদি, মজ্জা, শুক্ৰ এইকেইটি ছাল, ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যাস, মন, বুদ্ধি, অহঙ্কাৰ— এই আঠটি শাখা, চক্ষু, পৰ্ণ, পায়ু, উপস্থ, মুখ, নাসিকা— এয়া কোটৰ, প্ৰাণ, অপান, সমান, উদ্যান, ব্যান, নাগ, কূৰ্ম, কৃকৰ, দেৱদত্ত, ধনঞ্জনয় এয়া পত্ৰ আৰু এই বৃক্ষত জীৱাত্মা আৰু পৰমাত্মা এই দুটি পক্ষীয়ে বাস কৰে। ইত্যাদি।

গুৰুজনাৰ অনুবাদ

প্ৰকৃতি আশ্ৰয় আছে আদি বৃক্ষ
সুখ দুখ দুই ফল।
তিনিগুণে মূল অৰ্থ চাৰি ৰস
শিপায়ে ইন্দ্ৰিয় বল।।
ছয় উৰ্ম্মি আত্মা সাত ধাতু ছাল
শাখায়ে অষ্ট প্ৰকৃতি।
দশ বায়ু পাত ঈশ জীৱ দুই
পক্ষী থাকৈ তাত নিতি।।

সুতিকা গৃহত দৈৱকী গৰ্ভস্থ ভগৱানক ব্ৰহ্মাদি দেৱতাসকলে কৰা স্তুতিখিনি মূলত পোন্ধৰটি শ্লোকত সমাপ্ত কৰা হৈছে। কিন্তু গুৰুজনে অতি সংক্ষিপ্তৰূপত সাতটি পদত শেষ কৰিছে। সেইদৰে তৃতীয় অধ্যায়ৰ এক সংখ্যাৰ পৰা তেপন্ন সংখ্যাৰ শ্লোকলৈকে থকা কৃষ্ণজন্ম, বসুদেৱ দৈৱকীৰ

স্তুতি আৰু কৃষ্ণৰ উপদেশ মূলক বাক্যাদিৰ বিষয়সমূহতো সংক্ষিপ্ত ৰূপ দিয়া হৈছে। এই অধ্যায়ৰ মুঠ তেপন্নটি শ্লোকৰ ভিতৰত আঠোটা শ্লোক বাদ দি বাকীখিনিৰ অনুবাদ কৰা হৈছে (১০/৩/১৫, ১৬, ১৭, ১৮, ১৯, ২৬, ৩১, ৫৩)। বসুদেৱ আৰু দৈৱকীৰ বিষ্ণুস্তুতিখিনিৰ সংক্ষিপ্ত ৰূপ দিয়া হৈছে। অৱশ্যে ইয়াৰ মাজত গুৰুজনাৰ শ্লোকাংশৰ লগত মিলাকৈ নিজাববীয়া অংশত যোগ হৈছে।

চতুৰ্থ অধ্যায়ৰ শ্লোক সংখ্যা সাতচল্লিশটি। ইয়াৰে দুটি শ্লোক (২০,৪১) বাদ দি বাকীখিনিৰ সুন্দৰ অনুবাদ কৰা হৈছে। ইয়াৰ মাজত গুৰুজনাই দুই এটি ৰসৰ উপস্থাপন সামান্য মাত্ৰ হলেও কৰিছে। মূলৰ 'বিনির্ভৎস্য: অর্থাৎ গৰিহনাদি এই শব্দটিৰ সাৰাংশত লিখিছে 'ক্ৰোধে আতি কংস ৰাই, দশন কামুৰি খাই, দৈৱকীক চক্ষু পকাই চাৱে", হাওৰে পাপিষ্ঠী ছাড়, কুলক্ষণী কুলাঙ্গাৰী, কত তই বুজাস আমাক।" ইত্যাদি।

পঞ্চমাধ্যায়ৰ শ্লোক সংখ্যা বত্ৰিশটি। তাৰে চাৰিটি শ্লোক (৪, ১৭, ২৬, ২৮) বাদ দি বাকী আঠাইশটি শ্লোকৰ অনুবাদ কৰা হৈছে। ষষ্ঠাধ্যায়ৰ শ্লোক সংখ্যা চৌৰাল্লিশ। ইয়াৰে এটি বাদ দি (৪১) বাকী তিয়াল্লিষটিৰ অনুবাদ হৈছে। সপ্তমাধ্যায়ৰ শ্লোক সংখ্যা সাতত্ৰিশ। ইয়াৰ আটাইকেইটিৰে অনুবাদ কৰা হৈছে। অষ্টমাধ্যায়ৰ শ্লোক সংখ্যা বাৱন্নটিৰ ভিতৰৰ সাতটি শ্লোক (৪, ১৭, ১৮, ২৬, ৩০, ৪৫, ৪৭) বাদ পৰিছে। নৱম অধ্যায়ৰ তেইশটি। কৃষ্ণৰ উডুখল বন্ধন কাহিনীটিৰ সবিশেষ বৰ্ণনা দিছে। ইয়াৰ এটিও শ্লোক বাদ পৰা নাই। দশম অধ্যায়ৰ তিৰাল্লিশটি শ্লোকৰ তিনটি শ্লোক (১৮, ২১, ২৫) বাদ দি বাকীখিনিৰ অনুবাদ হৈছে। একাদশ অধ্যায়ৰ শ্লোক সংখ্যা উনষাঠীটিৰ অনুবাদ স্থাপন কৰিছে। এই অধ্যায়টিৰ পৰাই কৃষ্ণৰ বৃন্দাবনলীলা আৰম্ভ হৈছে।

শ্ৰীশ্ৰীকৃষ্ণদেৱৰ বাল্য লীলাৰ প্ৰধান ক্ষেত্ৰখনিৰ নাম বৃন্দাবন আছিল। ইয়াতে বিবিধলীলা, অসুৰ বধাদি কাৰ্য সম্পন্ন কৰিছিল। উক্ত ক্ষেত্ৰখনি বাৰটি ভাগত বিভক্ত আছিল বুলি জনা যায়। ইয়াকে 'বাৰ বৃন্দাবন' নামেৰেও পৰিচিত বুলি কোৱা হয়। সেই বৃন্দাবনৰ মতান্তৰে দুটি ভাগ আছে। প্ৰথম ভাগটিৰ নামবোৰ যথাক্ৰমে (১) বৃন্দাবন (২) তাল বন (৩) প্ৰশস্ত বন (৪) ভাণ্ডীৰক বন (৫) মুঞ্জ বন (৬) অম্বিকা বন (৭) অশোক বন (৮) মহা বন (৯) খদীৰ বন (১০) লৌহ বন (১১) শ্ৰী বন আৰু (১২) কাম্য

বন। মতান্তৰে (১) বৃন্দাবন (২) মথুৰা বন (৩) ভদ্ৰ বন (৪) শ্ৰীবন (৫) ভাণ্ডাৰী বন (৬) তাল বন (৭) খদীৰ বন (৮) বহুল বন (৯) কুসুম বন (১০) কাম্য বন (১১) লৌহ বন আৰু (১২) মহা বন। ইয়াৰ ভিতৰত প্ৰথম পৰ্যায়ৰখিনি অধিক নিৰ্ভৰযোগ্য বুলি ভবা হয়। কৃষ্ণই কোন কোন বনত কি কি লীলা প্ৰকাশ কৰিছিল তাৰ বিবৰণ ভাগৱত পুৰাণত উল্লেখ আছে। যেনে—

(১) বৃন্দাবনত (ক) ব্ৰহ্মহোন (খ) বকাসুৰ বধ (গ) বৎসাসুৰ বধ।
(২) প্ৰশান্তবনত — অঘাসুৰ বধ।
(৩) ভাণ্ডীৰক বনত — প্ৰলম্বাসুৰ বধ।
(৪) মুঞ্জ বনত — বনাগ্নি পান।
(৫) তাল বনত — ধেনুকাসুৰ বধ।
(৬) অম্বিকা বনত — নন্দ উদ্ধাৰ।
(৭) অশোক বনত — বিপ্ৰপত্নী প্ৰসাদ।

সেইদৰে অন্যান্য বনতো কৃষ্ণই বিভিন্ন লীলা প্ৰকাশ কৰিছিল। স্থান বিশেষে সেইবোৰৰ বৰ্ণনা আছে।

দ্বাদশ অধ্যায়ৰ শ্লোক সংখ্যা চৌৰাল্লিশটিৰ সম্পূৰ্ণ অনুবাদ কৰা হৈছে। ত্ৰয়োদশ অধ্যায়ৰ চৌষষ্ঠীটি শ্লোকৰ অনুবাদত এটিও বাদ পৰা নাই। এই অধ্যয়াটিত অঘাসুৰ বধৰ পিছৰ ব্ৰহ্মমোহন আৰু ভোজন বিহাৰ লীলা প্ৰকাশ পাইছে। চতুৰ্দশ অধ্যায়ৰ ব্ৰহ্মাৰ কৃষ্ণ স্তুতি বিষয়ৰ মুঠ এষষ্ঠী সংখ্যক শ্লোকৰ একত্ৰিশটি বাদ দি (১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৩, ২৪, ২৫, ২৬, ২৭, ২৮, ২৯, ৩৩, ৩৭, ৩৮, ৪৩, ৪৪, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৯, ৬১) বাকীখিনিৰ অনুবাদ কৰা হৈছে। পঞ্চদশ অধ্যায়ৰ মুঠ তেপন্নটি শ্লোকৰ ভিতৰত এটি মাত্ৰ শ্লোক (৩৭) বাদ দি বাকীখিনিৰ অনুবাদ কৰা হৈছে। ইয়াত তাল ভোজন, ধেনুকাসুৰ বধ আৰু কালীয় হ্ৰদৰ জল পান কৰি গোপ বালকৰ মৃত্যু বিষয়টি উপস্থাপন কৰা হৈছে। বৰাহ পুৰাণত বৰ্ণনা কৰা হৈছে যে মথুৰাৰ পশ্চিমভাগে আঠক্ৰোশ দূৰত্বত গোবৰ্দ্ধন নামৰ এটি পৰম পুণ্য স্থান আছে আৰু তাৰ চাৰিক্ৰোশ দূৰত্বত ধেনুকাসুৰ অধিকৃত তালবন নামৰ এখন সুবৃহৎ তালবন বিৰাজিত। হৰিবংশ পুৰাণত সেই তালবনৰ বৰ্ণনাদি কৈছে যে তাল বন সমতল, স্নিগ্ধ আৰু কৃষ্ণবৰ্ণ মৃত্তিকাময়। তাত বহুত কুশযুক্ত স্থান আছে আৰু লোহা, শিল

আদিৰ অভাৱ। কিন্তুত তাত সকলোৱে ভ্ৰমণ কৰিব পাৰে ইত্যাদি। ৰামকৃষ্ণই ধেনুকাসুৰক বধ কৰি গোপ বালকক তাল কল ভোজন কৰালে। কিন্তু সেই প্ৰসংগতে 'অথতাল কলান্যাদ্‌ন' (ভাগ-১০/১৫/৪১) এই সূত্ৰৰ ওপৰত ভেজা দি গোপ বালকসকলৰ তাল কল ভোজনৰ বিবৰণত এটি সুন্দৰ ৰস সঞ্চাৰ কৰিছে। যেনে—

তাসম্বাক অনুমতি দিলা ৰাম হৰি।
লগাইলেক গৈয়া তাল কলক দাদৰি।।
পৰি আছে কল পৃথিৱীক ভৰি পুৰি।
তথাপি লোভত কৰে আজোৰা আজুৰি।।
নাহিকে লোহাণ্ডি কামুৰিয়া দান্তে খাই।
দুই হাতে আটি ধৰি বানৰ পৰাই।।
যিটো তাল নতু খাই অনেক পুৰুষি।
আধা খৰা কৰি তাক এৰে চুসি চুসি।।
অমৃত মধুৰ তাল ৰাজ উপযোগ।
কৃষ্ণৰ প্ৰসাদে পায়া গোপে কৰৈ ভোগ।।
ভুঞ্জিলেক লাগৈ মানে কৰি গণ্ডগোল।
ঠিস ঠিস ভৈল পেট যেন চাইল ঢোল।
থিউ দিয়া থাকয় মাতন্তে আসৈ বান্তি।
তথাপি খাইবাক লাগি অনেক আক্ৰান্তি।।
মুখত নযায় দান্তে তথাপি কৰছে।
ছাদৈ হুক হুকি কেহো বস্ত্ৰতে ভৰছে।
তোলন্ত উগাৰ কতো দশন প্ৰকটি।
তথাপি তালক থাকৈ বুকত সাবটি।।
ভুঞ্জিবে নুৱাৰি তেজে হুমনি ছোৱাস।
দেখি ৰাম মাধৱে তোলন্ত আতি হাস।।

যোড়শ অধ্যায়ৰ শ্লোক সংখ্যা সাতষষ্ঠী। এই অধ্যায়ত কালিয় নাগৰ দমন, নাগ পত্নীসকলৰ কৃষ্ণস্তুতি, ৰমণক দ্বীপলৈ কালিয় নাগৰ প্ৰস্থান ইত্যাদিৰ কথা আছে। নটা শ্লোক বাদ দি বাকীখিনি অনুবাদৰ মাজত গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনাৰ সংযোগ হৈছে। লগতে ১০/১৬/৬ সংখ্যক শ্লোকটিৰ অনুবাদত

শ্ৰীধৰস্বামীৰ টীকাৰ প্ৰভাবো পৰিছে। যেনে 'কদম্বমিতি ভাবিনা শ্ৰীকৃষ্ণচৰণ স্পৰ্শভাগ্যেন স একস্তত্তীৰেনশুষ্কঃ, অমৃতমাহৰতা গৰুত্মতাক্ৰান্তত্বাদিতি চ পুৰাণন্তৰম্"। গুৰুজনাৰ অনুবাদ—

মৰয় তীৰৰতক নলাগৈ বিলম্ব।
জীয়ে একে গাছ মাত্ৰ তীৰত কদম্ব।।
পূৰ্বত গৰুড়ে হৰি আনন্তে অমৃত।
সেহি কদম্বতে পৰি আছিলা কিঞ্চিত।।
অমৃতৰ পৰশ পাইলেক ইটো গাছে।
সিহেতুসে কদম্ব জীৱন্তে ৰহি আছে।।
কৃষ্ণে পৰশিবে হেন তাহাৰো লিখিত।
তাতেসে নমৰি বৃক্ষ ৰহিলা তহিত।।

কালীয় হ্ৰদত কৃষ্ণই জাপ দি সাঁতোৰ মাৰি থকা অৱস্থাত কৃষ্ণৰ ৰূপ বৰ্ণনা ভাগৱতে এটি শ্লোকতে সামৰিছে (ভাগৱত- ১০/১৬/৯)। কিন্তু গুৰুৱে ইয়াক বহলকৈ আঠটি পদত সমাপ্ত কৰিছে। কৃষ্ণক কালীয় নাগে দংশন কৰাত সংগী গোপ বালকসকলে কৃষ্ণক মৃতপ্ৰায় দেখি কৰা শোকালাপো ভাগৱতে (১০/১৬/১০,১১) দুটি শ্লোকত শেষ কৰিছে। শোকাবৃত অৱস্থাত মৰ্ম বেদনাৰ বহিঃপ্ৰকাশ মৌখিক ৰূপত ভাগৱতত নাই। তেওঁলোকে শোক পালে, আৰ্তনাদ কৰিলে, অশ্ৰু বিসৰ্জন কৰিলে, হত বুদ্ধি হ'ল— ইত্যাদিৰ বিবৰণহে দিছে। কিন্তু গুৰুজনে ইয়াক মৌখিক ৰূপত প্ৰকাশ কৰিছে এনেকৈ—

দেখি সখি গোপগণে কৃষ্ণৰ বিলাই।
অন্তৰীক্ষ ধাতু তধা দিয়া আছে চাই।।
হা নাথ কৃষ্ণ কিনো মিলিল বিপাক।
মাৰিলা আপুনি প্ৰভু জীয়ায়া আমাক।।
তোমাতে অৰ্পিলো পত্নী-পুত্ৰ অৰ্থ স্বামী।
তুমি অবিহনে কেনে এভো জীও আমি।।
এহি বুলি গোপচয় অচেতন ভৈল।
পৃথিৱীত পৰি মহামৰ্মে মূৰ্চ্চা গৈল।।
নিশ্চেষ্ট কৃষ্ণক দেখি যত গৰু গাই।

প্ৰবেশিল ভয় শোকে তৃণক নখাই।।
কৃষ্ণ মুখ নিৰেখি থাকিলা কান্দি ৰহি।
চক্ষুৰ লোতক ধাৰা দণ্ডে যায় বহি।।

কালীয় নাগৰ লগত কৃষ্ণৰ যুঁজ আৰু কৃষ্ণৰ অচেতন অৱস্থাৰ পিছত গোকুলত নানা অমঙ্গল, উৎপাত সূচক ঘটনা হ'ল। সেই সম্পৰ্কে ভাগৱতত (১০/১৬/১২) এনেকৈ আছে। যেনে—

অথ ব্ৰজে মহোৎপাতস্ত্ৰিবিধা হ্যতিদাৰুণাঃ।
উৎপেতুৰ্ভুবি দিব্যাত্মন্নাশয়শংসিনঃ।।

অৰ্থাৎ- কৃষ্ণক কালীয় নাগগ্ৰস্ত হোৱাত ব্ৰজধামত অতি ঘোৰ বিপদ সূচক অমঙ্গল হ'ল। ভূমি, আকাশ আৰু দৈহিকভাবে এই ত্ৰিবিধ মহা উৎপাত আৰম্ভ হ'ল।

পূৰ্বোক্ত ভূমি, আকাশ আৰু আত্মা সম্বন্ধীয় উৎপাত বিষয়ত শ্ৰীধৰ স্বামীয়ে উল্লেখ কৰিছে এনেকৈ "ভূবি ভূকম্পাদয়ঃ, দিবি উল্কাপাতাদয়ঃ, আত্মনি বামনেত্ৰ স্ফুৰণাদয়ঃ" বুলি ব্যাখ্যা দাঙি ধৰিছে। গুৰুজনে ইয়াক সুন্দৰকৈ বৰ্ণনা দিছে। যেনে—

গোকুলত মিলিল মহত উতপাত।
ঘনে ভূমি লৰৈ পৰে সঘনে নিৰ্ঘাত।।
অনাবাৱে উভৰি উভৰি পৰৈ তৰু।
বাটে বাটে আটাস পাৰন্তে ফুৰৈ ফেৰু।।
সঘনে বৰিষে মেঘে হালধি ৰুধিৰ।
কাম্পয় হৃদয় তনু মন নুহি থিৰ।
নেত্ৰৰ লোতক আতি বহে অবিশ্ৰাম।
যশোদাৰ দক্ষিণ নন্দৰ ফন্দে বাম।।
দেখি বিমঙ্গল গোপ গোপী ধাতু নাই।
ভৈলা দ্ৰুতে নন্দৰ মন্দিৰে একঠাই।।

নন্দ, যশোদাদি গোপ গোপীসকলে গোকুলত উৎপাত হোৱা দেখি সকলোৱে কালিন্দী তীৰলৈ আহি কৃষ্ণক অচেতন অৱস্থাত দেখি তেওঁলোকে আৰ্তনাদ কৰিবলৈ ধৰিলে, দুখীত হ'ল, ত্ৰিজগত শূন্যময় দেখিলে। এইখিনি বিষয়কে তিনটি হ'ল, ত্ৰিজগত শূন্যময় দেখিলে।

এইখিনি বিষয়কে তিনটি শ্লোকত (ভাগ- ১০/১৬/১৯, ২০, ২১) ভাগৱতে বৰ্ণনা কৰিছে। কিন্তু গুৰুজনে বৰ বহলকৈ 'স্মৰন্ত্যঃ' (ভাগ-১০/১৬/২০) এই সূত্ৰটিৰ আধাৰত এটি সুন্দৰ বৰ্ণনা দিছে। যেনে—

ক্ৰন্দনৰ উৰ্মি উথলিল মহা ৰোল।
প্ৰচণ্ড বতাসে যেন সাগৰ কল্লোল।।
হা প্ৰাণ নাথ কৃষ্ণ কৈক যাহা এড়ি।
কান্দে পড়ি পড়ি যমুনাৰ তীৰ বেঢ়ি।।
গোপী সমস্তৰ নাই সন্তাপৰ পাৰ।
কৃষ্ণ বিনে শূন্য দেখৈ দিনতে আন্ধাৰ।।
কৃষ্ণৰ কটাক্ষ হাস্য সৌহৃদ্য সুমৰি।
বিলাপ কৰন্ত আতি আওৰাৱ কৰি।।
হা কৈক যাহা প্ৰভু বান্ধৱ মধাই।
গোপী সমস্তক শোক সাগৰে পেলাই।।
সৱ তেজি তযু চৰণক কৈলো আশ।
তুমি অৰিহনে প্ৰভু ভৈলো সৰ্বনাশ।
গধূলি প্ৰভাতে যাক নেত্ৰে কৰো পান।
সিটো মুখ নেদেখি ক্ষণেকে ফুটে প্ৰাণ।।
হেন বন্ধু বিনে জীএঁগ দাৰুণ হৃদয়।
এহি বুলি দেখৈ সন্তাপতে তমোময়।
কৃষ্ণৰ বদন পদ্ম নয়নে নিৰেখি।
কান্দে যশোদাক আবৰিয়া সবে সখী।।
নেত্ৰৰ লোতক আতি বহি যায় ধাৰে।
মহা শোকশেলে পশি হৃদয় বিদাৰে।।
কৃষ্ণৰ অৱস্থা দেখি নন্দ যশোদাৰ।
পুত্ৰ শোকে জমকে চৌভিতি অন্ধকাৰ।।
মহামৰ্মে মূৰ্চ্চা গৈলা ভৈলা অচেতন।
কতো বেলি আছি সুন্ধকিল দুয়োজন।।
পাৰন্ত লোটাৰি পাৰি মাটিত নিঢ়ালে।
কৃষ্ণ বুলি তুলি মাথাক আকালে।।
কতো পুত্ৰ পুত্ৰ বুলি ডাকৈ উকি দিয়া।

জাগ্ৰঁলে মুষ্টিক ধৰি ধাকুৰন্ত হিয়া।।
হৰৈ শ্ৰুতি কতো তধা দিয়া থাকৈ চাই।
নেত্ৰৰ লোতক আতি ধাৰে বহি যাই।।
কৃষ্ণৰ সুন্দৰ বদনক চাই চাই।
কান্দন্ত যশোদা গুণ বৰ্ণাই বৰ্ণাই।।
গোধূলি যাইবেক কোনে বাংশীক বজাই।
কোনে গৈয়া মোক আবে বুলিবেক আই।।
ধূলা জাৰি কাক নিয়া কৰাইবোহো স্নান।
কোনে কৰিবেক মোৰ গোৰসক পান।।
বিচায়া শুৱাইবো কাক সুকোমল তুলি।
কাহাক ডাকিবো আজি জাগা কৃষ্ণ বুলি।।
সুন্দৰ বদনে কোনে বজাইবেক বেণু।
প্ৰভাতে মেলিয়া কোনে চাৰিবেক ধেনু।।
কতেক জনমে তপসাই পাইলো তোক।
অল্পতে তেজিলা অনাথিতি কৰি মোক।।
কি ভৈল পুতাই আজি কৃষ্ণ মোৰ বাপ।
তোৰ যমকাল ভৈল কৈৰ ইটো সাপ।।
পুতাইৰ লগতে পাপী মোক মাৰ খাই।
ইটো আৰ ছাৰ জীৱনত কাৰ্য নাই।।
কৃষ্ণ অবিহনে এভোঁ কেনে প্ৰাণ ধৰো।
এহি যমুনাৰ জলে জাপ দিয়া মৰো।।
এহিমতে আতি মহাশোকে কান্দি কান্দি।
নিৰন্তৰে গোপ গোপীগণ নন্দ আদি।।

গোপ গোপীসকলৰ আনন্দবৰ্দ্ধনৰ হেতুকে শ্ৰীকৃষ্ণই কালীয় দমন কৰে আৰু নাগ পত্নীসকলৰ প্ৰশষ্টিত কৃষ্ণ সন্তুষ্টহৈ সৰ্পক ৰমণ দ্বীপলৈ যাবৰ কাৰণে আদেশ কৰিলে। ভাগৱতত নাগপত্নীসকলৰ কৃষ্ণ স্তুতিখিনি বৰ দীঘলীয়া। গুৰুজনে সংক্ষেপতে স্তুতি প্ৰসঙ্গটিৰ সামৰণি মাৰিছে। নাগস্তুতিখিনিৰ নটি শ্লোক বাদ দিয়া হৈছে (৪২, ৪৩, ৪৪, ৪৬, ৪৭, ৪৮, ৪৯, ৫০, ৫৩) আৰু তেৰটি শ্লোকৰ অনুবাদ হৈছে।

সপ্তদশাধ্যায়ত কালীয় নাগৰ বৰ্ণনা আৰু বনাগ্নি দহন বৰ্ণনা কৰা হৈছে। ইয়াৰ শ্লোক সংখ্যা পঁচিশটিৰ এটিও বাদ নপৰাকৈ অনুবাদ কৰা হৈছে। কালীয় নাগ আৰু গৰুড়পক্ষীৰ মাজত হোৱা যুদ্ধখনিত ভাগৱতে দুটি শ্লোকতে সামৰিছে (ভাগ— ১০/১৭/৬,৭)। কিন্তু গুৰুজনে অলপ ৰসালকৈ ভয়ঙ্কৰ যুদ্ধৰ বৰ্ণনা কৰিছে। শ্লোক দুটিৰ অসমীয়া অনুবাদ তলত দিয়া হ'ল।

১. গৰুড়ক এনেদৰে সমাগত হোৱা দেখি বিষয়দন্ত, কৰালজিহ্ব আৰু প্ৰসাৰিত উগ্ৰলোনে কালিয় নাগে তাৰ শত সংখ্যক ফেনা তুলি গৰুড়লৈ খেদি আহিল আৰু তাক বিষদন্তৰ দ্বাৰা বাৰম্বাৰ দংশন কৰিবলৈ ধৰিলে।
২. হৰিবাহন কশ্যপপুত্ৰ গৰুড়পক্ষীয়ে অতি ক্ৰোধেৰে প্ৰচণ্ডবেগে কালিয়ক পৰাভূত কৰিলে আৰু স্বৰ্ণকান্তি বিশিষ্ট বাম পাখিৰে কালিয় নাগক আঘাত কৰিলে। (ভাগৱত- ১০/১৭/৬,৭)

গুৰুজনাৰ অনুবাদ ঃ

হেন শুনি গোৱিন্দৰ প্ৰিয় পক্ষীৰাজ।
কালীক গৰ্জিয়া যুজিবাক ভৈলা সাজ।।
মহাকোপে আটোপে বধিবে আসে ধাই।
পৰ্বত শিখৰ খসি লগতে উৰাই।
খলকিয়া সাগৰ কাখৰ প্ৰকম্পিল।
যেন অকালতে মহাপ্ৰলয় মিলিল।।
গৰুড় আসন্ত খেদি দেখি কালী বীৰ।
উপৰক তুলি সিটো সহস্ৰেক শিৰ।
চেলেকৈ কৰাৱি মুখ আখি আৰকত।
বতাস শোসাই যেন ফোফাই ক্ৰোধত।।
খণ্ড খণ্ড কৰে মেঘ লাঞ্জৰ আছাৰে।
গৰুড়ক ধাইলে সৰ্পে দৰ্পে চমৎকাৰে।।
দুইকো দুই খেদিয়া ধৰিল খঙ্গে পাই।
যেন মেৰু অঞ্জন পৰ্বত একে ঠাই।।
লগাইলেক কোল ঘাৰ মোৰে বান্ধি ভিড়ি।

আন্দোলা আন্দোলি কৰে দুয়ো দুইকো পীড়ি।।
কৰন্ত আক্ৰান্ত আতি দুয়ো মহাবল।
দলদোপ পৃথিৱী আটোপে উলবল।।
গৰুড়ক ধৰি পাচে সৰ্প মহাঘোৰ।
হাজাৰেক মুখে খণ্ডে ভেজাইলে কামোৰ।।
একৈ একৈ দান্ত যেন লাঙ্গলৰ ইশ।
গৰুড়ক সৰ্ব্বগাৱে লগাইকে বিষ।।
বিষ্ণুৰ বাহন বীৰ বিষক নগনি।
কোপে জ্বলিলন্ত যেন তুলাত অগনি।।
চাম্প দিয়া কালীকো ধৰিলা টোটে ঘালি।
শৰীৰৰ মাংস নখে পেলাইলা বখালি।।
বাম ডাউখা উল্লাসি বৈসাইলা পখা চাট।
কালীৰ মিলিল আসি মৰণৰ ঘাট।।
গৰুড়ৰ দুঃসহ পখাৰ পায়া চোট।
জিহ্বা মেলি দান্ত তৰি পৰি সৰ্প গোট।।
নকৰে চেতন বীৰ বিহ্বল পৰাই।
ক্ষণেক সন্ধুকি মনে গুণৈ অৱগাই।।

কালীয় দমনৰ পিছত কৃষ্ণৰ বনাগ্নিপান লীলা প্ৰকাশিত হয় আৰু সেই প্ৰসঙ্গতে গুৰুজনে ভাগৱতত বৰ্ণিত বিষয়তকৈ কিছু বহলভাৱে বৰ্ণনা কৰিছে আৰু কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰা দেখা গৈছে। ভাগৱত ১০/১৮/১ শ্লোক "অনুগীয়মানঃ" অৰ্থাৎ কৃষ্ণৰ কীৰ্ত্তি কালিয় দমনাদি লীলা কাহিনীবোৰ প্ৰকাশ কৰি— উক্ত শব্দটিৰ আধাৰত গুৰুজনাই কিছু সৃষ্টিমূলক বৰ্ণনা দিছে এনেদৰে—

দেখি গোপ গোপীগণে কহৱৈ বিস্ময় মনে
নন্দ সুত নোহন্ত মানুষ।
সাক্ষাতে লক্ষীৰ পতি যিটো ভকতৰ গতি
এন্তে সেহি পৰম পুৰুষ।।
ধৰিলন্ত অৱতাৰ খণ্ডিবন্ত মহাভাৰ
আত কিছু নাহি অন্যৱথা।

মাধৱক প্ৰশংসিয়া আনন্দে নধৰৈ হিয়া
জুমাজুমি কৰৈ এহি কথা।।
অনন্তৰে দেৱ হৰি মোহন বংশীক ধৰি
দিলা ডাক যাইবাৰ নিশান।
আগ কৰি গৰু গাই কৃষ্ণক আবৰি যাই
যত লগৰীয়া গোপগণ।।
কতো শিঙ্গা বাংশীবাৱে তাতে হৰিগুণ গাৱে
কতো কৰৈ মহিমা কীৰ্তন।
অধৰে অৰ্পিয়া বংশী ঈষত কটাক্ষ হাসি
চায়া যান্ত নন্দৰ নন্দন।।
গোপীগণো চলি যায় কৃষ্ণৰ চৰিত্ৰ গাই
মনে ধৰি কৃষ্ণৰ চৰণ।
প্ৰেম ৰসে দ্ৰৱৈ চিত্ত তনু অতি ৰোমাঞ্চিত
হৰিষতে শিথিল গমন।।

অষ্টাদশ অধ্যায়ৰ শ্লোক সংখ্যা বত্ৰিশ। তাৰে আটাইকেইটিৰে অনুবাদ সম্পূৰ্ণ কৰা হৈছে। এই অধ্যায়টিত ৰাম কৃষ্ণ আদিৰ বনত লীলা বিলাস, বলভদ্ৰৰ দ্বাৰা প্ৰলম্বাসুৰ নিধনৰ বৰ্ণনা কৰা হৈছে। ৰাম কৃষ্ণ আৰু গোপ বালক সকলে কৰা ক্ৰীড়া কৌতুক বৰ্ণনা ভাগৱততকৈ গুৰুজনাৰ অধিক ৰূপে আছে। প্ৰলম্বাসুৰৰ দৈহিক বৰ্ণনা এটি শ্লোকতে (১০/১৮/২৭) সমাপ্ত কৰা হৈছে। কিন্তু গুৰুজনে ভাগৱততকৈ এখোপ চৰা কৰি বৰ্ণনা দিছে। যেনে —

অঞ্জন পৰ্বত যেন থূলন্তৰ কায়।
দুই চক্ষু ৰঙ্গা জুই আঙ্গনি পৰায়।।
নাসা দন্ত দুই তাৰ যেন অন্ধকূপ।
মৌবাস যেন ওঠ বিকৃত কুৰূপ।।
ভ্ৰূকুটি কুটিল মুখ গিৰিৰ গহ্বৰ।
বিকট পিঙ্গট গোম্ফ দাড়ি ভয়ঙ্কৰ।।
কৰ্ণ দুই হালৈ যেন কুলাৰ বতাস।
থূলন্তৰ শিৰ আছে লংঘিয়া আকাশ।।
যেন কাল সৰ্প গোট কোকাই মহাৰাগি।

উচ্চল দশন ললাটত আছে লাগি।।
লহ লহ জিহ্বা মেলি কৰৈ কিল কিল।
বাহু দণ্ড দুই তাৰ যেন পোৰা শিল।।
হাতৰ পাৱৰ নখ আছে কুৰি কুৰি।
খালি আছে পেট যেন শুকান পুখুৰী।।
থূলন্তৰ শৰীৰ ভেঙ্গুৰা ভৰি তাৰ।
যাই ভূমিকম্প পায়া পাৱৰ প্ৰহাৰ।।
নাকৰ নিশ্বাস যেন বতাস শোষাই।
কালান্তক মূৰ্ত্তিক দেখন্তে ধাতু যাই।।

ইয়াৰ বাহিৰেও প্ৰসঙ্গানুপাতে মাজে মাজে গুৰুজনাৰ হস্ত পৰশত সামান্য পৰিমাণেৰে হলেও সৃষ্টিমূলক বৰ্ণনাৰ আভাস আছে। ঊনবিংশ অধ্যায়ৰ শ্লোক সংখ্যা ষোল্লটিৰ আটাইকেইটিৰে অনুবাদ কৰা হৈছে আৰু ইয়াতো গুৰুজনাৰ সৃষ্টিমূলক হস্তৰ পৰশ পৰিছে। এই অধ্যায়ত মুঞ্জবনত গো পশু গণৰ প্ৰৱেশ, গ্ৰীষ্মতাপত সিসকলৰ আৰ্তনাদ, দাবানলত পৰি কৃষ্ণ বলৰামৰ ওচৰত কাতৰ প্ৰাৰ্থনা, কৃষ্ণৰ দাবানল পান ইত্যাদি। গোকুলৰ গো-বৎসাদি মুঞ্জবনত তৃণ ভক্ষণ কৰোতে প্ৰখৰ ৰৌদ্ৰ তাপত তাপিত হৈ আৰ্তনাদ কৰাত সেই প্ৰসঙ্গতে ভাগৱতৰ এটি (১০/১৯/৬) শ্লোকত কৃষ্ণৰ অভয় বাণী প্ৰকাশ পাইছে। তাত কৈছে যে 'শ্ৰীকৃষ্ণই মেঘ গম্ভীৰ ধ্বনিৰে তেওঁলোকক (গোবৎসাদিক) আহ্বান কৰিবলৈ ধৰিলে আৰু তেওঁলোকেও নিজ নিজ নামৰ শব্দ শুনি অতি আনন্দিত হৈ হাম্বাৰাৱ ধ্বনিৰে প্ৰত্যুত্তৰ প্ৰদান কৰিলে।" সেই প্ৰসঙ্গটিৰ আঁত ধৰি গুৰুজনে এনেকৈ লিখিছে—

ক্ষুধায়ে তৃষায়ে হাৰাসাষ্টি হুয়া
নিবৰ্ত্তিল গৰু লই।
অত্যন্ত উচ্ছ্ৰিত বৃক্ষৰ উপৰে
কৃষ্ণে চড়িলন্ত গই।।
মনত বিকলে ভকত বৎসলে
দৰশিয়া আপুনাক।
সাৱলী ধাৱলী কাজলী পিয়লী
বুলি দিলা দীৰ্ঘ ডাক।।

কৃষ্ণৰ বচন বুজিয়া গৰুৰ
মিলিল আনন্দ ভাৱ।
দূৰতে কৃষ্ণক চাহি একেবাৰে
কৰিলেক হাম্বাৰাৱ।।
মধুৰ মূৰ্ত্তিক দেখি আতিশয়
প্ৰেমত দ্ৰবিল চিত্ত।
নয়নৰ নীৰ ধাৰায়ে বহৱৈ
তনু ভৈল পুলকিত।।
ক্ষুধা তৃষ্ণা পীড়া এৰাইলা সকলে
সিঞ্চিল যেন অমৃত।
এক দৃষ্টি কৰি কৃষ্ণ মুখ চাই
ভৈলন্ত আতি তৃপিত।।
যত গোপ গৰু একমুখে চাই
আছেসৱে উৰ্দ্ধ মুই।

বিংশ অধ্যায়ৰ শ্লোক সংখ্যা উনপঞ্চাশটিৰ ভিতৰৰ তিনটি শ্লোক (৪৫, ৪৬, ৪৯) বাদ দি বাকীখিনিৰ অনুবাদ কৰা হৈছে। এই অধ্যায়টিত আছে কৃষ্ণৰ বনাগ্নি পান আৰু বলৰামৰ প্ৰলম্বাসুৰ নিধন আদি লীলা কাহিনী শুনি ৰাম কৃষ্ণৰ প্ৰতি নন্দ প্ৰভৃতিৰ আশ্চৰ্য্য প্ৰকাশ, বৰ্ষাৰম্ভ, বৰ্ষা বৰ্ণন, কৃষ্ণ বলৰামৰ ক্ৰীড়া কৌতুক, শৰৎ কালৰ আগমন আৰু শৰৎ বৰ্ণনা ইত্যাদি। ভাগৱতৰ ১০/২০/৩ শ্লোকৰ পৰা চৌবিশটি শ্লোকলৈকে আৰু বত্ৰিশ সংখ্যাৰ পৰা উনপঞ্চাশটি শ্লোকলৈকে মুঠ যথাক্ৰমে চৌবিশ আৰু ওঠৰটি শ্লোকত বৰ্ষা ঋতু আৰু শৰৎ ঋতুৰ প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনাতকৈ গুৰুজনাৰ হস্ত পৰশত অধিক মনোৰম হৈ পৰিছে। ইয়াত উপমাৰ ক্ষেত্ৰত অধিক আকৰ্ষণীয় হৈ উঠিছে। তলত শ্লোকৰ অসমীয়া ৰূপ দাঙি ধৰা হ'ল। যেনে ঃ

১। গ্ৰীষ্ম ঋতু অৱসানে স্থাৱৰ জঙ্গমাদিৰ তুষ্টিদায়ক বৰ্ষা ঋতুৰ সমাগত হ'ল। দশদিক্ বিদ্যুৎ সঞ্চাৰ আৰু আকাশ মাৰ্গত মেঘ গৰ্জন হ'ব ধৰিলে।

২। সত্ত্বাদি ত্ৰিগুণ বিকাৰাচ্ছন্ন জীৱ চৈতন্যৰ যেনেকৈ অস্পষ্টৰূপে প্ৰতীতি হৈ থাকে, সেইদৰে বৰ্ষাগমণত বিজুলি গৰ্জন সহিত নিবিড়

ক'লা মেঘাচ্ছন্ন আকাশস্থিত চন্দ্ৰ সূৰ্যও অস্পষ্ট ৰূপত প্ৰকাশ পালে।

৩। সূৰ্যই কাতি মাহৰ পৰা জেঠ মাহলৈকে আঠমাহ নিজৰ দ্বাৰা ভূমিৰ যি ৰস গ্ৰহণ কৰিছিল, বৰ্ষাগমণত তেওঁ বৃষ্টিৰূপে পুনৰ বৰ্ষণ কৰিবলৈ আৰম্ভ কৰিলে।

৪। প্ৰচণ্ড বায়ুচালিত আৰু বিদ্যুৎ জড়িত মেঘবোৰে দয়াশীল ব্যক্তিসকলৰ নিচিনাকৈ পৃথিৱীক সন্তুষ্ট কৰিবলৈ যেন অকাতৰে জলবৰ্ষণ কৰিবলৈ ধৰিলে।

৫। সকামী তপস্বীসকলে তেওঁলোকৰ অভিলাষিত ফল পালে যেনেকৈ আনন্দিত হয়, তেনেকৈ গ্ৰীষ্মতাপ দগ্ধ পৃথিৱীয়েও মেঘমুক্ত জলসিক্ত হৈ উৎফুল্লিত হৈ পৰিল।

৬। কলিযুগত যেনেকৈ বেদ ধৰ্ম লুপ্ত হৈ অবৈদিক পাষণ্ড ধৰ্মৰ প্ৰসাৰ বৃদ্ধি হয়, তেনেকৈ বৰ্ষাগমণত চন্দ্ৰ, শুক্ৰাদি গ্ৰহবোৰৰ প্ৰকাশ নথকাৰ কাৰণে জোনাকী পৰুৱাই সগৰ্বে তাৰ নিজৰ জ্যোতি বিকাশ কৰি থাকে।

৭। আচাৰ্যসকলে যেতিয়া নিত্য কাৰ্যত ব্যস্ত থাকে, তেতিয়া যেনেকৈ শিষ্যসকলে মৌনতাৱলম্বন কৰে, আৰু কৰ্মাৱসানে আচাৰ্যই যেতিয়া তেওঁলোকক আহ্বান কৰে, তেতিয়া তেওঁলোকে মৌন ভঙ্গ কৰে আৰু শাস্ত্ৰ পাঠত ব্যস্ত হৈ পৰে, সেইদৰে বৰ্ষাকালত মেঘৰ গৰ্জন শুনি ভেকুলীবোৰেও মৌন ভংগ কৰি মাতিবলৈ আৰম্ভ কৰে।

৮। অজ্ঞ জীৱই ধন যৌৱনাদি পাই যেনেকৈ উৎপথগামী বা উদণ্ড হয়, সেইদৰে গ্ৰীষ্মকালত শুকাই যোৱা ক্ষুদ্ৰ নদীয়েও বৰ্ষাকালৰ জল লাভ কৰি উত্থিত হৈ পৰে।

৯। বৰ্ষাকালত নতুনকৈ গজি ওলোৱা হালধীয়া বৰণৰ ক্ষুদ্ৰ কীটবোৰে ৰঙচুৱা আৰু বগা বৰণৰ কাঠফুলাবোৰে শ্বেতবৰ্ণ ধৰণী, নৃপতিসকলৰ নানাবিধ বিশিষ্ট সেমা বসতি গৃহৰ আকৃতি ধাৰণ কৰিলে।

১০। শস্যপূৰ্ণ ক্ষেত্ৰবোৰে কেতিয়াবা শস্য বৃদ্ধি আৰু কেতিয়াবা শস্যহীনতাৰ দ্বাৰা ফলাফলৰ দৈবাধীনতা জ্ঞানৰহিত কৃষকসকলক কেতিয়াবা আনন্দ আৰু কেতিয়াবা সন্তাপ ভোগ কৰিবলৈ ধৰিলে।

১১। সংসাৰ তাপত তাপিত জীৱসকলে যেনেকৈ হৰিচৰণ সেৱাৰ দ্বাৰা প্ৰসন্নতা লাভ কৰে, সেইদৰে বৰ্ষাকালতো জলস্থলবাসীসকলো

জীৱই নতুন জল সেৱন কৰি প্ৰফুল্লিত হৈ পৰিল।

১২। চিত্ত অশুদ্ধি যোগীসকলৰ যেনেকৈ কামনা প্ৰেৰণাত নানাবিধ বিষয় বিকাৰত বিক্ষুব্ধ হৈ যায়, সেইদৰে বৰ্ষাকালত নানা নদীৰ সহিত মিলিত হৈ প্ৰচণ্ড বায়ু আৰু তৰঙ্গাদিত সমুদ্ৰও বিক্ষুব্ধ হৈ উঠিলে।

১৩। যাৰ চিত্ত হৰি চৰণত সমৰ্পিত, তেওঁলোক যেনেকৈ নানা প্ৰকাৰ দুখাদিত পীড়িত হৈয়ো ব্যথিত নহয়, তেনেকৈ বৰ্ষাকালত পৰ্বতসমূহেও অবিৰত জলধাৰত আহত হৈয়ো ব্যথিত নহ'ল।

১৪। অভ্যাস আৰু অনুষ্ঠান ৰহিত বেদ মাৰ্গ যেনেকৈ কালক্ৰমত ব্ৰাহ্মণসকলৰ পক্ষে সন্দেহজনক হৈ উঠে, তেনেকৈ বৰ্ষাকালতো তৃণাদিৰ দ্বাৰা আচ্ছাদিত আৰু গমণাগমণহীন পথ সমূহো পথিকৰ পক্ষে সন্দেহজনক হৈ উঠিলে।

১৫। বেশ্যা ৰমণীসকলে যেনেকৈ গুণবান পুৰুষক একান্তভাবে ভাল পাব নোৱাৰে, সেইদৰে সৰ্বহিতকৰ মেঘেও স্থিৰভাবে অৱস্থান কৰিব নোৱাৰে।

১৬। মায়াগুণাতীত ভগবানে যেনেকৈ বিশ্ব প্ৰপঞ্চত আৱিৰ্ভূত হয়, তেনেকৈ গুণহীন ইন্দ্ৰধনুও মেঘ গৰ্জিত আকাশত আৱিৰ্ভূত হ'ল।

১৭। চৈতন্য জীৱ পদাৰ্থই যেনেকৈ নিজ স্বৰূপভূত জ্ঞানে প্ৰকাশিত দেহ গেহাদিত আচ্ছন্ন হৈ অস্পষ্টৰূপত অৱস্থান কৰে তেনেকৈ জোৎস্না প্ৰতিভাসিত মেঘসমূহত আচ্ছন্ন হৈ চন্দ্ৰই অস্পষ্ট ৰূপে অৱস্থান কৰিব ধৰিলে।

১৮। সংসাৰ বাসনাহীন অথচ সংসাৰ ত্যাগত অক্ষম ব্যক্তিসকলে যেনেকৈ ভগৱন্ত সমাগমত পৰমানন্দ লাভ কৰে, সেইদৰে বৰ্ষাকালীন মেঘৰ সমাগমত ময়ুৰসকলে আনন্দতে নৃত্য কৰিবলৈ ধৰিলে।

১৯। সাধনা ৰহিত, শ্ৰান্ত আৰু সকামী ব্যক্তিসকলে যেনেকৈ তেওঁলোকৰ সাধন ফল লাভ কৰি প্ৰফুল্লিত হয়, তেনেকৈ বৰ্ষাকালত বৃক্ষসকলে পৃথিৱীৰ ৰস পান কৰি নানাবিধ পত্ৰ, পল্লৱ, পুষ্পাদি সমন্বিত হৈ প্ৰফুল্ল মূৰ্ত্তি ধাৰণ কৰিলে।

২০। হে ৰাজন! সংসাৰ সুখাভিলাষী বিবেকহীন লোকসকলে নানা বিধ দুখ ভোগ কৰিও যেনেকৈ সংসাৰতে বাস কৰি থাকে, সেই দৰে বৰ্ষাকালত চক্ৰবাকাদি পক্ষীসকলে পঙ্ক-কণ্টকাদি সহিত নানাবিধ দুখ

সমাকুল জলাশয়ৰ তীৰতে বাস কৰি থাকে।

২১। কলিকালত যেনেকৈ নাস্তিক পাষণ্ডসকলৰ কু-প্ৰভাৱত বেদ মাৰ্গ ছিন্ন-ভিন্ন হৈ যায়, তেনেকৈ বৰ্ষাকালতো প্ৰবল জল প্ৰৱাহত সেতু বন্ধন ছিন্ন-ভিন্ন হৈ যায়।

২২। মন্ত্ৰী আৰু পুৰোহিতসকলৰ পৰামৰ্শানুসাৰে ৰজাসকলে যেনেকৈ যথাসময়ত দৰিদ্ৰসকলক ধন দান কৰে, তেনেকৈ বায়ু চালিত মেঘেও সকলো জীৱকে জল দান কৰিবলৈ ধৰিলে।

পূৰ্বোক্ত বাইশটি শ্লোকৰ অনুবাদ গুৰুজনে এনেকৈ কৰিছে ঃ

শুক মুনি পৰীক্ষিত ৰাজাত কহিল।
গ্ৰীষ্ম গৈলে ঋতু আসি বাৰিষা মিলিল।।
বিবিধ মণ্ডল কৰৈ সূৰ্যৰ প্ৰকাশ।
তাৰ ৰশ্মি চিকিমিকি দেখিয় আকাশ
বহে খৰ্ব বায়ু নুশুনিয় মাত বোল।
গগণক ঢাকি মহা মেঘৰ আন্দোল।।
ঘনে ঘনে দেই আতি বিজুলি চমক।
লাগৈ তিৰিমিৰি আসি চক্ষুত ঝমক।।
নাকলিয় চন্দ্ৰ সূৰ্য জ্যোতি তাৰাগণ।
যেন জীৱ আত্মা শৰীৰতে ভৈল ছন্ন।।
আঠমাস নিলে ৰশ্মি পৃথিৱীৰ সত্ব।
দুনাই সূৰ্য্য এৰি দেন্ত বাৰিষা কালত।।
বিদ্যুৎ সঞ্চাৰে চণ্ড বতাসে চঞ্চল।
নিৰন্তৰে মেঘগণ বৰিষিলা জল।।
খাল বাম ভৰি ভূমি ভাগি বৰৈ জান।
যেন মহা মহন্তে দুখীক দিলা দান।।
গ্ৰীষ্মত আছিল সুখাই ৰৌদ্ৰ তাপ সহি।
বাৰিষা কালত দুনাই পুষ্ট ভৈল মহী।।
তপ উপবাসে দেহা আছিল শুখাই।
দুনাই ভোগ ভুঞ্জিলাত আপুনি পোঠাই।।
জুইৰ আঙ্গণি জ্বলৈ বাৰিষা নিশাত।
নকৰৈ প্ৰকাশ তাত নক্ষত্ৰ সাক্ষাত।।

যেন কলিযুগে বেদশাস্ত্ৰ হৱৈ ছন্ন।
প্ৰকাশে পাষণ্ড শুনৈ তাতেসে বচন।।
নাদ শুনি মেঘৰ বেঙ্গৰ ৰোল চৰে।
গুৰু পাঠ দিলে যেন শিষ্য পাছে পঢ়ে।।
বহৱৈ বিপথে আতি ক্ষুদ্ৰ নদী যত।
কৰৈ অকাৰ্য্যক যেন ধনৰ গৰ্বত।।
নীলবৰ্ণ সুকোমল তৃণে ভৈল ছন্ন।
ঠাই ঠাই ভূমিক দেখিয় কৃষ্ণ বৰ্ণ।।
কৰিলে গোৱালী পলুৰঙ্গা থানে থান।
অসংখ্যাত বেঙ্গচতা দেখি বিদ্যমান।।
প্ৰকাশৈ বাৰিষা নানাবৰ্ণে বসুমতী।
জ্বলৈ ৰাজশ্ৰীয়ে যেন পৰম সম্পত্তি।।
নানাবিধ বস্ত্ৰে কাছি পাৰি সামৰাজ।
দণ্ডে ছত্ৰে চানি যেন ৰাজা ভৈল বাজ।।
বৃষ্টি জল পায়া শস্য কৰৈ হল-ফল।
দেখি কৃষকৰ মনে মহা কৌতুহল।।
শুখাই পৰৈ জল পুনু অত্যন্ত আসুখ।
দৈৱাধীন নজানিলে মিলৈ মহাদুখ।।
বাৰিষাৰ নৱ পানী ব্যাপি পাৱৈ আসি।
কৰৈ স্নান পান যত জল স্থলবাসী।।
হৱৈ সুকুমাৰ মহাৰূপ মনোহৰ।
হৰি ভক্তি কৰৈ যেন লোকক সুন্দৰ।।
যিহেতু পৰম ধৰ্ম সেৱা কেশৱৰ।
নাহি আউৰ আতপৰে ধৰ্ম সুখকৰ।।
এতেকে হৰিৰ সেৱা সুহৃদ লোকৰ।
কদৰ্যকো পাইলে কৰে তেখনে সুন্দৰ।।
হুয়া নদীসৱ সবে সঙ্গম সাগৰ।
কৰিল কল্লোল মহা উৰ্মি ভয়ঙ্কৰ।।
যেন যিটো যোগীৰ নুগুছে কাম কষ্ট।
বিষয়ক পাইলে পুনৰপি হৱে ভ্ৰষ্ট।।

যদ্যপি মুষলধাৰে মেঘে বৰষিল।
তথাপি পৰ্ব্বতে পীড়া কিছু নজানিল।।
যিজনৰ ভৈল মন কৃষ্ণত প্ৰবেশ।
তাক যেন লবে নুৱাৰৈ দুখ ক্লেশ।।
তৃণে ঢাকিলেক পথসৱ ভৈল ছন্ন।
নকৰিল লোক আৰ গমণাগমণ।।
নপঢ়িয়া দ্বিজে যেন তেজিলে অভ্যাস।
পাসৰিল সৱে বেদপথ ভৈল নাশ।।
লোকৰ সুহৃদ মেঘসৱ মহাধীৰ।
চঞ্চল বিজুলী চটা তাতো নহি থিৰ।।
যেন মহাগুণৱন্ত পুৰুষক পাই।
তথাপিতো বেশ্যাৰ বুদ্ধিৰ থিৰ নাই।।
পঞ্চবৰ্ণে ৰচিত নিৰ্গুণ ইন্দ্ৰ ধনু।
গুণৱন্ত মেঘত প্ৰকাশে পুনু পুনু।।
যেন তিনিগুণময় জগত যতেক।
নিৰ্গুণ পুৰুষ তাত প্ৰকাশে প্ৰত্যেক।।
চন্দ্ৰজ্যোতি প্ৰকাশিত যিটো মেঘগণ।
নজ্বলন্ত চন্দ্ৰো সেহি মেঘে হুয়া ছন্ন।।
যেন যিটো চৈতন্যে প্ৰকাশে অহঙ্কাৰ।
সেহি অহঙ্কাৰে ঢাকে জ্যোতি জীৱাত্মাৰ।
মেঘৰ সম্বাদে মিলে আনন্দ প্ৰচুৰ।
চালি ধৰি নাচৈ আসি অনেক ময়ুৰ।।
যেন গৃহবাসী দুখে পৰম তাপিত।
হৰি ভকতক পাইলে শান্ত হোৱৈ চিত্ত।।
বৃক্ষসৱ বৃষ্টিৰ শিকায়ে পিয়ৈ জল।
মেলিডাল পাত নিতে কৰৈ হল ফল।।
যেন উপবাসে দেহা আছিল ক্ষীণাই।
হোৱৈ মহাপুষ্ট আসি ভুঞ্জিবাক পাই।।
কণ্টকে যুগুত সৰোবৰৰ তীৰত।
তাতে বঞ্চে তথাপি চকোৱা পক্ষী যত।।

যেন গৃহবাস ঘোৰ দুখময় জানি।
তথাপিতো নেৰে তাক দুৰাশয় প্ৰাণী।।
মুষল ধাৰায়ে বৃষ্টি কৰৈ মেঘ যত।
ভাগৈ আলিসৱ মহাবৃষ্টিৰ বেগত।।
যেন পাষণ্ডৰ বাদে মুহিয়া লোকক।
কলিযুগে ছন্ন কৰৈ বেদৰ পথক।।
বায়ুয়ে চলাৱৈ চতুৰ্ভিতি ঠাই ঠাই।
বৰিষয় মেঘগণে পৰিচ্ছেদ নাই।।
যেন পুৰোহিতে কৰৈ বেদৰ বিধান।
দীন দৰিদ্ৰক দেই ৰাজাসবে দান।।

পূৰ্বোক্ত উদ্ধৃতিসমূহ মূলৰ লগত কিমান ওচৰ চপা তাকে দেখুৱাবলৈ দিয়া হ'ল। সেইদৰে একে অধ্যায়ৰ বত্ৰিশ শ্লোকৰ পৰা ঊণপঞ্চাশ সংখ্যক শ্লোকলৈকে থকা শৰৎ কালৰ বৰ্ণনাসমূহ গুৰুজনে একে ধৰণেৰে ৮২২—৮৩২ পদলৈকে বিস্তৃত ভাবে দাঙি ধৰিছে। ইয়াৰ মাজতে সাতাইশ সংখ্যাৰ শ্লোকটিৰ শ্ৰীধৰ স্বামীৰ টীকাৰ ওপৰত নিৰ্ভৰ কৰি গুৰুজনে কেইটিমান পদ দীঘলীয়া কৰিছে। মূলৰ 'বনৌকসঃ' (১০/২০/২৭) এই পদটিৰ শ্ৰীধৰটীকাত 'বনৌকসঃ পুলিন্দীঃ' এই অৰ্থ কৰা হৈছে। গুৰুজনে পদ কৰিছে এনেধৰণেৰে—

কিৰাতৰ ভাৰ্য্যাগণে শুনি সিটো গীত।
উত্ৰাৱল প্ৰেমত নধৰৈ আউৰ চিত।।
শুয়া ভোল কৃষ্ণৰ খোজৰ লৱৈ ধূলি।
শিৰ শৰীৰতো মৱৈ শুদ্ধ হওঁ বুলি।
আনন্দতে এৰৈ কিৰাতিনীৰ হৃদয়।
দেখিল কৌতুকে তাক কৃষ্ণ কৃপাময়।।

পূৰ্বোক্ত শ্লোকসমূহৰ অনুবাদ এইখিনিতে উদ্ধৃত কৰা নহ'ল। প্ৰায়খিনি পদ মূলানুগত হৈছে আৰু মাজে মাজে গুৰুজনাৰ স্বভাৱসিদ্ধ সৃষ্টিমূলক বৰ্ণনাও সোমাইছে। উপমাৰ ক্ষেত্ৰত শৰত কালৰ বৰ্ণনাও বৰ্ষা কালৰ বৰ্ণনাৰ লগত প্ৰায় মিলিছে।

একৈশ অধ্যায়ৰ শ্লোক সংখ্যা একুৰি আৰু ইয়াৰ এটিও শ্লোক বাদ

নিদিয়াকৈ মাজে মাজে সৃষ্টি মূলক বৰ্ণনাৰে গুৰুজনাই অধ্যায়টি সুন্দৰকৈ সজাইছে। বাইশ অধ্যায়টি গুৰুত্বপূৰ্ণ। ইয়াত কৃষ্ণ লাভৰ কাৰণে গোপীসকলৰ কাত্যায়নী ব্ৰত পালন, যমুনাত গা স্নান বেলাত কৃষ্ণৰ দ্বাৰা গোপীসকলৰ বস্ত্ৰ হৰণ, বাৰ্তালাপ, বস্ত্ৰ প্ৰত্যাৰ্পণ ইত্যাদি। শ্লোক সংখ্যা আঠত্ৰিশ। ইয়াৰ এটিও শ্লোক বাদ নপৰাকৈ অনুবাদ কৰা হৈছে। কৃষ্ণৰ বস্ত্ৰ হৰণ লীলাৰ এটি বিশেষ তাৎপৰ্য আছে। ইয়াক বাহ্যিক দৃষ্টিৰে নিৰীক্ষণ কৰিলে কাহিনীটিৰ বিশেষ তাৎপৰ্য হৃদয়ঙ্গম কৰিব পৰা নাযাব। এই অধ্যায়ৰ প্ৰথম শ্লোকটি হ'ল—

হেমন্তে প্ৰথমে মাসি নন্দব্ৰজ কুমাৰিকাঃ।
চেৰুঃ হবিষ্যং ভুঞ্জানা কাত্যায়ন্যৰ্চনব্ৰতম্।। (১০/২২/১)

অৰ্থাৎ

নন্দব্ৰজবাসিনী গোপ বালিকাগণে হেমন্ত ঋতুৰ প্ৰথম আঘোণ মাহত হবিষ্য ভোজনাদি নিয়মাৱলম্বন কৰি কাত্যায়নী ব্ৰতানুষ্ঠান কৰিবলৈ আৰম্ভ কৰিলে।

শ্লোকোক্ত 'কুমাৰিকাঃ' আৰু 'কাত্যায়নী ব্ৰত'ৰ তাৎপৰ্য যথেষ্ট আছে। 'কুমাৰিকা' শব্দটিৰ ব্যুৎপত্তিগত অৰ্থ হ'ল 'কুৎসিতো মাৰো যাভ্যঃ' অৰ্থাৎ যাৰ ওচৰত মদন বা কামদেৱৰ প্ৰভাৱ খৰ্ব হয়, তেঁৱেই কুমাৰী। সকলো প্ৰাণীয়েই মদনৰ প্ৰভাৱত প্ৰভাৱিত হৈ তাতে আসক্ত হৈ পৰে। কিন্তু বালক বালিকাৰ ওপৰত মদনৰ প্ৰভাৱ নাই। সেই কাৰণে বালক বালিকাৰ নাম কুমাৰ আৰু কুমাৰী নামেৰে অভিহিত। শ্ৰীধৰস্বামীয়ে ভাগৱত ১০/১২/৩৭ শ্লোকৰ ব্যাখ্যাত কৈছে 'কৌমাৰ পঞ্চমাব্দান্তাং পৌগণ্ড দশমাবধি। কৈশোৰ মাপঞ্চদশাৎ যৌৱনন্তু ততঃ পৰম' ইত্যাদি। অৰ্থাৎ শিশুৰ জন্মৰ পৰা পাঁচ বছৰ বয়স পৰ্যন্ত কৌমাৰ বুলি কোৱা হয়। পাঁচৰ পৰা দহলৈকে এই সময়ছোৱাক পৌগণ্ড দহৰ পৰা পোন্ধৰলৈকে কৈশোৰ (কিশোৰ) আৰু তাৰ পিছৰ ছোৱাই যৌৱন বুলি কোৱা হয়। এতিয়া মূল কথা হ'ল কুমাৰিকাসকল অল্প বয়স্কা অৰ্থাৎ তেওঁলোকৰ বয়স পাঁচ বছৰ বা ছয় সাত বছৰৰ অধিক নহয়। আমি এই প্ৰসঙ্গত অধিক ব্যাখ্যা নকৰো। আমাৰ কীৰ্তন ঘোষাৰ 'শিশুলীলা' অধ্যায়ত বহল বৰ্ণনা দিয়া হৈছে। মূল ভাগৱতত আঠাইশটি শ্লোকত কৃষ্ণৰ বস্ত্ৰ হৰণ লীলা প্ৰকাশ পাইছে। গুৰুজনে এই তাত্ত্বিক অধ্যায়টিৰ বৰ্ণনা সুন্দৰভাৱে প্ৰতিফলিত কৰিছে। বস্ত্ৰ হৰণ লীলাত

আধ্যাত্মিক তত্ত্ব প্ৰকাশমান।

তেইশ অধ্যায়ৰ শ্লোক সংখ্যা বাৱন্নটিৰ আটাইকেইটিৰ অনুবাদ সম্পূৰ্ণ কৰা হৈছে। এই অধ্যায়টি 'পত্নী প্ৰসাদ' নামেৰে অভিহিত। ইয়াতো মাজে মাজে গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনা আৰু একত্ৰিশ সংখ্যাৰ শ্লোকত শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱ পৰিছে। লগতে ইয়াত তাত্ত্বিক দিশো জড়িত হৈ আছে। বিপ্ৰ পত্নীসকলৰ ওচৰত শ্ৰীকৃষ্ণৰ আদেশানুসাৰে গোপবালক সকলে অন্ন-ভিক্ষা কৰাত তেওঁলোকে কৃষ্ণক অন্ন প্ৰদান কৰে। ভাগৱতৰ ১০/২৩/১৯ শ্লোকত 'চতুৰ্বিধং বহুগুণ মন্নমাদায় ভাজনৈঃ' অৰ্থাৎ পত্নীসকলে কৃষ্ণৰ ওচৰলৈ পাত্ৰাদিত চতুৰ্বিধ অন্ন আৰু বহুগুণ সম্পন্ন খাদ্য দ্ৰব্য আনিছিল। উক্ত 'চঁতুৰ্বীধ' অন্নৰ ব্যাখ্যা প্ৰসঙ্গত শ্ৰীধৰ স্বামীয়ে লিখিছে এনেদৰে 'ভোক্ষ্য ভোজ্যলেহ্য চোষ্য ভেদৈশ্চতুৰ্বিধম্ বহুগুণং সংস্কাৰ বিশেষৈ বহবো গুণা ৰস সৌৰব্যাদয়ো যামিংস্তৎ' ইত্যাদি। গুৰুজনে ইয়াত নিজাববীয়াকৈ দাঙি ধৰিছে এনেদৰে। যেনে—

গোৱিন্দক লাগি অন্ন অনেক সুগন্ধি।
বিচিত্ৰ পাত্ৰত ভৰি লৈলন্ত প্ৰবন্ধি।।
বহুবিধ ব্যঞ্জন অনেক ষড়ৰস।
ইক্ষু আখৈ চিৰা লাডু গুড়ৰ কলস।।
সুগন্ধ কদলী দধি দুগ্ধ মধু ঘৃত।
পিঠা পনা পনস পায়স পঞ্চামৃত।।
ঘন ক্ষীৰ খিৰিসা শাকৰ শুক্ল চিনি।
ঘৃতৰ সন্দেশ সব লৈল ভিনি ভিনি।।

মূল শ্লোকত 'চতুৰ্বিধম্' আৰু স্বামী টীকাত ভক্ষ্য ভোজ্য লেহ্যপেয়, গীতাৰ মতে চৰ্বচোষ্য, লেহ্য, পেয় অৰ্থাৎ চোৱাই খোৱা, চুহি খোৱা, চেলেকি খোৱা আৰু পীখোৱা এই চাৰিবিধ খাদ্য কৃষ্ণাভিমুখী বিপ্ৰ পত্নীসকলে অনাৰ কথা কৈছে। গুৰুজনে সেই প্ৰসঙ্গতে বহলকৈ বৰ্ণনা দি চাৰি বিধ অন্নৰ অতিৰিক্ত বিষয় উল্লেখ কৰিছে।

মূলৰ ১০/২৩/৩১ সংখ্যাৰ শ্লোকৰ 'দেৱা অপ্যনুসম্বতে' এই বাক্যটিৰ শ্ৰীধৰ টীকাৰ 'প্ৰত্যক্ষং দেৱান্ প্ৰদৰ্শ্যাহ দেৱা অপীতি"।

অৰ্থাৎ গুৰুজনাৰ অনুবাদ (কৃষ্ণৰ বিপ্ৰ পত্নীসকলক প্ৰত্যুক্তি)

দেখা দেৱ সবো বোলন্তে আছন্ত
মোহোৰ বাক্যক মানি।
এহি বুলি হৰি প্ৰত্যক্ষে দেখাইলা
সমস্ত দেৱক আনি।
ব্ৰহ্মা ৰুদ্ৰ ইন্দ্ৰ চন্দ্ৰ আদি কৰি
বোলৈ দশ দিগপালে।
তোমাসাক কেহো নকৰে অসূয়া
আমি জানো তাক ভালে।

বিপ্ৰ পত্নীসকলৰ পূৰ্ব জন্মৰ এটি অলৌকিক কাহিনী আছে। তেওঁলোকে কৃষ্ণক ভগৱৎ উপলব্ধিৰে অন্ন দান কৰি ইতৰসকললৈকো এটি আদৰ্শ দেখুৱালে। ভগৱৎ কৃপা লাভ সহজতে নহয়। ইয়াত প্ৰাক্তন কৰ্মফল আছে। পত্নীসকলৰ স্বামীগণ পণ্ডিতালী গৰ্বত গৰ্বিত। হৰি বিমুখ পণ্ডিত সমাজৰো ভুলৰ সংশোধন হ'ল পত্নীসকলৰ পৰাই। পণ্ডিত হ'লেই যে ভক্ত হ'ব সেই কথা নিশ্চিত নহয়। পণ্ডিত নহ'লেও ভক্ত হোৱাৰ দৃষ্টান্ত আছে। যদি দুয়োটাই এজনত থাকে, তেন্তে তেওঁ প্ৰকৃত মানৱ বুলি পৰিচয় দিব পাৰে। সেইকাৰণে শাস্ত্ৰান্তৰ উল্লেখ আছে 'শাস্ত্ৰাণ্যধীত্যাপি ভৱন্তি মূৰ্খাঃ' অৰ্থাৎ শাস্ত্ৰ পঢ়িলেও মানুহ মুৰ্খ হ'ব পাৰে। পণ্ডিত বিপ্ৰসকলৰ ক্ষেত্ৰতো সেয়ে হৈছে। তেওঁলোকে শেষত ভুল বুজিব পাৰি নিজকে ধিক্কাৰো দিছে। এই অধ্যায়টিৰ যোগে আমি দুয়োপক্ষৰ পৰা সুন্দৰ আদৰ্শ পাওঁ। এই অধ্যায়টিৰ কাহিনী ভিত্তিত 'বিপ্ৰপত্নী প্ৰসাদ' নামৰ এখনি নাটকো গুৰুজনাই ৰচনা কৰি থৈছে।

দশম স্কন্ধৰ চতুৰ্বিংশতি অধ্যায়ৰ শ্লোক সংখ্যা আঠত্ৰিশ। অধ্যায়টিৰ কাহিনী 'গোৱৰ্দ্ধন পূজা'। ইয়াৰে ২০—২৩ সংখ্যালৈকে মুঠ চাৰিটি শ্লোক বাদ পৰিছে আৰু বাকীখিনিৰ অনুবাদ সৃষ্টিমূলক বৰ্ণনাৰে সম্পূৰ্ণ কৰা হৈছে। লগতে দুই এঠাইত শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাবো পৰিছে। গোৱৰ্দ্ধন পূজা প্ৰসঙ্গত কৃষ্ণই বিৰাট শৰীৰ ধাৰণ কৰি পূজা উপহাৰাদি গ্ৰহণ কৰোতে কেনেকৈ কি কি ভোজন কৰিছিল, মূলত মাত্ৰ 'বলিমাদৎ' (১০/২৪/৩৫) বুলি কৈছে অৰ্থাৎ ভোজনৰ সামগ্ৰী গ্ৰহণ কৰিলে বুলিছে। কিন্তু গুৰুজনে

অলপ বহলকৈ বৰ্ণনা কৰিছে এনেকৈ। যেনে ঃ

খাইলা ইক্ষু আখৈ চিৰা গুড় লাৰু বসি।
ঘৃতৰ সন্দেশ চোবাৱন্ত মস মসি।
পিঠা পনা পৰমান্ন ভুঞ্জি ষড় ৰসে।
দধি দুগ্ধ মধু পিলা কলসে কলসে।
ক্ষণেকে আণ্টাইলা খাই সকলো সম্ভাৰ।
মেঘ যেন গাজে ঘনে তোলন্ত উগাৰ।। ইত্যাদি।

গোবৰ্দ্ধন পূজাৰ বিষয়ে হৰিবংশ, গৰ্গসংহিতা, পদ্মপুৰাণ হৰিভক্তি বিলাস আদি গ্ৰন্থত সুন্দৰ বৰ্ণনা আছে। ইয়াৰ পিছৰ পঞ্চবিংশ অধ্যায়ত গোৱালসকলৰ পৰা পূজা নাপাই মদগৰ্বী ইন্দ্ৰই গোকুলৰ ওপৰত কৰা প্ৰাকৃতিক অত্যাচৰৰ বৰ্ণনা কৰা হৈছে। ইয়াৰ তেত্ৰিশটি শ্লোকৰ আটাইকেইটিৰে অনুবাদ সম্পূৰ্ণ হৈছে। ইন্দ্ৰৰ ক্ৰোধোক্তি ‘ঝুমুৰি’ ছন্দত গুৰুজনাই অতি ৰসাল আৰু বীৰত্বসূচক ব্যাখ্যা দাঙি ধৰিছে। অধ্যায়টিত গুৰুজনাৰ নিজ ধাৰণাৰে স্থানবিশেষে ৰস সৃষ্টি কৰিছে যদিও বহলকৈ নাই। মাত্ৰ কৃষ্ণই গোবৰ্দ্ধন ধাৰণ কৰোতে গুৰুজনাই কৃষ্ণৰ সুন্দৰ ৰূপ বৰ্ণনা কৰি দেখুৱাইছে। কিন্তু ভাগৱতত ৰূপ বৰ্ণনাৰ কোনো ইংগিত নাই।

চাব্বিশ অধ্যায়ত কৃষ্ণই গোবৰ্দ্ধন ধাৰণত বিস্ময় প্ৰকাশ কৰি নন্দাদি গোপসকলে কৃষ্ণৰ লীলা বিলাসৰ এটি সুন্দৰ বৰ্ণনা দঙি ধৰিছে। এই অধ্যায়ত গোবৰ্দ্ধন ধাৰণৰ সময়ত কৃষ্ণৰ বয়স সাত বছৰ বুলি প্ৰকাশ কৰা হৈছে। সেইদৰে তিনিমাহত শকট ভঞ্জন, এবছৰত চক্ৰবাত বধ আদি অদ্ভুত কৰ্ম কৰা হৈছিল (ভাগ- ১০/২৬/৩,৫,৬)। সৰ্বমুঠ পঁচিশটি শ্লোকৰ ভিতৰত কুৰি সংখ্যাৰ শ্লোকটি বাদ দি বাকীখিনিৰ সম্পূৰ্ণ অনুবাদ কৰা হৈছে। মাজে মাজে গুৰুজনাৰ ৰস সৃষ্টি আছে।

সাতাইশ অধ্যায়ৰ শ্লোক সংখ্যা আঠাইশটি। তাৰে সাতাইশ সংখ্যাৰ শ্লোকটি বাদ দি বাকীখিনি শ্লোকৰ অনুবাদ কৰা হৈছে। এই অধ্যায়টিৰ কাহিনীত ইন্দ্ৰ আৰু সুৰভিৰ কৃষ্ণ চৰণত শৰণাপন্ন, কৃষ্ণস্তুতি আৰু গোবিন্দ নাম স্থাপন। ‘গোবিন্দ’ নামৰ উৎপত্তি, সংজ্ঞা আৰু তাৎপৰ্য অতি গুৰুত্বপূৰ্ণ। ভাগৱত ১০/২৭/২৩ শ্লোকত কৈছে—

ইন্দ্ৰঃ সুৰৰ্ষিভিঃ সাৰ্দ্ধং নোদিতো দেৱ মাতৃভিঃ।
অভ্যষিঞ্চত দাশাৰ্হং গোৱিন্দ ইতি চাভ্য ধাৎ।।
অৰ্থাৎ (গুৰুজনাৰ ভাষাৰে)
অদিতি প্ৰমুখ্যে দেৱমাতাসৱ শিৰে।
উৎসুকে সিঞ্চিলা দূৰ্বাক্ষত দধি ক্ষীৰে।।
আশেষ সুৰভি পুষ্প সততে বৰিষে।
সমস্তে গোৱিন্দ নাম থৈলন্ত হৰিষে।।

শ্ৰীধৰ স্বামীয়ে টীকাত এনেকৈ উল্লেখ কৰিছে— "গাঃপশূন্ গাং স্বৰ্গং বা ইন্দ্ৰত্বেন বিন্দতীতি কৃত্বা গোৱিন্দ ইত্যভ্যধাৎ নাম কৃতবানিতি' অৰ্থাৎ গুৰুজনাৰ ভাষাৰে "গোৰ ইন্দ্ৰ পাতি কৰি প্ৰণাম। থৈলন্ত তোমাৰ গোৱিন্দ নাম' (কীৰ্তন) (আমাৰ কীৰ্তন অধ্যায় দ্ৰষ্টব্য)।

আঠাইশ অধ্যায়ৰ শ্লোক সংখ্যা সোতৰ। ইয়াৰে যোল্ল সংখ্যাৰ শ্লোকটি বাদ দি বাকীখিনিৰ অনুবাদ সম্পূৰ্ণ কৰা হৈছে। এই অধ্যায়ৰ কাহিনীত আছে বৰুণৰ দূতৰ দ্বাৰা নন্দ ৰাজক বৰুণালয়ে আনয়ন, কৃষ্ণৰ বৰুণালয়ত প্ৰবেশ, বৰুণৰ কৃষ্ণ স্তুতি, ব্ৰজবাসীৰ বৈকুণ্ঠ দৰ্শন ইত্যাদি। গুৰুজনাৰ ৰচনাৰ মাজত পূৰ্বানুৰূপে সৃষ্টিমূলক বৰ্ণনা আছে। কাতি মাহৰ শুক্লপক্ষৰ একাদশী তিথিৰ দিনা ইন্দ্ৰাদি দেৱগণ আৰু গোমাতা সুৰভি আহি কৃষ্ণক গোৱিন্দ নামেৰে অভিষেক কৰিছিল আৰু সেই একেদিনাই শেষ ৰাতি নন্দ গোপৰাজক বৰুণৰ দূতে হৰণ কৰি নিছিল। সেই দিনা একাদশী উপবাস কৰি নন্দই ৰাতিতে উঠি যমুনাত স্নানৰ কাৰণে গৈছিল। শাস্ত্ৰীয় বিধান অনুসৰি অৰ্দ্ধ ৰাত্ৰিৰ পৰা সূৰ্য্যোদয়ৰ চাৰিদণ্ড পূৰ্ব পৰ্যন্তে সময়খিনি 'আসুৰকাল' হিচাপে প্ৰসিদ্ধ আৰু সেই সময়ত স্নান ক্ৰিয়া নিষিদ্ধ বুলি জনা যায়। সেই সময়ত বৰুণৰ ভৃত্যসকলে নদ-নদী আদি জলাশয়সমূহ ৰক্ষা কৰিবলৈ আহে আৰু কোনোলোকে যদি অৱগাহন কৰে, তেন্তে তেওঁলোকে দণ্ড বিধান কৰে, নন্দয়ো তাকে কৰিলে আৰু তেওঁক বৰুণৰ দূতে লৈ গ'ল।

বৰুণালয়ত কৃষ্ণৰ প্ৰবেশ মাত্ৰকে বৰুণে আথে-বেথে আগবঢ়াই নি স্তুতি কৰিবলৈ ধৰিলে। কৃষ্ণক দোষ মাৰ্জনাৰ কাৰণে প্ৰাৰ্থনা জনাই নন্দক মুক্ত কৰি দিলে আৰু নন্দক লগত লৈ কৃষ্ণই নন্দালয়ত প্ৰবেশ কৰিলে। বৰুণালয়ৰ পৰা মুক্ত হৈ নন্দই গোৱালসকলৰ আগত সবিশেষ বৰ্ণনা দি

কোৱা কথাখিনি ভাগৱতত এটা শ্লোকতে সমাপ্ত কৰিছে। তাত কৈছে— ‘গোপৰাজ নন্দই বৰুণ লোকৰ পূৰ্বতে নেদেখা মহাসমৃদ্ধি আৰু বৰুণ তথা নিবাসী লোকসকলৰ কৃষ্ণৰ প্ৰতি দেখুওৱা নম্ৰ ব্যৱহাৰত আশ্চৰ্যবোধ কৰি উপনন্দাদি গোৱালসকলৰ আগত সকলোবোৰ বৰ্ণনা কৰিলে” ইত্যাদি। কিন্তু গুৰুজনে ইয়াক পৰিষ্কাৰ ৰূপত সজাইছে এনেকৈ ঃ

সবাকো সম্বুধি নন্দে বুলিলা বচনে।
পৰম আশ্চৰ্য কথা শুনা গোপগণ।।
মোক হৰি নিলা বৰুণৰ অনুচৰ।
দেখিলোহো পৰম ঐশ্বৰ্য বৰুণৰ।।
দেৱতো নাহিকৈ জানো এনুৱা সম্পত্তি।
শুনিয়ো আশ্চৰ্য ইটো কৃষ্ণৰ সম্প্ৰতি।।
সিটো দিগপাল দেৱ দুতি সুৰৰায়।
কৃষ্ণক দেখিয়া তেহো ভৈলা মূষপ্ৰায়।।
আথে বেথে উঠিলন্ত আতি অনুৰাগে।
সবান্ধৱে পৰিলন্ত চৰণৰ আগে।।
পূজিলা ৰত্নৰ দিয়া অনেক সম্ভাৰ।
পৰি সকুটুম্বে কৰিলন্ত নমস্কাৰ।।
বুলিলা কাতৰ যত তাৰো নাহি সীমা।
আজিসে দেখিলো ইটো কৃষ্ণৰ মহিমা।
অদ্যাপি সুমৰি মোৰ চিত্ত নুহি থিৰ।
এতিক্ষণে দেখা মোৰ শিহৰে শৰীৰ।
এৱেসে জানিলো কৃষ্ণ নোহন্ত মানুষ।
সাক্ষাতে দেখিলো এন্তে পৰম পুৰুষ।।
আত আউৰ শঙ্কা নকৰিবা একো প্ৰাণী।
সবাকো সম্বুধি নন্দে বুলিলন্ত বাণী।

নন্দ গোপ ৰাজৰ কথা শুনি গোপী গোপীসকলে যি চিন্তা কৰিছিল, সেইখিনি ভাগৱতত বহলকৈ অভাব। ভাগৱতৰ ‘তমীশ্বৰম্’ এই সূত্ৰটিৰ আধাৰত গুৰুজনে কিছু বহলকৈ গোপ গোপীসকলৰ মনৰ কথা ব্যক্ত কৰিছে (ভাগ- ১০/২৮/১১) যেনে—

শুক মুনি কথা কহন্ত ৰাজাত
যত গোপ গোপীচয়।
শুনি নন্দ মুখে মহিমা কৃষ্ণৰ
সবেয়ো ভৈলা বিস্ময়।।
পৰম ঈশ্বৰ জানিয়া কৃষ্ণক
আনন্দে বুলিবে লৈল।
পুলকিত তনু লোতক ঝৰিল
কিনো ভাগ্যোদয় ভৈল।।
যাক ব্ৰহ্মাদিয়ো চিন্তিয়া নপান্ত
জগতৰ অন্তৰ্যামী।
আমাৰ ভাগ্যক কি কহিবো আৰ
আঙ্ক বন্ধু পাইলো আমি।।
কোটি কোটি জন্মে কিবা তপ পুণ্য
আচৰিলো গোপ গণ।
আমাৰ পালক আপুনি ভৈলন্ত
ইটো নাথ নাৰায়ণ।। (ইত্যাদি)

সৰ্বজ্ঞ শ্ৰীকৃষ্ণই গোপ গোপীসকলে মনতে চিন্তা কৰা বিষয়টি জানিব পাৰি যোগবলে বৈকুণ্ঠধাম দৰ্শন কৰালে। সেই বৈকুণ্ঠৰ বিশেষ বৰ্ণনা ভাগৱতত অভাৱ। কিন্তু গুৰুজনাই কিছু বহলকৈ বৰ্ণনা কৰিছে এনেকৈ (ভাগ— ১০/২৮/১৪, ১৫ ১৬ ১৭)

সূৰ্য সম জ্বলৈ অসংখ্য বিমান
দেখাইলা কৃষ্ণে সাক্ষাত।
চতুৰ্ভুজ প্ৰজা ইচিটি কৰয়
কালৰ এৰায়া হাত।।
সুন্দৰী পদ্মিণী অনেক সেৱয়
আনন্দে মগন মন।
আন কাম এৰি কৰে তাল ধৰি
কৃষ্ণৰ গুণ কীৰ্তন।।
পুলকিত তনু লোতক ঝৰয়
বাঢ়ে মাধৱত ৰতি।

আন ধৰ্ম তৈত একোৱে নাহিকে
কেৱল হৰি ভকতি।
নন্দ আদি কৰি যত গোপ গোপী
সবেয়ো দেখিলা পাছে।
আমাঠৈৰ কৃষ্ণ অনন্ত শয্যাত
চতুৰ্ভুজ ৰূপে আছে।
নবীন নীৰদ সম শ্যাম তনু
পীতবস্ত্ৰে কৰৈ জ্যোতি।
পঙ্কজ নয়ন হসিত বয়ন
দেখন্তে মিলৈ মুকুতি।।
জলমল মণি মকৰ কুণ্ডল
কিৰীটিৰ জ্বলৈ জালা।
দিনকৰ ৰুচি কণ্ঠত কৌস্তুভ
শোভৈ দিব্য বনমালা।।
সুবলিত ভুজ কেয়ুৰ কঙ্কণে
দেখি আতি চমৎকাৰ।
বহল হৃদয় তাত হেমময়
মণি মুকুতাৰ হাৰ।।
ৰতনে খচিত মেখলা কটিত
তাতে পাট পীত ভুনি।
চৰণ পঙ্কজ মঞ্জিৰে ৰঞ্জিত
ৰুণ ঝুন ধ্বনি শুনি।।
দেখিয় সাক্ষাত আৰকত নখ
চয় চন্দ্ৰমাৰ পান্তি।
সংসাৰৰ তাপ তাৱক্ষণে হৰৈ
যাৰ দৰশন কান্তি।।
আৰকত পদ তল শোভৈ আতি
ধ্বজ বজ্ৰ পদ্ম যৱে।
লাসে লাসে লক্ষী জান্তন্তে আছন্ত
কোমল কৰ পল্লৱে।।

যত পাৰিষদে চৌপাসে উপাসি
ছিড়ল চামৰে ঢোলে।
মুখ্য মন্ত্ৰগণে মূৰ্তি ধৰি বেঢ়ি
কৰযোৰে স্তুতি বোলে।।
পূৰ্বত অক্ৰুৰে যেন দেখিলন্ত
যমুনা জলত নামি।
গোকুলবাসীক তেনমতে দেখা
দিলন্ত জগত স্বামী।।
বৈকুণ্ঠ মধ্যত দেখিয়া কৃষ্ণৰ
হেন ৰূপ আচৰিত।
নন্দ আদি কৰি গোপ গোপী গণ
আনন্দে নধৰে চিত্ত।।
পৰম বিস্ময় মনে বোলৈ সবে
বৈকুণ্ঠ পাইলো জীৱন্তে।
ভকতৰ বাঞ্ছা কোননো নিসিজৈ
ঈশ্বৰ কৃষ্ণত হন্তে।।
গোকুলবাসীক পৰম অদ্ভুত
দেখায়া মহিমা হৰি।
কৰিলন্ত আৰ বৈকুণ্ঠক পাছে
আপুন ৰূপ সংহৰি।।

এই অধ্যায়ৰ কাহিনী ইমানতে শেষ হৈছে। গুৰুজনে ইয়াত মূলৰ অতিৰিক্ত বা বাহিৰত কিছু বিষয় সৃষ্টিমূলক ৰূপে সংযোগ কৰিছে। আমি প্ৰসঙ্গক্ৰমে উল্লেখ কৰি আহিছোঁ। কিমধিকমিতি।

(২) আদ্য দশম - ৰাসলীলা

শ্ৰীমদ্ভাগৱত পুৰাণৰ দশম স্কন্ধৰ উনত্ৰিশ অধ্যায়ৰ পৰা তেত্ৰিশ অধ্যায়লৈকে মুঠ পাঁচটি অধ্যায়ত ৰাসলীলা তত্ত্বৰ ব্যাখ্যা কৰা হৈছে। ইয়াক ৰাস পঞ্চাধ্যায় নামেৰেও অভিহিত কৰা হয়। গুৰুজনে এই খণ্ডটি সুকীয়া মঙ্গলাচৰণেৰে আৰম্ভ কৰি ইয়াৰ বিশেষত্ব দাঙি ধৰিছে এনেকৈ—

জয় জগন্নাথ জগতৰ আদি মূল।
গোপৰূপ ধৰি হৰি তাৰিলা গোকুল।।
বৃন্দাবনে আনন্দে কৰিয়া ৰাস ক্ৰীড়া।
গুছাইলা গোৱিন্দে গোপীকাৰ কাম পীড়া।।
শুনিয়োক বুধজন জনম আকলি।
কামজয় নামে ইটো কেশৱৰ কেলি।
মোক্ষ যেবে পাইবা পাপ কৰিয়া নিৰ্যান।
কৃষ্ণ কথামৃত কৰা কৰ্ণ ভৰি পান।।

ৰাসলীলা কাহিনী ইয়াত প্ৰকাশ কৰাৰ দৰে গুৰুজনে কীৰ্তন ঘোষাতো ওঠৰটি কীৰ্তনেৰে প্ৰকাশ কৰিছে আৰু তদনুৰূপে 'কেলি গোপাল' নামেৰে এখনি নাটকো ৰচনা কৰিছে। আমি কীৰ্তন ঘোষাৰ সেই অধ্যায়টিৰ বৰ্ণনা বিস্তাৰিত ৰূপত প্ৰকাশ কৰিছোঁ। এতিয়া 'ৰাস পঞ্চাধ্যায়'ৰ প্ৰতিটো অধ্যায়ৰ বৰ্ণনা এনে প্ৰকাৰে দিয়া হ'ল।

উনবিংশ অধ্যায়ৰ শ্লোক সংখ্যা আঠচল্লিশ। ইয়াৰে পোন্ধৰ আৰু যোল্ল সংখ্যাৰ শ্লোক দুটি বাদ দিয়া হৈছে। অধ্যায়টিৰ আৰম্ভণি শ্লোকটি হ'ল—

ভগৱানপি তা ৰাত্ৰীঃ শাৰদোৎফুল্ল মল্লিকাঃ।
বীক্ষ্যৰন্তুং মনশ্চক্ৰে যোগমায়ামুপাশ্ৰিতঃ (ভাগ-১০/২৯/১)

অৰ্থাৎ ভগৱান কৃষ্ণই শৰৎ কালৰ মল্লিকাদি বিবিধ কুসুম বিকশিত, পৰিশোভিত ৰাত্ৰি দেখি যোগমায়াক আশ্ৰয় কৰি তেওঁ গোপীসকলৰ লগত ৰাসক্ৰীড়া কৰিবলৈ ইচ্ছুক হ'ল।

গুৰুজনে অনুবাদ কৰিছে এনেকৈ ঃ

শৰত কালৰ ৰাতি আতি বিতোপন।
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন।।
দেখি যোগমায়া বলে হৰিষে তহিত।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত।।

"জগৌকলং বামদৃশাং মনোহৰম্" (১০/২৯/৩) মূলৰ এই উক্তি মন কৰিবলগীয়া। ইয়াত (১) জগৌ— গীতবান্— অৰ্থাৎ গীত গালে, (২) কলং মধুৰাস্ফুটৰৱং অৰ্থাৎ সেই গীত অতি মধুৰ আৰু অস্ফুট স্বৰ, (৩) বামদৃশাং বামামনোহৰা দৃশো যাসাং তাসাং মনোহৰং যথা— অৰ্থাৎ মনোমুগ্ধকৰ বা চিত্তাকৰ্ষক ইত্যাদি। এতিয়া ইয়াৰ সম্পূৰ্ণ অৰ্থ গোপীসকলৰ মনোমুগ্ধকৰ অতি মধুৰ গীত (বংশী নাদেৰে) গালে। গুৰুজনে উক্ত শ্লোকৰ অনুবাদ এনেকৈ কৰিছে— "সুস্বৰ মধুৰ কৰি হৰি গাইলা গীত" আৰু "পুৰিয়া পঞ্চম নাদ বঢ়াইলা মদন" ইত্যাদি। পূৰ্বোক্ত "পঞ্চম নাদ কি আৰু ইয়াৰ তাৎপৰ্য কি হ'ব পাৰে। নৱৰসৰ ভিতৰত আদি ৰস হ'ল শৃঙ্গাৰ। উক্ত শৃঙ্গাৰ ৰসত সপ্তস্বৰৰ ভিতৰত ঋ-ধ-বৰ্জ্জিত বুলি জনা যায়। ভাগৱতত 'পঞ্চম' স্বৰৰ বিষয়ে ৰাসলীলা অধ্যায়ত বিশেষ উল্লেখ নাই যদিও "নিশম্য গীতং তদনঙ্গ বৰ্দ্ধনং" (১০/২৯/৫) উক্তিত 'তদনঙ্গবৰ্দ্ধনং' মানে কামোদ্দীপক অৰ্থ সূচনা কৰিছে। কিন্তু তাত্ত্বিক বিষয়ৰ ফালৰ পৰা 'অনঙ্গ শ্ৰীভগৱদ্বিষয়ং কামং" বুলিছে। শ্ৰীধৰ স্বামীয়ে ইয়াক "তস্মাৎ ৰাস ক্ৰীড়া বিড়ম্বনং কাম বিজয় খ্যাপনায়েত্যেৱ তত্ত্বম্"। অৰ্থাৎ গুৰুজনাৰ ভাষাৰে "কামজয় নামে ইটো কেশৱৰ কেলি"। কৃষ্ণক "সাক্ষাৎ "মন্মথমন্মথঃ" বোলে অৰ্থাৎ তেওঁ মদন মোহন্। কামদেৱে আনক মোহিত কৰিব পাৰে। কিন্তু শ্ৰীকৃষ্ণই কামদেৱকো মোহিত কৰিব পৰা সামৰ্থ্য থকা হেতুকে তেওঁ সেই নাম পাইছে। এতিয়া আমি ৰাসলীলা অধ্যায়টিক তাত্ত্বিক দিশৰ পৰা "কামজয়" নামেৰেহে দৃষ্টিপাত কৰিব পাৰোঁ। "কামজয়" মানে শৃঙ্গাৰ ৰস বহিৰ্ভূত এটি তত্ত্ব। ৰাস পঞ্চাধ্যায়ৰ একেবাৰে শেষৰ শ্লোকটি তাৎপৰ্যপূৰ্ণ। তাত কৈছে— (১০/৩৩/৩৯)।

বিক্ৰীড়িতং ব্ৰজবধূভিৰিদঞ্চ বিষ্ণোঃ শ্ৰদ্ধান্বিতোऽ নুশৃনুয়াদথবৰ্ণয়েৎয়ঃ ভক্তিং পৰাং ভগৱতি প্ৰতিলভ্য কামং হৃদ্ৰোগমাশ্ব পহিনোত্যচিৰেণ ধীৰঃ।

অৰ্থাৎ যিজনে শ্ৰদ্ধা সহকাৰে গোপী কৃষ্ণৰ এই ৰাসলীলা বৃত্তান্ত আৰু তেওঁৰ অন্যান্য লীলা নিৰন্তৰে শ্ৰৱণ আৰু বৰ্ণনা কৰি শুনায়, তেওঁ অবিলম্বে ধীৰত্ব লাভ কৰি ভগৱান শ্ৰীকৃষ্ণত পৰাভক্তি লাভ কৰি হৃদ্‌ৰোগ কামাদি দুৰ্বাসনা শীঘ্ৰে পৰিত্যাগ কৰে।

সেইদৰে গোপীসকলে কৃষ্ণ প্ৰাপ্তিৰ কাৰণে স্তুতি নিৱেদন কৰোতে 'স্বজন হৃদ্ৰুজাং' (১০/৩১/১৮) বুলি কৈছে আৰু শ্ৰীধৰ স্বামীয়ে তাৰ ব্যাখ্যা প্ৰসঙ্গত লিখিছে "কিং তৎস্বজন হৃৎৰোগনাং যদতি গোপ্যং নিসূদনং নিবৰ্ত্তক মৌষধং তৎত্বমেৱ বেৎসীতি গূঢ়াভিপ্ৰায়ঃ। গুৰুজনাৰ ভাষাৰে—

কাঁহাক দুষিবো ইসি অভাগ্য কপাল।
আমাৰ হৃদয় ৰোগ গুচায়ো গোপাল।। (কীৰ্তন-১০০)

বাহ্যিক অৰ্থত হৃদয়ৰোগক আমি কামানল বুলি বুজিলেও তাত্ত্বিক দৃষ্টিত ইয়াৰ অৰ্থ বেলেগ। কৃষ্ণক পাবলৈ যি উৎকণ্ঠাবোধ আৰু আবেগিক হৈ পৰিছিল সেই উৎকণ্ঠিতবোধকে আমি হৃদয় ৰোগ বুলি ভাবিব পাৰো। গোপীসকলৰ কৃষ্ণ প্ৰেম আত্মেন্দ্ৰিয় প্ৰীতি ইচ্ছা নহয়। ই হ'ল কৃষ্ণেন্দ্ৰিয় প্ৰীতি ইচ্ছাহে। ইয়েই প্ৰেম নামেৰে অভিহিত হৈছে। আমি এই প্ৰসংগত উপনিষদৰ শ্ৰেয় আৰু প্ৰেয়লৈ আঙুলিয়াব পাৰোঁ। নাৰদ পঞ্চৰাত্ৰতো কৈছে "অনন্য মমতা বিষ্ণৌ মমতা প্ৰেম সঙ্গতা' অৰ্থাৎ অন্য কোনো বস্তুৰ প্ৰতি সমতা নাৰাখি যদি একমাত্ৰ কৃষ্ণতে সমতা ৰাখে, তেতিয়া সেই কৃষ্ণনিষ্ঠ মমতাকে প্ৰেম নামেৰে আখ্যায়িত হয়।

শ্ৰীকৃষ্ণৰ বংশী ধ্বনিত বিহ্বলা গোপীসকলে গৃহ পৰিচৰ্যা এৰি ধ্বনি নিৰীক্ষণে কৃষ্ণাভিমুখে ধাবিত হওঁতে মূলৰ "ব্যত্যস্ত বস্ত্ৰাভৰণাঃ" (১০/২৯/৭) আৰু শ্ৰীধৰস্বামীৰ টীকানুসৰি "স্থানতঃ স্বৰূপত শ্চোৰ্দ্ধাধোধাৰেণ বিপৰ্যয় প্ৰাপ্তানি বস্ত্ৰাভৰণানি যাসাং তাঃ' এই বিষয়টি প্ৰকাশ পাইছে। পূৰ্বোক্ত মূল আৰু টীকোক্ত বিষয়টিত গুৰুজনে সৃষ্টিমূলক বহল বৰ্ণনা দাঙি ধৰিছে এনেকৈ ঃ

কৃষ্ণে হৰিলন্ত চিত্ত হৰাইল চেতন।
পিন্ধয় পাৱত নিয়া ৰত্নৰ কঙ্কণ।।
মুণ্ডত মেখলা বান্ধে বলয়াক গলে।
পিন্ধি পাৱে গলপতা কতো গোপী চলে।।

হাতত উঝণ্টি কাৰো চৰণে আঙুঠি।
কৃষ্ণক দেখিতে কতোজনী যাই উঠি।।
বাহুত নূপুৰ পিন্ধে নকৰে বিচাৰ।
মাৰ্গত মুকুত আৰৈ কঙ্কালত হাৰ।।
পিন্ধে শ্বেত নেত শাৰী কামে উত্ৰাৱল।
ফুপুসি উপৰ কৰৈ আঞ্চলক তল।

গোপীসকলৰ বংশী ধ্বনি শুনি যি উত্ৰাৱল অৱস্থা আৰু আবেগ বিহ্বলা হৈ তেওঁলোকে কৃষ্ণ দৰশনৰ কাৰণে গৃহৰ মাজত লৰালৰিকৈ বস্ত্ৰাভৰণ পৰিধান কৰোতে মূলৰমতে আৰু টীকাৰ মতে যি বিপৰ্যয় কৰি পিন্ধিছিল, সেয়ে গুৰুজনাৰ হস্ত পৰশত এটি নতুন অথচ সঙ্গতিসূচক সৃষ্টিমূলক ৰূপ প্ৰকাশ পাইছে। কীৰ্তনত "কৰি বিপৰ্যয় পিন্ধে বস্ত্ৰ অলঙ্কাৰ" বুলি কৈছে আৰু ভাগৱতৰ পদত 'বিপৰ্যয়' শব্দটি নাই। 'বিপৰ্যয়' শব্দটিৰ আধাৰতে গুৰুজনে ইমানখিনি বৰ্ণনা প্ৰকাশ কৰিছে। কীৰ্তনৰ পদ আৰু ভাগৱতৰ পদৰ মাজত সামান্য ব্যৱধান আছে।

যি বংশী ধ্বনিত গোপীসকল বিহ্বল হৈ বৃন্দাবনত উপস্থিত হৈছিল, সেই বংশীৰ মহিমা আৰু তাৰ স্বৰ মহিমা শ্ৰীমদ্ভাগৱতৰ (১০/৩৫/২—১৯) দশমস্কন্ধত সুন্দৰ বিৱৰণ পোৱা যায়। মহাপুৰুষ দুগৰাকীয়েও বৰগীতত তাৰ বৰ্ণনা দিছে। শঙ্কৰদেৱে বৰগীতত উল্লেখ কৰিছে এনেকৈ —

(১) হেৰহু মাঞ্চি চললি বিপিন মধাই।
বেনু বিষাণ নিশান আৱত
হৰখে হৰখে ধেনু ধাই।।

(২) বাঁছুৰি ধ্বনি শুনি গোবৎস পেখি।
লাগে আগি গাৱে উদ্ভৱ সখি।।

মাধৱদেৱৰ

(১) বাম বাহুত মিলিত মনোৰম
ললিত বাম কপোল।
অধৰে অৰপিত কনক বিৰচিত
মধুৰ মুৰুৰী অমোল।

(২) হৰিৰ বংশীৰ ভাই শুনিয়ো কাৰণ।
যিহেতু বংশীৰ স্বৰে মোহে ত্ৰিভুবন।
নিজ বংশী ভৈল মূল প্ৰকৃতি প্ৰথম।
সাত গোটা ৰন্ধ্ৰে সাত প্ৰকৃতি নিয়ম।।
হৰিৰ অধৰে কুঙ্কে পুৰুষ চৈতন্য।
জড় বাংশী প্ৰকৃতি কৰাৱে সচেতন।
কোমল অঙ্গুলিচয় ৰন্ধ্ৰ মধ্যে চালি।
বহুৰসে বাঁশীটি বজান্ত বনমালী।।
যিটো নিজ মায়া মোহি আছে চৰাচৰে।
হৰিৰ বাংশীয়ে ত্ৰিভুৱন মোহ কৰে।।
এহি হেতু বাংশী নিজ মায়া ভগৱন্ত।
ত্ৰিভুবন মুহি নিৰবধি বজাৱন্ত।।
মোহন বাংশীৰ নিজ কৈলো প্ৰয়োজন।
কহয় মাধৱ মোৰ গতি নাৰায়ণ।।

পূৰ্বোক্ত বৰগীতটিত বংশী আৰু তাৰ তত্ত্ব সম্বন্ধে কিছু তথ্য আছে। বংশীৰ সাতোটি ৰন্ধ্ৰত সাতটি স্বৰ থকাৰ সম্ভেদ আমাক ভাগৱতেও দিছে। ভাগৱতৰ "আশ্ৰিত মাৰ্গং" এই সূত্ৰটিৰ ভিত্তিত শ্ৰীধৰ স্বামীয়ে "আশ্ৰিতা মাৰ্গাঃ সপ্তস্বৰ চ্ছিদ্ৰাণি" বুলি কৈছে অৰ্থাৎ সপ্তস্বৰৰ সাতোটি ছিদ্ৰ থকাৰ কথা কৈছে। যিকি নহওক আমি সেই বিষয়টি ইমানতে এৰিছোঁ।

কৃষ্ণগত প্ৰাণা গোপীসকল উত্ৰাৱল হৈ কৃষ্ণাভিমুখে আহোঁতে তেওঁলোকৰ যাত্ৰাত বাধা দিয়াৰ ক্ষেত্ৰত পিতা পুত্ৰ, পতি আদিৰ হস্তক্ষেপ আৰু বাধা প্ৰাপ্ত গোপীয়ে কৃষ্ণ দৰশনৰ অভাব প্ৰাণ ত্যাগ আদিৰ বৰ্ণনা মূলৰ, পদৰ সামান্য প্ৰভেদ মাত্ৰ আছে। দুই এঠাইত প্ৰয়োজন সাপেক্ষে গুৰুজনাৰ সৃষ্টিমূলক হস্ত পৰশৰ শব্দ সংযোজন ঘটিছে।

মূলৰ ১০/২৯/১৩ সংখ্যাৰ শ্লোকত শুকদেৱে 'পুৰস্তাৎ' শব্দ এটি ব্যৱহাৰ কৰিছে। সেই শব্দটিৰ অৰ্থ কৰিবলৈ গৈ ব্যাখ্যা কৰে 'সপ্তম স্কন্ধে' বুলি এটি ইংগিত দিছে। সপ্তম স্কন্ধতনো কি কৈছে' সেই স্কন্ধৰ প্ৰথম অধ্যায়ৰ ২৯, ৩০, ৩১ সংখ্যাৰ শ্লোকত ভগবানক কেনেকৈ পাব পাৰি বা ভক্তি ভাৱনা বহিৰ্ভূত দিশেৰেও যে তেওঁক পাব পাৰি, সেই বিষয়ে

এটি সুন্দৰ যুক্তি দাঙি ধৰিছে! কৃষ্ণৰ বংশী ধ্বনিত কৃষ্ণাভিমুখে সমাগতা গোপীসকলৰ মাজৰে কিছুমান গোপীয়ে ভাগৱতৰ মতেৰে (১০/২৯/৯) পতি সেৱনৰতা অৱস্থাত থাকি বৃন্দাবনলৈ যাব নোৱাৰি নয়ন মুদ্রিত কৰি কৃষ্ণক ধ্যান কৰিবলৈ ধৰিলে আৰু কিছুমানে কৃষ্ণ বিৰহ তাপেতাপিত হৈ সকলো অশুভ দূৰ কৰি ধ্যানযোগে পৰমাত্মাক পাই সকলো কৰ্ম বন্ধন চিঙি তৎক্ষণাৎ গুণময়দেহ পৰিত্যাগ কৰিলে (ভাগ-১০/২৯/১০,১১)। সেই প্ৰসঙ্গত গুৰুজনে এনেকৈ বৰ্ণনা কৰিছে (গুৰুজনে ইয়াত সৃষ্টিমূলক ৰস দিছে)

বাজ হুইবে কতো গোপী নপাইল গৃহৰে।
ৰাখিল দুৱাৰ বান্ধি স্বামীয়ে দেৱৰে।।
কৰিবে নপাই মনোৰথক সুসাঙ্গ।
কৃষ্ণৰ বিৰহ বহ্নি দহে সৰ্ব্ব অঙ্গ।।
হা কৃষ্ণ কৃষ্ণ আতি মুখে মাত্ৰ ৰড়ে।
কতো উঠে বসৈ কতো পৃথিৱীত পৰৈ।।
কাঢ়ে হুম নিশ্বাস আকুল কৰৈ মন।
চক্ষু মুদি চিন্তে প্ৰাণ কৃষ্ণৰ চৰণ।।
ধ্যানত প্ৰভুক পাই প্ৰেমে আলিঙ্গিল।
তাসম্বাৰ পৰম ভাৱনা উপজিল।।
মিলিল আনন্দ ভৈল সৰ্ব্বাঙ্গে পুলক।
ধাৰায়ে বহৰে আতি নেত্ৰৰ লোতক।।
কৃষ্ণৰ বিৰহ তাপে পাপ ভৈল ক্ষয়।
আলিঙ্গনে ভৈল ভোগ যত পুণ্যচয়।।
কৃষ্ণক চিন্ততে কৰ্মবন্ধে ভৈল ক্ষীণ।
এৰি তনু তেখনে কৃষ্ণতে গৈল লীন।। (ইত্যাদি)

গৃহাবদ্ধা গোপীসকলৰ যি লীলাৱস্থাৰ কথা পদত কোৱা হৈছে, সেয়া আচলতে ভাগৱতৰ মতে (১০/২৯/১১) "সদ্যঃ প্ৰক্ষীণ বন্ধনাঃ।।" অৰ্থাৎ তেওঁলোক তৎক্ষণাৎ জীৱন্মুক্ত হ'ল। এই বিষয়টি প্ৰকাশ কৰিবলৈ গৈ পৰীক্ষিতে শুকদেৱক প্ৰশ্ন কৰিছে যে গোপীগণে কৃষ্ণখ ব্ৰহ্ম বুলি নাভাবি কান্ত বুলিহে ভাবিছিল অৰ্থাৎ অৰ্থাৎ পতি বুদ্ধিহে কৰিছিল। তেন্তে

তেওঁলোক কেনেকৈ জীৱন্মুক্ত হ'ল? তাৰ উত্তৰত শুকদেৱে কৈছে যে ভগৱানক যি প্ৰকাৰে নাভাৱক, সকলোৱে তেওঁক পাব পাৰে। গুৰুজনে সেই প্ৰসঙ্গতে দুটি শ্লোক বাদ দি (১০/২৯/১৫, ১৬) শ্ৰীধৰ স্বামী টীকাৰ সূত্ৰ টানি আনি তাৰ উত্তৰ দিছে। স্বামীয়ে লিখিছে 'নহি বস্তু শক্তিঃ বুদ্ধিমপেক্ষতে অন্যথা মত্বাদিপ পীতা মৃতবদিতি ভাৱঃ"। গুৰুজনে ভাঙ্গনি কৰিছে এনেকৈ বুদ্ধিক নাপেক্ষে মহৌষধিৰশকতি" আৰু "বিষ বুলি অমৃতক পিৱৈ যিটো নৰ। নুহিবেক হেন জানা অজৰ অমৰ" ইত্যাদি। আনহাতে গুৰুজনে সপ্তম স্কন্ধ ভাগৱতৰ পৰাও শ্লোকাংশ টানি অনা দেখা গৈছে। যেনে 'তস্মাৎ কেনাপ্যুপায়েন মনঃ কৃষ্ণে নিবেশয়েৎ" (ভাগ-৭/১/৩১), অৰ্থাৎ গুৰুজনাৰ ভাষাৰে—

যেন তেন মতে মাত্ৰ স্মৰোক সততে।
এতেকে মুকুতি পাৱৈ কহিলো বেকতে।।

ভগৱানক দ্বেষ্য কৰিও যে পাব পাৰি, সেই বিষয়ে ভাগৱতে (১০/২৯/১৩) প্ৰকাশ কৰিছে। একাৰ্থক বৰ্ণনা দিছে ভাগৱত ৭/১/২৯, ৩০ শ্লোকত। তাত কৈছে যে কামভাৱ, দ্বেষ্যভাৱ, ভয়ভাব, স্নেহভাৱ আৰু ভক্তিভাৱ এই পঞ্চ ভাৱনাৰেও ভগৱানক পোৱা যায়। গোপীসকলে কামভাৱেৰে, কংসই ভয় ভাৱেৰে, শিশু পালাদিয়ে দ্বেষ্য ভাৱেৰে যাদৱাদি বন্ধুসকলে স্নেহ ভাৱেৰে আৰু নাৰদাদিয়ে ভক্তি ভাৱেৰে গতি প্ৰাপ্ত হৈছিল।

গোপীসকলে কৃষ্ণৰ সমীপ পোৱাৰ পিছত ভাগৱতত অতি মাৰ্জিত ভাৱেৰে কৃষ্ণই গোপীসকলক সম্বোধন কৰিছে "স্বাগতং ভো মহাভাগাঃ" বুলি অৰ্থাৎ হে মহাভাগ্যৱতীসকল তোমালোকৰ প্ৰতি স্বাগত সম্ভাষণ জনাইছে। সম্পূৰ্ণ শ্লোকটি তলত তুলিছিলোঁ—

স্বাগতং বো মহাভাগাঃ প্ৰিয়ং কিং কৰবাণি বঃ।
ব্ৰজস্যানাময়ং কচ্চিদ্ ব্ৰতাগমন কাৰণম্।।(ভাগ-১০/২৯/১৮)

অৰ্থাৎ

হে মহাভাগ্যশীলিনী গোপীসকল! তোমালোকৰ আগমণৰ কুশলনে? আমি তোমালোকৰ কি প্ৰিয় কাৰ্য সমাধা কৰিম? ব্ৰজৰ কুশলনে? কোৱাচোন— তোমালোক ইয়ালৈ অহাৰ কাৰণ কি?

গুৰু জনাই অনুবাদ কৰিছে এনেকৈ ঃ— (ইয়াত শ্ৰীধৰ স্বামীৰ স্বীকাৰ সামান্য প্ৰভাবো পৰিছে— সভয়মিবাহ ব্ৰজ স্যেতি”)

যেবে সবে সমীপ চাপিলা গোপনাৰী।
তাসম্বাক পৰিহাসে মুহিলা মুৰাৰি।।
সভয়ে পুছন্ত বাঢ়ি কতিপয় ভৰি।
কি ভৈল কি ভৈল কিয় আসিলা লৰৰি।
কিবা উতপাত আসি মিলিলা ব্ৰজত।।
কল্যাণে আসিলা তোমাসাৰ বাৰ্ত্তা ভাল।
কিবা প্ৰিয় কৰ্ম কৰো কহিয়ো সকাল।।
নলাগে বিলম্ব বোলা সাধো মই কাজ।
হেন বাক্য শুনি গোপীসব ভৈলা লাজ।।
চপৰাই মাথাক হাসিলা মুচুকাই।
বুলিলন্ত হেন দেখি গোবিন্দে দুনাই।।

ভাগৱতৰ (১০/২৯/১৯) “ঘোৰ সত্ত্ব নিষেবিতা” এই সূত্ৰৰ আধাৰত গুৰুজনে ব্যাখ্যা দাঙি ধৰিছে এনেকৈ। সেই সূত্ৰৰ মৰ্মাৰ্থ হ'ল অৰণ্যত বিভিন্ন প্ৰকাৰৰ ভয়ঙ্কৰ জন্তুৱে বিচৰণ কৰে ইত্যাদি।

দুৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি।
ঐত নথাকিবা তোৰা সব স্ত্ৰীমতি।।
চৰৈ ব্যাঘ্ৰ ঘোঙ বৰাহৰ হুকহুকি।
পুৰুষৰো ভয় ভালুকৰ শুনি উকি।। ইত্যাদি।

গুৰুৱে ইয়াত কিমান সৃষ্টিমূলক ৰস সঞ্চাৰ কৰিছে তাৰ উদাহৰণ দিবৰ কাৰণে তলত শ্লোকৰ অসমীয়া ৰূপ দাঙি ধৰা হ'ল (ভাগৱত— ১০/২৯/৪২, ৪৩, ৪৪)।

১। শুকদেৱে ক'লে— যোগেশ্বৰেশ্বৰ স্বয়ং ভগৱান শ্ৰীকৃষ্ণই আত্মাৰাম হৈয়ো প্ৰেমৱতী ব্ৰজ গোপীসকলৰ এনেকুৱা সপ্ৰেম কাৰুণ্য বাক্য শুনি নিজৰ মনোৰথ পূৰণ কৰিলে আৰু হাঁহি হাঁহি ব্ৰজৰমণী সকলৰ অশ্ৰু মাৰ্জনাদি কৰি তেওঁলোকৰ সৈতে লীলা কৰিবলৈ আগ্ৰহান্বিত হ'ল।

২। প্ৰণয় কোপ আৰু বিৰহ দুখ দৰ হোৱাত শ্ৰীকৃষ্ণৰ সৈতে মিলিত আৰু শ্ৰীকৃষ্ণ দৰ্শনত প্ৰফুল্লমুখী ব্ৰজৰমণীসকলে পৰিবৃত্ত হৈ শ্ৰীকৃষ্ণই অংগস্পৰ্শ পুষ্পাদি অৰ্পণ প্ৰভৃতি স্বচ্ছন্দ মনোহৰ চেষ্টা সমন্বিত উদাৰ হাস্য জনিত দন্ত প্ৰকাশেৰে দৰ্শদিক উদ্ভাসিত কৰি তাৰকাৱলী পৰিবেষ্টিত পূৰ্ণ চন্দ্ৰ তুল্য শোভাবৰ্দ্ধন কৰিবলৈ ধৰিলে।

৩। গোপীসকলে শ্ৰীকৃষ্ণৰ ৰূপত গুণ লীলাৰ গান কৰিবলৈ ধৰিলে আৰু শতকোটি গোপীজন বল্লভ শ্ৰীকৃষ্ণও বৈজয়ন্তী মালাৰে সুশোভিত হৈ বৃন্দাবন অলঙ্কৃত কৰি উচ্চস্বৰে গান কৰি কৰি বিচৰণ কৰিবলৈ ধৰিলে।

গুৰুজনাৰ অনুবাদ ঃ

পৰীক্ষিত ৰাজাত বদতি শুক মুনি।
গোপীৰ কাৰুণ্য কৃপাময় কৃষ্ণে শুনি।।
স্নেহে পীড়িলেক লোলাই মুখত বচন।
লোতকে বেঢ়িল দুই কমল লোচন।।
তাসম্বাৰ প্ৰেমত বিহ্বল হুয়া আতি।
গাৱে গাৱে গোপীক প্ৰবোধ দেন্ত মাতি।।
নসহে হৃদয় ভকতৰ দেখি দুখ।
পীতবস্ত্ৰে সবাৰো মুচিলা আখি মুখ।।
অনেক মধুৰ বাক্য বোলান্ত আশ্বাস।
কষ্ট এৰি সন্ধুকা কৰিলো পৰিহাস।।
তোমাসাৰ প্ৰেম ভকতিত ভৈলো বশ্য।
আজি মনোৰথ সবে পূৰিবো অৱশ্য।
কৃষ্ণৰ বচনে যেন অমৃত বৰিষে।
উঠিল উৎসুকে সৱে গোপিণী হৰিষে।।
কৃষ্ণৰ বচনে যেন অমৃত বৰিষে।
উঠিল উৎসুকে সৱে গোপিণী হৰিষে।।
কৃষ্ণৰ সদয় দৃষ্টি দূৰ ভৈল তাপ।
গোপীক ক্ৰীড়িলা পাছে জগতৰ বাপ।।

ভাগৱতৰ ৰাসলীলা অধ্যায়ত কৃষ্ণাভিমুখী গোপীসকলৰ সংখ্যা 'বনিতাশতযূথপঃ' (১০/২৯/৪৪) বুলি কৈছে অর্থাৎ তাৰ ব্যাখ্যা প্ৰসঙ্গত 'শত কোটি গোপী' বুলিছে। কিন্তু গোপীসকলৰ নাম নাই। পিছে গুৰুজনে পদত 'অনেক সহস্ৰ গোপী' বুলিছে আৰু তাৰ কিছুমান মুখ্য গোপীৰ নাম প্ৰকাশ কৰিছে। যেনে—

অনেক সহস্ৰ গোপী ৰূপে অনুপাম।
শুনা তাসম্বাৰ মুখ্য মুখ্য কিছু নাম।।
ইন্দুমতী মদন মঞ্জৰী ৰত্ন মালা।
পদ্মাৱতী কুন্তী কুমুদিনী চন্দ্ৰ কলা।।
ৰোহিণী হৰিণী স্বয়ম্বৰী বিদ্যাধৰী।
মাধৱী ৰাধিকা মধুমতী মন্দোদৰী।।
ভোগৱতী ভগৱতী গৌৰী ৰতি ৰামা।
বসুমতী সতী লীলাৱতী তিলোত্তমা।।
শশী ৰুচি চম্পক লতিকা কাম পাশা।
কাদম্বিনী মদনদনমনী মদালসা।।
সুৰভী সুৰমা ৰমা উষা সৰস্বতী।
ভৱানী ভূষিতা ভূমি ৰম্ভা প্ৰভাৱতী।।
কুমুদা কামদা মন্দাকিনী যুগন্ধৰী।
আমিৰ জামিৰ জৱা সৱি বসুৰামা।
কমললোচনী চান্দৰুচি শশী শ্যামা।।
সুপ্ৰভা সুভগা সৌভাগিণী শুভাচল।
ভূষণা ভীষণা ভ্ৰান্তি ভাৰতী উৎপলা।।
ইন্দিৰা মন্দিৰা হীৰা তপতী তৰুণী।
কামিনী ভামিনী ভদ্ৰা ভীষণা তৰণী।।
সুপ্ৰভা ভাৰতী ভাগিৰথী ভানুমতী।
কাঞ্চন মালিনী সুমালিনী লীলাৱতী।।

গুৰুজনে পূৰ্বোক্ত গোপীসবৰ নামবোৰ ভাগৱতৰ বাহিৰৰ পৰাহে সংগ্ৰহ কৰিছে। ব্ৰহ্মবৈৱৰ্ত পুৰাণ পদ্ম পুৰাণ, ভৱিষ্য পুৰাণ, মৎস্য পুৰাণ, স্কন্ধ পুৰাণ, গৰ্গ সংহিতা, শ্ৰীকৃষ্ণ যামলতন্ত্ৰ আদিত গোপীৰ নামবোৰ পোৱা

যায়। ব্ৰহ্মবৈৱৰ্ত পুৰাণত— সুশীলা, শশীকলা, চন্দ্ৰমুখী, মাধৱী, কদম্বমালা, কুন্তী, যমুনা, জাহ্নৱী, শুভা, পদ্মা, দুৰ্গা, মঙ্গলা, কালিকা, কমলা, সৰস্বতী, ভাৰতী, অৰ্পণা, ৰতি, গংগা, সতী, নন্দিনী, সুন্দৰী, কৃষ্ণপ্ৰাণা, চম্পা, চন্দনা আদি গোপীৰ নাম আছে। সেইদৰে শ্ৰীকৃষ্ণযামল তন্ত্ৰত আছে মাধৱী, মালতী, জাতি, লবঙ্গ, মল্লিকা, অশোক, লতিকা, কুন্তী, শেৱালী, শত পৰ্ব্বিকা, যূথিকা, ৰঙ্গমল্লী, ৰঙ্গিণী, অপৰাজিতা, স্বৰ্ণাখ্যা, মৃদুলা, বৃন্দা, চন্দ্ৰবিম্বা, মধুশ্ৰিয়া, কুটিলা, পাটলি, কব্জা, কেতকী, কামদায়িনী, বহুলা, ঝিল্লিকা, তাৰা, বাণী, ব্ৰাহ্মী, বিষঘ্নিকা, সিংহিকা, কৃষ্ণা, বাসন্তী, নৱমল্লিকা আদি নামবোৰ।

গুৰুজনাই উল্লেখ কৰা নামসমূহৰ মাজত 'ৰাধিকা' নাম এটি পোৱা হৈছে। উক্ত নামটিৰ আধাৰতে বহুতে ৰাসলীলাৰ মাজত 'ৰাধা' নামৰ এগৰাকী নাৰীক কৃষ্ণৰ প্ৰেয়সীৰূপে প্ৰক্ষেপ কৰিব খোজে। আচলতে সি সকলে ভবাৰ দৰে বিষয়টি নহয়। শ্ৰীমদ্ভাগৱত পুৰাণ আৰু বিষ্ণু পুৰাণত ৰাধাৰ নাম কতো উল্লেখ নাই। এই দুয়োখনি পুৰাণৰ বাহিৰে অন্যান্য পুৰাণত 'ৰাধা'ক কৃষ্ণৰ প্ৰেয়সী ৰূপে প্ৰতিষ্ঠা কৰিব বিচাৰে। পূৰ্বোক্ত 'ৰাধিকা' নামটিৰ পৰা আমি তেওঁক ৰাধা বুলি পতিয়ন যাব নোৱাৰোঁ। কাৰণ সেই নামৰ এগৰাকী গোপীকহে বুজোঁ। আনহাতে গোকুলত ৰাধা বা ৰাধিকা নামৰ এগৰাকী গোপী থাকিব পাৰে আৰু তেওঁ গোপীসকলৰ মাজত মুখ্যা গোপী নহয়। আয়ান নামৰ এজন গোৱালৰ ভাৰ্যা হ'ল ৰাধা। কিন্তু সেই ৰাধাক দুয়োখনি বৈষ্ণৱ পুৰাণৰ বাহিৰে আনবোৰ পুৰাণে কৃষ্ণৰ ভাৰ্যা কৰি পেলাইছে। আনহাতে কবি জয়দেৱ প্ৰণীত 'গীত গোবিন্দ' নামৰ গ্ৰন্থখনিত কৃষ্ণতকৈ ৰাধাৰ প্ৰাধান্য অধিকৰূপে কৰা হৈছে। তাত আনকি কৃষ্ণই ৰাধাৰ চৰণ যুগলো কামনা কৰিছে। যেনে ঃ

স্মৰ গৰল খণ্ডন মম শিৰসি মণ্ডনং
দেহি পাদ পল্লৱমুদাৰম্।
জ্বলতি ময়ি দাৰুণো মদন কদনানলো
হৰতু তদুপাহিত বিকাৰম্।। (গী. গো.- ১০/৭)

অৰ্থাৎ

তোমাৰ (ৰাধাৰ) এই পৰম সুন্দৰ পদ পল্লৱ মোৰ মস্তকত প্ৰদান কৰা।

এয়া মোৰ শিৰোভূষণ হওক। সেই পদপল্লৱ মদন হলাহল খণ্ডনকাৰী। দাৰুণ মদন বহ্নিত মোৰ দেহ প্ৰজ্বলিত হৈছে। মোৰ মস্তকত স্থাপিত তোমাৰ পদপল্লৱৰ দ্বাৰা মদনানলজনিত বিকাৰ প্ৰশমিত হওক।

উক্ত বৰ্ণনা ৰাধাকেন্দ্ৰিক ধাৰণাৰ মাজতহে আবদ্ধ। কিন্তু বৈষ্ণৱ কেন্দ্ৰিক ধাৰণাত একমাত্ৰ কৃষ্ণৰহে প্ৰাধান্য আছে। ভাগৱতীয় বৈষ্ণৱ তত্ত্বৰ মাজত ৰাধাৰ কোনো বিশেষ স্থান বা প্ৰাধান্যতা নাই কাৰণে শঙ্কৰদেৱেও ৰাধিকা নামৰ এই নাৰী গৰাকীক অন্যান্য গোপীসকলৰ লগত বা শাৰীত ৰাখি একেশ্বৰবাদ প্ৰতিষ্ঠা কৰিছে অৰ্থাৎ কৃষ্ণ কেন্দ্ৰিক ধাৰণা আনি দিছে।

কৃষ্ণ গোপী ৰাসলীলা আৰম্ভ হোৱাৰ পিছত কি কি লীলানো কৰা হৈছিল, তাৰ বৰ্ণনা মূলতকৈ পদত অধিক। মূলৰ দুটি শ্লোকৰ (১০/২৯/৪৫, ৪৬) অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল।

১। এনে প্ৰকাৰে শ্ৰীকৃষ্ণই ব্ৰজনাৰীসকলৰ সহিত বিবিধ বিলাস বিহাৰাদি কৰি কৰি যমুনা নৈৰ তৰঙ্গ সঙ্গ সুশীতল আৰু প্ৰফুল্ল কুমুদ গন্ধ প্ৰবাহিত সঙ্গ বায়ু, পৰিবাহিত আৰু কৰ্পূৰ চুৰ্ণতুল্য নিৰ্মল আৰু কোমল বালুকাকীৰ্ণ যমুনাতীৰলৈ আহি উপস্থিত হ'লহি।

২। যমুনাতীৰত উপস্থিত হৈ শ্ৰীকৃষ্ণই কাৰোবাক আলিঙ্গন, কাৰোবাৰ হস্ত ধাৰণ, কেশপাশ, উৰু, কৰ্কাঁলৰ বস্ত্ৰাভৰণৰ গাঁথি মুক্ত স্তন স্পৰ্শন, কাৰোবাক নখাগ্ৰপাত, কাৰোবাৰ লগত বিবিধ ক্ৰীড়া, কটাক্ষ পাত আৰু কাৰোবাৰ লগত মধুৰ হাস্য কৰি গোপীসকলৰ কামোদ্দীপন কৰি বিবিধ প্ৰকাৰে ৰমন কৰিবলৈ ধৰিলে।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

ইসব প্ৰমুখ্যে গোপ যুৱতি যতেক।
কৃষ্ণক আবৰি ৰঙ্গ কৰিলা অনেক।
পূৰ্ণকাম হৰি যদি জগত ঈশ্বৰ।
তথাপি সাধন্ত আতি প্ৰীতি ভকতৰ।।
হাসি পাছে গোপ যুৱতীৰ ৰঞ্জি চিত।
কৰিলন্ত কৃষ্ণে কাম কেলি বিপৰীত।।
কৃষ্ণৰ সদয় দৃষ্টি গোপীগণে দেখি।
আনন্দে প্ৰফুল্লমুখী ভৈলা সবে সখী।
দৰশায়া লীলাগতি ভাৱ ভ্ৰৱ ভঙ্গে।

কৃষ্ণক চৌভিতি ভোলে বেঢ়িলেক ৰঙ্গে।।
সবাকো হৰিষে হৰি চান্ত হাসি হাসি।
কুন্দ কড়ি সম সিটো দশন প্ৰকাশি।।
ভৈল গোপীগণ যেন নক্ষত্ৰৰ মেলি।
চন্দ্ৰ সম প্ৰকাশন্ত কৃষ্ণে কৰি কেলি।।
শ্যাম ৰুচি পীতবাস বলয় বাহুত।
হাৰে কেয়ুৰে যেন মেঘত বিদ্যুত।।
গলে জ্বলে বৈজয়ন্তী পঙ্কজৰ মালা।
বেঢ়ি গোৱিন্দৰ গুণ গাৱৈ গোপবালা।।
আপুনো গাৱন্ত গীত কামিনী মোহন।
ৰঞ্জিয়া ফুৰন্ত সিটো দিব্য বৃন্দাবন।।
মিলিল বসন্ত বায়ু বহৱৈ মলয়।
কোকিলৰ কুহু কুহু ধ্বনি শুনি তয়।।
পুষ্পৰ সুৰভি গন্ধে আমোদ মনত।
গুঞ্জৰে ভ্ৰমৰে মধু পানে হুয়া মত্ত।।
হেন বিতোপন বনে ভ্ৰমি ভগৱন্ত।
গোপীসব সমে ক্ৰীড়িলন্ত অপৰ্যান্ত।।
দেখি পাছে যমুনাৰ বালি সুকোমল।
পদ্মৰ সুৰভি বাতে আতি সুশীতল।।
গোপীগণ সঙ্গে ৰঙ্গে নামিলন্ত তাত।
কৌতুকে কৰিলা ক্ৰীড়া কৃষ্ণে অসংখ্যাত।।
বাহু মেলি আলিঙ্গি গোপীক কতো ধৰি।
কাহাৰো তনক নখে পৰশন্ত হৰি।।
মাতন্ত কাহাকো কৃষ্ণে কৰি পৰিহাস।
কাৰো মুখ নিৰেখি তোলন্ত কতো হাস।।
হৰিষে সাৱটি কাকো ধৰি আকোৱালি।
কাকো দেন্ত চুম্বন বদনে বনমালি।।
কাকো বস্ত্ৰ লন্ত কাঢ়ি কৃষ্ণে বঢ়াই ঢঙ্গ।
হোৱৈ আতি বেকত গুপুত যত অঙ্গ।।
গুচান্ত কাঞ্চলি উচ কুচ দুই উদি।

হাতে ঢাকি থাকে কতো লাজে চক্ষু মুদি।।
কৰে ধৰি কৰন্ত তনক নখে খেত।
কঙ্কালৰো সোলকান্ত শাৰী শেত নেত।।
হোৱৈ অংগ উদাস কটিত নিকপটি।
আঠুক সাৱটি চাৱৈ কৰন্ত চপটি।।
কাৰো মুখে দেন্ত চোবা চুম্বনৰ ছলে।
থাকে ধৰি ৰঙ্গে গোপী গোবিন্দৰ গলে।
অগৰু সুৰভি ভুজ কতো কান্ধে লই।
ঘনে ঘনে আনি গোপ ৰমণী শুঙ্গই।।
শিৰত তনত কতো থৱৈ পদ দুই।
আলগতে চুমা পাৱৈ কতো ভোল হুই।।
কতো কামে মত্ত গোপী কৃষ্ণক আলিঙ্গে।
মুখ পঙ্কজক যেন পিয়ে নেত্ৰ ভৃঙ্গে।।
সেই যিবা বোলে আসি মাধৱক ধৰি।
তাকে আচৰন্ত ভকতৰ বশ্য হৰি।।
আনন্দে গোৱিন্দে গোপীকাৰ বঢ়াই কাম।
ৰমিলা শৰত ৰাত্ৰি আতি অবিশ্ৰাম।
কৰিয়া সুৰতি সন্তোষিলা মনমথ।
নিৰন্তৰে গোপীৰ পূৰিলা মনোৰথ।।
ভকতৰ পদে দেখাই মনুষ্য চেষ্টাক।
গোপীক নচান্ত যেন ছায়া পুতলাক।।
আপুনি আনন্দ সিন্ধু জগত নিবাস।
কুচিত সুখত তান কোন অভিলাষ।।
কামধেনু পালৰ ঈশ্বৰ যিটোজন।
আছে ছাগলীত তান কোন প্ৰয়োজন।
অমৃত সাগৰ পাই কোনে খাৰ খাই।
আছতোক কৃষ্ণ ভকতৰো ইচ্ছা নাই।।
পৰম ঈশ্বৰ যিটো ব্ৰহ্মাৰো নমস্য।
ভৈলা ভকতিতে গোপ যুৱতীৰ বশ্য।।
হেন জানি কৃষ্ণক ভজিয়ো সবে নৰে।
স্ত্ৰীৰো দুৰ্জন ভাৱ শুনা আত পৰে।।

শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ প্ৰথম পৰ্যায়ত কৃষ্ণৰ পৰা সন্মান পাই গোপীসকলৰ গৰ্ব অহঙ্কাৰ বাঢ়ি গ'ল। তেওঁলোকৰ গৰ্ব চূৰ্ণ কৰিবৰ কাৰণে কৃষ্ণৰ অন্তৰ্ধান প্ৰসঙ্গত মূলত দুটি শ্লোকতে সংক্ষিপ্ত ৰূপত প্ৰকাশ কৰা হৈছে। কিন্তু গুৰুজনে ইয়াক বহলকৈ সজাইছে। তলত শ্লোক দুটিৰ অসমীয়া অনুবাদ তুলি দিয়া হ'ল—

১। মহাত্মা ভগৱান কৃষ্ণৰ ওচৰত এনে ধৰণৰ পৰমাদৰ লাভ কৰি ব্ৰজগোপীসকল অভিমানিনী হ'ল আৰু প্ৰত্যেকেই নিজকে পৃথিৱীৰ সকলো ৰমণীতকৈ অধিক সৌভাগ্যৱতী বুলি ভাবিবলৈ ধৰিলে।

২। ব্ৰজৰমণীসকলৰ এনেধৰণৰ সৌভাগ্য গৰ্ব আৰু অভিমান দেখি শ্ৰীকৃষ্ণই গৰ্ব দূৰ কৰিবলৈ আৰু আনন্দ বিধানৰ কাৰণে সেই বিনোদ লীলা স্থানতে অন্তৰ্ধান হ'ল (ভাগ- ১০/২৯/৪৭, ৪৮)।

গুৰুজনাৰ অনুবাদ ঃ

মাধৱত হন্তে সিটো মহা মান্য পায়া।
বাঢ়ি গৈল গৰ্ব সবে বোলৈ গোপ জায়া।।
কৃষ্ণকো কৰিলো বশ্য ৰূপে গুণে জিনি।
আমাৰ সমান আন নাহি সৌভাগিণী।।
পাছে পাছে ফুৰন্ত আমাত হুয়া ভোল।
বোলন্ত বচন চাটু নছাড়ন্ত কোল।।
নবাধন্ত বাক্য আমি তঙ্কিবাক ভয়।
মাধৱ অধীন ভৈলা জানিলো নিশ্চয়।।
আমাৰ সদৃশ আছে আউৰ কোন নাৰী।
কুৰৈ মদগৰ্বে সবে বাহুক আচাৰি।।
ফান্দে হিয়া দম্ভত মাটিত নৈদে ভৰি।
মাতিলেয়ো নমাতে কৃষ্ণক ঠেস কৰি।
মাধৱে সোধন্ত কথা কৰি বহু মান।
চক্ষু পকাই চাৱৈ মাত্ৰ নৈদে সমিধান।।
নকৰৈ কটাক্ষ ঠেসে থাকে পিঠি দি।
যেন সেৰুৱাক পীড়ে পাত্ৰৰ যে জী।।
গোপীৰ পৰম সিটো অহম্মম ভাৱ।

দেখি নসহিল গৈয়া গোবিন্দৰ গাৱ।।
বোলন্ত বাঢ়িল গৰ্ব মোৰ মান্য পায়া।
মোক আবে নগণৈ লংঘিল কিনো মায়া।।
আগতে নেদেখে কিনো অন্ধ ভৈল মতি।
দৰ্পচূৰ কৰো মোত বাঢ়োক ভকতি।
ভকতজনৰ মহা হিত চিন্তি মনে।
ভৈলা অন্তৰ্দ্ধান হৰি তৈতে তাৱক্ষণে।। ইত্যাদি।

ভাগৱতৰ দশম স্কন্ধৰ ত্ৰিশ অধ্যায়ৰ চৌৰাল্লিশ সংখ্যাৰ শ্লোকৰ আটাইকেইটিৰে অনুবাদ সম্পূৰ্ণ কৰা হৈছে। পূৰ্বৰ দৰে এই অধ্যায়তো গুৰুজনাৰ পৱিত্ৰ কৰকমলৰ স্পৰ্শত মাজে-মাজে সৃষ্টিমূলক ৰসাল বৰ্ণনা দাঙি ধৰা হৈছে। প্ৰথম চাৰিটি শ্লোকৰ আংশিক ছাঁ লৈ গুৰুজনে কি প্ৰকাৰে সৃষ্টি মূলক বৰ্ণনা কৰিছে, তাৰ উদাহৰণ দিয়া হ'ল (ভাগ-১০/৩০/১-৪)।

১। শ্ৰীকৃষ্ণৰ অকস্মাৎ অন্তৰ্ধান হোৱাত গোপীসকলে তেওঁক নেদেখি মত্ত হস্তীৰ অদৰ্শনত হস্তিণীসকলৰ নিচিনাকৈ বিৰহ তাপত তাপিত হ'ল।

২। শ্ৰীকৃষ্ণৰ পৰম মধুৰ গমন ভংগী, অনুৰাগ হাস্য, ভ্ৰূ বিক্ষেপ, সপ্ৰেম নিৰীক্ষণ, মনোহৰ আলাপ আৰু বিবিধ বিহাৰ লীলাত আকৃষ্ট চিত্তা গোপীসকলে তন্ময় হৈ তাকে ধ্যান কৰিবলৈ ধৰিলে।

৩। কৃষ্ণগত প্ৰাণা গোপীসকলে প্ৰিয় কৃষ্ণৰ গমন, হাস্য, দৃষ্টিপাত, বাক্য প্ৰভৃতিৰ তন্ময়তাত পৰস্পৰে 'আমিয়েই কৃষ্ণ' বুলি ক'বলৈ ধৰিলে।

৪। গোপীসকলে মিলিত হৈ উচ্চৈঃস্বৰে কৃষ্ণ গীত গাই গাই উন্মাদিনীৰ দৰে বনৰ মাজত কৃষ্ণক বিচাৰিবলৈ ধৰিলে আৰু মাজে মাজে বৃক্ষসমূহৰ ওচৰত সকলো জীৱৰ বাহিৰে ভিতৰে ব্যাপক অন্তৰ্যামী কৃষ্ণৰ কথা সুধিবলৈ ধৰিলে।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

কৃষ্ণক নেদেখি পাছে যত গোপনাৰী।
খুজি লুৰি নপাইলেক অনেক বিচাৰি।।
এৰি গৈলা প্ৰাণ প্ৰভু বুলি ভৈলা ভয়।
আপুনাক আপুনি গোপিণী গৰিহয়।।

গৰ্ব কৰি কিনো দুৰাচাৰী চক্ষু খাইলো।
সিটো প্ৰাণ প্ৰভুক হাততে হৰুৱাইলো।।
লক্ষ্মীৰো বল্লভ যিটো ত্ৰিজগত পতি।
তাহঙ্কো হেলিলো কিনো অন্ধ ভৈল মতি।
হা নাথ তোমাক নেদেখি কুটে প্ৰাণ।
দীন দয়াশীল কৃষ্ণ কৰা পৰিত্ৰাণ।
স্বভাৱে চঞ্চল স্ত্ৰীৰ নধৰিবা দোষ।
কিসক কৰিলা আমি কিঙ্কৰীত ৰোষ।।
সৱ বন্ধু তেজিয়া তোমাক কৈলো সাৰ।
কৃপাময় আমাক নকৰা পৰিহাৰ।।
হৰি অবিহনে হিয়া পোৰে ভকভকি।
হা কৃষ্ণ প্ৰাণ বুলি কান্দে মকমকি।।
কৰৈ আতি সন্তাপে বিলাপ গোপী পৰি।
কৃষ্ণ কৃষ্ণ বুলি ফুৰৈ বালিত বাগৰি।
যূথপক নপাই যেন হস্তিণীসকলে।
কৰৈ আওৰাৱ আতি স্বামীৰ বিকলে।।
হা কৈক গৈলা নাথ নন্দৰ কুমাৰ।
কমললোচন দুখ মোচন আমাৰ।।
অৰণ্যত ৰাতিত এতেক দিলা ক্লেশ।
কৃষ্ণ গুণ বৰ্ণাই কৰৈ ক্ৰন্দন অশেষ।
কৰিলন্ত যিটো ক্ৰীড়া কৃষ্ণ মহাভাগ।
বিনোদ বিলাস লীলা গতি অনুৰাগ।।
স্নেহ নিৰীক্ষণ হাস্য মোহন আলাপ।
সুমৰি কৰিলা তাক অনেক বিলাপ।।
কৃষ্ণ গুণ সুমৰন্তে চিত্ত ভৈল মত্ত।
চেতন নাহিকৈ একো গোপীৰ গাৱত।।
উপজিল প্ৰেম পাসৰিল সিটো মৰ্ম।
কৰিবে লাগিলা সবে কেশৱৰ কাম।।
কৃষ্ণৰ আকাৰে কতো কৰৈ লীলা গতি।
কৰিয়া সদয় হাস্য চাৱৈ কাকো প্ৰতি।।

মইসে সুহৃদ কৃষ্ণ দেখ সখী গণ।
অন্যো অন্যে বোলৈ গোপী প্ৰমত্ত বচন।।
আইস প্ৰাণ সখী কৰো কৌতূহল কেলি।
এহি বুলি গলত আলিঙ্গে বাহু মেলি।।
মোকো নিচিনস মই নন্দৰ নন্দন।
বাহু শুঙ্গ ঘসি আছো অগৰু চন্দন
কেহো বোলৈ আইল কৃষ্ণ নকৰ বিলাপ।
কৰো আইস বসি বান্ধে মধুৰ আলাপ।।
মদন বিনোদে সন্তোষিবো তোৰ মন।
কাঞ্চলি গুচাই বিধ্বংসিবো আজি তন।।
কেহো বোলৈ এভো নিচিনস বৰবালা।
দেখ পীত বস্ত্ৰ গাৱে গলে বনমালা।।
মকৰ কুণ্ডলে জ্বলৈ প্ৰসন্ন বদন।
কিয় নকৰস মোক গোপী আলিঙ্গন।।
এহিমতে বিহ্বলে অনেক বোলৈ বাক।
মত্ত হুয়া কৰৈ গোপী কৃষ্ণৰ চেষ্টাক।।
কতো একথান হুয়া গোপী প্ৰেমভাৱে।
আতি আওৱাৱে গুণ গোবিন্দৰ গাৱে।।
ঝৰে নীৰ নেত্ৰৰ মাটিত ঢালি পৰে।
কৃষ্ণক সুমাৰ উঠে মনে মৰ্ম চৰে।
বিচাৰিয়া ফুৰৈ পশি দিব্য বৃন্দাবনে।
কৃষ্ণ কৃষ্ণ বলিয়া উন্মত্ত আতি মনে।
বাহিৰে ভিতৰে যিটো কৃষ্ণ আছা ব্যাপি।
সুধি ফুৰৈ তাহাক বৃক্ষৰ পাশ চাপি।। (ইত্যাদি)

গোপীসকলে কৃষ্ণ চেষ্টা কৰাৰ পিছত বৃন্দাবন অৱস্থিত তৰুলতাসকলক কৃষ্ণ গমনাগমনৰ বাতৰি সুধিছে। ভাগৱতৰ ১০/৩০/৫— ১৩ সংখ্যাৰ সৰ্বমুঠ নটা শ্লোকত বনস্থ বৃক্ষসমূহক কৃষ্ণৰ কথা সুধিছে। মূলতঃ একাদিক্ৰমে (১) প্লক্ষ (২) অশ্বত্থ (৩) ন্যগ্ৰোধ (৪) কুৰুবক (৫) অশোক (৬) নাগ (৭) পুন্নাগ (৮) চম্পক (৯) তুলসী (১০) মালতি (১১) মল্লিকা (১২) জাতি (১৩) যূথিকা (১৪) চুত (১৫) প্ৰিয়াল (১৬) পনস (১৭) অসন

(১৮) কোবিদাৰ (১৯) জম্বু (২০) অৰ্ক (২১) বিল্ব (২২) বকুল (২৩) আম্ৰ (২৪) কদম্ব (২৫) নীপ (২৬) গুবাক (২৭) নাৰিকল (২৮) পৃথিৱী (২৯) হৰিণী (৩০) লতা আদি কৰি ত্ৰিশজনক কৃষ্ণৰ বাতৰি সোধাৰ বিষয় বৰ্ণনা কৰা হৈছে। কিন্তু পদত গুৰুজনাৰ হস্তপৰলত তেত্ৰিশবিধ বৃক্ষলতাক কৃষ্ণৰ কথা সোধাৰ বিবৰণ দিয়া হৈছে। যেনে— (১) অশ্বত্থ (২) কপিত্থ (৩) থৈকৰ (৪) কাঞ্চন (৫) চম্পা (৬) পাকৰি (৭) কুৰুবক (৮) অশোক (৯) নাগৰ (১০) ৰাজচম্পা (১১) শিৰীষ (১২) সেউতী (১৩) তুলসী (১৪) জাই (১৫) যুতী (১৬) মালতী (১৭) মাধৈ (১৮) আম (১৯) জাম (২০) পনস (২১) পিয়াল (২২) কাদম্ব (২৩) বেল (২৪) বকুল (২৫) ভূমি-(২৬) হৰিণী (২৭) লতা (২৮) ৰাজহংসী (২৯) চাঁকৈ (৩০) কুৰুৱা (৩১) কৃপৱতী (৩২) সাৰু (৩৩) কুলি। মূল আৰু পদৰ মাজত বৃক্ষৰ নামসমূহৰ কিছু পাৰ্থক্য পৰিলক্ষিত হৈছে তথা অতিৰিক্ত কিছুমান বৃক্ষৰ মান সংযোজিত কৰা হৈছে। মূলতঃ কোকিল পক্ষীৰ বৰ্ণনা নাই। শৰৎ কালত কোকিলৰ কণ্ঠধ্বনি শুনাও নাযায়। কিন্তু ঐশ্বৰীক শক্তি সাপেক্ষে সেই ধ্বনি শুনা সম্ভৱো হ'ব পাৰে। গুৰুজনে কোকিলৰ বৰ্ণনা এনেকৈ দিছে—

হে বন্ধু কুলি তই মাৰ পুলি
অগনি জ্বলাস গাত।
তোৰ যেন ধ্বনি সুললিত শুনি
প্ৰভুৰো এনয় মাত।
এৰ কুহু নাদ মিলাৱৈ বিষাদ
দুখৰ উপৰি দুখ।
ভৈলো অনাথিনী যতেক গোপিনী
দেখাও নিয়া কৃষ্ণ মুখ।।

দেখা যায় যে মানৱ জাতিৰ বাহিৰে সকলো বন্য জন্তুৱেই তেওঁলোকক প্ৰাকৃতিক গতিৰে ৰাত্ৰি সমাগত হ'লে নিজৰ বাসগৃহত প্ৰৱেশ কৰে। কিন্তু কোকিলৰ নিচিনাকৈ অলৌকিকভাৱে ভ্ৰমৰসমূহেও বাসগৃহ এৰি ৰাসক্ৰীড়া সময়ত ৰাত্ৰি বৃন্দাবনত প্ৰৱেশ কৰিছিল বুলিও ভাগৱতে কৈছে। (ভাগ ঃ ১০/৩২/১১)।

এনে প্ৰকাৰে গোপীসকলে প্ৰাকৃতিক সম্পদৰ ওচৰত কৃষ্ণৰ বাতৰি সুধি সুধি একো উত্তৰ নাপাই পুনৰ কৃষ্ণ চেষ্টা কৰিবলৈ ধৰিলে। ভাগৱতৰ ১০/৩০/১৪-২৩ শ্লোক পৰ্যন্ত সৰ্বমুঠ দহোটা শ্লোকত পুতনা বধ, শকট ভঞ্জন, চক্ৰবাত বধ, ৰিঙ্গন লীলা, গোষ্ঠ লীলা, বকাসুৰ বধ, বংশীনাদ, গতি বিলাস, গোবৰ্ধন ধাৰণ, কালীয় দমন, বনাগ্নি পান, দধি মথন, উদুখল বন্ধন আদি কৃষ্ণলীলাৰ অনুকৰণ আদি কৰা হৈছিল। গুৰুজনে এই বৰ্ণনাত ৰস সঞ্চাৰ কৰাৰ উপৰি অতিৰিক্তভাৱে বস্ত্ৰহৰণ লীলা, বৰুণৰ দূতৰ দ্বাৰা নন্দগোপ হৰণ, কৃষ্ণৰ শয়ন, ধেনুকাসুৰ বধ লীলা আদি প্ৰকাশ কৰিছে। কৃষ্ণলীলা অনুকৰণ কৰি তাতো কোনো প্ৰকাৰে সুফল নাপাই গোপীসকলে বৃন্দাবনত ভ্ৰমণ কৰোতে তাতে কৃষ্ণৰ পদ চিহ্ন দেখা পালে। কৃষ্ণৰ পদত ধ্বজ, বজ্ৰ, পঙ্কজ, যৱ আৰু অঙ্কুশ এই পঞ্চ চিহ্ন আছে। বিভিন্ন শাস্ত্ৰত যেনে পদ্মপুৰাণাদিত শ্ৰীকৃষ্ণৰ চৰণ চিহ্ন ষোল প্ৰকাৰ বুলি কোৱা হৈছে। কোন চৰণত কি কি চিহ্ন আছে, তাৰো নিৰ্দিষ্ট কৰা হৈছে আৰু কোন কোন চিহ্নৰ কি কি মাহাত্ম্য, সামৰ্থ্য আছে, তাকো প্ৰকাশ কৰিছে।

কৃষ্ণক অন্বেষণ কৰোঁতে পোৱা পদচিহ্নৰ লগত আন এগৰাকী গোপীৰো পদচিহ্ন দেখা পাই তেওঁলোক আচৰিত হ'ল। ভাগৱতত কৃষ্ণ অন্তৰ্দ্ধানৰ সময়ত কৃষ্ণই এগৰাকী গোপীক লগত অনা কথাটো উল্লেখিত হোৱা নাই আৰু গোপীসকলেও জনা নাছিল। কাৰণ সহস্ৰাধিক গোপীৰ মাজৰ এগৰাকী গোপীৰ অভাবে তাৰ সংখ্যা গণনা সম্ভৱো নহয়। চাৰিটি খোজ দেখা পাইহে গোপীসকলে বুজিব পাৰিলে যে আচলতে কৃষ্ণই আন এগৰাকী গোপী আমাৰ মাজৰ পৰা হৰণ কৰিছে। সেই গৰাকী গোপীকে পুৰাণান্তৰত 'ৰাধা' বুলি ইংগিত কৰিছে। কোনো কোনো ব্যাখ্যাকাৰে ভাগৱতৰ "অনয়াৰাধিতো নূনং" (১০/৩০/২৮) এই শ্লোকাংশৰ আধাৰত "ৰাধয়তি আৰাধয়তীতি ৰাধেতি নাম কৰণঞ্চ দৰ্শিতং" বুলি ভাগৱতলৈ ৰাধাক টানি আনিবলৈ চেষ্টা কৰিছে। দৰাচলতে সেই শ্লোকাংশৰ লগত ৰাধাৰ কোনো সম্পৰ্ক নাই। উক্ত শ্লোকাংশৰ মূল অৰ্থ হ'ল—

নিশ্চয়ে জানিলো আৰাধিলে দেৱ হৰি।
তাইক লগে নেন্ত আমি সমস্তকে এৰি।।

অৰ্থাৎ গোপীসকলে কৈছে যে কৃষ্ণই লগত নিয়া গোপী গৰাকীয়ে

ঈশ্বৰ কৃষ্ণক তাইৰ গণাগণো নাই।
শুনি হেন হৰিয়ো বুলিলা তাইক হাসি।
যাইবে যেবে নপাৰা কান্ধত উঠা আসি।।
শুনা পাছে যেন সিটো স্ত্ৰীৰ নিৰ্গতালি।
কটাক্ষে বুলিলা কৃষ্ণে নুবুজি গোৱালী।।
উঠিবাক লাগি তাই যায় কাচি পাৰি।
দেখি অন্তৰ্দ্ধান ভৈলা তথাতে মুৰাৰি।।
কৃষ্ণ কান্ধ বগাইবাক যায় আতি প্ৰীতি।
আগতে নেদেখে কৃষ্ণ ভৈলা কোন ভিতি।।
থিয়য়ে মৰিল যেন ধাতু গৈল উৰি।
কান্দিবে লাগিল পাচে পৃথিৱীত পৰি।।
কৰৈ আওৰাৰ আতি কৃষ্ণক নেদেখি।

মূলৰ সামান্য মাত্ৰ উল্লেখ থকা বিষয়টিত গুৰুজনে বিস্তৃত ৰূপত নিজৰ সৃষ্টিমূলক বৰ্ণনা দিছে। সেইদৰে কৃষ্ণ অন্তৰ্দ্ধানৰ পিছত গোপী গৰাকীৰ আওৰাৱে ক্ৰন্দনৰ বিষয়টিও মূলত যৎ সামান্য। কিন্তু গুৰুজনাৰ পদত অধিক ৰূপে আছে। মূলত কৈছে যে "হা নাথ, হা ৰমন, হা প্ৰিয়তম হা মহাবাহো? তুমি ক'ত আছা? তোমাৰ এই দীনা কিঙ্কৰীক দেখা দিয়া।" ইত্যাদি (ভাগ— ১০/৩০/৩৯)।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

হা নাথ কৈক গৈলা আমাক উপেক্ষি।।
তোমাৰেসে দাসী মই জানা নাৰায়ণ।
অনাথৰ নাথ মোক দিয়া দৰিশন।।
কৰি দৰ্প দিন দুপৰতে চক্ষু খাইলো।
তুমি হেন প্ৰভুক হাততে হৰুৱাইলো।।
আচৰিলো দ্ৰোহ মই কুল খিলিঙ্কাৰী।
ক্ষমিয়োক প্ৰভু ভকতৰ ভয়হাৰী।
এহি বুলি মকমকি কান্দে গোপী পৰি।
হা কৃষ্ণ কৃষ্ণ বুলি মাটিত বাগৰি।
কৃষ্ণক নেদেখি তাই মৰৈ হিয়া পুৰি। ইত্যাদি।

উক্ত প্ৰেমিকা গোপী গৰাকীৰ আওৰাৰ অৱস্থাত অন্যান্য গোপীয়ে ক্ৰন্দন ধ্বনি আৰু কৃষ্ণৰ অন্বেষণ কৰি আহি সেই ঠাইত উপস্থিত হৈ উভয়ে দৰ্শন হৈ কৰা বাৰ্তালাপৰ বিষয়টিও মূলত হ্ৰস্ব আৰু পদত দীঘ হৈছে। তলত মূলৰ কথাখিনিৰ অসমীয়া ৰূপ দাঙি ধৰা হ'ল (ভাগ- ১০/৩০/৪০-৪৪)।

১। শুকদেৱে ক'লে— গোপীসকলে এইদৰে কৃষ্ণৰ গমন পথৰ অনুসন্ধানে আহি অলপ দূৰত কোনো কৃষ্ণ বিৰহ দুখীতা আৰু মূৰ্চ্চিতা গোপনাৰীক দেখিবলৈ পালে।

২। তেওঁলোকে সেই মূৰ্চ্চিতা নাৰীক সান্ত্বনা দি তেওঁৰ পৰা কৃষ্ণই কেনেকৈ নিৰ্জন বন বিহাৰাদিৰে প্ৰীতি বিধান কৰিছিল আৰু শেষত তেওঁৰ মান গৰ্বাদিত কেনেকৈ তেওঁক বিসৰ্জন দিছিল, এই সকলো বৃত্তান্ত শুনি পৰম বিস্মিত হ'ল।

৩। ইয়াৰ পিছত সকলো গোপী মিলিত হৈ কৃষ্ণক অন্বেষণ কৰিবলৈ বনত প্ৰৱেশ কৰিলে আৰু যিমানলৈকে চন্দ্ৰ কিৰণ দেখা পাইছিল, সিমানলৈকে অগ্ৰসৰ হৈ পদ চিহ্নাদি দেখি বুজিলে যে তেওঁ ঘোৰ অন্ধকাৰৰ মাজত বনত প্ৰৱেশ কৰিছে— তেতিয়া তেওঁলোকে সেই স্থান ত্যাগ কৰিলে।

৪। কৃষ্ণতে নিবিষ্টচিত্তা কৃষ্ণালাপৰতা, কৃষ্ণানুসন্ধান পৰায়ণা, তন্ময়তা প্ৰাপ্ত গোপীসকলে দেহ গেহাদিত বিস্মৃতা হৈ মাত্ৰ কৃষ্ণ গুণ গান কৰিবলৈ ধৰিলে।

৫। কৃষ্ণ ভাৱনা পৰায়ণা গোপীসকলে পুনৰ যমুনা বালিত প্ৰবেশ কৰি আৰু সকলো মিলিত হৈ কৃষ্ণ লাভৰ কাৰণে কৃষ্ণ গুণ গান কৰিবলৈ ধৰিলে।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

সেহি বেলা গোপীসবে যায় খোজ গুড়ি।।
সমীপতে দেখৈ স্ত্ৰী কান্দৈ পাৰি গেড়ি।
কি ভৈল বুলিয়া পাছে পুছৈ সবে বেড়ি।।
কৈক গৈলা কহ প্ৰাণ কৃষ্ণৰ বৃত্তান্ত।
আখি মুচি দিলা তাই সন্ধুকি সিদ্ধান্ত।।
কিবা সোধ সখীসব কুটে মোৰ প্ৰাণ।

কৃষ্ণত সাধিবে মোৰ নথাকিল মান।।
কুশ কাণ্টে বিন্ধিবাক নেদিলন্ত গাত।
আলগাই তুলি মোক ফুৰাইলা কোলাত।।
সেহি গৰ্বে কিনো মই পাপী ভৈলো অন্ধ।
দম্ভ কৰি কৃষ্ণৰো বগাইবে গৈলো কন্ধ।।
এতেকতে কৃষ্ণে মোত চাৰিলন্ত প্ৰীতি।
নজানিলো সিটো প্ৰভু ভৈলা কোন ভিতি।।
পৰম বিস্ময় শুনি ভৈলা সবে গোপী।
তাইকো লগে লৈয়া বিচাৰিলা পুনৰপি।।
চন্দ্ৰৰ প্ৰকাশ মানে ফুৰিলেক চাই।
নিবৰ্ত্তিলা পাছে ঘোৰ অন্ধকাৰ পাই।।
কৃষ্ণতে অৰ্পিলা মন কৃষ্ণৰে আলাপ।
কৃষ্ণ গুণ গায়া কৰৈ কৃষ্ণৰে বিলাপ।।
কৃষ্ণত নিৰাশা হুয়া গোপী নিৰন্তৰে।
তথাপিতো গৃহক মনত নুসুমৰে।।
যৈত আছিলোক ক্ৰীড়ি কেশৱে সহিত।
দুনাই কালিন্দীৰ সবে নামিলা বালিত।।
বহল মণ্ডলাকাৰে হুয়া সবে শাৰী।
কৃষ্ণক প্ৰাৰ্থিবে লৈলা যত গোপনাৰী।।
কৃষ্ণক দেখিতে আতি উত্ৰাৱল চিত্তে।
দশোদিশ পূৰিবে লাগিলা কৃষ্ণ গীতে।।
কৃষ্ণ পদ পঙ্কজে নিবিড় কৰি মন।। ইত্যাদি।

দশম স্কন্ধৰ একত্ৰিশ অধ্যায়টিত ঊনৈশটি শ্লোক আছে। এইটি অধ্যায়ৰ সমস্ত শ্লোক গোপীসকলৰ কৃষ্ণ স্তুতি বিষয় সন্নিবিষ্ট আছে আৰু ইয়াৰ আটাইখিনি গুৰুজনে অনুবাদ কৰিলেও শ্লোকৰ ছাঁটিহে গুৰুজনে গ্ৰহণ কৰিছে। আচল ৰূপটি নিজাকৈ প্ৰস্তুত কৰা হৈছে। বিষয় বস্তুখিনি অতি চিত্তাকৰ্ষক। বত্ৰিশ অধ্যায়ৰ আৰম্ভণিতে গোপীসকলৰ স্তুতিত সন্তুষ্ট হৈ ভগৱান কৃষ্ণৰ অবিৰ্ভাৱ হোৱা বিষয়টিত কৃষ্ণৰ ৰূপ বৰ্ণনা দুই সংখ্যাৰ শ্লোকটিৰ ওপৰত গইনা লৈ দহোটি পদত সামৰা হৈছে। স্বাভাৱিকতে কৃষ্ণ

দেৱৰ প্ৰসংগ ভাগৱতত উত্থাপিত হলেই গুৰুজনাৰ ৰচনাত কৃষ্ণৰ ৰূপ বৰ্ণনা দীঘলীয়া হয়। মূলৰ "পীতাম্বৰ ধৰঃ স্ৰগ্বী সাক্ষাৎ মন্মথমন্মথঃ" (১০/৩২/২) এই শাৰীয়েই কৃষ্ণৰ ৰূপ বৰ্ণনাৰ মূল সূত্ৰ। এই অধ্যায়টিৰ বাইশটি শ্লোকৰ আটাইকেইটি গুৰুজনাই স্থানানুসৰি সৃষ্টিমূলক বৰ্ণনাৰে সম্পূৰ্ণ কৰিছে। তেত্ৰিশ অধ্যায়ৰ ঊনচল্লিশটি শ্লোকৰ আটাইকেইটিৰে অনুবাদ কৰা হৈছে। ইয়াতো পূৰ্বানুৰূপে গুৰুজনাই স্থান বিশেষে সৃষ্টিমূলক স্বৰচনাৰে সমৃদ্ধ কৰিছে। মূলৰ "জহুৰ্বিৰহজং তাপং তদঙ্গোপচিতাশিষঃ"(১০/৩৩/১) শ্লোকটিৰ আধাৰত গুৰুজনাৰ সামান্য হস্তপৰশ পৰিছে। মূলৰ অসমীয়া ৰূপটি হ'ল— কৃষ্ণই গোপীসকলৰ কৰচৰণাদি অঙ্গস্পৰ্শ কৰাত পৰিতৃপ্ত হৈ বিৰহজনিত সন্তাপ পৰিত্যাগ কৰিলে।" ইত্যাদি। গুৰুজনাৰ অনুবাদ এনেধৰণৰ—

ফুৰন্ত মুখক সাজি আপোনাৰ হাতে।
কাহাকো সাবটি ধৰি বৈসান্ত কোলাতে।।
সদয় নয়নে কাকো হাস্য কৰি চান্ত।
এৰা অপৰাধ বুলি ক'তো চুমা খান্ত।।
কৃষ্ণৰ সমানে সবে উল্লসিল চিত্তে।
গুছিল বিৰহ তাপ বচন অমৃতে।।
আনন্দে স্বৰ্গক যেন পাইলা হাত মেলি।
কৰিবে লাগিলা বেঢ়ি কেশৱৰ কেলি।।

কৃষ্ণ গোপীগণৰ পুনৰ মিলনৰ পিছতে দুয়োপক্ষৰ মাজত ৰাসলীলা আৰম্ভ হয় আৰু সেই প্ৰসংগতে গুৰুজনে আৰম্ভণিতে কিছু ৰসতত্ত্ব সংযোজন কৰিছে। ইয়াৰ কোনো মূলগত তত্ত্ব নাথাকিলেও 'তত্ৰাৰভত গোবিন্দো ৰাসক্ৰীড়া মনুব্ৰতৈঃ' (১০/৩৩/২), অৰ্থাৎ ভগৱান গোবিন্দই অধীনা গোপীসকলৰ লগত ৰাসক্ৰীড়া আৰম্ভ কৰিলে। এই সূত্ৰটিতে ভেজাদি গুৰুজনে বৰ্ণনা কৰিছে। যেনে —

শুক নিগদতি শুনিয়ো নৃপতি
গুচাই গোপিকাৰ পীড়া।
বাক্যে ৰঞ্জি চিত্ত গোবিন্দে তহিতে
আৰম্ভলি ৰাসক্ৰীড়া।।

হাস পৰিহাসে মদন বিলাসে
কৰিয়া অনেক ৰঙ্গ।
কাহাৰো স্তনত নখে খত কৰি
গোবিন্দে বঢ়ায়া ঢঙ্গ।
কাকো ভুকু মাৰি বস্ত্ৰ লৈলা কাঢ়ি
কাহাকো সাবটে বুকে।
কাকো কামে চান্ত কাকো চুমা খাও
কৰিয়া কেলি উৎসুকে।।
কৃষ্ণৰ সমান পায়া গোপীসবো
কৰিলা কাম বিলাস।
কৃষ্ণক আবৰি দশে পাঞ্চে ধৰি
কাঢ়ি লবৈ পীতবাস।।
কতো হাসি বংশী নেই কাঢ়ি কতো
কঙ্কণ কুণ্ডল লৱে।
হুয়া কুজি মুজি পাছে পাছে খুজি
ফুৰন্ত হাসি মাধৱে।।
আবে গোপ জায়া কৰা মোক দায়া
পুৰিবো সবাৰো মন।
কৃষ্ণৰ বিনয়ে হাসি গোপী পাছে
পিন্ধাৱৈ বস্ত্ৰ ভূষণ।।
অনন্তৰে হৰি বুলিলা সাদৰি
গোপীৰ উৎসৱ দেখি।
মোকো লৈয়া সঙ্গ ৰাস কেলি ৰঙ্গে
কৰা আবে সবে সখী।।
এহি বুলি হৰি আনি হাতে ধৰি
সমস্তে গোপৰ নাৰী।
বালিক বেঢ়িক মণ্ডল আকাৰে
গোপীক কৰিলা শাৰী।। ইত্যাদি

ৰাসলীলাৰ বিৱৰণ মূলতঃ বিস্তৃতভাৱে থাকিলেও গুৰুজনে ইয়াক অত্যধিক ৰূপত শেহলৈ বিশেষভাৱে বৰ্ণাইছে। এইখিনি গুৰুজনাৰ সৃষ্টিমূলক উপাদান আৰু মূলকে আধাৰ কৰি ইয়াক সজোৱা হৈছে স্থান বিশেষে শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱো পৰিছে (১০/৩৩/১৭)। গুৰুজনাৰ নিজস্ব ৰচনাখিনি তলত দিয়া হ'ল।

করন্ত লীলায়ে হৰি ক্ৰীড়া কৌতূহল।
বাহু দাম্ফি মাৰি কতো উথালন্ত জল।।
গোপীগণ সঙ্গে ৰঙ্গে কৰি ঠেলা ঠেলি।
কৌতুকে কৰিলা যমুনাত জলকেলি।।
শ্ৰান্ত হুয়া যেন মহামত্ত গজৰাজে।
অনেক হস্তিনী লৈয়া ক্ৰীড়ে জলমাজে।
সেহিমতে কৃষ্ণে বেদ মৰ্যাদাক এৰি।
গোপীগণ সহিতে কৰিলা জল খেড়ি।।
সিঞ্চে সবে গোপী পানী কৃষ্ণক আবৰি।
ফুৰি ফুৰি গোপীকো সিঞ্চন্ত জল হৰি।।
হাসিয়া সান্তৰে কতো কতো কৌতুকে আন্তৰে।
কাকো আঙ্কোৱালি জোৰৰান্ত দামোদৰে।
কৃষ্ণে এৰে এক ভিতি হুয়া জুলি বান্টি।
কৌতূহলে খেলে যমুনাত জল ঝন্টি।।
প্ৰকাশে বদন চন্দ্ৰ দেখিয় নিৰ্ম্মল।
যেন কুলি আছে শাৰী সুৱৰ্ণ কমল।।
কতো গোপীসবে হাসি দশম প্ৰকটি।
ধৰে দশে ফুৰি বেঢ়ি কৃষ্ণক সাবটি।।
কতো কতো গোপী থাকৈ দুয়ো হাতে ধৰি।
কতো কতো সিঞ্চে জল কৃষ্ণক আবৰি।।
আৰি মূৰি কৰি হৰি হাতৰ এৰাই।
পানী ছটিয়ান্ত গোপীগণকো দুনাই।
গোবিন্দকো বেঢ়ি গোপীসৱে সিঞ্চে জল।
কৰিয়া অনেক ৰাসকেলি কৌতূহল।।
গোপীৰ পূৰিলা মনোৰথ জগন্নাথ।

দেখি দেৱ সিদ্ধ সৱ মুনি নমাই মাথ।।
কৰৈ তুতি নতি আতি আকাশত থাকি।
বৰিষিল পুষ্পে গোপী গোপালক ঢাকি।।
ৰুদ্ৰক বিলাস বাৰৈ বিপঞ্চি দোতৰা।
গাৱৈ কৃষ্ণ গুণ গীত যত অপেস্বৰা।
গোপীৰ ৰঞ্জিয়া চিত কেশৱে ক্ৰীড়িলা।
হস্তিনী সহিতে যেন গজেন্দ্ৰৰ লীলা।।
এহিমতে জলে থলে কৃষ্ণে কৰি কেলি।
জলক উঠিলা লৈয়া ৰঙ্গে গোপী মেলি।।
আৰম্ভিলা বৃন্দাবনে ক্ৰীড়া পাছে হৰি।
কৃষ্ণক অৰ্চ্চিলা গোপী সমস্তে আবৰি।।
কতো কতো সতকাৰ কৰি প্ৰেম ৰসে।
আগৰ চন্দন সব শৰীৰত ঘসে।।
শিৰত সুৰভি পুষ্প আৰো কতো বালা।
গান্থিয়া পিন্ধাৱে কেলি কদম্বৰ মালা।।
লাসে লাসে বিঞ্চে কতো শিৰে সিঞ্চে কুল।
কেহোজনী যোগাৱয় কৰ্পূৰ তাম্বুল।।
কেহো হাত পাতি চোবা লৱৈ গোপ নাৰী।
বঢ়াইলা আনন্দ গোপীগণৰ মুৰাৰি।।
যমুনাৰ সমীপত উপবন চয়।
জল স্থল পুষ্পে সুবাসিত আতিশয়।।
লহু লহু বহে বাত মলয়া পৱনে।
পক্ষীৰ আৰাৱে মন উন্মাদ মদনে।।
অসংখ্য কোকিলে কুহু কুহু নাদ কৰে।
মধুমত্ত ভ্ৰমৰে গুঞ্জৰে নিৰন্তৰে।।
হেন বিতোপন বৃন্দাবনে পশি হৰি।
ভ্ৰমন্ত গোপিনী সঙ্গে ৰঙ্গে ক্ৰীড়া কৰি।।
ব্ৰজ বধূ সৱ বেঢ়ি চলৈ লয়লাসে।
কৃষ্ণে সমে হতাহতি হাসে পৰিহাসে।।
যমুনাৰ তীৰে তীৰে কুৰৈ কৰি ৰতি।

বিকশিত বৃন্দাবনে কৰি লীলা গতি।।
প্ৰকাশন্ত হৰি ধৰি মূৰুতি মধুৰ।
ৰূপে কোটি কন্দৰ্পৰো দৰ্প কৰি চুৰ।।
যাক দেখি মদনে দগধ দিব্য নাৰী।
গোপীৰ আনন্দ বঢ়াই ক্ৰীড়ান্ত মুৰাৰি।।
মোহন বংশীক বজাৱন্ত ৰঞ্জি চিত।
অনুৰাগে গাৱে গোপী বেঢ়ি গুণ গীত।।
প্ৰেমৰস পৰশে শিহৰৈ আতি তনু।
নয়নৰ নীৰ ধাৰে পৰে পুনু পুনু।।
আনন্দে নধৰৈ হিয়া দেখি কৃষ্ণ মুখ।
দ্ৰৱ হৱৈ হিয়া মনে মিলৈ মহাসুখ।।
মৌন হুয়া যায় কতো নাই মাত বোল।
কৃষ্ণক আলিঙ্গে গৈয়া কতো হুয়া ভোল।।
শুঙ্গে সৱে শৰীৰ সাৱটি কতো নাৰী।
কতো গলে বান্ধে গৈয়া মুখে চুমা পাৰি।।
কৃষ্ণৰ লগত গীত অনুৰাগে গাৱে।
এহিমতে বৃন্দাবনে ভ্ৰমৈ মত্তভাৱে।।
গোৱিন্দো কৰন্ত ক্ৰীড়ি গোপীগণে সঙ্গে।
হস্তিনী সহিতে যেন প্ৰমত্ত মাতঙ্গে।।
তাসম্বাৰ প্ৰীতি আতি সাধি অতিৰেক।
বনতো কৰিলা ক্ৰীড়া কেশৱে অনেক।।
এহিমতে শৰৎ কালৰ যত ৰাতি।
চন্দ্ৰ ৰশ্মি শোভিত শীতল দেখি আতি।।
কৰি হৰি হৰিষে সবাতো ৰাসক্ৰীড়া।
গুচাইলা সমস্তে গোপীকাৰ কাম পীড়া।।
যিটো কৃষ্ণে আছা ইটো জগতকে জুৰি।
ফুৰৈ কোটি ব্ৰহ্মাণ্ড লোমৰ গুৰি গুৰি।।
পুৰাণ পুৰুষ শিৱ ব্ৰহ্মাৰো নমস্য।
ভৈলা হেন হৰি গোপ যুৱতীৰ বশ্য।।
কৈৰ কামাতুৰা অনাচাৰী গোপনাৰী।
কৰিলা অধীন দেখা ঈশ্বৰ মুৰাৰি।।

ভকতি কৰিলে কৃষ্ণে একো নবাচন্ত।
হেন জানি সৰ্ব্বজনে ভজা ভগৱন্ত।।
হৰিক স্মৰণে জগতৰে পুণ্য পায়।
হৰিনাম বিনা নাহি তৰণ উপায়।।
কৰৈ কাৰ্য্য আনসে হৰিত নেদি হিয়া।
জানা যেন ফুৰাৱে চোৰেসে ভাৱ দিয়া।।
ভাঙ্গিলে ধৰ্ম্মৰ কলি চাৰিয়ো চৰণ।
হৰিৰ নামত ধৰ্ম্মে পশিলা শৰণ।। ইত্যাদি।

কৃষ্ণ-গোপীৰ ৰাসলীলা তত্ত্বৰ বৰ্ণনা শুনি পৰীক্ষিতৰ মনত শংকা উপজিছিল। তেওঁ ঈশ্বৰ হৈ কিয় পৰকীয়া পত্নীৰ লগত ক্ৰীড়া কৰিছিল ইত্যাদি। তাৰ উত্তৰত শুকদেৱে যুক্তি দি পৰীক্ষিতৰ সংশয় দূৰ কৰিছিল। সৰ্বৈশ্বৰ্যশালী ভগৱানক যে পাপে স্পৰ্শ কৰিব নোৱাৰে, তাৰ বহু কাৰণ দেখুৱাইছিল। শিৱই হলাহল বিষ পান কৰিছিল আৰু তাক জীৰ্ণ কৰিব পাৰিছিল। কিন্তু তাকে দেখি আনে বিষ পান কৰিলে 'সিজন জানা মৰি যায় প্ৰাণে'। সেই প্ৰসংগতে মূলত নথকা অথচ শ্ৰীধৰ স্বামীৰ টীকাত উল্লেখ থকা এটি উদাহৰণ গুৰুজনে পদত দেখুৱাইছে। স্বামী টীকাৰ বৰ্ণনা এনেধৰণৰ 'সাহসঞ্চ দৃষ্টং প্ৰজাপতীন্দ্ৰ সোমবিশ্বামিত্ৰদীনা তচ্চ তেষাং তেজস্বিনাং দোষায় ন ভৱতীতি' ১০/৩৩/২৯)। গুৰুজনে তাৰ ভাঙণি কৰিছে এনেকৈ—

পূৰ্ব্বত ব্ৰহ্মায়ে নিজ দুহিতাক
ৰমিলা উত্তম কামে।
চন্দ্ৰে হৰি নিয়া কৰিলন্ত ক্ৰীড়া
গুৰু ভাৰ্যা তাৰা নামে।।
ইন্দ্ৰে অহল্যাক মেনা অপেস্বৰা
সহিতে কৰিলা ক্ৰীড়া।।
তেজস্বীক কিছু পাতকে নপাৰে
আত কোন দোষ আছে।
যেন সৰ্ব্বভক্ষ্য বহ্নি তথাপিতো
তাঙ্ক কোনজনে বাছে।।

মূল ভাগৱতৰ ১০/৩৩/২৯-৩৯লৈকে মুঠ এঘাৰটি শ্লোকত শুক-পৰীক্ষিতৰ প্ৰশ্নোত্তৰ প্ৰসংগটিত গুৰুজনে স্থান বিশেষে শ্ৰীধৰ স্বামীৰ টীকোক্ত বৰ্ণনা অনুসৰি নানা সংযোগ উদ্ধৃত কৰা তিনিটি শ্লোকৰ অসমীয়া অনুবাদৰ লগত মিলালে দেখা যায় যে গুৰুজনে ইযাতো কিছু সৃষ্টিমূলক বৰ্ণনা দিছে। যেনে— (১০/৩৩/৩৭,৩৮,৩৯)।

(১) শ্ৰীকৃষ্ণৰ মায়াত মোহিত হৈ ব্ৰজবাসীসকলে নিজ নিজ পত্নীসকলক নিজৰ নিজৰ কাষত অৱস্থিত বুলি ভাবি কৃষ্ণৰ প্ৰতি অৱশ্যে কোনো প্ৰকাৰে অসূয়া ভাব প্ৰকাশ নকৰিলে।

(২) ৰাসলীলা কৰি কৰি যেতিয়া নিশাৱসানে ব্ৰহ্মমুহূৰ্ত উপস্থিত হ'ল. তেতিয়া কৃষ্ণই গোপীসকলক নিজ নিজ গৃহলৈ যাবৰ কাৰণে অনুমতি দিয়াত অনিচ্ছা সত্ত্বেও প্ৰেয়সীসকলে নিজৰ গৃহলৈ যাত্ৰা কৰিলে। যিজনে শ্ৰদ্ধাৰে গোপী-গোপালৰ ৰাসলীলা বৃত্তান্ত আৰু তাৰ অন্যান্য লীলা নিৰন্তৰ শ্ৰৱণ কৰে, আৰু বৰ্ণনা কৰে, তেওঁ অবিলম্বে ভগৱানত অচলা ভক্তি লাভ কৰি হৃদয় ৰোগ কামাদি দুৰ্বাসনা শীঘ্ৰে পৰিত্যাগ কৰে ইত্যাদি।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ—

কৃষ্ণে সমে সবে সমস্ত ৰজনী
ক্ৰীড়ৈ গোপী মোহ হুয়া।
তথাপি গোৱাল সকলে কৃষ্ণক
নকৰৈ কেহো অসূয়া।।
গোকুলৰ গোপ জনৰ মনক
মুহিলে কৃষ্ণৰ মায়া।
হাত বুলাই দেখে শয্যাতে শুতিয়া
কাছে আছৈ নিজ জায়া।।
যশোদায়ে তৈত পুত্ৰক দেখন্ত
শয্যাত আছন্ত শুতি।
আছোক মানুষ যাহাৰ মায়ায়ে
ব্ৰহ্মায়ো ভৈলা বিশ্ৰুতি।।
হেনয় গোবিন্দে গোপীক ক্ৰীড়ন্তে
বঢ়ায়া আতি উৎসব।।

গোপীসকলৰ তৃষ্ণা নপলাই
বাঢ়ে প্ৰীতি নৱ নৱ।।
অনেক ৰজনী একে ৰাত্রি হুই
তথাপি নুপুৰে মন।
কৃষ্ণ অঙ্গ সঙ্গে গোপী নজানয়
যায় যেন অৰ্ধক্ষণ।।
পতি-পুত্ৰ গৃহ সবে পাসৰিল
শৰীৰতে নাহি চিত।
আতি অনুৰাগে গাৱন্ত আনন্দে
গোৱিন্দৰ গুণগীত।
এহিমতে আসি প্ৰভাত হৈবেক
খোজয় দেখি গোপালে।
গাৱে গাৱে মাতি গোপীক বোলন্ত
ব্ৰজক যায়ো সকালে।।
শুনা সখীসব সত্বৰে চলিয়ো
কৰিয়ো কৰুণা মোকে।
আন্ধাৰতে গৈয়া গৃহতে পশিয়ো
যাৱে নতু জানৈ লোকে।।
হেনয় বিপ্ৰিয় বাণী শুনিযেন
মুণ্ডত ভাগৈ কলস।
কৃষ্ণৰ বচনে চলৈ কথমপি
মনত নাহি সৰস।।
কৃষ্ণৰ লগতে থাকৈ প্ৰাণচিত্ত
শৰীৰ সৱেসে যায়।
হাট কোট মাত্ৰ নিশ্বাস তেজয়
পালটি কৃষ্ণক চাই।।
এখনে পাপিনী পুহালি ৰজনী
আমাসাক হিংসা কৰি।
নিশাক শপন্তে যায় গোপীগণ
আগক নবাঢ়ে ভৰি।।

এহি মতে গৈয়া গোপিনী গৃহতে
কৃষ্ণকে থাকৈ ধিয়াই।
প্ৰাণতো অধিক বন্ধুৰ বিৰহ
ক্ষণে যেন যুগ যাই।।
মহা মন দুখে দিনসব বঞ্চে
নৰহে গোপীৰ প্ৰাণ।
ৰাত্ৰি ভৈলে কৃষ্ণে দুনাই বৃন্দাবনে
বংশীৰ দেন্ত নিসান।।
তাক শুনি সবে সাজি মুঞ্জি কৰি
চলৈ পুনু গোপী মেলি।
কৃষ্ণক দেখিয়া দুনাই জুৰাই হিয়া
পূৰ্ব্বৱতে কৰৈ কেলি।।
এহি মতে সবে শৰৎ কালৰ
ৰাত্ৰিত কৰিয়া ক্ৰীড়া।
ভকত বৎসল গুচাইলা সকল
গোপিকাৰ কাম পীড়া।।
গোপী গোপালৰ কাম কেলি ইটো
শুনে ভনৈ যিটোজনে।
কামকো জিনিবে অল্পতে বাঢ়িবে
ভকতি কৃষ্ণ চৰণে।। ইত্যাদি।

।। ৰাসলীলা সমাপ্ত।।

(৩) আদ্য দশম ঃ বিদ্যাধৰ মুক্তি, শঙ্খচূড়, অৰিষ্ট, কেশী বধ, গোপী গীত

আদ্য দশমৰ ৰাসক্ৰীড়াৰ পিছত চৌত্ৰিশ অধ্যায়ৰ শ্লোক সংখ্যা বত্ৰিশ। ইয়াৰে আটাইকেইটি শ্লোকৰ অনুবাদ সম্পূৰ্ণ কৰা হৈছে আৰু ইয়াৰ মাজত গুৰুজনাৰ সৃষ্টিশীল ৰূপো আছে। অধ্যায়টিৰ কাহিনী সুদৰ্শন বিদ্যাধৰৰ মুক্তি, কৃষ্ণ বলৰামৰ ৰাসক্ৰীড়া আৰু শঙ্খচূড় যক্ষ নিধন। উক্ত সুদৰ্শন বিদ্যাধৰৰ মুক্তি বিষয়টিত মাজে মাজে স্থান বিশেষে সামান্য মাত্ৰ শব্দ আৰু অধিক বাক্য সংযোজিত হৈছে। কৃষ্ণ বলৰামৰ ৰাসক্ৰীড়া বিষয়টি উক্ত অধ্যায়ৰ ২০-৩২ শ্লোকলৈকে সৰ্বমুঠ তেৰটি শ্লোকতে সম্পূৰ্ণ কৰা হৈছে। তাতে শংখচূড় যক্ষ বধৰ বৰ্ণনাও কৰা হৈছে। ইয়াতে গুৰুজনাই অলপ সৃষ্টিমূলক বৰ্ণনাও কৰিছে। ইয়াৰে একৈশ, বাইশ, তেইশ আৰু চৌব্বিশ সংখ্যাৰ শ্লোক চাৰিটিৰ আধাৰতে গুৰুজনে কেনেকৈ বৰ্ণনা দিছে, তাৰে চাৰিটি অসমীয়া ৰূপ প্ৰকাশ কৰা হ'ল (১০/৩৪/২১—২৪)

১। পৰস্পৰ বন্ধুত্বসুলভাদিৰে ললিত স্বৰে গীত গাই অভিনন্দিত মনোহৰ অলংকাৰ আৰু মাল্য বিভূষিত, চন্দনানু লিংগদেহ আৰু নিৰ্মল বস্ত্ৰ পৰিহিত কৃষ্ণ-বলৰামে বিহাৰ কৰিবলৈ ধৰিলে।

২। মল্লিকা পুষ্প পৰিমল মত্ত ভ্ৰমৰসকলৰ দ্বাৰা পৰিসেৱিত, কুমুদগন্ধযুক্ত সমীৰণ সমন্বিত, সমুদিত চন্দ্ৰ আৰু তাৰকাযুক্ত প্ৰাতঃকালৰ প্ৰশংসা কৰি কৰি কৃষ্ণ বলৰামে বিহাৰ কৰিবলৈ ধৰিলে।

৩। স্বৰ মূৰ্চ্ছনা একেলগে প্ৰকাশ কৰি কৃষ্ণ বলৰামে সমস্ত প্ৰাণীৰ কৰ্ণ আৰু মন সুখকৰ সংগীত গাবলৈ ধৰিলে।

৪। হে ৰাজন! কৃষ্ণ-বলৰামৰ সেই সংগীত শ্ৰৱণ কৰি গোপীসকল মূৰ্চ্ছা যোৱাত দেহৰ পৰা বস্ত্ৰ খহি পৰিছিল আৰু চুলিৰ পৰা পুষ্পমালা সৰি পৰিছিল। কিন্তু তেওঁলোকে সেই কথা জনা নাছিল।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

সুগন্ধ চন্দনে দুয়ো দেহা প্ৰকাশন্তি।
আপাদলম্বিত গলে জ্বলে বৈজয়ন্তী।।
নীল পীতবস্ত্ৰে তনু দুইহানো শোভিত।
কঙ্কণ কেয়ূৰ হাৰ কুণ্ডলে মণ্ডিত।।
গোপীসবো বিভূষিত বসনে ভূষণে।
মহা প্ৰেমভাৱে গাৱে অনুৰাগে মনে।।
ৰাম গোবিন্দৰ শিশুলীলাৰ চৰিত্ৰ।
বেঢ়িয়া দোভাইকো গাৱে গীত সুললিত।।
নিৰ্ম্মল ৰজনী তাৰা চন্দ্ৰমা উদয়।
কুমুদ কমল বায়ু বাসে অতিশয়।।
পুষ্পক সুৰভি আমোদিত আতি কৰে।
গুঞ্জৰে অনেক তৈত মত্ত মধুকৰে।।
নিশাক প্ৰশংসি ৰাম কৃষ্ণ মহাভাগ।
দুয়ো গীত গাৱন্ত পঞ্চম উচ্চাই ৰাগ।।
কোকিলতো অধিক সুস্বৰ শুনি নাদ।
সমস্ত প্ৰাণীৰ মন কৰ্ণৰ উন্মাদ।।
বৃক্ষসবো মঞ্জৰিল পুলকিত গাৱ।
শুনি পশু পক্ষীৰো উপজৈ প্ৰেমভাৱ।।
ধাৰায়ে লোতক পৰৈ তনু ৰোমাঞ্চিত।
ওপৰক তুলি কৰ্ণ শুনি থাকে গীত।।
পৰম মোহন গোবিন্দৰ গীত ধ্বনি।
যত ব্ৰজ যুৱতী আকুল ভৈল শুনি।।
নাই মাত বোল কাম বাণে যায় মূছ।
সোলকয় কাঞ্চলি বেকত উচ্চ কুচ।।
শিথিল মেখলা খোপা খসি পৰৈ ফুল।
হৰিল চেতন মন মদনে আকুল।।
পৰয় বলয়া হাৰ বস্ত্ৰো নসম্বৰে।
কৃষ্ণতেসে চিত শৰীৰকো নুসুমৰে।।
উপজয় প্ৰেম কামে মন নুহি থিৰ।

মহা যোগী যেন মৌন হুয়া গোপীজাকে।
কৃষ্ণ পদ পঙ্কজ হৃদয়ে ধৰি থাকে।।
এহিমতে ৰাম কৃষ্ণ সঙ্গে গোপী মেলি।
পৰম আনন্দে বৃন্দাবনে কৰে কেলি।।
মহামদে মত্ত যেন দোগোটা মাতঙ্গে।
হস্তিনী সহিতে যেন কৰে লীলা ৰঙ্গে।।

শ্ৰীকৃষ্ণই শংখচূড় যক্ষক নিধন কৰি তাৰ মস্তকস্থিত চূড়ামণি লৈ বলৰামক প্ৰদান কৰাৰ পিছত সেই অধ্যায়ৰ বৰ্ণনা সিমানতে শেষ কৰা হৈছে (১০/৩৪/৩১,৩২)। কিন্তু ইয়াত গুৰুজনাই অকণমান বহলাইছে। যেনে—

লীলায়ে গোপালে দক্ষ ৰক্ষ যক্ষ জিনি।
জ্যেষ্ঠ বলদেৱক দিলন্ত সিটো মণি।।
বলভদ্ৰো অনেক কৰিলা সাধুৰ্ব্বাদ।
গোপী সমস্তৰ মনে মিলিল আহ্লাদ।।
পূজিলা কৃষ্ণক সবে সাবটি হৰিষে।
চম্পক মালতী যূতি সেৱতী শিৰীষে।।
ধন্য ধন্য কৃষ্ণ তুমি কুলৰ নন্দন।
বাহুত ঘষন্ত আনি অগৰু চন্দন।।
সাধু সাধু কৰিলা দুষ্কৰ ইটো কাম।
আঞ্চলে বিঞ্চয় কতো মলচিয়া ঘাম।।
যোগাৱে তাম্বুল বুলি প্ৰশংসা বচন।
কঙ্কালত জান্তে কতো মৰ্দ্দয় চৰণ।।
এহিমতে শৰৎ কালৰ যত ৰাতি।
ব্ৰজবধূ সঙ্গে ৰঙ্গে ক্ৰীড়িলন্ত আতি।।
গোপীসবো কৰে কেলি কেশৱক লই।
আনন্দতে নজানৈ ৰজনী যায় বই।।
কুকুৰা আৰাৱ কৰৈ তাকো পাৰে গালি।
নিশাকো কোপত শপৈ এখনে পুহালি।।
কৃষ্ণৰ বচনে চলৈ গৃহক আসুখে।
বঞ্চৈ দিনে দণ্ড যেন যুগ যায় দুখে।।

পঁয়ত্ৰিশ অধ্যায়ৰ চাব্বিশটি শ্লোকৰ এটিও বাদ নেপৰাকৈ আৰু স্থান বিশেষে দুই-এঠাইত ৰস সঞ্চাৰ কৰি গুৰুজনে পদখিনি ৰচনা কৰিছে। ছয়ত্ৰিশ অধ্যায়ৰ শ্লোক সংখ্যা চল্লিশ। ইয়ৰে আটাইকেইটিৰে অনুবাদ কৰা হৈছে। ইয়াত অৰিষ্টাসুৰ বধ, কংসৰ ওচৰলৈ নাৰদৰ আগমন, কংসৰ ভাৱ, অক্ৰুৰক গোকুললৈ প্ৰেৰণ ইত্যাদি বিষয় প্ৰকাশ পাইছে। নাৰদৰ কথাত কংস ক্ৰোধান্বিত হৈ বসুদেৱক কাটিবলৈ উদ্যত হওঁতে নাৰদে কংসক এটি পৰামৰ্শ দি তাৰ পৰা নিবাৰিত কৰিছিল। উনৈশ সংখ্যক শ্লোকত থকা— 'নিবাৰিতো নাৰদেন' এই সূত্ৰৰ আধাৰত শ্ৰীধৰ স্বামীৰ টীকাৰ 'হতে বসুদেৱে তৌ পলায়েতাম্ অতো নবধ্য ইতি মন্ত্ৰং বদতা নাৰদেন নিবাৰিত ইতি' ব্যাখ্যাৰ আঁত ধৰি গুৰুজনে লিখিছে এনেকৈ। যেনে—

দেখিয়া নাৰদ তাক নিবাৰিলা তথা।
কাণচি বোলন্ত কংস শুনা গোপ্য কথা।।
এৰ বসুদেৱক সম্প্ৰতি তই ৰাগ।
পিতৃ হত শুনি দুয়ো নেদিবন্ত লাগ।।
মাৰ ৰাম কৃষ্ণক সত্বৰ কৰি আগে।
পাছে বসুদেৱক কৰিবি যেহি লাগে।।

পূৰ্বোক্ত শ্ৰীধৰ স্বামীটীকোক্ত অনুসৰি গুৰুজনে উক্ত পদখিনি ৰচনা কৰিলেও টীকাৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীলো হোৱা নাই। উক্ত "হতে বসুদেৱে" বাক্যটিৰ সম্পূৰ্ণ অৰ্থ হ'ল বসুদেৱ যদি নিহত হয়, তেন্তে ৰাম কৃষ্ণ দুয়োজন পলায়ন কৰিব বা আত্ম গোপন কৰিব। সেইকাৰণে তেওঁক মাৰিব নালাগে এই গোপনীয় মন্ত্ৰণা দি নাৰদে বাধা দিলে। ইত্যাদি। ইয়াতো গুৰুজনাৰ হস্ত পৰশ পৰি ৰস সঞ্চাৰ হোৱা দেখা যায়।

সাতত্ৰিশ অধ্যায়ৰ শ্লোক সংখ্যা তেত্ৰিশ। এই অধ্যায়ৰ সমস্ত শ্লোকৰ অনুবাদ হৈছে। ইয়াত আছে অশ্বাকৃতি কেশি দৈত্য বধ, কৃষ্ণৰ ওচৰলৈ নাৰদৰ আগমন আৰু কৃষ্ণৰ ভৱিষ্যলীলা প্ৰকাশৰ ইংগিত প্ৰদান, কৃষ্ণৰ বৃন্দাবন লীলাৰ মাজত ব্যোমাসুৰৰ আগমন আৰু অসুৰক নিধন আৰু অন্যান্য প্ৰসংগত ইয়াৰ মাজত নিহিত আছে। গুৰুজনাই ইয়াতো ৰস সঞ্চাৰ কৰিছে।

অধ্যায়টিৰ প্ৰথম শ্লোকৰ পিছতে প্ৰকাশিত ভাগৱত সম্পাদকীয়

টোকাটিত প্ৰক্ষিপ্ত বা অতিৰিক্ত শ্লোক এটিৰ অৱতাৰণা কৰা হৈছে। সেই শ্লোকটি হ'ল—

বিশাল নেত্ৰো বিকটাস্য কোটৰো বৃহৎ গলোনীল মহাম্বুদোপসঃ।
দুৰাশয়ঃ কংসহিতং চিকীৰ্ষুৰ্ব্ৰজং স নন্দস্য জগাম কম্পয়ন্।।

অৰ্থাৎ সেই বৃহৎ গল বিশিষ্ট বিকট মুখ গহ্বৰযুক্ত বিশাল চক্ষু দুৰাত্মা কেশী কংসৰ মনোভিলাষ পূৰ্ণ কৰিবৰ কাৰণে নন্দৰাজৰ ব্ৰজধাম কম্পিত কৰি তাত প্ৰৱেশ কৰিলেহি। পূৰ্বোক্ত শ্লোটি শ্ৰীধৰ স্বামীয়ে টীকাত গ্ৰহণ কৰা নাই আৰু ভাগৱতৰ অধ্যায়ৰ সংখ্যাতো যোগ নাই। অথচ গুৰুজনাৰ ৰচনাত উক্ত শ্লোকটিয়ে ঠাই পাইছে। গুৰুজনাৰ পদত এনেকৈ পোৱা যায়। যেনে—

বিকট দশন তবধ নয়ন
বৃহত গল উচাই।
খেদিয়া আসয় কেশীয় দানৱ
গোকুল কোপে কম্পাই।।
বিকট দশন প্ৰকটি চিহঁৰৈ
প্ৰচণ্ড দৈত্য উদণ্ড।
মহা ভয়ংকৰ প্ৰলয় কালৰ
যেন ঘোৰ মেঘখণ্ড।।
যত গোপ গোপী থৰতে কম্পাইল
দুষ্ট কংস হিতকাৰী।
গোকুলত পশি অসুৰ নিস্খল
কৃষ্ণক চাবৈ বিচাৰি।। ইত্যাদি।

কৃষ্ণক কেশীৰ আক্ৰমণ আৰু কৃষ্ণৰ প্ৰত্যাক্ৰমণ বিষয়ত গুৰুজনাই কিঞ্চিৎ ৰস সঞ্চাৰ কৰি এনেকৈ লিখিছে। যেনে—

গোবিন্দ দেখন্ত কেশীৰ ভয়ত
গোকুল হোৱৈ উচ্ছন্ন।
পীত বস্ত্ৰ তুলি কটিত বান্ধিলা
যুদ্ধক ভৈলা শমন।।

আকুঞ্চিত চুলি তুলিয়া মেহ্লাইলা
বাহুত মাৰিয়া জাম্ফি।
আইস অৰে কেশী বুলি ডাক দিয়া
অসুৰক গৈলা হাম্ফি।।
গৰু গোৱালক কেনে দৰাৱস
শুনৰে দৈত্য অবোধ।
যতেক শকতি আছে আৱে আসি
কেশী মোক দেহ যুদ্ধ।।
কাহাৰ আগত কৃষ্ণৰ লটক
আণ্টা নতু পাস মোৰ।
হেন শুনি কেশী মত্ত সিংহে যেন
তেজিলেক নাদ ঘোৰ।।

কেশী বধৰ পিছত কৃষ্ণৰ ওচৰলৈ নাৰদৰ আগমন হ'ল। ইয়াৰ পূৰ্বতে নাৰদে কংসৰ ওচৰলৈ গৈ এটি কুমন্ত্ৰণা দি আহিছিল আৰু এইবাৰ তেওঁ কৃষ্ণক ভৱিষ্যৎ কাৰ্যৰ কিছু সন্ধান আৰু ইংগিত দিছে। প্ৰথমতে নাৰদে কৃষ্ণক প্ৰণতি জনাইছে আৰু কৃষ্ণই কি কি অদ্ভুত কাৰ্য সম্পাদন কৰিব, তাৰ সম্ভেদ দি স্তুতিসহ চৈধ্যটি শ্লোকত সামৰিছে। কিন্তু গুৰুজনে এই প্ৰসংগতে কষ্ণলীলাৰ অধিক বৰ্ণনা বহল কৰিছে। আমি তলত শ্লোকৰ অসমীয়া অনুবাদ তুলি দিছো।

১। হে কৃষ্ণ, হে কৃষ্ণ, হে অপৰিচ্ছিন্ন, হে অচিন্ত্য প্ৰভাৱশালী, হে বিশ্ব নিয়ন্তা, হে বাসুদেৱ, হে সৰ্বাশ্ৰয়, হে সাত্বত শ্ৰেষ্ঠ, হে প্ৰভু।
২। তুমি সৰ্বপ্ৰাণীৰ একমাত্ৰ পৰমাত্মা, তুমি জীৱসমূহৰ হৃদয় গুহাত বিদ্যমান, তুমি কাষ্ঠত থকা অগ্নিৰ দৰে অদৃশ্য, তুমি সৰ্বসাক্ষী মহাপুৰুষ আৰু ঈশ্বৰ।
৩। তুমি আত্মাৰ আশ্ৰয়, মহদাদি গুণসমূহৰ সৃষ্টিকৰ্তা, তুমি সত্য সংকুল ঈশ্বৰ, তুমি ত্ৰিগুণ বিধানেৰে বিশ্বৰ সৃষ্টি, স্থিতি, লয় সমাধা কৰিছা।
৪। তুমি ভক্তি বিৰোধী ৰাজন্যবৰ্গক আৰু দৈত্য ৰাক্ষসসকলৰ বিনাশৰ কাৰণে তথা ভক্তি প্ৰবৰ্তক সাধুসকলৰ ৰক্ষাৰ কাৰণে পৃথিৱীত অৱতীৰ্ণ হৈছা।

৫। নিমেষাদিকালহীন দেৱসকলে যাৰ হ্ৰেষণি ধ্বনি শুনি ভীত হৈ স্বৰ্গৰ পৰা পলায়ন কৰিছিল, সেই অশ্বাকৃতি দৈত্য কেশীক তুমি অৱলীলাক্ৰমে বধ কৰিলা। এয়া সকলোৰে কাৰণে সৌভাগ্যৰ কথা।

৬। হে প্ৰভু, পৰসিলৈ চানুৰ, মুষ্টিক আৰু অন্যান্য মল্লবীৰসকলক, কুবলয় হস্তী আৰু কংসাদি বৈৰীসকলক তুমি বিনাশ কৰিবা। আমি সেই লীলা দৰ্শন কৰিম।

৭। কংস বধৰ পিছত শংখ, যৱন, মুৰ আৰু নৰকাসুৰৰ বিনাশ আৰু পাৰিজাত হৰণকালত ইন্দ্ৰৰ পৰাজয় দৰ্শন কৰিম।

৮। হে জগতপতি, দ্বাৰকাত ৰুক্মিণী প্ৰভৃতি বীৰ কন্যাসকলৰ লগত বিবাহ, নৃগৰাজৰ পাপ মুক্তি প্ৰভৃতি দৰ্শন কৰিম।

৯। ভাৰ্যা জাম্বৱতী আৰু সত্যভামাৰ সহিত স্যমন্তক মণিগ্ৰহণ, নিজ ধাম মহাকালপুৰৰ পৰা মৃত পুত্ৰ আনয়ন আৰু বিপ্ৰক প্ৰদান আদিও দৰ্শন কৰিম।

১০। পৌণ্ড্ৰক বধ, কাশিপুৰী দাহন, দন্তবক্ৰ, শিশুপাল (ৰাজসূয় যজ্ঞত) নিধন দৰ্শন কৰিম।

১১। তুমি দ্বাৰকাত বাস কৰি পৃথিৱীত ব্যাসাদি কবিসকলে প্ৰকাশ কৰা বীৰত্ব প্ৰকাশক বিষয় আমি দৰ্শন কৰিম।

১২। হে পাণ্ডৱ সাৰথি, তুমি কালৰূপী আৰু বিশ্বভাৰ হৰণকাৰী। গতিকে ইয়াৰ পিছত আমি তোমাৰ অক্ষৌহিণী সেনাৰ বিনাশৰ লীলা দৰ্শন কৰিম।

১৩। তুমি বিশুদ্ধ বিজ্ঞানঘনময়, সেয়ে তোমাৰ নিজৰ বিশিষ্ট স্থিতিৰ দ্বাৰা সৰ্বাৰ্থসিদ্ধি কৰি থাকা। তোমাৰ অভিলাষ অমোঘ। তুমি নিজ শক্তি প্ৰভাৱত মায়িক গুণক অতিক্ৰম কৰি ৰাখা। গতিকে হে ভগৱান, তোমাক প্ৰণাম কৰিছো।

১৪। তুমি সকলোকে বশীভূত কৰি থাকা কাৰণে ঈশ্বৰ নামেৰে অভিহিত। তুমি সকলোৰে আশ্ৰয়। তুমি নিজৰ অধীন মায়াক আশ্ৰয় কৰি কাল্পনিক বিশ্ব প্ৰকাশ কৰিছা। বৰ্তমান লীলা প্ৰকাশৰ কাৰণেই এই মানৱদেহ ধাৰণ কৰিছা। তুমি যদুকুল, বৃষ্ণিকুল আৰু সাত্বত কুলৰ প্ৰধান। হে ভগৱান, তোমাক প্ৰমাণ কৰিছো।

গুৰুজনে অনুবাদ কৰা আৰু সৃষ্টিমূলক বৰ্ণনা কৰা পদখিনি তলত উদ্ধৃত কৰা হ'ল—

জগতৰ সুহৃদ নাৰদ ভাগৱত।
কৃষ্ণক কৰিলা স্তুতি নিৰ্জ্জন থানত।।
হে কৃষ্ণ কৃষ্ণ ঈশ্বৰৰো ঈশ তুমি।
দৈত্যক সংহাৰি প্ৰভু উদ্ধাৰিবা ভূমি।।
অনুৰূপে জগতকে কৰা প্ৰতিপাল।
নুহি পৰিচ্ছিন্ন ৰূপ তোমাৰ গোপাল।।
জগততে আছা তুমি অচিন্ত্য স্বভাৱ।
জগতো তোমাতে আছে নজানি প্ৰভাৱ।।
একে আত্মা ব্যাপি আছা সমস্ত জগতে।
যেন এক হুতাশন সমস্ত কাষ্ঠতে।।
আছা অন্তৰ্য্যামী জগততে গূঢ় ভাৱে।
তথাপিতো অভকতে তোমাক নপাৱে।।
যিহেতু হিয়াত আছা কৃষ্ণ কৃপাময়।
তাতেসে সমস্তে জড় জীৱ প্ৰৱৰ্ত্তন।।
যদ্যাপি তোমাত কৰি জীৱ নুহি ভিন্ন।
তথাপিতো ভৈলা প্ৰভু তোমাৰ অধীন।।
মায়া দ্বাৰে স্ৰজাহা যতেক গুণচয়।
সেহি গুণ লৈয়া কৰা সৃষ্টি স্থিতি লয়।।
ইচ্ছা মাত্ৰে হোৱে সিদ্ধি সৃষ্টি নিৰন্তৰ।
এতেকেসে বোলো প্ৰভু তুমিসে ঈশ্বৰ।
ৰাজা হুয়া আছে যত ৰাক্ষস দানৱ।
তযু ভকতক কৰৈ মহাপৰাভৱ।।
তাক মাৰি সংহাৰিবা পৃথিৱীৰ ভাৰ।
এহিসে কাৰণে তুমি ভৈলা অৱতাৰ।।
হুয়ৰূপী কেশী ইটো দৈত্য মহামন্দ।
তাক আজি মাৰি কিনো সাধিলা আনন্দ।।
যাহাৰ হ্ৰেষণি শুনি হুয়া মহাভয়।
স্বৰ্গ এৰি পলাই ডৰে যত দেৱচয়।।

শুনা প্ৰভু আজি আসি পাইবন্ত অক্ৰূৰ।
ৰজনী প্ৰভাতে কালি যাইবা মধুপুৰ।।
ধোবাক বধিবা ধনু ভাঙ্গিবা ৰাজাৰ।
পাইবেক প্ৰসাদ কালি কুব্জী মালাকাৰ।।
পৰশুই প্ৰথমে মাৰিবা কুবলয়।
চানুৰ প্ৰমুখ্য কৰি মালৰ প্ৰলয়।।
কংসকো বধিবা চুলে ধৰিয়া আক্ৰোশি।
তোমাৰ ঈশ্বৰ লীলা দেখিবো হৰিষি।।
বসুদেৱ দৈৱকীৰো সাধিবা মুকুতি।
তথাতে পাতিবা উগ্ৰসেনক নৃপতি।।
সান্দিপনি গুৰু গৃহে পঢ়িবা শাস্ত্ৰক।
পাঞ্চজন্য মাৰি দিবা মৃতক পুত্ৰক।।
সমৰে মাৰিবা মগধৰ সেনা যত।
মৰাইবা যৱন মুচুকুন্দৰ হাতত।।
কৰিবেক স্তুতি মুচুকুঙ্গ মহাৰাজে।
নিৰ্মিবা দ্বাৰাকাপুৰী পয়োনিধি মাজে।।
ৰুক্মিণীক হৰি তুমি আনিবা প্ৰথমে।
অষ্ট মহিষীক বিহা পাইবা অনুক্ৰমে।।
মূৰ নৰকৰ বধ কৰি অনন্তৰে।
দিবাহা কুণ্ডল অদিতিক তাত পৰে।।
ভাৰ্য্যাৰ বচনে হৰিবাহা পাৰিজাত।
যুদ্ধত পলাইব ইন্দ্ৰ দেখিবো সাক্ষাত।।
ষোড়শ সহস্ৰ কন্যা আনি ভিনে ভিনে।
কৰিবা বিবাহ হৰি তুমি একদিনে।।
ৰুক্মিণীক কৰিবাহা প্ৰেমে পৰিহাস।
হৈৱন্ত ভয়তে দেৱী প্ৰাণতো নৈৰাশ।।
চতুৰ্ভুজ হুয়া তুমি তাঙ্ক আঙ্কোৱালি।
ৰুক্মিণীক আশ্বাস কৰিবা বনমালী।।
বহুবিধ কৰি লীলা জগতৰ নাহে।
মৰাইবা ৰুক্মক অনিৰুদ্ধৰ বিবাহে।।

বানক ৰাখিবে লাগি যুজিবন্ত হৰে।
মহেশকো মুহিবাহা বিজৃম্ভন শৰে।।
চক্ৰধৰি খেদি যায় বাৰাণসী স্থান।
সুদৰ্শিণ পৌণ্ড্ৰকৰ তুমি লৈবা প্ৰাণ।।
তযু পুত্ৰ নাতিসব হৈবেক অনেক।
তোমাৰ গৃহস্থ ধৰ্ম দেখিকে প্ৰত্যেক।।
ভকতৰ হেতু তুমি কৰিয়া প্ৰবন্ধ।
ভীমৰ হাতত মৰাইবাহা জৰাসন্ধ।।
মেলাইবাহা পৰম ভকত ৰাজাচয়।
নিজৰূপে দিবা দেখা তুমি কৃপাময়।।
কৰাইবাহা ৰাজসূয় পাণ্ডৱ ৰাজাক।
শিশুপালে নিন্দা বাণী বুলিবে তোমাক।।
তাৰো শিৰ কাটিবা কেশৱে কৰি ক্ৰোধ।
কুৰু পাণ্ডৱৰ ঘোৰ লগাইবা বিৰোধ।।
তোমাক সাৰথি আসি বৰিবা অৰ্জ্জুনৈ।
অষ্টাদশ অক্ষৌহিনী মৰাইবা আপুনে।।
সৌভকো-ভাঙ্গিবা খঙ্গে খেপি নিজ চক্ৰ।
বধিবাহা শাল্ব বিদুৰথ দণ্ডবক্ৰ।।
গ্ৰহণত যাইবা কুৰুক্ষেত্ৰক মাধৱ।
কৰাইবা পিতৃৰ মহা যজ্ঞ মহোৎসৱ।।
নন্দ যশোদাক মান্য কৰিবা একান্ত।
জ্ঞানদানে গোপীকো কৰিবা উপশান্ত।।
পিতৃত কহিবা হৰি তুমি মহাজ্ঞান।
মৃতক পুত্ৰক দৈৱকীক দিবা দান।।
অৰ্জ্জুনক আনি বিহা দিবা সুভদ্ৰাক।
ভক্তক দেখিবে প্ৰভু যাইবা মিথিলাক।।
শ্ৰুত দেৱজনকৰ পূৰি মনোৰথ।
যাইবা উদ্দেশি প্ৰেম ভকতিৰ পথ।।
দিবাহা মাতৃক যত মৃতক কুমাৰ।
কৰিবা সাফল অৰ্জ্জুনৰ অঙ্গীকাৰ।।

কৰিবা গোবিন্দে নৃগ নৃপক উদ্ধাৰ।
লীলায়ে হৰিবা পৃথিৱীৰ মহাভাৰ।
যত যত লীলা আচৰিবা দ্বাৰকাত।
সমস্তে দেখিবো নাথ থাকিয়া তথাত।।
এতেক বোলন্তে ঋষি কৃষ্ণৰ আগতে।
উপজিলা ভকতি পৰিলা দণ্ডৱতে।।
প্ৰণামো আনন্দ মূৰ্ত্তি তুমি পূৰ্ণকাম।
মায়াৰ ঈশ্বৰ কৰো চৰণে প্ৰণাম।।
নমো নমো ঈশ্বৰ জগতে বশ্য যাৰ।
অধীন মায়ায়ে স্ৰজৈ কল্পনা সংসাৰ।।
ক্ৰীড়াৰ নিমিত্তে ধৰা মনুষ্য আকৃতি।
যদু কুল শ্ৰেষ্ঠ কৰো তোমাক প্ৰণতি।।
এহিমতে কৰিলন্ত অনেক ভকতি।
হাসিয়া গোবিন্দে তাঙ্ক দিলা অনুমতি।।
কৃষ্ণ দৰশনে পায়া পৰম সম্পদ।
কৃষ্ণ গুণ গায়া চলি গৈলন্ত নাৰদ।।

নাৰদৰ কৃষ্ণস্তুতি আৰু ভবিষ্যত লীলাৰ সম্ভেদ বৰ্ণনাৰ পিছতে ভাগৱতে নটি শ্লোকত (১০/৩৭/২৫-৩৩) তাৰ পিছৰ কাহিনী বৰ্ণনা কৰিছে। এই শ্লোককেইটিত ব্যোমাসুৰ নিধনৰ বৰ্ণনা কৰা হৈছে। তলত শ্লোককেইটিৰ অসমীয়া ৰূপ প্ৰকাশ কৰা হ'ল।

১। ইফালে ব্ৰজবাসীসকলৰ সুখদায়ক ভগৱান শ্ৰীকৃষ্ণই কেশীক বধ কৰি আনন্দেৰে গোপ বালক সহিত গোচাৰণ কৰিবলৈ ধৰিলে।

২। এদিনাখন গোপবালকসকলে গোবৰ্দ্ধন পৰ্বতৰ ওচৰত গোচাৰণ কৰি কৰি চোৰ আৰু পশু পালকৰ অভিনয় সহকাৰে খেলা কৰি আছিল।

৩। হে ৰাজন! তাত কোনোৱে চোৰ, কোনোৱে পালক, কোনোৱে ছাগ পশুৰ আচৰণৰ অনুকৰণ কৰি নিৰ্ভয় মনেৰে তাত ক্ৰীড়া মগ্ন হৈ আছিল।

৪। সেই সময়তে মায়াবী ময়দানৱ পুত্ৰ ব্যোমাসুৰে গোপ বালকৰ বেশ ধৰি নিজেই চোৰ সাজি ছাগ অভিনয়কাৰী ভালেখিনি গোপ বালকক অপহৰণ কৰি লৈ যাবলৈ ধৰিলে।

৫। সেই অসুৰে অনুক্ৰমে অপহৃত বালকসকলক পৰ্বত গুহাৰ মাজত স্থাপন কৰি শিলেৰে ঢাকি থলে। এনেকৈ নিওঁতে নিওঁতে সেই ছাগৰূপী গোপ বালক চাৰি পাঁচটিমানহে অৱশিষ্ট ৰ'লগৈ।

৬। ইফালে সৰ্বশ্ৰেয় ভগৱানে দুৰাত্মা ব্যোমাসুৰৰ সেই কাৰ্য্যৰ কথা জানিব পাৰি, সি যেনেকৈ গোপ বালকক হৰণ কৰি লৈ গৈছিল সিংহই যেনেকৈ শৃগালক আক্ৰমণ কৰে, সেইদৰে দুৰাত্মা অসুৰক শক্তি প্ৰভাবেৰে কৃষ্ণই আক্ৰমণ কৰিলে।

৭। তেতিয়া বলবান সেই দানবে কৃষ্ণৰ হাতৰ পৰা এৰাবলৈ চেষ্টা কৰি পৰ্বত তুল্য ভয়ঙ্কৰ মূৰ্ত্তি ধাৰণ কৰিও কৃতকাৰ্য হ'ব নোৱাৰিলে।

৮। ভগবান অচ্যুতে বাহুৰ দ্বাৰা অসুৰক ধৰি ভূমিত পেলাই দিলে আৰু পশু বধৰ প্ৰথা অনুসৰি তেওঁ অসুৰক বধ কৰিলে। আকাশৰ দেৱতাসকলে কৃষ্ণৰ সেই অদ্ভুত কাৰ্য দৰ্শন কৰিবলৈ ধৰিলে।

৯। ইয়াৰ পিছত সেই গিৰি গুহাৰ আৱৰণ ভেদ কৰি কৃষ্ণই গোপ বালকসকলক তাৰ পৰা উদ্ধাৰ কৰিলে আৰু দেৱতাসকলৰ দ্বাৰা প্ৰশংসিত হৈ কৃষ্ণই গোকুলত প্ৰবেশ কৰিলে।

গুৰুজনাই অনুবাদ কৰিছে এনেদৰে ঃ

কৰিলন্ত কৃষ্ণে কেশী বধ প্ৰভাতত।
সেহি দিনা নাৰদো নমিলা নিৰ্য্যাণত।
ভকতৰ বচনক মনে অনুমানি।
ফুৰন্ত হৰিষে গৰু চৰাই চক্ৰপাণি।।
গৰুয়ে চৰৈ চৰি পৰ্বত শিখৰে।
লাগিল কৰিবে ক্ৰীড়া গোপ নিৰন্তৰে।।
কতো চোৰ হোবৈ কতো হোবৈ সদগিৰি।
কতো ভেড়া ছাগ হোবৈ নেই চুৰি কৰি।।
ছেগ চাই চোৰে ফুৰৈ চাপৰি নমাতি।
চোৰ ধৰি কৰৈ গিৰিহঁতে উগ্ৰ শাস্তি।।
কাকুতি কৰন্তে পাছে এৰৈ ধৰি মাৰি।
তাকে চাই চাই কতো হাসৈ ৰিঙ্গ পাৰি।।
এহিমতে ক্ৰীড়ে সৱে পৰম নিৰ্ভয়।

কৃষ্ণৰ প্ৰসাদে অন্তককো নগণয়।।
সেহি বেলা ব্যোম নামে আসিল অসুৰ।
ময়ৰ তনয় দুষ্ট দানৱ দন্দুৰ।।
কংস নৃপতিৰ সিটো পাপী প্ৰিয়তৰ।
কটকটাই আসি ৰঙ্গ দেখি গোৱালৰ।।
ভৈল মন্দমতি গোপৰূপ তাৱক্ষণে।
চোৰৰ লৈলেক লগ দানৱ দুৰ্জ্জনে।।
ভেড়া হুয়া আছে যিটো হুয়া আছে চোৰ।
সবাকো নিলেক চুৰি কৰি দৈত্য ঘোৰ।।
গিৰি গহ্বৰত থৈলা কৰি মহালীলা।
ঢাকিল দুৱাৰ দিয়া ভয়ঙ্কৰ শিলা।।
চোৰক ছাগক নিয়া আণ্টাইল সকলে।
লগাইলেক হাত গিৰিহুততো নিস্থলে।।
জন চাৰি পাঞ্চ মাত্ৰ আছে অৱশেষ।
তেবেসে জানিলা তাৰ নাৰায়ণ।
কৰিলন্ত পাছে তাৰ বধক যতন।।
সেহিবেলা গোৱাল গণক নেই হৰি।
চুম্পি চাম্প দিয়া ৰাখিলন্ত চুল ধৰি।।
ৰাৱ কুকুৰক যেন ধৰিলেক সিংহ।
আউৰ কৈক যাইবি বুলি কৃষ্ণে দিলা ৰিঙ্গ।।
দেখি দৈত্য তেখনে ধৰিলা নিজৰূপ।
নাসা দণ্ড দোগোটা সম্যকে অন্ধকূপ।।
ওলমিল কাণ যেন শগুণৰ পাখি।
প্ৰভাতৰ সূৰ্য্য যেন ৰঙ্গা দুই আখি।।
পৰ্বতৰ শৃঙ্গ যেন দান্ত দুই পালি।
শুখান পুখুৰী যেন পেট আছে খালি।।
শাল বৃক্ষ সমান বৃহত বাহু দুই।
থূলন্তৰ শিৰ তাৰ আছে স্বৰ্গ চুই।।
কাল পৰ্বতেক যেন দেহা ভয়ঙ্কৰ।
দোঙ্গা দুঙ্গি পাৰি বল কটা লৈ কৃষ্ণৰ।।

এৰাইবাক লাগি কৰৈ অনেক আক্ৰান্তি।
ঘাৰত ধৰিলা তাৰ কৃষ্ণে ঝাণ্টি ঝাণ্টি।।
যেন মহা সৰ্পৰাজে ধৰিলা ইন্দুৰ।
চোট পায়া পাৰৈ ৰাৱ দানৱ দন্দুৰ।।
আকাশত থাকি দেৱে দেখে বিপৰীত।
দুই হাতে ধৰি তাক পাৰিলা ভূমিত।।
খাসিৰ আকাৰে তাৰ মোচৰন্ত যাৰ।
মৰিল দানৱ দেৱে দিলেক জোকাৰ।।
চুৰি কৰি থৈল যত গোপ নিৰন্তৰ।
শিলা গুচাই সবাকো আনিলা দামোদৰ।।
আপদ নিস্তৰি কৰৈ ৰঙ্গ আসাৰিশ।
বৰিষয় দেৱে শিৰে চম্পক শিৰীষ।।
গোষ্ঠক লৰিলা আগ কৰিয়া গোধন।
গোপনো কৰি যায় মহিমা কীৰ্ত্তন।।
আকাশত তুতি বুলি যায় দেৱচয়।
দুন্দুভি বজায়া ৰাজ চম্পা সিঞ্চাৰয়।।
গোপগণে উথালয় শিঙ্গা বেনু ৰোলে।
গোপীগণো আসিয়া নয়নে পিয়ৈ ভোলে।।
নকৰৈ নিমেষ আৰ কৃষ্ণ মুখ চাই।
কৃষ্ণো যান্ত আনন্দে মোহন বংশী বাই।।
আগবাঢ়ি যশোদা আলিঙ্গি ধৰৈ গলে।
পুত্ৰ পুত্ৰ বুলি চুম্বৈ নয়ন সজলে।
ধুৱাই খুৱাই চাই মাত্ৰ থাকে পুত্ৰ মুখ।।
মিলৈ হৃদয়ত ব্ৰহ্মানন্দ সম সুখ।।
এহিমতে থাকিলা ব্ৰজক ৰঞ্জি হৰি।

ইয়াৰ পিছৰ আঠত্ৰিশ অধ্যায়ৰ শ্লোক সংখ্যা তিয়াল্লিশ। ইয়াত আছে ব্ৰজলৈ অক্ৰূৰৰ আগমন, কৃষ্ণৰ প্ৰতি অক্ৰূৰৰ ভক্তি বিষয়ৰ বৰ্ণনা কৃষ্ণ বলৰামৰ সম্ভাষণ আদি। আটাই কেইটি শ্লোকৰ অনুবাদ সমাপ্ত কৰা হৈছে আৰু পূৰ্বৰ দৰে মাজে মাজে শ্লোকানুৰূপ অনুবাদ নকৰি নিজৰ ধাৰণাৰে সৃষ্টিমূলক বৰ্ণনা কৰা হৈছে। মাজে মাজে শ্ৰীধৰ স্বামীৰ টীকাৰ অনুসৰণ

কৰা হৈছে (১০/৩৮/৭) এই অধ্যায়টিৰ অনুবাদ গুৰুজনাৰ হস্ত পৰশত এনে প্ৰকাৰে সুসাপন্ন কৰা হ'ল। ঊনচল্লিশ অধ্যায়ৰ শ্লোক সংখ্যা সাতাৱন্নটিৰ ভিতৰৰ আটাইকেইটিৰে অনুবাদ সম্পূৰ্ণ কৰা হৈছে আৰু ইয়াতো শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱ পৰিছে (১০/৩৯/২৭, ৩৫, ৪০)। অক্ৰূৰে গোকুলৰ পৰা শ্ৰীকৃষ্ণক মথুৰালৈ আনিবৰ কাৰণে যাওঁতে গোপীসকলে বিৰহ তাপত তাপিত হৈ কৃষ্ণৰ মথুৰা যাত্ৰাত অমঙ্গল হোৱাৰ কামনা কৰোঁতে মূলৰ (১০/৩৯/২৭) 'প্ৰতিকূলমীহতে' অৰ্থাৎ শ্ৰীধৰ স্বামীয়ে' অকস্মাৎ বজ্ৰপাতো বা ভৱেৎ অন্যথা কিঞ্চি দৰিষ্টং নতুন তৎ কিঞ্চিদস্তীতি" এই সূত্ৰ প্ৰকাশ কৰাত গুৰুজনাই ইয়াৰ অৱলম্বনতে এনেকৈ বৰ্ণনা দিছে। যেনে ঃ

(১) নযায় ভূমিকম্প কিয় নাই বজ্ৰপাত।
হেনবা থাকন্ত কৃষ্ণ দেখি উতপাত।।
নবাধয় হাঞ্চি জেঠী নাই উপচক্ৰ।
জানিলো আমাৰ আৱে বিধি ভৈল বক্ৰ।।

সেইদৰে "আয়াস্যইতি" (১০/৩৯/৩৫) মূলৰ এই উক্তিত শ্ৰীধৰস্বামীয়ে "আয়াস্যে শীঘ্ৰমাগমিষ্যামি" এই ব্যাখ্যা দাঙি ধৰাত গুৰুজনাই নিজৰ ভাষাৰে বৰ্ণনা কৰিছে এনেকৈ ঃ

(২) ভকতৰ শোকে হৰি আকুল একান্ত।
দূত বাক্যে সবাৰো কৰিলা চিত্ত শান্ত।।
তুমি সব সম মোৰ প্ৰিয় নাহি আন।
তোমাসাৰ দুখ দেখি নসহয় প্ৰাণ।।
আসিবো অচিৰ কালে চায়া মল্ল খেড়ি।
যায়োক পালটি সখী সব মোক এড়ি।।

গোকুল এৰি কৃষ্ণ বলৰাম মথুৰাভিমুখে গৈ থাকোঁতে কালিন্দী হ্ৰদত অক্ৰূৰে মধ্যাহ্ন সন্ধ্যা কৰিবলৈ ৰথ ৰাখি জলমগাহন কৰিলে আৰু সেই ৰথত ৰাম কৃষ্ণক ৰাখি থ'লে। মূলৰ "নিৱেশ্য চ ৰথোপৰি" অৰ্থাৎ ৰথৰ ওপৰত (ৰাম কৃষ্ণক) ৰাখি থৈ এই সূত্ৰটিৰ ওপৰত শ্ৰীধৰ স্বামীৰ উক্তি "শত্ৰুভ্য ঃ শঙ্কিতঃ সন্ ৰথোপৰি নিৱেশ্য" অৰ্থাৎ "শত্ৰু আক্ৰমণ হোৱাৰ

ভয়ত ৰথৰ ওপৰত থৈ” এই ব্যাখ্যা গুৰুজনাৰ ভাষাত এনেকৈ হৈছে (১০/৩৯/৪০ শ্ৰীধৰ স্বামীটীকা)—

(৩) শত্ৰুক শঙ্কায়ে অক্ৰূৰে দুই হাস্কো
থৈলন্ত ৰথত তুলি।

তেনেকৈ মূল আৰু টীকা বৰ্হিভূত কিছু বৰ্ণনা গুৰুজনাৰ ৰচনাত প্ৰকাশ পাইছে। গোকুলৰ পৰা ৰথ চলাই যাওঁতে মূলত নথকা ‘হৰ হৰ কৰি, ৰথ চক্ৰ চলৈ মেঘৰ যেন সম্বাদ’ গোৱালসকলে, কৰৈ জয় কৃষ্ণ তুলিয়া আনন্দে নাদ।। সমস্তে দিশৰ, পলাই অমঙ্গল, শুনিয়া তাৰ শৱদ”। সেইদৰে কৃষ্ণৰ ৰূপ বৰ্ণনাও সেই প্ৰসঙ্গতে মূলতকৈ এখোপ চৰা।

চল্লিশ অধ্যায়ৰ ত্ৰিশ সংখ্যক শ্লোকৰ ভিতৰৰ আঠ সংখ্যাৰ শ্লোকটি বাদ দি বাকীখিনিৰ অনুবাদ সম্পূৰ্ণ কৰা হৈছে। ইয়াৰ মাজত অক্ৰূৰৰ কৃষ্ণস্তুতিসমূহত গুৰুজনাই নিজৰ ধাৰণাৰে মূলৰ অতিৰিক্ত বিষয় সংযোজন কৰিছে। মাজে মাজে দুই-এটি শ্লোকত স্পৰ্শহে কৰিছে মাত্ৰ আৰু কোনো কোনো ঠাইত একেটি শব্দত নিজৰ মতে বহলাইছে। একচল্লিশ অধ্যায়ৰ শ্লোক সংখ্যা বাৱন্ন আৰু ইয়াৰে আটাইকেইটি অনুবাদ কৰা হৈছে। এই অধ্যায়ত আছে শ্ৰীকৃষ্ণৰ মথুৰা নগৰ প্ৰৱেশ, নগৰ বৰ্ণন, ৰজক বধ, বেশাকাৰ আৰু সুদামা মালাকাৰৰ পৰা সন্মান লাভ ইত্যাদি। মথুৰা ৰাজধানীৰ বৰ্ণনাট চাৰিটি শ্লোকত ১০/৪১/২০—২৩) সমাপ্ত কৰা হৈছে। কিন্তু গুৰুজনাই মূলতকৈ এখোপ চৰা কৰি নিজৰ ভাষাৰে পদকেইটি সজাইছে। বিয়াল্লিশ অধ্যায়ৰ শ্লোক আঠত্ৰিশটি। ইয়াৰে আটাইকেইটি অনুবাদ হৈছে। ইয়াত আছে কুব্জানুগ্ৰহ, কংসৰ ধনুভংগ, সেনা বধ, কংসৰ অমংগলসূচক স্বপ্ন, মল্লসজ্জা আদি। অধ্যায়টিৰ মাজৰ দুই-এটি শ্লোকৰ বাহুল্য বৰ্ণনা সংক্ষিপ্ত ৰূপত আৰু স্থান, কাল বিশেষে বাহুল্য ৰূপত বৰ্ণনা কৰা হৈছে। তদুপৰি গুৰুজনাৰ নিজৰ সৃষ্টিমূলক বৰ্ণনা স্থানবিশেষে আছেই। অৱশ্যে ইয়াৰ বৰ্ণনা যৎসামান্য। তিয়াল্লিশ অধ্যায়ৰ শ্লোক সংখ্যা চল্লিশটিৰ ভিতৰত আটাইকেইটিৰে অনুবাদ সম্পূৰ্ণ কৰা হৈছে আৰু ইয়াত শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱো পৰিছে (১০/৪৩/১, ৩১)। অধ্যায়টিৰ প্ৰথম শ্লোকৰ ‘কৃত শৌচৌ’ পদটিৰ অন্বয়াৰ্থক ৰূপ হ’ল ‘কৃতং শৌচং দন্ত ধাৱন স্নানাদিকং যাভ্যাং তৌ’। অৰ্থাৎ শ্ৰীধৰ স্বামীয়ে ইয়াৰ ব্যাখ্যা অন্যৰূপে দিছে। যেনে— ‘পূৰ্ব্বেদ্যুৰেৱ কৃতং

শৌচং শুদ্ধত্বং নিৰপৰাধত্বং যাভ্যাং তৌ। এতুদক্তং ভৱাত— ধনুৰ্ভঙ্গাদিনা আৱাভ্যাং নিজৈশ্বৰ্য্যে সুচিতেऽপি পিতৰৌ ন মুঞ্চতি, আৱাঞ্চ পুনৰ্জিঘাংসতি, অতোদস্য মাতুলস্যাপি বধে নাবয়োৰ্দ্দোষ ইত্যেৱং কৃতাপৰাধ পৰিহাৰাবিতি' ইত্যাদি। টীকাৰ বৰ্ণনানুসৰি গুৰুজনাই অনুবাদ কৰিছে এনেকৈ—

প্ৰভাততে শৌচ ভৈলা ৰাম কৃষ্ণ
মল্লৰ দুন্দুভি শুনি।
স্বভাৱে নিৰ্ম্মল কৈল শৌচ তান
শুনা যেন অৰ্থ তাৰ।
ধনু ভাঙ্গি সেনা মাৰিয়া দেখাইলো
নিজ বীৰ্য্য আপোনাৰ।।
তথাপি পিতৃৰ বন্ধন নোচোৰৈ
আমাকো মাৰিতে চাৱে।
মমাৰ বধত আৰ দোষ নাই
লৰিলা মহাপ্ৰভাৱে।। ইত্যাদি।

ভাগৱতৰ ঊনৈশ সংখ্যাৰ (১০/৪৩/১৯) শ্লোকৰ আধাৰত কৃষ্ণৰ ৰংগশালা প্ৰৱেশৰ সময়ত গুৰুজনে নিজাৱবীয়াকৈ ৰূপ বৰ্ণনা কৰিছে। সেইদৰে একত্ৰিশ সংখ্যাৰ শ্লোকৰ উক্তি হ'ল জনসাধাৰণে এনেকৈ আলোচনা কৰি থকা অৱস্থাতে তূৰ্য্য বাদ্যসমূহ ধ্বনিত হ'ল আৰু মল্লবীৰ চাৰ্নুৰে কৃষ্ণ ৰামক আহ্বান কৰি ক'বলৈ ধৰিলে ইত্যাদি। কিন্তু শ্ৰীধৰ স্বামীয়ে কৈছে এনেকৈ— 'জনেষু এবং ব্ৰুবাণেষু সৎসু তদসহ মানশ্চানু ৰোऽব্ৰীবীদিতি' অৰ্থাৎ গুৰুজনাৰ ভাষাৰে—

এহিমতে লোকে যেৱে কৰৈ গলাৱাৱ।
বাৱন্তে আছয় বাদ্য মল্ল মহোৎসৱ।।
নসহিলা শুনিয়া চাণুৰ মহামাল।
আইলা আগবাঢ়ি বীৰ কৰিয়া আস্ফাল।।
কালে গ্ৰাসিলেক তাক পাইলেক বিবুধি।
বুলিবে লাগিলা ৰাম কৃষ্ণক সম্বুধি।। ইত্যাদি।

অধ্যায়টিৰ শ্লোকানুবাদৰ লগত সংগতি ৰাখি, শ্ৰীধৰ স্বামীৰ টীকাৰ অৰ্থানুসৰি ৰচিত পদৰ মাজত স্থান বিশেষে গুৰুজনাই সৃষ্টিমূলক বৰ্ণনাও কৰিছে। চৌৰাল্লিশ অধ্যায়ৰ শ্লোক সংখ্যা একাৱন্ন আৰু কাহিনীত আছে কৃষ্ণ বলৰামৰ লগত চাণূৰ মুষ্টিকৰ মল্লযুদ্ধ, মল্ল বিনাশ, কংস আৰু অষ্ট ভাতৃৰ নিধন, কংস পত্নীগণৰ বিলাপ আৰু সান্ত্বনা দান, কংসৰ পাৰলৌকিক কৰ্ম্ম সম্পাদন ইত্যাদি। মূল শ্লোকৰ আটাইকেটিতে অনুবাদ সম্পন্ন হৈছে। ইয়াতো গুৰুজনাই নিজৰ ভাষাৰে সমন্বয় ৰক্ষা কৰি মাজে মাজে সৃষ্টিমূলক বৰ্ণনা কৰি ইয়াৰ সৌষ্ঠৱ বঢ়াইছে। মল্লযুদ্ধৰ বৰ্ণনা প্ৰসংগত ভাগৱতে চাৰিটি (১০/৪৪২—৫) শ্লোকৰ অৱতাৰণা কৰিছে। কিন্তু গুৰুজনাই ইয়াক মূলতে ৰাখি আকৰ্ষণীয়ভাৱে বিশেষকৈ সজাইছে। শ্লোককেইটিৰ অসমীয়া ৰূপ তলত দিয়া হ'ল।

১। ইয়াৰ পিছত কৃষ্ণ-বলৰামে চাণূৰ আৰু মুষ্টিকক হাতক হাতেৰে পদক পদেৰে বন্ধন কৰি জয়লাভৰ ইচ্ছাৰে পৰস্পৰে আকৰ্ষণ কৰিবলৈ ধৰিলে।

২। পৰস্পৰে মুষ্টিবদ্ধ দুই বাহুৰ মাজৰ পৰা কনিষ্ঠাংগুলিৰ মূল পৰ্যন্ত তাৰ দ্বাৰা জানুৰে জানুৰে, মস্তকে মস্তকে, বুকুৰে বুকুৰে আঘাত কৰিবলৈ ধৰিলে।

৩। ইয়াৰ পিছত পৰিভ্ৰমণ, দূৰলৈ নিক্ষেপ, বাহুৰ দ্বাৰা নিপীড়ন, অধঃক্ষেপণ, অগ্ৰগমন, পশ্চাৎগমন— এনেদৰে পৰস্পৰে ঘূৰিবলৈ ধৰিলে।

৪। উভয়ে জয়ৰ আশাৰে উচ্চাটন, উন্নয়ন, চালন, স্থাপন ইত্যাদিৰে দেহৰ অনিষ্ট সাধন কৰিবলৈ ধৰিলে।

গুৰুজনাৰ অনুবাদসমূহ তুলি দিয়া হ'ল—

ধৰ ধৰ বুলি আতি কৰি আৰস্কতি।
অন্যো অন্যে ধৰে আসি বাহুত সাবটি।
বাঘে যেন গৰ্জ্জিয়া পাৱক পাৰে চান্দি।
হাতে হাতে থাকৈ কতো মাল বান্ধে বান্ধি।।
অন্যো অন্যে আজোৰৈ গাৱৰ বলে ধৰি।
সন্ধানে মুঠিত মুঠি তাড়ে দৃঢ় কৰি।।
লৱৰন্তে আসিয়া আঠুত আঠুহানে।

আঁজুৰিয়া মুণ্ডে মুণ্ডে ঠেকা মাৰে টানে।।
আকালে হিয়াত হিয়া কতোঠাত কৰি।
টানি আনৈ কতো শৰীৰৰ বলে ধৰি।।
গল দণ্ডা মাৰৈ দুয়ো হাতে হু বুলি।
বাহুৱে আটিয়া কেহো আচাৰয় তুলি।।
যৈত পৰে তথাতে পৃথিৱী হোৱে খাল।
তল বল কৰৈ যেন যায় ভূমি চাল।
বাৱৈ হাত তালি কতো ৰঙ্গে ৰিঙ্গ পাৰে।
বজ্ৰৰ পতনে যেন কৰ্ণে তাল মাৰে।।
পৰম আক্ৰান্তে যেন যুঁজে দুই ষণ্ড।
নসহে আন্দোল দেখি কাম্পে সভা খণ্ড।।
ছান্দি হাতে পাৱৈ পৰি থাকৈ কতো দুই।
বাগৰ পাৰন্তে কুৰৈ একপিণ্ড হুই।।
বান্ধৰ চোটত যেন ভাগৈ কলেৱৰ।
এৰিয়া হোৱন্ত কতো দুই হান্তো অন্তৰ।।
ক্ৰোধে চক্ষু পকাই কতো অন্যো অন্যে চান্ত।
তৰ্জ্জন্ত গৰ্জ্জন্ত কতো কামুৰিয়া দান্ত।।
থাক থাক বুলি দেই আঙ্গুলিৰ ঠাৰ।
ভ্ৰূকুটি কুটিল মুখ ক্ৰোধে অন্ধকাৰ।
ধূলি ধূসৰিত তনু তিন্তি আছে ঘামে।
মালে সমে আক্ৰান্তে যুজন্ত কৃষ্ণ ৰামে।।

চাণুৰ, মুষ্টিকৰ লগত কৃষ্ণ-বলৰামৰ মল্লযুদ্ধৰ সময়ত মথুৰা নাৰীসকলে সেই যুদ্ধ ন্যায়সংগত হোৱা নাই আৰু কংসৰ এই অন্যায় কাৰ্যত নিন্দা কৰি পৰস্পৰে আলাপ আলোচনা কৰি থকা বিষয়টিত গুৰুজনাৰ মৰ্মস্পৰ্শী বৰ্ণনা সুন্দৰ হৈছে আৰু মাজে মাজে ভাগৱতোক্ত (১০/৪৪/৬—১৬) বিষয়ৰ দুই-এটি শব্দ এৰি পেলোৱা হৈছে। নাৰীসকলৰ কৃষ্ণ বলৰামৰ বিষয়ৰ খেদোক্তি প্ৰকাশৰ আলাপ আলোচনা শুনি বসুদেৱ-দৈৱকীয়েও তেনেকৈ খেদ প্ৰকাশ কৰিছিল। সেই বিষয়ে ভাগৱতে মাত্ৰ 'আতুৰৌ, অন্বত প্যেতাম্' বুলিহে কৈছে অৰ্থাৎ আতুৰ হ'ল আৰু অনুতপ্ত হ'ল বুলিহে কৈছে

(১০/৪৪/১৮)। কিন্তু গুৰুজনে সেই দুয়োটি শব্দৰ আধাৰত অলপ বহলকৈ দৈৱকী বসুদেৱৰ বিলাপ বৰ্ণনা দাঙি ধৰিছে এনেকৈ—

তথাতে বসিয়া আছন্ত দৈৱকী
বসুদেৱ দুয়ো প্ৰাণী।
পুত্ৰ শোক অগ্নি অধিকে উধাই
শুনি পুৰস্ত্ৰীৰ বাণী।।
অচিন্ত্য প্ৰভাৱ ৰাম কৃষ্ণ দুই
নজানি তাহান বল।
হাহাকাৰ কৰি নিৰেখি কৃষ্ণক
ভৈলন্ত দুয়ো বিহ্বল।।
হৃদয় দগধ নয়ন তবধ
লোতক পৰৈ নিঝৰি।
দুঃসহ শোকত ঝমক দেখন্তে
থাকন্ত চেতন হৰি।।
দেখৈ দুয়ো দশ দিশ অন্ধকাৰ
মিলিল ঘোৰ সন্তাপ।
পুত্ৰ দুইক চাই নিশ্বাস কোকাৰি
কৰন্ত আতি বিলাপ।।
হৰি হৰি প্ৰাণ পুত্ৰ পৰিচ্ছেদ
দেখা দেখি ভৈলোতোৰ।
একেবাৰে পৰি নপাইলো দুনাই
বিপদ নদীৰ পাৰ।।
সপুত্ৰ বান্ধৱে যাওঁ যমালয়
মিলিল কৰ্ম্ম বিপাক।
পিণ্ডক জলক নথাকিল সঞ্চ
বঞ্চিল বিধি আমাক।।
পৰৰ ঘৰত এতমান ভৈলি
দেখিতে নপাইলো ভালে।

হৰি হৰি ৰাম কৃষ্ণ পুতাই দুই
অল্পতে গ্ৰাসিলে কালে।।
তোমাসাৰ আগে আমি যেবে মৰো
তেবেসে খণ্ডে নিকাৰ। ইত্যাদি।

কৃষ্ণ বলৰামৰ হাতত চাণুৰাদি মল্লবীৰসকল নিধন হোৱাৰ পিছত দুয়োজনে ৰংগশালাত ইতস্ততঃ ভ্ৰমণ কৰি থকাৰ সময়ত গুৰুজনে নিজাববীয়াকৈ কৃষ্ণৰ ৰূপ-লাৱণ্য বৰ্ণনা কৰি দেখুৱাইছে আৰু মল্ল নিধন হোৱাৰ পিছৰ অৱস্থাখিনিৰ বৰ্ণনা কৰি কৃষ্ণৰ মহিমা বিকশিত কৰিছে। যেনে—

দেখাইলন্ত মল্লক্ৰীড়া লীলা বিপৰীত।
নাচন্ত আনন্দে সমজ্যাৰ ৰঞ্জি চিত্ত।।
ৰুণ ঝুন কৰিয়া নূপুৰ বাজে পাৱে।
উৎসৱ কৰিয়া মল্ল বাদ্যসৱ বাৱে।।
অঙ্গি ভঙ্গি চৰণ চলাৱে তাৰ চেৱে।
কৰন্ত কৌতুক আতি নৃত্য আদি দেৱে।।
বেঢ়ি গোপ শিশু সবে বজাৱে চাপৰি।
কতো পাক কুৰি হৰি নাচন্ত চাপৰি।।
জলমল কৰি ময়ূৰৰ পুচ্ছ লৰে।
কণ্ঠে কদম্বৰ মালা ঢুলি ঢুলি পৰে।।
কটিত মেখলা বাজে ঝনকে কিঙ্কিণী।
প্ৰকাশন্ত লাৱণ্য কন্দৰ্প কোটি জিনি।।
ৰাতুল কোমল পদ পল্লৱ দুখানি।
লয়লাসে নাচন্তে চলন্ত চক্ৰপাণি।।
ধ্বজ বজ্ৰ পঙ্কজ অঙ্কুশ চিহ্ন যত।
প্ৰতি পাৱে পাৱে হোৱে হাণ্ঠিতে বেকত।।
দেখান্ত প্ৰকটে নাট্য লীলা যদুৰাজে।
আনন্দ মূৰ্তিক চাই ভুলিল সমাজে।।
কটাক্ষ নয়নে চান্তে বৰিষে অমৃত।
দেখাৱন্ত পৰম হৰিষে হৰি নৃত্য।।

মালক মাৰিয়া আনন্দৰ সীমা নাই।
কৰন্ত ভ্ৰূকুটি কতো লোকক দেখাই।।
দেখি সমজ্যাৰ মহা ৰিঙ্গ জোত হাসি।
কৰে সাধুৰ্ব্বাদ সবে দশন প্ৰকাশি।।
ধন্য ধন্য বসুদেৱ সুত কৃষ্ণ ৰাম।
কৰিলাহা দুষ্কৰ মালক মাৰি কাম।।
মথুৰাৰ নাৰীৰ মিলিল কৌতূহল।
সাধু সাধু কৃষ্ণ সাধু ৰাম মহাবল।।
ঘোৰ মাল ভৈল যাৰ আগত পতঙ্গ।
আবেসে আমাৰ সাধিলাহা মন ৰঙ্গ।।
এহি বুলি নেত্ৰ ভৰি মাধৱক চাইল।
বসুদেৱ দৈৱকীৰো ধাতু নামি আইল।।
সদয় নয়নে পুত্ৰ দুইৰ চান্ত মুখ।
কংসক দেখিয়া দুনাই মিলৈ মহাদুখ।।
কংস যেবে জীৱৈ জীৱনত নাহি আশ।
পুত্ৰ দুইৰ মুখ চাই তেজন্ত নিশ্বাস।।

মল্ল নিধন হোৱাৰ পিছত ভাগৱত মূলৰ (১০/৪৪/৩১—৪৯) উনৈশটি শ্লোকৰ মূলগত অনুবাদৰ উপৰি গুৰুজনাই নিজাববীয়াকৈ সৃষ্টিমূলক বৰ্ণনাও কৰিছে। মল্ল বধৰ দৃশ্য দেখি কংসই ক্ৰোধত অধীৰ হৈ মল্লবাদ্য বজাবলৈ নিষেধ কৰিলে আৰু ৰাম কৃষ্ণক নগৰৰ বাজ কৰিবলৈ নন্দক বান্ধিবলৈ, বসুদেৱক আৰু পিতৃ উগ্ৰসেনক বধ কৰিবলৈ নিৰ্দ্দেশ দিলে। এই কথাত ভগৱান কৃষ্ণই ক্ৰোধান্বিত হৈ কংসৰ অৱস্থান উচ্চ মঞ্চত লঘিমা গুণৰ আশ্ৰয়ত আৰোহণ কৰিলে আৰু কংসক বধ কৰিলে। ইয়াৰ ভিতৰত মূল বহিৰ্ভূত বহু বিষয় সন্নিবিষ্ট হোৱা দেখা গৈছে। আমি ইয়াৰ সামগ্ৰিক উদ্ধৃতিৰ পৰিৱৰ্তে মূল বহিৰ্ভূত কি কি বিষয় অতিৰিক্ত সংযোজন কৰা হৈছে তাৰ সূত্ৰসমূহ তলত তুলি দিয়া হৈছে। কোনো কোনো স্থান বিশেষে মূলৰ একোটা সূত্ৰৰ আধাৰত পদ বৃদ্ধি কৰি সূত্ৰটিৰ সৌন্দৰ্য বৃদ্ধি কৰা হৈছে। তলত অতিৰিক্ত সংক্ষিপ্ত ৰূপত পদখিনিৰ সামান্য উদ্ধৃতি কৰা হ'ল—

কংস ৰজাৰ নিজৰ কৰ্মচাৰীসকলৰ প্ৰতি নিৰ্দ্দেশ— (মূল বহিৰ্ভূত)

সেৱক লোকক আদেশিল খঙ্গে চাই।
কিসক বাজন বাজে খেদান্ত কোবাই।।
খঙ্গ দেখি ৰাজাৰ এৰিল খমদম।
কাংস পৰি জিন গৈল সমাজ নিজম।।
নিশবদ লোক ভৈল ৰাজাৰ ভয়ত।
কোপে অগ্নি জ্বলৈ যেন ৰাজাৰ গাৱত।।
বক্কিবে লাগিলা মহাক্ৰোধে অন্ধ হুই।
কিনো অসজ্জন বসুদেৱ সুত দুই।
পৰম উন্মত্ত ইটো মুণ্ডে কুবৈ বুলি।
মোহোৰ আগত মাৰৈ মালক সমূলি।।

....

....

দুষ্ট বসুদেৱ ইটো মোতে পাইলা লাই।
পুতেকক থৈল গোকুলত পলুৱাই।।
মোহোৰ আজ্ঞাক আৰ নচাহিলে বাট।

....

....

ৰাজাৰ গৰ্জ্জন শুনি সমজ্যাৰ ত্ৰাস।
হা উগ্ৰসেন বসুদেৱ ভৈলা নাশ।।
কাক কিবা কৰে বুলি কাম্পিত হৃদয়।
শুনি বিকৰ্থনা পাছে কৃষ্ণ কৃপাময়।।
ভকতৰ ভয়হাৰী জ্বলি গৈলা কোপে।
বান্ধিলন্ত পীত বস্ত্ৰ কটিত আটোপে।

কংস অৱস্থিত উচ্চ মঞ্চত কৃষ্ণই আৰোহণ কৰাৰ পিছত ঃ

যেন গিৰি শিখৰত আৰোহিলা সিংহ।
খল খলি হাসি কৃষ্ণে ৰঙ্গে দিলা ৰিঙ্গ।।

....

....

থাক থাক বুলি পাৰৈ আটোপে আটাস।
বাঘৰ গৰ্জ্জনে যেন জ্বলৈ মহাত্ৰাস।।

কংসক আক্ৰমণ কৰাৰ পিছত ঃ

কংসাল সৰ্পক যেন ধৰিলা ইন্দুৰ।
দোঙ্গা দুঙ্গি পাৱৈ সিটো দানৱ দন্দুৰ।
আটিলা দুই হাতে তাক ধৰি নাৰায়ণ।
ভৈল শ্ৰুতি ভঙ্গ কংস হৰিল চেতন।।
প্ৰচণ্ড অগনি যেন নিমাই ভৈল শান্ত।
মুখত নাহিকে মাত তৰিলেক দান্ত।।

কংস বধৰ পিছত ঃ

পোত গৈল কংস ৰণভূমি ভৈল খাল।
নিৰ্ঘাত পতনে যেন গৈল ভূমি চাল।।
হস্তীক মাৰিল যেন মহামত্ত সিংহ।
খল খলি হাসি হৰি ৰঙ্গে দিলা ৰিঙ্গ।।
গোপ শিশুগণে কৰে কৃষ্ণ জয় জয়।
দিলেক লৱৰ ভিৰি দুষ্ট ৰাজাচয়।।

....

....

গোপ শিশুগণে বেঢ়ি বজাৱে চাপৰি।
হেৰা দুৰাচাৰ ৰাজা কংস গৈলা মৰি।।
জয় জয় কৃষ্ণ বুলি পাৰন্ত জোকাৰ।
বাৱৈ শিঙ্গা বাংশী আনন্দৰ নাহি পাৰ।।
আজুৰি ফুৰান্ত তাক লোকক দেখাই।
কৰৈ শুভ শুভ সাধুসৱে চাই চাই।।
আবেসে গুচিল পৃথিৱীৰ মহাভাৰ।
মৰিল দাৰুণ দিন পুহাইল আমাৰ।।
পৰম নাগৰী নাৰীগণ জুমাজুমে।
কৃষ্ণৰ শিৰত ৰঙ্গে বৰিৰে কুসুমে।।
পাৱৈ আতি উৰুলি প্ৰশংসা কৰৈ ছনি।
ধন্য ধন্য ৰাম কৃষ্ণ বীৰ শিৰোমণি।।
মুণ্ড লুণ্ডি বোলৈ নন্দ আদি গোপ গণে।

আজি উপজিলো পাপী কংসৰ মৰণে।।
সাধু সুধু কৃষ্ণ প্ৰাণ বান্ধৱ আমাৰ।
কৰিলা দুষ্টক মাৰি আজিসে উদ্ধাৰ।।
বসুদেৱ দৈৱকী কংসৰ দেখি বধ।
আনন্দে আছন্ত চাই নয়ন তবধ।।
হৰিষে স্বৰ্গক যেন পাইলা মেলি হাত।
নেত্ৰৰ লোতক ঝৰে গদ গদ মাত।।
গুচিল দুৰ্দ্দিন দুয়ো দেখিলা প্ৰকাশ।
যেন চিৰৰোগী পাইলা ব্যাধিৰ সকাশ।।
আনন্দে মগন মন নাহি মাত বোল।
চতুৰ্ভিতি কৰৈ প্ৰজা জয় কৃষ্ণ ৰোল।।
....
....
মহোৎসৱে সিদ্ধ বুলি কৰে তুতি নতি।
শুনিয়োক সিটো কংসে পাইলা যেন গতি।

কংসৰ সাৰূপ্য মুক্তি লাভৰ প্ৰসঙ্গত তেওঁনো কেনেকুৱা ৰূপ পাইছিল অথবা সাৰূপ্য মুক্তিৰ লক্ষণ কেনেকুৱা, সেই বিষয়ে ভাগৱতে একো কোৱা নাই। মাত্ৰ "তদেৱ ৰূপম্" বুলিহে কৈছে (ভাগ- ১০/৪৪/৩৯) অৰ্থাৎ ভগৱানৰ দৰে ৰূপ পালে বুলিছে। কিন্তু গুৰুজনে সেই ৰূপৰ লক্ষণ প্ৰকাশ কৰি দেখুৱাইছে। যেনে—

পীত বস্ত্ৰে শোভে চাৰু শ্যাম কলেৱৰ।
বিজুলি ৰঞ্জিত যেন নৱ জলধৰ।।
কিৰীটি কুণ্ডল হাৰ কংকণ কেয়ুৰ।
চৰণত ৰঞ্জে তাৰ ৰত্নৰ নূপুৰ।।
পঞ্চবৰ্ণ বনমালা প্ৰকাশৈ হিয়াত।
শংখ চক্ৰ গদা পদ্ম আছে চাৰি হাত।।
কৃষ্ণৰ শৰীৰ এৰে কিছু নাহি ভিন্ন।
শ্ৰীবৎস কৌস্তুভ মাত্ৰ নাহি দুই চিহ্ন।।
কৰিল প্ৰণাম আসি কৃষ্ণ পাৱে পৰি।

গৈল বৈকুণ্ঠক দিব্য বিমানত চড়ি।।
পৰম হিংসুক কংস ক্ৰূৰ মন্দমতি।
দেখা কেন কৃষ্ণে তাৰো সাধিলন্ত গতি।।
ভয়ত স্মৰিল মাত্ৰ নাছিল আহ্লাদ।
এতেকে পাইলেক কংসে পৰম প্ৰসাদ।।
যিটো নিতে ভক্তিভাৱে ভজে ভগৱন্ত।
তাহাৰ মহিমা কহি কোনে পাৱে অন্ত।।
কৃপাৰ সাগৰ তুমি ঈশ্বৰ মুৰাৰি।
পাৱে গতি যাত হন্তে মহা অহঙ্কাৰী।।
জন্মে জন্মে তাহান চৰণে হোক গতি।

বসুদেৱ দৈৱকীৰ বন্ধন মোচনৰ বিবৰণ আৰু কৃষ্ণৰ লগত তেওঁলোকৰ কথোপকথন আদি (১০/৪৪/৫০, ৫১, ১০/৪৫/১-১১) মূলৰ লগত সামান্য মাত্ৰ পৰিবৰ্তনেৰে পদত সম্পূৰ্ণ কৰা হৈছে। ইয়াৰ পিছত উগ্ৰসেনক মথুৰাৰ নৰপতিৰূপে অভিষিক্ত কৰা হয় আৰু কংসৰ অত্যাচাৰত পলায়িত যদু, বৃষ্ণি, অন্ধক, মধু, দাশাই, কুকৰ আদি বংশৰ লোকসকলক যথাস্থানৰ পৰা আনি সংস্থাপিত কৰা হয়। সেইদৰে নন্দাদি গোপগণকো বস্ত্ৰ অলংকাৰাদিৰে পৰিতুষ্ঠ কৰি বিদায় সম্ভাষণ জনোৱা হয় (১০/৪৫/১২-২৫)। এই বৰ্ণনানুক্ৰমত গুৰুজনাৰ হস্ত পৰশত সংক্ষিপ্ত আৰু পৰিবৰ্দ্ধিত ৰূপ পাইছে। কংসৰ অত্যাচাৰত পলায়িত সমস্ত বংশীয় লোকৰ নাম প্ৰকাশ নকৰি 'জ্ঞাতিসৱ' বুলি থোৰতে সামৰি থৈছে। নন্দাদি গোপসকলক বিদায় সম্ভাষণ জনাওঁতে কৃষ্ণোক্তি আৰু তেওঁলোক ব্ৰজ ধাম প্ৰাপ্তিৰ পিছত কৃষ্ণক নেদেখি যশোদাদিয়ে কৰা খেদোক্তি পদ্য ৰূপত অধিক ব্যাখ্যা কৰা হৈছে। মূল বৰ্হিভূত কৃষ্ণোক্তি এনেধৰণৰ—

যশোদা মাৱক মোৰ নমস্কাৰ জনাইবাহা
মোক লাগি এৰিবন্ত খেদ।
মোহোৰ নিমিত্তে আতি দিনে ৰাতি কান্দিবন্ত
জানো লোতকৰ নুইব ছেদ।।
এক দিৱসৰ গুণ সুজিবাক নপাৰিলো
দেখিলা প্ৰাণতোধিক মোক।

নেদেখি পুত্ৰৰ মুখ পাইবা মাৱ মহা দুখ
দহৱৈ আমাক ইসে শোক।।
হে পিতৃ বোলে আতি বুজাইবা মাৱকমাতি
মোক লাগি নুইবন্ত ব্যাকুল।

নন্দাদি গোপসকল ব্ৰজধাম পোৱাৰ পিছত মূল বহিৰ্ভূত যশোদাৰ খেদোক্তি পদত প্ৰকাশ পাইছে এনেধণেৰে —

কৃষ্ণ নাসিবাৰ দেখি যতেক গোপিনী সখী
উৰ্মি কৰি কান্দিবাক লৈলা।
যশোদাৰ নাহি প্ৰাণ শূন্য ভৈল সেহি থান
যিদিনা গোৱিন্দে এৰি গৈলা।।
সূৰ্য্য অৱিহনে যেন দিনৰ প্ৰকাশ নাই
চন্দ্ৰ বিনে নজ্বলে ৰজনী।
কৃষ্ণ বিনে ব্ৰজ বাসী প্ৰজাৰ উৎসৱ গৈল
দহে হৰি বিৰহ অগনি।।
যশোদা কাঢ়াও ৰাৱ মহা মৰ্মে পোৰৈ গাৱ
হা কৃষ্ণ বোলন্তে পুতাই।
স্বস্থ নাহি দিনে ৰাতি কৃষ্ণ বুলি কান্দে আতি
গোপী বৃন্দাবন চাই চাই।।

মূলৰ 'কুপাদ্যৈঃ' এই পদটিৰ (১০/৪৫/২৫/৪) অন্বয়াৰ্থ কৰা হৈছে "কাংস্য পাত্ৰাদিভিঃ" বুলি। কিন্তু শ্ৰীধৰ স্বামীয়ে কৈছে এনেকৈ 'কুপ্যানি স্বৰ্ণৰজতাদিব্যতিৰিক্ত কাংস্য পাত্ৰদীনি তৎ প্ৰভৃতিভিঃ" অৰ্থাৎ গুৰুজনাৰ ভাষাৰে (গুৰুজনে টীকানুসৰিহে অনুবাদ কৰিছে)। সুবৰ্ণ ৰজত পাত্ৰ, বস্ত্ৰ অলংকাৰে মণ্ডি, নন্দ আদি গোপক ভূষিলা" ইত্যাদি।

এই অধ্যায়ৰ চাৱিশ সংখ্যাৰ পৰা পঞ্চাশ সংখ্যাৰ শ্লোকলৈকে থকা কাহিনী বা বিৱৰণৰ মাজত কৃষ্ণ বলৰামৰ উপনয়ন সংস্কাৰ, ব্ৰহ্মচৰ্য্য সাধন, সান্দীপনি মুনিৰ ওচৰত শাস্ত্ৰ অধ্যয়ন, গুৰু দক্ষিণাস্বৰূপে বিপ্ৰক মৃত 'পুত্ৰ দান, পাঞ্চজন্য অসুৰ বধ, ইত্যাদি বিষয় সন্নিবিষ্ট আছে। ইয়াতো শ্ৰীধৰ স্বামী টীকাৰ আভাস, মূল শ্লোক সূত্ৰৰ আভাস আৰু গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনাকৰা হৈছে। সম্পূৰ্ণশ্লোকৰ অনুবাদ সম্পন্ন কৰা হৈছে।

শ্ৰীকৃষ্ণই গুৰুকুলত থাকি যিখিনি শাস্ত্ৰ অধ্যয়ন কৰিছিল, তাৰ বৰ্ণনা ভাগৱতত বিস্তৃতভাৱে দিছে। ভাগৱতত "বেদানখিলান্ সঙ্গোপনিষদো" বুলি কৈছে, অৰ্থাৎ সমস্ত বেদ, শিক্ষা, কল্প, নিৰুক্ত, ব্যাকৰণ, ছন্দ, জ্যোতিষ আৰু সমগ্ৰ উপনিষদ তথা ধনুৰ্বেদ, ধৰ্মশাস্ত্ৰ, মীমাংসা, তৰ্ক বিদ্যা, ৰাজনীতি (সন্ধি, বিগ্ৰহ, যান, আসন, দ্বৈধী ভাব আৰু সমাশ্ৰয় আদি ছবিধ ৰাজনীতি— শ্ৰীধৰ স্বামী টীকা— (১০/৪৫/৩৮)। ভাগৱতৰ 'অহোৰাত্ৰৈশ্চতুঃ ষষ্ঠ্যা সংযতেই তাৱতীঃ কলাঃ' (ভাগ, ১০/৪৫/৩৬), অৰ্থাৎ গুৰুজনাৰ ভাষাৰে 'জানিলা চৌষষ্ঠী কলা চৌষষ্ঠী দিৱসে'। চৌষষ্ঠী কলা বিদ্যাৰ তালিকা বা বৰ্ণনা মূল ভাগৱতত অভাৱ। কিন্তু শ্ৰীধৰ স্বামীয়ে কৃষ্ণদেৱে আয়ত্ত কৰা তালিকাখন প্ৰকাশ কৰিছে এনে প্ৰকাৰে (১) গীত (২) বাদ্য (৩) নৃত্য (৪) নাট্যম্ (৫) আলেখ্যম্ (৬) বিশেষক চ্ছেদ্যম্ (৭) তণ্ডুল কুসুম বলি বিকাৰাঃ (৮) পুষ্পাস্তৰ্নম্ (৯) দশনবসনাঙ্গৰাগাঃ (১০) মণিভূমিকাকাৰ্ম (১১) শয়নৰচনম্ (১২) উদক বাদ্যমুদক ঘাতঃ (১৩) চিত্ৰযোগাঃ (১৪) মাল্যগ্ৰকথনবিকল্পাঃ (১৫) শেখৰাপীড় যোজনম্ (১৬) নেপথ্যযোগাঃ (১৭) কৰ্ণপত্ৰভাঙ্গাঃ (১৮) সুগন্ধযুক্তিঃ (১৯) ভূষণ যোজনম্ (২০) ঐন্দ্ৰজালম্ (২১) কৌচুমাৰযোগাঃ, (২২) হস্তলাঘৱম্ (২৩) চিত্ৰশাকাপূপ ভক্ষ্য বিকাৰক্ৰিয়াঃ (২৪) পানকৰসৰাগাসবযোজনম্ (২৫) সূচীবায় কৰ্ম (২৬) সূত্ৰক্ৰীড়া (২৭) বীণাডম্বৰুক বাদ্যানি (২৮) প্ৰহেলিকা (২৯) প্ৰতিমালা (৩০) দুৰ্ব্বচক যোগাঃ (৩১) পুস্তক বাচনম্ (৩২) নাটকাখ্যায়িকা দৰ্শনম্ (৩৩) কাব্যসমস্যা পূৰণম্ (৩৪) পট্টিকাবেত্ৰ বাণ বিকল্পাঃ (৩৫) তকু কৰ্মানি (৩৬) তক্ষণম্ (৩৭) বাস্তুবিদ্যা (৩৮) ৰূপ্যৰত্ন পৰীক্ষা (৩৯) ধাতুবাদঃ (৪০) মণিৰাজ্ঞানম (৪১) আকৰজ্ঞানম্ (৪২) বৃক্ষায়ুৰ্বেদযোগাঃ (৪০) মণিৰাগজ্ঞানম্ (৪১) আকৰজ্ঞানম্ (৪২) বৃক্ষায়ুৰ্বেদযোগাঃ (৪৩) অক্ষৰ মুষ্টিকা কথনম্ (৪৪) মেঘ কুক্কটশাৰক যুদ্ধ বিধিঃ (৪৫) শুকসাৰিকা প্ৰলাপনম্ (৪৬) উৎসাদনম্ (৪৭) কেশমাৰ্জ্জন কৌশলম্ (৪৮) ম্লেচ্ছিতকুতৰ্ক বিকল্পাঃ (৪৯) দেশভাষাজ্ঞানম্ (৫০) পুষ্পশকটিকানিৰ্মিতিজ্ঞানম্, (৫১) যন্ত্ৰমাতৃকাধাৰণমাতৃকা, (৫২) সম্পাট্যম্, (৫৩) মানসীকাব্যক্ৰিয়া (৫৪) অভিধান কোষঃ (৫৫) ছন্দোজ্ঞানম্ (৫৬) ক্ৰিয়া বিকল্পাঃ (৫৭) ছলিতক যোগাঃ (৫৮) বস্ত্ৰ গোপনানি (৫৯) দ্যুতবিশেষঃ (৬০) আকৰ্ষক্ৰীড়া (৬১) বালক্ৰীড়নকানি (৬২) বৈনায়িকীনাম

(৬৩) বৈজায়িকীনাম্ (৬৪) বৈতালিকীনাম্ (শৈৱতন্ত্ৰোক্তা লিখ্যান্তে) ইত্যাদি।

উক্ত চৌষষ্ঠীকলা বিদ্যাভ্যাস সম্পূৰ্ণ হোৱাৰ পিছত ৰাম কৃষ্ণই সান্দীপনি গুৰুক দক্ষিণা দিবলৈ ইচ্ছা প্ৰকাশ কৰাত তেওঁ সাগৰত পৰি নিমজ্জিত হোৱা পুত্ৰক আনি দিবলৈ প্ৰাৰ্থনা কৰিলে। মুলশ্লোকৰ অনুবাদ তুলি দিয়া হ'ল।

(১) হে ৰাজন্? সান্দীপনি মুনিৰ পুত্ৰ প্ৰভাস তীৰ্থত মহাসাগৰত ডুবি মৰিছিল। তেতিয়া কৃষ্ণ বলৰামে গুৰু দক্ষিণা গ্ৰহণৰ কাৰণে গুৰুৰ ওচৰত অনুৰোধ কৰাত মুনিয়ে তেওঁলোকৰ সেই অদ্ভুত মহিমা আৰু অতিমানৱীয় বুদ্ধি লক্ষ্য কৰি পত্নীৰ সহিত পৰামৰ্শ কৰি সেই মৃত পুত্ৰক দক্ষিণা স্বৰূপে পাবলৈ প্ৰাৰ্থনা কৰিলে।

গুৰুজনে অনুবাদ কৰিছে এনেকৈ ঃ

সসাঙ্গে জানিয়া শাস্ত্ৰ কৃষ্ণে একদিনা।
গুৰুক বোলন্ত বোলো কি দিবো দক্ষিণা।।
সত্বৰে কহিয়ো আত নাহি কিছু লাজ।
যেহি মনে বাঞ্চাহা সাধিবো সবে কাজ।।
অদ্ভুত মহিমা দুইৰো দেখি দ্বিজবৰ।
বোলন্ত নুহিকৈ ইটো মতি মনুষ্যৰ।।
ভাৰ্য্যায়ে সহিতে দুয়ো কৰি আলোচন।
দো ভাইকো বুলিলা বিপ্ৰে সম্বুধি বচন।।
শুনা ৰাম কৃষ্ণ নিষ্ঠ কৰি বোলো বাক।
মৰি আছে পুত্ৰ মোৰ আনি দিয়ো তাক।।
প্ৰভাস ক্ষেত্ৰত সাগৰত তল গৈল।
দুনাই নুপঙ্গিল প্ৰাণ পুতাই কিবা ভৈল।।
তাৰ শোকে সভাৰ্য্যে মৰোহো বুকু ফাটি।
জানো দিবে পাৰা তুমি সিটো পুত্ৰ গুটি।।
হিয়াৰ কৰিয়ো শোক শেলক উদ্ধাৰ।
তেৱেতো সম্পূৰ্ণে পাওঁ দক্ষিণা তোমাৰ।।
গুৰু পত্নী আসি আগে জুৰিলা ক্ৰন্দন।

শুনা যদুবংশী বাপ দৈৱকী নন্দন।।
সুমৰি পুত্ৰক ৰাত্ৰি দিনে ফুটে প্ৰাণ।
দিয়ো মাগো আঞ্চল পাতিয়া পুত্ৰ দান।।
কৃষ্ণৰ আগত পৰি সলোতক মুখে।
কৰন্ত বিলাপ বিপ্ৰ পত্নী মহা দুখে।।
মোক শোক সাগৰে কৰিয়ো পৰিত্ৰাণ।

(২) শিক্ষাগুৰুৱে মৃত পুত্ৰ লাভৰ কাৰণে দক্ষিণা স্বৰূপে তাকে বিচৰাত অসীম বিক্ৰমশালী বীৰ প্ৰবৰ কৃষ্ণ বলৰামে 'সেয়ে হওক' বুলি অঙ্গীকাৰ কৰি ৰথত উঠি প্ৰভাস তীৰ্থত উপস্থিত হৈ সমুদ্ৰতীৰলৈ গৈ কিছুসময় তাতে অৱস্থান কৰিলে। তেতিয়া সমুদ্ৰই তেওঁলোকৰ আগমন জানিব পাৰি পূজা উপহাৰ আদি আনি প্ৰদান কৰিলে।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

শুনি হৰি হাসিয়া দিলন্ত সমিধান।।
হে গুৰু গুৰু পত্নী খেদ এৰিয়োক।
আনি দিবো অৱশ্যে তোমাৰ মৰা পোক।।
পুত্ৰৱতে আমাক পঢ়াইলা সবে শাস্ত্ৰ।
গুৰু ঋণ শুজিবাক লাগৈ ভৈলে ছাত্ৰ।।
গুৰুক প্ৰণামি পাছে কাচ্ছি দুয়ো ভাই।
ৰথে চড়ি লৰি গৈলা ঘোৰাক ডকাই।।
প্ৰভাসৰ পথে দুয়ো বীৰ অনুক্ৰমে।
ৰথ ঘোৰে যান্ত দুয়ো দেৱতা উত্তমে।।
শৰীৰৰ কান্তি আতি কৰন্ত প্ৰকাশ।
দেখন্তে মনত মিলৈ পৰম উল্লাস।
সুকুমাৰ ধীৰ বীৰ পৰম গম্ভীৰ।
কতো বেলি পাইলা গৈয়া সাগৰৰতীৰ।।
উথলয় ঢউ আতি পৰ্বত আকাৰ।
বায়ুৰ আন্দোলে মহা উৰ্মি চমৎকাৰ।।
কুম্ভীৰ মগৰ গ্ৰাহ সঞ্চৰে প্ৰকটে।
ক্ষণেক তম্ভিল হেন সাগৰৰ তটে।।
আসিলা জগত গুৰু দেখি সিন্ধুৰাজ।

লৈয়া ৰত্ন সম্ভুত তেখনে ভৈলা বাজ।।
পাদ্য অৰ্ঘ্য দিয়া দুইকো পূজিলা সাদৰে।
কৰিলন্ত তুলি পৰি সপটে সাগৰে।।

(৩) তেতিয়া ভগৱান কৃষ্ণই সমুদ্ৰক ক'লে— এই প্ৰভাত তীৰ্থত যি বালকক তুমি বিশাল তৰঙ্গৰ দ্বাৰা গ্ৰাস কৰিছা, সেই বালক আমাৰ শিক্ষা গুৰুৰ পুত্ৰ। সেয়ে তেওঁলোকক তুমি সোনকালে সোধাই দিয়া।

(৪) সমুদ্ৰই ক'লে— হে দেৱ, হে কৃষ্ণ? আমি সেই দ্বিজ পুত্ৰক হৰণ কৰা নাই। পঞ্চজন নামৰ এটা মহান দৈত্য অসুৰে শংখৰূপ ধৰি আমাৰ জলৰ মাজত বিচৰণ কৰি অৱস্থান কৰিছে।

(৫) সেই পঞ্চজনেই দ্বিজপুত্ৰক অপহৰণ কৰিছে। শ্ৰীকৃষ্ণই সমুদ্ৰৰ কথা শুনি তৎক্ষণাৎ জলত প্ৰৱেশ কৰিলে আৰু অসুৰক বধ কৰিলে। কিন্তু অসুৰৰ উদৰৰ মাজত দ্বিজ পুত্ৰক দেখি নাপালে। তেতিয়া তেওঁ সেই অসুৰৰ শৰীৰৰ পৰা উৎপন্ন শংখটো লৈ ৰথত উঠিল।

(৬) তাৰ পিছত জনাৰ্দন শ্ৰীকৃষ্ণই বলৰামৰ লগত যমৰ অতি প্ৰিয় সঞ্জুমনী নামৰ নগৰলৈ আহি পাঞ্চজন্য শংখ ধ্বনি কৰিলে।

গুৰুজনাৰ অনুবাদত আছে ঃ

মাধৱে বোলন্ত ওবা শুনিয়ো সাগৰ।
গুৰুৰ পুত্ৰক আনি দিয়োক সত্বৰ।।
তোমাৰ জলতে সিটো তল গৈয়া আছে।
শুনি সিন্ধু কৰযোৰে বিনাৱন্ত পাছে।।
শুনিয়ো স্বৰূপে প্ৰভু জগতৰ স্বামী।
সিটো গুৰু পুত্ৰক নানিলো হৰি আমি।।
আছে ঐত মহা দুষ্ট গোটেক অসুৰ।
পাঞ্চজন্য নামে দৈত্য পৰম দন্দুৰ।।
মোহোৰ জলত ফুৰৈ শংখৰূপ ধৰি।
তযু গুৰু পুত্ৰক সেহিসে নিলে হৰি।।
যেন লাগে কৰা দেৱ প্ৰভু দিলো জান।
সমস্তৰে সাক্ষী তুমি আপুনি প্ৰমাণ।।

সাগৰৰ বাণী হেন শুনি তাৱক্ষণে।
দিলন্ত জলত বুৰ নামি নাৰায়ণে।।
চান্ত দিশ পাশ আতি আস্ফোট কৰিয়া।
উজাৰিল জল জন্তু পলাই ফাট দিয়া।
ফুৰন্ত আটোপে কৃষ্ণ জলক বিদাৰি।।
কতো বেলি পাইলা লাগ দৈত্যক বিচাৰি।।
দেখি ধৰিবাক চান্ত জগত আধাৰ।
উজাৰি দিলেক লৰ দৈত্য দুৰাচাৰ।।
গম্ভীৰ জলত পশি পলাই মহাবেগে।
পাছতে দিলন্ত লৰ কৃষ্ণো সেহি ছেগে।।
কুম্ভীৰক ভয়ে যেন মৎস্যক পলাই।
কৃষ্ণৰ আগত দৈত্য পতঙ্গ পৰাই।।
লীলায়ে ধৰিলা খেদি দেৱ নাৰায়ণ।
এৰাইবাক দোঙ্গা দোঙ্গি পাৰে পাঞ্চজন্য।।
দেখি দুয়ো হাতে আটিলন্ত বৰ চোটে।
পীড়া পায়া ৰুধিৰ ছাদিল দৈত্য গোটে।।
ধৰি জীয়ন্ততে তাৰ আন্ট দুই চাই চাইল।
গুৰুৰ পুত্ৰক তাত বিচাৰি নপাইল।।
শৰীৰৰ শংখ তাৰ লৈলন্ত পখালি।
পৰিবৰ্ত্তে ৰথত চৰিলা বনমালী।।
ৰথ বেগে গৈয়া লৰি পাছে ৰাম হৰি।
প্ৰবেশিলা সঞ্জুমণি যমৰ নগৰী।।
পূৰি পাঞ্চজন্য শংখ দেশৱে কুষ্কিলা।
শংখৰ শৱদে দশোদিশক পূৰিলা।
কম্পিল হৃদয় জগতৰ যত প্ৰজা।
শংখ ধ্বনি শুনি জানিলন্ত যমৰাজা।।
আমাৰ থানক আসিলন্ত দেৱ হৰি।
আগবাঢ়ি গৈলা লৰি পাদ্য অৰ্ঘ্য ধৰি।।

(৭) তেতিয়া জীৱশাসক যম ৰজাই শংখধ্বনি শুনি আহি ভক্তি সহকাৰে কৃষ্ণ বলৰামক অতিশয় পূজা কৰিলে।

(৮) তাৰ পিছত তেওঁ বিনয়াৱনত হৈ সৰ্বভূতাশ্ৰয় কৃষ্ণক ক'লে— হে বিষ্ণু। আপুনি লীলা প্ৰকাশৰ কাৰণে মানৱৰূপে অৱতীৰ্ণ হৈছে। আমি আপোনাৰ কি কাৰ্য সাধন কৰিব পাৰো আদেশ কৰক।

(৯) ভগৱানে ক'লে— হে মহাৰাজ যম! আমাৰ গুৰু পুত্ৰই নিজ কৰ্ম বন্ধনত বন্ধ হৈ এই ঠাইলৈ তোমাৰ ভৃত্যৰ দ্বাৰা আনীত হৈছে। এতিয়া তুমি আমাৰ আদেশ শিৰোধাৰ্য কৰি তেওঁক ওচৰলৈ লৈ আহা।

(১০) হে মহাৰাজ পৰীক্ষিত! যম ৰজাই "তাকেই কৰিম" বুলি স্বীকাৰ কৰি গুৰু পুত্ৰক আনি দিলে। তেতিয়া কৃষ্ণ বলৰামে গুৰু পুত্ৰক লৈ তেওঁৰ ওচৰলৈ আহিল আৰু গুৰুৰ হাতত পুত্ৰক তুলি "আৰু কি দক্ষিণা লাগে" বুলি কৈ তেওঁৰ ওচৰত নিবেদন কৰিলে।

(১১) গুৰুৱে ক'লে— বৎস! তোমালোক দুয়োজনে গুৰু দক্ষিণা সম্পূৰ্ণৰূপে প্ৰদান কৰিছা। তোমালোকৰ নিচিনা শিষ্যসকলৰ যি গুৰুৱে তেওঁৰ কামনাবোৰৰ মাজত কোনো কামনা পূৰ্ণ নোহোৱাকৈ থাকিব পাৰে?

(১২) হে বীৰ! তোমালোক নিজ গৃহলৈ গমন কৰা। তোমালোকৰ পৱিত্ৰ যশ, কীৰ্ত্তি বিস্তৃত হওক আৰু অধীনত বেদসমূহ ইহ পৰলোকত তোমালোকৰ সদায় অবিস্মৃত হৈ ৰওক।

(১৩) হে ৰজা পৰীক্ষিত! এনেদৰে গুৰুৰ আদেশ প্ৰাপ্ত হৈ কৃষ্ণ বলৰামে বায়ুৰ নিচিনা বেগী মেঘৰ দৰে শব্দিত ৰথত উঠি নিজ ৰাজ্যলৈ উভটি আহিল।

(১৪) প্ৰজাসকলে বহুদিন কৃষ্ণ বলৰামক দেখা নাই। সেয়ে তেওঁলোকে দুয়োজনক দেখা পাই নষ্ট ধন পুনৰ পোৱাৰ দৰে তেওঁলোক আনন্দিত হৈ উঠিল (ভাগ- ১০/৪৫/৩৭— ৫০)।

গুৰুজনাৰ অনুবাদখিনি তলত দিয়া হ'ল

কৃষ্ণক দূৰতে দেখি পৰি দণ্ডৱতে।
কৃষ্ণ কৃষ্ণ ৰড়িয়া প্ৰণামি প্ৰথমতে।।
ধুৱাইলা চৰণ দুইৰো কৰি বহুমান।
পাদোদকে সকুটুম্বে কৰিলন্ত স্নান।।

কৃষ্ণ দৰশনে হৃদি আনন্দে নগৰে।
মধুপৰ্ব পাদ্য অৰ্ঘ্য দিলন্ত সাদৰে।।
গন্ধে পুষ্পে ধূপে দীপে পৰম ভকতি।
কৰিলন্ত পূজা যমে যাৱত শকতি।।
সমস্ত প্ৰাণীৰ যিটো আছা হৃদয়ত।
হেন ঈশ্বৰক পায়া প্ৰত্যক্ষে আগত।।
কৰি কৰযোৰে যমে বুলিলন্ত স্তুতি।।
আজিসে পৰম মোৰ মিলিল মুকুতি।।
জগত তাৰণ ইটো তোমাৰ চৰণ।
কোন পুণ্যে আসিলা কৰাইলা দৰশন।।
ধ্যানতো নপাৱে চিন্তি যোগীজনে যাক।
হেন প্ৰভু দিলা দেখা আপুনি আমাক।।
সংসাৰ নিস্তাৰ কৰৈ যাৰ নাম গুণে।
লীলায়ে মনুষ্য চেষ্টা দেখাৱা আপুনে।।
পৰম ঈশ্বৰ ৰাখি ফুৰা ধৰ্ম সেতু।
ভৈলাহা বেকত জগতৰ মোক্ষ হেতু।।
হেৰা কৰো কৃষ্ণ কোটি শত নমস্কাৰ।
সৈতে তৈতে জন্ম কৰ্ম যিলোক আমাৰ।।
থাকোক ভকতি মাত্ৰ তোমাৰ চৰণে।
এহিসে কাৰণে প্ৰভু পশিলো শৰণে।।
জানা মই তোমাৰ কিঙ্কৰ হৃশীকেশ।
কোন প্ৰয়োজন সাধো কৰিয়ো আদেশ।।
তুমি পাতি আছা ইটো দিয়া অধিকাৰ।
ধনজন জীৱ যত সকলে তোমাৰ।।
বুলিলা অনেক আৰো প্ৰবোধ বচন।।
দিলন্ত উত্তৰ তাঙ্ক নাথ নাৰায়ণ।
যিকাৰ্য্যে আসিলো আমি শুনা ধৰ্মৰাজ।
আনি আছা গুৰু পুত্ৰ তোমাৰ সমাজ।।
আজ্ঞা পালা মোৰেসে তোমাৰ দোষ নাই।
দিয়া বিপ্ৰ পুত্ৰক সত্বৰে যমৰাই।।

গুৰুক দিবাক লাগে দক্ষিণা আমাৰ।
শুনি যমে দিলা আনি বিপ্ৰৰ কুমাৰ।।
ৰথে তুলি লৈয়া তাক ঘোৰাক ডকাই।
শীঘ্ৰে গুৰু গৃহ আসি পাইলা দুয়ো ভাই।।
মৃতক পুত্ৰক দিলা দক্ষিণা গুৰুক।
দেখিয়া বিপ্ৰৰ মহা মিলিল উৎসুক।।
ভাৰ্যায়ে সহিতে পাছে ধৰিলা পুত্ৰক।
হৰিষে বহৱে দুয়ো নেত্ৰৰ লোতক।।
পুত্ৰ পাই ভৈলা বিপ্ৰ পৰম আহ্লাদ।
দেন্ত ৰাম কৃষ্ণক অনেক আশীৰ্বাদ।

দুনাই দামোদৰে গুৰুক বোলন্ত
মোত নকৰিবা লাজ।
আৰ কিবা লাগে বুলিয়ো সত্বৰে
মোত নকৰিবা লাজ।
তুমি গুৰু মোৰ পৰম দেৱতা
পঢ়াইলা শাস্ত্ৰ সমস্ত।
শুনি সাঙ্গী পানি দিলা আশীৰ্বাদ
আনন্দে তুলিয়া হস্ত।।
ধন্য ৰামকৃষ্ণ সুসাৰ্থক শিষ্য
কোন আছে তুমি বিনা।
গুৰু ঋণ মানে সবেয়ো শুজিলা
সকলে পাইলো দক্ষিণা।।
মৃতক পুত্ৰক দেখিলো দুনাই
তোমৰা দুইৰ প্ৰসাদে।
তোমৰা দুই হান কীৰিতি থাকোক
মোৰ ইটো আশীৰ্বাদে।
চলিয়ো গৃহক একোৱে নলাগে
মহাতুষ্ট ভৈলো আমি।
অনুমতি পাই পাছে দুয়ো ভাই
গুৰুক গৈলা প্ৰণামি।।

ৰথত চৰিয়া আনন্দে লৰিলা
ৰাম কৃষ্ণ দুয়ো ভাই।
প্ৰজাৰ হৰিষে অমৃত বৰিষে
দুইৰো ৰূপ চাই চাই।।
দেখন্তে দীপিতি নখন্তে তৃপিতি
নভাসন্ত লোকে আন।
বায়ু সম বেগে পাইলা ৰামকৃষ্ণ
মথুৰাৰ সন্নিধান।।
মেঘে যেন গাজে ৰথ চক্ৰ ঘোষ
পূৰিলন্ত শংখধ্বনি।
আসিলন্ত ৰাম কৃষ্ণ দুই ভাই
ভৈল সবে জনাজনি।।
মথুৰাৰ প্ৰজা লৰিল উভটি
কৰিয়া আতি উৎসৱ।
গৈলা আগবাঢ়ি বসুদেৱ আদি
যতেক বন্ধু বান্ধৱ।।
বিস্তাৰ দিৱস কৃষ্ণক নেদেখি
আছিলা মৃতক প্ৰাই।
আনন্দ মূৰ্ত্তিক দেখি জীলে যেন
হৰাইবাৰ নিধি পাই।।
পিতৃক দেখিয়া দূৰতে ৰথৰ
নামিলন্ত কৃষ্ণ ৰাম।
অনেক সাদৰে প্ৰদক্ষিণে দুয়ো
কৰিলা কৰি প্ৰণাম।।
বসুদেৱে দুইকো বুকুত সাবটি
কান্দিলা আনন্দে আতি।
পুলকিত তনু লোতক বহয়
থাকিলা মৌনে নমাতি।।
আনো জ্ঞাতিসৱে ৰাম মাধৱক
কৰিলন্ত বহুমান।
কৃষ্ণ মুখ পদ্ম দেখি সুখী ভৈলা
জুৰাইল সবাৰো প্ৰাণ।।

চিত হৰিষিত তনু ৰোমাঞ্চিত
লোতক বহন্তে যায়।
মথুৰা বাসীৰ কৃষ্ণ মুখ দেখি
আনন্দৰ সীমা নাই।।
কুকৈ শংখ ভেৰী তবলা কাহাল
বাবৈ বীৰ ঢাক ঢোল।
জয় জয় কৃষ্ণ বুলিয়া জোকাৰ
প্ৰজাৰ আনন্দ ৰোল।।
যাক যেন যোগ্য কৰিলা গৌৰৱ
মাধৱ ৰামে আশেষ।
অনেক উৎসৱে পাছে মথুৰাত
দোভায়ো ভৈলা প্ৰবেশ।।
যতেক নাগৰী নাৰী চিৰকালে
দেখিয়া ৰাম মাধৱ।
এৰাইলা বিৰহ তাপ পুনৰপি
মিলিল মনে উৎসৱ।।
দিনান্তথ যেন চন্দ্ৰ দৰশনে
শৰীৰ শীতল হুই।
মোহন মূৰ্ত্তিক চাই নাৰীসৱ
শাৰী শাৰী উৰ্দ্ধমুই।
কৃষ্ণ মুখ পদ্ম মধু পিৱৈ যেন
নয়ন ভ্ৰমৰ ভৰি।
দ্ৰৱ ভৈল চিত্ত তনু ৰোমাঞ্চিত
লোতক পৰৈ নিঝৰি।
ৰূপ দেখি ভোল নাহি মাত বোল
চিত্ৰৰ যেন পুতলি।
লোকৰ আনন্দ বঢ়াই যদুৰাই
লীলা কৰি যান্ত চলি।।
গমন গম্ভীৰে ৰত্নৰ মন্দিৰে
প্ৰবেশিলা কৃষ্ণ ৰাম।
অনেক আদৰে মাতৃৰ চৰণে
কৰিলা পৰি প্ৰণাম।।

দৈৱকী ৰোহিণী ধৰি দোসতিনী
পুত্ৰ দুইৰ গলে বান্ধি।
শৰীৰক সবে হৰিষ লোতকে
তিয়াইলা আনন্দে কান্দি।।
আতি চিৰকালে দেখা দেখি হুই
সাৱটি আছিলা বুকে।
তনু মন প্ৰাণ সবেয়ো জুৰাইল
বোলন্ত আতি উৎসুকে।।
দেখিবাৰ নতু পলাই হাৰিয়াসে
থাকিবে নপাইলো চাই।
এতদিন কৈত আমাক এৰিয়া
আছিলা প্ৰাণ পুতাই।।
অনন্তৰে ৰাম মাধৱে প্ৰবোধ
কৰিলা মাৱক মাতি।
বৈকুণ্ঠৰ সুখ গৃহতে মিলিল
কৃষ্ণৰ প্ৰসাদে আতি।।
খণ্ডিল ললাট যতেক দুৰ্গতি
দুখ সেহিদিন হন্তে।
মনৰ আনন্দ সদায়ে নুগুচৈ
পুত্ৰৰ মুখ দেখন্তে।।
আনো যতজন ৰঞ্জিলা সবাকো
ৰাম কৃষ্ণ বুলি মাতি।
স্বৰ্গতো অধিক দেখিয় আনন্দ
মথুৰাত দিনে ৰাতি।
কৃষ্ণৰ প্ৰসাদে দুখ দূৰ ভৈল
নাই উপসৰ্গ ৰোগ।
ঘৰে ঘৰে ভৈল অচলা সাপত্তি
ইন্দ্ৰতো অধিক ভোগ।।
ইত্যাদি।

আদ্য দশম - গোপী উদ্ধৱ সংবাদ

শ্ৰীমদ্ভাগৱত মহাপুৰাণৰ ১০/৪৬/১— ৪৯ আৰু ১০/৪৭/১—৬৯ (৪৯ + ৬৯ = ১১৮) শ্লোক পৰ্যন্ত দুটি অধ্যায়ৰ বিষয় বস্তুক লৈ বিবৃত কথাখিনিকে “গোপী উদ্ধৱ সংবাদ” নামেৰে অভিহিত কৰা হৈছে। দুয়োটি অধ্যায়ৰ শ্লোক সংখ্যা সামৰি সৰ্বমুঠ এশ ওঠৰটি শ্লোকৰ দুশ বাৰন্নটি পদ ৰচনা কৰি কৃপালু গুৰু শঙ্কৰদেৱে এই অধ্যায়টিৰ এটি বিশেষত্ব প্ৰদান কৰিছে। এই খণ্ডটি মূল ভাগৱতৰ পৰা পৃথক অধ্যায় বা খণ্ড নহয়। গুৰুজনাইহে ইয়াক পৃথক কৰিছে। সেইকাৰণে অধ্যায়টিৰ আৰম্ভনিতে “জয় জগন্নাথ নাৰায়ণ নিৰঞ্জন” বুলি মঙ্গলাচৰণ আৰম্ভ কৰিছে। ইয়াৰ সাত চল্লিশ অধ্যায়ৰ দহোটি শ্লোক (১০/৪৭/১২—২১) “ভ্ৰমৰ গীত” নামেৰে প্ৰসিদ্ধ। ইয়াক উদ্ধৱ যান” বুলিও কোৱা হয়। বৰগীতত “উদ্ধৱযান” নামৰ কেইটিমান বৰগীতো আছে। সৰ্বমুঠ নটা গীত (শঙ্কৰদেৱ ৰচিত) সেই প্ৰসঙ্গৰ গীত আছে। যেনে—

(১) গীত ৰাগ ভূপালি, এতালি — বিৰহে আকুল গোপী হামাক নিমিত্ত।

(২) গীত ৰাগ ভূপালি পৰিতাল — নাহি সুহৃদ মোহে গোপিনী সমান।

(৩) গীত ৰাগ ভূপালি খৰমান — নাৰে নয়ক নিন্দ নাহি অন্ন পান।

(৪) গীত ৰাগ ভূপালি ধনশ্ৰী এতালি — কি কহব উদ্ধৱ কি কহব প্ৰাণ।

(৫) গীত ৰাগ ভূপালি ধনশ্ৰী পৰিতাল — ৰে সোই গোপাল পিয়াৰু।

(৬) গীত ৰাগ ভূপালি ধনশ্ৰী এতালি — মাঞিও মাধৱ বিৰহে।

(৭) গীত ৰাগ ভূপালি অহিৰ এতালি — গোৱিন্দ গুণ মন লাগি।

(৮) গীত ৰাগ ভূপালি অহিৰ জতিতাল — উদ্ধৱ বন্ধু মধুৰিপু প্ৰাণ হামাৰি।

(৯) গীত ৰাগ ভূপালি অহিৰ এতালি — কহ উদ্ধৱ জীউ।

আনহাতে গুৰুজনাৰ ৰচনাত অতিৰিক্ত আৰু কেইটিমান সেই প্ৰসঙ্গৰ গীত আছে। যেনে—

(১) গীত ৰাগশ্ৰী জতিতাল — উদ্ধৱ চলহু গোকুলে লাই।

(২) গীত ৰাগশ্ৰী তুড়বসন্ত জতিতাল— কহৰে উদ্ধৱ কহ প্ৰাণেৰ বান্ধৱ হে।

(৩) গীত ৰাগশ্ৰী কল্যাণ জতিতাল উদ্ধৱ বন্ধু মধুপুৰী ৰহল মুৰাৰু।

মাধৱদেৱ মহাপুৰুষৰ ৰচনাতো পোৱা যায়। যেনে—

(১) গীত ৰাগ শ্ৰী জতিতাল — গোকুলে আজু গোপাল বিনে ভয়ো আন্ধিয়াৰি।

(২) গীত ৰাগ কৌ, পৰিতাল — চলৰে চল বন্ধু উদ্ধৱহে। ইত্যাদি।

পূৰ্বোক্ত দুয়োটি অধ্যায়ত বৰ্ণিত 'গোপী উদ্ধৱ সংবাদ' কাহিনীটোৰ মূলৰ প্ৰথম শ্লোকত কৃষ্ণই উদ্ধৱক নন্দাদি গোপগণ আৰু যশোদাদি গোপীগণক সান্ত্বনা প্ৰদান কৰিবলৈ গোকুল যাত্ৰাৰ বাবে প্ৰেৰণ কৰিছে। কিন্তু গুৰুজনাৰ ৰচনাত মঙ্গলাচৰণৰ লগতে গোপ গোপীসকলে কৃষ্ণ অদৰ্শনত কেনেকুৱা ধাৰণা লৈ গোকুলত প্ৰতি নিয়ত বাস কৰি আছে, সেই বিষয়ত এটি সুন্দৰ বৰ্ণনা দি বিষয় বস্তুটি ৰসাল কৰি তুলিছে। তলত উদ্ধৃত কৰা হ'ল—

জয় জগন্নাথ নাৰায়ণ নিৰঞ্জন।
জয় দামোদৰ দেৱ দৈৱকী নন্দন।।
কৃষ্ণৰ চৰণে কৰি নতি বাৰশত।
শঙ্কৰে ৰচিলা কথা মহাভাগৱত।।
শুনা সৰ্বঝনে গোপী উদ্ধৱ সংবাদ।
কোটি জনমৰো কৰি পাতক উচ্ছাদ।।
নাহি ধৰ্ম কৃষ্ণ কথা শ্ৰৱণত পৰে।
যাক শুনি মহা মহা পাপীয়ো নিস্তৰে।।
গোকুলৰ হন্তে হৰি আসি মথুৰাক।
ৰঙ্গ মধ্যে বধি কংস দুৰ্জ্জন ৰাজাক।।
পিতৃৰ মাতৃৰ পাছে ছোড়িলা বন্ধন।
কৈলা উগ্ৰসেনক নৃপতি নাৰায়ণ।।
সান্দীপনি গুৰু গৃহে পঢ়িলা শাস্ত্ৰক।
গুৰুক দক্ষিণা দিলা মৃতক পুত্ৰক।।
ৰামে সমে মথুৰাক পুনৰপি আসি।
আছন্ত আনন্দে যদুকুলক প্ৰকাশি।।
শুক নিগদতি শুনিয়োক পৰীক্ষিত।
পাতকৰ যমদূত কৃষ্ণৰ চৰিত।
সেহি দিনা দামোদৰে ছাড়িলা গোকুল।

সেহি দিনা ধৰি গোপী সমস্তে আকুল।।
কৃষ্ণৰ বিৰহ তাপে আতি তনু তাৱে।
নাই আন বাক্য কৃষ্ণ গুণ মাত্ৰ গাৱে।।
কৃষ্ণ বিনে নাযায় আন বিষয়ক মতি।
কৃষ্ণক স্মৰন্তে আসৈ ক্ৰন্দন উভতি।
সেয়ে গোপীসকলে বংশীৰ শুনৈ ৰাৱ।
কৃষ্ণক সুমৰি মহা মৰ্মে দহৈ গাৱ।।
গোবৎসক দেখন্তে লোতক পৰে ঝৰি।
কান্দে মকমকি মনে মাধৱক স্মৰি।।
ধ্বজ বজ্ৰ অঙ্কুশে অঙ্কিত খোজ যত।
কদাচিত দেখৈ বৃন্দাবন প্ৰদেশত।।
শৰীৰত অগ্নি লাগি প্ৰাণ যায় ফুটি।
হা কৃষ্ণ বুলিয়া খোজতে পাৰে লুটি।।
আনিবাক যায় জল যতেক গোৱালী।
দেখৈ গৈয়া যমুনাৰ সুকোমল বালি।।
প্ৰাণ নাথ এৰে ঐত খেলাইলোহো খেৰি।
হা কৃষ্ণ বুলি তৈতে পৰি পাৰৈ গেৰি।।
দিন গোট যায় যুগ সহস্ৰ সমান।
সৰ্বদায়ে গোৱিন্দত অৰ্পিলেক প্ৰাণ।।
দেখিবো কমল নেত্ৰ আসিবন্ত হৰি।
আশাতেসে আছো কথমপি প্ৰাণ ধৰি।।
কৃষ্ণ বিনে যেন ভৈল গোপীৰ অৱস্থা।
ভকতৰ বান্ধৱ মাধৱে শুনি কথা।।
নসহে হৃদয় দুখে মনে গুণিলন্ত।
কিমতে কৰাইবো আৱে গোপী কাক শান্ত।।
কোনজনে সাধিবে ৰহস্য ইটো কাজ।
ই কথাক আনত কহন্তে আছে লাজ।।
হেন মনে গুণি হৰি আছন্ত আপুনি।
পৰম ভকত উদ্ধৱক পাইলা গুণি।।
ৰহস্য থানক লাগি তাঙ্ক মাতি আনি।
হাতত ধৰিয়া হাতে বুলিলন্ত বাণী।।

পূৰ্বোক্ত পদখিনি গুৰুজনাৰ সৃষ্টিমূলক বুলি জানিব পাৰি। মূলৰ কথাখিনি ইয়াৰ পিছৰ পৰাহে আৰম্ভ হৈছে। তথাপি গুৰুজনাৰ ৰচনাখিনিত পূৰ্বানুৰূপ সৃষ্টিমূলক বৰ্ণনা নিজৰ মতেৰে সমাপন কৰা হৈছে। পূৰ্বোক্ত দুয়োটি অধ্যায়ৰ সমস্ত শ্লোক বাদ নপৰাকৈ অনুবাদ কৰিছে আৰু মাজে মাজে শ্ৰীধৰ স্বামীৰ টীকাৰ অনুসৰণ কৰি নিজৰ ধাৰণাৰে সজোৱা হৈছে। প্ৰথম শ্লোকৰ পৰা ছয় শ্লোকলৈকে থকা বৰ্ণনাত কৃষ্ণই উদ্ধৱক গোকুললৈ পঠোৱা বিষয় সন্নিবিষ্ট আছে। কৃষ্ণৰ আজ্ঞা পাই উদ্ধৱ ক্ষন্তেকো নৰৈ গোকুললৈ যাত্ৰা কৰিছে আৰু কৃষ্ণক তাৰ উত্তৰো দিয়া নাই। কিন্তু গুৰুজনে কৃষ্ণৰ আজ্ঞা পাই উদ্ধৱে কেনেকৈ তাৰ উত্তৰ দিছে আৰু কেনেকৈ মনৰ মাজলৈ সাচ্চিন্তা আনিছে, পদত বহল ৰূপত প্ৰকাশ কৰিছে। যেনে —

শুকনিগদতি ৰাজা শুনা আত পৰে।
যেৱে হেন আদেশ কৰিলা দামোদৰে।।
কৃষ্ণ বাক্য সন্দেশক লৈলন্ত গৌৰৱে।
কৃতাঞ্জলি হুয়া পাছে উঠিলা উদ্ধৱে।।
মাধৱক অনেক বুলিলা তুতি বাক।
তোমাৰ পাৱত সুম্পি আছো আপোনাক।।
হেন জানা নাথ মই তয়ু নিজ ভৃত্য।
কিনো ভাগ্য মোহোৰ কৰিবো প্ৰভু কৃত্য।
কৰিলা সাদৰে প্ৰদক্ষিণ বাৰ সাত।
প্ৰণামিলা যোৰহাতে কৰি প্ৰণিপাত।
মাখিলা মাথাত তুলি কৃষ্ণ পদ ধূলি।
পাচ ভৰি লৰি ভৈলা জয় কৃষ্ণ বুলি।
হৃদয় পদ্মত ধৰি কৃষ্ণৰ চৰণ।
মুখে মাধৱৰ নাম কৰিয়া কীৰ্তন।।
সুৱৰ্ণ ৰচিত ৰথে চড়ি মহামতি।
উদ্ধৱ মহন্ত গৈলা গোকুলক প্ৰতি।

সূৰ্যাস্তৰ লগে লগে উদ্ধৱ গোকুলত উপস্থিত হ'ল আৰু নন্দাদি গোপসকলৰ দ্বাৰা অভ্যৰ্থিত হ'ল। নন্দৰ লগত হোৱা আলাপৰ বিষয় সম্পৰ্কত মূলৰ লগত পদৰ সামান্যও ভিন্ন নাৰাখি আৰু মাজে মাজে দুই এপদ ৰসাশ্ৰিত ৰূপ দি গুৰুজনাই ইয়াক সুন্দৰকৈ সজাইছে। মূলত নন্দৰ

বাক্যৰ পিছত যশোদাই শোকাভিভূত হৈ নিজৰ কোনো বাক্য প্ৰকাশ কৰিব পৰা নাই (১০/৪৬/২৮)। কিন্তু গুৰুজনে যশোদাৰ মুখেদি কৃষ্ণৰ গুণ বৰ্ণনা দি বিষয়টি কৰুণ ৰসাস্বাদন কৰাইছে। যেনে—

ধাৰায়ে বহৰে দুয়ো নেত্ৰৰ লোতক।
কৰিলা বিলাপ স্মৰি মাধৱ পুত্ৰক।
হা কৃষ্ণ বাপ মোৰ গৈলে পৰিহৰি।
সিটো মুখ নেদেখিয়া জীও কেন কৰি।।
মোৰ জীৱধন পুত্ৰ নাহিকৈ অঙ্গনে।
ভৈলো অনাথিতি সিটো পুত্ৰ অবিহনে।।
শুন্য ভৈল বৃন্দাবন গোকুল আমাৰ।
কৃষ্ণ সূৰ্য বিনে দেখো দিনতে আন্ধাৰ।।
ইটো ধন গোধনক সাঞ্চো কাৰ তৰে।
কমল লোচন পুত্ৰ নাই মোৰ ঘৰে।
মোক আই বুলি কোনে লগাই বেক মাত।
ইহাকেসে সুমৰন্তে অগ্নি লাগৈ গাত।।
বৃন্দাবন কালিন্দীক দেখি কুটে প্ৰাণ।
সিটো প্ৰাণকৃষ্ণৰ এহিসে ক্ৰীড়া স্থান।।
আতিশয় পোৰৈ বুক দেখি ধেনুগণ।
আকে চৰাই ফুৰাইলন্ত কমল লোচন।।
ভৈল গৃহ অঙ্গিনা গোৱিন্দ বিনে বন।
একো গৃহ কৃততে নপৰৈ মোৰ মন।।
ইহাতেসে অধিকে হৃদয় কৰৈ তাপ।
উলটিয়া শুদ্ধি নকৰিলা কৃষ্ণ বাপ।।
কোন অপৰাধে পুত্ৰ গৈলে পৰিহৰি।
আশাতেসে আছো কথমপি প্ৰাণ ধৰি।।
মঞি বোলো প্ৰাণ পুত্ৰ আসিলন্ত পৰা।
আৱেসে জানিলো মঞি জীৱন্ততে মৰা।।
হৰি হৰি প্ৰাণ পুত্ৰ কুলৰ নন্দন।
এহি বুলি মক মকি কৰন্ত ক্ৰন্দন।।
কৃষ্ণক সাৰন্তে আতি লোতক ঝৰয়।
মৌন হুয়া থাকিলন্ত দেখি কৃষ্ণময়।। ইত্যাদি।

ভাগৱত ১০/৪৬/২৯—৪৯ লৈকে সৰ্বমুঠ একৈশটি শ্লোকত উদ্ধৱে নন্দ যশোদাক সান্ত্বনা প্ৰদান আৰু নন্দালয়ৰ সমুখত সুৱৰ্ণৰ ৰথ দেখি গোপীসকলৰ আশ্চৰ্যবোধৰ সবিশেষ কাহিনীৰ অৱতাৰণা কৰা হৈছে। ইয়াৰ মাজতো গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনা আছে আৰু শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাবো পৰিছে। উদাহৰণ স্বৰূপে উদ্ধৱে নন্দ যশোদাক সান্ত্বনা বাণী শুনোৱাৰ মাজতে কৃষ্ণৰ ৰূপ বৰ্ণনা আৰু গোকুলত কৃষ্ণৰ লীলা কাহিনী অতি সংক্ষিপ্ত ৰূপত প্ৰকাশ কৰিছে। অথচ সেইখিনি মূল শ্লোকত প্ৰভাৱ ভগৱান কৃষ্ণৰ চৰণত ভক্তি কৰিলে বা তেওঁক স্মৰণ কৰিলে যে তেওঁৰ সমান ৰূপ পাব পাৰি আৰু সেই ৰূপনো কেনেকুৱা, তাকে উদ্ধৱে নন্দ যশোদাৰ আগত ব্যক্ত কৰিছে এনেকৈ—

এহি কৃষ্ণ ৰূপত বাৰেক যিটো নৰে।
অন্তকালে ক্ষণিতেক মাত্ৰ মনে স্মৰে।।
এতেকে সমস্তে তাক এৰৈ কৰ্ম্ম বন্ধে।
পৰম বৈষ্ণৱ জ্ঞান পাৱৈ অপ্ৰৱন্ধে।
কৃষ্ণৰ সমান ৰূপ পাৱৈ চতুৰ্ভুজ।
সজল জলদ শ্যাম শৰীৰ নীৰুজ।।
জ্বলৈ পীত বস্ত্ৰে যেন মেঘত বিজুলি।
শংখ চক্ৰ গদা পদ্ম কৰে ধৰে তুলি।।
কাঙ্কণ কেয়ুৰ হাৰ কিৰীটি উজ্বল।
মকৰ কুণ্ডল কৰ্ণে কৰৈ জলমল।।
গলে বনমালা জ্বলৈ আপাদ লম্বিত।
ৰত্নৰ নূপুৰে পদ পঙ্কজ ৰঞ্জিত।।
মাধৱৰ পাৰিষদে বিমানত চড়ি।
ততকালে বৈকুণ্ঠপুৰক যাই লড়ি।
এতেকে জানিবা কৃষ্ণ নোহন্ত মানুষ।
জগতৰ আত্মা এন্তে পৰম পুৰুষ।।
শুনিয়ো যশোদা কিয় নপৰে মনত।
প্ৰত্যক্ষে দেখিছা তুমি কৃষ্ণৰ মহত্ত্ব।।
আতিশয় শিশু কৃষ্ণে ত্ৰিতয় মাসতে।
উভতাইলা শকতক চৰণ আঘাতে।।

পূতনা ৰাক্ষসী দিলা বিষস্তন দান।
স্তন পানে কৃষ্ণে তাইৰো শুষিলন্ত প্ৰাণ।।
চক্ৰবাতে তোমাৰ আগতে নিল হৰি।
তাৰো প্ৰাণ লৈলন্ত গলত চিপি ধৰি।।
মাটি খাইলে বুলি তুমি ধৰিলা হাতত।
বাইলা বেন্ত শিশু কৃষ্ণে তোমাৰ আগত।।
গৰ্ভতে দেখিলা তুমি ভুবন চৈধ্যয়।
হেনকি কৃষ্ণক কৰা মনুষ্যৰ নয়।।
ভাঙ্গিলা দধিৰ ভাণ্ড কৃষ্ণে শিলা হানি।
বান্ধিবে লাগিলা তুমি উড়ুখলে টানি।।
মেহ্লাইবাক নোজোৰৈ গৃহৰ যত জৰি।
হেনকি কৃষ্ণক কৰা মনুষ্যৰ সৰি।।
উভাৰিলা অৰ্জ্জুনক টানি উড়ুখল।
কালিক দমিয়া হ্ৰদ কৰিলা নিৰ্ম্মল।।
পিলা বনাগ্নিক দেখিলাহা বিদ্যমান।
অথ বক বৎসৰো লীলায়ে লৈলা প্ৰাণ।।
সাত বৰিষৰ শিশু আতি আড়ম্বৰে।
গিৰি গোবৰ্দ্ধনকে ধৰিলা বাম কৰে।।
ঘোৰ বৃষ্টি বাতত ৰাখিলা গোপ পুৰ।
কৰিলন্ত লীলায়ে ইন্দ্ৰৰো দৰ্পচুৰ।।
প্ৰলম্ব অৰিষ্ট ধেনুকাৰো লৈলা প্ৰাণ।
ভাঙ্গিল কংসৰ ধনু তিনি তাল মান।।
চৰৰতে ধোৱাৰ ছিণ্ডিলা মুণ্ড হৰি।
ৰাজপথে থৈলন্ত কুব্জীক ঋজু কৰি।।
মুষ্টিক চাণূৰ কেসী কংস কুবলয়।
অযুত হস্তীৰ বল দেৱতো দুৰ্জ্জয়।।
সবাকো পেলাইলা কৃষ্ণে কটাক্ষে সংহৰি।
যেন ক্ষুদ্ৰ হৰিণক প্ৰমত্ত কেশৰী।
সান্দীপনি গুৰু গৃহে পঢ়িয়া শাস্ত্ৰক।
গুৰুক দক্ষিণা দিলা মৃতক পুত্ৰক।।

ই কি মনুষ্যৰ কাৰ্য দেখা বিদ্যমান।
এতেকে জানিবা কৃষ্ণ পুৰুষ প্ৰধান।।
পৰিপূৰ্ণ কাম কৃষ্ণ ত্ৰৈলোক্যৰ পতি।
কাৰণেসে ধৰি আছা নৰৰ আকৃতি।।
তান্তে উপজাইলা প্ৰেম ভকতি বিশেষ।
ভৈলা কৃতকৃত্য দুয়ো নাহিকে সন্দেশ।। ইত্যাদি।

এই অধ্যায়ৰে ঊনচল্লিশ সংখ্যাৰ শ্লোকটিৰ শ্ৰীধৰ স্বামী টীকাৰ অনুসৰণ কৰিছে। যেনে— সোঽপিজন্মকৰ্মাদিহিতোদঽপি ক্ৰীড়া প্ৰয়োজনঃ সন্ সাধূনাং পৰিপালনায় সদসৎ মিশ্ৰযোনিষু সাত্ত্বিক ৰাজস তামস যোনিষু, যদ্বা দেৱাদি মৎস্যাদি নৃসিংহাদি যোনিষু কল্পতে আৱিৰ্ভৱতীত্যৰ্থঃ।। অৰ্থাৎ গুৰুজনাৰ ৰচনাক্ৰমে এনেকৈ আছে—

তথাপিতো ভকতৰ ৰক্ষাৰ কাৰণে।
লীলায়ে ধৰন্ত অৱতাৰ নাৰায়ণে।।
বহুবিধ ধৰা ৰূপ জগতৰ নাহ।
মৎস্য কচ্ছপ নৰ নৃসিংহ বৰাহ।
দেৱ ঋষি ৰূপে কতো হুয়া অৱতাৰ।
দুৰ্জনক দণ্ডিয়া খণ্ডিলা ভূমি ভাৰ।।

এই অধ্যায়ৰে চৌৰাল্লিশ সংখ্যাৰ শ্লোকৰ পৰা ঊনপঞ্চাশ সংখ্যাৰ শ্লোকলৈকে থকা কাহিনীটিত গুৰুজনাৰ সৃষ্টিমূলক কিছু প্ৰলেপ পৰিছে আৰু শেষৰ শ্লোকৰ ভাঙ্গনিত (১০/৪৬/৪৯) শ্ৰীধৰ স্বামীৰ টীকাৰ আশ্ৰয় লোৱা হৈছে। নন্দ যশোদাৰ লগত উদ্ধৱৰ আলাপ সেইদিনা সন্ধ্যাৰ পৰা প্ৰাতঃ সময়লৈকে অতিবাহিত হৈছিল (১০/৪৬/৪৪)। গোপীসকলে প্ৰাতঃ সময়ত নিত্য কৃত্য সমাপন কৰিছিল। ইয়াৰ আগতে তেওঁলোকে গৃহমাৰ্জন, দীপ প্ৰজ্বলন কৰি দধি মথন কৰোঁতে তাৰ পৰা উদ্ভুত ধ্বনি আৰু কৃষ্ণলীলা গুণ গান কৰা বিষয়টি প্ৰকাশ পাইছে। সেই বৰ্ণনাত গুৰুজনাৰ কাপৰ পৰা ৰসাল আৰু কৃষ্ণ লীলা তত্ত্বৰ চমু আভাস এটিও ফুটি উঠিছে। গোপীসকলে সূৰ্যোদয়ৰ পিছত ঘৰৰ পৰা বাহিৰ হৈ ওলাওঁতে নন্দালয়ৰ চোতালত সুবৰ্ণৰ ৰথ এখন দেখা পাই আশ্চৰ্যবোধ কৰিলে আৰু কংস প্ৰেৰিত অক্ৰুৰ পুনৰ আহিছে নেকি বুলি ভাবিবলৈ ধৰিলে। সেই প্ৰসঙ্গতে মূলৰ "প্ৰেতস্য

নিষ্কৃতিম্” (ভাগ-১০/৪৬/৪৯) শব্দ দুটিৰ আধাৰত শ্ৰীধৰ স্বামীৰ “প্ৰেতস্য মৃতস্য কংসস্য, নিষ্কৃতি ঔৰ্দ্ধ দৈহিকং.... অস্মৎ মবং সৈঃ পিণ্ডান্ কৃত্বা দাস্য তাত্যৰ্থঃ” এই ব্যাখ্যাৰ ভিত্তিত গুৰুজনাই পদ ভাঙ্গনি কৰি এনেকৈ লিখিছে—

কেহো বোলে শুন সখী মাৰিল কংসক দেখি
প্ৰয়োজন সাধিবাক তাৰ।
আমাৰ মাংসক কাটি দিবে তাৰ পিণ্ড বাটি
ইসে কাৰ্য্যে আসিল ইবাৰ।।

সামান্য মাত্ৰ মূলক সমুখত ৰাখি গুৰুজনাই সমস্ত কাহিনীটি বহলকৈ তাৰ ভাব প্ৰকাশ কৰা কথাখিনি তলত উদ্ধৃত কৰা হ'ল। (গোপীসকলে দধি মন্থন কৰোঁতে উদ্ভৱ হোৱা ভাৱনা প্ৰকাশৰ বিষয়)

শৰীৰ শিহৰৈ বৰে ধাৰায়ে লোতক পৰে
তন্তি থাকৈ মথনিক এৰি।
কতো গোপী গান্ত গীত ধৰিবে নুৱাৰৈ চিত
কৃষ্ণ কৃষ্ণ বুলি পাৰৈ গেৰি।
কতো মনে ধ্যান কৰি হিয়াত কৃষ্ণক ধৰি
চৰণত চুমা পাৰৈ ভোলে।
মথন শৱদ ছনি কৃষ্ণৰ কীৰ্তন ধ্বনি
স্বৰ্গক লংঘিল সিটো ৰোলে।।

উদ্ধৱৰ সুবৰ্ণৰ ৰথখন দেখি ঃ

সূৰ্য্য সম কৰৈ কান্তি আৰিছে কিঙ্কিণী পান্তি
ৰত্নচয় প্ৰকাশে প্ৰচুৰ।
দেখি গৈয়া বিদ্যমান সোধে ইটোকাৰ যান
কোন আসি আছে গোপপুৰ।।
কতো কতো গোপীজাক ক্ৰোধমনে বোলৈ বাক
যোনো আইল ক্ৰূৰ অক্ৰূৰ।
কংসৰ আদেশ কৰি কমললোচন হৰি
লৈয়া যিটো গৈল মধুপুৰ।।

পৃথিৱীত তাক সৰি নাহিকে আমাৰ বৈৰী
কাঢ়ি নিলে গোপাল প্ৰাণক।
কংসৰাইক মথুৰাতে মৰায়া কৃষ্ণৰ হাতে
দুনাই কিয় আইল গোকুলক।।

....

....

হা কিনো ভৈল দুখ নেদেখিলো সিটো মুখ
পঙ্কজ লোচন চাৰু হাস।
কতনো অধৰ্ম কৈলো গোপালে বঞ্চিত ভৈলো
বুলি কতো ফোকাৰে নিশ্বাস।। ইত্যাদি।

মূলৰ সাতচল্লিশ অধ্যায়ৰ পৰাহে প্ৰকৃত "গোপী উদ্ধৱ সংবাদ" বৰ্ণনা আৰম্ভ হৈছে। নন্দালয়ৰ দ্বাৰত সুবৰ্ণৰ ৰথখনি দেখা পাই গোপীসকলে তাৰ অনুসন্ধান কৰি বুজিব পাৰিলে যে প্ৰকৃততে সেইখন ৰথ তেওঁলোকৰ বৈৰী অক্ৰূৰৰ নহয়, কোনোবা কৃষ্ণবেশ তুল্য শোভিত কোনো প্ৰেৰিত দূত। মূলত উদ্ধৱৰ বেশ-ভূষণ, সুদৰ্শন পুৰুষৰ সামান্য বৰ্ণনা কৰিছে আৰু গুৰুজনাৰ ৰচনাতো সামান্যভাবেই প্ৰকাশ পাইছে। কৃষ্ণ প্ৰেৰিত দূত বুলি জানি গোপীসকলে উদ্ধৱক চতুৰ্দ্দিশে আবেষ্টন কৰি পেলালে আৰু নিভৃত স্থানলৈ মাতি নি তেওঁলোকে আবেগিকভাবে নিজৰ অভিমত প্ৰকাশ কৰিলে। প্ৰথম শ্লোকৰ পৰা এঘাৰ সংখ্যাৰ শ্লোকলৈকে থকা কথাখিনি গোপীসকলে স্বাভাৱিক ধৰণেই উদ্ধৱক কৈ আছিল আৰু কোনো লজ্জাবোধ কৰা নাছিল। তেওঁলোকৰ মানসিক ভাৰসাম্য হেৰাই গৈছিল যদিও মনৰ কথা ব্যক্ত কৰিবলৈ কোনো সুযোগ-সুবিধা নাছিল। কৃষ্ণ বিৰহ ব্যাকুলা গোপীসকলেনো তেওঁলোকৰ বেদনাহত অৱস্থাৰ কথা কাৰ আগত ব্যক্ত কৰিলে সান্ত্বনা লভিব, সেই বিষয়ে উৱাদিহ বিচাৰি নাপাইছিল। তেওঁলোকে ক'বলীগীয়া অভিযোগসমূহত প্ৰেমাস্পদ ভগৱান কৃষ্ণৰ অতি গোপনীয় অথবা ৰহস্য তত্ত্বসমূহ তেওঁলোকৰ মনৰ নিভৃতকোণত সঞ্চিত আছিল। অৱশ্যে যাৰে-তাৰে সমুখত সেইখিনি ক'বলৈকো অসুবিধা। কিন্তু মনৰ ক্ষোভ প্ৰকাশ কৰিবলৈ কৃষ্ণ প্ৰেৰিত দূত উদ্ধৱৰ মন জুখিব পৰা হৈছিল, তেওঁৰ মনৰ কোমলতা তেওঁলোকে কাষ চাপি বুজিব পাৰিছিল। গোপীসকলৰ মনত কিন্তু

ক্ৰোধ বহ্নিও জ্বলি আছিল। নব পৰিচিত ব্যক্তিজনৰ ওচৰত অথবা সমুখত সেই ক্ৰোধ বহ্নি উদ্‌গীৰণ অথবা বিষোদগাৰ কৰিব পৰা নাছিল। সেই কাৰণে তেওঁলোকে হঠাতে সমুখতে এটি ভ্ৰমৰক দেখা পাই তাকে অৱলম্বন কৰি অথবা সাক্ষী কৰি লৈ উদ্ধৱৰ আগত নিজৰ মনৰ ক্ষোভ প্ৰকাশ কৰিবলৈ ধৰিলে। এই অধ্যায়ৰ বাৰ সংখ্যাৰ পৰা একৈশ সংখ্যাৰ শ্লোক পৰ্যন্ত থকা কথাখিনিকে 'ভ্ৰমৰগীত' নামেৰে অভিহিত হৈছে। ইয়াক 'উদ্ধৱযান' বুলিও কোৱা হৈছে। পূৰ্বোক্ত 'ভ্ৰমৰ গীত'ৰ দহোটি শ্লোকৰ পদত গুৰুজনাই কৰুণ ৰসৰ অপূৰ্ব সমাহাৰ সংযোজন কৰিছে। গোপীসকলৰ কথাৰে মধুকৰৰ লগত তুলনা কৰি কৰুণ ৰসসিক্ত, বেদনাসিক্ত বহু কথা নিজৰ অন্তৰত আৱদ্ধ হৈ থকা আৱেগিক বিষয় খোলোচাকৈ নিবেদন কৰিছে। ইয়াক গুৰুজনাই অনুবাদ কৰোতে প্ৰাণ ঢালি দিছে আৰু প্ৰেমৰসতত্ত্বখিনি প্ৰধান ভক্তি ৰসৰ লগত সম্পৰ্ক ৰাখি স্বাভিমত স্থাপনেৰে অধিক ৰসাল কৰি তুলিছে। প্ৰেম ৰসৰ যোগেদি গোপীসকলৰ ঐকান্তিক নিষ্ঠাপৰ বিষয়টি ভক্তি ৰসাশ্ৰিত কৰিবলৈ গুৰুজনাই অধ্যায়টি পৃথক ৰূপে টানি আনিছে। মূলক সাক্ষী মাত্ৰ কৰি নিজৰ মতেৰে ৰসাল কৰি তাক সজোৱাটো গুৰুজনাৰ স্বভাবসিদ্ধ কথা। এই অধ্যায়তো গুৰুজনাই নিজৰ ধাৰণাৰে বিষয়টি সজাইছে। 'ভ্ৰমৰ গীত'ৰ দহোটি শ্লোকৰ বৰ্ণনা অতি তাৎপৰ্যপূৰ্ণ, গুৰুত্বপূৰ্ণ আৰু অৰ্থপূৰ্ণ। কৃষ্ণৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেমাবেশ, ভক্তিৰ নিদৰ্শন এই শ্লোক কেইটিতে পৰিস্কাৰ হৈছে। ওপৰে ওপৰে নিৰীক্ষণ কৰিলে শ্লোকাৰ্থ মৰ্ম হৃদয়ঙ্গম কৰা অত্যন্ত সহজ সাধ্য হৈ উঠিছে। মাজে মাজে গুৰুজনাই বুজাত সহজ হোৱাকৈ শব্দ আৰু বাক্য সংযোজনেৰে অধিক ৰসাল কৰি তুলিছে।

ভক্ত উদ্ধৱে গোপীসকলৰ ঐকান্তিক কৃষ্ণ ভক্তিৰ নিদৰ্শন দেখি আশ্চৰ্য বোধ কৰিলে আৰু প্ৰশংসা কৰিবলৈ ধৰিলে। গোপীসকলৰ প্ৰতি উদ্ধৱৰ সান্ত্বনা বাণী আৰু প্ৰশংসা বাণী এই অধ্যায়ৰ তেইশ শ্লোকৰ পৰা সাতত্ৰিশ শ্লোক পৰ্যন্ত সৰ্বমুঠ পোন্ধৰটি শ্লোকত বৰ্ণনা কৰা হৈছে। এইখিনি কথাও অতি তাৎপৰ্যপূৰ্ণ আৰু তত্ত্বপূৰ্ণ। উদ্ধৱৰ যোগেদি গোপীসকললৈ কৃষ্ণদেৱে দি পঠোৱা মহত্ত্বপূৰ্ণ উপদেশসমূহত যথেষ্ট গুৰুত্ব আছে। 'ভ্ৰমৰ গীত'ৰ শেষত উদ্ধৱে তাৰ উত্তৰ স্বৰূপে বৰ বহলকৈ কৈছে। কিন্তু গুৰুজনাই ইয়াৰ মাজত

অলপ নতুন যোগ দিছে এনেকৈ। যেনে—

এহিমতে মাতৈ প্ৰেমভাৱে হুয়া মত্ত।
চেতন নাহিকৈ একো গোপীৰ গাৱত।।
দেখিদেন্ত বহুবিধ প্ৰবোধ উদ্ধৱ।
আসিবা অৱশ্যে ঐক্য প্ৰাণৰ বান্ধৱ।।
হুয়ো স্বস্থ গোপগণ পাইবা ভগৱন্ত।
সবাৰো কৰিবা দামোদৰ দুখ অন্ত।।
কৃষ্ণক দেখিতে আউৰ চিন্তা কৰা কিক।
জানো তুমিসৱ তান প্ৰাণতো অধিক।।
তোমাসাক স্মৰি মাধৱৰ স্বস্থ নাই।
তাতেসে আমাক ঐক দিলন্ত পঠাই।।
হেন শুনি কতোক্ষণে শান্ত ভৈল চিত্ত।
দুনাই কৃষ্ণ কথা সবে লাগিলা হৃছিত।।
হৰিষতে সোধে কথা কহিয়ো উদ্ধৱ।
গুৰু গৃহ হন্তে পঢ়ি আসিলা মাধৱ।।
দৈৱকী নন্দন যিটো অগতিৰ গতি।
কুশলে কি মথুৰাত আছন্ত সম্প্ৰতি।।
আউৰ কি আমাত মাধৱৰ পৰে চিত্ত।
আমি কিঙ্কৰীৰ কথা কন্ত কদাচিত।
অগৰু সুগন্ধি সিটো মাধৱৰ হাত।
কৈসানিনো থৈবা আমি আমাৰ মাথাত।।
এতেকে বোলন্তে লোহ পৰৈ সৰসৰি।
মাতিবে নপাৰে আউৰ মাধৱক স্মৰি।।ইত্যাদি।

উদ্ধৱে গোপীসকলক নানা সান্ত্বনা বাণী শুনোৱাৰ পিছত গোপীসকলে সুকীয়াকৈ নিজ নিজ অভিমত আৰু ধাৰণাবোৰ তেওঁৰ আগত মুকলিকৈ প্ৰকাশ কৰিলে। তেওঁলোকৰ কৃষ্ণ প্ৰেম দেখি শুনি উদ্ধৱে আশ্চৰ্যবোধ কৰিলে (১০/৪৭/৩৯—৫২)। মূলত গোপীসকলৰ উক্তিৰ পিছত কোনো কথা উদ্ধৱে কোৱা নাই। মাত্ৰ "গোপীনাং বিনুদন্ শুচঃ" (১০/৪৭/৫৪)

বুলিছে অৰ্থাৎ "গোপীসকলৰ শোকতাপ দূৰ কৰি" বুলিহে কৈছে। কিন্তু গুৰুজনাই তাৰে গইনা কৰি লিখিছে এনেকৈ—

এহিমতে মাধৱক স্মৰি প্ৰেমভাৱে।
কান্দে গোপীগণ নিৰন্তৰে আৰ্ত্তৰাৱে।
দেখিয়া উদ্ধৱ ভৈলা সজল নয়ন।
বুলিলা সবাকো মাতি প্ৰবোধ বনে।
পৰিহৰা শোক সৱে থিৰ কৰা মতি।
হেন জানা পাইলা সিটো কৃষ্ণক সম্প্ৰতি।।
তাঙ্ক লাগি তুমি সৱ যিমত ব্যাকুল।
তোমাসাক লাগি কৃষ্ণ তেহ্নয় আকুল।।
ভকতৰ বশ্য হৰি জানিবা নিশ্চয়।
তোমাসাৰ দুখক খণ্ডিবা কৃপাময়।।
আপুনাতো কৰি ভকতক দায়া বৰ।
কৃষ্ণক অল্পতে পাইবা চিত্ত কৰা দঢ়।।
কি কহিবো তোমাসাৰ ভাগ্যক সম্প্ৰতি।
বিৰহত এতমান সাধিলা ভকতি।।
অনেক জনমে যাক মুনিয়ো নপাৱে।
হেন গোবিন্দক সদা ভজা প্ৰেমভাৱে।।
এৰিলাহা পতি পুত্ৰ গৃহ বিপৰীত।
কৃষ্ণতে অৰ্পিলা নিৰন্তৰে প্ৰাণ চিত্ত।।
মোৰ কিনো ভাগ্য ভৈল বিধাতা প্ৰসন্ন।
হেন লাগ ভকতৰ দেখিলো চৰণ।।
উদ্ধৱৰ প্ৰবোধে জুৰাইলা গোপীগণ।
এৰায়া বিৰহ তাপ ভৈলা সন্ধুক্ষণ।।

ভাগৱত ১০/৪৭/৫৭ শ্লোকাংশ "গোপীনাং কৃষ্ণ বেশাত্মবিক্লৱম্". ইয়াৰ আধাৰত গুৰুজনাই এনেকৈ বৰ্ণনা কৰি দেখুৱাইছে—

আনন্দে গোপীসকাসৱে কৃষ্ণ গুণ গাৱে।
ঝৰে নয়নৰ নীৰ আতি প্ৰেমভাৱে।।
পুলকিত তনু মকমকি কতো কান্দে।
হেৰা পাইলো কৃষ্ণ বুলি কতো গলে বান্ধে।।

কৃষ্ণ গ্ৰাহে ধৰো কতো গোপীৰ হৃদয়।
তৱধ নয়নে থাকৈ দেখি কৃষ্ণময়।।
কৃষ্ণ কৃষ্ণ বুলি কতো কৃষ্ণক সুমৰে।
মই কৃষ্ণ বুলি কতো কৃষ্ণলীলা কৰে।।
কতো গোপী কৃষ্ণৰ চৰণ মনে চুই।
পৰি থাকৈ নিৰ্ভৰ আনন্দে মৌন হুই।।
ধাৰায়ে বহৱৈ নয়নৰ নীৰ ঝৰি।
আনন্দ মূৰ্ত্তিক হৃদয়ত থাকৈ ধৰি।।
পৰম ভক্তিত সৰ্ব তনু পুলকিত।
কৃষ্ণতে অৰ্পিল নিৰন্তৰে প্ৰাণ চিত।।
কৃষ্ণ কেসে লাগিয়া বিকল কৰৈ মন।
নাহিকৈ কাহাৰো আউৰ গাৱত চেতন।।

মূলৰ ১০/৪৭/৫৮—৬৯ শ্লোক পৰ্যন্ত সৰ্বমুঠ বাৰটি শ্লোকৰ অনুবাদত গুৰুজনাই সামান্য মাত্ৰ কিছু যোগ দি অধ্যায়টি সম্পূৰ্ণ কৰিছে। উদ্ধৱে মূলৰ মতে "কতি চিন্মাসান" আৰু গুৰুজনাৰ ভাষাৰে "কতিপয় মাস" অৰ্থাৎ কেইমাহমান ব্ৰজতে বাস কৰি থাকি যথাসময়ত বিদায় লৈ মথুৰালৈ প্ৰস্থান কৰিলে আৰু ৰাম কৃষ্ণৰ আগত সবিশেষ কথা ব্যক্ত কৰিলে। সেই বৰ্ণনা শুনি ৰাম কৃষ্ণই মূল বৰ্হিভূত অথচ গুৰুজনাৰ ভাষাৰে "শুনি কৃষ্ণ ৰাম, নিশ্বাস তেজিয়া, কৰিলন্ত অধোমুখ"। ইমানতে "এহিমানে গোপী, উদ্ধৱ সম্বাদ, মহাভাগৱত কথা"ও সমাপ্ত কৰিছে। এই অধ্যায়টিৰ সংক্ষিপ্ত ৰূপ দি গুৰুজনাই কীৰ্তন ঘোষাতো এটি কীৰ্তনেৰে বিৱৰণ দাঙি ধৰিছে। সেই বিষয়ে কিৰ্তন ঘোষাৰ সেই অধ্যায়টিৰ প্ৰসঙ্গত কিচু কথা প্ৰকাশ কৰা হ'ব। কিমধিকমিতি।

●●●

(৫) শেষ দশম (আদি ভাগ) ঃ কুৰুক্ষেত্ৰ

ভাগৱত পুৰাণৰ দশম স্কন্ধৰ বিৰাশী, তিৰাশী, চৌৰাশী আৰু পঁচাশী অধ্যায়— এই চাৰিটি অধ্যায় সামৰি গুৰুজনাই ৰচনা কৰিছে 'কুৰুক্ষেত্ৰ' নাম দি এই গ্ৰন্থখনি। শ্লোক সংখ্যা দুশ তেইশ আৰু পদসংখ্যা ছশ দুই। কুৰুক্ষেত্ৰ নামকৰণ হ'লেও ইয়াৰ লগত সংযোগ হৈছে কেবাটাও বিষয়। যেনে মঙ্গলাচৰণ, শ্ৰীকৃষ্ণৰ কুৰুক্ষেত্ৰ গমন, ৰজা আৰু মহিষীসকলৰ শ্ৰীকৃষ্ণক ঈশ্বৰ জ্ঞান, নন্দাদিৰ কুৰুক্ষেত্ৰ গমন, কৃষ্ণ গোপী সম্বাদ, গোপীৰ মনোৰথ পূৰণ, যুধিষ্ঠিৰৰ কৃষ্ণ মহিমা কথন, কৃষ্ণৰ পত্নী বিবাহ বৰ্ণন, সত্য, লক্ষ্মণা, ৰোহিণীৰ বিবাহ বৃত্তান্ত বৰ্ণন, মুনিসকলৰ আগমন, বসুদেৱৰ প্ৰশ্ন, যজ্ঞাৰম্ভ, কৃষ্ণৰ প্ৰবোধ, নন্দ বসুদেৱ সম্বাদ, গোকুলবাসীৰ বিদায়, বসুদেৱক তত্ত্ব জ্ঞানোপদেশ প্ৰদান, মৃত পুত্ৰ আনয়ন, বলিৰ স্তুতি আদি। ইয়াৰ লগত আন বিষয়বোৰ সংযোগ থাকিলেও 'কুৰুক্ষেত্ৰ' বিষয়টিয়ে প্ৰধান স্থান পাইছে কাৰণে ইয়াৰ গুৰুত্ব অধিক হৈছে। গুৰুজনে পদত চৌৱিশটি অধ্যায় নিৰূপণ কৰিছে আৰু ইয়াৰ লগত উপদেশ, প্ৰাৰ্থনা আদিও সংযোজিত হৈছে।

অধ্যায়টি দশম স্কন্ধৰ অন্তৰ্গত হোৱা সত্ত্বেও শঙ্কৰদেৱে 'জয় জয় কৃষ্ণ কৃপাপয়োধি মাধৱ' বুলি প্ৰথমতে মঙ্গলাচৰণ কৰিছে আৰু ছয় সংখ্যাৰ পদৰ পৰা বিষয়সূচী আৰম্ভ কৰিছে। কুৰুক্ষেত্ৰক 'স্যমন্ত পঞ্চক' বুলিও কোৱা হয় (১০/৮২/২) আৰু এই পৱিত্ৰ স্থানখনি পৰশুৰামৰ দ্বাৰা সৃষ্ট বুলি জনা যায়। এসময়ত জ্যোতিষী পণ্ডিতসকলৰ ঘোষণা অনুযায়ী সৰ্বগ্ৰাস সূৰ্য গ্ৰহণৰ কাল উপস্থিত হোৱাত সেই তীৰ্থলৈ দ্বাৰকাবাসী লোকসকল যাত্ৰা কৰে। তাৰ প্ৰধান যাত্ৰী হিচাপে লোক শিক্ষা প্ৰদানৰ হেতুকে শ্ৰীকৃষ্ণদেৱো যায়। কৌৰৱ, পাণ্ডৱ পক্ষীয় লোক, নন্দ, যশোদাদি গোপ গোপীসকল, যদুগণ, ভাৰতীয় ৰজাসকল, তাত উপস্থিত হৈছিল গৈ। মূলত যিসকল ৰাজা সেই তীৰ্থলৈ যোৱাৰ কথা কৈছে, তাৰ সংখ্যা আৰু নাম-ধাম আদিও প্ৰকাশ কৰিছে (১০/৮২/১২, ১৩)। কিন্তু গুৰুজনাই মূলতকৈ পদত অধিক সংখ্যক দেশৰ নাম দেখুৱাইছে। মূলত মৎস্য, উশীনৰ, কুৰু, কৌশল্য, বিদৰ্ভ, সৃঞ্জয়,

কাম্বোজ, কেকয়, মদ্ৰ, কুন্তি, আনৰ্ত্ত আৰু কেৰল দেশীয় ৰজাসকলৰ নাম পোৱা যায়। কিন্তু গুৰুজনাই ইয়াত অধিক ৰজাৰ নাম প্ৰকাশ কৰিছে। যেনে ঃ

কেকয় কৌশল কুৰু সৃঞ্জয় কাম্বোজ।
মহাবীৰ্য্য বিৰাট বিদৰ্ভ কুন্তি ভোজ।।
মদ্ৰ দম ঘোষ সব্য ভীষ্মক হাৰ্দ্দিক।
ধৃষ্টকেতু চেকিতান বিতাল বাহ্লিক।।
যুধামন্যু মৈথিল সুশৰ্ম্মা উশীনৰ।
বিন্দ অনুবিন্দ চন্দ্ৰ দন্ত দিবাকৰ।।
শ্ৰুতাযুদ্ধ প্ৰবুদ্ধ ধৰণীধৰ কাল।
নগ্নাজিত পুৰুজিত সোম মহীপাল।।
সাৰ সুৰথ ৰথী সুপাৰ্শ্ব প্ৰতীপ।
চন্দ্ৰচুড় চক্ৰকেতু কৌশাম্বিৰ নৃপ।।
পৰা পুৰঞ্জয় জয় সেন মহোৎসৱ।
চমৎকাৰে চলে আতি সৈন্য সবান্দৱ।।

ৰজাসকল তীৰ্থলৈ যাওঁতে ৰথ, হস্তী, অশ্ব ব্যৱহাৰ কৰিছিল। কিন্তু গুৰুজনে নৰবাহনতো যোৱাৰ কথা কৈছে (পদনং ১১)। মূলত কৃষ্ণৰ লগত অক্ৰুৰ, বসুদেৱ, আহুক, গদ, প্ৰদ্যুম্ন, সাম্ব আদি যোৱাৰ কথাহে প্ৰকাশ কৰিছে (১০/৮২/৫, ৬)। কিন্তু গুৰুজনাই ইয়াতকৈ অধিক কৰি দেখুৱাইছে। যেনে—

আনো যত বংশ মানে নিৰন্তৰে।
কৃষ্ণক আবৰি ৰঙ্গে চলে চপকৰে।।
লৈয়া মহা প্ৰাৰম্ভে সম্ভাৰ ভৰি পুৰ।
চলে বসু দেৱাসুৰ আহুক অক্ৰুৰ।।
ৰাম কাম দেৱ গদ শাম্ব মহাবীৰ।
উগ্ৰসেন শঠ শত্ৰু মঙ্গন মন্দিৰ।।
ভানু ভগদত্ত ভূৰি বিক্ৰম উন্মুক।
যায় যদুগণ সঙ্গে পৰম উৎসুক।।

যাদৱসকল কুৰুক্ষেত্ৰ যাত্ৰা কৰোঁতে যি আড়ম্বৰ কৰিছিল, তাৰ কোনো বিশেষ বৰ্ণনা মূলত অভাৱ। কিন্তু গুৰুজনে বিস্তৃতভাৱে বৰ্ণনা দাঙি ধৰিছে

আৰু তাৰ লগতে কৃষ্ণদেৱৰ ৰূপ বৰ্ণনা তথা বিশেষ আড়ম্বৰপূৰ্ণ বিষয়ৰ বৰ্ণনা প্ৰকাশ কৰিছে। যেনে—

ৰথসব চলে যেন বিমান দেৱৰ।
চলি যায় ধ্বজ দণ্ড চিৰল চামৰ।।
ঝনকে কিঙ্কিণী সুবৰ্ণৰ শাৰী শাৰী।
যায় যদুগণ তাতে সঙ্গে নিজ নাৰী।।
যুথে যুথে যায় মত্ত হস্তী একে টিকি।
সুবৰ্ণ ভুমুকাচয় কৰে চিকি মিকি।।
যেন ঐৰাৱত গৰ্জনতে ভূমি চাল।
কৰ্ণে হানে তাল গজ ঘণ্টাৰ আস্ফাল।।
সুবৰ্ণ পাখাৰে চলে যত তেজী ঘোৰা।
চল বল কৰে বেগে বায়ু নোহে যোৰো।।
ৰাহুতে দেখাৱে লীলা গতি লয়লাসে।
সাগৰত উৰ্মি যেন উল্লাসে বাতাসে।।
অলেখ পদাতি চলে পৰম উৎসাহে।
চিকি মিকি কৰে দেহা সুৱৰ্ণ সন্নাহে।
দিব্য বস্ত্ৰ অলঙ্কাৰে যায় প্ৰকাশন্তে।
সুবৰ্ণৰ মালা দোলে পন্থত হাঠন্তে।।
হৃষ্ট পুষ্ট দৰ্পিষ্ঠ বলিষ্ঠ কলেৱৰ।
অস্ত্ৰ শস্ত্ৰ ধৰি যেন ধাৱে বিদ্যাধৰ।।
সঙ্গে নিজ নাৰী চলে গলে হেমহাৰ।
অপেশ্বৰী সমে যেন দেৱৰ কুমাৰ।।
সবাৰো মাজত যান্ত জগত নিবাস।।
নক্ষত্ৰৰ মাজে যেন চন্দ্ৰৰ প্ৰকাশ।।
মৌক্তিক চত্ৰেক আছে শিৰৰ উপৰে।
সাত্যকি উদ্ধৱো চলে ধৱল চামৰে।।
দাৰুকে ডাকন্ত ৰথ চলে লাসে লাসে।
দিব্য যন্ত্ৰ যতেক বজাৱে দুয়ো পাশে।।
ছিন্ন চৌণ্ড দণ্ড নচুৱাৱে তুলি তুলি।

নটে ভাটে ৰটে জয় জয় কৃষ্ণ বুলি।।
ঈষত হসিত মুখ নৱ পদ্ম কোষ।
অৰুণ চৰণ দুই দেখন্তে সন্তোষ।।
শ্যাম শৰীৰত ৰত্নময় অলঙ্কাৰ।
নবীন মেঘত যেন বিজুলী সঞ্চাৰ।।
ৰূপৰ সম্পত্তি আতি প্ৰকাশে প্ৰচুৰ।
কৌটি কন্দৰ্পৰো দৰ্প দেখি হোৱে চুৰ।।
বাহু বক্ষস্থলত যাহাৰ পৰে দৃষ্টি।
জুৰাই তনু মন যেন অমৃতৰ বৃষ্টি।।
দৈৱকী প্ৰমুখ্যে নাৰী যাদৱ বংশৰ।
ৰুক্মিনী প্ৰমুখ্যে যত মহিষী কৃষ্ণৰ।
শৰীৰক মণ্ডি ৰত্নময় অলঙ্কাৰে।
বিমানত চড়ি লৰি যান্ত জাতিষ্কাৰে।
যতেক যাদৱী সেনা তাৰো নাহি সীমা।
যাহান্তে কীৰ্ত্তন কৰে কৃষ্ণৰ মহিমা।।
পুৰিলেক কৃষ্ণ গুণে গগণ মণ্ডল।
শুনে মানে ধ্বনি পলাই পাপ অমঙ্গল।।
কৃষ্ণেসে পৰম ইষ্ট দেৱ কৃষ্ণ প্ৰাণ।
নজ্বলে যাদৱী সেনা কৃষ্ণ বিনে আন।।
কৃষ্ণৰেসে যশ কথা নিৰন্তৰে গাৱে।
সলোতক নয়ন বয়ন প্ৰেমভাৱে।।
অসংখ্যাত ৰথ ঘোষ বাদ্য ভগু ৰোলে।
হয় হস্তী গিৰি মহী মণ্ডল হিন্দোলে।।
এহিমতে যান্ত যদুবংশৰ প্ৰদীপ।
অনন্তৰে পাইলা কুৰুক্ষেত্ৰৰ সমীপ।।

মূলৰ (১০/৮২/৯, ১০) নৱম আৰু দশম সংখ্যাৰ শ্লোকত কুৰুক্ষেত্ৰ তীৰ্থত প্ৰৱেশ কৰাৰ পিছত যদুবংশীয় লোকসকলে ব্ৰাহ্মণসকলক বস্ত্ৰ, মাল্য, স্বৰ্ণমাল্য বিভূষিতা গাভীদান, অন্নদান আদি কৰিলে। সেই সম্পৰ্কে গুৰুজনাৰ

হস্ত পৰশত বৰ্ণনাটিয়ে নতুন ৰূপ লৈছে। তলত উদ্ধৃত কৰা হ'ল। যেনে—

কৃষ্ণৰ চৰণে সৱে লৈয়া অনুমতি।
নামিয়া জলত সৱে যাদৱ সন্ততি।।
ৰামৰ হ্ৰদত ৰঙ্গে কৰিলন্ত স্নান।
দেৱতা পিতৃক সন্তৰ্পিয়া দিলা দান।।
বিশিষ্ট বিপ্ৰক আনি কৰিলা সৎকাৰ।
শ্ৰদ্ধায়ে পিন্ধাইলা গন্ধ বস্ত্ৰ অলঙ্কাৰ।।
দিলা দান দাসী দোলা হয় হস্তী-ৰথ।
ভৈলন্ত সন্তোষ পৰিপূৰ্ণ মনোৰথ।
সুবৰ্ণৰ শৃঙ্গ ৰজতৰ খুৰা চাৰি।
গলে হেম মালা দিব্য বসনে আৱৰি।।
কৰিলন্ত দান হেম ধেনু অসংখ্যাত।
মিলোক ভকত বুলি কৃষ্ণ দেৱতাত।।
পুনৰপি সবংশে কৰিলা মোক্ষ-স্নান।
মহন্ত বিপ্ৰক পুনু কৰিয়া সন্মান।।
কৃষ্ণৰ চৰণে হৌক ভকতি আমাৰ।
এহি বুলি দিলন্ত সুবৰ্ণ একো ভাৰ।। (ইত্যাদি)

অধ্যায়টিৰ একৈশ সংখ্যাৰ শ্লোকলৈকে থকা শ্লোকৰ বৰ্ণনা গুৰুজনাৰ হস্ত পৰশত মাজে মাজে নতুন ৰূপ প্ৰবেশ কৰিলেও অধিক নহয়। বসুদেৱ আৰু কুন্তীদেৱীৰ মাজত হোৱা আলাপৰ প্ৰসঙ্গতো কিছু কথা সোমাইছে (১০/৮২/১৮, ১৯, ২০, ২১)। কুৰুক্ষেত্ৰত উপস্থিত হোৱা, ৰজা, মহাৰজা আৰু অন্যান্য লোকসকলে শ্ৰীকৃষ্ণ শ্ৰীমূৰ্ত্তি দশন কৰি বিস্মিত আৰু আনন্দিত হ'ল (১০/৮২/২৬)। লগতে তেওঁলোকে কৃষ্ণৰ বিকশিত মহিমা আৰু তেওঁৰ লগত বৈবাহিক সম্বন্ধ, দেহ সম্বন্ধ সেই সময়তে নন্দ যশোদা প্ৰভৃতি গোপ গোপীসকলৰ লগত যাদবগণৰ সাক্ষাৎ হয় আৰু কৃষ্ণ বলৰামেও তেওঁলোকক দেখি লোকাভিভূত হৈ পৰে। নন্দ বসুদেৱৰ কথোপকথনতো গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনাৰ আভাস পৰিছে। মূল শ্লোকানুবাদ নিম্নস্থানত তুলি দিয়া হ'ল (১০/৮২/৩১—৩৩)

(১) শুকদেৱে কলে— হে মহাৰাজ পৰীক্ষিত? শ্ৰীকৃষ্ণ প্ৰমুখ্যে যাদৱসকল কুৰুক্ষেত্ৰ তীৰ্থত উপস্থিত হৈছে বুলি জানি নন্দই গোপসকলৰ সৈতে সমবেত হৈ শকটত দ্ৰব্য সম্ভাৰ লৈ তাত উপস্থিত হ'ল।

(২) যাদৱসকলে বহু সময় নন্দাদি গোপসকলক দৰ্শন কৰিবৰ কাৰণে উৎকণ্ঠিত হৈ আছিল। তেতিয়া তেওঁলোকে নন্দক দেখি মূৰ্চ্চা যোৱা লোকসকল যেনেকৈ পুনৰ প্ৰাণ পাই উঠিলে শৰীৰ উল্লাসিত হৈ পৰে, তেনেকৈ তেওঁলোক আনন্দিত হৈ আলিঙ্গন বদ্ধ হ'ল।

(৩) তেতিয়া বসুদেৱে কংসকৃত ক্লেশসমূহ আৰু গোকুলত নন্দৰ ওচৰত পুত্ৰ সমৰ্পণৰ বিষয়বোৰ স্মৰণ কৰি প্ৰেম বিহ্বল হৈ নন্দক আলিঙ্গন কৰি আনন্দিত হ'ল।

গুৰুজনাই সৃষ্টিমূলক অনুবাদ কৰিছে এনেকৈ ঃ

শুনিলা আনন্দ বাৰ্তা নন্দ গোপে পাছে।
কৃষ্ণে সমে যত বংশ আসিয়াছে।।
মিলিত উৎসুক মনে মহা হৰিষিত।
তোলাইলা শকটে আনি সকল সম্ভূত।।
তথাতে ৰহিবো বাসা নন্দৰ আশয়।
গোপগণ সমে যাও আনন্দ হৃদয়।।
কৃষ্ণক দেখিবো বুলি মনত উল্লাসে।
যশোদা প্ৰমুখ্যে গোপী চলে লয়লাসে।।
ভৈল সুপ্ৰভাত আজি বিধাতা প্ৰসন্ন।
পাইবো প্ৰেম পঙ্কজ নেত্ৰক দৰিশন।।
ঈষত হসিত মুখ দেখিবো দুনাই।
প্ৰেম পৰিপূৰ্ণ গোপীসব চলি যায়।।
জগতৰ পূজ্য যিটো দৈৱকী কুমাৰ।
যাক নপাই প্ৰাণ ফুটে সদায়ে আমাৰ।
তাহান দেখিবো পদ পঙ্কজ দুতই।
আজি জন্ম সাফল মিলিবে মহোদয়।।
যিটো জগতৰ আত্মা ভকত বান্ধৱ।
বুলিবা প্ৰবোধ ধৰি আমাক মাধৱ।।
হেন মনে গুণন্তে যাহান্তে যেবে আছে।
ভৈলা দেখা দেখি যদুবংশ সমে পাছে।।
গোকুলবাসীক দেখি যতেক যাদৱ।
উঠিল তেখনে মনে মিলিল উৎসৱ।।

প্ৰাণৰ পৰশে যেন তনুৰ উল্লাস।
দূৰতে দেখিয়া ৰঙ্গে তুলিলন্ত হাস।।
মহা হৰিষিত মন চিৰ দৰিশনে।
আসি সাৱটিল সবে সজল নয়নে।।
নন্দক দেখিয়া বসুদেৱে গাৱ চালি।
প্ৰাণ মিত্ৰ বুলি ধৰিলন্ত আঙ্কোৱালি।।
পাইলা প্ৰীতি আতি নয়নৰ ঝুৰে নীৰ।
প্ৰেমত আকুল ভৈল চিত্ত নুহি থিৰ।।
লোতকে নিৰোধ কণ্ঠ বাক্যে বাজনুই।
সাৱটা সাৱটি কৰি আছিল দুই।
সাদৰে বৈসাইলা নিয়া সুবৰ্ণ আসনে।
কৰিলা সম্মান নিয়া মধুৰ বচনে।
পাপী কংসে বন্দী কৰি দিলা দুখ যত।
নন্দ দৰশনে সৱে পৰিল মনত।
বুলিবে লাগিলা স্মৰি পূৰ্ব উপকাৰ।
কংসৰ ভয়ত পুৰী নাছিল আমাৰ।।
তুমি প্ৰাণ সম মিত্ৰ তোমাতেসে গয়।
পলুৱাই থৈলো নিয়া দুগুটি তনয়।।
পুত্ৰৱতে পালিলা আপুনি অনুদিন।
শুজান নযায় সিটো উপকাৰ ঋণ।।
কৰিলো তোমাত মই ভাৰ্যাৰ সঞ্জাত।
কোন হিত মোৰ নাচৰিলা সিবেলাত।।
এতেকে বোলন্তে প্ৰেমে পৰিশিল আতি।
সলোতক নেত্ৰে তম্ভি থাকিলা নমাতি।।
নন্দো ধৰি মিত্ৰক বুলিলা প্ৰিয় বাক।
এতেকে বুলিবে সখি নলাগে আমাক।।
তুমি মহা ভাগৱত জগততে সাৰ।
যাৰ ঘৰে পৰম ঈশ্বৰ অৱতাৰ।।
তুমি মহা ভাগৱত জগততে সাৰ।
যাৰ ঘৰে পৰম ঈশ্বৰ অৱতাৰ।।

তুমি সম ভাগ্যৱন্ত ত্ৰৈলোক্যতে নাই।
তোমাৰ সাধিবো প্ৰীতি কত পুণ্য পাই।।
কিনো ভাগ্য ভৈলা তুমি মোৰ মহা মিত্ৰ।
আজিসে জানিলো ভৈলো পৰম পৱিত্ৰ।।
আজিসে জানিলো ভৈলো পৰম পৱিত্ৰ।
তোমাৰ আলাপে পাপ কৰিলা উছাদ।।
কৰিলা আলাপ আনো মধুৰ সম্বাদ।।

ইয়াৰ পিছতে কৃষ্ণ বলৰামৰ লগত নন্দ যশোদাৰ দেখা দেখি হয় আৰু সেই সম্পৰ্কে মূলৰ লগত পদৰ ব্যৱধান তথা গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনা কেনে ধৰণৰ তাকে প্ৰকাশ কৰা হ'ল (১০/৮২/৩৪—৩৮)।

(১) হে কুৰু বংশধৰ পৰীক্ষিত! তেতিয়া বলৰাম আৰু শ্ৰীকৃষ্ণই পিতামাতা নন্দ যশোদাক অভিবাদন আৰু আলিঙ্গন কৰিলে। প্ৰেমবশতঃ তেওঁলোকৰ কণ্ঠ শ্বাসৰুদ্ধ হোৱাত পিতা মাতাক একোকে ক'ব নোৱাৰিলে।

(২) গোপৰাজ নন্দ আৰু ভাগ্যশালিনী যশোদাই দুই পুত্ৰক নিজৰ আসনত বহুৱাই আৰু দুই বাহুৰে আলিঙ্গন কৰি আনন্দৰ চকু পানীৰে ওপচাই পেলালে আৰু তেওঁলোকৰ বিৰহ বেদনাও কিছু লাঘৱ হ'ল।

(৩) ইয়াৰ পিছত ৰোহিনী আৰু দৈৱকীয়ে যশোদাক আলিঙ্গন কৰি তেওঁলোকৰ মিত্ৰতা স্মৰণ কৰিকৰি গদগদ ভাৱে ক'বলৈ ধৰিলে।

(৪) হে ব্ৰজেশ্বৰী! আমাৰ দুই পুত্ৰই ব্ৰজধাম পৰিত্যাগ কৰিছে। আমাৰ প্ৰতি থকা আপোনলোকৰ স্নেহ অহৈতুকী আৰু এতিয়াও সি অক্ষুণ্ণ আছে। এই সংসাৰত ইন্দ্ৰৰ ঐশ্বৰ্য লাভ কৰিলেও মিত্ৰতাৰ প্ৰত্যুপকাৰ কৰা অসম্ভৱ।

(৫) কৃষ্ণ বলৰামৰ জন্মকালত পিতা মাতাক দেখিবলৈ নাপালে! এওঁলোক আপোনালোকৰ দ্বাৰা ৰক্ষিত হৈছিল। তেনে অৱস্থাত দুয়োজনে আপোনালোকৰ দ্বাৰা পালিত পোষিত হৈ সদায় নিৰ্ভয় মনেৰে বাস কৰিছিল। সজ্জন সকলৰ মনত আপোন পৰ ভেদ বুদ্ধি নাই।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ ঃ

নন্দ যশোদাক দেখি পাছে কৃষ্ণৰাম।
পৰম প্ৰেমত পৰি কৰিলা প্ৰণাম।।
পিতৃ মাতৃ বুলি উঠি সাৱটিলা ধৰি।
স্নেহে স্ৰৱে কমল নেত্ৰৰ নীৰ ঝৰি।।

পিতৃৰ মাতৃৰ প্ৰেমে পৰম আকুল।
ভৈলা আতি যিটো জগতৰে আদি মূল।।
লোতকে নিৰোধে কণ্ঠ বাক্য নাসে মুখে।
হেঠ মাথে ৰৈলা চিৰ বিয়োগৰ দুখে।
নন্দ যশোদায়ো দেখি পৰম প্ৰেমত।
সাৱটি ধৰিলা তুলি নিজ আসনত।।
শিৰ শুঙ্গি পাইলা প্ৰীতি প্ৰসন্ন বদন।
মহাস্নেহে স্ৰৱে যশোদাৰ দুয়োস্তন।।
এৰাইলন্ত চিৰ বিয়োগৰ সিটো তাপ।
কৰিলা কৃষ্ণক ধৰি প্ৰেমত বিলাপ।
সুমৰিয়া কেশৱৰ সিসব চৰিত।
স্নেহত কান্দন্ত নন্দ নসহন্ত চিত।।
লোতকে তিয়াইলা তনু ৰাম মাধৱৰ।
লগতে কান্দন্ত দুয়ো পৰম ঈশ্বৰ।।
নেত্ৰৰ লোতক বহে নসহে হৃদয়।
চড়ে চিৰ দৰশনে প্ৰেম অতিশয়।।
কতোক্ষণে ভৈলন্ত মাধৱ সন্ধুক্ষণ।
পিতৃৰ মাতৃৰ দুইৰো ধৰিয়া চৰণ।।
বিনয় বচনে কৰি ক্ৰন্দন নিৰোধ।
অনেক বচনে দুইকো কৰিলা প্ৰবোধ।
পৰম অতৰ্ক গতি কাল ঈশ্বৰৰ।
দৈৱৰ অধীন সমাগম বান্ধৱৰ।।
কৈৰ পৰা আসি জীৱে কৰে এক ঠাই।
খলেকতে পুনুহো পেহ্লাৱে বিহড়াই।।
জলৰ বেগত এক থান হোৱে ফেন।
খেনেকে থাকিয়া খেনেকতে মিলে যেন।।
সেহিমত সংযোগ বিয়োগ সুহৃদৰ।
ঈশ্বৰৰ বশ্য কেহো নোহে স্বতন্ত্ৰৰ।।
ইসে পৰমাৰ্থ কথা নাহি আত বোধ।
চিৰকাল নগোৱাই কৰিলো অপৰাধ।।

কৰোহো কাতৰ মোৰ মৰসিয়ো দোষ।
হেন শুনি ভৈল নন্দ যশোদা সন্তোষ।।
ৰোহিণী দৈৱকী পাছে আসিলা বঝাই।
যশোদাক দেখিয়া পৰম প্ৰীতি পাই।।
হাসি প্ৰাণ মিত্ৰ বুলি সাবটিয়া ধৰি।
হাসি মেলি দুহাঙ্কো ধৰিলা ব্ৰজেশ্বৰী।।
পাপী কংসে যত যত ভুঞ্জাইলা নিকাৰ।
সমুৰিয়া যশোদা পূৰ্ব উপকাৰ।।
দ্ৰৱিল হৃদয় অতি দুইৰো স্নেহ চড়ে।
ভৈলা সকৰুণ নীৰ নেত্ৰৰ নিগড়ে।।
লোতকে নিৰোধ কণ্ঠ গদ গদ বাক।
বুলিলন্ত পৰম সাদৰে যশোদাক।।
বিপদৰ বান্ধৱ পৰম উপকাৰী।
তোমাঠৰ গুণ আমি শুজিতে নপাৰি।।
সৰ্পিলো তোমাতে ইটো তনয় দুখানি।
প্ৰতি পালি পুষিলা তোমৰা দুয়ো প্ৰাণী।।
উপজি নপাইলা পুতাই পিতৃক মাতৃক।
তুলিলাহা সখি দেখি প্ৰাণতো অধিক।।
নিৰ্ভয়ে ভ্ৰমিলা পুতাই তোমাৰেসে গুণে।
চক্ষুৰ পীৰিতি যেন ৰাখিলা আপুনে।।
কৰিলা কৃষ্ণত মহা স্নেহ নিৰন্তৰ।
নাহিকে আপোন পৰ বুদ্ধি মহত্তৰ।।
নাহি তোমাঠেত পৰে মহা হিতকাৰী।
তোমাৰ মিত্ৰতা পাসৰিবে কোন নাৰী।।
ইন্দ্ৰৰ সম্পদ যদি দেত্ৰত প্ৰতিদিন।
তথাপিতো সুজা নযাই উপকাৰ ঋণ।।
দ্ৰবিল হৃদয় দুইৰো এতেক বোলন্তে।
সৰসৰি পৰে নীৰ নয়নৰ হন্তে।।
প্ৰবোধিলা যশোদা আঞ্চলে মুচি মুখ।
কিসক কহস পূৰ্ব আপদৰ দুখ।।

ঈশ্বৰ ইচ্ছায়ে আসি সুখ দুখ মিলে।
সম্পদো নথাকে দুখো গুচে একতিলে।।
মায়াৰ ৰচনা ইটো জগতকে দেখি।
কিছু অনুশোচ নকৰিবা প্ৰাণ সখি।।
কত কোটি জনমৰ মোৰ আছে ভাগ।
কৃষ্ণ হেন পুত্ৰক তুলিবে পাইলা লাগ।।
তৰিলো আপদ ঘোষ কৃষ্ণতেসে হন্তে।
দহে দেহা সখি সিটো কথা সুমৰন্তে।।
স্তন শুষি লৈলে পুত্ৰ পুতনাৰ প্ৰাণ।
কৈলা গল চেপি চক্ৰবাতক নিৰ্যাণ।।
কৃষ্ণে মাটি খাইলা বুলি শৰীৰ নসয়।
গৰ্ভতে দেখাইলা মোক ভুবন চৈধয়।।
অঘ বক বৎস কেশী ধেনুক অৰিষ্ট।
গোকুলত চিন্তে আসি অনেক অনিষ্ট।।
প্ৰলম্ব প্ৰমুখ্যে যত আসিল অসুৰ।
সমস্তকে মাৰি কৰিলন্ত দুখ দূৰ।।
হ্ৰদৰ খেদাইলা দমি কালিক নিকালি।
বৎস বৎস পালক জীয়াইলা বনমালী।।
জুই আসি বেৰিল আমাৰ যায় প্ৰাণ।
ৰাখিলন্ত কৃষ্ণে বন বহ্নি কৰি পান।।
গোধুলি বেলাত থাকো পদুলিক চাই।
বৎস লৈয়া আসে সোণা মুখে বাঁশী বাই।।
আগবাঢ়ি ধৰিয়া আঞ্চলে মচো ধূলি।
প্ৰাণ পুত্ৰ বুলি বুকে সাৱটোহো তুলি।।
স্নান কৰাই পিন্ধাও গন্ধ চন্দন ভূষণ।
নিতে পঞ্চামৃতে কৰাও কৃষ্ণক ভোজন।।
সুবৰ্ণ খাটত শুৱাও বিছাই হংস তুলি।
বুকুত সাৱটি থাকো প্ৰাণ পুত্ৰ বুলি।।
হেন কৃষ্ণ বাপ হন্তে ভৈলোহো বঞ্চিত।
আউৰ সুখ শান্তি সখি নাহিকে কিঞ্চিত।।

কৃষ্ণ সূৰ্য্য বিনে দেখো আন্ধাৰ দুৰ্ঘোৰ।
আউৰ গৃহ কাৰ্যত নপৰে চিত্ত মোৰ।।
পুত্ৰৰ সিসব লীলা সুমৰি সুমৰি।
নিদ্ৰা নাসে ৰাত্ৰিয়ো লোতক যায় ঝৰি।।
কৃষ্ণকেসে দেখো মাত্ৰ সচিতে সপোনে।
শূন্য ভৈল ব্ৰজ মোৰ কৃষ্ণ অবিহনে।।
কৃষ্ণৰ ক্ৰীড়াৰ ভূমি বৃন্দাবন স্থান।
কালিন্দিক দেখি সখি কুটে যেন প্ৰাণ।।
ধ্বজ বজ্ৰ পঙ্কজ খোজতে আছে বান্ধি।
তাক দেখি কৃষ্ণ বুলি আমি মৰো কান্দি।।
আজিও সোণাৰ বংশী ঘৰে আছে পৰি।
দেখি দশগুণে মোৰ মৰ্ম যায় চড়ি।।
ওহলাই আৰো পশিবে নপাৰো সিটো ঘৰ।
কতনো কহিবো গুণ গোৱিন্দ পুত্ৰৰ।
গোকুলত যত লীলা কৰিলন্ত হৰি।
দৈৱকীৰ আগে বৰ্ণাইলন্ত ব্ৰজেশ্বৰী।।
শুনন্তে কহন্তে সিটো গোৱিন্দৰ যশ।
আনন্দত মজিল পৰম প্ৰেম ৰস।।
দৈৱকী যশোদা আদি নাৰী অসংখ্যাত।
কৃষ্ণৰ চৰিত্ৰচয় শুনে সিবেলাত।।
বহয় লোতক পুলকিত আতি তনু।
প্ৰেম সমুদ্ৰত মন মজে পুনু পুনু।।
ৰুক্মিণী প্ৰমুখ্যে যত কৃষ্ণৰ মহিষী।
যশোদাক সাদৰিলা পৰম হৰিষি।।
বুলিলা প্ৰশংসা বাণী ব্ৰজ ঈশ্বৰীক।
কৰিলা শুশ্ৰূষা সৱে শাশুতো অধিক।।
দ্ৰৌপদী প্ৰমুখ্যে যত ৰাজ ভাৰ্যাচয়।
কৰিলন্ত যশোদাক তেসম্বো বিনয়।।

মূলৰ ১০/৮২/৩৯—৪৮ শ্লোক পৰ্য্যন্ত মুঠ দহটি শ্লোকৰ অনুবাদতো গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনাৰ পূৰ্ণ আভাস আছে। এই দহটি শ্লোকতে

গোপীসকলৰ লগত কৃষ্ণদেৱৰ সাক্ষাৎ আৰু উভয়ৰ আৱেগিক কথোপকথন প্ৰকাশ পাইছে। গুৰুজনাৰ হস্ত পৰশত ইয়াৰ মাজে মাজে কৃষ্ণৰ ৰূপ বৰ্ণন আৰু গোপী কৃষ্ণৰ মুখেদি মানসিক বেদনা সিক্ত ভাব ফুটি উঠিছে। তলত শ্লোকৰ অনুবাদ প্ৰকাশ কৰা হ'ল।

(১) শুকদেৱে ক'লে— হে মহাৰাজ পৰীক্ষিত? তেতিয়া গোপীসকলেও শ্ৰীকৃষ্ণক অনিমেষ লোচনে দৰ্শন কৰিবলৈ নাপাই চকুৰ পক্ষ নিৰ্মাতা বিধাতাক নিন্দা কৰিবলৈ ধৰিলে আৰু সেই প্ৰিয়তম কৃষ্ণক বহু সময় নিৰীক্ষণ কৰি নয়নৰ দুৱাৰেদি নিজৰ হৃদয়ত প্ৰবেশ কৰাই বাৰম্বাৰ আলিঙ্গন কৰি নিত্যযুক্ত যোগীৰো দুৰ্লভ সেই তেনেকুৱা পৰম তন্ময়তা ৰূপ ভক্তি ভাৱ প্ৰাপ্ত হ'ল।

(২) তেতিয়া কৃষ্ণই সেই ভক্তি ভাৱ সম্পন্না গোপীসকলৰ লগত নিৰ্জন স্থানত মিলিত হ'ল আৰু তেওঁলোকক আলিঙ্গন কৰি কুশল বাতৰি সুধি হাস্য সহকাৰে ক'বলৈ ধৰিলে।

(৩) হে সখীগণ! তোমালোকে মোক স্মৰণ কৰানে? আমি আত্মীয় স্বজনৰ প্ৰয়োজন সিদ্ধিৰ কাৰণে তোমালোকক এৰি থৈ গৈছিলো। শত্ৰুসকলক পৰাজয় আৰু বিনাশ কৰিবৰ কাৰণে আমি তাত ব্যস্ত আছিলো। সেয়ে তোমালোকৰ লগত আমাৰ সাক্ষাতত বহু পলম হৈছিল।

(৪) হে সখীসকল? "এওঁ অকৃতজ্ঞ" এনে আশঙ্কা কৰি তোমালোকে মোক অৱজ্ঞা কৰিছা নেকি? চোৱা— প্ৰাণীসকলৰ মাজত ভগৱানেই সংযোগ বিয়োগ কৰি থাকে।

(৫) বায়ুৱে যেনেকৈ মেঘবোৰ, তৃণ, তুলা, আৰু ধূলিবোৰ উৰুৱাই নি তাক সংযোগ বিয়োগ কৰি থাকে, তেনেকৈ প্ৰাণী স্ৰষ্টা ভগৱানে প্ৰাণীসকলৰ মাজত সংযোগ বিয়োগ কৰি থাকে।

(৬) হে সখীসকল! আমাৰ প্ৰতি যি ভক্তি— সেই ভক্তিয়েই প্ৰাণীসকলৰ মোক্ষ লাভ সম্পাদন কৰিবলৈ সমৰ্থ হয়। আমাৰ প্ৰতি তোমালোকৰ যি ভক্তি ভাৱ জন্মি আছে, সেয়া মোক প্ৰাপ্তিৰ কাৰণে অতি মঙ্গলকৰ বুলি জানিবা।

(৭) হে গোপীসকল! আকাশ, বায়ু, তেজ, জল, পৃথিৱী যেনেকৈ ভৌতিক পদাৰ্থসমূহৰ আদি, অন্ত, মধ্য আৰু বাহ্য, সেইদৰে আমিও সকলো প্ৰাণীৰ মাজত আদি, অন্ত, মধ্য আৰু বাহ্য।

(৮) এনেদৰেই আকাশাদি মহাভূতসকল ভৌতিক দেহাদি সকলো পদাৰ্থতে বিদ্যমান আছে। কিন্তু জীৱাত্মা নিজৰ দ্বাৰাই প্ৰতি শৰীৰতে পৃথক পৃথক ৰূপে ব্যাপ্ত হৈ আছে। হে সখীগণ। চিৎ আচিৎ সকলোৰেই আমাতেই প্ৰকাশমান।

(৯) শুকদেৱে ক'লে— গোপীসকলে কৃষ্ণদেৱৰ পৰা এনেকুৱা আত্মতত্ত্বজ্ঞানমূলক উপদেশ পাই সৰ্বাদা কৃষ্ণৰ স্মৰণ- মনন ধ্যান কৰাৰ ফলত জনন মৰণ সংসাৰ বিনষ্ট হ'ল আৰু অন্তিমত কৃষ্ণকে লাভ কৰিলে।

(১০) তেতিয়া তেওঁলোকে কৃষ্ণক ক'বলৈ ধৰিলে— হে পদ্মনাভ। জ্ঞানী শ্ৰেষ্ঠ যোগীসকলে হৃদয়ত যাক ধ্যান কৰি থাকে আৰু যিজন 'সংসাৰ কূপ পতিত জনগণৰ উদ্ধাৰৰ একমাত্ৰ সম্বল, আপোনাৰ সেই পদ কমল গৃহবাসিনী আমাৰ মনত যেন সদায় উদিত হৈ থাকে।

উক্ত দহোটি শ্লোকৰ আধাৰতে গুৰুজনে এনেকৈ সৃষ্টিমূলক বৰ্ণনা দিছে। তলত উদ্ধৃত কৰা হ'ল—

এহিমানে থএ স্ত্ৰী সমস্তৰ কথা।
আৱে গোপীকৃষ্ণৰ সম্বাদ কও তথা।।
সিটো ভাগ্যৱতী গোকুলৰ গোপীগণ।
যাহাৰ বিৰহতাপে দহে তনু মন।।
কথমপি শৰীৰত ৰহি আছে প্ৰাণ।
হেন কৃষ্ণ বন্ধুক দেখিলা বিদ্যমান।।
যিটো বিধি স্ৰজিলন্ত চক্ষুত নিমেঘ।
পূৰ্বতো শাপিল তাক গোপিকা *নিঃশেষ।।*
কৃষ্ণ দৰশনত পাতিলা ব্যৱধান।
নাহি জ্ঞান শূন্য সিটো বিধিৰ সমান।।
নিমিষেকো নসহিল পূৰ্বত গোপিনী।
চিৰ বিৰহত আৱে মহা বিৰহিনী।।
আশাতেসে আছে কথমপি প্ৰাণ ৰাখি।
হেন কৃষ্ণয়েৰে আসি ভৈল দেখা দেখি।।
ভুৱন মোহন মহা মুৰ্ত্তি মাধৱৰ।
চুৰ হোৱে যাক দেখি ৰূপ কন্দৰ্পৰ।।
প্ৰসন্ন বদন মন্দ মনোহৰ হাস।

যেন কৰে এক কোটি শশাঙ্ক প্ৰকাশ।।
তৰুণ অৰুণ পঙ্কজৰ পাশি পাই।
হেন আতি আয়ত লোচন আছা চাই।।
ধনু সম সুবলিত ভ্ৰূৱে কৰে কান্তি।
মাণিকৰ চিকি চাৰু দশনৰ পান্তি।।
সুন্দৰ নাসিকা চাৰু চিবুক অধৰ।
কণ্ঠত কৌস্তুভ শোভে নৱ দিবাকৰ।।
মণিময় মকৰ কুণ্ডল গলে ডোলে।
বাহু বক্ষস্থলক দেখন্তে মন ভুলে।।
কেয়ুৰ কঙ্কণ মণি মুকুতাৰ হাৰ।
নীল অম্বৰত যেন বিদ্যুত সঞ্চাৰ।।
পীত পট কাটি তটে ৰত্নৰ মেখলা।
আজানুলম্বিত জ্বলে বৈজয়ন্তী মালা।।
চৰণ পঙ্কজ দুইক দেখন্তে সন্তোষ।
ঈশত ৰাতুল যেন নৱ পদ্ম কোষ।।
ৰত্নৰ নূপুৰে তাত কৰে ৰুণঝুণ।
যেন ৰত্ন মন্ত্ৰগণে পৰি গাৱে গুণ।।
আঙ্গুলিত ৰত্নৰ উজ্বন্তি কৰে কান্তি।
দৰ্পণ নিৰ্মল নখ চন্দ্ৰমাৰ পান্তি।।
পৰম আনন্দময় মূৰ্ত্তি সিবেলাত।
চিৰকালে গোপীসবে দেখিল সাক্ষাত।।
প্ৰাণতো অধিক মাধৱক দেখা পাইলা।
প্ৰসন্ন নয়নে সৱে নিৰীক্ষিয়া চাইলা।।
কৃষ্ণ দৰশনে সৱে ভৈল কৃতকৃত্য।
জুৰাই তনু মন যেন বৰিষে অমৃত।।
নাহি অহঙ্কাৰ যাৰ দেহত কিঞ্চিত।
ব্ৰহ্মাক সাক্ষাতকাৰ কৰে সমাধিত।।
হেন মহাজ্ঞানীৰো দুৰ্লভ যিটো হৰি।
পায়া তাঙ্ক গোপীসৱে চাইলা চক্ষু ভৰি।।
নয়নৰ পথে নিয়া হৃদয় কমলে।

আনন্দ মূৰ্ত্তিক আলিঙ্গিয়া কৌতূহলে।।
আনন্দ সিন্ধুত মজি ভৈল কৃষ্ণময়।
পুলকিত তনু আতি দ্ৰৱিল হৃদয়।।
ধাৰায়ে লোতক নয়নৰ পৰা পৰে।
পাইলন্ত পৰম প্ৰীতি আতি প্ৰেম চড়ে।।
হিয়াত আছন্ত ধৰি পৰম হৰিক।
মিলিল আনন্দ আতি মোক্ষতো অধিক।।
প্ৰেমভৰে নেত্ৰৰ লোতক যায় বহি।
পৰিপূৰ্ণ ভাৱে তন্তি আছে সৱে ৰহি।।
পৰম যোগীৰ যেন শৰীৰ নিশ্চল।
প্ৰীতি প্ৰফুল্লিত মুখ পৰম উজ্জ্বল।।
আছে এহিমতে মনে মাধৱক ধৰি।
গোপিকাৰ পৰম ভাৱনা দেখি হৰি।।
পৰম যোগীৰ যেন শৰীৰ নিশ্চল।
প্ৰীতি প্ৰফুল্লিত মুখ পৰম উজ্জ্বল।।
আছে এহিমতে মনে মাধৱক ধৰি।
গোপিকাৰ পৰম ভাৱনা দেখি হৰি।।
পৰম বিস্ময় হুয়া শিহৰাইলা গাৱ।
উপজিলা কৃষ্ণৰো গোপীত প্ৰেম ভাৱ।।
কমল নেত্ৰৰ পৰা পৰে নীৰ ঝৰি।
কতোখনে আছিলা গোপীক মনে স্মৰি।।
পাছে ব্ৰজবধূ সমস্তক নাৰায়ণে।
সম্বোধিয়া প্ৰবোধিলা মধুৰ বচনে।।
মোক নপাই পাইলাহা বিৰহ মহাদুখ।
ধৰি পীত বস্ত্ৰে মচিলন্ত আখি মুখ।।
অনেক সাদৰে বিৰলক লাগি নিল।
মেলি মহা বাহু গাৱে গাৱে আলিঙ্গিল।।
কৃষ্ণৰ পৰশে ৰসে হৰিষিত মন।
মধ্য কৰি কৃষ্ণক বসিলা গোপীগণ।।
পুনু প্ৰাণ কৃষ্ণক নিৰীক্ষি নেত্ৰ ভৰি।

এৰাইলা সন্তাপ সৱ ব্ৰজৰ সুন্দৰী।।
পায়া মাধৱৰ মহা পৰম সন্মান।
জুৰাইল অমৃত পৰি যেন তনু প্ৰাণ।।
প্ৰণামিলা কৃষ্ণ পাৱে পৰশিয়া আসি।
পুছিলন্ত কেশৱো কুশল হাসি হাসি।।
তুমিসৱ আমাৰ পৰম প্ৰিয়তৰ।
কহিয়ো কল্যাণ কথা গৃহ শৰীৰৰ।।
সকুটুম্বে গোকুলত বাঞ্চা ভালে ভালে।
তোমাসাক সখি নেদেখিলো চিৰকালে।।
হে সখিসৱ মোক সুমৰা সৰ্বথা।
মনত কি পৰে আসি সিটো পূৰ্বকথা।।
অল্পতে আসিবো বুলি প্ৰবোধি তোমাক।
বন্ধু বান্ধৱৰ অৰ্থে গৈলো মথুৰাক।।
পৃথিৱীক পীড়ে দুষ্ট ৰাজ অপৰ্যাপ্ত।
বহু শত্ৰু আমাৰ মাৰিয়া নপাও অন্ত।।
বৈসাই আনি বংশক কৰন্তে প্ৰতিপাল।।
এতেকে বিলম্ব মোৰ ভৈল চিৰকাল।।
কৰাহা ভকতি মোত অৰ্পি জীউ প্ৰাণ।
নাহিকে সুহৃদ তুমি সৱৰ সমান।।
নপাই অৱজৰ নপাও তোমাক দেখিত।
জানি সখি সমস্ত হুয়োক সুস্থ চিত্ত।।
মই মিত্ৰ বঞ্চক এৰিলো তোমাসাক।
নকৰিবা হেন আৱে অৱজ্ঞা আমাক।।
ইটো শঙ্কা কদাচিতো নানিবা মনত।
কহো নিষ্ঠ কৰি সখি সৱ স্বৰূপত।।
হেনবা বুলিবা মিছা ভাওনা বচন।
মহা মিত্ৰ বঞ্চকৰ হেনয় লক্ষণ।।
সাক্ষাতে এৰিয়া গৈলা আৰো কৰা শান্ত।
শুনা সখিসৱ আৱে ইহাৰ সিদ্ধান্ত।।
কাল ঈশ্বৰৰ চেষ্টা বুঝন নয়াই।

সংযোগ বিয়োগ মিলে ঈশ্বৰ ইচ্ছাই।।
বন্ধু বান্ধৱক আনি কৰে এক ঠাই।
তিলেকতে সবাকো পেল্লাৱে বিহৰাই।।
যেন মিলে মহা মেঘসমূহ আকাশে।
খেনেকে থাকিয়া উৰে প্ৰচণ্ড বতাসে।।
যেন তৃণ লতা যত পৃথিৱীৰ ধূলি।
একত্ৰে নথাকে উৰুৱাৱে বায়ু তুলি।।
সেহিমত সমাগম বন্ধু বান্ধৱৰ।
কালৰ অধীন সৱে নোহে স্বতন্ত্ৰৰ।।
জানি সখিসৱ মোৰ মৰষিয়ো দোষ।
তোমাসাৰ ভাৱনাত ভৈলোহো সন্তোষ।।
বিৰহতে মোত মহা মতি ভৈল জাত।
পৰম কল্যাণ ইটো দেখিলো সাক্ষাত।।
ভকতি মাত্ৰকে তৰে নাহিকে সন্দেহ।
কিনো ভাগ্য তোমাৰ বাঢ়িল মোত স্নেহ।
মোকেসে সুহৃদ নিজ আত্মা বুলি মানা।
সুখে সখিসৱ মোক পালা হেন জানা।।
ভৈলো তোমাসাৰ বশ্য কহো বিদ্যমানে।
মই যেনমত তাক শুনা কহো বিদ্যমানে।
মই যেনমত তাক শুনা সাৱধানে।।
সমস্ত প্ৰাণীক ব্যাপী আছোহো অনন্ত।
বাহিৰে ভিতৰে সৱে মই আদি অন্ত।
যেন ঘটসৰ মাটি মাত্ৰ বিচাৰত।
সেহিমতে ব্যাপী আছো চৰাচৰ।
সেহিমতে ব্যাপী আছো ইটো ত্ৰিজগত।।
যত পঞ্চভূত জীৱ আছে চৰাচৰ।
মই পৰিপূৰ্ণত দেখিয়ো নিৰন্তৰ।।
এতেকেসে পাইলা মোক কৈলো ইটো তত্ত্ব।
সুদৃঢ় ভাৱনামনে ধৰা হৃদয়ত।।
এহি বুলি ভৈলা কৃষ্ণদেৱ নিশৱদ।।

উক্ত বিৰাশী অধ্যায়ৰ আঠচল্লিশ সংখ্যক শ্লোকৰ আটাইকেইটিৰে অনুবাদ কৰাৰ উপৰি ইয়াত উদ্ধৃত কৰা পদসমূহৰ সৃষ্টিমূলক অথচ মূলৰ লগত সম্পৰ্ক হেৰাই নোযোৱা দীঘলীয়া বৰ্ণনাটিৰ পৰা আমি নন্দ যশোদা, বসুদেৱ, কৃষ্ণ, গোপীসকলৰ প্ৰেম ভক্তিৰ নিদৰ্শন ফুটি উঠা দেখা পাওঁ। এই অধ্যায়টিৰ আন এটি বিশেষত্ব হ'ল বৃষ্ণি বংশীয় কৃষ্ণাদিৰে নন্দ যশোদাদিৰ মিলন, বিভিন্ন দেশৰ সম্পৰ্কীয় নিকটাত্মীয় মিত্ৰ বৰ্গৰ লগত সাক্ষাৎ, ঈশ্বৰতত্ত্ব সম্পৰ্কীয় নানা আলোচনা আদিৰ বৰ্ণনা আছে। তাৰ লগত আমি পূৰ্বতে কোৱাৰ দৰে— য'ত কৃষ্ণ বিষয়ৰ চিত্ৰ ওলায়, তাতে গুৰুজনাৰ মধুময় লেখনীৰ ৰেখা পৰে আৰু শ্ৰুতি সুখকৰ কাল্পনিক চিত্ৰৰ পৰশো পৰে। বিভিন্ন নদ নদীসমূহ যেনেকৈ সমুদ্ৰত পৰিবিলীন হৈ যায়, তেনেকৈ মূলৰ বিষয় বস্তুৰ লগত কাল্পনিক চিত্ৰসমূহো ইয়াত বিলীন হৈ গৈছে। এই অধ্যায়টিৰ শেষৰ বৰ্ণনাৰ পিছত গুৰুজনে মোখনি মাৰি লিখা বৰ্ণনাটি ইয়াত দাঙি ধৰা হ'ল—

শুক নিগদতি ৰাজা যেবে জগতৰ গুৰু
দিলা গোপ্য জ্ঞান উপদেশ।
কৃষ্ণৰ চৰণ স্মৰি এহি জ্ঞান মনেধৰি
চিন্তে সৱে গোপিকা নিঃশেষ।।
যত চৰাচৰ চয় নিৰন্তৰ কৃষ্ণময়
নাহি কিছু কৃষ্ণ বিনে আন।
কৃষ্ণেসে আছন্ত ব্যাপি চিত্তত ধৰিলা চাপি
পৰম সদৃঢ় কৰি ধ্যান।।
ভাগ্যৱতী গোপীগণ পৰম নিশ্চল মন
কৰিলেক কৃষ্ণক সাক্ষাত।
লিঙ্গ দেহা ভৈল ভঙ্গ গুছিল মনৰ শঙ্ক
পাইল দেখা কৃষ্ণক হিয়াত।
কাৰ্ম বন্ধ ভৈল ক্ষয় হুয়া সবে কৃষ্ণময়
গৃহ শৰীৰক পাসৰিল।
সৰ্ব অঙ্গ পুলকিত আনন্দে নধৰে চিত্ত
নয়নৰ লোতক ঝৰিল।।

ভকতি আনন্দ সিন্ধু জ্ঞান অমৃতৰ বিন্দু
দুইকো আনি কৰি এক থান।
পৰম প্ৰেমত থাকি তাক যেন ভাগুে বাকি
গোপীক কৰাইলা কৃষ্ণে পান।।
ভাগ্যৱতী গোপীচয় পৰম আনন্দময়
হুয়া আছিলেক কতোক্ষণ।
কৃষ্ণত প্ৰসাদ পাই অৰুণ চৰণ চাই
বোলে সবে বিনয় বনে।।
মাটিত নমায়া মাথ হে প্ৰভু জগন্নাথ
হেন বাঞ্ছা কৰিয়ো পূৰণ।
আমি মূঢ় গৃহবাসী যেন নপাসৰো আসি
ইটো দুই অৰুণ চৰণ।।
যিটো যোগী সৰ্বজান সিও কৰে আকে ধ্যান
জানি জগততে ইসে সাৰ।
অন্ধকূপ সংসাৰত পৰি আছে লোক যত
তাকো কৰে এহিসে উদ্ধাৰ।।
দেৱতাৰো দৃশ্য নুই ইটো পাদ পদ্ম দুই
হৌক মনে সদায়ে উদয়।
তোমাৰ চৰণে ৰতি ৰহোক আমাৰ মতি
হেন কৃপা কৰা কৃপাময়।।
এতেক প্ৰাৰ্থনা কৰি কৃষ্ণৰ চৰণে ধৰি
মহা প্ৰেমে কৰন্ত ক্ৰন্দন।
বাঞ্ছা সিদ্ধি হৌক বুলি শিৰে পৰশিলা ধূলি
আশ্বাসিলা দৈৱকী নন্দন।।
সখিসল তেজা দুখ মুচিলন্ত আখি মুখ
ধৰি পীত বস্ত্ৰৰ আঞ্চলে।
আৰো তোমাসাৰ শোক কৰিলেক বশ্য মোক
মহা প্ৰেম ভকতিৰ বলে।।
তুমিসৱ মোৰ প্ৰাণ তোমাতেসে কৰো ধ্যান
আন নাহি তোমাসত পৰ।

প্ৰিয় বাক্যে সন্তোষিয়া গাৱে গাৱে আলিঙ্গিয়া
প্ৰবোধিলা দেৱ দামোদৰ।।
কৃষ্ণত সন্ধান পায়া নিৰন্তৰে গোপ জায়া
গৌৰৱে কৃষ্ণক তুতি বুলি।
মহামনোৰথ পূৰি প্ৰদক্ষিণে ফুৰি ফুৰি
ঘসে শিৰে চৰণৰ ধূলি।।
হৰিষিত তনু চিত্ত হুয়া আতি কৃত্য কৃত্য
এৰাইলা বিৰহ মহাতাপ।
যাৰ যেন বুজি হিয়া পৰম প্ৰসাদ দিয়া
ভৈলা বাজ জগতৰ বাপ।।

ইমানতে বিৰাশী অধ্যায়ৰ বৰ্ণনা অন্ত পৰিছে। উক্ত মোখনি মাৰি লিখা বিবৰণসমূহ মূল বৰ্হিভূত যদিও কৃষ্ণ গোপীসকলৰ বিদায় ক্ষণত উল্লেখ থাকিবলগীয়া বিষয় বুলি জানিব পাৰি। বিষয়ৰ লগত সম্পৰ্কিত এই বৰ্ণনা সৃষ্টিমূলক হলেও ইয়াৰ গুৰুত্ব অতি কম নহয়।

ইয়াৰ তিৰাশী অধ্যায়ৰ শ্লোক সংখ্যা তিৰাল্লিশ। গুৰুজনে আটাইকেটিৰে অনুবাদ সম্পূৰ্ণ কৰিছে। ইয়াত আছে কৃষ্ণই গোপীসকলক জ্ঞানোপদেশ প্ৰদান কৰাৰ পিছত যুধিষ্ঠিৰাদি মিত্ৰ সকলৰ কুশল জিজ্ঞাসা, কৃষ্ণস্তুতি, কৃষ্ণ পত্নীসকলৰ দ্বাৰা বিবাহ বৰ্ণনা আৰু অন্যান্য। পূৰ্বানুৰূপে গুৰুজনাই ইয়াতো সৃষ্টিমূলক বৰ্ণনা কৰি ইয়াক ৰসাল কৰি তুলিছে। এক সংখ্যাৰ পৰা পাঁচ সংখ্যালৈকে থকা শ্লোকৰ বৰ্ণনাসমূহ গুৰুজনাই গ্ৰহণ কৰিলেও শ্লোকৰ ছাঁটোহে মাত্ৰ আছে। বাকীখিনি গুৰুজনাই নিজা ধাৰণাৰে সজাইছে। মাজে মাজে শ্ৰীধৰ স্বামীৰ টীকাৰ সামান্য মাত্ৰ প্ৰভাব পৰিছে। ছয় সংখ্যাৰ শ্লোকৰ পৰা, ৰুক্মিনী, সত্যভামা, জাম্বৱতী, কালিন্দী, ভদ্ৰা, সত্যা, মিত্ৰবিন্দা, লক্ষ্মণা আদি কৃষ্ণ পত্নীসকলৰ বিবাহ বৰ্ণনা কৰা হৈছে। দ্ৰৌপদীয়ে কৃষ্ণপত্নীসকলক তেওঁলোকৰ বৈবাহিক জীৱন যাত্ৰাৰ পূৰ্ব স্মৃতিসমূহ বৰ্ণনা কৰিবলৈ অনুৰোধ কৰাত অনুক্ৰমে প্ৰতিজনে বৰ্ণনা কৰিবলৈ ধৰে। ইয়াৰ আগতে গুৰুজনে পাতনি মেলি বৰ্ণনা দাঙি ধৰি যিখিনি কথা প্ৰকাশ কৰিছে, সেইখিনি তলত উদ্ধৃত কৰা হ'ল— যিখিনি মূলৰ বৰ্হিভূত।

নিগদতি শুক শুনা নৃপতি সৰ্ব্বথা।
স্ত্ৰী সমজ্যাত যেন ভৈল কৃষ্ণ কথা।।
ত্ৰৈলোক্যত অদ্যাপিও গাৱে সেহি যশ।
স্থিৰ কৰ্ণে কৰা পান মহা হৰি ৰস।।
আত অনন্তৰে কহো যেন ভৈল পাছে।
যত মহা ৰাজ ভাৰ্য্যাসৱ আসি আছে।
কৌৰৱ পাণ্ডৱ যদুবংশীসৱ নাৰী।
বহল সমাজ পাতি আছে শাৰী শাৰী।।
যত গোপীসৱ সিটো কৃষ্ণৰ বল্লভা।
কৃষ্ণ অনুমতি লৈয়া গৈলা সেহি সভা।।
তাসম্বাক দেখি মাধৱৰ ভাৰ্য্যা যত।
সাদৰে দিলন্ত স্থান নিজ আসনত।।
অন্যো অন্যে সাৱটন্তে নয়ন সজল।
পুছিলা পৰম প্ৰিয় বচনে কুশল।।
আছে আনো যত তৈত ৰাজাৰ মহিষী।
গোপীক প্ৰশংসা সবে কৰিলা হৰিষি।।
ইটো ব্ৰজবধু আছে কত তপসাই।
সপোনে সচিতে কৃষ্ণ বিনে আন নাই।।
মহাপ্ৰেমে মাধৱত নিমজিল চিত্ত।
সাফল লভিল জন্ম ভাৰত ভূমিত।।
এহি বুলি গোপীক প্ৰশংসি অসংখ্যাত।
আনন্দে আছন্ত বসি সেহি সমজ্যাত।।
কৃষ্ণ কথা শুনিতে উৎসুক আতি মতি।
দ্ৰৌপদীক নাৰীগণে দিলা অনুমতি।।
আপুনি পুছিয়ো কৃষ্ণ মহিষী সবাতে।
বিবাহ কৰিলা কৃষ্ণে যাক যেন মতে।।
তেসম্বে কহোক আমিসৱে শুনো যাই।
কৃষ্ণ কথা বিনে আৰু বৃথা আয়ু যাই।।
শুনি পাঞ্চালীৰ চিত্তে হৰিষ মিলিল।
গাৱে গাৱে কৃষ্ণ পত্নী সবাতো পুছিল।।

দ্ৰৌপদীৰ প্ৰশ্নানুসৰি ৰুক্মিণী দেৱীয়ে তেওঁৰ বিবাহ বৰ্ণনা প্ৰথমতে আৰম্ভ কৰে। মূলৰ মতে সেই বৰ্ণনা অতি সংক্ষিপ্ত। তাত কৈছে (১) 'হে দ্ৰৌপদী! চেদিৰাজ শিশুপালৰ হাতত আমাক সম্প্ৰদান কৰিবৰ কাৰণে যেতিয়া জৰাসন্ধ আদি ৰজাসকল ধনু উত্তোলন কৰি আছিল, তেতিয়া যেনেকৈ সিংহই ছাগ আৰু মেঘৰ মাজৰ পৰা নিজৰ ভাগ হৰণ কৰি লৈ যায়। সেইদৰে ব্ৰহ্মা, শিৱ আদি দেৱতাসকল, সুৰাসুৰ সকল, আৰু প্ৰবল প্ৰতাপী বীৰসকলে যাৰ চৰণ ধূলি শিৰত ধাৰণ কৰি থাকে, সেই ভগৱান শ্ৰীকৃষ্ণই তেওঁলোকৰ মাজৰ পৰা নিজৰ প্ৰাপ্য আমাক হৰণ কৰি আনিছিল। সেই ভগবান শ্ৰীকৃষ্ণৰ চৰণদ্বয় চিৰকাল আমাৰ অৰ্চ্চনীয় হৈ থাকক।" ইত্যাদি (১০/৮৩/৮)

গুৰুজনে অনুবাদ কৰিছে এনেকৈ

শুনিয়া ৰুক্মিণী দিলা প্ৰথমে উত্তৰ।।
ভিক্ষু মুখে মোৰ কথা শুনি দ্বাৰকাত।
মিলিল স্বামীৰ বাঞ্ছা অনেক আমাত।।
দেশান্তৰি মুখে ময়ো শুনি গুণ গান।
কৃষ্ণতে পশিল সমুদায়ে মোৰ মন।।
শিশু হন্তে চিন্তো ইটো কৃষ্ণৰ চৰণ।
পিতৃৰ মাতৃৰ তাকে বিহা দিবে মন।।
মোৰ শ্ৰেষ্ঠ ভাই মন্দ পৰম পামৰ।
নামো নুশুনয় সিটো স্বামী মাধৱৰ।।
শিশুপাল ৰাজাক আনিল বৰ বাছি।
আসিল অসংখ্য নৃপ অস্ত্ৰ শস্ত্ৰে কাছি।।
হয় হস্তী ৰথ আসি জুৰিল কুণ্ডিল।
হেন শুনি ভয়ে মোৰ সুৰুতি উৰিল।।
সেৱিতে নপাইবো সিটো কৃষ্ণৰ চৰণ।
আৱেসে জানিলো মোৰ মিলিল মৰণ।
কৃষ্ণৰ বিয়োগ দুখে ফুটি যায় প্ৰাণ।
নাসে মুখে বচন নুৰুচে অন্ন পান।।
বিপ্ৰমুখে শুনিয়া মোহোৰ মহা দুখ।
স্বামীৰ মনত মহা মিলিল অসুখ।।
শীঘ্ৰে আইলা আথে বেথে একেৰথে সাজি।

পাছতেসে পাইলা আসি সেনা গজ বাজি।।
জৰাসন্ধ প্ৰমুখ্যে যতেক ৰাজাচয়।
দাৰুণ দৰ্পিষ্ঠ দুষ্ট সমৰে নিৰ্দিয়।
চেদিক দিবাক মোক মনে বাঞ্ছা কৰি।
যুদ্ধক প্ৰবন্ধে আছে শৰ ধনু ধৰি।।
কৰিলা আটোপে কোপে যমৰ দুৰ্ঘোৰ।
লীলায়ে জিনিলা বিপক্ষক স্বামী মোৰ।
কদৰ্থিয়া সবাৰো মাথাত দিয়া ভৰি।
আনিলা আনন্দে আতি আমাক উদ্ধাৰি।।
ছাগলযুথক যেন কটাক্ষে খেদাই।
মত্ত সিংহৰাজে নিজ ভাগ লৈয়া যাই।।
মোৰ শ্ৰেষ্ঠ ভাই পাপী ৰুক্মী নাম যাৰ।
ঝণ্টাইলেক যুদ্ধ তাৰ কটকটাই ঘাৰ।।
খাণ্ডা এৰে চুলে ধৰি কৰন্ত দোহাৰ।
কৰন্তে কাতৰ প্ৰাণ ৰাখিল তাহাৰ।।
মুণ্ড মুণ্ডি এৰিলন্ত কালি চূণে চুই।
থাকিল পাপিষ্ঠ পৰি মৃতৱত হুই।।
এহিমতে আনি মোক মিলাইলা উৎসাহ।
কৰিলা কেশৱে মোক প্ৰথম বিবাহ।।
ত্ৰৈলোক্যৰ লোকে দিলা উৎসৰ্গি যৌতুক।
এহিমতে পাইলো প্ৰভু ঈশ্বৰ কৃষ্ণক।।
আন নবাঞ্চোহো মই স্বামীক উপাসি।
জন্মে জন্মে হুইবো তান চৰণৰ দাসী।।
এতেকে বোলন্তে নীৰ নেত্ৰৰ বহয়।
ৰুক্মিণীৰ দেখি প্ৰেমভাব আতিশয়।।
ভৈলা সলোতক সমজ্যাৰ নাৰী যত।
কৃষ্ণ কৃষ্ণ বুলি মাত্ৰ স্মৰন্ত মনত।।
মিলিল বিস্ময় দেখি দেৱীৰ ভকতি।

ৰুক্মিণীৰ বিবাহ বৰ্ণনাৰ পিছতে ভাগৱতৰ মাতে (১০/৮৩/৯) সত্যভামাই নিজৰ বিবাহ বৰ্ণনা দাঙি ধৰিব লাগে। কিন্তু গুৰুজনে নিজৰ মতেৰে ৰুক্মিণীৰ

পিছতে জাম্বৱতীয়ে বিবাহ বৰ্ণনা দিছে। নীতি মতে জাম্বৱতীয়ে দ্বিতীয় স্থান পাব লাগে। কাৰণ জাম্বৱতীৰ বিবাহৰ পিছতহে সত্যভামাৰ বিবাহ হৈছে। সেয়ে তলত জাম্বৱতীৰ বৰ্ণনা দিয়া হ'ল— হে দ্ৰৌপদী, আমাৰ পিতা জাম্বৱন্তে কৃষ্ণক নিজৰ আৰাধ্য শ্ৰীৰামচন্দ্ৰ বুলি বুজিব নোৱাৰি সাতাইশ দিন ব্যাপী তেওঁৰ সহিত যুদ্ধ কৰিছিল। পিছত পৰীক্ষা কৰি 'এৱেঁই সেই সীতাপতি শ্ৰীৰামচন্দ্ৰ' বুলি জানি তেওংৰ পদদ্বয় ধাৰণ কৰি স্যমন্তক মণিৰে সৈতে আমাক পূজাৰ উপহাৰ ৰূপে তেওঁৰ হাতত সমৰ্পণ কৰিছিল। তেতিয়াৰ পৰা আমি প্ৰভু কৃষ্ণৰ দাসী হৈ আছো (১০/৮৩/১০)। ইত্যাদি।

গুৰুজনাই এই বৰ্ণনাটিৰ পৰা বৰ বহলকৈ নিজৰ মতেৰে সজাইছে। তাৰ উদ্ধৃতি তলত দিয়া হ'ল—

শুনা সখী মোৰ কথা কহো জাম্বৱতী।।
সিংহে অৰণ্যত মাৰিলেক প্ৰসেনক।
তাক মাৰি পিতৃ আনিলেক স্যমন্তক।।
সত্ৰাজিতে নজানি কৃষ্ণক দিল দোষ।
হেন শুনি স্বামীৰ মিলিল অসন্তোষ।।
ভাল ভাল লোকক লগত লৈলা বাছি।
খোজ গুৰি গৰ্ত্তত পশিলা বস্ত্ৰ কাছি।।
একেশ্বৰে পাইলা আসি আমাৰ নগৰ.
যেন মহেন্দ্ৰৰ পুৰী মহা মনোহৰ।।
খনেকে আল্টাইলা ঋক্ষৰাজাৰ আৱাস।
কৰে ৰত্নময় মহা মন্দিৰ প্ৰকাশ।।
দেখিল ভিতৰ দ্বাৰ পশি প্ৰভু পাছে।
মণি লৈয়া ধাই শিশু ওমলান্তে আছে।।
বস্ত্ৰ কাছি চলি যাও মাণিক লৈবাক।
দেখি ভয় হুয়া ধাই দিলা ধাউ ডাক।।
কোথেৰ মনুষ্য গোটে মণি লেই কাঢ়ি।
ত্বৰিতে বঝাইলা পিতৃ ওৱাৰিক ছাড়ি।।
কঙ্কালত বস্ত্ৰ কাছি কৰি মহা ছটি।
ধৰিলা আটোপে কোপে কৃষ্ণক সাবটি।।
মাধৱে ধৰিলা মোৰ পিতৃক কোলাৰে।

মোড়ে হাড় ঘাড় বিহৰাৱে পাৰে পৰে।।
চাপৰ চপটি কিল ভুকু বুক ছিৰে।
দুইকো দুই ধৰিয়া প্ৰবন্ধে বান্ধ ভিৰে।।
জৰাজৰি কৰি কতো পৃথিৱীত পৰে।
হুয়া একপিণ্ড যেন মাটিত বাগৰে।।
কৰ কৰ কৰি কতো দশন চোবাও।
ভ্ৰূকুটি কুটিল কোপে চক্ষু পকাই চান্ত।।
নছাড়ন্ত দুইকো দুই নাপালটে কোপ।
দুইৰো মহা আন্দোলে জগত দলদোপ।।
মহাবৈৰ বুদ্ধি কৰি আতি অসন্তোষে।
ঝুজন্ত আঠাইশ দিন পৰম আক্ৰোশে।।
কৃষ্ণ অঙ্গ ঘৰিষণে যেন বজ্ৰপাত।
ভৈলা বলহীন ঋক্ষৰাজ নাসে মানত।।
নাহিকে চেতন চক্ষু মেলিয়া নচান্ত।
মহা পীড়া পাই পিতৃ পৰিয়া কেঙ্কান্ত।।
মনত গুণন্ত কিনো মহা পৰাক্ৰমি।
হেন নাহি ত্ৰৈলোক্যত মোক আছে দামি।।
এতেকে জানিলো এন্তে নোহন্ত মানুষ।
জগত কাৰণ যিটো পৰম পুৰুষ।।
যোনো ছদ্মে আসিয়াছে প্ৰাণ ৰঘুনাথ।
এহি বুলি পিতৃ নিৰেক্ষিলা তুলি মাথ।।
দেখিলন্ত চক্ষু মেলি চাই ঘুৰি হাত।
সেহি সীতাপতি নিজ স্বামীক সাক্ষাত।।
কান্দিবে লাগিলা আসি চৰণত পৰি।
লোতকে তিয়াইলা মাধৱৰ দুই ভৰি।।
আবেসে জানিলো সেহি প্ৰাণ প্ৰভু মোৰ।
কৰিলা সীতাৰ তাপে প্ৰয়াগ দোৰ্ঘোৰ।।
নেদে পথ সাগৰৰ অৱগৰ্ব দেখি।
চক্ষু পকাই চাই কোপে কটাক্ষে নিৰেখি।।
উমৰিল জলজন্তু কুম্ভীৰ মগৰ।

মহাভয়ে খলকিল সকল সাগৰ।
দিলা পন্থ আথে বেথে পশিয়া শৰণ।।
ৰত্নৰ সম্ভাৰচয়ে আৰ্চিচলা চৰণ।
শিলায়ে বান্ধিলা পাছে প্ৰভু মহাসেতু।
বধিলা ৰাৱণ সীতা হৰণৰ হেতু।।
তোমাক যুজিলো আৰে ঐ প্ৰাণ নাথ।
এহি বুলি কান্দন্ত পাৱত থৈয়া মাথ।।
শুনি কেশৱৰ সাপজিল মহা স্নেহ।
মাজিলা অমৃত হাতে সুস্থ ভৈল দেহ।।
প্ৰভুৰ প্ৰসাদে সব্ দুখ গৈল খণ্ডি।
দিব্য ৰত্নময় অলঙ্কাৰে মোক মণ্ডি।
দিব্য ৰত্নময় অলঙ্কাৰে মোক মণ্ডি।
বিহা দিয়া সমাৰ্পিলা প্ৰভুৰ পাৱত।
সুৱৰ্ণ ভাজন ৰত্ন আছে যত যত।।
অলঙ্কাৰে ৰঞ্জি দামী সহস্ৰ সংখ্যাত।
সমস্ত সম্ভাৰ দিলা মোহোৰ বিহাত।।
লগতে যৌতুক দিলা স্যমন্তক মনি।
আগবঢ়াই বাদ্য ভণ্ডে দণ্ডে ছত্ৰে ছানি।।
কতবা জন্মৰ কল সাঞ্জি আছো আমি।
তাৰফলে পাইলো ইটো ঈশ্বৰক স্বামী।।
এতেকেসে বাঞ্জো মই মুকুতিকো এৰি।
জন্মে জন্মে হুইবো আন চৰণৰ চেড়ি।।
এতেকে বোলন্তে প্ৰেমে দ্ৰৱিল হৃদয়।
ঝৰি যায় নেত্ৰৰ লোতক অতিশয়।।
পৰম ভকতি ভাৱ দেখি নাৰীগণে।
উপজে কৰুণা চাৱে লোতক নয়নে।।
কৃষ্ণ কথা ৰসত মজিল যিটো ৰামা।

আমি পূৰ্বতে প্ৰকাশ কৰি আহিছো যে ৰুক্মিনীৰ বিবাহ বৰ্ণনাৰ পিছতে ভাগৱতৰ মতে সত্যভামাৰহে বৰ্ণনা আছে। কিন্তু গুৰুজনে ইয়াক অগা-পিছা কৰি জাম্বৱতীক আগবঢ়াই দিছে। সেয়ে এতিয়া সত্যভামাৰ বিবাহ বৰ্ণনা প্ৰকাশ কৰা হ'ল (১০/৮৩/৯)।

(৩) হে দ্ৰৌপদী, আমাৰ পিতৃ সত্ৰাজিতে নিজে ভাতৃ প্ৰসেনৰ নিধনৰ খবৰ পাই অত্যন্ত দুঃখিত হৈছিল আৰু সেই হত্যা-কৰ্ম্ম সিংহৰ দ্বাৰা হ'লেও সন্দেহক্ৰমে 'স্যমন্তক মণিৰ লোভত কৃষ্ণই আমাৰ ভাতৃক বধ কৰিছে' এনেকৈ প্ৰচাৰ কৰিছিল। তেতিয়া সেই অপযশ দূৰ কৰাৰ বাবে কৃষ্ণই জাম্বুৱানক জয় কৰি সেই স্যমন্ত মণিটো আনি সভাৰ মাজত সকলোৰে উপস্থিতিত আমাৰ পিতৃক প্ৰদান কৰিছিল আৰু তেওঁ উক্ত অপৰাধত নিজকে অপৰাধী বুলি ভাবি ভীত হৈ 'যদিও মই পূৰ্বতে অসুৰাদিৰ হাতত সম্প্ৰদানৰ কাৰণে বাক্‌দত্তা হৈছিলো।' তথাপি সেই কৃষ্ণৰ মন তুষ্টিৰ কাৰণে তেওঁৰ হাতত পিতৃয়ে সম্প্ৰদান কৰিছিল ইত্যাদি।

গুৰুজনে ব্যাখ্যা কৰিছে এনেকৈ ঃ

অনন্তৰে কথা কহিলন্ত সত্যভামা।।
আমাৰ বৃত্তান্ত আৱে শুনিয়ো পাঞ্চালী।
মোক যেনমতে পাইলা প্ৰভু বনমালী।।
জিনি জাম্বৱন্ত স্যমন্তক মণি আনি।
পিতৃক দিলন্ত সমাজত চক্ৰপাণি।।
বুলিলা বচন তুমি দাৰুণ নিশঙ্ক।
মিছাত আমাক দিলা দাৰুণ কলঙ্ক।।
কৰিলা গৰিহা মহা মহন্ত সমাজে।
নঘাই নুপুহাই তান অতিশয় লাজে।।
যতেক দ্বাৰকাবাসী সবে শপে আতি।
নবঝাই গৃহৰ গুৰ্ণন্ত দিনে ৰাতি।।
কেনমতে মাধৱৰ মন হোৱে শান্ত।
শুনি গাণ্ঠিমনে একো উপায় নপান্ত।।
আছে কন্যাৰত্ন মই তাহান দুহিতা।
কৃষ্ণক দিবাক লাগি আলোচিলা পিতা।।
আনমতে মাধৱৰ শান্ত নোহে চিত।
দঢ়াই যুগুতি বন্ধু-বান্ধৱে সহিত??
খুজিলা অনেকে মোক অক্ৰূৰ প্ৰমুখ্যে।
পূৰ্ব্বতো সবাক দিবো বুলিয়াছে মুখে।।
এৰিলা ইসব বাক্য প্ৰাণৰ কাতৰে।

মাতি আনি মাধৱক আপোনাৰ ঘৰে।।
দিলন্ত বিবাহ মোক মহামহোৎসৱে।
ভৈলা মহা প্ৰীতি পায়া আমাক মাধৱে।।
লগত যৌতুক দিলা স্যমন্তক ৰত্ন।
পিতৃত খৈলন্ত থাপি কৃষ্ণে কৰি যত্ন।।
দিলা সুবৰ্ণৰ বণ্টা মাত্ৰ কিছুমান।
পাইলো এক লক্ষ যেৱে কন্যা দিলা দান।
অনেক নিৰ্ভয় বাক্য বুলি কৃপাময়।
আনন্দে লৈ গৈলা মোক আপোন নিলয়।।
এহিমতে পাইলো স্বামী ঈশ্বৰ কৃষ্ণক।
কি কহিবো সখী আৰে মোহোৰ ভাগ্যক।।
এহিমানে মাত্ৰ মই বাঞ্ছো ৰাত্ৰি দিনি।
জন্মে জন্মে হুইবো তাহানেসে সেৱকিনী।।
এহি বুলি প্ৰেমত কান্দন্ত সত্যভামা।
তাক দেখি প্ৰেমত মজিলা যত ৰামা।।
কৃষ্ণক সুমৰি মনে আছিলন্ত কান্দি।

সত্যভামাৰ উক্তিৰ পিছতে কৃষ্ণৰ চতুৰ্থ ভাৰ্যা কালিন্দীয়ে তেওঁৰ বিবাহ বৰ্ণনা দি এনেকৈ ক'বলৈ ধৰিলে (১০/৮৩/১৩)।

(৪) হে দ্ৰৌপদী, আমি যিজনৰ পাদস্পৰ্শ কামনা কৰি তপস্যাচৰণ কৰিছিলো, সেই কথা জানিব পাৰি কৃষ্ণই সখা অৰ্জুনৰ সংগত আমাৰ ওচৰলৈ আহি আমাৰ পানিগ্ৰহণ কৰিছিল। আমি তেতিয়া সেই কৃষ্ণদেৱৰ গৃহ মাৰ্জনকাৰিণী দাসী।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ ঃ

অনন্তৰে দ্ৰৌপদীত কহিলা কালিন্দী।।
শুনা সখী কথা পিতৃগৃহত আছন্তে।
কৃষ্ণৰ মহিমা মই শুনো শিশুহন্তে।।
কেনমতে আমাৰ মাধৱ হুইব স্বামী।
হেনমনে গুণি তপ আছৰিলো আমি।।
কৃষ্ণৰ চৰণ ধৰি হৃদয় কমলে।
কৃষ্ণকেসে চিন্তো মাত্ৰ যমুনাৰ জলে।।

জানি যদুদেৱ আইলা চড়িয়া ৰথতে।
তোমাৰ মধ্যম স্বামী অৰ্জ্জুন লগতে।।
ভৈলা শ্ৰান্ত মৃগ মাৰি কৰিয়া বিহাৰ।
পাইলা যমুনাৰ তট নিকট আমাৰ।।
আচৰন্তে আছো তপ পাছে মোক দেখি।
অৰ্জ্জুনক বোলন্ত যায়োক প্ৰাণ সখি।।
কৈৰ কন্যা তপ ইটো কৰে কি কাৰণে।
স্বৰূপ পুছিও গৈয়া জিজ্ঞাসিও মনে।।
আসি তথা কথা মোত পুছিলা অৰ্জ্জুনে।
নাহিকে তোমাৰ সম নাৰী ত্ৰিভুবনে।
কৈয়ো কিবা নাম তুমি দুহিতা কাহাৰ।
প্ৰথম বয়স আতি তনু সুকুমাৰ।।
হেন তপ দুষ্কৰ কৰিয়া কি কাৰণে।
আসি আছা কৃষ্ণ পুছো তাহাৰ বচনে।।
স্বামী আসিবাৰ শুনি ভৈলো হৰষিত।
বহয় লোতক আতি তনু ৰোমাঞ্চিত।।
বুলিলো বচন পাছে আনন্দতে কান্দি।
সূৰ্য্যৰ দুহিতা মই নামত কালিন্দী।।
হৈবন্ত ঈশ্বৰ স্বামী হেন বাঞ্ছা কৰি।
কৃষ্ণকেসে চিন্তো মই তপস্যা আচৰি।।
কহিলো স্বৰূপ মোৰ নাহি আন মতি।
অৰ্জ্জুনে কৃষ্ণত মোৰ কহিলা ভকতি।।
সূৰ্য্যৰ দুহিতা এন্তে পৰম ৰূপসী।
কৰে তপ তোমাকেসে স্বামী অভিলাষী।।
পাইলা স্ত্ৰী ৰত্ন সখি কিবা চাহা আৰ।
যুঝন্তে বাণিজ্য যেন মিলিল তোমাৰ।।
শুনিয়া আনন্দে আসি প্ৰভু দামোদৰে।
আসিয়া আমাক নিলা পৰম সাদৰে।।
মিলিল তথাতে সূৰ্য পৰম উৎসাহ।
পৰম প্ৰাৰম্ভে মোক দিলন্ত বিবাহ।।

বজাই দিব্য মৃদঙ্গ নাচিল অপেচৰী।
দিলা দাসী কৰি অসংখ্যাত বিদ্যাধৰী।।
দিব্য আভৰণ ৰত্নময় অলঙ্কাৰ।
যতেক যৌতুক দিলা সীমা নাহি তাৰ।।
ধৰিলা যোগান আসি চতুৰঙ্গ দলে।
আইলো দ্বাৰকাক স্বামী সমে সুমঙ্গলে।।
কত কৌটি জন্মে আৰাধিলো তপব্ৰত।
তাতেসে কৃষ্ণক স্বামী পাইলো অভিমত।।
আন নবাঞ্চোহো সখী কহো সত্য কৰি।
জন্মে জন্মে হুইবো তান চৰণ কিঙ্কৰী।।
এহি বুলি সলোতক ভৈলন্ত কালিন্দী।
প্ৰেমে পৰশিলা মৌনে থাকিলন্ত কান্দি।।
ভৈলা সকৰুণ সমজ্যাৰ যত নাৰী।
কৃষ্ণৰ প্ৰেমত আতি নেত্ৰে স্ৰৱে বাৰি।।

কৃষ্ণৰ চতুৰ্থ ভাৰ্যা কালিন্দীৰ বিবাহ বৰ্ণনাৰ পিছতে পঞ্চম ভাৰ্যা ভদ্ৰাই ক'বলৈ আৰম্ভ কৰিলে। ভাগৱতত বৰ্ণনা আছে এনে প্ৰকাৰে (১০/৮৩/১২)।

(৫) হে দ্ৰৌপদী, সিংহই যেনেকৈ কুকুৰৰ দলৰ মাজত অৱস্থিত নিজৰ ভোগ্য বস্তু বলপূৰ্বক লৈ যায়; তেনেকৈ যিজনে আমাৰ স্বয়ম্বৰ সভাত উপস্থিত হৈ আমাৰ অপকাৰী প্ৰতিদ্বন্দ্বী ৰজাসকলক আৰু আমাৰ ভাতৃসকলক পৰাজয় কৰি আমাক সমৃদ্ধিশালী নিজৰ নগৰীলৈ নিছিল, সেইজন শ্ৰীকৃষ্ণৰ পাদ প্ৰক্ষালনৰ অধিকাৰ জন্মে জন্মে আমাৰ হওক।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ—

অনন্তৰে ভদ্ৰা দেৱী দিলন্ত সিদ্ধান্ত।
শুনিয়ো পাঞ্চালী আৰে মোহোৰ বৃত্তান্ত।।
কৈকেয় ৰাজ্যত মহাৰাজা মোৰ পিতা।
তান ঝীউ মই ৰূপে গুণে অনিন্দিতা।।
মোৰ অনুৰূপে পৃথিৱীত নপাই বৰ।
ৰাজাগণ পাতিলন্ত অনাই স্বয়ম্বৰ।।
এৰৈক এৰৈক ৰাজাগণ মহেন্দ্ৰ সাক্ষাৎ।
দিগ্‌গজ পৰাই বসি আছে সমজ্যাত।।

ধৱল চামৰ ধৰি ঢোলে দুই কাছে।
শিৰৰ উপৰে শ্বেত ছত্ৰ তুলি আছে।।
সঙ্গে চতুৰঙ্গ সেনাসৱ আছে সাজি।
গজ ঘণ্টা টঙ্কাৰে চিহৰে গজ বাজি।।
ঠায়ে ঠায়ে শুনি বাদ্য ভাণ্ডৰ কল্লোল।
দলদোপ বসুমতী প্ৰজাৰ আন্দোল।।
মহা পৰিচ্ছেদে পাছে প্ৰভু হৃষীকেশ।
সেহি সমজ্যাত আসি ভৈলন্ত প্ৰৱেশ।।
মাথে আনি দিলা পিতৃ সুবৰ্ণ আসন।
আতি প্ৰীতি পখালিয়া আৰ্চ্চিলা চৰণ।।
নজ্বলে নৃপতি সৱ কৃষ্ণৰ প্ৰকাশে।
চন্দ্ৰৰ উদয় যেন নক্ষত্ৰ আকাশে।।
সূৰ্যৰ আগত যেন বাতিৰ জেউতি।
ভৈলা নিশৱদ দেখি সমস্ত নৃপতি।।
মই সালঙ্কৃতা সঙ্গে সখী অসংখ্যাত।
সুবৰ্ণৰ মালা লৈয়া উঠিলো সভাত।।
ৰাজ সমজ্যাক নিৰেখিলো চক্ষু চাই।
কৃষ্ণৰ আগত দেখো মৃতক পৰাই।।
পৰম ঈশ্বৰ মূৰ্তি দেখিয়া সাক্ষাত।
বৰিলো সুবৰ্ণ মালা চৰায়া মাথাত।।
পৰি প্ৰণামিলো চৰণত জানু পাৰি।
আশ্বাসিয়া তুলি মোক ধৰিলা মুৰাৰি।
দেখি ৰাজাসৱ মহা অহঙ্কাৰ কৰি।
গৰ্জ্জে মাধৱক কোপে শৰধনু ধৰি।।
কৰে ধৰমাৰ ৰোল প্ৰচণ্ড প্ৰতাপে।
আমাৰ কন্যাক আজি নিবে কাৰ বাপে।।
হেন শুনি তৰতৰি কাম্পে মোৰ তনু।
ধৰিলন্ত মাধৱে শাৰঙ্গ মহাধনু।।
মোক পাছ কৰিয়া অভয় দিয়া দান।
বৰিষিলা অসংখ্য সহস্ৰ দিব্য বাণ।।

স্বামীৰ শায়কে ফুটি সমস্ত শৰীৰে।
ধনু শৰ এৰিয়া লৰৰ দিলা ভিৰে।।
ৰথ গজ বাজী পৰি থাকিল তথাতে।
মৰো জীও কৰিয়া পলাইলা সুদা হাতে।।
মোৰ ভাতৃগণ আছে কৃষ্ণৰ বিৰোধী।
ঝপাইলেক যুদ্ধ সাজি পন্থক নিৰোধি।।
জীৱন্তে ধৰিয়া কাটিবাক চান্ত স্বামী।
চৰণত ধৰিয়া ৰাখিলো পাছে আমি।।
কুকুৰ যূথক যেন মত্ত সিংহে জিনি।
নেই নিজ ভাগ যেন নমাৰিয়া ঘিনি।।
সেহি মতে পৰম ঈশ্বৰ স্বামী মোক।
কৰিলা বিবাহ দেখিলেক সৰ্ব্বলোক।।
পৰম ভকতি পিতৃ সাদৰি স্বামীক।
সকলে সৰ্ব্বস্ব দিলা লগতে যৌতুক।।
গজবাজী দাস-দাসী তাৰ নাহি সীমা।
কি কহিবো সখী সিটো কৃষ্ণৰ মহিমা।।
আন নবাঞ্ছোহো মনে স্বামী পাৱে ধৰি।
জন্মে জন্মে হৈবো তান চৰণ কিঙ্কৰী।।
এতেক বোলন্তে আসি দ্ৰৱ ভৈল মন।
বহয় লোতক নামে মুখত বচন।।
তাহান কৰুণা দেখি নাৰী সমস্তয়।
হৰি হৰি স্মৰিয়া কান্দিলা আতিশয়।।
সাধুৱাদে ভদ্ৰাক কৰিলা অভিনন্দা।

ভদ্ৰাদেৱীৰ বিবাহ বৰ্ণনাৰ পিছতে ভাগৱতৰ মতানুসৰি সত্যা নামৰ কৃষ্ণদেৱৰ ভাৰ্যাগৰাকীৰ বিবাহ বণচ্ছনা হ'ব লাগে (১০/৮৩/১৪)। কিন্তু গুৰুজনে এওঁক পিছলৈ থৈ 'মিত্ৰ বিন্দা' নামৰ ভাৰ্যাগৰাকীৰ মুখতহে বিবাহ বৰ্ণনা দিছে। (১০/৮৩/১৫,১৬)। ভাগৱতৰ দুটি শ্লোকৰ অসমীয়া অনুবাদ তুলি দিয়া হ'ল।

(৬) হে দ্ৰৌপদী, আমাৰ পিতা স্বয়ং মাতুল পুত্ৰ ভগৱান শ্ৰীকৃষ্ণক আহ্বান কৰি এক অক্ষৌহিনী সেনা আৰু সখীসকলৰ সহিত কৃষ্ণগত চিন্তা আমাক

তেওঁৰ হস্তত সম্প্ৰদান কৰিছিল। আমি কৰ্মসমূহৰ দ্বাৰা জন্ম-মৰণ প্ৰৱাহ ৰূপ সংসাৰত পৰিভ্ৰমণ কৰি আছো। যাৰ দ্বাৰা জীৱৰ ভগৱত্তাৱ প্ৰাপ্তি ৰূপ কল্যাণ হয় আমাৰ যেন জন্মে জন্মে সেই শ্ৰীকৃষ্ণৰ পাদ সংস্পৰ্শ লাভ হয় ইত্যাদি।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

অনন্তৰে দ্ৰৌপদীক কহে মিত্ৰবিন্দা।।
আমাৰ বৃত্তান্ত আৰে শুনিয়ো পাঞ্চালী।
যিমতে দুৰ্ল্লভ স্বামী পাইলো বনমালী।।
অৱন্তী দেশৰ মহাৰাজ মোৰ পিতা।
কৃষ্ণৰ ভকত মই তাহান দুহিতা।।
সম্বন্ধে মোহোৰ ভাই ইটো যদুদেৱ।
স্বামীভাৱে তথাপি মনত কৰো সেৱ।।
বুঝিলন্ত পিতৃ পাছে মোহোৰ ইঙ্গিত।
দিনে ৰাত্ৰি তাহানো কৃষ্ণত মাত্ৰ চিত।।
আপুনি আনিলা মাধৱক বৰ বাছি।
মোক বিহা দিবাক সাদৰে তাঙ্ক যাচি।।
দেখি বিন্দ অণুবিন্দ মোহোৰ সোদৰ।
নেদে বিহা দিবে দুয়ো পৰম পামৰ।।
কৃষ্ণক নসহে মহাদাৰুণ দুৰ্ম্মতি।
শিশু হন্তে দুষ্ট দুৰ্য্যোধনৰ সঙ্গতি।।
মহা মদগৰ্ব্ব নুশুনয় কাৰো হাক।
বুলিল অনেক গোৱিন্দাক নিন্দা বাক।।
উঠি গুচিলন্ত বাপে বিষ্ণু বিষ্ণু বুলি।
কৃষ্ণক ধৰিবে দুয়ো আসিলা হাম্ফুলি।।
হাসি হৰি দুইকো মুচৰিলা ধৰি ঘাৰ।
ভূমিত পাৰিয়া দিলা চৰৰ প্ৰহাৰ।।
চৰৰৰ চোটে গাল ভৈলা ভিণ্ডাকাৰ।
পৰি আছে নিশৱদে দুয়ো কুলাঙ্গাৰ।।
স্বামীৰ হাতত চূৰ ভৈল দুইৰো দৰ্প।
গৰুড়ৰ আগে যেন দুই ক্ষুদ্ৰ সৰ্প।।
ধৰিলা খাণ্ডাক কৃষ্ণে কাটিবাক লাগি।

পাৱে পৰি পাছে দুইৰো জীৱ লৈলো মাগি।।
মোৰ পদে এৰিলন্ত কালি চূণে চুই।
সমজ্যাৰ গুচিল লাঞ্ছনা আতি হুই।।
পিতৃৰ মনত ভৈলা পৰম উৎসাহ।
বিধিৱতে দিলা আস আমাক বিবাহ।
এহেন্তে ঈশ্বৰ হেন ভৈলা মহাজ্ঞান।
সমস্তে সম্পত্তি উৎসৰ্গিয়া দিলা দান।।
সুবৰ্ণ ৰজত ৰত্ন গজবাজী ৰথ।
দিলন্ত যৌতুক যত পুৰি মনোৰথ।
দিলা লগে সালঙ্কৃতা যতেক পদ্মিনী।
চতুৰঙ্গ সেনা আৰো এক অক্ষৌহিনী।
বাদ্য ভণ্ড দণ্ড ছত্ৰ চামৰ চিৰলে।
মোক লৈয়া আইলা প্ৰভু মহা কৌতূহলে।।
কতবা জন্মত পুণ্য সাঞ্চি আছো আমি।
সিকাৰণে পৰম ঈশ্বৰ পাইলো স্বামী।।
এহিমাত্ৰ বাঞ্ছা কৰি প্ৰভুত ভকতি।
জন্মে জন্মে তাহান চৰণে হৌক ৰতি।।
প্ৰভু পদ ধূলাকেসে কাৰো অভিনন্দা।
এহি বুলি সলোতক ভৈল মিত্ৰ বিন্দা।।
প্ৰেমত দ্ৰৱিল চিত্ত ৰোমাঞ্চ শৰীৰ।
দেখি নাৰী সবাৰো নয়নে ঝৰে নীৰ।
ভকতিত ভৈল সৱে পুলকিত কায়া।
কৰিলা প্ৰশংসা সাধু সাধু কৃষ্ণ জায়া।।

ইয়াৰ পিছতে 'সত্যা' নামৰ কৃষ্ণ ভাৰ্যাগৰাকীয়ে নিজৰ বিবাহ বৰ্ণনা আৰম্ভ কৰিছে (১০/৮৩/১৩, ১৪)। দুটি শ্লোকৰ অসমীয়া অনুবাদ ইয়াত উদ্ধৃত কৰা হ'ল।

(১) হে দ্ৰৌপদী, আমাৰ পিতা নগ্নজিতে বলৱান ৰাজাৰ হস্তত আমাক সমৰ্পণ কৰিবলৈ তেওঁলোকৰ শক্তি পৰীক্ষা কৰাৰ উদ্দেশ্যে অতিশয় বলশালী আৰু তীক্ষ্ণ শৃঙ্গযুক্ত তথা বীৰসকলৰ দৰ্পনাশক সাতোটি প্ৰসিদ্ধ বলধ ৰাখিছিল। বালকসকলে যেনেকৈ ছাগশিশুসমূহক শীঘ্ৰে দমন অনায়াসে বন্ধন

কৰি পেলায়, সেইদৰে কৃষ্ণই সেই সাতোটি দুৰ্দান্ত বলধক শীঘ্ৰে দমন কৰি অনায়াসে সিসকলক বন্ধন কৰিছিল।

(২) যিজনে পথ মধ্যত ক্ষত্ৰিয়সকলক পৰাজয় কৰি বিক্ৰম প্ৰদৰ্শন কৰি পণ বিনিময়ত দাসীসকলক আৰু চতুৰংগ সেনা সমন্বিতে আমাক নিজ পুৰীলৈ লৈ গৈছিল, সেইজন প্ৰভু শ্ৰীকৃষ্ণৰ দাসী হোৱাৰ অধিকাৰ আমাৰ জন্মে জন্মে হওক।

গুৰুজনাই ইয়াৰ আধাৰতে অনুবাদ কৰিছে এনেকৈ ঃ

আত অনন্তৰে সত্যায়ে বোলয়
শুনিয়ো সখী পাঞ্চালী।
পৰম ঈশ্বৰ যেন মতে মোৰ
স্বামী ভৈলা বনমালী।।
কোশল ৰাজ্যত ৰায় ৰাজ্যেশ্বৰ
আছন্ত আমাৰ পিতা।
ৰূপে গুণে আমি আতি আনন্দিতা
স্নেহৰ তান দুহিতা।।
মোৰ অনুৰূপ নপাই বৰ বাপে
মনত গুণিয়া আছি।।
সাত গোটা বৃষ বলিষ্ঠ দৰ্পিষ্ঠ
দেশৰ আনিলা বাছি।
মহাতীক্ষ্ণতৰ শৃঙ্গ আগে পৰি
মাথিয়ো হোৱে দোহাৰ।
আকে একে দায়ে বান্ধে তিনি যিটো
ইচো কন্যা হোৱে তাৰ।।
হেন শুনি মহা মহা ৰাজা যত
আসে দণ্ড ছত্ৰ তুলি।
কাছিয়া অকলে শৰীৰৰ বলে
বৃষক ধৰে হাম্ফুলি।।
তাকো সাত বৃষে বেঢ়িয়া হাণ্টুৰী
ছিণ্ডে উৰু কৰ কটি।

লাঠিৰ ছোটত উফৰিয়া কতো
কেঙ্কাৰে দান্ত প্ৰকটি।।
কাহাঙ্কো শৃঙ্গত তুলিয়া ফুৰাৰে
দামুৰি যেন ডেডাই।
হেন নাহি বীৰ বৃষকোজঙ্কাই
আছোক যাইব এৰাই।।
মোৰ কথা শুনি পাছে প্ৰাণ প্ৰভু
যদুবংশ শিৰোমণি।
দ্বাৰকাৰ পৰা আসিলন্ত বাদ্য
ভণ্ডে দণ্ডে ছত্ৰে ছানি।।
দেখি আগবাঢ়ি পৰি পিতৃ মোৰ
কৰিলা স্তুতি বিনয়।
ঈশ্বৰ পুৰুষ আসিলা গৃহক
কিনো মোৰ মহোদয়।।
ব্ৰহ্মা হৰে ইটো ধ্যানতো নেদেখে
অৰুণ চৰণ দুই।
সাক্ষাতে পূজিবে পাইলো প্ৰভু মই
অধম মনুষ্য হুই।
এহি বুলি পাদ্য অৰ্ঘ্য গন্ধ পুষ্পে
অৰ্চ্চিলা পাদ পদ্মক।
কিবা প্ৰয়োজন সাধিবো মাধৱ
আদেশা নিজ ভৃত্যক।
হেন শুনি হাসি মাধৱে বোলন্ত
শুনিয়োক মহাৰাজ।
ইটো প্ৰয়োজন মহন্ত লোকত
কহন্তে উপজে লাজ।।
দিয়ো কন্যাৰত্ন নৃপতি আমাক
কন্যায়ো আমাক বাঞ্ছে।
পিতৃয়ে বোলন্ত আৰো আত পৰে
মোৰ মহাভাগ্য আছে।

কিন্তু বিষভক বলে যিটো জিনে
ইটো কন্যা হৈবে তাৰ।
হেন বাক্য বাপ লোকত শুনাই
কৰি আছো অঙ্গীকাৰ।।
আবে যদুদেৱ দুৰন্ত বৃষক
জিনিয়া নিয়া কন্যাক।।
উঠি কৃষ্ণে পাছে কাছি পীত বস্ত্রে
সাজ ভৈলা যুঁজিবাক।।
সাত মূৰ্ত্তি হুয়া সাতো বৃষভক
ধৰিলা হাস্ফুলি বলে।
মই মাত্ৰ দেখো প্ৰভুৰ মহিমা
সভাত আনে নাকলে।।
শৃঙ্গত ধৰিয়া মোচৰিল যাৰ
মাটিত পৰি ডেডাই।
তেজি মল মূত্ৰ হেুসনি কাঢ়িয়া
প্ৰাণান্তিক পীড়া পাই।।
আঝুৰিয়া নিয়া স্তম্ভত বান্ধিয়া
শিশু যেন ছাগজাক।
বাজে বাদ্য ভাণ্ড দিলেক প্ৰজায়ে
জয় কৃষ্ণ বুলি ডাক।।
কৃষ্ণৰ মাথাত মালা পিন্ধাই পাছে
বৰিলো পাৰত পৰি।
শৰীৰ শিহৰি প্ৰেম যাই চঢ়ি
লোতক পৰে নিগৰি।।
আশ্বাসিলা পাছে ধৰি প্ৰাণনাথে
মনত মিলাই উৎসাহ।
পৰম প্ৰাৰম্ভে পাছে পিতৃ মোক
আনন্দে দিলা বিবাহ।।
সালঙ্কৃতা তিনি সহস্ৰ সুন্দৰী
দাসী কৰি মোক সঙ্গে।

হাজাৰ দশেক ষট স্ৰৱা ধেনু
দিলন্ত পৰম ৰঙ্গে।।
মত্ত হস্তীচয় ষোড়শ হাজাৰ
ৰথ নৱ লক্ষমান।
সুবৰ্ণ পাথৰে শত কোটি ঘোঁৰা
যৌতুক কৰিলা দান।।
নৱ শত কৌটি দিলন্ত পদাতি
কছাই বস্ত্ৰ অলঙ্কাৰে।
বাদ্য ভগো আগ বঢ়ায়া আমাক
পিতৃ মহা চমৎকাৰে।।
নিৰন্তৰ ৰাজা এক সাজ ভৈলা
মোত আতি আশাভঙ্গে।
আমাৰ কন্যাক কেনে কৃষ্ণে নিব
আগ ভেণ্টি আছে খঙ্গে।।
তোমাৰ মধ্যম পতি ধনঞ্জয়
স্বামীৰ নেৰন্ত কাছ।
দেখি খঙ্গে আতি আগুৱাইলা কাছি
কৃষ্ণক কৰিয়া পাছ।।
ধনকু ঠঙ্কাৰি হৃদয় বিদাৰি
শৰ প্ৰহাৰিলা ৰাগি।
বাঘৰ আগত ছাগৰ ছৱালি
কাট দি পলাইল ভাগি।।
তোমাৰ স্বামীৰ পৰম বীৰত্ব
স্বচক্ষে দেখিলো আমি।
এহি মতেময়ো পৰম ঈশ্বৰ
কেশৱক পাইলো স্বামী।।
সোপনে সচিতে এহিমানে বাঞ্ছো
কৃষ্ণৰ ধুৱাইবো ভৰি।
জন্মে জন্মে মই হুইবো প্ৰাণসখী
আহানে গৃহ কিঙ্কৰী।।

এতেক বোলন্তে লোতক ঝৰিল
তনু ৰোমাঞ্চিত আতি।
প্ৰেম ৰসে মজি ভৈলন্ত আকুল
থাকিলা তন্ত্ৰি নমাতি।।
তাহান ভকতি দেখি সমস্তৰে
নয়নৰ পৰে পানী।
সাধু সাধু সত্যা সাৰ্থক জন্মিলা
বুলিলা প্ৰশংসা বাণী।।

এই অধ্যায়ৰ ১৭-৩৯ সংখ্যাৰ শ্লোক পৰ্যন্ত মুঠ তেইষটি শ্লোকত সৰ্বাধিক ৰূপে কৃষ্ণ ভাৰ্যা লক্ষ্মণ নাই নিজৰ বিবাহ বৰ্ণনা কৰিছে। শ্লোকৰ অসমীয়া অনুবাদ তলত দাঙি ধৰা হ'ল ঃ

(১) লক্ষ্মণাই ক'লে— হে ৰাণী দ্ৰৌপদী, মিত্ৰবিন্দাৰ নিচিনাকৈ আমাৰো মন দেৱৰ্ষি নাৰদৰ মুখে কৃষ্ণৰ জন্ম কাৰ্য বাৰম্বাৰ শ্ৰৱণ কৰি তেওঁৰ প্ৰতি আকৰ্ষিত হৈ পৰিল। লক্ষ্মী দেৱীও ভাল বিবেচনা কৰি দেৱতাসকলক পৰিত্যাগ কৰি ভগৱান মুকুন্দকে পতিত্ব বৰণ কৰিছিল। সেই কাৰণে আমাৰ চিত্তও কৃষ্ণৰ প্ৰতি আসক্ত হৈছিল।

(২) হে সাধ্বি, তেতিয়া বৃহৎসেন নামে বিখ্যাত কন্যাবৎসল আমাৰ পিতাই আমাৰ মনৰ কথা বুজি পাই মুকুন্দকে মোক দিবলৈ সিদ্ধান্ত কৰিলে।

(৩) হে ৰাণী দ্ৰৌপদী, লক্ষ্যভেদ ৰূপ উপায়েৰে অৰ্জুনক পোৱাৰ ইচ্ছাৰে যেনেকৈ আপোনাৰ স্বয়ম্বৰত মৎস্য নিৰ্মাণ কৰি ওপৰত ৰখা হৈছিল, সেই মতে আমাৰ স্বয়ম্বৰতো কৰা হৈছিল। পাৰ্থক্যতো আছিল এনেধৰণৰ— আপোনাৰ স্বয়ম্বৰত লক্ষ্য ৰূপে স্থাপিত মৎস্য দুৰ্জ্ঞেয় হ'লেও বাহিৰত আবৃত নাছিল, স্তম্ভলগ্ন ঊৰ্দ্ধদৃষ্টিৰ দ্বাৰা তাক দেখা পোৱা গৈছিল। কিন্তু আমাৰ স্বয়ম্বৰত লক্ষ্য ৰূপে স্থাপিত মৎস্য বাহিৰত আবৃত আছিল। সেই মৎস্যটি স্তম্ভৰ মূলত নিহিত পাত্ৰৰ জলত প্ৰতিবিম্ব ৰূপেই কেৱল দেখা পোৱা যায়। সাক্ষাৎ দৃষ্টি গোচৰ নোহোৱা হেতুকে ভগৱান কৃষ্ণৰ বাহিৰে উক্ত লক্ষ্যভেদ আনৰ দ্বাৰা সম্ভৱ নহৈছিল।

(৪) হে ৰাণী, আমাৰ স্বয়ম্বৰত এনেধৰণৰ লক্ষ্যভেদ পণ ৰখা হৈছে বুলি শুনি সকলো প্ৰকাৰ অস্ত্ৰ-শস্ত্ৰ প্ৰয়োগত সুনিপুণ হেজাৰ হেজাৰ ৰজাই নিজ নিজ গুৰুসকলৰ লগত মিলিত হৈ সকলো দিশৰ পৰা আমাৰ পিতাৰ পুৰীত প্ৰৱেশ কৰিলেহি।

(৫) ইয়াৰ পিছত সকলোজনে পৰাক্ৰম আৰু বয়স অনুসাৰে আমাৰ পিতৃৰ দ্বাৰা ভালদৰে পূজিত হৈ ধীৰ-স্থিৰভাৱে লক্ষ্যভেদ কৰিবৰ কাৰণে সভাৰ মাজত বাণ সমন্বিতে ধনু গ্ৰহণ কৰিলে।

(৬) তেওঁলোকৰ মাজত কোনো কোনোৱে ধনুখন হাতত তুলি লৈ গুণ লগাবলৈ অসমৰ্থ হৈ পৰিত্যাগ কৰিলে। কোনো কোনোৱে ধনুত গুণ আকৰ্ষণ কৰোঁতে টান হৈ আঘাত কৰাত আহত হৈ উফৰি পৰিছিল।

(৭) ভীম, দুৰ্যোধন, কৰ্ণ, জৰাসন্ধ, শিশুপাল আদি অন্যান্য বীৰসকলে ধনুত গুণ লগায়ো লক্ষ্যবস্তু মৎস্যৰ অৱস্থিতি স্থান জানিব নোৱাৰি ব্যৰ্থ হৈ পৰিছিল।

(৮) অৰ্জুনে স্তম্ভ মূলত থকা জলপ্ৰপাত প্ৰতিবিম্ব দেখি আৰু মৎস্যৰ অৱস্থিতি জানিব পাৰি সাৱধান আৰু যত্নৱান হৈ শৰ নিক্ষেপ কৰিছিল। কিন্তু সেই শৰে মৎস্যক ছেদন কৰিব নোৱাৰিলে। কেৱল স্পৰ্শহে কৰিব পাৰিলে।

(৯) এনে প্ৰকাৰে ক্ষত্ৰিয় বীৰসকলে ভগ্ন গৰ্ব আৰু ব্যৰ্থ মনোৰথ হোৱাত সূৰ্যদেৱৰ সৰ্বাৰ্থসাধক অভিজিৎ মুহূৰ্তত ভগৱান শ্ৰীকৃষ্ণই ধনু গ্ৰহণ কৰিলে আৰু অনায়াসে বাণ যোজনা কৰি স্তম্ভৰ মূলত থকা জলপ্ৰপাত মৎস্যৰ প্ৰতিবিম্ব এবাৰ মাত্ৰ চাই লৈ শৰাঘাতে মৎস্য ছেদন কৰি ভূমিত পেলাই দিলে।

(১০) তেতিয়া স্বৰ্গত আৰু পৃথিৱীত দুন্দুভিসমূহ জয় শব্দ সহিত বাজি উঠিল আৰু দেৱতাসকলে আনন্দত অধীৰ হৈ পুষ্পবৃষ্টি কৰিছিল।

(১১) আমি তেতিয়া নতুন পাটবস্ত্ৰ মেৰিয়াই পিন্ধি আৰু কণ্ঠত সুবৰ্ণোজ্জ্বল ৰত্নমালা আৰু পুষ্পমাল্য ধাৰণ কৰি সলজ্জ হাস্য বদনা হৈ সুমধুৰ শব্দকাৰী নূপুৰ সমন্বিতে পদদ্বয় দ্বাৰা গমন কৰি কৰি স্বয়ম্বৰ সভাত প্ৰৱেশ কৰিছিলো।

(১২) হে দ্ৰৌপদী, আমাৰ চিত্ত ভগৱান কৃষ্ণৰ প্ৰতি আসক্ত আছিল। তেতিয়া আমাৰ মুখমণ্ডলত দুই গণ্ডস্থল কেশৱেশ আৰু কুণ্ডলদ্বয়ৰ উজ্জ্বলত উদ্ভাসিত হৈছিল। তাৰ পিছত আমি আমাৰ সেইদৰে মুখমণ্ডল উত্তোলন কৰি শান্তিময় আৰু সন্তাপহাৰী হাস্য সমন্বিতে কটাক্ষ বিক্ষেপৰ দ্বাৰা চতুৰ্দিশে থকা ৰজাসকললৈ এবাৰ চাই লৈ ধীৰে ধীৰে কৃষ্ণৰ ওচৰলৈ গৈ তেওঁৰ ডিঙিত বৰমাল্য অৰ্পণ কৰিছিলো।

(১৪) তেতিয়া মৃদংগ, পটহ, শংখ, ভেৰী আৰু আনেক প্ৰভৃতি বাদ্যযন্ত্ৰসমূহ বাজিবলৈ ধৰিলে। নট, নৰ্তকীসকলে নৃত্য আৰম্ভ কৰিছিল আৰু গায়কসকলে গীত গাবলৈ ধৰিলে।

(১৫) হে দ্ৰৌপদী, আমি ভগৱান কৃষ্ণক এনেকৈ পতিৰূপে বৰণ কৰাত ৰজাসকলে কামানলে দগ্ধ হৈ স্পৰ্ধা প্ৰদৰ্শন কৰিবলৈ ধৰিলে আৰু সেই কাৰ্য সহ্য কৰিব পৰা নাছিল।

(১৬) তেতিয়া চতুৰ্ভুজ প্ৰভু শ্ৰীকৃষ্ণই চাৰিটি অশ্বৰত্ন যোজিত ৰথত উঠি কবচ পিন্ধি সাৰঙ্গ ধনু তুলি যুদ্ধৰ কাৰণে প্ৰস্তুত হ'ল।

(১৭) হে ৰাণী দ্ৰৌপদী, সিংহই যেনেকৈ তালৈ চাই থকা পশুসকলৰ প্ৰতি কটাক্ষপাত নকৰি সিহঁতৰ মাজদি গুচি যায়, তেনেকৈ তেতিয়া সাৰথি দাৰুকে ৰজাসকললৈ কটাক্ষও নকৰি তেওঁলোকৰ মাজেদি সুবৰ্ণময় অলংকাৰেৰে বিভূষিত ৰথখন চলাই গুচি গ'ল।

(১৮) ইয়াৰ পিছত সেই ৰজাসকলে আমাৰ ৰথৰ পিছে পিছে ধাৱিত হ'ল। কুকুৰবিলাকে যেনেকৈ সিংহক অৱৰোধ কৰিবলৈ আগতে গমন কৰি নেজ দাঙি সতৰ্কভাৱে অৱস্থান কৰে, সেইদৰে তেতিয়া কোনো কোনো ৰজাই পথৰ মাজত আমাক অৱৰোধ কৰিবলৈ আগভেটি ধৰি ধনু তুলি সাৱধানভাৱে থাকিল।

(১৯) হে দ্ৰৌপদী, তেওঁলোকৰ কোনো কোনো ৰজা কৃষ্ণৰ সাৰংগ ধনুৰ পৰা নিক্ষিপ্ত শৰাঘাতে ছিন্নবাহু ছিন্নপদ আৰু ছিন্নগ্ৰীৱ হৈ যুদ্ধক্ষেত্ৰত পতন হৈছিল আৰু কোনো কোনোজনে যুদ্ধক্ষেত্ৰ এৰি পলায়ন কৰিছিল।

(২০) তাৰ পিছত সূৰ্যই যেনেকৈ অস্তাচলে গমন কৰে, তেনেকৈ যদুপতি শ্ৰীকৃষ্ণই আমাক লৈ সালংকৃত দ্বাৰকাপুৰীত প্ৰৱেশ কৰিছিল। সূৰ্যৰ কিৰণৰ সৌন্দৰ্যকো সম্পূৰ্ণৰূপে নিবাৰিত কৰা ধ্বজপট আৰু বিচিত্ৰ তোৰণসমূহ সেই দ্বাৰকাত শোভা পাইছিল আৰু দ্বাৰকাপুৰী স্বৰ্গ, মৰ্ত্য সকলোৰে বন্দনীয় আছিল।

(২১) হে ৰাণী দ্ৰৌপদী, আমাৰ বিবাহত অমাৰ পিতৃয়ে মহামূল্যৱান বস্ত্ৰ, অলংকাৰ, শয্যা, আসন, পৰিচ্ছদসমূহৰ দ্বাৰা বন্ধু, আত্মীয় আৰু জ্ঞাতিসকলক সম্মানীত কৰিছিল।

(২৩) হে ৰাণী, এয়া আমি আঠজনেই ভগৱান শ্ৰীকৃষ্ণৰ পত্নীৰূপে থাকি সকলো বিষয়তে অনাসক্তি হৈ স্বধৰ্ম প্ৰতি পালন ৰূপ তপস্যাৰ দ্বাৰা সেই

আত্মাৰাম ভগৱান শ্ৰীকৃষ্ণৰ সাক্ষাৎ গৃহদাসী হৈ আছো।

গুৰুজনে অনুবাদ কৰিছে এনে প্ৰকাৰে ঃ

আত অনন্তৰে দিলা লক্ষ্মণা সিদ্ধান্ত।
শুনিয়ো দ্ৰৌপদী এৰে আমাৰ বৃত্তান্ত।।
বৃহৎসেন নামে মহাৰাজা মোৰ পিতা।
তাহান দুহিতা মই গুণে অনিন্দিতা।।
নাৰদৰ মুখে শুনি কৃষ্ণৰ চৰিত্ৰ।
কৃষ্ণ পাদ পদ্মত ধৰিলা মোৰ চিত্ত।।
শিশুহন্তে যিমতে ভজিলা মিত্ৰবিন্দা।
কৃষ্ণত সিমত মোৰ ভৈল অভিনন্দা।।
অনন্তৰে পিতৃ মোৰ বুজি অভিপ্ৰায়।
কৃষ্ণক পাইবাক লাগি চিন্তিল উপায়।।
যিমতে তোমাৰ পিতৃ অৰ্জুনক আশে।
নিৰ্ম্মিয়া চক্ৰক মৎস্য ভ্ৰমাইলা আকাশে।।
সেহিমতে মোৰো পিতৃ কৰিয়া যতন।
কিন্তু আমাঠৈৰ মৎস্য মহা বিলক্ষণ।।
বাহিৰত ঢাকি আছে তোমবৈৰ মৎস্য।
স্তম্ভকো চাহিলে জানে তাহাৰ ৰহস্য।।
আমাসাৰ মৎস্য সিটো অনেক উচ্ছ্ৰিত।
বাহিৰে ভিতৰে ছন্ন নুহিকে বিদিত।।
অধোমুখে পানীৰ ছায়াক চাহিতাৰ।
তেবেসে কৰিবে পাৰে শৰক প্ৰহাৰ।।
কৃষ্ণবিনে আনে ইটো নজানে ৰহস্য।
এতেকেসে শ্ৰেষ্ঠ আতি আমাঠৈৰ মৎস্য।।
সিটো মৎস্য ভেদে যিটো সি পাৱে কন্যাক।
দেশে দেশে দূত সবে বুলিলা ৰাজাক।।
কথা শুনি পৃথিৱীৰ নৃপ নিৰন্তৰে।
কাছি পাৰি আইলা সবে আমাৰ নগৰে।।
ধনুত পাৰ্গত শিক্ষাগুৰু সব সঙ্গে।
ৰথ গজ বাজি সাজি আইল মহাৰঙ্গে।।

কৌৰৱ পাণ্ডৱ পৃথিৱীৰ ৰাজাযত।
আমাৰ সভাত ভৈল সৱে উপগত।।
যাক যেন যোগ্য পিতৃ কৰিলা সন্মান।
দিয়াইলা আসন আনি বসিবাৰ থান।।
আইলা যদুবংশ শিৰোমণি মোৰ পদে।
কৌটি মহেন্দ্ৰতোধিক সম্বা পাৰিষদে।।
দণ্ডে ছত্ৰে ছানি মহাবাদ্য ভণ্ড ৰোলে।
দলদোপ বসুমতী সেনাৰ আন্দোলে।।
আগ বাঢ়ি পিতৃ পাছে আৰ্চ্চিলা চৰণ।
মাথাত কৰিয়া দিলা দিব্য সিংহাসন।।
তাতে বসি প্ৰকাশিলা প্ৰভু আতিশয়।
নক্ষত্ৰৰ মাজে যেন চন্দ্ৰৰ উদয়।।
থৈলা আনি আগত লোহাৰ ধনুখান।
দিলা পিতৃ সবাকো সম্বোধি সমিধান।।
পাৰে যিবা বীৰে ইটো মৎস্য ভেদিবাক।
বৰিবেক আসি সিটো কন্যাৰত্নে তাক।।
শুনি মহা মহাৰাজা উঠিল ত্বৰিত।
মোৰ ৰূপে সমস্তৰে ভোল গৈল চিত্ত।।
ধৰে ধনু বস্ত্ৰ কাছি কতো কৌতূহলে।
দাঙ্গিবে নুৱাৰি ধৰে শৰীৰৰ বলে।।
কতো কথমপি তুলি তুলি দশন কামুৰি।
নুৱাৰিল গুণ দিবে ধনুক আকুৰি।।
কতো গুণ দেন্তে পৰে আপুনি উকৰি।
মোক চাহি নিশ্বাস কোকাৰে দান্তৰি।।
ভাগি গৈল গৰ্ব্ব সৱে বদন বিৱৰ্ণ।
তাক দেখি হাসে ভীম দুৰ্যোধন কৰ্ণ।।
মগধ চেদিপ আনো মোৰ ৰূপে ভুলি।
ধনুত লগায়া গুণ গৈলেক হাম্ফুলি।।
হানে বাণ নজানে মৎস্যৰ থানথিত।
ব্যৰ্থ হুয়া পৰে বাণ উলটি মাটিত।।

মোহোৰ নৈৰাশে মন মলিন সবাৰে।
পালটিয়া বসি হুম নিশ্বাস কোকাৰে।।
উঠিলন্ত কাছি পাছে আনন্দে অৰ্জ্জুন।
নিমিষেকে ধনুত লগাইলা হাসি গুণ।।
জানি থিত মৎস্যৰ ছায়াক চাহি জলে।
প্ৰহাৰিলা বাণ বীৰে শৰীৰৰ বলে।।
কথমপি মৎস্যক চুইলেক মাত্ৰ শৰে।
নুৱাৰিলা ছেদিবে অৰ্জ্জুন ধনুৰ্দ্ধৰে।।
উৰুত চাপৰ দিয়া বসিলা পালটি।
যেৱে সেৱে বীৰৰ ভাঙ্গিল চটি মটি।।
জগত ঈশ্বৰ যদুদেৱ চাহি আছি।
উঠলা কটিত পাছে পীতবস্ত্ৰ কাছি।।
ধনুত লগায়া গুণ কৰি অল্প হাস।
একবাৰ চাইলা মাত্ৰ জলৰ আভাস।।
অভিজিত মুহূৰ্তত প্ৰহাৰিলা বাণ।
লীলায়ে ছেদিলা মৎস্য পৰিল মাটিত।
প্ৰজা জয় শবদ কৰিলা বিপৰীত।।
বজাৱে দুন্দুভি দেৱে আকাশত থাকি।
বৰিষিলা পুষ্পদেৱে কেশৱক ঢাকি।।
তেৱেসে জানিলো পাইলো মাধৱ স্বামীক।
মিলিল আনন্দ মোৰ মোক্ষতো অধিক।।
শুনিয়ো দ্ৰৌপদী মই পাছে মহাৰঙ্গে।
অসংখ্যাত সালঙ্কৃতা সখীসৱ সঙ্গে।।
চলি ভৈলো লয়লাসে সমীপ স্বামীৰ।
চৰণ ঝলকে আতি ৰত্নৰ মন্দিৰ।।
জ্বলে অঙ্গে উত্তম বসন পাট পীত।
ৰত্নৰ মেখলা বাজে কিঙ্কিনী কটিত।।
অমূল্য ৰত্নৰ হাৰ প্ৰকাশে হিয়াত।
কনক উজ্জ্বলে ৰত্নমালা আছে তাত।।
ঝলমল কৰে কৰ্ণে মকৰ কুণ্ডল।

তাৰে ৰশ্মি প্ৰকাশে পাণ্ডুৰ গণ্ডস্থল।।
কপোলে চঞ্চল চাৰু অলকা পঙ্কতি।
উত্তম খোপাত ভাসে চম্পক মালতি।।
হৰে তাপ হেন ভাস্য কটাক্ষ বিলাসে।
চাহান্তে মোহিত হোৱে ৰাজা দুই পাশে।।
সখীসৱ বজাৱে যন্ত্ৰত তুলি নাদ।
মদনে আকুল চিত্ত হুয়া নিশৱদ।।
পৰম সুৰভি কৰ্পূৰৰ ধূলি সিঞ্চে।
দুয়ো পাশে ধৱল চামৰে মোক বিঞ্চে।।
প্ৰভুৰ সমীপ পাইলো অনুৰাগী বালা।
পিন্ধাইলো কণ্ঠত নিয়া দিব্য ৰত্নমালা।।
স্বামীভাৱে বৰিয়া কৰিলো নমস্কাৰ।
বহে নয়নৰ নীৰ আনন্দে আমাৰ।।
পুলকিত অঙ্গ লাজে নচাওঁ তুলি মাথ।
মোক আশ্বাসিলা তুমি জগতৰ নাথ।।
বাৱে বাদ্য অসংখ্য গোমুখ শঙ্খ ঢোল।
ভিণ্ডিম ডগৰ ঢাক তবলৰ ৰোল।।
বজাৱে মৃদঙ্গ ৰঙ্গে নাচে নটীচয়।
গায়নে যোগাৱে গীত ভাটৰে চপয়।।
হেন দেখি মহাকোপে ৰাজাগণ যত।
অস্ত্ৰ-শস্ত্ৰ ধৰি ধাইল পৰম ক্ৰোধত।।
বাঘে যেন গৰ্জ্জে যত যত মহাবীৰ।
তাক দেখি সখী মোৰ কম্পিল শৰীৰ।।
হেন দেখি দিব্য ৰথ আনিলা মুৰাৰি।
যৈত আছে উত্তম ঘোটক ৰত্ন চাৰি।।
মোক আশ্বাসিয়া তাৰ তুলিলা উপৰে।
উঠিলা আপুনি পাছে কাছি দামোদৰে।।
একহাতে বাণ আউৰ হাতে ধনু ধৰি।
মোক দুই হাতে সাবটিলা দেৱ হৰি।।
চাৰি বাহু বেকত কৰিলা সিবেলাত।

যুদ্ধক সমুখ ভৈলা দেখিলো সাক্ষাত।।
দাৰুকে ডাকিল হেমময় মহাৰথ।
ধৰিলা চাৰিয়ো ঘোঁৰা দ্বাৰকাৰ পথ।।
মৃগৰ মাজৰ পৰা যেন সিংহৰাজে।
মোক লৈয়া যান্ত চাহি আছে সামৰাজে।।
অস্ত্র ধৰি সেনাসৱ চলে দুয়ো কাছে।
দেখি ৰাজাগণে বেঢ়িলেক আগে পাছে।।
শৰ ধনু ধৰি কৰে আটোপ টঙ্কাৰ।
আমাৰ সিংহৰ আগে কৰী যেন খেড়ি।।
অসংখ্য কুকুৰে ভুকে চতুর্ভিতি বেঢ়ি।।
প্ৰভু প্ৰহাৰিলা শৰ শাৰঙ্গ টঙ্কাৰি।
নিসাৰে মাৰিলা কাকো হৃদয় বিদাৰি।।
কাৰো উৰু কৰ কটি কাটিলন্ত জাঙ্গ।
কাৰো শিৰ ছেদিলা ৰুধিৰে বহে গাঙ্গ।।
হত শেষ ৰাজা কতো পলাই বিভঙ্গে।
বিপক্ষক খেদাই চলি গৈল প্ৰভু ৰঙ্গে।।
আনন্দে দুন্দুভি বাদ্য বজাৱে স্বৰ্গত।
হৰিষে বৰিষে পুষ্প ক-ষ্ণৰ শিৰত।।
দশোদিশ পূৰিলেক জয়কৃষ্ণ ৰৱে।
দাৰুকে ডাকন্ত ৰথ পৰম উৎসৱে।।
মোক লৈয়া গৈয়া পাছে দ্বাৰকা নগৰ।
ধ্বজ দণ্ড পতাকা তোৰণ মনোহৰ।।
পূৰ্ণকুম্ভ পাত্ৰক প্ৰকাশে শাৰী শাৰী।
আয়াজাত কৰে যত সালঙ্কৃতা নাৰী।।
স্বামী সমে প্ৰৱেশিলো হেন দিব্য পুৰী।
ভাৰ্য্যা সমে সূৰ্য্য যেন যাই অস্ত গিৰি।।
আসিলন্ত সুহৃদক বস্ত্ৰ অলঙ্কাৰে।।
দাস দাসী গজ বাজি মহাৰথ্ন যত।
দিলন্ত যৌতুক সৱ আমাৰ লগত।।
এহি মতে পাইলো স্বামী ঈশ্বৰ কৃষ্ণক।

কি কহিবো প্ৰাণ সখী আমাৰ ভাগ্যক।।
জন্মে জন্মে হুইবো তান চৰণৰ দাসী।
এতেকে বোলন্তে প্ৰেম পৰসিল আসি।
শিহৰিল তনু নয়নৰ নীৰ ঝুৰে।
দেখি সকৰুণ ভৈল নাৰী সমস্তৰে।
নেত্ৰৰ লোতক পৰে ৰড়ে ৰাম হৰি।
লক্ষ্মণাকো প্ৰশংসিলা যতেক সুন্দৰী।।

ইয়াৰ পিছতো গুৰুজনাই ৰোহিণী নামাৰ এগৰাকী কৃষ্ণ পত্নীৰ মুখেদি বিবাহ বৰ্ণনা দাঙি ধৰিছে। কিন্তু ভাগৱতৰ মতে (১০/৮৩/৪০) 'শ্ৰীমহিষ্য উচুঃ' বুলিহে আছে। আনহাতে কৃষ্ণপত্নীসকলক দ্ৰৌপদীয়ে নিজৰ নিজৰ বিবাহ বৰ্ণনা কৰিবলৈ কওঁতে সম্বোধনত ৰোহিণী নামটো উল্লেখ কৰিছে (১০/৮৩/৬) আৰু শ্ৰীধৰ স্বামীয়ে 'ৰোহিণী নাম কাচিৎ পট্ট মহিষীতুল্যা' বুলিছে। এঠাইত 'ৰোহিণ্যাশ্চ তাসাং মধ্যে নির্দ্দেশ' শতাধিক ষোড়শ সহস্ৰ মহিষী দমুখ্যত্বেন তাভিস্তুল্যত্বাৎ' অৰ্থাৎ ষোল্ল হাজাৰ কৃষ্ণ পত্নীৰ ভিতৰত ৰোহিণী নামৰ নাৰীগৰাকী মুখ্য হোৱাৰ কাৰণে তেওঁ বিবাহ বৰ্ণনা কৰিবলৈ লৈছে ইত্যাদি। তলত মহিষীগৰাকীয়ে নিজৰ বিবাহ বৰ্ণনা দি কোৱা চাৰিটি শ্লোকৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল-- (ভাগ, ১০/৮৩/৪০—৪৩)।

(১) অন্যান্য কৃষ্ণপত্নীসকলে ক'বলৈ ধৰিলে— হে দ্ৰৌপদী, আমালোক নৰকাসুৰৰ ভৱনত আবদ্ধ থাকি ভগৱান মুকুন্দৰ জন্ম-মৃত্যু প্ৰৱাহ ৰূপ সংসাৰ তৰণৰ মূল শ্ৰীচৰণ কমল ধ্যান কৰি আছিলো। শ্ৰীকৃষ্ণ স্বয়ং পূৰ্ণ কাম হ'লেও ভক্ত বৎসল হেতুকে যুদ্ধত মুৰ দানৱ সহিত নৰকাসুৰক বধ কৰিছিল আৰু তেওঁ দিগ্বিজয় কৰি অনা ৰাজকন্যাসকলক নিজ ৰাজ্যত অৱৰুদ্ধ বুলি জানি তাৰ পৰা আমাক মুক্ত কৰি বিবাহ কৰিছিল।

(২) হে সাধ্বী দ্ৰৌপদী, আমি সাৰ্বভৌম পদ, ইন্দ্ৰপদ, উভয়ৰ ভোগাধিকাৰ, অনিমাদি যোগ সিদ্ধিৰ অধিকাৰ, ব্ৰহ্মাপদ, কৈৱল্য মোক্ষপদ অথবা শ্ৰীহৰিৰ সালোক্যাদি মুক্তিপদ আদিও কামনা কৰা নাই।

(৩) কিন্তু আমি লক্ষ্মীদেৱীৰ বক্ষস্থল ধৃত স্তন কুমকুমৰ গন্ধযুক্ত গদাধৰ হৰিৰ পদধূলি মসস্তকত ধাৰণ কৰিবলৈ বাঞ্ছা কৰো।

(৪) ব্ৰজবাসী নাৰীগণ, পৰ্বত বাসিনী নাৰীগণ, তৃণ-লতাসকল, গোসকল, গোপসকলে যি গোচাৰণকাৰী শ্ৰীকৃষ্ণৰ পাদস্পৰ্শ কামনা কৰি থাকে, সেই

শ্ৰীকৃষ্ণৰ পদধূলি আমালোকে মস্তকত ধাৰণ কৰিবলৈ বাঞ্ছা কৰো ইত্যাদি।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ

অনন্তৰে দ্ৰৌপদীক ৰোহিণী বদতি।
আমাৰ বৃত্তান্ত আৱে শুনিয়োক সতী।।
কৰি দিগ্বিজয় নৰক যে দুৰাচাৰ।
আনিলেক কন্যা কাঢ়ি ষোড়শ হাজাৰ।।
থৈলেক নিৰোধি আমি সৱ দুখমনে।
কৃষ্ণৰ চৰণে মনে পশিলো শৰণে।।
যাহাৰ স্মৰণে হৰে সংসাৰৰ ভয়।
গৰুড় বাহন হেন কৃষ্ণ কৃপাময়।।
মেলাইলন্ত আমাক তাহাক মাৰি ৰণে।
কৰিলন্ত বিবাহ সবাকো একেক্ষণে।।
ষোড়শ হাজাৰ গৃহে পাতিয়া সমাজ।
একে লগ্নে বিহা কৰিলন্ত যদুৰাজ।।
ঘৰে ঘৰে পঢ়ে মন্ত্ৰ গৰ্গ পুৰোহিত।
কৃষ্ণৰ মহিমা দেখি জগতে বিস্মিত।।
পৰম ঈশ্বৰ পূৰ্ণ কাম প্ৰভু হৰি।
জন্মে জন্মে হুইবো আন চৰণ কিঙ্কৰী।
সাৰ্ব্বভৌম ইন্দ্ৰৰ সম্পদ সৱ মিছা।
বৈকুণ্ঠৰো মোক্ষ কোন কৰো সখী ইচ্ছা।।
ব্ৰহ্মাদিদেৱৰো সেব্য যিটো মহালক্ষ্মী।
সেৱন্ত ৰেণুক সংসাৰৰে সাৰ দেখি।।
তথাপি দুৰ্ল্লভ পদৰেণু নোহে দেখা।
অপ্ৰয়াসে পাৱে সিটো দেৱতাৰ লেখা।।
বৃন্দাবনে ধেনুক চড়ান্তে কৃপাময়।
পাইলে এহি মহা ভাগ্যৱতী গোপী চয়।
তৃণত লাগিয়া থাকে দেখি মহাসুখে।।
কিৰাটৰো পত্নী আনি ঘৰে আখি মুখে।।
পায়া আছে গোপ গোকুলৰ যত ধেনু।
ভকত দুৰ্ল্লভ জানা কৃষ্ণ পদ ৰেণু।।

এন্তেকেসে বাঞ্ছো আমি কৃষ্ণ ভাৰ্য্যা যত।
তাহানেসে পদৰেণু বহিবো শিৰত।।
জন্মে জন্মে হুইবো তান গৃহ সেৱকিনী।
এতেকে বোলন্তে যত কৃষ্ণৰ গৃহিণী।।
উপজিল প্ৰেম ঝড়ে লোতক নয়নে।
নিশৱদ ভৈলন্ত কৃষ্ণক ধৰি মনে।।
যিটো ভকতৰ আত্মা ঈশ্বৰ মুৰাৰি।
তান্তে তাসম্বাৰ প্ৰেম দেখি যত নাৰী।
পৰম বিস্ময় ভৈল সমস্তৰ মনে।
বহৱে সবাৰো আতি লোতক নয়নে।।
যশোদা দ্ৰৌপদী কুন্তী সুভদ্ৰা গান্ধাৰী।
ৰাজ ভাৰ্য্যা যতেক ভকতা গোপ নাৰী।।
কৃষ্ণ পত্নীগণক প্ৰশংসি বাৱে বাৰ।
পাইলা প্ৰীতি আতি আনন্দৰ নাহি পাৰ।।
কুৰুক্ষেত্ৰ জুৰিয়া কৃষ্ণৰ চেষ্টা যত।
নাৰী কহে নাৰীত পুৰুষে পুৰুষত।।
আন একো গ্ৰাম্য কথা নাছিল তথাত।
মহোদয় লোকৰ মিলিল সিবেলাত।।
কুৰুক্ষেত্ৰ জুৰি যেন জগত আধাৰ।
পাতিলা প্ৰচুৰ প্ৰভু প্ৰেমৰ পসাৰ।।
জগতৰ ৰাজা প্ৰজা বেহাইলেক হাট।
কৰাইলা ঈশ্বৰ কৃষ্ণে প্ৰেমময় নাট।।

ইমানতে তিৰাশী অধ্যায়ৰ কাহিনী সমাপ্ত হৈছে আৰু দ্ৰৌপদী সমন্বিতে কৃষ্ণ পত্নীসকলৰ প্ৰশ্নোত্তৰ শিতানৰো অন্ত পৰিছে। চৌৰাশী অধ্যায়ৰ শ্লোক সংখ্যা সত্তৰটিৰ ভিতৰত আটাইকেইটিৰে অনুবাদ সম্পূৰ্ণ কৰা হৈছে। এই অধ্যায়ত আছে কৃষ্ণ-বলৰামৰ তেওঁলোকক অভ্যৰ্থনা, মুনিসকলৰ প্ৰতি বসুদেৱৰ প্ৰশ্ন আৰু উত্তৰ দান, বসুদেৱৰ হকে যজ্ঞ সম্পাদন, বসুদেৱ নন্দৰ কথোপকথন ইত্যাদি। পূৰ্বোক্ত তিৰাশী অধ্যায়ৰ অনুবাদিত শেষাংশৰ কিছু কথা চৌৰাশী অধ্যায়ৰ প্ৰথম আৰু দ্বিতীয় শ্লোকটিৰ পৰা টানি অনা দেখা যায়। যেনে— 'যশোদা দ্ৰৌপদী কুন্তী সুভদ্ৰা গান্ধাৰী.................. নাৰী

কহে নাৰীত পুৰুষে পুৰুষত' এই পদলৈকে থকা এই বৰ্ণনা চৌৰাশী অধ্যায়ৰ প্ৰথম আৰু দ্বিতীয় সংখ্যক শ্লোকৰ অনুবাদ বুলি জনা যায়।

ভগৱান কৃষ্ণ-বলৰামক দৰ্শন কৰিবলৈ অহা মুনিসকলৰ নামবোৰ ভাগৱতৰ মতানুসৰি এনেধৰণৰ। যেনে— (১) ব্যাসদেৱ (২) নাৰদ (৩) চ্যৱন (৪) দেৱল (৫) অমিত (৬) বিশ্বামিত্ৰ (৭) শতানন্দ (৮) ভৰদ্বাজ (৯) গৌতম (১০) পৰশুৰাম (১১) বশিষ্ঠ (১২) গালৱ (১৩) ভৃগু (১৪) পুলস্ত্য (১৫) কশ্যপ (১৬) অত্ৰি (১৭) মাৰ্কণ্ডেয় (১৮) বৃহস্পতি (১৯) দ্বিত (২০) ত্ৰিত (২১) একত (২২) সনক (২৩) সনন্দ (২৪) সনাতন (২৫) সনৎ কুমাৰ (২৬) অঙ্গিৰা (২৭) অগস্তি (২৮) যাজ্ঞবল্ক (২৯) বামদেৱ প্ৰমুখ্যে ঊনত্ৰিশগৰাকী মুনিৰ নাম পোৱা যায় (ভাগ, ১০/৮৪/৩—৫)। কিন্তু গুৰুজনাৰ ৰচনাৰ মাজত আমি এনেদৰে পাওঁ। যেনে—

কহে শুক শুনা অনন্তৰে পৰীক্ষিত।
আইলা মুনিসৱ পাছে কৃষ্ণক দেখিত।।
নাৰদ দেৱল বামদেৱ দীৰ্ঘ ছন্দ।
বিশ্বামিত্ৰ অত্ৰি ত্ৰিত দ্বিত শতানন্দ।।
পুলস্ত্য অগস্ত্য ভৃগু বশিষ্ঠ গৌতম।
কাশ্যপ কুশাৰু মাৰ্কণ্ডেয় নৰোত্তম।।
ভৰদ্বাজ যমদগ্নি ব্যাস বৃহস্পতি।
অঙ্গিৰা ভাৰ্গৱ ৰাম গালৱ প্ৰভৃতি।।

গুৰুজনাৰ ৰচনাত শ্লোকস্থ কেবাজনো মুনিৰ নাম বাদ পৰিছে আৰু নতুন নামো সোমাইছে। যেনে— চ্যৱণ, অমিত, একত, সনক, সনন্দ, সনাতন, সনৎকুমাৰ, যাজ্ঞবল্ক আদি কৰি আঠজন মুনিৰ নাম নাই আৰু সেইদৰে কুশাৰু, দমদগ্নি, দীৰ্ঘৰুন্দৰ নাম নতুনকৈ পোৱা গৈছে।

মুনিসকলৰ সমাগম দেখি কৃষ্ণই হৃষ্টচিত্তে তেওঁলোকক কৰা পূজা-অৰ্চনাৰ বৰ্ণনা ভগৱতোক্ত শ্লোকৰ আধাৰত আৰু সামান্য মত্ৰ দুই-এটি শব্দৰ ব্যৱহাৰ কৰি গুৰুজনে ইয়াক বৰ সুন্দৰকৈ সজাইছে (ভাগ, ১০/৮৪/৯—১৩)। কৃষ্ণৰ নিজ মুখ ব্যক্ত কথাখিনিত যথেষ্ট তাৎপৰ্য আৰু গুৰুত্বপূৰ্ণ বিষয় সন্নিৱিষ্ট আছে। তীৰ্থাদি পৱিত্ৰ স্থান, দেৱ প্ৰতিমাদিত বিশ্বাস নকৰি বিষ্ণু ভক্তৰ ওপৰত অধিক গুৰুত্ব আৰু বিশ্বাস স্থাপন কৰিবলৈ কোৱা হৈছে। অন্যথা সেইজনক গৰুতো অধম বুলি কোৱা হৈছে। ভাগৱতত 'গোখৰঃ'

বুলি কৈছে, অৰ্থাৎ তেওঁ গৰ্দভ তুল্য ৰূপে অভিহিত হৈছে। শ্ৰীধৰ স্বামীয়ে তেওঁৰ ব্যাখ্যাত 'সএৱ গোৰপি খৰঃ দাৰুণঃ অত্যবিবেকী। যদ্বা, গৱাং তৃণাদি ভাৰবাহঃ খৰো গৰ্দভঃ'। গুৰুজনাৰ ভাষাত 'গৰুতো অধম' বুলি কৈছে। এনেধৰণৰ বাক্য কীৰ্তন ঘোষাৰ 'পাষণ্ড মৰ্দ্দন' অধ্যায়তো আছে। দশম স্কন্ধত উল্লেখ থকা উক্ত শ্লোকৰ অনুবাদিত পদসমূহৰ তাত্ত্বিক দিশ সকলোৰে কাৰণে গ্ৰহণযোগ্য আৰু সমৰ্থনযোগ্য বুলি বিবেচনা কৰা যায়। সেই বিষয়ে তলৰ উদ্ধৃতিখিনিয়ে স্পষ্ট প্ৰমাণ দাঙি ধৰিছে। যেনে—

যত জলময় তীৰ্থ সিও তীৰ্থ হয়।
সিও দেৱ যতেক মৃত্তিকা শিলাময়।।
কিন্তু চিৰকালে তীৰ্থেদেৱে শুদ্ধি কৰে।
চন্দ্ৰ সূৰ্য্য বায়ু বহ্নি নভ ভূমি জল।
দেৱে বুদ্ধি নৰৰ নৰহে পাপ মল।।
পৰম নিষ্কামে মাধৱক মনে স্মৰে।
মুহূৰ্ত্তে সেৱাতে তাৰা সৱ পাপ হৰে।।
হেন সাধু এৰি কৰে আনত আনন্দ।
জানিবাহা আত পৰে নাহি মহামন্দ।।
আপোনাকে আপুনি বঞ্চিলে কুলাঙ্গাৰ।
পশুতো অধম পশু শুনা কথা তাৰ।
শৰীৰ শৱক মই বোলে যিটো চিত্তে।
কৰে যিটো যমত পতনী পুত্ৰ বিত্তে।।
প্ৰতিমাত মাত্ৰ যাৰ ভৈল দেৱবুদ্ধি।
তীৰ্থ বুলি কেৱলে জলত কৰে শুদ্ধি।।
মহা মহন্ততো নাহি ইটো বুদ্ধি চাৰি।
গৰুতো অধম জানা সিটো অঙ্ককাৰী।।
সেহিতো পামৰ নপাইলেক তত্ত্বজ্ঞান।
নেৰাইলে সংসাৰে যাতনাতে যায় প্ৰাণ।
মহা ভকতক নজানয় কৰ্ম্ম জড়।
দেৱতো তীৰ্থতো কৰি তুমি সৱ বৰ।।

মূল ভাগৱতৰ ১০/৮৪/১৪—৭১ শ্লোক পৰ্যন্ত সৰ্বমুঠ আঠাৱনটি শ্লোকত থকা কৃষ্ণ আৰু মুনিসকলৰ মাজত কথোপকথন তথা বসুদেৱৰ লগত মুনি

আৰু নন্দ-বসুদেৱৰ কথোপকথন আদিৰ বিষয়বস্তু সামৰি যিখিনি বৰ্ণনা পদত ব্যক্ত কৰা হৈছে, সেইখিনিৰ ভিতৰত গুৰুজনাৰ ৰচনাত স্বভাৱসিদ্ধ ৰূপেৰে অতিৰিক্ত বিষয় সংযোগ কৰা হৈছে আৰু মাজে মাজে শ্ৰীধৰ স্বামী টীকাৰ স্পৰ্শও পৰিছে। অনুবাদৰ মাজে মাজে বিষয়বস্তুৰ লগত সংগতি ৰাখি দুই এটি পদৰ সংযোজন ঘটিছে। নন্দ-বসুদেৱৰ আলাপ প্ৰসংগত গুৰুজনে কিছু কথা, দীঘলীয়া কৰি লিখিছে এনেকৈ—

শুনা সাৱধান কৰি চিত্তক একান্ত।
যেন ভৈল নন্দ বসুদেৱৰ বৃত্তান্ত।।
বংশে সমে ৰাম কৃষ্ণ উগ্ৰসেন ৰাজা।
নন্দ আদি গোপক কৰিলা সৱে পূজা।।
কতো দিন তথাতে বঞ্চিলা মহাস্নেহে।
এৰিবে খোজন্তে পীড়ে বন্ধুৰ বিৰহে।।
সুহৃদ বৎসল সিটো গোপক গোপীক।
অন্যো অন্যে দেখে যেন প্ৰাণতো অধিক।।
একে আসনতে থাকে নন্দ বসুদেৱ।
যশোদা দৈৱকী দুয়ো নেৰে কাকো কেৱে।।
কৃষ্ণ পত্নী সমে সৱ গোপীৰ আলাপ।।
কৃষ্ণৰ কথায়ে বঞ্চে সংসাৰৰ তাপ।।
ভকতৰ বস্য কৃষ্ণ ত্ৰৈলোক্য ঈশ্বৰ।
পৰম গৌৰৱে কৰে সবাকো আদৰ।।
যশোদা নন্দক থাকে প্ৰবোধি দিনত।
নেৰন্ত গলত বান্ধি পৰম স্নেহত।।
বালক চৰিত্ৰচয় সুমৰি সুমৰি।
কান্দে দুয়ো প্ৰাণীৰ লোতক পৰে ঝৰি।।
শুঙ্গে নাকে যেন স্নেহে চেলেকে জিহ্বাই।
ফোকাৰে নিশ্বাস মুখ পদ্ম চাই চাই।।
যশোদা কান্দন্ত ধৰি কৃষ্ণক সাবটি।
নকৰিলা শুদ্ধি দুনাই আমাক পালটি।।
স্বপুত্ৰে বঞ্চিত হুয়া জীয়োহো অভাগী।

সিটো ধন গোধনক সাঞ্চো কাক লাগি।।
প্ৰাণ পুত্ৰ বিয়োগে নগৈলো কিয় মৰি।
এহি বুলি করুণা কৰন্ত ব্ৰজেশ্বৰী।।
মাতৃৰ বিলাপ দেখি নসহে হৃদয়।
লগতে কান্দিলা দুখে কৃষ্ণ কৃপাময়।।
পীতবস্ত্ৰে মচি মুখ যশোদা নন্দৰ।
বোলন্ত প্ৰবোধ দুইকো কৰিয়া কাতৰ।।
কুন্ধচ সংসাৰ ইটো হেনয় কুনয়।
সুহৃদ সংযোগ চিৰকাল নৰহয়।।
জানা মায়াময় ইটো পিতৃ পুত্ৰ দেহ।
নাটক টাটক সৱ বান্ধৱৰ স্নেহ।।
হেন অনুমানি শান্ত কৰিয়োক চিত্ত।
এহি বুলি দুহাঙ্কো বুঝান্ত প্ৰতিনিত।
ৰাত্ৰি ভৈলে বিৰলত বুঝান্ত গোপীক।
জানা তুমি সৱ মোৰ প্ৰাণতো অধিক।।
সদায়ে হৃদয়ে কৰো তোমাসাক ধ্যান।।
নাহি প্ৰিয়তম তুমি সৱ বিনে আন।।
কান্দে গোপীসৱে সুমৰিয়া কৃষ্ণ কেলি।
প্ৰবোধন্ত ধৰি স্নেহে চাৰি বাহু মেলি।।
আঞ্চলে মুচন্ত মুখ কান্দিয়া লগতে।
সমস্ত ৰজনী যায় নিতে এহি মতে।।

কৃষ্ণ-বলৰামৰ ওচৰত বিদায় মাগি নন্দ-যশোদাদিয়ে গোকুলত প্ৰৱেশ কৰিলে। সেই বিষয়ে মূল ভাগৱতে 'যযৌ' শব্দটিহে ব্যৱহাৰ কৰিছে অৰ্থাৎ তেওঁলোক ব্ৰজপুৰলৈ গ'ল (১০/৮৪/৬৮)। কিন্তু গুৰুজনে সেই যাত্ৰাত নন্দ-যশোদাক আৰু কৃষ্ণৰ মাজত চলা বিদায় ক্ষণৰ শোকবিহ্বল পৰিৱেশ এটিৰ সূচনা কৰি এনেকৈ লিখিছে—

শুকনি গদতি ৰাজা শুনা গোকুলৰ প্ৰজা
যাইবো যেৱে সৱে ভৈলা সাজ।
কৃষ্ণক গলত বান্ধি নন্দ যশোদায়ে কান্দি
আছিলা লোতক ভৈলা বাজ।।

প্ৰাণ পুতাই থাকিয়োক পৰিচ্ছেদা দেখা মোক
আমি চলি যাওঁ নিজ থান।
কৃষ্ণ বিৰহ বহ্নি উধাই শৰীৰক ছানি
এৰিবে খোজন্তে যায় প্ৰাণ।।
পিতৃক মাতৃক ধৰি লগতে কান্দন্ত হৰি
আনো যত সুহৃদ সমাজ।
তিয়াইলা নেত্ৰৰ জলে কৃষ্ণক ধৰিয়া গলে
কথমপি ভৈল তৈৰ বাজ।।
অনেক কাতৰ কৰি পিতৃক মাতৃক ধৰি
তুলিলন্ত সাবটি ৰথত।
হে কৃষ্ণ নমো বুলি পৰশে চৰণ ধূলি
গোপ গণে যাহান্তে পথত।।
বিয়োগে দহৰে হিয়া কৃষ্ণ মুখ নিৰেখিয়া
কান্দে মহাপ্ৰেমে ব্ৰজবাসী।
যতেক ভকত গোপী কৃষ্ণৰ সমীপ চাপি
ধৰে পাদ পদ্মক উল্লাসি।।
যসে আনি আখিমুখে মহাবিয়োগৰ দুখে
কান্দি কান্দি বোলে প্ৰেম বাক।
আমি হুয়া নিজ ছেৰী প্ৰাণ প্ৰভু যাও এৰি
পৰিচ্ছেদা দেখিলো তোমাক।।
কমল লোচন স্বামী দুনাই নেদেখিবো আমি
বেঢ়ি কৰে কৃষ্ণক ক্ৰন্দন।
লগতে কান্দন্তে যাও কতো ধৰি নিচুকান্ত
মহাস্নেহে দৈৱকী নন্দন।
যতেক যাদৱ গণ সবাৰো আকুল মন
বিয়োগত ব্ৰজৰ বধূৰ।
সাৰথিয়া গাৱে গাৱে অনেক বিনয়ভাৱে
আগবঢ়াই থৈলাকতো দূৰ।।
ব্ৰজবাসী চলি যায় তম্ভিয়া তাহাক চায়
আছে হাতে লোতক মোচন্তে।

কৃষ্ণ মুখ নিৰেখিয়া বিৰহে দহয়ে হিয়া
যায় গোপী সমস্তে কান্দন্তে।।
কৃষ্ণক দেখিলে মানে কৰযোৰে সাৱধানে
কত দূৰ গৈল পাছ গুৰি।
আৰ ভৈলা কৃষ্ণ প্ৰাণ নেদেখি ধৰিল ধ্যান
কৃষ্ণৰ মূৰ্ত্তিক মনে ধৰি।।
নিশ্বাস ফোকাৰে মুখে কৃষ্ণ কৃষ্ণ ৰড়ে দুখে
নাই আন বচন কিঞ্চিত।
বহয়ে লোতক ধাৰা কৃষ্ণৰ চৰণ পৰা
কাৰো আৰো নবজায় চিত্ত।।
কৃষ্ণত মজিল মন কৃষ্ণ সবে প্ৰাণ মন
কৃষ্ণ বিনে নজানন্ত আন।
কৃষ্ণক হৃদয়ে ধৰি কৃষ্ণক মনত স্মৰি
গৈল ব্ৰজবাসী নিজ থান।।
ব্ৰজৰ লোকৰ ভাৱ দেখি শিহৰাইলা গাৱ
অনন্তৰে যত যদুবংশী।
পৰম বিস্ময় মতি চলে দ্বাৰকাক প্ৰতি
গোপ গোপীসৱক প্ৰশংসি।।
মাধৱক মধ্য কৰি যায় চপকৰে চলি
পৰম বৈষ্ণৱ বৃষ্ণিগণ।
আতিশয় প্ৰীতিভাৱে কৃষ্ণ গুণ নাম গাৱে
নেৰে মনে কৃষ্ণৰ চৰণ।।
প্ৰেমৰসে দ্ৰৱে চিত্ত হৱে তনু ৰোমাঞ্চিত
ভিজে মুখ নয়নৰ জলে।
সংসাৰক কৰে শুদ্ধি এহিমতে যদুবংশী
পাইলা যদুপুৰ সমদলে।।
তীৰ্থ যাত্ৰা সময়ত ভৈল মহা মহোৎসৱ
কহে সৱে প্ৰকটি লোকত।
শুনিয়া বিস্ময় মন ভৈল সৱ প্ৰজাগণ
সিটো বসুদেৱৰ মহত্ত্ব।।

পিতৃৰ পৰম যশ ভকতিত হুয়া বশ
জগততে কৰিলা প্ৰখ্যাত।
বহুবিধ লীলা কৰি এহিমতে দেৱ হৰি
হৰিষে বঞ্চিলা দ্বাৰকাত।।
ঈশ্বৰ গৰুড় কেতু জগত নিস্তাৰ হেতু
ভৈলা দৈৱকীত অৱতাৰ।
মহিমা কহিবো কত ভৈলা কথা সমাপত
ইটো কুৰুক্ষেত্ৰৰ যাত্ৰাৰ।।

পূৰ্বোক্ত উদ্ধৃত পদসমূহৰ শেষৰ কথাখিনি ভাগৱতৰ ১০/৮৪/৬৯-৭১ শ্লোক তিনটিৰ সাৰংশৰ আধাৰতে ৰচিত হৈছে। কিন্তু ইয়াক মূলগত কৰি ৰখা হোবা নাই। গুৰুজনাই নিজৰ মতেহে ইয়াক সজাইছে। আমি পূৰ্বতে কৈছোৱেই যে বন্ধু বান্ধৱৰ এবাৰ মিলন হোৱাৰ পিছত পুনৰ এৰা এৰি হওঁতে উভয়ৰ বিৰহ বেদনাহত অৱস্থাৰ বৰ্ণনা মূলত নাথাকিলেও তাৰ ব্যাখ্যাকৰ্তাসকলে সেই ইঙ্গিতৰ আধাৰতে সিসকলৰ মনৰ কথা ব্যক্ত কৰে।

এই স্কন্ধৰে পচাঁশী অধ্যায়ৰ শ্লোকসংখ্যা ঊনষাঠী। ইয়াৰ আটাইকেটিৰে অনুবাদ সম্পূৰ্ণ কৰা হৈছে। এই অধ্যায়টিৰ কাহিনী ভাগত আছে বসুদেৱৰ দ্বাৰা কৃষ্ণস্তুতি কৃষ্ণৰ দ্বাৰা বসুদেৱক তত্ত্বজ্ঞান প্ৰদান, দৈৱকীৰ পুত্ৰ আনয়ন, সুতল পুৰীত বলিৰ দ্বাৰা কৃষ্ণ স্তুতি, ৰামকৃষ্ণৰ প্ৰত্যাৱৰ্তন, মৃত পুত্ৰ দৰ্শনত দৈৱকীৰ আনন্দ ইত্যাদি। অধ্যায়টিৰ তিনি সংখ্যাৰ শ্লোকৰ পৰা কুৰি সংখ্যাৰ শ্লোকলৈকে মুঠ ওঠৰটি শ্লোকত বসুদেৱে কৃষ্ণক তত্ত্বপূৰ্ণস্তুতি প্ৰকাশ কৰিছে। গুৰুজনাই শ্লোককেইটিৰ তাত্ত্বিক দিশবোৰ অতি কোমল কৰি তাৰ সাৰাংশ মাত্ৰ লৈ বিষয় বস্তুটি সংক্ষিপ্ত ৰূপত প্ৰকাশ কৰিছে। মাজে মাজে নিজৰ ধাৰণামতে দুই এটি বাক্য সজাইছে। যিবোৰ কথাই শ্ৰোতা, পাঠক সমাজক আমনি দিয়ে আৰু তাৰ তত্ত্বসমূহ গ্ৰহণ কৰাত অসুবিধা অনুভৱ হয়, তেনেকুৱা আমনিদায়ক টান কথাবোৰ কলিকালৰ নৰ সমাজৰ বাবে পৰিত্যজ্য বুলি মহাপুৰুষসকলে অনুভৱ কৰি আহিছে। যিকোনো নিয়ম সাময়িকভাবেহে গ্ৰহণীয় আৰু বৰ্জনীয় হয়। ইয়াক বাধ্যতামূলক বা কঠিন ৰূপে প্ৰয়োগ কৰিবলৈ গ'লে ধৰ্মৰ প্ৰতিজন সাধাৰণৰ অনীহা ভাৱনা উদয় হোৱাটি স্বাভাৱিক বুলি ভাবি ল'ব পাৰি। সেয়ে বসুদেৱৰ কৃষ্ণস্তুতিৰ বিষয়টি উপনিষদীয় তত্ত্বেৰে পূৰ্ণ হোৱাত ইয়াক সহজভাবে লোৱাত অসুবিধা হোৱাৰ

কাৰণে গুৰুজনাই সহজ-সৰলতাৰে সকলোৰে বোধগম্য হোৱাকৈ প্ৰকাশ কৰিছে।

বসুদেৱৰ উক্তিত ভগৱান কৃষ্ণই বিনয়াবনত চাৰিটি শ্লোকত প্ৰত্যুক্তি প্ৰকাশ কৰিছে (১০/৮৫/২২-২৫) আৰু তাতো তাত্ত্বিক দিশ ফুটি উঠিছে। গুৰুজনায়ো ইয়াত পূৰ্বানুৰূপে তাত্ত্বিক দিশৰ লগত সঙ্গতি ৰাখি উত্তৰ প্ৰদান কৰিছে। কিন্তু ইয়াতো গুৰুজনাই টান বিষয়বোৰ সৰলতাৰে সকলোৰে বোধগম্য হোৱাকৈ সজাইছে। বসুদেৱ কৃষ্ণৰ উক্তি প্ৰত্যুক্তিৰ কথাখিনিত ঈশতত্ত্ব, ভূততত্ত্ব প্ৰধানভাবে ইয়াৰ পটভূমিতে প্ৰকাশ পোৱাত বিষ্ণুৰ স্বৰূপ উপলব্ধিত কিছু সহজ হৈছে। বসুদেৱ পিতৃ আৰু পুত্ৰ কৃষ্ণৰ কথোপকথনত পিতা-পুত্ৰৰ সম্বন্ধ তাত্ত্বিক দিশেৰে চিন-মোকাম নাইকিয়া হৈ পৰিছে। পুত্ৰ কৃষ্ণৰ প্ৰতি পিতৃ বসুদেৱৰ প্ৰশস্তি গুৰু শিষ্যৰ উক্তি প্ৰত্যুক্তিৰ নিচিনাহে হৈছে। যি কি নহওক আমি এই তাত্ত্বিক বিষয়বোৰৰ যোগে বহু জ্ঞান আহৰণ কৰিব পাৰিছোঁ। কৃষ্ণৰ উক্তিত বসুদেৱ নীৰৱ হ'ল আৰু ইয়াৰ পিছতে মাতৃ দৈৱকীয়ে মায়িক কথাৰে কৃষ্ণৰ ওচৰত নিজৰ মনোভাব বেকত কৰিছে।

কংসাসুৰে নিষ্ঠুৰ ভাবে দৈৱকীৰ ছয় পুত্ৰক বিনাশ কৰিছিল আৰু ইয়াৰ কাৰণে মাতৃ গৰাকীয়ে সদায় খেদ প্ৰকাশ কৰি আছিল। সান্দীপনি গুৰুদেৱৰ গৃহত কৃষ্ণই শাস্ত্ৰ শিক্ষা সমাপ্ত কৰাৰ পিছত গুৰু দক্ষিণা স্বৰূপে তেওঁৰ মৃত পুত্ৰক যমালয়ৰ পৰা আনি সহায় কৰি দিয়াৰ কথা দৈৱকীয়ে জানিব পাৰি তেওঁৰ পুত্ৰ ছয়টিকো তেনেকৈ আনি দি তেওঁৰ পুত্ৰশোক নিবাৰণ কৰিবলৈ প্ৰাৰ্থনা কৰিলে। সেই সম্পৰ্কে ভাগৱতে দৈৱকীৰ বিনয় বচনৰ পাঁচটি শ্লোকৰ অৱতাৰণা কৰিছে (১০/৮৫/২৯-৩৩)। গুৰুজনে ইয়াতো কিছু ৰসদি দৈৱকীৰ মুখেদি কৃষ্ণৰ মহিমা বিকশিত কৰিছে। মাতৃৰ আদেশ পালন কৰিবৰ কাৰণে কৃষ্ণ বলৰামে যোগমায়াৰ প্ৰভাৱত সুতল পুৰীত প্ৰবেশ কৰিলে। সেই প্ৰসঙ্গতে ভাগৱতোক্ত নহলেও গুৰুজনাই নিজৰ ধাৰণাৰে সুন্দৰকৈ কৃষ্ণৰ ৰূপ বৰ্ণনা কৰিছে। এনে প্ৰকাৰে পূৰ্বতো কৰি আহিছে। দৈৱকীয়ে নিজ পুত্ৰসকলক আনি দিবৰ কাৰণে কৃষ্ণৰ ওচৰত যি কাতৰ নিবেদন কৰিছিল, তাৰ বিবৰণ ভাগৱততকৈ গুৰুজনাৰ ৰচনাত অলপ বিস্তৃত ৰূপত প্ৰকাশ পাইছে। ভাগৱতোক্ত পাঁচটি শ্লোকৰ অনুবাদ তলত প্ৰকাশ কৰা হ'ল।

১। হে বলৰাম। হে অপৰিচ্ছিন্ন স্বৰূপ। হে কৃষ্ণ? হে যোগেশ্বৰ সকলৰো ঈশ্বৰ! আমি তোমালোক দুয়োজনকে ব্ৰহ্মাদি বিশ্ব সৃষ্টি কৰ্তা সকলৰো আদি পুৰুষ বুলি জানিব পাৰিছোঁ।

২। হে সনাতন আদি পুৰুষ! কালৰ প্ৰভাৱত যাৰ সত্ত্ব গুণ নষ্ট হৈছে, শাস্ত্ৰ বিহিত পথ পৰিহাৰ কৰি যিসকলে অশাস্ত্ৰীয় পথত অগ্ৰসৰ হৈছে আৰু তেওঁলোক পৃথিৱীৰ ভাৰস্বৰূপ হৈ পৰিছে, সেইসকলৰ ৰজাক সংহাৰ কৰিবৰ কাৰণে তোমালোক দুজন আমাৰ গৰ্ভত অৱতীৰ্ণ হৈছা।

৩। হে সৰ্ব্বাত্মন্ পৰমেশ্বৰ! যি ভগৱানৰ অংশৰো অংশ— তেওঁলোকৰ অংশ ভাগৰ দ্বাৰা এই বিশেষ সৃষ্টি স্থিতি আৰু প্ৰলয় হৈ থাকে। আমি আজি সেই সৰ্বাত্মা তোমাৰ শৰণাপন্ন হলোঁ।

৪। তোমালোকৰ গুৰু পুত্ৰ বহুদিনৰ পূৰ্বতে মৃত্যু হৈছিল। গুৰু সান্দীপনি মুনি সেই মৃত পুত্ৰক আনি দিবৰ কাৰণে তোমালোকক আদেশ কৰাত তোমালোকে গুৰুৰ কাৰণে যমালয়ৰ পৰা গুৰু দক্ষিণাস্বৰূপে তেওঁৰ মৃত পুত্ৰক আনি দিছিলা।

৫। তোমালোক যোগেশ্বৰ সকলৰো ঈশ্বৰ। সেয়ে তোমালোকে গুৰুৰ কামনা যেনেকৈ পূৰ্ণ কৰিছিলা, সেইদৰে আমাৰ কামনাত পূৰ্ণ কৰা। ভোজৰাজ কংসই নিহত কৰা আমাৰ পুত্ৰসকলক তোমালোকে আনি দিয়া। আমি তেওঁলোকক চোৱাৰ ইচ্ছা কৰোঁ।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

বলিৰ সভাৰ পৰা মৰা পোক আনি।
দৈৱকীক দিলন্ত যিমতে চক্ৰপাণি।।
পৰম আশ্চৰ্য্য সিটো কৃষ্ণৰ চৰিত্ৰ।
শ্ৰৱণ মাত্ৰকে কৰে পাপীকো পৱিত্ৰ।
অনন্তৰে দৈৱকীও বসি আছা তথা।।
সুমৰিলা গুৰুপুত্ৰ আনিবাৰ কথা।।
সান্দীপণি গুৰুৰ মৃতক পুত্ৰ আনি।
দিলা গুৰু দক্ষিণা এহেন্তে চক্ৰপাণি।।
মোৰো মাৰি আছে কংসে ছয়গুটি পোক।
হেন আলোচন্তে মনে উপজিল শোক।।
অধোমুখ ভৈলন্ত লোতক পৰে ঝৰি।

কৰন্ত ক্ৰন্দন পুত্ৰ সবক সুমৰি।।
এহিমতে মৰ্ম্মে কতো আছিলন্ত দুখে।
বুলিলন্ত পুত্ৰ দুইক সলোতক মুখে।।
হে কৃষ্ণ কৃষ্ণ বাপ দেৱ নাৰায়ণ।
হে হলি ৰাম তুমি শিৱ সনাতন।।
জানিলোহো তোৰা সব নুহিকা মানুষ।
জগত ঈশ্বৰ দুয়ো পৰম পুৰুষ।
খণ্ডিবাক লাগিয়া ভূমিৰ মণ্ডাভাৰ।
মোহোৰ গৰ্ভত আসি ভৈলা অৱতাৰ।।
ৰাজা হুয়া আছে যত দানৱ দুৰ্জ্জন।
নীচৰ উৎসাহ বঢ়াই পীড়ে সাধুজন।।
তাৰ ভৰে ভৈলা ভূমি পৰম পীড়িত।
তাৰ নাশ হেতু ভৈলা আপুনি বিদিত।।
তযু মায়া পুৰুষ তাহাৰ মায়া অংশ।
সত্ত্ব ৰজ তম তিনি গুণ তান বংশ।
তাৰ লয় লেশে হোৱে সৃষ্টি স্থিতি লয়।
হেন মহেশ্বৰ তুমি দেৱ কৃপাময়।।
জানিয়া তোমাত মই পশিলো শৰণ।
মোক শোক সাগৰে তাৰিয়ো নাৰায়ণ।।
তোমাৰ প্ৰভাৱ মই কহি নপাও সীমা।
শুনি আছো তুমিসব অচিন্ত্য মহিমা।।
মৰা পোক সান্দীপনি মাগিলন্ত দান।
চিৰকাল ভৈল সাগৰত গৈল প্ৰাণ।।
তথাপিতো মৃতক পুত্ৰক চক্ৰপাণি।
দিলা গুৰু দক্ষিণা যমৰো পৰা আনি।।
মোৰো মাৰি আছে কংসে পুত্ৰ ছয় গুটি।
তাসম্বাক সুমৰন্তে প্ৰাণ যায় ফুটি।
ময়ো মাগো পুত্ৰ দান দিয়োক সত্তৰ।
উদ্ধাৰিয়ো শোক শল্য হৃদয় খানি পোক।
হেন কৃপা বাপ এৱে কৰিয়োক মোক।।

কতেক কহিবো সিটো পুত্ৰৰ সন্তাপ।
কৃষ্ণৰ আগত পৰি কৰন্ত বিলাপ।।
পুত্ৰক সুমৰি মহা মৰ্ম যায় চড়ি।
দুয়ো নয়নৰ পৰে লোতক নিগড়ি।।
মহা দুখে অধোমুখে কৰন্ত ক্ৰন্দন।
প্ৰবোধন্ত ৰাম কৃষ্ণে কৰিয়া বন্দন।।
তাপ তেজি মাতৃ সুস্থ কৰিয়ো হৃদয়।
আনি দিবো এখনে তোমাৰ পুত্ৰ চয়।।
শুনি দৈৱকীৰ চিত্ত ভৈলা উপশান্ত।
দেখি দুয়ো ভাই ৰথে চড়ি লৰিলন্ত।।

দৈৱকীদেৱীৰ আদেশানুসৰি কৃষ্ণ বলৰামে যোগ মায়া প্ৰভাৱত সুতল পুৰীত প্ৰবেশ কৰিলে আৰু বলিৰ ৰাজ সভাত নানা প্ৰকাৰে অভ্যৰ্থিত হৈ তেওঁলোকে কি কৰিলে, সেই বিষয়ে, মূল ভাগৱতৰ লগত গুৰুজনাৰ বৰ্ণনা কিছু পৃথক আৰু দীঘলিয়া। তলত শ্লোকৰ অসমীয়া ৰূপ প্ৰকাশ কৰা হ'ল (ভাগৱত ১০/৮৫/৩৪-৩৮)

(১) শুকদেৱে ক'লে— হে ভাৰত! বলৰাম আৰু শ্ৰীকৃষ্ণই দৈৱকীৰ এনে ধৰণৰ আদেশ বাণী শুনি যোগমায়া প্ৰভাৱত সুতলত প্ৰবেশ কৰিলে।

(২) হে মহাৰাজ পৰীক্ষিত! ইয়াৰ পিছত দৈত্যৰাজ বলিয়ে সৰ্বজীৱৰ আত্মা আৰু নিজৰো আৰাধ্য দেৱতা বলৰাম আৰু কৃষ্ণক সুতলপুৰীত প্ৰৱেশ হোৱা দেখি আনন্দ সমুদ্ৰত নিমগ্ন হ'ল আৰু পৰিয়াল সমন্বিতে তৎক্ষণাৎ গাত্ৰোত্থান কৰি তেওঁলোকক প্ৰণাম জনালে।

(৩) ইয়াৰ পিছত দৈত্যৰাজ বলিয়ে আনন্দেৰে কৃষ্ণ বলৰামক বহিবলৈ শ্ৰেষ্ঠাসন আনি দিলে আৰু তাতে দুয়োজনে উপবেশন কৰিলত বলি ৰজাই তেওঁলোকৰ পদযুগল প্ৰক্ষালন কৰিলে আৰু যি পদজলে ব্ৰহ্মাৰ পৰা আৰম্ভ কৰি সকলো জগতকে পৱিত্ৰ কৰি থাকে, সেই পদ জল পৰিয়ালৰ সকলোৱে শিৰত ধাৰণ কৰিলে।

(৪) ইয়াৰ পছিত তেওঁ ছত্ৰ ছামৰাদি মহা বিভৱসমূহৰ দ্বাৰা মহামূল বস্ত্ৰাভৰণ, অলংকাৰ, অনুলেপন, মাল্য, ধূপ, দীপ আৰু অমৃততুলী অন্ন পানীয় প্ৰভৃতি ভক্ষ্য দ্ৰব্যৰ দ্বাৰা আৰু স্ত্ৰীপুত্ৰাদি স্বজন, বিত্ত তথা আত্ম সমৰ্পণৰ দ্বাৰা কৃষ্ণ বলৰামক পূজা কৰিলে।

(৫) হে মহাৰাজ পৰীক্ষিত! দৈত্য ৰাজ বলিয়ে প্ৰেমাপ্লুত হৈ কৃষ্ণ বলৰামৰ চৰণকমল বাৰম্বাৰ শিৰত আৰু হৃদয়ত ধাৰণ কৰিবলৈ ধৰিলে। আনন্দত তেওঁলোকৰ শৰীৰ ৰোমাঞ্চিত আৰু নয়ন যুগল অশ্ৰুপূৰ্ণ হ'ল। এই প্ৰকাৰে তেওঁলোকে কাৰ্যকৰি গদ গদ বাক্যে ক'বলৈ ধৰিলে।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

ৰঙ্গে ৰামকৃষ্ণ গৈয়া যোগমায়া বলে।
একে নিমিষতে আসি পশিলা সুতলে।।
ভুৱন মোহন দিব্য ৰূপ হৃষীকেশ।
বলিৰ সভাত ভৈলা দোভায়ো প্ৰবেশ।।

....

....

সাক্ষাতে দেখিয়া বলি ভৈলা সচকিত।
ত্বৰিতে উঠিলা বলি সমাজে সহিত।।
মহা আনন্দত আতি হৃদয় দ্ৰৱিল।
শিহৰি শৰীৰ নীৰ নেত্ৰৰ ঝৰিল।।
জগতৰে আত্মা যিটো পৰম দৈৱত।
মোৰ নিজ প্ৰাণ নাথ ভৈলা গৃহাগত।।
প্ৰত্যক্ষে দেখিলো ব্ৰহ্মাদিৰো আদি মূল।
মিলিল সমস্তে আতি আনন্দে আকুল।।
সপুত্ৰ বান্ধৱে বলি কৃষ্ণ কৃষ্ণ ৰড়ি।
কৰিলা প্ৰণাম পদ পঙ্কজত পৰি।।
ভাগ্যৱন্ত বলি মেলি আপোনাৰ চুলি
মলচি লৈলন্ত দুয়ো চৰণৰ ধূলি।।
সুবৰ্ণৰ সিংহাসন আথে বেথে মাথে।
বসিবাক লাগি পাৰি দিলা দৈত্যনাথে।।
বসিলা আনন্দে দুয়ো দৈৱকী নন্দন।
হৰিষে ধৰিলা বুলি দুহানো চৰণ।।
ধুৱাইবে লাগিলা সুৱৰ্ণৰ পাত্ৰ আনি।
সুৱৰ্ণ ভৃঙ্গাৰে বিন্ধ্যাৱলী দেন্ত পানী।।
ব্ৰহ্মায়ে সহিতে ইটো সমস্তে ত্ৰৈলোক্য।

পৱিত্ৰ হোৱন্তে আছে যিটো পাদোদক।।
তাক ঘৰে পাইলা দুইৰো চৰণ পখালি।
সবান্ধৱে আনন্দতে নাচে শিৰে ঢালি।।
যতেক ভকত দৈত্য আৰ্চিল সম্ভাৰ।
কৃষ্ণ দৰশনে আনন্দৰ নাহি পাৰ।।
যথাতে চিটিকি পৰে কৃষ্ণ পাদোদক।
পৰি পৰি ঘসে তৈতে আপোন শিৰক।।
আজোৰা আজুৰি কৰি কতো ঘসে শিৰে।
শিহৰে শৰীৰ নীৰ ঝৰে প্ৰেম ভৰে।।
কৃষ্ণ মুখ দেখি আতি ভৈল কৃতকৃত্য।
তৰিলো তৰিলো বুলি কতো কৰে নৃত্য।।
কৃষ্ণক দেখিতে আতি উৎসুক লোকৰ।
উভতি আসিল সৱে বলিৰ নগৰ।।
ৰাম মাধৱক দেখি হৰি হৰি ৰড়ি।
নিস্তৰিলো বুলি নমে দণ্ডৱতে পড়ি।।
সমস্তকে কেশৱে চাহান্ত কৃপা দৃষ্টি।
শৰীৰত পৰে যেন অমৃতৰ বৃষ্টি।।
যেন মনে মিলে আসি মুকুতিৰ সুখ।
হৰিষত হুয়া থাকে কৃষ্ণক সমুখ।।
আনন্দৰ নাহি সীমা দানৱ ৰাজাৰ।
কৃষ্ণক পূজিবে লাগি মিলাইলা সম্ভাৰ।।
ৰত্নময় পাত্ৰচয় চিকি মিকি কান্তি।
সুবৰ্ণৰ গছাত প্ৰদীপ দুই পান্তি।।
অগৰু সুগন্ধি ধূপ সন্দেশ প্ৰচুৰ।।
তাল নাৰিকল কল দিব্য কল ফুল।
শাৰী শাৰী সুবৰ্ণৰ থগিত তাম্বুল।।
ঘন খীৰ খীৰিসা অমৃত আদি কৰি।
দিলা দিব্য বস্ত্ৰ ৰত্ন ভূষণ অমূল্য।
দণ্ড ছত্ৰ চন্দ্ৰতাপ চামৰ চৌদোল।।
মহাৰাজ বিভূতি চৌভিতি আবৰিল।

জয় কৃষ্ণ ধ্বনি দশোদিশক পূৰিল।।
মৃদঙ্গ গোমুখ শংখ শৱদ তুমুল।
কৃষ্ণক অৰ্চ্চন্ত বলি আনন্দে আকুল।।
দণ্ডৱতে পৰি নমি অনেক যতনে।
দিলা মধুপৰ্ক পাদ্য কৃষ্ণৰ চৰণে।।
গন্ধ পুৰো আভৰণে কৰি সতকাৰ।
উছৰ্গিয়া দিলা জলে সমস্তে সম্ভাৰ।।
যত চিত্ত বিত্ত দেহ পুত্ৰ পৰিবাৰ।
কৃষ্ণৰ চৰণে অৰ্পিলন্ত বাৰে বাৰ।।
সৰ্বভাৱে ইন্দ্ৰ সেনে কেশৱক ভজি।
তম্ভিয়া আছন্ত প্ৰেম সাগৰত মজি।।
শিহৰে শৰীৰ নীৰ নেত্ৰৰ নিগৰে।
কৃষ্ণ বন্ধু বুলি বলি মাটিত বাগৰে।।
কৃষ্ণক ভজিয়া বলি ভৈল কৃতকৃত্য।
আনন্দে নধৰে চিত্তে উঠি কৰে নৃত্য।।
ভকত দানৱে বাৰে চৌপাশে চাপৰি।
কৃষ্ণ গুণ গায়া নাচে চাপৰি চাপৰি।।
অঞ্জলি ভৰিয়া সিঞ্চে কৰ্পূৰৰ ধূলি।
দশোদিশ পূৰে জয় কৃষ্ণ কৃষ্ণ বুলি।।
ভকতিৰ বলে বলি আকুল হৃদয়।
যৈত পৰে দৃষ্টি তৈত দেখে কৃষ্ণময়।।
কতো হাসে কান্দে কতো মৌন হুয়া থাকে।
মই কৃষ্ণ বুলি কতো মানে আপোনাকে।।
প্ৰেমে মত্ত হুয়া কৰে কৃষ্ণক ভাৱনা।
মাৰে স্তন পানে শুষি সম্যকে পুতনা।।
উলটাৱে শকট ভৰিৰ লগাই আগ।
হ্ৰদৰ খেদাৱে দমি দুষ্ট কালি নাগ।।
শিলাত পেলাৱে গল চেপি চক্ৰবাত।
কেসী কংস ধেনুকৰ কৰে কন্ধপাত।।
বলিষ্ঠ অৰিষ্ট দুষ্ট মুষ্টিক চাণ্ডৰ।

পেহ্লাৱে সংহৰি অঘ বক বৎসাসুৰ।।
যশোদা বান্ধিলা কঙ্কালত দিয়া বল।
উভঞ্জি অৰ্জুন মাজে টানি উড়ুখল।।
কৃষ্ণময় হুয়া ফুৰে নাহিকে চেতন।
পাসৰিল গৃহ শৰীৰকো ইন্দ্ৰসেন।।
এহিমতে মহা প্ৰেমৰস যায় চৰি।
কৃষ্ণৰ আগতে আছে দণ্ডৱতে পৰি।।
দৈত্যেন্দ্ৰৰ মহা প্ৰেম ভকতিক চাই।
ভৈলন্ত আশ্চৰ্য্য ৰাম কৃষ্ণ দুই ভাই।।
কতোক্ষণে সন্ধু ক্ষণ হুয়া দৈত্য নাথে।
কৃষ্ণ পাদ পদ্ম দুইক তুলি লৈলা মাথে।।
কতো আখি মুখে ঘসে কতো গলে বান্ধে।
প্ৰেম ভৰে নিৰ্ভৰ আনন্দে কতো কান্দে।।
দ্ৰৱ হুয়া হৃদয় নেত্ৰৰ পৰে পানী।
লোতকে নিৰোধে কণ্ঠ গদ গদ বাণী।।
শিহৰে শৰীৰ প্ৰেম ভকতিৰ সুখে।
দোভাইলে কৰন্ত তুতি সলোতক মুখে।।

পূৰ্বোক্ত পদত আমাৰ সমাজত সততে ব্যৱহৃত 'গছা' আৰু 'থগি' শব্দ দুটি পোৱা গৈছে। শলা বন্তি থোৱা কাঠৰ বা অন্য ধাতুৰে নিৰ্মিত ওখ দীপাধাৰ বা চাকি থোৱা যতনটিকে 'গছা' বুলি কয় আৰু 'থগি' (ঠগি?) হ'ল কাঠৰ শৰাই, পিতলৰ পৰাই বা কাঁহৰ শৰাই আদি য'ত গুৰু আসনৰ আগত নৈবেদ্য অৰ্পণ কৰা হয়। উক্ত দুটি শব্দ আধুনিক নহয়। ভকতীয়া ভাষাত ব্যৱহৃত শব্দ দুটি সত্ৰ আৰু গাঁও অঞ্চলত বন্তি আৰু নৈবেদ্য অৰ্পণৰ সময়ত সততে ব্যৱহাৰ কৰা হয়।

সেই একেটি অধ্যায়ৰে উনচল্লিশ সংখ্যাৰ শ্লোকৰ পৰা ছয়চল্লিশ শ্লোকলৈকে মুঠ আঠোটা শ্লোকত বলিয়ে কৃষ্ণ বল ৰামাক স্তুতি কৰাৰ বৰ্ণনা দাঙি ধৰিছে। সেই শ্লোককেইটিৰ লগত শঙ্কৰদেৱৰ অনুবাদিত দৃষ্টিভংগী আৰু সৃষ্টিমূলক বৰ্ণনা কেনেধৰণৰ, সেই পাৰ্থক্য পৰিষ্কাৰ কৰিবৰ কাৰণে তলত শ্লোকৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল।

(১) বলিয়ে ক'লে — অনন্ত দেৱ বলৰামক নমস্কাৰ কৰিছোঁ। বিশ্ববিধাতা কৃষ্ণক নমস্কাৰ। সাংখ্য যোগ প্ৰৱৰ্তক পৰমাত্মা পৰমব্ৰহ্মাক নমস্কাৰ।

(২) হে ভগৱান! সাধাৰণতে প্ৰাণীসকলৰ পক্ষে আপোনাৰ দৰ্শন দুৰ্ল্লভ হলেও কাৰো কাৰো পক্ষে আপোনালোকৰ কৃপাত সুলভ হৈ থাকে। সেই কাৰণে নিজ ইচ্ছা সাপেক্ষে আপোনালোকে ৰজ আৰু তমোগুণ প্ৰভাৱিত আমাৰ নয়ন গোচৰ হৈছেহি।

(৩) (৪) হে ভগৱান কৃষ্ণ! ৰজ তমগুণী দৈত্যগণ, দানৱগণ, গন্ধৰ্বগণ সিদ্ধগণ, বিদ্যাধৰ গণ, চাৰণগণ, যক্ষগণ, ৰাক্ষসগণ, পিশাচগণ, ভূতগণ, প্ৰথমগণ আৰু তেওঁলোকৰ অধিপতিসকল বিশুদ্ধ সত্ত্বমূৰ্ত্তি আৰু বেদ শৰীৰ আপোনাৰ প্ৰতি সততে বৈৰী ভাবাপন্ন। আমিও আপানাৰ প্ৰতি বৈৰী ভাবাপন্ন আছিলো।

(৫) তাৰ ভিতৰত কিছুমান বৈৰী ভাবাপন্ন ভক্তিৰে, তাৰ ৰাজসস্বভাৱী আমাৰ কোনো কোনোৱে কামভাৱেৰে আপোনাৰ সহিত যেনেধৰণেৰে একাত্ম প্ৰাপ্ত হৈছোঁহক, দেৱতাসকল সত্ত্বগুণ বিশিষ্ট হৈয়ো তেনেদৰে মিলিত হ'ব পৰা পাই।

(৬) হে যোগেশ্বৰেশ্বৰ! যোগেশ্বৰ সকলেও প্ৰায় আপোনাৰ অধীন যোগমায়া শক্তিৰ কথা নাজানে আৰু আপোনাকো নাজানে। তেন্তে আমি আপোনাৰ তত্ত্ব জানিম কেনেকৈ?

(৭) সেই কাৰণেহে ভগৱান! যাতে আমি আপোনাৰ পদাৰবিন্দৰ আশ্ৰয় কৰাৰ বাহিৰে অন্য গৃহ অন্ধকূপৰ পৰা আঁতৰি আহি বিশ্বাশ্ৰয় আপোনাৰ চৰণ যুগলত শ্ৰৱণ, মনন, নিদিধ্যাসন ৰূপ চিত্ত বৃত্তি প্ৰাপ্ত হ'ব পাৰোঁ আৰু আপোনাৰ পৰম মিত্ৰ বৈষ্ণৱসকলৰ লগত শান্তভাৱে বিচৰণ কৰিব পাৰোঁ আপুনি তাকে আমাক অনুগ্ৰহ কৰি দিয়ক। হে পুৰুষ আৰু প্ৰকৃতিৰ গৰাকী? আমাক কল্যাণকৰ পথ বিষয়ে শিক্ষা প্ৰদান কৰক। আপুনি যি কাৰণে ইয়ালৈ আহিছে, তাৰ কাৰণে আদেশ কৰক আৰু আমাৰ পাপ মল দূৰ কৰক। হে প্ৰভু! পুৰুষ সকলে শ্ৰদ্ধা সহকাৰে আপোনাৰ আদেশ পালন কৰি আপোনাৰ অনুশাসন মানি শাস্ত্ৰ বিধি অনুসাৰে কৰ্মবন্ধৰ পৰা মুক্তি লাভ কৰে।

পূৰ্বোক্ত আটোটি শ্লোকৰ আধাৰত গুৰুজনে অনুবাদ কৰিছে এনেকৈ ঃ

নমো নমো অনন্ত মহন্ত দেৱ হৰি।
কণা একাদশে জগতকে আৰাধৰি।।
হেনয় বহুত মূৰ্ত্তি তুমি হল ধৰ।
তোমাৰ চৰণ মনে নমো নিৰন্তৰ।।
নমো নমো কৃষ্ণ তুমি জগত বিধাতা।
তুমিসি পৰম ব্ৰহ্ম প্ৰভু পৰমাত্মা।।
কৌটি কৌটি ব্ৰহ্মাণ্ডৰ সৃষ্টি স্থিতি লয়।
তোমাৰ মায়ায়ে অঙ্গে কৰন্তে আছয়।।
পৰম দুৰ্লভ তোৰা দুইৰ দৰশন।
তাৰেসে সুলভ ঘাত আপুনি প্ৰসন্ন।।
মহা তামসিক আমি দুষ্ট দৈত্যচয়।
আমাকো দিলাহা দেখা কিনো কৃপাময়।।
ভৈলা গৃহাগত আতি মিলিল আহ্লাদ।
দিলা মোক দেৱতাৰো দুৰ্লভ প্ৰসাদ।।
যতেক সাত্ত্বিক দেৱ ভকত মহন্ত।
জানিলো আমিসি ততোধিক ভাগ্যৱন্ত।।
যক্ষ ৰক্ষ ভূত প্ৰেত পিশাচ যতেক।
বিদ্যাধৰ সিদ্ধ সৰ্প দানৱ অনেক।।
গন্ধৰ্ব প্ৰমথ দুষ্ট দৈত্য অসংক্যাত।
বৈৰভাৱে পাইলা গতি মাধৱ তোমাত।।
দ্বেষ্যভাৱে স্নেহে কতো স্মৰি কামভাৱে।
ৰাজসিক তামসিক সিটো গতি পাৱে।।
শুদ্ধ সত্ত্ব দেৱগণো নেদেখান্ত তাক।
আমাৰেসে নিজ বন্ধু জানিলো তোমাক।।
হেনবা বুলিবা শুদ্ধ সত্য ভৈল হেব।
ৰাজসিক তামসিক সিসে ভৈল শ্ৰেষ্ঠ।।
নুহিকে আশ্চৰ্য্য ইটো প্ৰভু চক্ৰপাণি।
তযু যোগমায়াক নজানে মহা জ্ঞানী।।
ইসে হুই ইসে নুই নুৱাৰে তৰ্কিত।

ব্ৰহ্মা মহেশ্বৰো যাৰ মায়ায়ে মোহিত।।
নবাছে আচাৰ জাতি তোমাৰ ভকতি।
যেই সেই ভজে মাত্ৰ তাকো দেন্ত গতি।।
যদি বৈৰভাৱে পাৱে পৰম হৰিক।
তথাপিতো নাথ মোক কৰিয়ো সাত্ত্বিক।।
তোমাৰ আগতে বাপ কহিলো স্বৰূপ।
হেন মন কৰে এৰা গৃহ অন্ধকূপ।।
সকলক সম্পত্তি যত আতো এৰি আশ।
ফল-মূল ভক্ষি তৰুতলে কৰো বাস।।
হৌক ভিক্ষা আসন বসন কানি কন্থা।
তযু পদ পঙ্কজক চিন্তিবো সৰ্বথা।।
মুখে লৈবো নাম হৃদয়ত ৰূপ ধৰি।
ৰহোক তোমাৰ গুণ নাম কৰ্ণভৰি।।
মহন্তে সহিতে সদা থাকিবো আলাপে।
তেবেসে নপাইবো বা সংসাৰৰ তাপে।।
দূৰ কৰা নাথ মোৰ সুতল সম্পত্তি।।
তোমাৰ চৰণে মাত্ৰ ৰহোক ভকতি।।
সদায়ে নেৰোক মনে ভকতিৰ স্বাদ।
পাৱে পৰি মাগো হেৰা এতেক প্ৰসাদ।।
হেনবা বুলিবা তই অল্প পুণ্যৱন্ত।।
আপুনি কৰিয়ো তেৱে তুমি কৃপাময়।
যেনমতে হোৱে হেন মোৰ ভাগ্যোদয়।।
তোমাৰ চৰণ শিক্ষা ধৰে যিটোনৰ।
সেহিতো ভকত নোহে বেদৰ কিঙ্কৰ।।
তুমিসি পৰম গুৰু হৃদীশ্বৰ মোৰ।
হুয়োক সদয় তৰো সংসাৰ দুৰ্ঘোৰ।।
এৰি বুলি কৃষ্ণৰ চৰণে থৈয়া মাথ।
পৰম কৰুণা কৰি কান্দে দৈত্য নাথ।।

ধাৰাসাৰে পৰে নয়নৰ নীৰ ঝৰি।
লোতকে তিয়াইলা মাধৱৰ দুই ভৰি।।
দৈত্যেন্দ্ৰৰ দেখি প্ৰেমভাৱ আতিশয়।
স্নেহে ৰাম মাধৱৰ দ্ৰৱিল হৃদয়।
পৰে জল কমল নেত্ৰৰ সৰসৰি।
কৰিলন্ত আশ্বাস বলিক তুলি ধৰি।।

দৈত্যেন্দ্ৰ বলিৰ স্তুতি বাক্যৰ পিছতে কৃষ্ণই তেওঁক দিয়া প্ৰত্যুত্তৰৰ কথাখিনি পাচোঁটি শ্লোকত (১০/৮৫/৪৭-৫১) সমাপন কৰা হৈছে। ইয়াতো গুৰুজনাৰ হস্ত পৰশত কথাৰ অগা-পিছা আৰু সৃষ্টিমলক দুই এটি কথাৰ অৱতাৰণা কৰা হৈছে। তলত শ্লোক কেইটিৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল।

(১) ভগৱান কৃষ্ণই ক'লে— হে দৈত্যৰাজ! স্বায়ম্ভুব মন্বন্তৰত পত্নী উৰ্ণাৰ গৰ্ভত মৰীচিৰ ছটি পুত্ৰ জন্ম হৈছিল। সেই দেৱতুল্য ঋষি পুত্ৰসকলে ব্ৰহ্মাক নিজৰ কন্যাক ৰমণ কৰিবলৈ উদ্যত হোৱাত উপহাস কৰিছিল।

(২-৩) হে বলি! সেই পাপ কৰ্মৰ ফলত তেওঁলোক তৎক্ষণাৎ আসুৰী যোনি প্ৰাপ্ত হ'ল আৰু হিৰণ্যকশিপুৰ ঔৰসত জন্ম গ্ৰহণ কৰিলে। ইয়াৰ পিছত যোগমায়াৰ দ্বাৰা আনীত হৈ দৈৱকীৰ গৰ্ভত জন্ম ল'লে আৰু কংসৰ হাতত নিধন হ'ল। দৈৱকীয়ে বৰ্তমান পুত্ৰসকলৰ কাৰণে শোক কৰি আছে। সেই পুত্ৰসকলেই তোমাৰ ওচৰতে অৱস্থান কৰিছে।

(৪) মাতৃ দৈৱকীৰ শোক দূৰ কৰিবৰ কাৰণে আমি এওঁলোকক ইয়াৰ পৰা মাতৃৰ ওচৰলৈ লৈ যাম। তাৰ পিছত এওঁলোক শাপ মুক্ত আৰু পাপমুক্ত হৈ দেৱলোকলৈ গমন কৰিব।

(৫) স্মৰ, উদগীথ, পৰিস্বঙ্গ, পতঙ্গ, ক্ষুদ্ৰভুক আৰু ঘৃণি নামেৰে এই ছয়জন ঋষি পুত্ৰই আমাৰ কৃপাত পুনৰ মুক্তি লাভ কৰিব।

পূৰ্বোক্ত ভাগৱতৰ বৰ্ণনাটিৰ অনুসৰি গুৰুজনাই নিজৰ ৰচনাত কিছু কথা সংযোগ কৰিছে আৰু তাৰ সূত্ৰ আনিছে হৰিবংশ পুৰাণৰ পৰা আৰু শ্ৰীধৰ স্বামীৰ টীকাৰ পৰা। শ্লোকতকৈ পদ্যাংশত থকা অতিৰিক্ত বিষয়তি গুৰুজনাৰ সৃষ্ট সংযোগ আৰু পুৰাণ তথা টীকাৰ সংযোগ বুলি ধৰিব লাগিব। তলত গুৰুজনাৰ পদখিনি উদ্ধৃত কৰা হ'ল।

শুক নিগদতি বলিৰ ভকতি
দেখি মহেশ্বৰ হৰি।
পৰম কৃপায়ে কৰিয়া আশ্বাস
দৈত্যেন্দ্ৰক তুলি ধৰি।।
পাইলা যে পৰম সিদ্ধি দৈত্যেশ্বৰ
আৰো কৰা অনুতাপ।
মহা প্ৰেম ইটো ভকতিত ভৈলো
ময়ো বশ্য বলি বাপ।।
আউৰ অনুশৌচ কৰিবে নালাগে
লভিলা সংসাৰ পাৰ।
তোমাক দেখিলে শুনিলে কহিলে
জগতে হৈব উদ্ধাৰ।
জিনিলা দুৰ্জ্জয় মায়াক তুমিসি
জানা নাহি আউৰবাৰ।।
যিবা কাৰ্য্যে আবে আসি আছো আমি
শুনা প্ৰয়োজন তাৰ।
মৰীচিৰ ছয় তনয় আছিল
প্ৰথম মনুৰ দিনে।
ভৈলাসৱে দেৱ তাসম্বাৰ আৱে
নাম শুনা ভিন্নে ভিন্নে।।
স্মৰ পৰিৰঙ্গ উদ্‌গীথ পতঙ্গ
ক্ষুদ্ৰভুক আৰো ঘৃণি।
এইহ ছয়জন পৰম পৱিত্ৰ
আছে কাম ক্ৰোধ জিনি।।
যৈসানি ব্ৰহ্মায়ে নিজ দুহিতাক
ক্ৰীড়া কৰিবাক চান্ত।
দেখি ছয়োদেৱে ব্ৰহ্মাক নিদিয়া
উপহাস্য কৰিলন্ত।।
জগতৰ তুমি পিতামহ হুয়া
কৰা গৰিহিতি কাম।

শুনি প্ৰজাপতি জাজ্বল্য সমান
কোপে নিকলিল ঘাম।।
অসুৰ যোনিক যাহা বুলি ব্ৰহ্মা
শাপ দিলা কোপমনে।
হিৰণ্য কশিপু দৈত্যৰ তনয়
আসি ভৈল ছয়োজনে।।
পাছে দৈৱকীৰ গৰ্ভত ছয়কো
উপজাইলা যোগমায়া।
ধৰি কংসৰাই সবাকো মাৰিলা
অধৰ্ম একো নচায়া।
সম্প্ৰতি তোমাৰ কাষতে আছন্ত
ছয়ো মোৰ জ্যেষ্ঠ ভাই।
আসম্বাক লাগি সদায়ে ক্ৰন্দন
কৰন্ত দৈৱকী আই।।
সবাহাঙ্কে আজি দ্বাৰকাক নিবো
খণ্ডাইবো মাৱৰ শোক।
মোহোৰ প্ৰসাদে শাপ এৰাই আজি
ছয়ো পাইবে স্বৰ্গলোক।।
এহিসে কাৰণে তোমাৰ সভাক
আসি আছো দৈত্য পতি।
শুনি উঠি বলি ছয়কো আগতে
যোগাইলা কৰি ভকতি।।
কৃষ্ণৰ চৰণ দুই হাতে ধৰিয়া
শিৰত আছিলা তুলি।
আজিসি সমস্তে পাপদূৰ ভৈল
জন্ম সাকলিলো বুলি।।
পাছে দৈত্যেন্দ্ৰক আশ্বাস বুলিয়া
উৎসাহ আতি বঢ়াইলা।
ছয়ো ভাইক পাছে ৰথত তুলিয়া
ত্বৰিতে দ্বাৰকা পাইলা।।

ছয় পুত্ৰক বলিৰ হাতৰ পৰা গ্ৰহণ কৰি কৃষ্ণ বলৰামে পুনঃ দ্বাৰকাত উপস্থিত হ'ল আৰু দৈৱকীৰ হাতত অৰ্পণ কৰিলে। তাৰ পিছৰ বৰ্ণনাখিনি সাতোটা শ্লোকত সম্পূৰ্ণ কৰা হৈছে আৰু সিমানতে সেই অধ্যায়টিৰো সামৰণি মৰা হৈছে। এই শ্লোকৰ অনুবাদতো গুৰু অধ্যায়টিৰো সামৰণি মৰা হৈছে। এই শ্লোকৰ অনুবাদতো গুৰু জনাৰ হস্ত পৰশত অতিৰিক্ত কিছু কথা সংযোজিত হৈছে। (১০/৮৫/৫২-৫৮)। সেয়ে তলত শ্লোকানুবাদ তুলি দিয়া হ'ল।

(১) এই বুলি কৈ শ্ৰীকৃষ্ণই বলৰামৰ সৈতে বলিৰ দ্বাৰা পূজিত হৈ সেই ছয় পুত্ৰক গ্ৰহণ কৰি পুনৰ দ্বাৰকালৈ যাত্ৰা কৰিলে আৰু দৈৱকী মাতৃৰ হস্তত তেওঁৰ পুত্ৰসকলক সমৰ্পণ কৰিলে।

(২) সেই বালক পুত্ৰসকলক দৰ্শন কৰি পুত্ৰস্নেহহেতু দৈৱকীৰ স্তনৰপৰা দুগ্ধ ক্ষৰণ হ'বলৈ ধৰিলে। তেতিয়া তেওঁ পুত্ৰসকলক আলিঙ্গন কৰি কোলাত লৈ বাৰম্বাৰ শিৰুঘ্ৰাণ কৰিলে।

(৩) ইয়াৰ পিছত যাৰ দ্বাৰা এই সৃষ্টি কাৰ্য চলিছে, সেই বিষ্ণুশক্তি মায়াৰ দ্বাৰা বিমোহিতা হৈ তেওঁ পুত্ৰ স্পৰ্শ হেতু যাৰ পৰা দুগ্ধ ক্ষৰিত হৈছিল। সেই স্তনদ্বয় প্ৰীতি সহকাৰে পুত্ৰসকলক পান কৰালে।

(৪) সেই পুত্ৰসকলে কৃষ্ণৰ পীতাৱশিষ্ট দৈৱকীৰ অমৃততুল্য স্তনদুগ্ধ পান কৰি।

(৫) আৰু শ্ৰীকৃষ্ণৰ অঙ্গ স্পৰ্শত 'আমি দেৱতা' এই আত্মজ্ঞান লাভ কৰি গোবিন্দক, দৈৱকী বসুদেৱ আৰু বলৰামক নমস্কাৰ কৰি সৰ্বলোকৰ সাক্ষাততে আকাশী পথেৰে দেৱলোকলৈ গমন কৰিলে।

(৬) দৈৱকীয়ে সেই মৃত পুত্ৰ সকলৰ আগমন আৰু প্ৰস্থানৰ দৃশ্য দেখি অতিশয় আশ্চৰ্য্যবোধ কৰিলে আৰু শ্ৰীকৃষ্ণৰ মায়া বুলিয়েই ভাবিলে।

(৭) হে পৰীক্ষিত! অসীম পৰাক্ৰমী পৰমাত্মা শ্ৰীকৃষ্ণ আৰু অনন্ত অদ্ভুত পৰাক্ৰম প্ৰকাশক লীলা আছে।

(৮) সুতে ক'লে— হে মুনিগণ! ব্যাস পুত্ৰ শুকদেৱ বৰ্ণিত কৃষ্ণ ভক্তসকলৰ পৰম সুখাবহ কৰ্ণভূষণ স্বৰূপ আৰু সমস্ত জগতৰ পাপ নাশী অমৃতকীৰ্তি মুৰাৰি শ্ৰীকৃষ্ণৰ এই লীলা চৰিত্ৰ যিজনে সৰ্বদায়ে বাৰম্বাৰ শ্ৰৱণ কৰিব আৰু আনকো পাঠ কৰি শুনাব, তেওঁ ভগৱানত সমাহিত চিত্ত হৈ তেওঁৰ মঙ্গলময় কালাদি ভয়ৰহিত ধামলৈ গমন কৰিব।

গুৰুজনে উক্ত আটোটি শ্লোকৰ অনুবাদ এনেকৈ কৰিছে ঃ

দৈৱকী মাৱৰ আগতে ছয়োকে
যোগাই ৰঙ্গে কৃষ্ণ ৰাম।
দিলো মৰা পুত্ৰ বুলিয়া মাতৃক
কৰিলা দুয়ো প্ৰণাম।।
পাছে ছয়ো ছৱালক নিৰেখি নিৰেখি চাই
চিনিলন্ত দৈৱকী নিশ্চয়।
মাৰিল পাতকী কংসে যিটো ছয়গুটি পোক
সেহি সৱে মোহোৰ তনয়।।
মহাস্নেহে স্ৰৱে স্তন হৰষিত তনু মন
মোৰ ইসি প্ৰাণ-পুত্ৰ বুলি।
আথে বেথে ধৰি গলে ভিজাইল নেত্ৰৰ জলে
সাবটি ধৰিলা বুকে তুলি।।
ইগুটিক থন্ত কতো সিগুটিক লন্ত তুলি
উৎসুকে পিয়ান্ত কতো খীৰ।
লুণ্ডি ঘুণ্ডি মহাসুখে কৰন্ত চুম্বল মুখে
ঘনে ঘনে ঘ্ৰাণে পুত্ৰ শিৰ।।
কৌতুক নাহি পাৰ উৎসুকে নাচন্ত যেন
বিষ্ণু মায়া মুহিলেক চিত্ত।
দুনাই মৰা পুত্ৰ পাই আনন্দৰ সীমা নাই
ভৈলন্ত দৈৱকী কৃতকৃত্য।।
একে দৈৱকীৰ স্তন পৰম অমৃতময়
আৰো মাধৱৰ কৃত্য শেষ।
পৰম সন্তোষে তাক ছয়ো কৰিলন্ত পান
দূৰ ভৈল পাতক নিঃশেষ।।
কৃষ্ণ অঙ্গ পৰশনে পাছে সিটো ছয়োজনে
ঘোৰ ব্ৰহ্ম শাপক তৰিল।

নুহিকো মনুষ্য আমি ছয়ো মৰীচিৰ পুত্ৰ
হৃদয়ত ইহাক স্মৰিল।।
সেহি সময়ত পাছে প্ৰকাশিয়া দশোদিশ
আসিল বিমান ছয় খণ্ড।
কৰে নৃত্য বিদ্যাধাৰী গাৱে গীত তাল ধৰি
বাজে সুললিত বাদ্য ভণ্ড।।
বসুদেৱ দৈৱকীক ছয়ো প্ৰণামিয়া পাছে
কৃষ্ণক নমিলা পাৱে পৰি।
বলোক প্ৰণাম কৰি অনুমতি লৈয়া পাছে
লৰি গৈলা বিমানত চড়ি।।
ছয় গোটা সূৰ্য্য যেন প্ৰকাশি স্বৰ্গক যায়
চাই আছে লোক সমস্তয়।
দেখিয়া দৈৱকী সতী মনত গুণন্ত ইটো
কিনো ভৈল মহা বিপৰ্য্যয়।।
আসিল মৃতক ছয় তনয় দুনাই মোৰ
এখনে আছিল স্তন খায়া।
আমাক প্ৰণামি পৰি হেৰা স্বৰ্গে যায় লৰি
বুজিলো কৃষ্ণৰ সবে মায়া।।
কৈৰ পৰা আসে জীৱ কাক বোলে পুত্ৰ জীউ
মায়া মোহ একোৱে নজানি।
এহি বুলি মহা সতী পৰম বিস্ময় আতি
থাকিলন্ত কৃষ্ণৰ জননী।।
বোলন্ত উৎসুকে শুকে শুনিলা নৃপতি তুমি
মহেশ্বৰ কৃষ্ণৰ মহিমা।
এৱম্বিধ মাধৱৰ অনন্ত চৰিত্ৰ আছে
কোনে কহি পাৱে তাৰ সীমা।।

কহে উগ্ৰশ্ৰৱা সুত শুনিয়ো শৌনক মুনি
কৃষ্ণ কথা শুনিবাৰ ফল।
বৰ্ণাইলা ব্যাসৰ পুত্ৰে কৃষ্ণৰ চৰিত্ৰ যত
জগতৰে হৰে পাপ মল।।
ইসি সুখাময় নিজ এহিসে মোক্ষৰ বীজ
ভকতৰ কৰ্ম অলঙ্কাৰ।
কৃষ্ণত নিবেদি চিত্ত আক যিটো শুনে নিত
বৈকুণ্ঠে নিবাস হোৱে তাৰ।।

ইমানতে মূল ভাগৱতৰ পছাঁশী অধ্যায়ৰ বৰ্ণনা আৰু গুৰুজনাৰ ৰচনাৰো সমাপ্তি হৈছে। এই অধ্যায়টি 'কুৰুক্ষেত্ৰ' নামেৰেই প্ৰসিদ্ধ। ইয়াৰ পদসমূহ গুৰুজনাৰ নিজ নামৰ ভনিতা পোৱা নাযায়। "কৃষ্ণৰ কিংকৰ" বুলিহে আছে। যিকি নহওক 'কুৰুক্ষেত্ৰ' নামৰ অধ্যায়টিত বক্তি যোগ তত্ত্বৰ নিদৰ্শন যথেষ্ট পোৱা যায় আৰু কৃষ্ণৰ মহিমা বিকাশত ই যথেষ্ট অৰিহণা যোগাইছে। গুৰুজনায়ো তাকে সফলতাৰে ইয়াক সজাই আমাক ভক্তিতত্ত্ব মধুপান কৰিবলৈ সুযোগ দিছে। গুৰুজনাৰ চৰণত শতকোটি প্ৰণাম।

আদ্য দশমৰ 'কুৰুক্ষেত্ৰ' অধ্যায় সমাপ্ত

(১০) একাদশ স্কন্ধ

একাদশ স্কন্ধ ভাগৱতৰ শ্লোকসংখ্যা মুঠ এহেজাৰ আঠাৱন্ন। অধ্যায়ৰ সংখ্যা একত্ৰিশ। গুৰুজনাৰ অনূদিত পদৰ সংখ্যা আঠশ আঠচল্লিশ, (মতান্তৰে আঠশ ছয়চল্লিশ)। ইয়াৰ ভিতৰৰে দুই, তিনি, চাৰি আৰু পাঁচ অধ্যায় চাৰিটিৰ ওপৰত গুৰুজনে সুকীয়াকৈ 'নিমি নৱসিদ্ধ সংবাদ' নামেৰে এখনি স্বতন্ত্ৰ পুথি ৰচনা কৰিছে (আমাৰ পূৰ্বোক্ত বৰ্ণনা দ্ৰষ্টব্য)। প্ৰথম অধ্যায়ৰ কথাখিনি গুৰুজনাৰ স্বভাৱসিদ্ধ অনুপম হস্তপৰশেৰে ন্যূনাধিক পৰিমাণে যোগ-বিয়োগ কৰি ষষ্ঠ অধ্যায়ৰ ব্ৰহ্মা আগমনৰ বৰ্ণনা যোগ দি আৰু উদ্ধৱক জ্ঞানোপদেশ প্ৰদানৰ বিষয়সমূহ প্ৰকাশ কৰা হৈছে। সেইদৰে অষ্টম, নৱমাদি অধ্যায়কো বাদ দিয়া হৈছে। 'কৃষ্ণ উদ্ধৱ সংবাদৰ বহু কথা মূলৰ পৰা এৰি সংক্ষিপ্ত ৰূপত এই স্কন্ধটিত সামৰিছে। শেষত একত্ৰিশ অধ্যায়টিতে সেই স্কন্ধটিৰ বিষয়সূচী সামৰণি পৰিলেও গুৰুজনে ইয়াৰ লগত ভাগৱতৰ প্ৰথম স্কন্ধৰ চৈধ্য আৰু পোন্ধৰ অধ্যায়াৰ 'যুধিষ্ঠিৰ অৰ্জ্জুন সংবাদ' আৰু তৃতীয় স্কন্ধৰ এক, দুই, তিনি আৰু চাৰি অধ্যায়ৰ 'উদ্ধৱ বিদুৰ সংবাদ'ৰ কাহিনী দুটি যোগ দি স্কন্ধটি পূৰাইছে। গুৰুজনাই কীৰ্তন ঘোষাতো তেনে প্ৰকাৰে প্ৰথম আৰু তৃতীয় স্কন্ধৰ ক্ৰমে প্ৰথম অধ্যায়ৰ চৈধ্য আৰু পোন্ধৰ, তৃতীয়ৰ এক, দুই তিনি আৰু চাৰি অধ্যায়াৰ পৰা উক্ত বিষয় দুটি যোগ দিছে। শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ লগত সম্পৰ্কিত হেতুকে বিষয় দুটি একাদশ স্কন্ধৰ কাহিনী যেনেই লাগে। একাদশৰ 'কৃষ্ণ উদ্ধৱ সংবাদ'ৰ বৰ্ণনাসমূহ ভক্তিতত্ত্বমূলক আৰু কৃষ্ণই নিজ জীৱনৰ সমস্ত তত্ত্ব উদ্ধৱৰ যোগেদি পৃথিৱীৰ মানৱ সমাজৰ কাৰণে এৰি দি থৈ গৈছে। আনহাতে 'বিদুৰ মৈত্ৰেয় সংবাদ'ৰ কথাও কৃষ্ণ ভক্তিতত্ত্বমূলক আৰু অৰ্থশূন্য। কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত ভক্তসকলৰ মাজত হোৱা বিৰহ-বেদনাৰ মৰ্মস্পৰ্শী বিষয়বোৰ আমাৰ কাৰণেও শোকাৱহ। সাধাৰণতে এজন শীৰ্ষস্থানীয়, নেতৃস্থানীয় অগ্ৰণী লোকৰ মৃত্যু হ'লে সমাজখন বেদনাহত হৈ পৰে। কৃষ্ণ বিয়োগৰ পিছতো তেনেকুৱাই হৈছিল। তেনে অৱস্থাৰ মাজতো কৃষ্ণোক্ত ভক্তিতত্ত্বমূলক মূল্যৱান কথাখিনিয়ে আমালোকক সান্ত্বনা প্ৰদান কৰে। গুৰুজনে এই স্কন্ধটিত 'নিমিনৱসিদ্ধ সংবাদ' আৰু 'কৃষ্ণ উদ্ধৱ সংবাদ' এই দুটিৰ সুকীয়া ৰূপ দি দুখনি অনুপম

ভক্তিতত্বমূলক গ্ৰন্থ ৰচনা কৰি গৈছে। দুয়োখনিৰ ভক্তি ৰসাশ্ৰিত স্বাদ অনুপম। এনেয়ে পুষ্পৰস স্বাদময়। তাতে মধুকৰৰ মুখত পৰি অধিক স্বাদময় হৈ পৰিছে। ঘটনা আৰু কাৰ্যানুপাতে ভাগৱতৰ কিছুমান শ্লোকাৰ্থ ইমান দুৰ্বোধ্য বা টান যদিও গুৰুজনাৰ হস্ত পৰশত ইয়াৰ পূৰ্বৰূপ পৰিবৰ্তন তথা কোমলতা গুণেৰে ইয়াক নতুন তত্ব দি অধিক সুন্দৰ কৰি তোলা হৈছে। কৃষ্ণই উদ্ধৱৰ আগত ব্যক্ত কৰা তত্ত্ব গধুৰ কথাখিনিতো যথেষ্ট তাৎপৰ্য্য আছে আৰু ভক্তিতত্ত্বৰ দিগদৰ্শন কৰাই আমাৰ সামাজিক বৈষম্য অৰ্থাৎ জীৱশ্ৰেষ্ঠ মানৱ মাত্ৰেই ভগৱানৰ প্ৰিয় হোৱাহেতুকে (১১/৭/২২) তেওঁলোকৰ অজ্ঞান তিমিৰান্ধ দূৰ কৰি জ্ঞানৰ আলোকেৰে মানসিক উৎকৰ্ষ সাধন কৰিবলৈ পাৰমাৰ্থিক তত্ত্ব কথা খিনিৰ অৱতাৰণা কৰা হৈছে। জীৱ কল্যাণকৰ বিষয়সমূহৰ বিস্তৃত অধ্যয়নে আৰু ইয়াৰ ব্যাৱহাৰিক কৰ্ম পদ্ধতিয়ে মানৱসমাজক দেৱত্ব পৰ্যায়লৈ উন্নীত কৰে। আহাৰ নিদ্ৰা, মৈথুন আৰু ভয় এই চাৰিটি স্বভাৱ সৰ্ব প্ৰাণীৰে আছে। কিন্তু মানৱ সমাজৰ কাৰণে ধৰ্ম নামৰ এটি অতিৰিক্ত বিষয় সংযোজিত হৈছে। যাৰ ধৰ্ম নাই, সি পশু। সেই পশুত্ব স্বভাৱ দূৰ কৰিবৰ কাৰণে মানৱ সমাজে ভাগৱতীয় পাৰমাৰ্থিক তত্ত্ব হৃদয়ঙ্গম তথা অনুশীলনৰ যোগে নিজৰ উত্তৰণ ঘটাব লাগিব। সেইখিনিকে কৰিবৰ কাৰণে একাদশ স্কন্ধ ভাগৱতত কৃষ্ণই উদ্ধৱক পাৰমাৰ্থিক তত্ত্বৰ অৱতাৰণা কৰিছে।

এই স্কন্ধৰে প্ৰথম অধ্যায়ৰ শ্লোক সংখ্যা চৌৱিশ আৰু ইয়াৰ আটাইকেইটি শ্লোকৰ অনুবাদ সম্পূৰ্ণ কৰা হৈছে। মূলত মঙ্গলাচৰণ শ্লোক নাই। অথচ গুৰুজনে পূৰ্বানুৰূপে মঙ্গলাচৰণ কৰিছে এনেকৈ—

জয় জয় জগতজনক কৃষ্ণ ৰাম।
পাতকীয়ো তৰে যাৰ লৈলে গুণ নাম।।
যাহাৰ বিভূতি মৎস্য আদি অৱতাৰ।
হেনয় কৃষ্ণক কোটি কোটি নমস্কাৰ।।
নমো দামোদৰ ব্ৰহ্মময় কলেৱৰ।
ব্ৰহ্মা মহেশ্বৰ যাৰ চৰণ কিঙ্কৰ।।
হেনয় কৃষ্ণক কৰি শঙ্কৰে প্ৰণতি।
একাদশ স্কন্ধ পদবন্ধে নিগদতি।।
উদ্ধৱত পৰম ভকতি কহি হৰি।
বিপ্ৰশা পছলে যদুকুলক সংহৰি।।

বৈকুণ্ঠক গৈলা পাছে প্ৰভু নাৰায়ণে।
ৰচিলা শঙ্কৰে কথা কৃষ্ণৰ চৰণে।।
হৃদয়ৰ ঈশ্বৰ পৰম মোৰ গুৰু।
প্ৰভু ভগৱন্ত ভকতৰ কল্পতৰু।।
আৰম্ভৰ সিদ্ধি হৌক কৃষ্ণক স্মৰণে।
কৃষ্ণৰ চৰণে মনে পশিলো শৰণে।।
কৰো কৰযোৰে বুধজন অভিনন্দা।
নকৰিবা পদত দূষণ দেখি নিন্দা।।
মানিকৰ পসাৰে কাঞ্চৰ কৰে মোল।
ঘন ক্ষীৰ ভুঞ্জে যিটো সিয়ো পিয়ে ঘোল।।
ই কথা থাকোক আপোনাৰ চিন্তা হিত।
সমস্ত ধৰ্মৰ ৰাজা কৃষ্ণৰ চৰিত।
আক এৰি আন কৰ্ম কৰে যিটো প্ৰাণী।
অমৃতক তেজি যেন খাই খাৰ পানী।।
ৰাজপন্থ এৰি মৰে কণ্টকত হাণ্ঠি।
তেজি যেন সোণা সনিয়াত মাৰে গাণ্ঠি।।
এৰি হৰি ভকতিক আন কৰ্ম কৰে।
জানিবাহা পাইলে তাক সেহি পটন্তৰে।।
কেশৱত পৰে দেৱ নাহি নাহি আন।
নাহি নাহি ধৰ্ম হৰি ভকতি সমান।।
হেন জানি কৃষ্ণ কথা শুনিয়ো উৎসুকে।
কৈলা কুৰু নৃপতিত ব্যাস সুত শুকে।।
অচিন্ত্য মহিমা হৰি পুৰুষ পুৰাণ।
শত্ৰু মিত্ৰ উদাসীন সবাতে সমান।।
কৰিলন্ত কৰ্ম যিটো জগত আধাৰে।
সিজে তিনি কৰ্ম আৱে আত একাধাৰে।।
হৰে কলিমল কৃষ্ণ কথা কীৰ্তনতে।
মহাপুণ্য ৰাশি আসি উপজে লগতে।।
মিলাৱে মুকুতি সুখ পৰম মঙ্গল।
সিজে ভকতিত একেদায়ে তিনিফল।।

পৰম অমৃতময় মাধৱৰ লীলা।
দশম স্কন্ধৰ কথা নৃপতি শুনিলা।।
আৰে একাদশ স্কন্ধ শুনিয়ো সম্প্ৰতি।
উপজিল কৃষ্ণৰ যিমতে বিৰকতি।।

ইয়াৰ পিছতে প্ৰথম অধ্যায়টি আৰম্ভ কৰা হৈছে। এক সংখ্যক শ্লোকৰ পৰা এঘাৰ সংখ্যাৰ শ্লোকলৈকে মূলগত অনুবাদ সামান্য মাত্ৰ এৰা ধৰাৰ মাজেৰে সম্পূৰ্ণ কৰা হৈছে। কৃষ্ণই যদুকুল বিনাশ কৰাৰ অভিপ্ৰায় কৰি পৰিকল্পিত ৰূপ দিয়াৰ আৰম্ভণিতে দ্বাৰকাৰ সমীপবৰ্তী পিণ্ডাৰক নামৰ তীৰ্থলৈ যিসকল মুনিৰ আগমণ হৈছিল, সেইসকলৰ নামসমূহ মূলৰ লগত সামান্য পাৰ্থক্যৰে গুৰুজনে পদত উল্লেখ খৰিছে। মূলত মুনিসকলৰ নাম যথাক্ৰমে (১) বিশ্বামিত্ৰ (২) অসিত (৩) কণ্ব, (৪) দুৰ্ব্বাসা (৫) ভৃগু (৬) অঙ্গিৰা (৭) কশ্যপ (৮) বামদেৱ (৯) অত্ৰি (১০) বশিষ্ঠ (১১) নাৰদ প্ৰমুখ্যে সৰ্বমুঠ এঘাৰগৰাকী। কিন্তু গুৰুজনাৰ তালিকাত আছে এনেকৈ ঃ

কশ্যপ কপিল কণ্ব ঋষি নৰোত্তম।
বিশ্বামিত্ৰ অসিত অত্ৰি অগস্তি গৌতম।।
ভাগুৰী ভাৰ্গৱ ভৃগু গুৰু তপো নিষ্ঠ।
সনক সনন্দ নন্দ দুৰ্বাসা ভগৱন্ত।
ইসৱ প্ৰমুখ্যে আনো মুনি অপৰ্য্যন্ত।। ইত্যাদি।

গুৰুজনাৰ নাম তালিকাত ঊনৈশ গৰাকী মুনিৰ নাম পোৱা হৈছে (ভাগ - ১১/১/১২)। ইয়াৰ পিছৰ শ্লোকত গুৰুজনাই অতিৰিক্ত সৃষ্টিমূলক সংযোজন কৰা দেখা গৈছে। উক্ত শ্লোকৰ অসমীয়া অনুবাদ তলত প্ৰকাশ কৰা হ'ল (১১/১/১৩-২৪)।

(১) তেতিয়া অহঙ্কাৰী কৃষ্ণ পুত্ৰসকলে কপট বিনয়ভাৱেৰে অভিনয় কৰি মুনিসকলৰ ওচৰত উপস্থিত হৈ তেওঁলোকক প্ৰণাম জনাই সুধিলে।

(২,৩) সেই যাদৱসকলে জাম্বৱতী পুত্ৰ সাম্বক নাৰী বেশ পিন্ধাই সুধিলে হে বিপ্ৰসকল! স্মিতমুখী এই গৰ্ভৱতী নাৰীয়ে লাজতে নিজ মুখে আসন্ন প্ৰসৱা পুত্ৰ কামিনী। এই নাৰীয়ে জানিব বিচাৰিছে যে তেওঁ কি সন্তান প্ৰসৱ কৰিব তাকে আপোনালোকে কওক।

(৪) হে পৰীক্ষিত! সেই মুনিসকলে এনেধৰণৰ অৱজ্ঞাসূচক কথা শুনি

কোপিত হৈ সেই যাদৱসকলক ক'বলৈ ধৰিলে— হেৰ মন্দমতি। এই নাৰীয়ে তোমালোকৰ বংশনাশক এডাল মূষল প্ৰসৱ কৰিব।

(৫) মুনিসকলৰ সেই কথা শুনি যাদৱসকল অত্যন্ত ভীত হৈ তৎক্ষণাৎ সাম্বৰ উদৰত মেৰিয়াই থোৱা কপট গৰ্ভ খুলি পেলালে আৰু তাত এডাল লৌহ মূষল দেখিবলৈ পালে।

(৬) যাদৱসকলে ক'লে— "আমি হতভাগ্য. আমি কি কাম কৰিলোঁ, নৰ সমাজে আমাক কি বুলিব" ইত্যাদি ভাৱেৰে খেদ প্ৰকাশ কৰি বিহ্বল হৈ সেই মূষল লৈ গৃহত প্ৰবেশ কৰিলে।

(৭) ভয় আৰু মলিন বদনেৰে যাদৱসকল আহি সেই মূষল ডাল ৰাজসভালৈ আনি সকলো যাদৱৰ সমুখত ৰাজা উগ্ৰসেনৰ আগত দি সকলো কথা জনালে।

(৮) হে নৃপতি! দ্বাৰকাবাসীসকলে অমোঘ বিপ্ৰশাপ শুনি সেই মূষল দেখি ভয় আৰু বিস্ময়াপন্ন হ'ল।

(৯) উগ্ৰসেনে সেই মূষল চূৰ্ণ কৰি আৰু অৱশিষ্ট খণ্ডটিসহ সমুদ্ৰ জলত পেলাই দিলে।

(১০) ইয়াৰ পিছত সেই লৌহ খণ্ড এটি মাছে গিলি পেলালে আৰু চূৰ্ণিত লৌহবোৰ সমুদ্ৰ তৰঙ্গত উটি আহি পাৰত চাপিল আৰু কালক্ৰমত সেই ঠাইত মাদুৰি বন হৈ গজিল।

(১১) তাৰ পিছত মৎস্যজীৱীসকলে আন মৎস্যজীৱীসকলৰ সহযোগত জাল পেলাই মাছ ধৰোতে সেই মাছটি ধৰি পেলালে। তাৰ মাজতে এজন ব্যাধে সেই মাছৰ উদৰস্থ হৈ থকা লৌহ খণ্ডটি পাই তেওঁ শৰৰ আগত লগাই ৰাখিলে।

(১২) সৰ্বজ্ঞ ভগৱান কৃষ্ণই সৰ্ব সমৰ্থ হৈয়ো সেই বিপ্ৰশাপৰ ব্যাঘাত নকৰিলে। কিন্তু কালৰূপী কৃষ্ণই যাদব বংশ ধ্বংসৰ কাৰণে অনুমোদন জনালে।

গুৰুজনাই পূৰ্বোক্ত শ্লোকৰ (অনুবাদৰ) অসমীয়া পদ ভাঙনিৰ মাজত নিজস্ব সৃষ্টিৰ লগতে শ্ৰীধৰ স্বামীৰ টীকাৰো অনুসৰণ কৰিছে। যেনে ঃ শ্ৰীধৰী টীকা ১১/১/১৫, ১৯, ২০ ইত্যাদি। এতিয়া পূৰ্বোক্ত শ্লোকানুবাদৰ অসমীয়া পদ ভাঙনি তলত প্ৰকাশ কৰা হ'ল।

কৃষ্ণৰ কৃপায়ে সৱে হুয়া এক থান।

পিণ্ডাৰক তীৰ্থত কৰন্ত সবে ধ্যান।।
কামদেৱ আদি তৈত যত যদুবীৰে।
ফুৰে ক্ৰীড়া কৰি সাগৰৰ তীৰে তীৰে।।
আসি ঋষি সমজ্যাক দেখিয়া তহিত।
উপালম্ভ কৰিতে সবাৰো ভৈল চিত।।
জাম্বৱতী সুত সাম্ব নামে কুমাৰক।
স্ত্ৰীকাচে কৰাই মণ্ডিলোক শৰীৰক।।
পিন্ধাইলা প্ৰবন্ধে ধৰি দিব্য নেত শাৰী।
বান্ধিল উচ্ছল খোপা পুষ্পচয় আৰি।।
জ্বলে গুণ্ডস্থল চাৰু কৰ্ণৰ কুণ্ডলে।
হাতত বলয়া শাঙ্খ সাতসৰি গলে।।
কঙ্কালত মেখলা উন্নত স্তন ভাৰ।
ওফন্দাইলা পেট গৰ্ভৱতীৰ আকাৰ।।
শিৰত সিন্দুৰ পাৱে পিন্ধাইলা নূপুৰ।
সঘনে ভোজন কৰে তাম্বুল কৰ্পূৰ।।
মধ্য কৰি যাই যত যাদৱ কুমাৰে।
হাণ্ঠিবাক নপাৰে গৰ্ভৰ যেন ভাৰে।।
মাথাত ওৰণী অতিশয় লজ্জাৱতী।
লহ লহ গমন গম্ভীৰ গজ গতি।।
কটাক্ষ নয়নে চাৱে কৰিলয় লাস।
কতোক্ষণে পাইলা ঋষি সমজ্যাৰ পাশ।।
নাহি হাসি ৰস যেন সবে সুবলিত।
জানু শিৰে প্ৰণামিলা পৰিয়াভূমিত।।
প্ৰণামিয়া গৰ্ভৱতী পৰম হতাশে।
মাথাত ওৰণী লৈয়া ৰৈল একপাশে।।
পাছে যদুগণ অৱনত কৰি কায়।
কৰযোৰে বোলে ঋষি সমজ্যাক চাই।।
তুমি সৱ মহা মহা মুনি সৰ্বজান।
চাৰি বেদ চৈধ্য শাস্ত্ৰ কৰিছা ব্যাখ্যান।।
দেখিয়োক ইটোস্ত্ৰী আসি আছে কাজে।

আপুনি নুপুছে কথা তোমাসাত লাজে।।
সোধাৱে আমাৰ মুখে শুনিয়ো সম্প্ৰতি।
পূৰ্ণ দসমাস ইটো নাৰী গৰ্ভৱতী।।
উপজিবে শিশু কিবা কহিয়ো বিচাৰি।
পুত্ৰ অভিলাষে তোমাসাত সোধে নাৰী।।
কিবা হুইবে পুত্ৰ কিবা জীউ হুইবে জাত।
গণি পঢ়ি ঋষি সব কহিয়ো আমাত।।
উপালম্ভ কৰি কথা সোধে ছ্ল বাদে।
ঈশ্বৰ ইচ্ছায়ে আসি পাইলেক প্ৰমাদে।।
হেন উপালম্ভ শুনি মুনি নিৰন্তৰ।
জাজ্বল্য সমান কোপে কাম্পয় অধৰ।।
ভ্ৰকুটি কুটিল মুখ আখি আৰকত।
অৰে পাপীসৱ উপালম্ভ কৰ কত।।
কালে গ্ৰাসিলেক অগনিত দেস হাত।
শুন দুষ্টগণ এইত হুইবে যিবাজাত।।
উপজিবে মুষলেক মহা লোহাময়।
যত যদুকুলক কৰিবে সবে ক্ষয়।।
বুলিলো নিশ্চয় আৱে শুন দৃষ্ট দম্ভ।
আনে যেন আমাক নকৰে উপালম্ভ।।
ঋষিসৱে যেবে হেন দিলা চণ্ড শাপ।
শুনিয়া সবাৰো মনে মিলিল সন্তাপ।।
আথে বেথে চাৱে সবে সোলকাই কাপৰ।
দেখে লোহাময় মুষলেক ভয়ঙ্কৰ।।
হা কি কৰিলো বুলি থিয়য়ে মৰিল।
নিৰ্ঘাত পতনে যেন বচন হৰিল।।
সমূলি মাৰিলো মহা মন্দমতি আমি।
ভৈলো মহাপাতকী কুলৰো অধোগামী।।
শুনিয়া আমাক আৱেকি বুলিবে লোকে।
হৃদয় বিদাৰে নিদাৰুণ ইটো শোকে।।
মুষলেক লৈয়া যদুগণ নিৰন্তৰ।

পৰম বিহ্বল হুয়া পশিল নগৰ।।
আছা উগ্ৰসেন বসি বংশ সমন্বিতে।
লৈয়া মূষলেক গৈয়া মিলিল তহিতে।।
ধান দিলে হোৱে আখৈ প্ৰজাৰ মুখত।
যোগাইলা মূষল যদুৰাজাৰ আগত।।
শাপৰ বৃত্তান্ত সমজ্যত সবে কৈলা।
দেখি মূষলেক সৰ্বলোক ভয় ভৈলা।।
মিলিল আসুখ মন মলিন সবাৰ।
কংস পৰি জীন গৈল লোক দ্বাৰকাৰ।।
পৰম আপদে পাইলে জানিলো নিশ্চয়।
ঋষি শাপে অৱশ্যে সবংশে হুইবো ক্ষয়।।
দশো দিশে শুনি মাত্ৰ ৰোল হাহাকাৰ।
গুচিল আনন্দ বাহ্য উৎসৱ প্ৰজাৰ।।
ভৈলন্ত বিহ্বল বৃদ্ধ যাদৱ সকল।
কৃষ্ণৰ আগত নিয়া নেদিলে মূষল।।
হোৱে বুদ্ধি ভ্ৰংশ আসি নাশন কালত।
উগ্ৰসেনে নুসুধিলে বুদ্ধি মাধৱত।।
অনাইলন্ত অএনক কমাৰ সুশিক্ষিত।
ওৱে ঘষি মূষল কৰাইলা চূৰ্ণীকৃত।
ভসাইলা সাগৰে তাৰ গুণ্ডি যদুৰাজে।
অৱশেষ লোহাক ক্ষেপিলা জলমাজে।।
কিবা বস্তু বুলি তাক গিলিলেক মাছে।
তাকো জল বাহন্তে জালোৱা পাইলা পাছে।
মৎসৰ গৰ্ভত দেখি সেহি লোহা খানি।
শৰৰ আগত ব্যাধে বিন্ধি থৈলা আনি।।
সাগৰত পেলাইলা লোহাৰ গুণ্ডি যত।
চাপিল তীৰত সিটো ঢৌৰ আস্ফালত।।
কাষৰত গজিল মাদুৰী বন হুই।
ঈশ্বৰৰ ইচ্ছা মিছা কদাচিতো নুই।।
দেৱৰো দেৱতা যিটো জগতৰ বাপ।

তাহান আগত ইটো কোনে ঋষি শাপ।।
অন্তৰ্যামী ৰূপে আছা সবাকো বিয়াপি।
ব্যৰ্থ নকৰিলা ঋষি শাপক তথাপি।।
কথা শুনি হৰিষ কৰিলা যদুৰাজ।
ঋষি সৱে আসি সাধিলেক মোৰ কাজ।।
বেশ্যাৰ কৰিল কাৰ্ম যেন কুল নাৰী।
হেন মনে মানি ৰঙ্গে ৰহিলা মুৰাৰি। ইত্যাদি।

দ্বিতীয়াধ্যায়ৰ শ্লোক সংখ্যা পচপন্ন আৰু ইয়াৰে আটাইকেইটি শ্লোকৰ অনুবাদ সম্পূৰ্ণ কৰা হৈছে। এই অধ্যায়টিত বসুদেৱৰ প্ৰশ্নানুসৰি নাৰদে নিমি নৱসিদ্ধ সংবাদৰ বিষয়টি অৱতাৰণা কৰিছে। উক্ত বৰ্ণনা পঞ্চম অধ্যায় পৰ্যন্ত বিস্তৃত আছে। কিন্তু গুৰুজনে দ্বিতীয়ৰ পৰা পঞ্চম অধ্যায় পৰ্যন্ত এইখিনি কথা ইয়াত বাদ দি ষষ্ঠ অধ্যায়ৰ পৰাহে পুনৰ আৰম্ভ কৰিছে। আমি পূৰ্বতে অৰ্থাৎ প্ৰথমতে সেই বিষয়ে ব্যক্ত কৰি আহিছো। এতিয়া এই প্ৰসংগটি ষষ্ঠ অধ্যায়ৰ পৰাহে আৰম্ভ হ'ব (আমাৰ 'নিমি নৱসিদ্ধ সংবাদ' দ্ৰষ্টব্য)।

ষষ্ঠ অধ্যায়ৰ শ্লোক সংখ্যা পঞ্চাশ। ইয়াৰে ভালেখিনি শ্লোক স্পৰ্শ কৰাহে দেখা গৈছে আৰু নিজৰ মতেৰে সজাইছে। মাজে মাজে শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱো পৰিছে। শ্লোকসমূহৰ ভিতৰত দহ, এঘাৰ, যোল্ল, সোতৰ সাতচল্লিশ সংখ্যাৰ শ্লোক পাঁচটি বাদ পৰিছে যদিও ইয়াৰ ছাঁ গুৰুজনাৰ ৰচিত পদসমূহৰ পৰা দেখা গৈছে। কিন্তু গুৰুজনাৰ ৰচনা স্বতন্ত্ৰ। নিজ বংশ উচ্ছেদৰ অভিলাষেৰে কৃষ্ণদেৱে মুনিসমূহৰ যোগেৰে যাদৱ বংশৰ ওপৰত যি অভিশাপ প্ৰদান কৰা হ'ল, সেই বৰ্ণনা প্ৰথম অধ্যায়ত সম্পন্ন কৰা হৈছে। কিন্তু দ্বিতীয় অধ্যায়ৰ পৰা পঞ্চম অধ্যায় পৰ্যন্ত থকা বৰ্ণনাসমূহ নিমি নৱসিদ্ধসকলৰ মাজত প্ৰশ্নোত্তৰ শিতানৰ বিভিন্ন তত্ত্বপূৰ্ণ কথাৰহে অৱতাৰণা কৰা হৈছে। প্ৰথম অধ্যায়ৰ লগত ষষ্ঠ অধ্যায়ৰ কথাখিনিৰিহে সংগতি আছে। সেই কাৰণেই গুৰুজনাই উক্ত চাৰি অধ্যায়ৰ ভক্তিতত্ত্বপূৰ্ণ বিষয়খিনি পৃথককৈ ৰাখি পৃথক নামেৰে নামাংকিত কৰি থোৱা হৈছে। ষষ্ঠ অধ্যায়ৰ বিষয়বস্তু হ'ল কৃষ্ণৰ নিজ ধাম যাত্ৰাৰ প্ৰথমাৰম্ভাত ব্ৰহ্মাদি দেৱগণৰ আগমন, কৃষ্ণ স্তুতি, কৃষ্ণৰ উত্তৰ, দ্বাৰকাত অমংগল উৎপাত, উদ্ধৱৰ আগমন আৰু খেদ প্ৰকাশ ইত্যাদি। কৃষ্ণ দৰ্শনৰ আশাৰে যিসকল দেৱতা দ্বাৰকালৈ আগমন কৰিছিল, সেই সকলৰ নাম তালিকা আৰু তাৰ সংখ্যামূলৰ লগত সামান্য

পাৰ্থক্য দেখা গৈছে। আনহাতে মূলৰ 'বপুষা যেন ভগৱান নৰলোক মনোৰমঃ। যশোবিতেনে লোকেষু সৰ্ব্বলোকমলাপহম্' (ভাগ- ১১/৬/৪) অৰ্থাৎ 'ভগৱান কৃষ্ণই সেই সময়ত নিজৰ পৃথিৱী মনোহৰ শৰীৰৰ কান্তিৰ দ্বাৰা বিশ্ব মলনাশী প্ৰভা বিস্তাৰ কৰি বিৰাজমান আছিল'। এই সূত্ৰৰ ওপৰত আধাৰ কৰি গুৰুজনে বিস্তৃতভাৱে কৃষ্ণৰ ৰূপ বৰ্ণনা দাঙি ধৰিছে। মূলতঃ ৰূপ বৰ্ণনা নাই। দেৱতাসকলৰ স্তুতিৰ পিছত ভগৱানে তেওঁলোকক দিয়া উত্তৰখিনিও মূলৰ আৰু পদৰ মাজত অভিন্ন। কৃষ্ণৰ ওচৰত বিদায় লৈ দেৱতাসকল স্ব-ধামলৈ গমন কৰাৰ পিছত দ্বাৰকাত অমংগল উৎপাত আদি আৰম্ভ হৈছিল। মূলৰ 'অথ তস্যাং মহোৎ পাতান দ্বাৰৱত্যাং সুমত্থিতান' (ভাগ- ১৬/৬/৩৩) অৰ্থাৎ ইয়াৰ পিছত সেই দ্বাৰকাত মহা উৎপাত হোৱাত'। সেই উৎপাতনো কি আছিল মূল ভাগৱতত তাৰ বৰ্ণনাৰ অভাৱ। কিন্তু গুৰুজনে সেই উৎপাতসমূহৰ বৰ্ণনা এনেকৈ দিছে। যেনে—

আত অনন্তৰে কথা শুনিয়ো সাক্ষাৎ।
দ্বাৰকাত অনেক মিলিল উতপাত।।
অনাবাৰে উভৰি উভৰি পৰে তৰু।
ঘৰে ঘৰে আটাস পাৰন্তে ফুৰে ফেৰু।।
উৰে খোলা বৰে আত বতাস প্ৰচণ্ড।
সঘনে নিৰ্ঘাত পৰে লৰে ভূমি খণ্ড।।
সদায়ে বৰিষে ধাৰে হালধি ৰুধিৰ।
নকান্দন্তে লোকৰ চক্ষুৰ পৰে নীৰ।।
সোণ গুই শঙ্খিনী গৃহত ফুৰে পশি।
একে আকাশতে কতো জ্বলে দুই শশী।।
উপজে পশুত পক্ষী বানৰত নৰ।
অকালত বাঢ়ে নদী নদ সৰোবৰ।।
দ্বাৰকাৰ ওপৰত উৰে ধুমকেতু।
মিলে বিমঙ্গল পুৰী উচ্ছন্নৰ হেতু।। ইত্যাদি।

পূৰ্বোক্ত উৎপাতৰ বৰ্ণনাৰ পিছত 'বিলোক্য ভগৱানাহে যদুবৃদ্ধান্ সমাগতাম্' (ভাগ- ১১/৬/৩৩), অৰ্থাৎ তেনে ধৰণৰ উৎপাত দেখি বয়োবৃদ্ধ যাদৱসকলে কৃষ্ণৰ ওচৰত উপস্থিত হোৱাত কৃষ্ণই ক'বলৈ ধৰিলে এই বাক্যটিৰ ওপৰত আধাৰ কৰি গুৰুজনে ইয়াক বহলাই কৈছে এনেকৈ—

দেখিয়া সমস্ত লোকে কাপিত হৃদয়।
জানিলো মিলিল যদুকুলৰ প্ৰলয়।।
বিপ্ৰশাপে তাসি আসি মজিলো দুখত।
ধান দিলে হোৱে আখে সবাৰো মুখত।।
বৃদ্ধ বৃদ্ধ যাদৱগণৰ ধাতু নাই।
কৃষ্ণৰ পাশত সৱে ভৈল এক ঠাই।।
ওঠকণ্ঠ শুকাই মুখ বিৱৰ্ণ বদন।
কৃষ্ণক সম্বুধি সৱে বুলিলা বচন।।
ঋষি শাপে পাইলা প্ৰভু ভৈল বিসঙ্গতি।
কহিয়োক কি কৰিবো কেশৱ সম্প্ৰতি।। ইত্যাদি।

বৃদ্ধ যাদৱসকলৰ প্ৰশ্নৰ উত্তৰত কৃষ্ণই দিয়া পৰামৰ্শখিনি মূলৰ ৩৪-৩৮ শ্লোকলৈকে মুঠ পাঁচটি শ্লোকৰ বৰ্ণনা পদৰ লগত অভিন্ন দেখা গৈছে। সেই প্ৰসংগতে কৃষ্ণই সংক্ষেপতে দক্ষ শাপত চন্দ্ৰৰ যক্ষ্মা ৰোগ হোৱাত প্ৰভাস তীৰ্থত স্নান কৰি সদ্য পাপমুক্ত হোৱাৰ বিৱৰণ দাঙি ধৰিছে। (১১/৬/৩৬)। ভাগৱতত ইয়াৰ বিৱৰণ বিস্তৃতভাৱে নাই অৰ্থাৎ এই স্কন্ধত অভাৱ। কৃষ্ণ যজুৰ্বেদৰ দ্বিতীয় কাণ্ডৰ তৃতীয় প্ৰপাঠকৰ পঞ্চম শ্লোকত চন্দ্ৰৰ যক্ষ্মা ৰোগ কেনেকৈ হ'বলৈ পালে, তাৰ বিৱৰণ আছে। বিৱৰণ এনেধৰণৰ — প্ৰজাপতিৰ তেত্ৰিশটি কন্যা আছিল। তেওঁলোকক ৰজা সোমৰ হাতত সমৰ্পণ কৰিলে। সিসকল কন্যাৰ মাজত ৰোহিণীৰ প্ৰতি সোমৰ আকৰ্ষণ অধিক হ'ল আৰু সেই কথাত অন্য কন্যাসকল ক্ষুণ্ণ হৈ পিতাকৰ কাষলৈ ঘূৰি গ'ল। সোমে তেওঁলোকক ঘূৰাই নিবলৈ অহাত প্ৰজাপতিয়ে সোমক সকলোৰে প্ৰতি সমান ব্যৱহাৰ কৰিবলৈ উপদেশ দিলে। তেওঁলোক পুনৰ সোমৰ গৃহলৈ উভতি আহিল যদিও পূৰ্বৰ দৰেই সোমৰ ৰোহিণীৰ প্ৰতি অনুৰক্ত অব্যাহত থকাত পুনৰ কন্যাসকল পিতৃগৃহলৈ ঘূৰি আছিল আৰু প্ৰজাপতিয়ে ক্ৰোধিত হৈ সোমক শাপ প্ৰদান কৰিলে তেতিয়া তেওঁৰ ৰাজযক্ষ্মা, পাপ যক্ষ্মা অআৰু জ্যায়েন্য যক্ষ্মা— এই তিনি যক্ষ্মা ৰোগ হয়। ইত্যাদি।

দ্বাৰকাত অমংগল দৰ্শন আৰু কৃষ্ণক যাদৱসকলৰ নিবেদন প্ৰসংগত কৃষ্ণই তদুত্তৰত কোৱা কথাখিনি ভাগৱতৰ মূল আৰু পদৰ মাজত অভিন্ন বুলি কোৱা হৈছেই। তথাপি তাৰ মাজে মাজে গুৰুজনাই ৰস সঞ্চাৰ কৰিছে। সেয়ে মূল শ্লোক পাঁচটিৰ অসমীয়া ৰূপ দাঙি ধৰা হ'ল (ভাগ-১১/৬/৩৪-৩৮)।

(১-৫) ভগৱানে ক'লে, আমাৰ বংশত এৰাব নোৱাৰা বিপ্ৰ শাপ আছে। সেই কাৰণেই দ্বাৰকাত সকলোতে এইবোৰ মহা উৎপাত হৈছে। সেই কাৰণে হে আৰ্যসকল, জীৱনৰ প্ৰতি অভিলাষ যদি আছে, তেন্তে ইয়াত ৰৈ থকা উচিত নহয়। আহক, আজয়েই অতি পৱিত্ৰ প্ৰভাসতীৰ্থলৈ যাত্ৰা কৰোহঁক, আৰু পলম নকৰিব। দেখক— চন্দ্ৰই দক্ষ শাপত যক্ষ্মা ৰোগাক্ৰান্ত হৈ সেই প্ৰভাসতে স্নান কৰি সদ্য পাপ মুক্ত হৈ পূৰ্বৰ দৰে কলা বৃদ্ধি প্ৰাপ্ত হৈছিল। আমিঁও সেই প্ৰভাসতে স্নান কৰি দেৱ পিতৃসকলক তৰ্পণ কৰিম আৰু নানা ৰস সমন্বিতে অন্নৰ দ্বাৰা তাত থকা মধুৰ স্বভাৱ বিপ্ৰসকলক ভোজন কৰাই শ্ৰদ্ধাৰে সৈতে সেইসকল সৎ পাত্ৰত নানাবিধ দান-দক্ষিণা কৰিম। সেই দানৰ ফলত নৌকাৰ দ্বাৰা সাগৰ পাৰ হোৱাৰ দৰে আমিও দাৰুণ শাপত পৰা উদ্ধাৰ হ'ব পাৰিম ইত্যাদি।

বুলিলা সবাকো বাক্য জগত আধাৰ।
শুনা কুল বৃদ্ধ সব বচন আমাৰ।।
ভৈল বিপ্ৰ শাপ ইটো কুলত সম্প্ৰতি।
আক এৰাইবাক পাৰে কাহাৰ শকতি।।
নেদেখোহো আমি আউৰ উপায় ইহাত।
মিলে মহা উতপাত দেখা দ্বাৰকাত।।
কালে গ্ৰাসিলেক বিঘ্ন পাতিলেক দেৱে।
আমি যদুবংশ ঔত নথাকিবো কেৱে।।
নকৰা বিলম্ব প্ৰভাসক লাগি যাও।
হেনক বিপাক বিপ্ৰ শাপক এৰাও।।
প্ৰভাসৰ প্ৰভাৱ শুনিয়ো যদুজাক।
চন্দ্ৰক দিলন্ত দক্ষে সাতাইশ কন্যাক।।
ৰোহিণীত আতি প্ৰীতি বাঢ়িল চন্দ্ৰৰ।
দেখিয়া সবেয়ো দিলা দক্ষত গোচৰ।।
আমাক নোসোধে পিতৃ তোমাৰ জামাই।
থাকে মাত্ৰ ৰাতি দিনে ৰোহিণীৰ ঠাই।।
হৌক ক্ষয় ৰোগ খঙ্গে দক্ষে দিলা শাপ।
মিলিল চন্দ্ৰত স্ত্ৰী সমস্তৰে পাপ।।

ভৈল ক্ষয় ৰোগী পাছে দক্ষ শাপে শশী।
কাসন্তে শৰীৰ নিতে যাই খসি খসি।।
ব্ৰহ্মাত গোচৰি পাছে পাইলা উপদেশ।
প্ৰভাসত স্নানিলা গুচিল সবে ক্লেশ।।
ভৈলা নিশাপতি পুনু পূৰ্ণ কলেৱৰ।
নিস্তাৰিল তীৰ্থৰ প্ৰসাদে শশধৰ।।
পাইলা যোল কলা এৰাই ৰোগ শোক তাপ।
প্ৰভাসৰ প্ৰসাদে এৰাইলা দক্ষ শাপ।।
হেন জানি আজি আমি হুয়া এক থান।
আসা প্ৰভাসক গৈয়া কৰো স্নান দান।।
বিশিষ্ট বিপ্ৰক ভুঞ্জায়োক অন্নপান।
গো ভূমি সুবৰ্ণ উচৰ্গি দিয়ো দান।
জানিবাহা দানেসে দুৰ্গতি দুখ হৰে।
যেন মহা নাৱে সাগৰত পাৰ কৰে।।
শুনি গাণ্ঠি মনে মই বিমৰিষি চাই।
আত পৰে আন কিস্তু নেদেখো উপাই।।
কহিলো স্বৰূপে তোমাসাত কিবা কাজ।
প্ৰভাসক যাইবে আৱে ঝাণ্টে হোৱা বাজ।।

যজুৰ্বেদৰ কাহিনীৰ লগত ভাগৱতৰ সামান্য অমিল পৰিলক্ষিত হৈছে। এই কৃষ্ণোক্তিখিনিত আশ্বস্ত হৈ যাদৱসকলে বহু ৰথ নিযুক্ত কৰিলে। ভাগৱতত কৈছে যে শুকদেৱে ক'লে— 'হে কুৰু নন্দন, ভগৱানৰ দ্বাৰা এনেপ্ৰকাৰে আদিষ্ট হৈ যাদৱসকলে প্ৰভাসলৈ যোৱাৰ অভিলাষেৰে বহু ৰথ নিযুক্ত কৰিলে' ইত্যাদি (ভাগ-১১/৫৩৯)। এই শ্লোক এটিৰ আধাৰতে গুৰুজনে বহলাই বৰ্ণনা কৰিছে এনেধৰণেৰে —

কৃষ্ণৰ আদেশ শুনি যত যদুগণ।
প্ৰভাস তীৰ্থক যাইবে উত্ৰাৱল মন।।
জোৰে ঘোঁৰা সৱ আনি ৰথ যুৱলিত।
সুবৰ্ণ ৰজত তোলে ৰথৰ সম্ভূত।।
দ্বাৰকা নগৰ ছানি প্ৰজাৰ ঘঞ্চাল।
চিহৰয় ঘোঁৰা জয় ঘণ্টাৰ আস্ফাল।।

বজাৱে নিশান সৱে সাজ সাজ ঝাণ্টে।
বীৰ ঢাক তবল কোবাৱে হাটে বাটে।।
ভিণ্ডিম দগৰ দণ্ডি দেই ফেৰু ডাক।
ৰথ গজ বাজি সাজি বজাই জাকে জাক।।
চিৰলে চামৰে ছানি আসে ছত্ৰ দণ্ড।
প্ৰজাৰ ভিৰত দলদোপ মহীখণ্ড।।
একো একো যদুবীৰ সুৰ পতি প্ৰায়।
চলে চমৎকাৰে কৰি কৰি মৰিবাক যায়।
সাগৰ কল্লোল যেন উৰ্মিৰ আস্ফাল।
বৃষ্ণি ভোজবংশক গ্ৰাসিলে আসি কালে।।
নাৰীসৱ পদূলি পদূলি জুমাজুমি।
বিমঙ্গল কথা কহি কান্দে হুমাহুমি।।
কোনোবা বিপাকে পাৱে কি মিলে ললাট।
জানো আসম্বাৰ বিধি ভাঙ্গে ভৰা হাট।।
অপূৰ্ণে সম্পূৰ্ণে বাঞ্ছে ইটো দ্বাৰকাত।
ঘোৰ ঋষি শাপে যেন মিলাৱে বিঘাত।।
কৃষ্ণক সুমৰি সৱে কান্দন্ত বিষাদে।
হা প্ৰভু পাৱে জানা তোমাক প্ৰমাদে।।
দ্বাৰকাবাসীৰ তুমি জীৱ সমুদায়।
তুমি অবিহনে আমি মৃতক পৰায়।।
তোমাৰ বা কিবা হোৱে হা কৃষ্ণ বাপ।
ঠাই ঠাই নাৰী গণে কৰন্ত বিলাপ।। ইত্যাদি।

কৃষ্ণৰ পৰমৰ্শানুসাৰে প্ৰভাস তীৰ্থত স্নান কৰি সদ্য শাপমুক্ত হ'বৰ কাৰণে যাদৱসকল প্ৰস্তুত হোৱা অৱস্থাতে দ্বাৰকাত নানা বিমঙ্গল আৰু কৃষ্ণৰ মনোভিলাৰ বুজিব পাৰি উদ্ধৱে কৃষ্ণৰ পাদ বন্দনা কৰি সোধা কথাখিনি ভাগৱতৰ সেই অধ্যায়তে নটি শ্লোকৰ অৱতাৰণা কৰা হৈছে। যৎসামান্য অতিৰিক্ত সংযোগেৰে গুৰুজনাই ভাগৱতৰ উক্ত নটি শ্লোকৰ পদ্যানুবাদ কৰিছে। কৃষ্ণই দ্বাৰকাধাম ত্যাগ কৰি বৈকুণ্ঠ যাত্ৰা কৰিব। এই ঘটনাৰ পূৰ্বানুমান অনুভৱ কৰি ভক্ত উদ্ধৱৰ মানসিক শান্তিৰ অভাৱ হৈছে। স্বাভাৱিকতে তেনে হোৱাৰ কথাও। সেই প্ৰসঙ্গতে উদ্ধৱৰ মানসিক অশান্তিৰ

কথাখিনি বিস্তৃতভাবে অনুক্ত থাকিলেও গুৰুজনাৰ ৰচিত পদত সেইখিনি সম্পূৰ্ণ কৰা হৈছে।

সপ্তম অধ্যায়ৰ শ্লোক সংখ্যা চৌসত্তৰ। ইয়াৰে দুই, তিনি, চাৰি, পাঁচ, ছয়, সাত, আঠ, তেৰ, ষোল সংখ্যাৰ মুঠ নটি শ্লোকৰহে অনুবাদ কৰিছে। এই অধ্যায়ত আছে অৱধূত ইতিহাস প্ৰসঙ্গৰ চৌবিশজন গুৰুৰ কথা। অৱশ্যে উক্ত বৰ্ণনা গুৰুজনে বাদ দিছে। পূৰ্বোক্ত নটি শ্লোকৰ অসমীয়া অনুবাদ তলত প্ৰকাশ কৰা হ'ল।

(১) ব্ৰহ্মাৰ প্ৰাৰ্থনানুসৰি আমি পৃথিৱীত যি কাৰণত অৱতাৰ হৈছিলোঁ, সেই দেৱকাৰ্যসমূহ সম্পূৰ্ণকৈ সাধিত হৈছে। বিপ্ৰ শাপ প্ৰাপ্ত যদুকুল ধ্বংস হ'ব। আজিৰ পৰা সাদিনৰ ভিতৰতে সাগৰত এই দ্বাৰকাপুৰী প্লাৱিত হ'ব।

(৩) হে সাধু উদ্ধৱ! যেতিয়াই এই পৃথিবী আমি এৰিম, তেতিয়াই কলিৰ দ্বাৰা আক্ৰান্ত হ'ব আৰু পৃথিবীত অমঙ্গল হ'ব।

(৪) হে সজ্জন! কলি যুগৰ লোকসকল অধৰ্মত প্ৰবৃত্ত হ'ব! সেইকাৰণে তুমি আমাৰ এই পৰিত্যক্ত ভূমিত ক্ষন্তেকো নাথাকিবা।

(৫) হে উদ্ধৱ! তুমি আত্মীয় স্বজনৰ প্ৰতি মমতা এৰি আমাতে সম্যকভাৱে মনোনিবেশ কৰি সমদৰ্শী হৈ পৃথিৱী ভ্ৰমণ কৰা।

(৬) মন, বাক্য, চক্ষু আৰু কৰ্ণৰ দ্বাৰা মন কল্পিত এই জগতৰ উপলব্ধি হ'লেও ই সম্পূৰ্ণ মায়াময় আৰু ক্ষয়শীলা বুলি জানিবা।

(৭) গুণ দোষ বুদ্ধি বিশিষ্ট বিক্ষিপ্ত চিত্ত ব্যক্তিৰ ভেদ বুদ্ধিবশতঃ যি কৰ্ম, বিকাৰ্ম অকৰ্ম আদি নানা অৰ্থযুক্ত ভ্ৰম, সেয়াই গুণ আৰু দোষৰ ভাগী হয়।

(৮) শুকদেৱে ক'লে— হে ৰাজা পৰীক্ষিত! মহাভাগৱত উদ্ধৱে অচ্যুত কৃষ্ণৰ এনে আদেশ শুনি অভীষ্ট বিষয়ে জিজ্ঞাসু হৈ তেওঁক প্ৰণাম জনাই এনে প্ৰকাৰে ক'বলৈ ধৰিলে।

(৯) হে ভগৱান! আপুনি যাক ত্যাগৰ উপদেশ দিলে, সেইজন আমি অহঙ্কাৰ মমকাৰ বুদ্ধি বিমূঢ় আৰু আপোনাৰ মায়া বিৰচিত সংসাৰত নিমগ্ন। সেই কাৰণে আপোনাৰ আদেশ যাতে অনায়াসে সাধন কৰিব পাৰোঁ। মোক তেনেকুৱা শিক্ষাকে দিয়ক।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

নিগদতি শুক শুনিয়োক নৃপবৰ।
ভকতৰ সন্তাপ দেখিয়া পীতাম্বৰ।।

ভৈলন্ত আকুল কৃষ্ণ জগত জনক।
কমল নয়ন ভৰি বহয়ে লোতক।।
পীতবস্ত্রে মুচি মুখ তেজিয়া নিশ্বাস।
স্নেহে উদ্ধৱক ধৰি বুলিলা আশ্বাস।।
তেজি চিন্তা চিত্ত স্থিৰ কৰা মহাশয়।
তযু দুখ দেখি সখি নসহে হৃদয়।।
স্বৰূপে জানিলা তুমি আমাৰ আশয়।
বংশক সংহৰি আৱে চলিবো নিশ্চয়।।
সাধিলো উদ্ধৱ দেৱতাৰ যত কাজ।
নথাকিবো ইঠাইত তোমাত কিবা বাজ।।
দ্বাৰকা নগৰ সাগৰত ঘাইবেতল।
মই গৈলে লোকত মিলিবে বিমঙ্গল।।
পীড়িবে দুৰ্জ্জন কলি গুচিবে আচাৰ।
হুইবে অধৰ্মত ৰতি যতেক প্ৰজাৰ।।
তুমি আমি দুয়ো গৈলে মিলিবে অনৰ্থ।
লুপ্ত হুইব জ্ঞান ইটো ভকতিৰ পথ।।
অধৰ্ম্মে পীড়িবে লোক যাইবে অধোগতি।
ভকতিক ৰাখি তুমি থাকিয়ো সম্প্ৰতি।।
মোহোৰ বচন ইটো নচাড়িবা ভূমি।
শ্ৰৱণ কীৰ্তন প্ৰৱৰ্তায়া থাকা তুমি।।
ভকতি নভৈলে ভূমি যাইব ৰসাতল।
মোৰ আজ্ঞা পালিয়া ৰহিয়ো মহাবল।।
কিন্তু ঐত নথাকিবা কহিলো প্ৰকটি।
মোত চিত্ত দিয়া ফুৰা পৃথিৱী পৰ্য্যটি।।
যত দেখা শুনা মায়াময় স্বপ্নসম।
হৰিময় দেখি দূৰ কৰা মতিভ্ৰম।।
জ্ঞান কৰ্ম ভকতি কহিলো কৰি ভেদ।
ভকতি পৰম পন্থ দিলো পৰিচ্ছেদ।
নাহিকে উত্তম গতি ভকতিত পৰে।
নিষ্ঠে কহো ভকতিসে মোক বশ্য কৰে।।

ভকতিত পৰে আন নকৰিবা সখি।
হেন শুনি উদ্ধৱে মুচিলা দুয়ো আখি।।
কৃষ্ণৰ চৰণ চাই তেজিলা নিশ্বাস।
গদ গদ বাক্যে বুলিলন্ত লাসে লাসে।।

গুৰুজনাই কৃষ্ণ উদ্ধৱৰ উক্ত কথোপকথন প্ৰসঙ্গত নিজৰ ইচ্ছা আৰু সুবিধামতে বৰ্ণনাৰ আগ-পিছ কৰাও দেখা গৈছে। আমাৰ পূৰ্বোক্ত বৰ্ণনা সপ্তম অধ্যায়ৰ আৰু ইয়াৰ পিছতে পদত আৰম্ভ হোৱা বৰ্ণনা চতুৰ্দশ অধ্যায়ৰ। ইয়াৰ মাজত আবদ্ধ হৈ আছে দ্বাদশ অধ্যায়ৰ বিৱৰণ। সেইখিনি পিছলৈ থৈ পিছৰখিনি আগলৈ আনি গুৰুজনে ইয়াক পৃথক ৰূপ দিছে। চতুৰ্দশ অধ্যয়াৰ শ্লোক সংখ্যা ছয়চল্লিশ। ইয়াৰে গুৰুজনে ক্ৰমে এক, তিনি, চাৰি, পাঁচ, ছয়, সাত, আঠ, ন, দহ, বাৰ, তেৰ, চৈধ্য, পোন্ধৰ, ষোল্ল সোতৰ, ওঠৰ, ঊনৈশ, বিশ, একৈশ, বাইশ, তেইশ, চৌবিশ, একত্ৰিশ সংখ্যাৰ সৰ্বমুঠ তেইশটি শ্লোকৰ পদ্যানুবাদ কৰা হৈছে। বাকীখিনি শ্লোক ইয়াত বাদ পৰিছে। মহাপুৰুষসকলে সময়ৰ গতি আৰু ধ্যান-ধাৰণা কৰিব পৰা সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰি আৰু জনসাধাৰণৰ মনোযোগ আকৰ্ষণ কৰিব পৰা সুবিধা মিলাইহে শাস্ত্ৰ ৰচনা কৰিছে । এই স্কন্ধটিত উদ্ধৱক কৃষ্ণদেৱে কোৱা বহু কথাই তত্ত্বগধুৰ আৰু মানৱসকলে আহৰণ কৰিব পৰা সামৰ্থ্যৰ বাহিৰৰ বিষয়। সেই কাৰণেই ইয়াত বহু তত্ত্ব বাদ দি থোৱা হৈছে। তত্ত্বগধুৰ বিষয়েৰে ভাৰাক্ৰান্ত হ'লে পাঠকসকলৰ অনীহা ভাব হোৱাৰ সন্দেহতে গুৰুজনাই বোধহয় সংক্ষিপ্ত ৰূপত বিষয়টি সামৰি থ'লে। আনহাতে একেটি বিষয়ৰ প্ৰকাশ ভংগীত আন এটি সূত্ৰ আহৰণ কৰাটো কবিগুৰু, সাহিত্যগুৰু, ধৰ্মগুৰুসকলৰ চৰিত্ৰই বা তেওঁলোকৰ সেয়া স্বাভাৱিক ধৰ্মই। সেইবুলি সিসকলক ঋণগ্ৰস্ত অথবা সিবোৰ অপ্ৰাসংগিক বুলি ক'ব নোৱাৰি। সেই স্কন্ধৰে অষ্টম অধ্যায়ৰ দশম সংখ্যক শ্লোক এটিত আছে—

অনুত্যশ্চ মহদ্ভ্যশ্চ শাস্ত্ৰেভ্যঃ কুশলোনৰঃ।
সৰ্ব্বতঃ সাৰমাদদস্যাৎ পুষ্পেভ্য ইব ষট্‌ পদঃ।।

অৰ্থাৎ, নিপুণ ব্যক্তিয়ে ভ্ৰমৰবোৰে সকলো পুষ্পৰ পৰা সাৰ বা মধু গ্ৰহণৰ নিচিনাকৈ ক্ষুদ্ৰ বা বৃহৎ শাস্ত্ৰসমূহৰ পৰা সাৰ গ্ৰহণ কৰিব ইত্যাদি।

কৃষ্ণই উদ্ধৱক কোৱা তত্ত্বপূৰ্ণ কথাসমূহ সপ্তম অধ্যায়ৰ পৰা ঊনত্ৰিশ

অধ্যায়লৈকে সৰ্বমুঠ তেইশটি অধ্যায়ত এহেজাৰ তেত্ৰিশটি শ্লোকত ব্যক্ত কৰিছে। গুৰুজনে ইয়াৰে আঠ, ন, দহ, তেৰ, পোন্ধৰ, ষোল্ল, সোতৰ, ওঠৰ, এৰৈশ, বাইশ, তেইশ, চৌব্বিশ, পঁচিশ, ছাব্বিশ, সাতাইশ, আঠাইশ অধ্যায়ত মুঠেই হাত দিয়া নাই। পূৰ্বোক্ত চতুৰ্দশ অধ্যায়ত যিখিনি বিৱৰণ আছে, সম্প্ৰতি তাৰ বৰ্ণনা দাঙি ধৰা হ'ল।

(১) উদ্ধৱে ক'লে— ব্ৰহ্মবাদীসকলে শ্ৰেষ্ঠ সাধন বহু প্ৰকাৰ বুলি কৈছে। কিন্তু হে কৃষ্ণ, তাৰ মাজত কোনটি প্ৰধান বা সকলোৱেই নিজা নিজা ধৰণেৰে প্ৰধাননে?

(২) ভগৱানে ক'লে— বিকল্প প্ৰধান কিম্বা ঐক্য প্ৰধান এই যে তুমি সুধিছা— এইখিনি বেদে নিৰূপণ কৰিছে। কিন্তু সেইবোৰ পূৰ্ব প্ৰলয়ত নষ্ট হৈছে। যি বেদবাণীত স্বৰূপতে সেই ধৰ্ম বিদ্যমান, আমি সেইখিনি পুনৰ ব্ৰহ্মাৰ দ্বাৰা সৃষ্টিৰ আৰম্ভতে তেওঁক কৈছিলো।

(৩) তেওঁৰ প্ৰথম জাত সন্তান মনুক এই বেদ ধৰ্মৰ কথা কৈছিল। মনুৰ পৰা ভৃগু প্ৰভৃতি সাতজন মহৰ্ষিয়ে সেইখিনি পালে।

(৪-৫) ভৃগু আদি প্ৰজাপতিসকলৰ ওচৰত তেওঁলোকৰ পুত্ৰ পৰাপৰাক্ৰমে দেৱ, দানৱ, গুহ্যক, মনুষ্য, সিদ্ধ গন্ধৰ্বৰ, বিদ্যাধৰ, চাৰণ, দেৱতুল্য একপ্ৰকাৰ দ্বীপৰবাসী মনুষ্য, কিন্নৰ, নাগ, ৰাক্ষক, ব্ৰাহ্মণ, কিংপুৰুষ আদিয়ে সেই বেদজ্ঞান পাইছিল। সত্ত্ব, ৰজ, তম গুণ জাত সেই প্ৰাণীসকলৰ প্ৰকৃতি বহু বিভিন্ন প্ৰকাৰেৰে পৰিণত হয়।

(৬) যিবোৰ বেদবাণীৰ দ্বাৰা সাধাৰণ আৰু বিশেষ জীৱসকলৰ ভেদ হৈছে, সেই বেদবাণী তেওঁলোকৰ স্বভাৱজাত গুণেৰে তেওঁলোকৰ মুখৰ পৰা বিভিন্ন প্ৰকাৰে নিৰ্গত হৈছে।

(৭) এনেধৰণৰ স্বভাৱভেদেৰে মানৱ সমাজৰ বুদ্ধি বিভিন্ন প্ৰকাৰে পৰিণত হয়। তাৰ মাজতে কোনো লোকে আন সকলৰ উপদেশমতে বেদ বিৰুদ্ধমত সমৰ্থন কৰি থাকে।

(৮) হে পুৰুষোত্তম! নিজ নিজ কৰ্মানুসাৰে আমাৰ মায়া বিমোহিত মাতনৰসমাজে যাৰ যেনে ৰুচি। তেনেকৈ নিজ নিজ স্বাৰ্থ সিদ্ধিৰ কাৰণে নানা প্ৰকাৰ উপায় প্ৰদৰ্শন কৰি থাকে।

(৯,১০,১১) কোনোৱে ধৰ্ম, কোনোৱে যশস্যা, কোনোৱে কামসত্য, ইন্দ্ৰিয় নিগ্ৰহ, শান্তি, কোনোৱে ত্যাগ আৰু ভোগ আৰু নিজ প্ৰয়োজনীয়

ঐশ্বৰ্য্যৰ প্ৰাধান্যৰ কথা কয়। কোনোৱে যজ্ঞ কোনোৱে তপস্যা, দান, ব্ৰত, নিয়ম আৰু যম— এইবোৰক পুৰুষাৰ্থ বুলি কৈ থাকে; এওঁলোকৰ নিজ নিজ কাৰ্মলব্ধ স্বৰ্গাদি স্থাবোৰ অনিত্য। সেই কাৰণেই এনেবোৰ দুখময় ক্ষুদ্ৰ নিন্দিত আৰু শোকাকুল বুলি জনা যায়।

(১২) হে সভ্য! সকলো প্ৰকাৰে নিৰপেক্ষ হৈ আমাতে যিজনে আত্ম সমৰ্পণ কৰিছে, পৰমান্দৰূপী আমি যাৰ হৃদয়ত স্ফুৰিত হওঁ, তেওঁৰ যি সুখ মিলে, সেই সুখ বিষয়াসক্তসকলৰ কেনেকৈ মিলিব?

(১৩) যিজন নিষ্কিঞ্চন, জিতেন্দ্ৰিয়, শান্ত, সমচিত্ত আৰু আমাক মাত্ৰ পালেই সন্তুষ্ট, তেওঁৰ পক্ষে সকলোতে সুখময়।

(১৪) আমাতে যিজনে আত্মসমৰ্পণ কৰিছে, তেওঁ আমাক এৰি ব্ৰহ্মপদ ইন্দ্ৰপদ, পৃথিবীৰ আধিপত্য, পাতালৰ অধীশ্বৰপদ, যোগ, অনিমাদি সিদ্ধি, মুক্তি আৰু আন কোনো পদাৰ্থৰ প্ৰতি লালায়িত নহয়।

(১৫) হে উদ্ধৱ! তুমি আমাৰ যেনেকৈ অতি প্ৰিয় ব্ৰহ্মা, শঙ্কৰ, বলৰাম, লক্ষ্মী আদিও সিমান প্ৰিয় নহয়। আনকি আমাৰ নিজ শৰীৰো প্ৰিয় নহয়।

(১৬) আমি নিৰপেক্ষ, বৈৰহীন শান্ত মুনিসকলৰ সদায় অনুগমন কৰি থাকোঁ। কাৰণ তেনেকুৱা মুনিসকলৰ পদধূলিৰ দ্বাৰা আমাৰ আত্মা আৰু আমাৰ অন্তৰস্থিত কোটি কোটি ব্ৰহ্মাণ্ডকো পৱিত্ৰ কৰিব পাৰোঁ।

(১৭) আমাত অনুৰক্ত চিত্ত, অকিঞ্চন, শান্ত, অভিমান শূন্য, সৰ্বজীৱবৎসল, কামাদি ৰিপুৱে হৃদয় স্পৰ্শ কৰিব নোৱৰা আমাৰ যি ভক্তি সুখ ভক্তসকলে ভোগ কৰে তেকুৱা গুণসম্পন্ন ভক্তৰ বাহিৰে আন সকলে জানিবলৈ সমৰ্থ নহয়।

(১৮) আমাৰ অজিতেন্দ্ৰিয় ভক্তসকলেও বিষয়সমূহত পৰি তাৰ বাধ্য হৈ পৰিলেও ক্ৰম বৰ্দ্ধিত ভক্তিৰ প্ৰভাৱত বিষয়সমূহৰ দ্বাৰা প্ৰায় অভিভূত নহয়।

(১৯) হে উদ্ধৱ! প্ৰজ্বলিত অগ্নিয়ে যেনেকৈ কাষ্ঠসমূহক পুৰি ভস্মীভূত কৰে তেনেকৈ আমাৰ সম্পৰ্কিত ভক্তিয়ে সমস্ত পাপ ভস্মীভূত কৰে।

(২০) হে উদ্ধৱ! আমাৰ সাধনাত্মিকা ভক্তিয়ে যেনেকৈ আমাৰ ওচৰ পোৱাত সহায় কৰি দিব পাৰে, সেইদৰে অষ্টাঙ্গ যোগ, সাংখ্য আৰু অন্য যোগশাস্ত্ৰ, বেদ্যাধ্যায়ন, তপস্যা আৰু ত্যাগ আদিয়ে নোৱাৰে।

(২১) শ্ৰদ্ধা সহকাৰে কৰা একনিষ্ঠ ভক্তিৰ দ্বাৰা প্ৰিয় আত্মা মোক সজ্জনসকলে লাভ কৰে। আমাত দৃঢ় ভক্তিযুক্ত কুকুৰ মাংস ভোজী নীচ

জাতিসকলেও জাতিগত দোষৰ পৰা পৱিত্ৰতা লাভ কৰে।

(২২) সত্য, আৰু দয়াযুক্ত ধৰ্ম নাইবা তপস্যাযুক্ত বিদ্যাই ভক্তিহীন আত্মাক ভালকৈ পৱিত্ৰ কৰিব নোৱাৰে।

(২৩) শৰীৰ ৰোমাঞ্চ, হৃদয়ৰ দ্ৰৱীভাৱ, আনন্দাশ্ৰুপাত— এইবোৰ কাৰ্য দ্বাৰা ভক্তি অবিহনে চিত্ত শুদ্ধি কি প্ৰকাৰে হ'ব পাৰে।

(২৪) আমাৰ প্ৰতি কৰা ভক্তি ভাৱত যাৰ বাক্য গদ্ গদ, হৃদয় দ্ৰৱীভূত, বাৰম্বাৰ ৰোদন কৰে, হাস্য কৰে, কেতিয়াবা উচ্চৈঃস্বৰে গীত গায়, আৰু নৃত্য কৰে। সেইসকল ভক্তিমান্ লোকে ত্ৰিভুৱন পৱিত্ৰ কৰিব পাৰে।

(২৫) উদ্ধৱে ক'লে— হে কমল লোচন! আপোনাক মোক্ষাভিলাষীসকলে যেনেকৈ, যিধৰণেৰে ধ্যান কৰে আৰু আমিও বা কেনেকৈ ধ্যান কৰিম, সেই কথা আমাক কওঁক। (ইত্যাদি)

নিম্ন স্থানত গুৰুজনাৰ অনুবাদ প্ৰকাশ কৰা হ'ল।

হে প্ৰাণ বন্ধু মোক বুলিয়ো বুজাই।
ঋষি সমস্তৰ কিয় একমতি নাই।।
কেহো বোলে কৰ্ম্মে কেহো বোলে জ্ঞানে গতি।
তোমাৰ সন্মত পথ কেৱলে ভকতি।।
একে বেদ বাক্যে কেন ভৈল মতি ভেদ।
কিঙ্কৰৰ কেশৱ সংশয় কৰা ছেদ।।
অনাদি ঈশ্বৰ তুমি শিৱ সৰ্বজান।
পৰিচ্ছেদ দাতা তুমি বিনে নাহি আন।।
মাধৱে বোলন্ত সখি শুনিয়ো সিদ্ধান্ত।
তুমি মোৰ মহামিত্ৰ ভকত একান্ত।।
পূৰ্ব প্ৰলয়ত নষ্ট ভৈল বেদ বাণী।
কহিলো ব্ৰহ্মাত মই উদ্ধাৰিয়া আনি।।
বেদে যেন কৰে তাক শুনা প্ৰাণ সখি।
মায়াময় বেদ ধৰ্ম সবাকো উপেখি।।
কেৱলে আমাত মাত্ৰ লৈবেক শৰণ।
হুইবে কৰ্মফল তেজি তেবেসে প্ৰসন্ন।।
মই বিনে বেদে কিছু আন নবখানে।
চাৰিয়ো বেদৰ তত্ত্ব অৰ্থ এহিমানে।।

মনুত প্ৰথমে ব্ৰহ্মা কলা হৃষিষি।
পাছে জানিলন্ত বেদ সৱে সপ্ত ঋষি।।
তাত পাছে পাইলে সুৰাসুৰ সিদ্ধ নাগ।
অনন্তৰে বেদক মনুষ্যে পাইলে লাগ।।
যাৰ যেন মতি কৰে বেদক ব্যাখ্যান।
নিজ অৰ্থ ভকতিক তেজি বুজে আন।।
কেহো বোলে বেদে কৰে যজ্ঞ ব্ৰত দানে।
কেহো বোলে ক্ষুদ্ৰদেৱ পূজা তীৰ্থ স্নানে।।
কেহো বোলে বেদে কৰে জ্ঞান তেসে গতি।
গুণৰ ইচ্ছায়ে বুজে যাৰ যেন মতি।।
কতো মন্দমতি শাস্ত্ৰ নকৰে বিচাৰ।
কৰে কুল ধৰ্ম পূৰ্ব পুৰুষ আচাৰ।।
তাকো এৰি লৰৈ কতো পাষণ্ডৰ মতি।
যাই মোক নপাৱে অধম অধোগতি।।
নছাৰে কৰ্মীক শোক দুখে ৰাত্ৰি দিনে।
জ্ঞানতো নাহিকে গতি ভকতি বিহীনে।
আনে নজানয় ইটো বেদৰ বিচাৰ।
এতেকে ভকতি পন্থ সন্মত আমাৰ।।
ভকতজনৰ যেন সুখ বিপৰীত।
স্বপ্নতো নেদেখে জ্ঞানী কৰ্মী কদাচিত।
পায়া মোক মনত সন্তোষ আসৰিশ।
ভকতৰ সখি সুখময় দশোদিশে।।
জানি মোক ভকতসকলে দেখে মিছা।
ইন্দ্ৰ ব্ৰহ্ম পদকো নকৰে মনে ইচ্ছা।
মুকুতি পৰমপদ তাতো এৰি দাই।
মই বিনে ভকতৰ প্ৰিয় আন নাই।।
ব্ৰহ্মা হৰ হলায়ুধ লক্ষ্মী প্ৰিয়জায়া।
পৰম সুন্দৰ মোৰ দেখা ইটো কায়া।।
অধিক সবাতে তুমি প্ৰাণ প্ৰিয়তম।
নাহি আন বান্ধৱ উদ্ধৱ তুমি সম।।

ভকতেসে জানা মোৰ পৰম বান্ধৱ।
ভকত জনৰ মই সুহৃদ উদ্ধৱ।।
মই বিনে ভকতে নিচিন্তে কিছু জ্ঞান।
ময়ো ভকতত পৰে নজানোহো আন।।
ভকত সমান সখি মোৰ কোন আছে।
ময়ো মহা ভকতৰ ফুৰো পাছে পাছে।।
মোৰ উদৰত আছে ব্ৰহ্মাণ্ড যতেক।
ভকতৰ ধূলা পৰি পৱিত্ৰ প্ৰত্যেক।।
উত্তম ভক্তৰ কথা থাকোক সম্প্ৰতি।
লোভে মোহে কামে ক্ৰোধে বিষয় আক্ৰোশে।
নোছোৱয় মোৰ ভকতক একো দোষে।।
সামৰ্থ্য ভকতি আতি একোৱে নচাৱে।
ভকতক পালয় পুত্ৰক যেন মাৱে।।
ভকতিৰ মহত্ত্ব কহিয়া নপাঞো সীমা।
ভকতিৰ শুনা সখি আশ্চৰ্য্য মহিমা।।
কৰে মোত ভকতি যদ্যপি দুষ্ট চিত্তে।
দহয় পাতক তাৰ তথাপি ত্বৰিতে।।
একোৱে নবাছে পাপ পূণ্য যত আছে।
যেন মহা বহ্নি কেণ্ঠা শুকান নবাছে।।
আন ক্ষুদ্ৰ দেৱতাত যদি নেদে মতি।
মহা দুৰাচাৰো কৰে আমাত ভকতি।।
সেহিসে পৰম সাধু জানা মহাশয়।
যিহেতু আমাক মাত্ৰ কৰিলে নিশ্চয়।।
এতেকে নোছোৱে পাপে পুণ্য কলেৱৰ।
পৰম মুক্তিৰ পাত্ৰ ভৈল সিটো নৰ।।
কুতৰ্কী পণ্ডিতে যদি নমানে ইহাক।
ঢোল কোবাই উৰ্দ্ধ বাহু খণ্ডা তাৰ বাক।।
দুৰাচাৰো তৰে আত ইটো কোন চিত্ৰ।
চণ্ডালকো কৰে মোৰ ভকতি পৱিত্ৰ।।
চাৰিয়ো বেদৰ তত্ত্ব কৰিয়া নিশ্চয়।

অৰ্জুনত গীতাত কহিছা কৃপাময়।।
তপ জপ পৰম সন্যাস মহাদানে।
নপাৰে আমাক সাংখ্য যোগ তত্ত্ব জ্ঞানে।।
কেৱল ভকতি মাত্ৰ মোক কৰে বশ্য।
কহিলো উধ্ধৱ ইটো তোমাত ৰহস্য।।
জগতৰ ধৰ্ম কৰ্ম কৰোক সকলে।
মোক আত্মা বুলি যিটো জানে যোগবলে।
তথাপি পৱিত্ৰ তাৰ নুহি তনু চিত্ত।
নেৰাই মৃত্যু ভয় জ্ঞানী কৰ্মী কদাচিত।।
প্ৰেম ভকতিৰ চিহ্ন শুনিয়ো উদ্ধৱে।
হৰি হৰি বোলন্তে লোতক যাৰ স্ৰৱে।।
মোৰ কথা শুনন্তে শৰীৰ ৰোমাঞ্চিত।
জানা তাৰ পৰম পৱিত্ৰ ভৈল চিত্ত।।
প্ৰেমে দ্ৰৱে চিত্ত আতি গদ গদ বাণী।
কতো হাসে কতো কান্দে মোক প্ৰিয় মানী।।
লাজ এৰি গাৱৈ গুণ-নাচে আনন্দতে।
জগত পৱিত্ৰ কৰে সেহিসে ভকতে।।
মোক লাগি প্ৰেম উপজিল যাৰ মনে।
নেৰো তাৰ হৃদয়ক সখি সৰ্বক্ষণে।
বান্ধিলেক আমাৰ পাৱত প্ৰেমজৰী।
জানা নাই উত্তম ভকত তাঙ্ক সৰি।।
পৰম শ্ৰদ্ধায়ে যিটো ভজন্ত সৰ্বথা।
হুইবেক মুকুত সিটো ইটো কোন কথা।।
তাৰ সঙ্গ পাইলে হুইবে জগতে মুকুত।
নেদেখিবা সখি ইটো কথা অদভুত।।
কৃষ্ণৰ বচন শুনি মুখ্য হৰিদাস।
প্ৰণামি পুছন্ত পুনু তেজিয়া নিশ্বাস।।
ভকতি পৰম গতি জানিলো নিশ্চয়।
ছেদিয়োক দেৱ দুনাই মনৰ সংশয়।।

·এই প্ৰসঙ্গতে অৰ্থাৎ চতুৰ্দশ অধ্যায়ৰ কৃষ্ণোদ্ধৱ সংবাদৰ বৰ্ণনাত গুৰুজনে ত্ৰয়োদশ অধ্যায়ৰ আঠ সংখ্যাৰ শ্লোকটিৰ সূত্ৰ টানি অনা দেখা গৈছে। শ্লোকটি উদ্ধৃত কৰা হ'ল—

উদ্ধৱ উৱাচ ঃ বিদন্তি মৰ্ত্ত্যাঃ প্ৰায়েণ বিষয়ান্ পদমাপদাম্।
তথাপি ভুঞ্জতে কৃষ্ণ তৎ কথং শ্বখৰাজৱৎ।। (ভাগ-১১/১৩/৮)

অৰ্থাৎ— উদ্ধৱে ক'লে- মানৱসকলৰ মাজত বহুতেই জানে যে বিষয় সম্পদ পৰম আপদৰ কাৰণ। তথাপিহে কৃষ্ণ! কিয়নো তেওঁলোকে কুকুৰ গাধ আৰু ছাগলিৰ দৰে সেই বিষয়বোৰ ভোগ কৰি থাকে।

পূৰ্বোক্ত শ্লোকটিৰ আধাৰতে শ্ৰীধৰস্বামীয়ে ইয়াৰ ব্যাখ্যা সুকীয়াকৈ দাঙি ধৰিছে এনেদৰে— 'শ্বানোযথা ভৎৰ্স্যমানা অপি। খৰা যথা পদ্ভ্যাং তাড্যমানা অপি খৰীমনুধাৱন্তি। অজা যথা নিৰ্লজ্জা হন্তুমানীতাঅপি অজামনুধাবন্তি তদ্বৎ।'

অৰ্থাৎ কুকুৰে যেনেকৈ নানা গৰিহণা পায়ো বা মাৰ কিল পায়ো উচ্ছিষ্ট ভোজনৰ কাৰণে ধাবিত হয়, গাধই যেনেকৈ ৰতি সুখৰ কাৰণে গাধীৰ পদদ্বয়ৰ দ্বাৰা মুখ আৰু নাকত ভীষণ প্ৰহাৰ পালেও বিমুখ নহয়, বলি দিবলৈ ধৰি বান্ধি অনা ছাগলিয়ে ছাগীৰ দৰ্শনে নিৰ্লজ্জভাৱে ৰতি সুখৰ কাৰণে ধাবিত হয়, ইত্যাদি। গুৰুজনে টীকাৰ অনুসৰণ কৰি লিখিছে এনেকৈ ঃ—

বিষয়ক পৰম আপদ হেন জানি।
তথাপিতো নেৰে কিয় আক একো প্ৰাণী।।
মাৰন্তে ভৎৰ্সন্তে যেন নিৰ্গত কুকুৰ।
তথাপি উচ্ছিষ্ট ভুঞ্জে তেজি নযায় দূৰ।।
কাটিবাক আনন্তে নিলাজ যেন ছাগ।
লাথি পায়ো গাধে গৰ্দ্দভীৰ নেৰে লাগ।
সেহিমতে দুখময় জানি নিৰন্তৰে।
তোমাক নভজি কিবা আত্মঘাত কৰে।।

এই চলিত চতুৰ্দশ অধ্যায়ৰ পিছত আনুক্ৰমিক পৰবৰ্তী পৰ্যায়লৈ·আহিব লাগে যদিও গুৰুজনে ইয়াৰ পিছতে একাদশ আৰু দ্বাদশ অধ্যায়লৈ উভটি আহি তাৰ পৰা সামান্য ৰূপে সূত্ৰৰ আধাৰত নিজা ৰবীয়াকৈ বৰ্ণনা কৰা দেখা গৈছে। একাদশ অধ্যায়ৰ শ্লোক সংখ্যা উন পঞ্চাশ আৰু দ্বাদশ অধ্যায়ৰ শ্লোক সংখ্যা চৌবিশ। ইয়াৰে প্ৰথমটিৰ ওঠৰ আৰু পঁচিশ সংখ্যাৰ দুটি শ্লোকৰ

ভাৱানুবাদ প্ৰকাশ কৰিছে। তলত শ্লোক দুটিৰ অসমীয়া অনুবাদ বুলি দিয়া হ'ল (ভাগ- ১১/১১/১৮, ২৫)।

(১) যিজন বেদত অনুৰক্ত অথচ পৰম ব্ৰহ্মাধ্যানত অনুৰাগ নকৰে, তেওঁৰ বন্ধ্যা গৰু পালকৰ দৰে সকলো পশুশ্ৰম হৈ পৰে।

(২) যিজনে সৎসঙ্গ লাভ কৰি মোৰ ভক্তিৰ দ্বাৰা মোৰ ধ্যান কৰে, তেওঁ সাধু প্ৰদৰ্শিত পদ অনায়াসে লাভ কৰে।

প্ৰথম শ্লোকটিৰ অসমীয়া ভাঙনি মহাপুৰুষ মাধৱদেৱে নামঘোষাত এনেদৰে কৰিছে।

শবদ ব্ৰহ্মাৰ পাৰ ভৈল যিটো
কৃষ্ণত ভকতি নাই।
তাৰ মাত্ৰ শ্ৰম শ্ৰমে মাত্ৰ কল
যেন ৰাখে বাজি গাই।।

গুৰুজনাৰ পদ ভাঙনী তুলি দিয়া হ'ল।
মাধৱে বোলন্ত সখি শুনা পৰিচ্ছেদ।
পঢ়ে যেবে শাস্ত্ৰ সবে জানি চাৰিবেদ।।
কৰিবে নপাৰে মোত তথাপি ভকতি।
নলৱয় নৰে যাৱে সন্তৰ সঙ্গতি।।
কৰ্ণত কহন্ত কথা কৃষ্ণে গোপ্য কৰি।
নাহিকে উপায় সখি সুসাঙ্গক সৰি।।
আমাক নপাৱে পুনু জ্ঞানী কৰ্মীলোক।
সাধু সঙ্গে অৱশ্যেকে বশ্য কৰে মোক।।

দ্বাদশ অধ্যায়ৰ পূৰ্বোক্ত শ্লোক সংখ্যাৰ ভিতৰত এক, দুই, পাঁচ, ছয়, সাত, আট, ন, তেৰ, চৈধ্য, পোন্ধৰ এই দহটি শ্লোকৰহে অনুবাদ কৰা হৈছে। ইয়াৰ মাজতে একাদশ অধ্যায়ৰ ঊনপঞ্চাশ সংখ্যাৰ শ্লোকটিও ইয়ালৈ টানি অনা হৈছে। আটাইকেইটি শ্লোকৰ অসমীয়া অনুবাদ তলত উদ্ধৃত কৰা হ'ল। ইয়াৰে ১১/১২/২ শ্লোকটিৰ অনুবাদত গুৰুজনাই শ্ৰীধৰ স্বামীৰ টীকাৰ অনুসৰণ কৰিছে।

(১) আসন প্ৰাণায়ামাদি যোগ, সাংখ্যা, অহিংসাদি ধৰ্ম, তপস্যা, যজ্ঞ, জলাশয় প্ৰতিষ্ঠা আৰু দান- এইসকলত আমি বশীভূত নহওঁ।

(২) সৰ্বসঙ্গ নাশক সৎসঙ্গই আমাক যেনেকৈ বশ কৰিব পাৰে, তেনেকৈ

ৱেদ, ব্ৰত, যজ্ঞ, তীৰ্থ, নিয়ম, যম আদি কোনেও বশীভূত কৰিব নোৱাৰে।

(৩,৪) হে নিষ্পাপ! দৈত্য, ৰাক্ষস, পশু, পক্ষী, গন্ধৰ্ব, অপ্সৰা, সৰ্প, সিদ্ধ চাৰণ, গুহ্যক, বিদ্যাধৰ, আৰু মনুষ্যৰ মাজত ৰজ, তম গুণী বৈশ্য, শূদ্ৰ স্ত্ৰী আৰু অন্ত্যজ প্ৰভৃতিয়ে সত্যাদি যুগত অনেকজনে সৎসঙ্গৰ যোগে আমাৰ পদ প্ৰাপ্ত হৈছে।

(৫,৬) বৃত্ৰাসুৰ, প্ৰহ্লাদ, বৃষপৰ্বা, বাণষ ময়দানৱ, সুগ্ৰীৱ, হনুমান, জাম্বুবান, বলি, গজ, জটায়ু, বৈশ্য, তুলাধাৰ, ধৰ্মব্যাধ, কুব্জা, গোপীগণ, যজ্ঞ পত্নীগণ আৰু অন্যান্য সকলে আমাৰ পদ প্ৰাপ্ত হৈছিল।

(৭) তেওঁলোকে বেদ পঢ়া নাই, মহৎ লোকৰ সেৱা কৰা নাই, ব্ৰত, তপস্যাদিৰ আচৰণো তেওঁলোকৰ নাই। তথাপি তেওঁলোক সৎ সঙ্গৰ যোগেই আমাক লাভ কৰিব পাৰিছে।

(৮,৯) সাংখ্য যোগ, দান ব্ৰত, তপস্যা, যজ্ঞ, শাস্ত্ৰ ব্যাখ্যা, বেদাধ্যয়ন আৰু সন্যাসৰ দ্বাৰা যত্নবান হৈয়ো আমাক কোনেও লাভ কৰিব নোৱাৰে। কিন্তু আমি সেই কেৱল ভক্তিৰ যোগে গোপীসকলৰ, গৰু, গিৰি, মৃগ আৰু অন্যান্য অতি মূঢ় নাগ, সিদ্ধসকলৰ লভ্য হৈছো।

(১০) আমাৰ প্ৰতি একান্ত অনুৰক্ত গোপীসকলে আমাক ব্ৰহ্মভাবেৰে জনা নাছিল। বহু কালৰ সৎসঙ্গ লাভৰ সুকৃতিৰ ফলত তেওঁলোকে উপ পতিৰূপে আমাক গ্ৰহণ কৰি আমাৰ পৰম ব্ৰহ্মভাৱ প্ৰাপ্ত হৈছিল।

(১৪,১৫) গতিকে হে উদ্ধৱ! শ্ৰুতি, স্মৃতি, প্ৰবৃত্তি, নিবৃত্তি, শ্ৰোতব্য, শ্ৰুত সকলো বিসৰ্জন দি সৰ্ব প্ৰকাৰে সৰ্ব দেহীৰ শৰণ্য পৰমাত্মা আমাৰ শৰণ লোৱা। তেতিয়া তোমাৰ সকলো ভয় অপসাৰিত হ'ব (১১/১২/১,২, ৫, ৬, ৭৮, ৯, ১৩, ১৪, ১৬)।

(১৬) (১১/১১/৪৯)— গতিকে হে উদ্ধৱ! ইয়াৰ পিছত এই শ্ৰেষ্ঠ গুহ্য বিষয় শ্ৰৱণ কৰা। তুমি আমাৰ ভৃত্য সুহৃৎ, সখা। সেই কাৰণে অতি গোপনীয় হলেও তোমাক ক'ম।

গুৰুজনাৰ অনুবাদ —

নপাৱে মোহোক লাগ যোগ যজ্ঞ দানে।
মহামন্ত্ৰ জাপ্য কোটি শত তীৰ্থ স্নানে।।
নপাৱে আমাক একাদশী উপাবাসে।
নকৰয় বশ্য মোক পৰম সন্যাসে।।

আন কৰ্ম কৰিয়া মিছাত মৰে লোকে।
ভকতৰ সঙ্গত সম্যকে পাৱে মোকে।।
কহিলোহো মহা গোপ্য কথাক উদ্ধৱ।
যিহেতু ভকত তুমি পৰম বান্ধৱ।।
মোক্ষতো অধিক সখি সাধুৰ সঙ্গম।
যাহাৰ ৰেণুক স্বৰ্গসুখো নুহি সম।।
সাধু সঙ্গে অনেকে পাইলেক মোৰ গতি।
দিও লেখা সখি তাক শুনিয়ো সম্প্ৰতি।।
যক্ষ ৰক্ষ বৃক্ষ পক্ষী পশু পালে পালে।
স্ত্ৰী শূদ্ৰ অন্ত্যজাতি অধম চণ্ডালে।।
ইসবতো অধিক অনেক পাপ মতি।
ভকতৰ সঙ্গত পাইলেক মোৰ গতি।।
বিভীষণ বীৰ বৃষ পৰ্বা বলি বাণ।
জাম্বৱন্ত জটায়ু সুগ্ৰীৱ হনুমান।।
মালাকাৰ কুজী ব্যাধ ধৰ্ম তুলাধাৰ।
দ্বিজ ভাৰ্যা ব্ৰজবাসী গোপী অনাচাৰ।।
নাহি তপ ব্ৰত শৌচ নপঢ়িলে বেদ।
নজানয় জ্ঞান একো শাস্ত্ৰ তত্ত্ব ভেদ।।
কেৱলে সাধুৰ সঙ্গে সুখে পাইলা গতি।
সৎ সঙ্গত পৰে নাই উপায় সম্প্ৰতি।।
দেৱতো তীৰ্থতো কৰি ভকতেসে বৰ।
ভকতক ভজিলে গুচয় কৰ্ম জড়।।
কৰে তেৱে ভকতি ঈশ্বৰ মোক মানি।
কহিলো তোমাত ইটো সখি তত্ত্ব বাণী।।
মই এৰে ভকতৰ নাহিকে অন্তৰ।
মোৰ সঙ্গ এৰে সৰি সঙ্গতি সন্তৰ।।
এতেকে লৈয়োক সাধু সঙ্গ সৰ্বক্ষণ।
শুনিয়োক সখি আৱে সাধুৰ লক্ষণ।।
ভকতিসে সমস্ত পূণ্যৰো হোৱে পাত্ৰ।
জানি নিজ ধৰ্ম তেজি মোক ভজে মাত্ৰ।।

সুদৃঢ় বিশ্বাসে মোক কৰিলেক বশ্য।
সেহি মহা সাধু সখি কহিলো ৰহস্য।।
আন দেৱ নৰাধে নসাধে স্বৰ্গ কাম।
নেৰে সুখে দুখে মুখে মোৰ গুণ নাম।।
মোৰ মূৰ্ত্তি মনে নিতে হৃদয়ত ধৰে।
জানা সেহি মহাসাধু সখি সুখে তৰে।।
তাৰ সঙ্গে ক্ষণেকে আমাকো কৰে বশ্য।
পুনু পুনু প্ৰাণ সখি কহিলো ৰহস্য।।
জগতৰে ধৰ্ম কৰ্ম জানা নিষ্ঠ কৰি।
ভকতৰ সঙ্গৰ ৰেণুকো নোহে সৰি।।
আপুনি দেখিলা গোকুলত মহামতি।
ব্যভিচাৰী দুষ্টা যত গোপৰ যুৱতী।।
কামভাৱে কেৱলে ভজিলে মাত্ৰ মোক।
এতেকে পৰম সুখে পাইলা স্বৰ্গলোক।।
আন নেদেখিলো ব্ৰজ যুৱতীৰ সৰি।
ৰৈলো বন্দী উদ্ধৱ গোপীৰ প্ৰেম জৰি।।
থাকোহো সৰ্বদা সখি তাসম্বাৰ পাশে।
সেহি বোলে সেহি কৰো যেন নিজ দাসে।
এতেকে উদ্ধৱ তুমি তেজা বেদ পন্থ।
যিবা জনা শুনা সৱে এৰা আন গ্ৰন্থ।।
একে মোত মাত্ৰ তুমি লৈয়োক শৰণ।
নকৰিবা ভয় মই কৰিবো ৰক্ষণ।।
সত্যে বোলো উদ্ধৱ বান্ধৱ তুমি মৰ্ম।
মোক যেবে নজানে তাৰেসে আন কাৰ্য।।
ভকতি তৰিবে তুমি থিৰ কৰা মতি।
লৈয়ো সাধু সঙ্গ সখি সুখে সাধা গতি।।

ইয়াৰ পিছৰ বৰ্ণনাসমূহ গুৰুজনাই ১১/১৯/১০ আৰু ১১/২০/৫ শ্লোকৰ দুই এটি শব্দৰ আধাৰত তথা সেই স্কন্ধৰ কিছুমান সূত্ৰৰ আধাৰত আৰু কৃষ্ণতত্ত্ব সম্পৰ্কীয় কিছু কথা নিজৰ সৃষ্টিমূলক বৰ্ণনা দাঙি ধৰিছে। তলত পদখিনি উদ্ধৃত কৰা হ'ল।

কৃষ্ণৰ সিদ্ধান্ত শুনি উদ্ধৱে সোধন্ত পুনু
শুনা প্ৰভু জগতৰ বাপ।
জানিলো সন্তৰ সঙ্গে তোমাত ভকতি কৰি
এৰাই তেৱে সংসাৰৰ তাপ।।
তোমাৰ সময়ত ইটো পৰম ভকতি পন্থ
কেৱলে লোকৰ সাধে গতি।
কিন্তু বেদ ফুৰে গাই জ্ঞান বিনে গতি নাই
আকে শুনি ভ্ৰমে মোৰ মতি।।
কতো বোলে কৰ্ম কৰা কতো বোলে পৰিহৰা
মিলে আত মনত সংশয়।
তুমি বিনে নাহি আন তুমি শিৱ সৰ্বজান
বুজাই ইটো কহিয়ো নিশ্চয়।।
সংসাৰ গৰ্ভত ইটো পৰিল সমস্ত লোক
তাতে দংশিলেক কালসাপে।
পৰম কৃপায়ে আৰে বাক্য অমৃতক সিঞ্চি
উদ্ধাৰিয়ো জগতৰ বাপে।
তোমাৰ মুখৰ বাণী জানিয়া হেন বাধৰে
কৰে ইটো দুৰ্ঘোৰ সংসাৰ।
নমো নমো নমাই মাথ হে প্ৰভু জগন্নাথ
কৰা গতি সম্প্ৰতি আমাৰ।
দেৱৰো দেৱতা দুই অৰুণ চৰণ দুই
মই থাকো ক্ষণিকো নিৰেকি।
মহাভাগ্য দূৰ গৈল আজি পৰিচ্ছেদ ভৈল
তোমাৰ আমাৰ দেখা দেখি।।
কতবা পুণ্যৰ কলে সাক্ষাতে সুধিবে পাইলো
দিয়োক সিদ্ধান্ত নাথ তুমি।
বিয়োগে আকুল কৰে . ধাৰায়ে লোতক ঝৰে
কান্দন্ত উদ্ধৱ হুম হুমি।।
ভকতৰ দেখি তাপ আকুল জগত বাপ
সলোতক নেত্ৰ ভৈল আতি।

নসহে হৃদয় দেখি শোক পৰিহৰা সখি
প্ৰবোধন্ত উদ্ধৱক মাতি।।
বোলন্ত মধুৰ বাণী তাপ তেজা মহামানী
তুমি মহা সুহৃদ আমাৰ।
জানা মায়াময় ইটো সংশয় পুছিলা যিটো
শুনিয়ো উত্তৰ তুমি তাৰ।।
জ্ঞানে গতি কৰৈ বেদ লোৱা তাৰ পৰিচ্ছেদ
আছে জ্ঞান ভকতিৰ মাজে।
ভকতি কৰন্তে জানা আপুনি উপজে জ্ঞান
যোগ চিন্তি মৰে মিছা কাজে।।
আউৰ কি তোমাত বাজ জ্ঞানতো নাহিকে কাজ
কেৱলে ভকতি তৰে লোক।
মোৰ গুণ নাম স্মৰি ৰূপ হৃদয়ত ধৰি
পাৱে অপ্ৰয়াসে আসি মোক।।
কৰ্ম্মৰো পুছিলা বাণী তাকো শুনা মহামানী
যিটো নাম নধৰে আমাৰ।
জনম গোৱাই বৃথা নুশুনে আমাৰ কথা
তাৰেসে কৰ্ম্মত অধিকাৰ।।
দুষ্ট চিত্তে যিটোজন বৃথা কথা বৃথা মন
তাৰ কৰ্ম্মসকলে বিফল।
তিলেকো নাথাকে ৰৈ তেতিক্ষণে যাই বৈ
আৱা ঘটৰ যেন জল।।
ইটো কথা জানা সাৰ জ্ঞানতো কৰ্ম্মতো আৰু
নকৰিবা বিশ্বাস কিঞ্চিত।
শ্ৰৱণ কীৰ্ত্তন কৰা সুখে সংসাৰক তৰা
দিয়া মোৰ চৰণত চিত্ত।
তপ জপ তীৰ্থ স্নান যিটো ফল মহাদান
জ্ঞান বৈৰাগ্যৰ যেন কল।
যিটো গুণ নাম গাৱে বসি সিটো সুখে পাৱে
দেখা কেনে ভকতিৰ বল।।

জানা তুমি সাৰে সাৰ ভকতিত পৰে আৰু
নাহি গতিদাতা সংসাৰত।
এহিসে কহয়ে বেদ দিলো হেৰা পৰিচ্ছেদ
লৈয়ো তুমি আমাৰ সন্মত।

এই স্কন্ধৰ ঊনৈশ অধ্যায়ৰ আঠাইশ সংখ্যাৰ শ্লোকৰ পৰা পঞ্চল্লিশ সংখ্যাৰ শ্লোকলৈকে সৰ্বমুঠ ওঠৰটি শ্লোকৰ অনুবাদ সম্পূৰ্ণ কৰা হৈছে। ভক্ত উদ্ধৱে কৰা ভালেখিনি প্ৰশ্নৰ উত্তৰ যথাযথভাৱে কৃষ্ণই দিছে। প্ৰশ্নসমূহ ভাগৱতোক্ত অনুসৰি যম, নিয়ম, শম, দম, তিতিক্ষা, ধৃতি, দান, তপস্যা, শৌৰ্য্য, সত্য, অমৃত, ত্যাগ, ধন, ইষ্ট, যজ্ঞ, দক্ষিণা, বল, দয়া, লাভ. বিদ্যা, লজ্জা, শ্ৰী, সুখ, দুখ, পণ্ডিত, মূৰ্খ, পন্থা, বিপন্থা, স্বৰ্গ, নৰক, বন্ধু, গৃহ, ধনী, দৰিদ্ৰ, কৃপণ, ঈশ্বৰ ইত্যাদি ছয়ত্ৰিশ প্ৰশ্ন কৰা হৈছে। কিন্তু গুৰুজনাই পদত মাত্ৰ চৌবিশটি প্ৰশ্নৰহে অৱতাৰণা কৰিছে। সেইদৰে তদুত্তৰত কৃষ্ণই কোৱা কথাখিনিতো গুৰুজনাই বহুত এৰাধৰা কৰা দেখা গৈছে। কৃষ্ণৰ উত্তৰখিনিৰ অসমীয়া অনুবাদ নিম্নাংশত দিয়া হ'ল।

(১) অহিংসা, সত্য, অস্তেয়, অনাসক্তি, লজ্জা, অসঞ্চয়, আস্তিক্য, ব্ৰহ্মচৰ্য্য, মৌন

(২) স্থৈৰ্য্য, ক্ষমা, ভয়, সৌচ, জপ, তপ, হোম, শ্ৰদ্ধা, অতিথি সেৱা,

(৩) মোৰ অৰ্চন, তীৰ্থ ভ্ৰমণ, পৰোপকাৰ যত্ন, তুষ্টি, গুৰুসেৱা, প্ৰবৃত্তি নিবৃত্তি।

(৪—১৩) মোত একনিষ্ঠতা শম, ইন্দ্ৰিয় দমনক দম, দুখ সহ্য, তিতিক্ষা, জিহ্বা আৰু লিঙ্গ সংযমক ধৃতি, জীৱকল্যাণৰ কাৰণে দেহত্যাগক দান, কাম্যকৰ্ম ত্যাগক পৰম ত্যাগ, সৰ্বত্ৰ সম দৃষ্টিয়েই সত্য, স্বভাৱ বিজয়ক শৌৰ্য্য, ভোগত্যাগক তপস্যা অকৰ্মৰ নিদাৰ নাম লজ্জা সুখ-দুখৰ ত্যাগেই সুখ, কামসুখৰ কামনাই দুখ, আমিয়েই যজ্ঞ, মোৰ উত্তম ভক্তিয়েই লাভ, আত্মাৰ অভেদ জ্ঞানেই বিদ্যা, প্ৰাণায়ামেই বল, বন্ধ মোক্ষ জ্ঞানী জনেই পণ্ডিত, দেহ অহং বুদ্ধিয়েই মুৰ্খ, আমাৰ প্ৰাপ্তিৰ উপায়েই পন্থা, চিত্ত বিক্ষেপ বিপৰীত পথ, সত্বগুণৰ উদয় স্বৰ্গ, তমোগুণৰ উদয় নৰক আমিয়েই বন্ধু আৰু গুৰু মানৰ দেহেই গৃহ গুণশালীয়েই ধনী, অসন্তুষ্ট ই দৰিদ্ৰ, অজিতেন্দ্ৰিয়জন কৃপণ, গুণত অনাসক্ত চিত্তজনেই প্ৰভু, তাৰ বিপৰীত জনেই অপ্ৰভু, গুণ

দোষৰ দৃষ্টিয়েই দোষ আৰু তাৰ বৰ্জিত দৃষ্টিয়েই গুণ, জ্ঞান উপদেশেই দক্ষিণা, অভীষ্ট ধৰ্মই ধন, অনপেক্ষিত গুণেই শ্ৰী ইত্যাদি।

এতিয়া গুৰুজনাৰ অনুবাদ এনেধৰণৰ—

কৃষ্ণৰ সিদ্ধান্ত শুনি উদ্ধৱ মহন্ত।
কৰি কৰ যোৰ পুনৰপি পুছিলন্ত।।
নমো নমো কৃষ্ণ কহিয়োক কৃপাময়।
তুমি বিনা কোনে মোৰ ছেদিবে সংশয়।
কোন শম দম দান সত্য শৌচ কাম।
কোন মহালাভ প্ৰভু যজ্ঞ কাৰ নাম।।
কাৰ নাম শৌৰ্য্য কোন গুণে সুমণ্ডিত।
কাৰ নাম মূৰ্খ কাক বোলয় পণ্ডিত।
কাক বোলে বন্ধু দীন-দুখী কোনজন।
কাৰ নাম শূৰ কাক বোলে মহাধন।।
কোন পন্থ বিপন্থ বোলয় কাক হৰি।
কোন সুখ দুখ দেৱ কহিয়ো উদ্ধৰি।।
কোন স্বৰ্গ নৰক কহিয়ো ভগৱন্ত।
কাক বোলে গৃহ কোন জন ধনৱন্ত।।
কোনবা ঈশ্বৰ অনীশ্বৰ কোন প্ৰাণী।
কহিয়োক আমাত বিচাৰি চক্ৰপাণি।।
আপুনি সৰ্বজ্ঞ জগতৰে অন্তৰ্যামী।
তোমাত পুছিবে যিবা নজানোহো আমি।।
তাক প্ৰভু ভাল মতে কহিয়ো আমাত।
পৰো হেৰা চৰণত কৰি প্ৰণিপাত।।
উদ্ধৱক বোলন্ত কেশৱ কৃপাময়।
পুছিলা পৰম ভাগৱত ধৰ্মচয়।।
মহা মহাজনে যাক নজানে সাক্ষাত।
কৰিবো বেকত মোৰ সন্মত তোমাত।।
আন দেৱ ধৰ্মক কৰিয়ো পৰিহাৰ।
মোত মাত্ৰ একচিত্ত মতি ভৈল যাৰ।।
যিজনে জানিলা মই পৰম বান্ধৱ।

তাৰ নাম শম আৰে জানিবা উদ্ধৱ।।
মোৰ কথা শুনে কৰ্ণে মুখে বোলে ৰাম।
যিটো হস্ত দুই মাত্ৰ মোৰ কৰে কাম।।
মোৰ ৰূপ চিন্তনত মনে কৰে শ্ৰম।
জানা প্ৰাণ সখি আৰে তাক বুলি দম।।
মোত চিত্ত দিয়া যিটো জন মহাশয়।
হানি অপমান দুখ শোকক সহয়।।
তাৰে নাম ক্ষমা আৰে জানিবা উদ্ধৱ।
ক্ষমাৱন্ত পুৰুষৰ নাহি পৰাভৱ।।
মোৰ মনে ধৰি যিটো তেজে লোভ কাম।
জানিবা উদ্ধৱ বন্ধু ধৈৰ্য তাৰ নাম।।
স্বভাৱক এৰি মোত চিত্ত কৈল থিৰ।
মায়াক জিনিলে জানা সেহি মহাবীৰ।।
মোত চিত্ত দিয়া যিটো তেজি আছে মায়া।
নিচিন্তে প্ৰাণীৰ দ্ৰোহ কৰে ভূত দায়া।।
হৰি বুদ্ধি সদায়ে সবাকো কৰে মান।
জানিবা উদ্ধৱ তাকে বুলি মহাদান।।
মোত চিত্ত দিয়া তেজি ভোগ অভিলাষ।
জানা তাৰে নাম মহাতপ অবিনাশ।।
সমস্ত জগত যিটো দেখে হৰিময়।
তাৰে নাম সত্য সখি জানিবা নিশ্চয়।।
মোক জানি যিটোজনে তেজে কৰ্মমল।
তাকেসে বোলয় শৌচ জানা মহাবল।।
ঈশ্বৰ জ্ঞানক যিটো দেই উপদেশ।
তাকেসে দক্ষিণা বোলে নাহিকে সন্দেশ।।
মোত চিত্ত দিয়া যিটো কৰে কৰ্ম ধৰ্ম।
তাৰে নাম যজ্ঞ সখি কৈলো ইটো মৰ্ম।।
তাকে বুলি ভাগ্য যিটো জানিলে আমাক।
শুনা প্ৰাণ সখি আৰে লাভ বুলি যাক।
ভোগ ক্ষয় হোৱৈ কৰ্ম ধৰ্ম মায়াময়।

শ্ৰৱণ কীৰ্তন ধৰ্ম পৰম অক্ষয়।।
পুত্ৰ ধন জন লাভ সকলে অসাৰ।
এতেকে উত্তম লাভ ভকতি আমাৰ।।
সমস্ত ভূততে আছো মই মহেশ্বৰ।
জানিয়া সবাকো কৃপা কৰে যিটো নৰ।।
তাকেসে বুলিয় সখি পৰম ভূষণ।
মোৰ গুণনামেসে জানিবা মহাধন।।
তাকে বুলি জ্ঞান যিটো দেখে হৰিময়।
মোক জানি যিটো অকাৰ্যতো নিবৰ্ত্তয়।।
তাৰে নাম লজ্জা সখি কৈলো নিষ্ঠবাক।
শুনা আৰে উদ্ধৱ পণ্ডিত বুলি যাক।।
জানৈ সিটো মোৰ কৰ্ম ধৰ্ম ইটো বন্ধ।
তাক এৰি কৰৈ মোৰ সেৱাত প্ৰবন্ধ।।
নপঢ়িলে শাস্ত্ৰ একো নপাৰে খণ্ডিত।।
পুত্ৰ দাৰা বিষয়ত কৰৈ মাত্ৰ ৰতি।
নলবৈ সন্তৰ সঙ্গ মোত নাই মতি।।
যদি চাৰি বেদ চৈধ্য শাস্ত্ৰত পাৰ্গত।
তথাপিতো সেহি মূৰ্খ জানা মোৰ মত।।
অনেক উছাদ যিটো মোক ভজে মাত্ৰ।
তাকে পন্থ বোলয় সেহিসে সাৰ শাস্ত্ৰ।।
যিটো কৰ্ম কৰন্তে চিত্তৰ নাহি থিৰ।
তাৰ নাম বিপন্থ জানিবা মহাবীৰ।।
আমাক চিনাৱে যিটো গুৰু কৃপাময়।
সেহিসে পৰম বন্ধু জানিবা নিশ্চয়।।
মোত চিত্ত দিয়া যিটো সন্তোষ মিলয়।
সেহি স্বৰ্গসুখ সখি কহিলো নিশ্চয়।।
কাম ক্ৰোধে অন্ধ যেবে কৰে পুৰুষক।
মোক পাসৰিলে মিলে তেখনে নৰক।।
মোহোৰ সেৱাৰ যোগ্য মনুষ্য শৰীৰ।
তাকেসে বোলয় গৃহ জানা মহাবীৰ।।

নকৰে ভকতি মনে তুষ্ট নাহি যাৰ।
তাকে বুলি দৰিদ্ৰ অধম কুলাঙ্গাৰ।।
মোক অৱহেলি কৰে বিষয়ত ৰতি।
তাৰে নাম দুখী সখি জানিবা সম্প্ৰতি।।
বিষয়ত আতি আস কৰি নাই যাৰ।
সাধুসঙ্গ লৈয়া কৰে আমাক বিচাৰ।।
আন কৰ্ম কৰি ভকতিত তত্ত্বপৰ।
জানিবা উদ্ধৱ বন্ধু সেহিসে ঈশ্বৰ।।
সাধুৰ সঙ্গক যাৰ নাহিকে প্ৰৱন্ধ।
যিটো পাতকিৰ নাই ভকতিৰ গন্ধ।।
ধন জন পুত্ৰ দাৰা বুলি মৰে আতি।
সেহিটো অধম অনীশ্বৰ আত্মঘাতী।।
উদ্ধৱক সম্বুধি মাতন্ত নাৰায়ণ।
কতেক কহিবো গুণ দোষৰ লক্ষণ।।
সেহি দোষ যিটো গুণ দোষ বুলি লেখে।
সেই গুণ যিটো দোষ গুণকো নেদেখে।।
গুণময় জ্ঞান কৰ্ম সবে পৰিহৰি
নিৰ্গুণ ভকতি ধৰি সখি সুখে তৰি।।
গুণেসে কৰিছে সবে সংসাৰৰ ক্লেশ।
তাক তৰিবাক সখি শুনা উপদেশ।।
মোৰ কথা শুনা নিতে গাৱা গুণ যশ।
তাত হন্তে আতি উপজিবে প্ৰেমৰস।।
এতেকে সংসাৰ তাপ তৰিবা হৰিষে।
সিটো প্ৰেম ভকতিত অমৃত বৰিষে।।
জগতৰে অন্তৰ্যামী আছো হৃদয়ত।
তথাপি কৰ্মীত মই নুহিকো বেকত।।
আমাকো নেদেখে মহা কৰ্ম অহঙ্কাৰে।
যেন আদিত্যক ঢাকে কুঁহলি আন্ধাৰে।।

বিংশ অধ্যায়ৰ যোল আৰু সোতৰ সংখ্যাৰ শ্লোক দুটিৰ আধাৰত গুৰুজনে নিজৰ মতেৰে পদখিনি সজাইছে। শ্লোকৰ অসমীয়া অনুবাদ দুটি প্ৰকাশ কৰা হ'ল।

(১) দিনে ৰাতিয়ে আয়ু ক্ষয় হৈছে বুলি জানি ভয়তে কম্পিত লোকসকলে আসক্তি এৰি পৰমাৰ্থতত্ত্ব জ্ঞানত লাভ কৰি উপশান্ত হ'ব।

(২) এই দেহবোৰ সকলো কৰ্মফলৰ মূল আৰু কাৰ্য সাধনত পটু। এই নৌকা ৰূপ দেহৰ কৰ্ণধাৰ গুৰু আমি। সকলোৰে ওপৰত আমি অনুকূল বায়ুৰূপে প্ৰৱাহিত হৈ তাকে চলাই থাকোঁ। এনেকুৱা অনেক যত্নলভ্য দেহ পায়ো তৰিব নোৱাৰে, সিয়েই আত্মঘাতী।

গুৰুজনাই প্ৰয়োজন মতে শ্লোক দুটি অগা-পিছা কৰি পদসমূহ ৰচনা কৰিছে এনেকৈ—

নৰ তনু নৌকা ইটো সুদৃঢ় সুসাৰ।
উপদেশ দাতা গুৰু ইহাৰ কাণ্ডাৰ।।
মই অনুকূল বায়ু হুয়া কৰো পাৰ।
তথাপি নতৰে যিটো দুৰ্ঘোৰ সংসাৰ।।
সেহি নৰে কৰে কৌতুকতে আত্ম ঘাত।
আপুনকো আপুনি পেলাৱে যাতনাত।।
অথিৰ জীৱন জানি সমস্তে উপেখি।
নকৰি বিলম্ব মোক ভজা প্ৰাণ সখি।।
মন্ত্ৰ তন্ত্ৰ ঔষধ ধাৰণা ধৰি ধন্ধ।।
মৃত্যুক তৰিবে কৰে অনেক প্ৰবন্ধ।
তাসম্বাৰ মতক দূৰত কৰা ত্যাগ।
মোৰ গুণ নাম ধৰিয়োক মহা ভাগ।।
এতেকে অল্পতে পাইবা মোক মহামানী।
কহিলো স্বৰূপ সখি বেদতত্ত্ব বাণী।।
আতপৰে নাহি অনায়াসে সুখ পথ।
মোহোৰ সম্মত তুমি লৈয়ো মহাৰথ।।

ইয়াৰ ঊনত্ৰিশ অধ্যায়ৰ ঊনপঞ্চাশটি শ্লোকৰ ভিতৰত সৰ্বমুঠ একত্ৰিশটি শ্লোকৰহে অনুবাদ কৰা হৈছে। এক, চাৰি, আঠ, ন, দহ, এঘাৰ, বাৰ; তেৰ, চৈধ্য, পোন্ধৰ, ষোল্ল, সোতৰ, ওঠৰ, ঊনৈশ, ঊনত্ৰিশ, ত্ৰিশ, একত্ৰিশ, পয়ত্ৰিশ, ছয়ত্ৰিশ, সাতত্ৰিশ, আঠত্ৰিশ, ঊনচল্লিশ, চল্লিশ, এখচল্লিশ, বিৰাল্লিশ, তিৰাল্লিশ, চৌৰাল্লিশ, পঞ্চল্লিশ, ছয়চল্লিশ, সাতচল্লিশ সংখ্যাৰ শ্লোকসমূহ ইয়াত সংযোগ হৈছে। যদিও উক্ত শ্লোকসমূহ ইয়াত সংযোজিত হোৱা বুলি

জনা যায়, তথাপি কোনো কোনো শ্লোকৰ আহৰণ নাম মাত্ৰহে দেখা যায়। একেটি শ্লোকত স্পৰ্শ মাত্ৰ কৰি গুৰুজনাই নিজৰ মতেৰেহে সজাইছে। উদাহৰণস্বৰূপে চাৰি সংখ্যাৰ শ্লোকটিত থকা 'যোদ ৰোচয়ৎ সহমৃগৈঃ' এই সৰু বাক্যটিৰ আধাৰত আৰু শ্ৰীধৰ স্বামীৰ টীকাৰ 'যতো গোভৱান্ শ্ৰীৰাম ৰূপেন মৃগৈঃ বানৰৈঃ সহ সহিত্যং সখ্যমিতি যাৱৎ' এই ব্যাখ্যাৰ আঁত ধৰি গুৰুজনাই লিখিছে এনেকৈ 'ভকতৰ বশ্য হুয়া ইটো কোন চিত্ৰ! বানৰে সহিতে হৰি কৰি আছা মিত্ৰ' ইত্যাদি। এতিয়া আমি কেইটিমানশ্লোকৰ অসমীয়া অনুবাদ তুলি দিলোঁ।

(১) উদ্ধৱে ক'লে— যাৰ মন বশীভূত নহয়, তেওঁৰ যোগাচৰণ অত্যন্ত দুঃসাধ্য। সেইকাৰণে হে অচ্যুত! মানৱ মাত্ৰেই যাতে অনায়াসে সিদ্ধি লাভ কৰিবলৈ সমৰ্থ হয় তাকে আমাক কওক।

(২) হে অচ্যুত! হে অখিল বন্ধু! যিসকলে আপোনাৰ বাহিৰে আনৰ কথা নাজানে, তেনেকুৱা ভৃত্য তুল্য ভক্তসকেল আপোনাৰ বশ্যতা স্বীকাৰ কৰা বিষয়টি বিস্ময়ৰ কথা নহয়। কিয়নো ব্ৰহ্মাদি দেৱতাসকলৰ উজ্জ্বল কিৰীটিৰ অগ্ৰভাগ অৱনমিত হৈ যাৰ পাদ পদ্মত প্ৰণত হয়, তেনেকুৱা আপুনি স্বয়ং ৰামাৱতাৰত বন্য পশু বানৰসকলৰ সহিত প্ৰীতি সহকাৰে সখিত্ব কৰিছিল।

(৩) ভগৱানে ক'লে— হে অনুগ্ৰহ পাত্ৰ উদ্ধৱ! যিবিলাক ভক্তি লক্ষণ ধৰ্ম শ্ৰদ্ধাৰে সৈতে আচৰণ কৰি মনুষ্যসকলে দুৰ্জয় মৃত্যুক জয় কৰি থাকে, আমাৰ সেই সুখাবহ ধৰ্মসমূহ তোমাক কীৰ্তন কৰিছোঁ।

(৪) আমাতে মন, বুদ্ধি অৰ্পণ কৰিলে আমাৰ ধৰ্মত আত্মা আৰু মনৰ ৰতি উপজিব। এনে প্ৰকাৰে আমাক স্মৰণ কৰি উদ্বেগহীন হৃদয়েৰে আমাৰ কৰ্মবোৰ আচৰণ কৰিব।

(৫) আমাৰ সাধু ভক্তসকল যি দেশত বাস কৰে, সেই পৱিত্ৰ দেশত থকা দেৱ, অসুৰ, মানৱ সকলৰ মাজত যিজন আমাৰ পৰমভক্ত, তেওঁলোকৰ আচৰণ অনুকৰণ কৰিব।

(৬) সামৰ্থ্য অনুসৰি ব্যক্তিগতভাবে অথবা সংঘবদ্ধ ভাৱে বিপুল সম্ভাৰে আমাৰ উদ্দেশ্যে পৰ্ব গীত নৃত্যাদি সহিত যাত্ৰা আৰু মহোৎসৱ সমাপন কৰিব। ইত্যাদি।

এই স্কন্ধৰে একাদশ অধ্যায়ৰ ছয়ত্ৰিশ আৰু সাতত্ৰিশ সংখ্যা শ্লোকতো

সঙ্গীতদিৰে বিষ্ণু উপাসনা কৰাৰ পৰামৰ্শ দিয়া হৈছে। তাত কৈছে যে (কৃষ্ণই উদ্ধৱক) মোৰ জন্ম কৰ্ম কথন অৰ্থাৎ মোৰ লীলা বৰ্ণনা মোৰ পৰ্বাদিত (বিষ্ণু সম্পৰ্কীয় উৎসৱাদিত) আদৰ প্ৰদৰ্শন, পৰিয়ালেৰে পৰিবেষ্টিত হৈ গীত বাদ্য নৃত্যাদিৰে আমাৰ গৃহত (বিষ্ণু মন্দিৰত) মোৰ উৎসৱ পাতিব ইত্যাদি। চলিত অধ্যায়তো 'পৃথক সত্ৰেণ বা মহ্যং পৰ্বযাত্ৰা মহোৎসৱান্' (১১/২৯/১১) বুলি কৈছে। ইয়াত 'সত্ৰেন' বুলি শব্দ এটি পোৱা হৈছে। ইয়াৰ ব্যৱহৃত 'সত্ৰ' শব্দটিত তৃতীয়া বিভক্তিৰ এক বচনৰ ৰূপত 'সত্ৰেণ' শব্দটি গঠিত হৈছে। বেদত 'সত্ৰ' শব্দটিয়ে গুৰুজনাৰ ভাষাত সুত শৌনকৰ বক্তা শ্ৰোতাৰ সমন্বয়ত ভাগৱত ব্যাখ্যা স্থানকে 'সত্ৰ' বোলা হৈছে। আনহাতে ভাগৱত ১০/৮৭/৯ অধ্যায়ত ব্ৰহ্ম সত্ৰ আৰু কৰ্ম সত্ৰৰ সুন্দৰ ব্যাখ্যা দাঙি ধৰা হৈছে। পূৰ্বোক্ত ১১/২৯/১১ শ্লোকৰ 'সত্ৰেন' ৰূপটিৰ প্ৰকৃত ব্যাখ্যা কৰা হৈছে সঙ্ঘবদ্ধ হৈ সকলোজনৰ সহ মিলিত অৱস্থাৰে কৰা উৎসৱ। গুৰুজনে ইয়াৰ ব্যাখ্যা দাঙি ধৰি পদত এনেকৈ কৈছে—

কৃষ্ণৰ বচন পাছে উদ্ধৱে আকলি।
পুনৰপি পুছিলন্ত কৰি কৃতাঞ্জলি।।
জ্ঞান যোগ কৰ্ম যোগ পৰম দুষ্কৰ।
আক আচৰিবে নাহি শকতি লোকৰ।।
ভকতি সুগম পথ তোমাৰ সম্মত।
মোক্ষতম ভকতি কহিয়ো কেনমত।।
ভৃত্য হেন জানি মোক কহিয়ো বুজাই।
তোমাৰ আমাৰ দেখা দেখি আজি নাই।।
হৃদয়ত ঈশ্বৰ তোমাত এৰি আশ।
জ্ঞানতো কৰ্মতো কোনে কৰিবে বিশ্বাস।।
প্ৰিয়তম আত মাক কোনে তেজি যাই।
আন আন দেৱক ভজিবে চক্ষু খাই।।
বাহিৰে ভিতৰে তুমি দিয়া উপদেশ।
ভৃত্যৰ পৰম গুৰু হুয়া হৰা ক্লেশ।।
শুজন নযায় উপকাৰ ঋণচয়।
যাৱদেকে নোহে নৰ তোমাত বিক্ৰয়।।
ভকতৰ বশ্য হুয়া ইটো কোন চিত্ৰ।

বানৰে সহিতে হৰি কৰি আছা মিত্ৰ।।
হুয়া পুনু ঈশ্বৰো পৰম ঈশ্বৰ।
যশোদাৰ বন্ধনকো লৈলা দামোদৰ।।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ ইসৱ সকলে।
তোমাৰ সেৱাত আসি সিজে অবিকলে।।
ইসৱ সুমৰি গুণ ফুটি যায় প্ৰাণ।
চিত্ত থিৰ হৌক মোক দিয়া সমিধান।
আজি পৰিচ্ছেদ ভৈল তযু দৰশনে।
এতেক বোলন্তে ঝৰে লোতক নয়নে।।
আজোৰন্তে নাসে শোকে গদ গদ বাণী।
দেখিয়া বোলন্ত মহাস্নেহে চক্ৰপাণি।।
বান্ধৱ উদ্ধৱ হেৰা পৰিহৰা খেদ।
মোক্ষতম ভকতিৰ দিকে পৰিচ্ছেদ।।
পৰম ৰহস্য ইটো ধৰম আমাৰ।
শ্ৰদ্ধায়ে শুনন্তে তৰে দুস্তৰ সংসাৰ।।
কহিবাক বাকী কিছু নথেবো তোমাত।
তুমিসে পৰম মোৰ সুহৃদ সাক্ষাত।।
নিষ্ঠ কৰি কহো সাৱধানে শুনা তুমি।
ভকত যি থানে থাকে সেহি পুণ্যভূমি।।
মোৰ কথা যথাত নিৰ্গুণ সেহি থান।
ঈশ্বৰক জানিলে নিৰ্গুণ হোৱে জ্ঞান।।
বুলিয়া নিৰ্গুণ শ্ৰদ্ধা মোহোৰ সেৱাৰ।
নিৰ্গুণ গতিকে পাৱে ভকতে আমাৰ।।
আত্মজ্ঞানীগণো হোৱে মায়ায়ে মোহিত।
জানি মোৰ সেৱাত একান্তে দিয়া চিত্ত।।
নকৰিবা সেৱা সখি আন দেৱতাৰ।
নুহি যেন আমাৰ ভকতি ব্যভিচাৰ।
ভকতৰ সঙ্গ সখি লৈবা প্ৰথমত।
শ্ৰৱণ কীৰ্ত্তন মোৰ কৰিবা সতত।।
অনেকে একত্ৰ হুয়া কৰি হৰি ৰব।

কৰাইবা আমাৰ মহা যাত্ৰা মহোৎসৱ।।
দণ্ডে ছত্ৰে চামৰে বিচিত্ৰ চতুৰ্দোলে।
ফুৰাইবা আমাক মহা বাদ্য ভণ্ড বোলে।
মোৰ যশ গায়া যিটোজনে কৰে নৃত্য।
নাহি তাৰ চিন্তা কিছু ভৈল কৃত কৃত্য।।
যাৱে হাত তালি যিটো কৰিয়া কীৰ্তন।
মোৰ প্ৰেম ভাৱত আকুল কৰে মন।।
মাটিত লোটাৰি পাৰে যিটো মহাশয়।
গৈলো সত্যে সত্যে সখি তাহাতে বিক্ৰয়।।

পূৰ্বানুৰূপে চলিত অধ্যায়ৰ বাৰ, তেৰ, চৈধ্য, পোন্ধাৰ, ষোল্ল, সোতৰ, ওঠৰ, ঊনৈশ, ঊনত্ৰিশ, ত্ৰিশ, একত্ৰিশ, পয়ত্ৰিশ, ছয়ত্ৰিশ, সাতত্ৰিশ, আঠত্ৰিশ, ঊণচল্লিশ, চল্লিশ, এক চল্লিশ, বিৰাল্লিশ, তিৰাল্লিশ, চৌৰাল্লিশ, পঞ্চল্লিশ, ছয় চল্লিশ আৰু সাতচল্লিশ সংখ্যাৰ সৰ্বমুঠ চৌবিশ সংখ্যক শ্লোকৰ অনুবাদ এৰা ধৰা নীতিৰে তথা সৃষ্টিমূলক উপাদেনেৰে সংমিশ্ৰিত ভাবে গুৰুজনাই সম্পূৰ্ণ কৰিছে। শ্লোককেইটিৰ অসমীয়াৰূপ তলত উদ্ধৃত কৰা হ'ল।

(১) নিৰ্মল মনৰ মনুষ্যসকলে সৰ্বব্যাপক আকাশৰ নিচিনা পৰমাত্মা আমাকেই নিজৰ আত্মা সৰ্বপ্ৰাণীৰ অন্তৰে আৰু বাহিৰে অনাবৃত ৰূপে দৰ্শন কৰিব।

(২) কেৱল জ্ঞানময়ী দৃষ্টিৰ আশ্ৰয় কৰি সেইদৰে সকলো প্ৰাণীতে আমাৰ

(৩) ভাৱনাৰে ভাবি যিজনে সিসকলৰ প্ৰতি সংকাৰ কৰে আৰু ব্ৰাহ্মণ, অন্ত্যজ, চোৰ, দাতা, সূৰ্য্য, অগ্নি, কুটিল, সৰল অন্তৰৰ সকলোৰে প্ৰতি সমদৰ্শী হয়, তেৱেঁই পণ্ডিত। হে জ্ঞানী উদ্ধৱ! এয়াই আমাৰ অভিমত।

(৪) যিজনে সকলো প্ৰাণীতে আমাক ঈশ্বৰ ভাৱনাৰে সদায় চিন্তা কৰে তেওঁৰ অহঙ্কাৰৰ সৈতে স্পৰ্দ্ধা, অসূয়া আৰু আক্ৰোশ সমস্ত তৎক্ষণাৎ বিনাশ হয়।

(৫) বন্ধু বান্ধৱৰ উপহাস, উচ্চ, নীচ দৃষ্টি আৰু তাৰ কাৰণে লাজ এৰি অশ্ব, চণ্ডাল, গো, গৰ্দভ আদি কৰি প্ৰাণীসকলক দণ্ডৱৎ প্ৰণাম কৰিব।

(৬) যি পৰ্যন্ত সৰ্বপ্ৰাণীতে আমাৰ ভাৱনা উদয় নহয়, সেই পৰ্য্যন্ত এনেদৰে কায় বাক্য মনে উপাসনা কৰিব লাগিব।

(৭) এনে প্ৰকাৰে সাধনা কৰাৰ ফলত তেওঁৰ দৃষ্টিত সকলো ব্ৰহ্মময় হৈ যায়। তাৰ পিছত সকলোতে হৰি কৃপাবৰ্ষণ হৈ ব্ৰহ্মভাব দৰ্শন কৰি সন্দেহ মুক্ত হৈ সকলো বস্তুৰ প্ৰতি বিৰক্তি আহিব।

(৮) কায় বাক্য মনে সকলোতে মোৰ ভাৱনা কৰাটো আমি অন্যান্য সমস্ত উপায়তকৈ অধিক সমীচীন বুলি ভাবোঁ।

(৯) হে সখি উদ্ধৱ! আমি কোৱা ব্ৰহ্মতত্ত্বখিনি তুমি বুজিব পাৰিছানে? তোমাৰ মোহ দূৰ হৈছেনে আৰু অন্তৰৰ সেই সন্দেহ দূৰ হৈছেনে?

(১০,১১) যিজন দাম্ভিক, নাস্তিক, প্ৰবঞ্চক, শ্ৰদ্ধাহীন, বিনয় ভাৱহীন, তেওঁলোক আমাৰ ভক্ত নহয়। এওঁলোকক এই উপদেশসমূহ ভক্তক এই তত্ত্ববোৰ ক'বা আৰু স্ত্ৰী শূদ্ৰসকলৰো যদি ভক্তিভাৱ থাকে, তেওঁলোককো তত্ত্ব কথা ক'বা।

(১২) শুকদেৱে ক'লে— এনে প্ৰকাৰে উদ্ধৱৰ প্ৰতি যোগতত্ত্ব প্ৰকাশ কৰাৰ পিছত কৃষ্ণই কোৱা কথাবোৰ শুনি তেওঁ কৃতাঞ্জলি হৈ দুই চক্ষু জলেৰে ওপচাই পেলালে আৰু কণ্ঠৰোধ হৈ একো বাক্য প্ৰকাশ কৰিব নোৱৰা হ'ল।

(১৩) হে পৰীক্ষিত! উদ্ধৱে বিৰহ বিয়োগ দগ্ধ চিত্তক সুস্থিৰ কৰি নিজকে কৃতাৰ্থ বুলি মনতে ভাবি শিৰ অৱনত কৰি কৃষ্ণৰ পাদ পদ্ম স্পৰ্শ কৰি ক'বলৈ ধৰিলে।

(১৪) উদ্ধৱে ক'লে— আপুনি ব্ৰহ্মাৰো স্ৰষ্টা। যি মোহ অন্ধকাৰত ডুব গৈছিলোঁ। আপোনাৰ ওচৰত সকলো আঁতৰ হ'ল। সূৰ্য্যৰ ওচৰত শীত, অন্ধকাৰ আৰু ভয় কেনেকৈ থাকিব পাৰে?

(১৫) আমি আপোনাৰ দাস। আপুনি নিজ মায়াৰ দ্বাৰা আমাৰ যি বিজ্ঞান প্ৰদীপ অপহৰণ কৰিছিল, সেয়া আপুনি প্ৰত্যৰ্পণ কৰিলে। এতেকে কোন কৃতজ্ঞ ব্যক্তিয়ে আপোনাৰ পাদ পদ্ম এৰি আনৰ শৰণাপন্ন হ'ব পাৰে?

(১৬) সৃষ্টি বিস্তাৰৰ কাৰণে আপুনি নিজৰ মায়াৰ দ্বাৰা দাশাই, বৃষ্ণি, অন্ধক সাত্বত সকলৰ প্ৰতি আমাৰ যি স্নেহ পাশ প্ৰসাৰিত কৰিছিল, সেইবোৰ আপোনাৰ প্ৰদত্ত আত্মজ্ঞানৰূপ শস্ত্ৰৰ দ্বাৰা ছিন্ন হৈছে।

(১৭) হে মহাযোগী! আপোনাক নমস্কাৰ। যাতে আপোনাৰ পাদপদ্মত আমাৰ সুদৃঢ় ৰতি হয়। আমাক তেনেকুৱা শিক্ষা দিয়ক।

(১৮) ভগৱানে ক'লে— হে উদ্ধৱ! আমাৰ আদেশে তুমি বদৰিকাশ্ৰমলৈ গমন কৰা আৰু আমাৰ চৰণৰেণুদ্বাৰা পৱিত্ৰভূত তাৰ গঙ্গাজলত স্নান আৰু আচমন কৰি পৱিত্ৰ হোৱা।

(১৯, ২০, ২১) — হে উদ্ধৱ! বদৰিকাশ্ৰমৰ গঙ্গা দৰ্শন কৰি সমস্ত পাপ দূৰ কৰা, সুখ স্পৃহা এৰি বৃক্ষৰ বাকলি পৰিধান আৰু বন্যজাত ফলমূল ভোজন কৰা। তাকে কৰিলে তোমাৰ শীত আৰু গ্ৰীষ্মজাত দুখাদি বিষয়সমূহত সহনশীলতা আহিব। তুমি সৰল চিত্ত, জিতেন্দ্ৰিয়, শান্ত আৰু জ্ঞান বিজ্ঞান সংপৃক্ত হৈ আমাৰ ওচৰত যি শিক্ষালাভ কৰিছা, তাকে নিৰ্বিচাৰে গ্ৰহণ কৰিবলৈ সমৰ্থ হ'বা, আৰু আমাতে বাক্য মন নিবেশিত কৰি আমাৰ ভক্তি ধৰ্মত অনুৰক্ত হ'বা। ইয়াৰ পিছত সত্বাদি ত্ৰিগুণক অতিক্ৰম কৰি আমাক লাভ কৰিব পাৰিবা।

(২২, ২৩) শুকদেৱে ক'লে— যাক স্মৰণ কৰিলে সংসাৰ বন্ধন ছিন্ন হয়, সেই কৃষ্ণই এনেদৰে কোৱাত উদ্ধৱে তেওঁক প্ৰদক্ষিণ কৰিলে কৃষ্ণৰ পদ যুগলত শিৰ থ'লে। উদ্ধৱৰ হৃদয় প্ৰেমাসিক্ত হ'ল। অশ্ৰু নিৰ্গত হৈ দেহ সিক্ত হৈ পৰিল। সুখ দুখ মুক্ত হৈ বৰ্হিগত হ'ল যদিও কৃষ্ণস্নেহে আকুল হ'ল আৰু স্নেহ ছেদ কৰিব নোৱাৰিলে। তেওঁ বিহ্বল ভাৱে অতি কষ্টেৰে কৃষ্ণৰ কৃপাদত্ত পাদুকা যুগল শিৰত লৈ বাৰম্বাৰ নমস্কাৰ কৰি তাৰ পৰা প্ৰস্থান কৰিলে।

(২৪) ইয়াৰ পিছত মহাভক্ত উদ্ধৱে কৃষ্ণক হৃদয়ৰ অভ্যন্তৰত স্থাপন কৰিলে আৰু সেই অনন্য শৰণ কৃষ্ণৰ আদেশক্ৰমে বদৰিকাশ্ৰমত উপস্থিত হৈ তপস্যাৰ দ্বাৰা তেওঁৰ স্বৰূপ প্ৰাপ্ত হৈছিল।

এতিয়া গুৰু জনাই কেনেদৰে অনুবাদ কৰিছে, তাৰ উদ্ধৃতি দিয়া হ'ল—

শুনিয়োঁ উদ্ধৱ আৰে ৰহস্য ভকতি।
কৰিবা অভ্যাস তুমি থিৰ কৰি মতি।।
বাহিৰে ভিতৰে জানা ইটো জগতৰ।
পৰিপূৰ্ণ ৰূপে আছো পৰম ঈশ্বৰ।।
জানি ইটো তত্ত্ব কথা থিৰ কৰি চিত্ত।
মোকেসে দেখিবা মাত্ৰ সমস্ত প্ৰাণীত।।
আপেনাত দেখিবা ঈশ্বৰ অন্তৰ্যামী।
জ্ঞান দৃষ্টি চাই মোক ফুৰিবা প্ৰণামি।।
ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যাৰ দৃষ্টি একতুল।।
নীত সাধুত যাৰ ভৈল একজ্ঞান।

তাকেসে পণ্ডিত বুলি সি সি সৰ্বজান।।
বিশেষত মনুষ্যগণত যিটো নৰে।
জ্ঞান দৃষ্টি সৰ্বদা আমাক মান্য কৰে।।
ঈৰীষা অসূয়া তিৰস্কাৰ অহঙ্কাৰ।
নষ্ট হোৱে তৈৱে সৱে তাৱক্ষণে তাৰ।।
ঈশ্বৰ ভাৱনা সখি সত্যে দেই ফল।
হেন জানি তেজিয়োক মনত বিকল।।
হুইবেক আপুনি পূৰ্ব বাসনা বিনাশ।
মোহোৰ আদেশে তুমি কৰিবা অভ্যাস।।
দেখি সখিগণে জোনো হাসৈ আসি বেঢ়ি।
মই সাধু ইটো নীচ হেন ভাৱ এৰি।।
কুকুৰ শৃগাল গৰ্দ্দভৰো আত্ম ৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।
সমস্ত ভূততে বিষ্ণু বুদ্ধি নুহি যাৱে।
কায় বাক্য মনে অভাসিবা এহি ভাৱে।।
সমস্ত প্ৰাণীক দেখিবাহা আত্মসম।
উপায় মধ্যত ইটো আতি মোক্ষতম।।
নিৰ্গুণ ভকতি ইটো ধৰা মহা মানি।
জানা সত্যে ইহাৰ অল্পৰো নাহি হানি।।
যিহেতু সাক্ষাতে মই কৈলো ইটো তত্ত্ব।
উপদেশ নেদিবাহা দাম্ভিক শঠত।।
অভকত দুৰ্জনত নকৈবা উদ্দেশ।
বৈষ্ণৱ জনক দিবা সদা উপদেশ।।
স্ত্ৰী শূদ্ৰো কৰৈ যেবে আমাত ভকতি।
তাহাতো কহিবা ইটো জ্ঞান মহামতি।
জানে যিটো মোক্ষতম ভকতি আমাৰ।
আউৰ জানিবাৰ বাঙ্কি নথাকিল তাৰ।।
যিটোজনে অমৃতক পিয়ৈ সৰ্বদায়।
আউৰ তাৰ মধুৰ পিবাক বাকি নাই।।
শুনিয়ো উদ্ধৱ সি সি সাধু বুদ্ধি মন্ত।

পৰম চতুৰ সি সি মনুষ্য মহন্ত।।
মোকে কলেৱৰে কৰৈ মুকুতি বণিজ।।
জানিলা উদ্ধৱ যিটো দিলো উপদেশ।
তোমাৰ কি শোক মোহ গুচিল নিশেষ।।
যেবে নতু বুজা বোলা মনে অৱগাই।
কহিবো ভকতি তেৱে তোমাত দুনাই।।
পৰম ভকত তুমি মোৰ প্ৰিয়তম।
নাহি মোৰ বান্ধৱ উদ্ধৱ তুমি সম।।
আপোনাতো কৰি মোৰ তোমাতেসে দায়া।
জানা তুমি তৰিলা দুৰ্ঘোৰ মোৰ মায়া।।
কৃষ্ণৰ শুনিয়া হেন বচন অমৃত।
প্ৰেম উপজিয়া ভৈল তনু পুলকিত।।
লোতকে বেঢ়িলে কণ্ঠ নবঝাই বাণী।
থাকিলা নমাতি তম্ভি সিটো মহামানী।।
অৰুণ চৰণ দুই হৃদয়ত ধৰি।
প্ৰাণ বন্ধু মাধৱৰ গুণক সুমৰি।।
দ্ৰৱ ভৈল চিত্ত আতি উদ্ধৱ তবধ।
সকৰুণভাৱে ভৈলা কৃষ্ণো নিশৱদ।।

কতোক্ষণে উদ্ধৱৰ সন্ধুক্ষণ ভৈল চিত্ত
আঞ্চলে মুচিলা আখিমুখ।
নিশ্বাস তেজন্তে ঘনে হৃদয় দগধ কৰে
কৃষ্ণৰ বিয়োগে মহা দুখ।।
অনন্তৰে ধৈৰ্য্য ধৰি কৰিলন্ত কৃতাঞ্জলি
দণ্ডৱতে পৰি মহাবীৰ।
প্ৰেমৰ নাহিকে পাৰ কৰিলন্ত নমস্কাৰ
কৃষ্ণৰ চৰণ চুয়া শিৰ।।
মহা প্ৰেম অনুৰাগে বিনাৱে কৃষ্ণৰ আগে
শুনা প্ৰভু জগত আধাৰ।
তোমাৰেসে উপদেশে গুচিল নিশেষে আৱে
মোৰ যত মোহ অহঙ্কাৰ।।

সূৰ্যৰ কাচত থাকে তাক কি আন্ধাৰে ঢাকে
বিজ্ঞান প্ৰদীপ মোক দিলা।
বিষয়ৰ অভিলাষ দূৰ ভৈলা মোহ পাশ
কিনো কৃপা ভৃত্যক কৰিলা।।
আজিসি জানিলো আমি কিনো কৃপাময় স্বামী
এতমান করুণা ভৃত্যক।
ঐ প্ৰাণ বন্ধু হৰি তোমাৰ চৰণ এৰি
আউৰ কোনে ভজিবে আনক।।
তুমি জপ যজ্ঞ দান তুমিসে পৰম জ্ঞান
ঈশ্বৰ পুৰুষ সৰ্ব সাক্ষী।
তথাপি তোমাক তেজৈ ক্ষুদ্ৰ দেৱতাক ভজৈ
দিন দুপৰতে খাইলে আখি।।
নমো যোগেশ্বৰ স্বামী তযু নিজ ভৃত্য আমি
হেন শিক্ষা দিলা মোক মনে।
মোক্ষ অৱস্থা তোমাত তোমাৰ চৰণে ৰতি
নৈৰৈ যেন নাথ সৰ্বক্ষণে।।
এহিমানে মাগো বৰ কৃপাময় মহেশ্বৰ
পৰি হেৰা চৰণৰ আগে।
এতেকে বোলন্তে মাতি উপজিলা প্ৰেম আতি
কান্দন্ত উদ্ধৱে অনুৰাগে।।
এহিমানে মাগো বৰ কৃপাময় মহেশ্বৰ
পৰি হেৰা চৰণৰ আগে।
এতেকে বোলন্তে মাতি উপজিলা প্ৰেম আতি
কান্দন্ত উদ্ধৱে অনুৰাগে।।
শুনিয়া বিনয় বাণী বুলিলন্ত চক্ৰপাণি
হৌক সিদ্ধি মনৰ বাঞ্ছিত।
শুনিয়ো উদ্ধৱ বাপ এৰা ইটো অনুতাপ
ভৈলা যে স্বভাৱে কৃতকৃত্য।।
কিন্তু ব্যৱহাৰ কৰি মোৰ আজ্ঞা শিৰে ধৰি
বদৰিকাশ্ৰমক যায়োক।

গঙ্গাত কৰিয়া স্নান জপিবা আমাৰ নাম
সদায়ে স্মৰিবা মনে মোক।
মনক নিয়ম কৰি বাকলি বসন ধৰি
থাকি বাহ্য ফলমূল ভক্ষি।
তৰিবা সংসাৰ ক্লেশ ভকতিৰ উপদেশ
প্ৰৱন্ধে আনকো দিবা সখি।।
হুইবেক পৰম সিদ্ধি অভ্যাসিবা স্থিৰ বুদ্ধি
তোমাত কহিলো যিটো জ্ঞান।
মোৰ আজ্ঞা শিৰে ধৰি বিলম্বক পৰিহৰি
এতিক্ষণে এৰা ইটো থান।।

স্বামীৰ আদেশ শুনিয়া উদ্ধৱ
উঠিলন্ত চালি গাৱ।
কৃষ্ণৰ বিয়োগে অগনি উধাইল
অধিকে আকুলভাৱ।।
কৃতাঞ্জলি ধৰি প্ৰদক্ষিণ কৰি
ফুৰিলন্ত বাৰ সাত।
কৃষ্ণ কৃষ্ণ ৰড়ি দণ্ডৱতে পৰি
কৰিলন্ত প্ৰণিপাত।।
চৰণৰ ধূলি শিৰে লৈলা তুলি
মিলিল মনে সন্তাপ।
পদ পঙ্কজত মাথা থৈয়া থাপি
কৰন্ত পৰি বিলাপ।।
হে প্ৰাণ নাথ আজিসে অনাথ
কৰি মোক কৈক যাহ্য।
কমল নয়ন বদন পঙ্কজ
পৰিছেদ মোক চাহ্য।।
ইটো পাদ পদ্ম দুনাই নেদেখিবো
কৰিবো কাহাক সেৱ।
ইজন্মক লাগি আজি এৰি যায়ো
মোৰ প্ৰাণ ইষ্টদেৱ।।

দেৱৰ দুৰ্ল্লভ দুখানি চৰণ
কত পুণ্যে পাইলো লাগ।
চিৰকাল আক সেৱিতে নপাইলো
মিলিল মোৰ অভাগ।।
আউৰ কাক দেখি ৰাখিবো জীৱন
ভৈলো অন্ধ সমুদায়।
ঐ প্ৰাণ হৰি পৰিচ্ছেদক কৰি
খানিতেক থাকো চাই।।
এহি বুলি পদ পঙ্কজক তুলি
থৱন্ত কতো মাথাত।
কতো আখি মুখে ঘসন্ত সাৱটি
থাপন্ত কতো হিয়াত।।
শোকে মক মকি কান্দন্ত বিকলে
কতো চৰণত ধৰি।
সন্তাপতে আতি জানিল নিশেষে
যদ্যপি পৰম জ্ঞান।
তথাপি কৃষ্ণক এৰিবে খোজন্তে
যেন ফুটি যাই প্ৰাণ।।
ভৃত্যৰ সন্তাপ দেখি কৃপাময়
নয়ন ভৈলা সজল।
উদ্ধৱক ধৰি প্ৰবোধ বোলন্ত
তেজিয়ো মনে বিকল।।
আমাৰ দুইখনি খৰম লৈ যাহা
কৰা শোক পৰিহাৰ।
আকে সেৱা কৰি থাকা প্ৰাণ সখি
পালিয়া আজ্ঞা আমাৰ।।
উঠা উঠা ঝাণ্টে ইটো দ্বাৰকাত
তুমি নথাকিবা ৰই।
কৃষ্ণৰ সুদৃঢ় আদেশ শুনিয়া
উঠিলা আকুল হুই।।

দুখানি খৰম মাথাত বান্ধিয়া
পুনু প্ৰণামিলা পৰি।
কৃতাঞ্জলি ধৰি পাছে পাছ ভৰি
ধীৰে ধীৰে যান্ত লৰি।।
ভৰি চাৰি গৈয়া থমকি থাকন্ত
কৃষ্ণৰ মুখক চাই।।
শোকে মাৰে পুলি হাঁ কৃষ্ণ বুলি
পৰন্ত দুখে দুনাই।।
দেখি হাত তুলি চলাচলা বুলি
চেণ্ডান্ত আতি মাধৱে।
কৃষ্ণৰ সুদৃঢ় আদেশ শুনিয়া
উঠিলা দুনাই উদ্ধৱে।।
কৃষ্ণৰ সুদৃঢ় আদেশ শুনিয়া
উঠিলা দুনাই উদ্ধৱে।।
কৃষ্ণৰ প্ৰবোধ শুনি পুনৰপি
উঠি আখি মুখ মুছি।
কৃষ্ণখ নিৰেখি তমোময় দেখি
চলি যান্ত পাছ গুছি।।
অৰুণ চৰণ দেখন্তে দহৱৈ
শোক অগনিৰ জালে।
হা প্ৰাণ নাথ বুলি দিয়া উকি
পৰন্ত পুনু নিঢ়ালে।
কৃষ্ণৰ অৰুণ চৰণ পদ্মক
ধৰি হৃদয়ৰ মাজ।
কৃষ্ণক সম্পৰন্তে কান্দন্তে কান্দন্তে
ভৈলা দ্বাৰকাৰ বাজ।
হা প্ৰাণ নাথ বোলন্তে গাৱত
অধিকে উধাই জুই।
কৃষ্ণৰ চেষ্টাক চাহিবাক প্ৰতি
থাকিলন্ত আৰহুই।। (ইত্যাদি)

চলিত স্কন্ধৰ ত্ৰিশ অধ্যায়ৰ শ্লোক সংখ্যা পঞ্চাশ। ইয়াৰে আটাইকেইটি শ্লোকৰ অনুবাদ হৈছে আৰু মাজে মাজে শ্লোকাংশ বাদ দি কিছু সৃষ্টিমূলক বৰ্ণনাও কৰা হৈছে। আমি শ্লোকৰ অনুবাদ তলত দাঙি ধৰা হ'ল।

(১) পৰীক্ষিতে ক'লে, তাৰ পিছত পৰমভক্ত উদ্ধৱ বনলৈ গমন কৰিলত ভূত ভাৱন ভগৱানে দ্বাৰকাত কি কৰিলে।

(২) ব্ৰহ্মশাপত নিজৰ সমস্ত যদুকুল নষ্টৰ কাল উপস্থিত হোৱাত সেই যদুবৰ কৃষ্ণই সমস্ত প্ৰাণীৰ নয়ন মনোহৰ প্ৰিয় শৰীৰ কেনেকৈ ত্যাগ কৰিলে।

(৩) অবলাসকলে যাৰ ৰূপত মুগ্ধ হৈ দৃষ্টি আঁতৰাবলৈ সমৰ্থ নহয়,যাৰ লীলামৃত কক্ষ সাধুসকলৰ কৰ্ণপথত প্ৰৱেশ কৰি হৃদয়স্থ হৈ পুনৰ বাহিৰ হৈ আহিব নোৱাৰে, যাৰ সৌন্দৰ্য কবিকলৰ বাক্যাৱলীত ব্যক্ত হৈ বিশেষ প্ৰীতিবৰ্ধন কৰে আৰু অৰ্জুনৰ সাৰথি বেশে তেওঁৰ ৰথৰ মাজত উপবিষ্ট কৃষ্ণৰ যি ৰূপ দৰ্শন কৰি যুদ্ধত মৃত ব্যক্তিসকলে তেওঁৰ স্বৰূপ লাভ কৰিছে, তেনেকুৱা দেহ তেওঁ কেনেকে ত্যাগ কৰিলে?

(৪) শুকদেৱে ক'লে— স্বৰ্গ, মৰ্ত্য আৰু অন্তৰিক্ষত উত্থিত বিবিধ প্ৰবল উৎপাত দৰ্শন কৰি কৃষ্ণই সুধৰ্মা সভাত উপৱিষ্ট যাদৱ সকলক ক'বলৈ ধৰিলে।

(৫) দ্বাৰকাত যমধ্বজাস্বৰূপ, মৃত্যুস্বৰূপ এইবোৰ ভীষণ উৎপাত উপস্থিত হৈছে। গতিকে হে যদুবীৰসকল! ইয়াত আমাৰ ক্ষণমাত্ৰও অৱস্থান কৰা উচিত নহয়।

(৬-৯) সম্প্ৰতি স্ত্ৰী, বাক আৰু বৃদ্ধসকল শংখোদ্বাৰ লৈ যাওক, তাৰ পিছত আমিবোৰ প্ৰভাসলৈ যাম, তাত সৰস্বতী নদী পশ্চিম দিশেৰে প্ৰৱাহিত। আমি সেই সৰস্বতী নদীজলত স্নান কৰি পৱিত্ৰ হ'ম আৰু উপবাসেৰে যংযত হৈ সুগন্ধি তৈল, লেপন আৰু পূজা উপহাৰ আদিৰে দেৱতাসকলক পূজা কৰিম। ব্ৰাহ্মণসকলে আমাৰ স্বস্ত্যয়ন কৰিব। আমি গো, ভূমি, স্বৰ্ণ, বস্ত্ৰ, হস্তী, অশ্ব আৰু গৃহাদি দান কৰিম। ইয়েই পৰম শান্তি আৰু অৰিষ্ট নাশৰ বিধি। বিশেষতঃ প্ৰাণীসকলৰ মাজত দেৱতা, দ্বিজ আৰু গো পূজা পৰম স্বস্ত্যয়ন।

(১০) মধুৰিপু কৃষ্ণৰ এই বাক্য শুনি বৃদ্ধ যাদৱসকলে তথাস্তু বুলি অনেকে নৌকাযোগে সাগৰ পাৰ হৈ তীৰলৈ উঠি ৰথাৰোহণ কৰি প্ৰভাস তীৰ্থলৈ গমন কৰিলে।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ —

পৰীক্ষিত নৃপে পাছে পুচিলা শুকক।
কি কৰিলা কৃষ্ণে পঠাই সাধু উদ্ধৱক।।
পৰম মধুৰ মূৰ্ত্তি দেখান্তে মুকুতি।
কৰিলন্ত অন্তৰ্ধান কমন যুগুতি।।
যিটো মূৰ্ত্তি দেখি নাৰী নভাসয় আন।
যাৰ কথা শুনি সন্ত সৱে নেৰৈ ধ্যান।।
যিটো শৰীৰৰ গুণ-কীৰ্ত্তন কৰন্তে।
জগতৰ পূজ্য হোৱৈ সেহিসে মহন্তে।।
আমাৰ বংশৰ যিটো শিৰৰ কুসুম।
পিতামহ অৰ্জুনৰ ৰথৰ কুটুম।।
এক হাতে চাট আউৰ হাতে বাঘজৰী।
ত্ৰিভুৱন মোহন মধুৰ ৰূপ ধৰি।।
শ্যাম তনু পীত বস্ত্ৰে দেখন্তে সন্তোষ।
প্ৰকাশে বদন চাৰু শ্যাম পদ্মকোষ।।
ঘোঁৰাৰ পৰিছে ধূলি তাতে ঘৰ্ম্মবিন্দু।
শশাঙ্কে সহিতে যেন জ্বলে পূৰ্ণ ইন্দু।।
হাস্য নিৰীক্ষণত অমৃত কৰৈ বৃষ্টি।
যুদ্ধ সময়ত তাতে পৰৈ যাৰ দৃষ্টি।।
জুৰাই তনু মন মিলৈ পৰম আনন্দ।
সেহি বেলা অৰ্জ্জুনৰ শৰে ছেদৈ কন্ধ।।
হোৱৈ ঘনশ্যাম তনু শোভৈ পীতবস্ত্ৰ।
চাৰু চতুৰ্ভুজ ৰূপ হাতে চাৰি অস্ত্ৰ।।
দেৱসৱে পূজে উপৰক লাগি যাই।
পৰম হৰিষে বৈকুণ্ঠত লৱৈ ঠাই।।
হেনয় পৰম মূৰ্তি জগত গুৰুৰ।
কোটি কন্দপৰো দৰ্প দেখি হোৱে চুৰ।।
ভৈল কেনমতে সিটো তনু অন্তৰ্হিত।
কহিয়োক শুক শুনো কৃষ্ণৰ চৰিত।।
যিমতে কৰিলা হৰি কুলক সংহাৰ।

কৈয়ো সিটো কথা মোৰ ইষ্ট দেৱতাৰ।।
তুমি মহন্তক অন্তকালে পাইলো লগে।
কিবা পুণ্য আছে কিবা মোৰ মহাভাগ।।
শুক নিগদতি সাধু সাধু পৰীক্ষিত।
কৃষ্ণ কথা শ্ৰৱণে একান্ত ভৈল চিত।।
যেন কামাতুৰ নৈৰে নাৰীৰ আলাপ।
বাঢ়িল কৃষ্ণত ৰতি ভৈলাহা নিষ্পাপ।।
তৰিলা সংসাৰ হৰি হিয়ে বাসা লৈলা।
শুনা আতপৰে ৰাজা যেন কথা ভৈলা।।
এহিমতে উদ্ধৱক পঠাই নাৰায়ণে।
সুধৰ্ম্মা সভাত গৈয়া বসিলা আসনে।।
শিৰে শ্বেত ছত্ৰক চামৰ ধৰি ঢোলে।
চপয় পঢ়িয়া নট ভাটে তুতি বোলে।।
বজাৱে মৃদঙ্গ নাচে নৰ্ত্তকী প্ৰধান।
বীৰগণে দুই পাশে ধৰিলা যোগান।।
দণ্ড ছত্ৰ চৌণ্ড ছিন্ন নচাৱে গাউল।
মহা পৰিচ্ছেদে আছা জগতৰ ৰাউল।।
কোটি মহেন্দ্ৰতো কৰি শ্ৰী চমৎকাৰ।
জ্বলন্ত সমজ্যা ৰঞ্জি দৈৱকী কুমাৰ।।
দেখি বিমঙ্গল ইটো ঘোৰ উতপাত।
যাদৱ বংশক সৱে বুলিলা সভাত।।
দেখা যদুবীৰ সৱ আপুনি সাক্ষাত।
কেন বিমঙ্গল মিলৈ ইটো দ্বাৰকাত।।
ক্ষণেকো থাকিবে আৰ ঐত নাহি কাজ।
স্ত্ৰী বাল্য বৃদ্ধ নগৰৰ হৌক বাজ।।
দ্বাৰত থাকিয়ো সৱে আপেক্ষি আমাক।
যাঞু প্ৰভাসক এড়াঞু হেনবা বিপাক।।
বিধিৱতে সবংশে তীৰ্থত কৰা স্না।
দেৱ দ্বিজ পিতৃক তপিয়া দিয়া দান।।
দানেসে দুৰ্গতি হৰৈ শাস্ত্ৰৰ সম্মতি।

মোহোৰ বচনে চলা সত্বৰে সম্প্ৰতি।।
কৃষ্ণৰ আদেশে সৱে উঠিলা ত্বৰিত।
লাগি গৈল উসামিস দ্বাৰকাপুৰীত।।
ঠাৱে ঠাৱে বজাৱে তবল বীৰ ঢাক।
ভিণ্ডিম দগৰ দণ্ডি দেই ভেৰু ডাক।।
সাজ সাজ প্ৰজা খৰে সাৰা পৰৈ ঘনে।
কৰৈ উত্ৰাৱল কোল চলিবাক মনে।।
এক ঠাই হুয়া বাল বৃদ্ধ যত নাৰী।
বজাই বোঝা ভিৰে ঝুমাঝুমে শাৰী শাৰী।।
দুৱাৰতো ৰৈল প্ৰজাচয় চমৎকাৰে।
যাই যদুবীৰসৱ লৰি আড়ম্বৰে।।
বাদ্যে ভণ্ডে দণ্ডে চলৈ ছিন্ন ছত্ৰে চানি।
হয় হস্তী গিৰে লৰে সঘনে ধৰণী।।
ৰথী ৰথ পদাতিৰ আটোপ টঙ্কাৰ।
যাই মত্ত হস্তীসৱ পৰ্ব্বত আকাৰ।
ইন্দ্ৰতো অধিক একবীৰ বিপৰীত।
দেখি দেৱাসুৰ সৱ ভয়ে সচকিত।।
নগনয় অন্তককো নিশঙ্ক মনত।
ভৈলা সাগৰৰ পাৰ চড়িয়া নাৱত।।
হয় হস্তী ৰথে চলৈ সমস্ত সম্ভাৰে।
কৃষ্ণক আৱৰি বীৰচয় চমৎকাৰে।
কোপে যম সম সৱে পৰম নিশঙ্ক।
বাদ্য ভণ্ড আন্দোলে স্বৰ্গত লাগে চঙ্ক।।
দিগজ সমান সৱে চলে একে জোপে।
প্ৰভাসক পাইলা সৱে পৰম আটোপে।।

(১১) যাদৱসকলে প্ৰভাস তীৰ্থত উপস্থিত হৈ যদুশ্ৰেষ্ঠ কৃষ্ণই আদেশ দিয়া মতে সৰ্বমংগলময় কাৰ্যসমূহ পৰম শ্ৰদ্ধা পূৰ্বক সম্পন্ন কৰিলে।

(১২) ইয়াৰ পিছতে দৈৱ প্ৰভাৱত যাদৱসকলৰ বুদ্ধিভ্ৰংশ হ'ল। যি মদ্য পান কৰিলে মতিভ্ৰম হয়, তেওঁলোকে সেই প্ৰভাস ক্ষেত্ৰত মৈৰেয়ক মদ প্ৰচুৰ পৰিমাণে পান কৰিলে।

(১৩) কৃষ্ণৰ মায়াত বিমোহিত বলৱান যাদৱসকলে মদ্যপানত মত্ত আৰু জ্ঞান ৰহিত হৈ পৰস্পৰে কন্দল আৰম্ভ কৰিলে।

(১৪) পৰস্পৰে প্ৰাণ ল'বলৈ উদ্যত ক্ৰোধী যাদৱসকলে সাগৰৰ তীৰত ধনু ভল্ল, খড়গ, গদা, তোমৰ আৰু ঋষ্টি অস্ত্ৰ-শস্ত্ৰৰ দ্বাৰা যুদ্ধ আৰম্ভ কৰিলে।

(১৫) অৰণ্যত মদমত্ত হস্তীবোৰে যেনেকৈ দাঁতেৰে পৰস্পৰে আঘাত কৰে, তেনেকৈ মদমত্ত যাদৱসকলেও চঞ্চল পতাকাযুক্ত ৰথ, হস্তী, অশ্ব, অশ্বশাৱক, গাধ, উট, গৰু, ম'হ, আৰু নৰ বাহনত মিলিত হৈ বানৰ দ্বাৰা আঘাত কৰিবলৈ ধৰিলে।

(১৬, ১৭) যুদ্ধত ঈৰ্ষাযুক্ত হৈ প্ৰদ্যুম্ন, সাম্ব, অক্ৰুৰ, ভোজ, অনিৰুদ্ধ, সাত্যকী, সুভদ্ৰ, সংগ্ৰামজিত, সুদাৰুণ, কৃষ্ণৰ ভাই গদ আৰু কৃষ্ণপুত্ৰ গদ দুয়োজন, সুমিত্ৰ আৰু অসুৰথ আদি বদ্ধ পৰিকৰ হৈ যুদ্ধত মিলিত হ'ল আৰু সহস্ৰজিত, শতজিত, নিশঠ, উল্মুকাদি আৰু ভানু প্ৰভৃতি অন্যান্য প্ৰধান বীৰসকলে কৃষ্ণৰ মায়াত মোহিত হৈ মদান্ধতাযুক্ত ভীষণ ৰূপে প্ৰহাৰ কৰিবলৈ প্ৰবৃত্ত হ'ল।

(১৮) দাশাই, ভোজ, বৃষ্ণি, সাত্বত, মধু, অৰ্বুদ, মাথুৰ, শূৰসেন, বিসৰ্জন, কুকুৰ, কুন্তিভোজাদি এইসকলে নিজ নিজ বংশীয় মিত্ৰতা একেবাৰে বিসৰ্জন দি পৰস্পৰে প্ৰহাৰ কৰিবলৈ উদ্যত হ'ল।

(১৯) তেওঁলোক বিবেক ৰহিত হৈ পিত' পুত্ৰই জ্যেষ্ঠই অনুজে, ভাগিলে মাতুলে, নাতি, পিতামহে, মিত্ৰই মিত্ৰই সুহৃদে সুহৃদে যুদ্ধ আৰম্ভ কৰিলে। জ্ঞাতসকলে জ্ঞাতিসকলৰ লগত প্ৰহাৰ কৰিবলৈ ধৰিলে।

(২০) যুদ্ধ কৰি কৰি তেওঁলোকৰ শৰ অন্ত হ'ল, ধনুভাগিল, হাতৰ অসিবোৰ ক্ষয় হ'ল! তেতিয়া তেওঁলোকে সমুদ্ৰতীৰজাত এৰকা (মাদুৰী) বন উভালি লৈ মুঠি মাৰি ধৰি কোবাবলৈ ধৰিলে।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ ঃ

নামিয়া তীৰ্থৰ জলে যাদৱ বিশেষে।
কৰিলন্ত জলাঞ্জলি কৃষ্ণৰ আদেশে।।
বিশিষ্ট বিপ্ৰক ভুঞ্জাই কৰিয়া সন্মান।
সুবৰ্ণ ৰজত ধেনু ভূমি দিলা দান।।
হয় হস্তী ৰথ ছত্ৰ অলঙ্কাৰে মণ্ডি।

দেন্ত দান দ্বিজক দুৰ্গতি ঘাউক খণ্ডি।।
বিপ্ৰক সন্তোষি দিলা ৰত্নৰ আঞ্জলি।
বসিলা তীৰত পাছে যত মহাবলী।।
সুন্দৰ শৰীৰ মহা বাহু বক্ষস্থল।
সবাৰো প্ৰকাশে মুখ চন্দ্ৰৰ মণ্ডল।।
কিৰীটি কুণ্ডলে চিকিমিকি কৰৈ কান্তি।
সূৰ্য্যৰ কিৰণে যেন জ্বলৈ পদ্ম কান্তি।।
চন্দনে লেপিত তনু আতি ৰুচিকৰ।
সূৰ্য্য সম জ্বলৈ অলঙ্কাৰে কলেৱৰ।।
কোপে যম সম সবে বীৰ অসদৃষ্ট।
ময়মত্ত সিংহ যেন নিৰ্ভয় দৰ্পিষ্ট।।
নুমাইবাৰ বেলা যেন প্ৰকাশে প্ৰদীপ।
পুৰিলেক কালে মৃত্যু চাপিল সমীপ।।
পাইলেক বিপাকে পাছে নষ্ট ভৈল জ্ঞান।
মধুময় সুৰাক কৰিলে সবে পান।।
কৃষ্ণৰ মায়ায়ে আতি বিমোহিত মন।
ভৈলা মহামত্ত নাহি গাৱত চেতন।।
গণ্ডগোল কৰি পিলে নাকে মদ্য পৰে।
ঢলো পলো কৰে যেই আসে সেই ৰড়ে।।
অন্যো অন্যে চাই চক্ষু পকাই মহাৰাগে।
দশন কামুৰি কতো গৰ্জ্জে যেন বাঘে।।
আৰকত আখি মুখ যেন জোৰ কুণ্ড।
শুন অৰে যদুগণ খাইবো তোৰ মুণ্ড।।
যমপুৰ পেসো ৰহ মাৰি ঘোৰ বাণ।
কেহো বোলে মাথা কাটি লৈবো তোৰ প্ৰাণ।।
লংঘিল সৱাকো মহা অহঙ্কাৰ ক্ৰোধ।
মিলিল বংশত আসি পৰম বিৰোধ।।
কোবাবৈ তবল বলে বীৰ ঢাক বাজে।
লাগিল কন্দল ঘোৰ আপুনাৰ মাজে।।
সাজে অস্ত্ৰ শস্ত্ৰ সবে সমৰে নাগৰ।

খলকিল যেন চণ্ড বতাসে সাগৰ।।
কতো চাৰু বান্ধ খাণ্ডা ধৰি ধনু বাণ।
কতো ৰথে গজে চঢ়ে কৰো নৰযান।।
মহিষ মেথন গৰু গৰ্দ্দভত উঠি।
কতো কতো তেজি ঘোড়ে চড়ি দেই চুটি।।
মাধৱৰ মায়ায়ে কৰিলে বুদ্ধি হত।
মদ্য লাগি ভৈল সবে পৰম উন্মত্ত।।
অস্ত্ৰ শস্ত্ৰ ধৰিসৱে ৰণত প্ৰবুদ্ধ।
আপোনাৰ মাজত লগাইলে ঘোৰযুদ্ধ।।
টঙ্কাৰিয়া ধনুভিৰি আটোপ টঙ্কাৰে।
গদা মুদগৰ অসি পৰশু প্ৰহাৰে।।
পৰিঘ পৰ্ট্টিস ভল্ল ভিণ্ডিপাল হানে।
নৰাচ তোমৰ শৰ বৰিষে সন্ধানে।।
ধৰমাৰ বুলি আতি কৰে কোলাহল।
হস্তী হয় চিহড়ে কলত লাগে তাল।।
কোবাৱে আটোপে ঢাক ঢোল বাদ্য ভণ্ড।
তুলি তুলি নচুৱাৱৈ চিন্ন চৌণ্ডা দণ্ড।।
পদাতিক পদাতি কোবাৱৈ খাণ্ডা তুণ্ডি।
খেদি ঘোড়ে ঘোড়া কৰৈ সবে ঝাপ গুণ্ডি।।
হস্তী গৈয়া হস্তীৰ কোখত দান্ত পাৰে।
ৰথী ৰথী মাৰে শৰ হৃদয় বিদাৰে।।
লাগিল সমৰ সাগৰৰ তীৰ জুৰি।
সেনাৰ শোণিতে নদী বৱৈ বালি বুৰি।।
উটে মৰাশৱ মৎস্য কচ্ছপ আকাৰ।
মিলিল প্ৰলয় যেন প্ৰজা ক্ষয়ঙ্কাৰ।।
আপুনাৰ আপুনি চিন্তন্ত মহামাৰ।
দশোদিশে শুনি মাত্ৰ ৰোল হাহাকাৰ।।
সেনাৰ সমৰ আৱে এহিমানে থঞ্ছ।
শুনা মুখ্য মুখ্য যাদৱৰ কথা কঞ্ছ।।
একে জীৱ প্ৰাণ যিটো সবংশে আছিল।

কন্দলৰ নামে ওঠে দান্তে নালাগিল।
কৃষ্ণৰ মায়ায়ে কৰিলেক বুদ্ধি ভ্ৰংশ।
মৰে কটাকটি কৰি সেহি যদুবংশ।।
সাম কামদেৱৰ লাগিল ঘোৰ যুদ্ধ।
কৰৈ ঘোৰ সমৰ সাত্যকী অনিৰুদ্ধ।।
সুভদ্ৰ সংগ্ৰামজিতে কৰৈ হুলস্থূল।
সুমিত্ৰ সুৰথে ৰথে কৰন্ত তুমুল।।
উল্মুক নিশঠে ভৈল দুৰ্ঘোৰ কন্দল।
শতজিত সমে যুজে ভানু মহাবল।।
অক্ৰূৰে সহিতে ভোজবৰ্ম্মা মহাবীৰ।
সমৰ কৰন্ত কোপে কম্পায়া শৰীৰ।।
কৃষ্ণ পুত্ৰগণে আৰো কৃষ্ণ ভাতৃ গদে।
যুজন্ত আক্ৰোশে আতি আকণ শৱদে।।
সাৰণ সুষেণে ৰণ কৰৈ আসৰিশ।
বৰিষিয়া শৰে পুৰিলন্ত দশো দিশ।।
একে কৃষ্ণ মায়ায়ে মোহিত ভৈলমন।
আৰো মদ্যে মত্ত সৱ ভৈৱ অচেতন।।
গুচিল সুহৃদ ভাৱ শত্ৰু বুদ্ধি মানি।
ছেদৈ ভেদৈ খেদৈ অন্যোঅন্যে অস্ত্ৰ হানি।।
বাৰিষা কালৰ যেন মহামেঘয়ে।
নকৰে বিচ্ছেদ ছানি বাণ বৰিশয়।।
মোড়ে হাড় ঘাড় ঘৰা কাটি কতো মাৰে।
কৰে খণ্ড খণ্ড মুণ্ড মুষ্টিৰ প্ৰহাৰে।।
যেন মত্ত হস্তীসৱে যুজে দান্তে ভিৰি।
বাণৰ চোটত হাড় ঘাড় যাই ছিড়ি।।
দাৰুণ দুৰ্জয় যদুগণৰ আন্দোলে।
টল বল কৰি মহীমণ্ডল হিন্দোলে।।
কৃষ্ণৰ মায়ায়ে আতি ভৈল বুদ্ধি ভ্ৰংশ।
নচাৱৈ আপোন পৰ আউৰ যদুবংশ।।
হুয়া আতি বিশ্ৰুতি পিতৃক পুত্ৰে মাৰে।

শশুৰে জমাইক ভাই ভাতৃক প্ৰহাৰে।।
শ্যালক ভিনিসি মাৰে আজোকক নাতি।
খুড়ায়ে ভাতিজে কটাকটি কৰৈ আতি।।
মিত্ৰে মিত্ৰে কৰৈ যুদ্ধ ভাগিনে মাতুলে।
সোদৰ সুহৃদ যেন নচাৱে বাতুলে।।
ঢুকুৱাইল অস্ত্ৰ ধনু ভাগিল কোবত।
নথাকিল শৰ আউৰ কাহাৰো টোনত।।
হানিবাক লাগি খুজি নপাৱন্ত অস্ত্ৰ।
আউল জাউল কেশ-শৰীৰৰো খাসে বস্ত্ৰ।।
কাহাৰো নাহিকে আউৰ চেতন গাৱত।
তথাপি সমৰ নেৰৈ পৰম ক্ৰোধত।।
ঋষি শাপে সিটো সাগৰৰ তীৰ জুৰি।
লোহা গুণ্ডি গাজি আছে যতেক মাদুৰি।।
উভাৰি প্ৰহাৰৈ তাক আকাশক ছানি।
মৰৈ সৱে কৰিয়া মাদুৰি হানা হানি।।
পৰম ক্ৰোধত আতি মহামত্ত ভাৱে।
উভাৰি মাদুৰি ধৰি দোহাতে কোবাৱে।

(২১) তেওঁলোকৰ মুষ্ঠিবদ্ধ সেই মাদুৰি বনবোৰ বজ্ৰতুল্য পৰিঘ অস্ত্ৰৰ দৰে হৈ উঠিল। কৃষ্ণই নিষেধ কৰা সত্ত্বেও তেওঁলোকে পৰস্পৰে প্ৰহাৰ কৰিবলৈ ধৰিলে। আনকি কৃষ্ণকো প্ৰহাৰ কৰিবলৈ লাগিল।

(২২) হে পৰীক্ষিত! মূৰ্খ যাদৱসকলে বলৰামক শত্ৰুজ্ঞান কৰি তেওঁক আঘাত কৰিবলৈ ধৰিলে।

(২৩) হে কুৰুনন্দন! সেই কৃষ্ণ বলৰামেও ক্ৰোধান্বিত হৈ মাদুৰি বন মুঠি মাৰি ধৰি লৌহ দণ্ডৰূপে কৰি যুদ্ধ ক্ষেত্ৰত ঘূৰি যাদৱসকলক প্ৰহাৰ কৰিবলৈ ধৰিলে।

(২৪) ব্ৰহ্ম শাপগ্ৰস্ত আৰু কৃষ্ণমায়া মোহিত যাদৱসকলৰ স্পৰ্দ্ধাজনিত ক্ৰোধ বাঁহৰ ঘৰ্ষণত উদ্ভৱ হোৱা বহ্নিয়ে গোটেই অৰণ্য পুৰি ভস্মীভূত কৰাৰ দৰে যাদৱকুলকো দগ্ধ কৰিলে।

(২৫) এনেদৰে নিজৰ সমস্ত কুল ধ্বংস হোৱাত কৃষ্ণই পৃথিবীৰ ভাৰ হৰণ হৈছে বুলি মনতে ভাবিলে।

(২৬) বলৰামে পৰম পুৰুষধ্যান যোগ অবলম্বন কৰি আত্মাত আত্মা থাপি সমুদ্ৰৰ পাৰত মনুষ্য দেহ ত্যাগ কৰিলে।

(২৭, ২৮) বলৰামৰ মহা প্ৰস্থান হোৱা দেখি কৃষ্ণই শোকে দুখে মৌনভাৱ অৱলম্বন

কৰি নিজৰ প্ৰকাশেৰে ধূম্ৰবিহীন অগ্নিৰ দৰে হৈ দশদিক্ উজ্জ্বল কৰিলে আৰু দীপ্তিমন্ত হৈ চতুৰ্ভুজ ৰূপ ধৰি আহঁত বৃক্ষৰ গুৰিত বহিল।

(২৯, ৩০, ৩১, ৩২) কৃষ্ণৰ বুকুত শ্ৰীবৎস শোভিত, ঘনশ্যাম শৰীৰ তপ্ত সুবৰ্ণ সম, পীতবস্ত্ৰধাৰী, সুন্দৰ কান্তি, মুখ কমল ৰক্তিম, ঈষৎ হাস্যযুক্ত, নীলকেশ মণ্ডিত, মনোহৰ কমল লোচন, কৰ্ণত মকৰ কুণ্ডল, কটিত মেখলা, স্কন্ধত যজ্ঞসূত্ৰ, শিৰত কিৰীটি, হস্তত কঙ্কণ, কণ্ঠত হাৰ, কৌস্তুভ, চৰণত নূপুৰ, ধ্বজ, বজ্ৰ, অঙ্কুশাদি, গলত বনমালা, চাৰি হস্তক চাৰি অস্ত্ৰ। তেওঁ নিজৰ কমলতুল্য ৰক্তবৰ্ণৰ বাওঁপদ দক্ষিণ উৰুত ৰাখি বহি আছিল।

গুৰুজনাৰ অনুবাদ এনে ধৰণৰ

শৰীৰত পৰৈ যেন বজ্ৰৰ সন্ধান।
বিমূৰ্চ্ছিত হুয়া যদুগণে ছাড়ে প্ৰাণ।।
পৰম দুৰ্জ্জয় যদুবীৰ অনিবৰ্বাৰ।
নৰহয় একো কোবে প্ৰাণ তাসম্বাৰ।।
এহিমতে মৰৈ কৰি গোত্ৰত বিবাদ।
দেখিয়া মিলিল বলভদ্ৰৰ বিষাদ।
হা বিধি কিনো আসি ভৈল বুদ্ধি ভ্ৰংশ।
গোত্ৰতে বিবাদ কৰি মৰৈ যদুবংশ।।
কৃষ্ণৰ মায়ায়ে বলো ভৈলা বিমোহিত।
কুল ক্ষয় দেখিয়া আকুল কৰৈ চিত্ত।।
কৃষ্ণক বোলন্ত ইটো কমন অন্যায়।
আগতে সবংশে মৰৈ কিয় আছা চাই।।
উঠা ঝাণ্টে ভাঙ্গো গৈয়া কন্দল দুৰ্ঘোৰ।
কুলক্ষয় দেখি হৃদি নসহয় মোৰ।।
বলোৰ বচনে কৃষ্ণ চালিলন্ত গাৱ।
পশিলা মধ্যত হুয়া আকুল স্বভাৱ।।
এৰ এৰ যুদ্ধ বুলি হাতক উঠাই।

সৱাকো বাধন্ত ৰাম কৃষ্ণ দুয়ো ভাই।।
হে সাম কামদেৱ গদ অনিৰুদ্ধ।
আপোনাৰ মাজত লগাইলা কেনে যুদ্ধ।।
হে শতজিত শঠ সাত্যকি সুষেণ।
কিয় কটাকটি কৰি মৰা বাউল যেন।।
বংশত মহন্ত হেৰা অক্ৰুৰ খুড়াই।
তুমিয়ো পাগল ভৈলা শ্ৰুতি মুণ্ড খাই।।
ৰাক্ষসৰ যেন ভৈল চৰিত্ৰ তোমাৰ।
আপুনাৰ আপুনি চিন্তিলা মহামাৰ।।
অনেক বোলন্ত ৰাম কৃষ্ণে বাধা বাক।
কালে গ্ৰাসিলেক ক্ৰোধ শুনি বাধা বাণী।
ৰামক কৃষ্ণক মাৰিবাক খোজে হানি।।
মহাখঙ্গে যদুগণে কৰৈ অহঙ্কাৰ।
কিবা চাস আউৰ এহি দোগোটাকে মাৰ।।
একে মদ্যে মত্ত আৰো ক্ৰোধে অন্ধ ভৈল।
শত্ৰু বুদ্ধি তাসম্বাকো মাৰিবাক লৈল।।
খঙ্গে ৰাম মাধৱো মাদুৰি লৈলা তুলি।
অনেক যাদৱবীৰ মাৰিলা সমূলি।।
কৰিয়া দোপাশ যদুগণক কোবাই।
ব্যুহৰ বঝাইলা লৱড়িয়া দুয়ো ভাই।।
মৰৈ কোবাকুবি কৰি সবংশে সমৰে।
সাগৰ উল্লাল যেন কুম্ভীৰ মগৰে।।
পৰম কল্লোল ৰোল কৰৈ ধৰমাৰ।
মাদুৰিৰ কোবে সৱে ভৈল বুন্দামাৰ।।
ঋষি শাপে সমৰে মৰিল যদুবীৰ।
ঢাকিলেক মৰা শৰে সাগৰৰ তীৰ।।
নিশৱদ ৰণস্থলী জনেকো নৰৈল।
যেন জল পৰি ঘোৰ অগনি নিমাইল।।
নাশিল যাদৱ প্ৰজা পৰি একে ঢ়িক।
মৃতকৰ শলে শোভৈ ৰণ ধৰণীক।।

তেজে টলবল জ্বলৈ বদন মণ্ডল।
ভূমিতে কুলিছে যেন ৰাতুল কমল।।
শোভৈ পৰি কিৰীটি কুণ্ডলে মুণ্ড পান্তি।
কৱচ কুণ্ডলে যেন তাৰা কৰে কান্তি।।
প্ৰজাৰ ৰুধিৰে সৱে বালি গৈল তল।
দেখিয়া শোণিতময় সাগৰৰ জল।।
জুড়িল পৃথিৱীখণ্ড পৰি মৰাশৱে।
আৱেসে গুচিল ভাৰ মানিল মাধৱে।।
বলভদ্ৰে দেখিয়া দুৰ্ঘোৰ কুলক্ষয়।
মিলিল বৈৰাগ্য আউৰ নসহে হৃদয়।।
কৰন্ত ক্ৰন্দন ৰামে মৃতকক চাই।
কমল নেত্ৰৰ নীৰ ধাৰে বহি যাই।।
হৰি হৰি দৈৱ বিধি কি ভৈল কপাল।
আমাথেৰ বংশক লাগিল বুন্দামাল।
হেনসে কৰিলা গতি বিধাতা কুধঞ্চ।
পিণ্ডক জলক লাগি নথাকিল সঞ্চ।।
এৰৈক এৰৈক বীৰ যেন মহেন্দ্ৰ পৰাই।
একতিলে কালৰ হাতত ভৈল ঠাই।।
মৰা পুত্ৰ নাতি ভাতৃসকলক চাই।
কৰন্ত সন্তাপ আতি বিলাপে বলাই।।
মহা মৰ্মে বলোৰ বিচাট কৰৈ মন।
সবংশে মৰিল আউৰ কি কৰৈ জীৱন।।
সাগৰৰ তীৰত বসিলা পদ্মাসনে।
নিৰোধিলা বায়ু বলো সমাধিকমনে।।
নাৰায়ণ ৰূপত কৰিলা মন থিৰ।
ক্ষণেকে তেজিলা সিটো মনুষ্য শৰীৰ।।
মুৰ্দ্ধা স্ফোট কৰিয়া উৰ্দ্ধক ক্ষেপি প্ৰাণ।
শুক্ল সৰ্পৰূপে কৈলা বৈকুণ্ঠ প্ৰয়াণ।।
আছিল অলেখ কোটি যাদৱ কুমাৰ।
শতেক বৎসৰো কোনে লেখা দিবে তাৰ।।

বলে বীৰ্য্যে মহেন্দ্ৰতো অধিক আছিল।
কালে সংহৰন্তে একতিলো নলাগিল।।
এহিমতে মৰিল যতেক যদুবীৰ।
ৰোহিনীতনয়ো যেৱে তেজিলা শৰীৰ।।
একেশ্বৰ ভৈলা কৃষ্ণ নাহিকে সহায়।
কৰন্ত বিলাপ হাঁ কৈ গৈল ভৈয়াই।।
কমল নেত্ৰৰ নীৰ পৰৈ সৰসৰি।
বলোৰ শৰক শোকে সাৱটিয়া ধৰি।।
প্ৰাণসম জ্যেষ্ঠ ভাইৰ মিলিল বিঘাত।
আউৰ কাক দেখিয়া বঞ্চিবো দ্বাৰকাত।।
হৰি হৰি দৈৱ কিনো মিলিল অৱস্থা।
পিতৃত মাতৃত আৱে কৈবো কিবা কথা।।
যাইবো আউৰ উলটি গৃহক কোন কাজে।
এহি বুলি বিলাপ কৰন্ত যদুৰাজে।।

যেৱে দেব হলধৰ তেজিলন্ত কলেৱৰ
আছিলা মাধৱে নমাই মাথ।
হৃদয় দহৱে দুখে হা ভৈয়াই বুলি মুখে
নিশ্বাস তেজন্ত জগন্নাথ।
কমল নেত্ৰৰ পৰা বহৱৈ লোতক ধাৰা
মৃতক বলোক গলে বান্ধি।
কৰন্ত সন্তাপ তাপে সিটো জগতৰ বাপে
কতো বেলি আছিলন্ত কান্দি।।
সহায় নাহিকৈ কেৱ একেশ্বৰ ভৈলাদেৱ
মিলিলা বিচাট মহামনে।
পাছে চিন্তি আছে কাজ পশিলন্ত বনমাজ
পৰম বৈৰাগ্যে নাৰায়ণে।।
ভৈলা মৌন মহাযশী ঘোৰ অৰণ্যত পশি
প্ৰকাশন্ত যেন কোটি সূৰ্য্য।
শিশু অশ্বত্থৰ তলে বসি পাছে যোগবলে
ভৈলা দিব্য ৰূপ চতুৰ্ভুজ।।

চাৰু শ্যাম কলেৱৰ পীতবস্ত্ৰ মনোহৰ
মেঘত বিজুলী যেন জ্বলে।
নীল আকুঞ্চিত কেশ সিংহ বন্ধ মধ্যদেশ
দিলা দেখা লক্ষ্মী বক্ষস্থলে।।
কেয়ুৰ কঙ্কণ হাতে মানিক মুকুট মাথে
ললাটত ৰত্নৰ তিলক।
মুখ পদ্মে কৰৈ কান্তি যেন ভ্ৰমৰাৰ পান্তি
কপালত কুটিল অলক।।
নয়ন পঙ্কজ পাসি মুখে মনোহৰ হাসি
বিম্বফল অধিক অধৰ।
দশন মুকুতাশাৰী সুবলিত ভুজ চাৰি
নাসা তিল কুসুম সুন্দৰ।।
কণ্ঠত কৌস্তুভ জ্বলে ৰুচিকৰ কৰ্ণতলে
মণিময় মকৰ কুণ্ডল।
জলমল কৰৈ কান্তি লাগিয়া তাহাৰ জ্যোতি
প্ৰকাশে পাণ্ডুৰ গণ্ডস্থল।।
ভ্ৰূৱযুগমনোহৰ আৰকত কৰতল
দেখন্তে মনত মহাতুষ্টি।
ৰত্নৰ শলকানয় প্ৰকাশে আঙ্গুলিচয়
জ্বলে তাতে ৰত্নৰ আঙ্গুঠি।।
গলে গজ মুকুতাৰ ৰত্নে বিৰচিত হাৰ
আপাদ লম্বিত বনমালা।
লোটে পটভুমি পীত দিব্য ৰত্নে বিৰচিত
কঙ্কালত ৰত্নৰ মেখলা।।
শাৰী শাৰী তাৰ মাজে ৰত্নৰ কিঙ্কিণী বাজে
সদায়ে শুনিয় ৰুণঝুন।
মনোহৰ উৰুস্থলে শ্ৰীবৎস পঙ্কতি জ্বলে
কান্ধত উত্তৰী নৱগুণ।।
চাৰু উৰু কৰীকৰ জানু জঙঘা মনোহৰ
ৰত্নৰ হোড়ৰে কৰৈ কান্তি।

চৰণ পঙ্কজ কোষ শুনি নূপুৰৰ ঘোষ
নখচয় চন্দ্ৰমাৰ পান্তি।।
চম্পাৰ পাকৰিনয় উত্তম আঙ্গুলিচয়
ৰত্নময় উজ্জ্বণ্টি উজ্জ্বল।
মহা চিহ্ন সৱজ্বলে অৰুণ চৰণ তলে
ধ্বজ বজ্ৰ অঙ্কুশ কমল।।
পৰম অভয় পদ তাপহাৰী শ্বেতছত্ৰ
মহা পাপগণৰ অগনি।
সংসাৰ সাগৰে সেতু দুৰ্জ্জনৰ ধূমকেতু
ভকতৰ সিটো চিন্তামণি।।
কোটি একশশীসম প্ৰকাশে শৰীৰ সিটো
তাৰে জ্যোতি জ্বলৈ বনস্থলি।
শঙ্খ চক্ৰ আদি কৰি অস্ত্ৰসৱে মূৰ্ত্তি ধৰি
উপাসৈ চৌপাশে কৃতাঞ্জলি।।
অশ্বত্থত আউজিয়া দক্ষিণ উৰুত থৈয়া
পঙ্কজ অৰুণ বাম পাৱ।
অৰণ্য মধ্যত পশি আসনে আছন্ত বসি
প্ৰাণ প্ৰভু পূৰ্ণানন্দ ভাৱ।।

(৩৩) এনে সময়তে যাদৱসকলে চূৰ্ণ কৰি সাগৰত পেলাই দিয়া সেই মূৰলৰ অৱশিষ্ট লৌহ খণ্ডটি জৰা নামৰ ব্যাধজনে শৰ নিৰ্মাণ কৰি থৈছিল। সেই শৰৰ দ্বাৰা কৃষ্ণৰ মৃগমুখাকাৰ যেন দেখি তেওঁৰ পদত আঘাত কৰিলে।

(৩৪, ৩৫) ইয়াৰ পিছত সেই ব্যাধে চতুৰ্ভুজ কৃষ্ণক দেখি বুজিলে যে সি পাপ কৰ্ম্ম কৰিছে। তেতিয়া ভীত হৈ সেই অসুৰাৰি কৃষ্ণৰ পদত শিৰ থৈ নিবেদন কৰিলে, হে মধুসূদন, মই মহাপাপী, নাজানি এই পাপ কৰিলো। হে পাপ শূন্য উত্তম শ্লোক, মোৰ পাপৰ ক্ষমা কৰক।

(৩৬-৩৭) হে প্ৰভু! যাৰ ধ্যান কৰিলে মনুষ্যৰ পাপ নাশ হয়, এই কথা পণ্ডিত সমাজে জানে। মই আপোনাৰ ওচৰত অনুচিত কাম কৰিছো। এতেকে হে বৈকুণ্ঠ! মৃগলোভী পাপী মই যাতে আৰু পুনৰ সজ্জনক হিংসা নকৰো আপুনি এনে ভাবি মোক এতিয়াই বধ কৰক।

(৩৮) ব্ৰহ্মা আৰু তেওঁৰ সন্তানসকল, ৰুদ্ৰাদি দেৱতা, বেদ স্ৰষ্টা মুনিসকল

যাৰ স্বাধীন মায়া ৰচনা— সেই মায়া বিমোহিত নষ্ট দৃষ্টি মোৰ নিচিনা দুৰাচাৰসকলে আপোনাৰ মহিমা কি প্ৰকাৰে প্ৰকাশ কৰিম।

গুৰুজনাৰ অনুবাদ এনে প্ৰকাৰে ঃ

পাছে সেহি সময়ত বনত ফুৰন্তে ব্যাধে
মৃগ মুখাকাৰ দেখি ভৰি।
শুতি আছে মৃগ বুলি ধৰি শৰ ধনু তুলি
সন্ধানে হানিল লক্ষ্য কৰি।।
জানিলা লাগিল বাণ উমান হাততে পাইল
দিলেক লৱৰ ৰঙ্গ কৰি।
কৃষ্ণক দেখিয়া জৰা ব্যাধ যেন ভৈল মৰা
কাম্পে আতি তনু তৰতৰি।।
দেখি চতুৰ্ভুজ ৰূপ মহাভয়ে ভৈল চুপ
আচাৰি পেলাইলা ধনুশৰ।
ত্ৰাহি কৃষ্ণ কৃষ্ণ ৰড়ি আগে দণ্ডৱতে পৰি
কান্দি কান্দি কৰিলা কাতৰ।।
নজানি জগত বাপ কৰিলো দুৰ্ঘোৰ পাপ
ক্ষমিয়োক মোক আৰে স্বামী।
নাহি পাপী মোত পৰ তোমাক হানিলো শৰ
কিনো মঞি মন্দ অধোগামী।
যাহাক স্মৰণে তৰৈ লোকৰ অজ্ঞান হৰৈ
দেৱৰো দেৱতা তুমি হৰি।
কিনো ভৈলো বিয়ামোহ তোমাৰ আচাৰি দ্ৰোহ
কিয় জীঐঁ এভো নযাঞু মৰি।।
চাহিবে নলাগে মোক ঝাণ্টে আৰে কাটিয়োক
মোৰ প্ৰায়শ্চিত্ত আন নাই।
আউৰ যেন মঞি পাপ হেন মহা উপতাপ
মহন্তক নকৰো দুনাই।।
ব্ৰহ্মাহৰ আদি দেৱ তোমাৰ চৰিত্ৰ কেৱ
জ্ঞানী গণো নজানন্ত আতি।

অচিন্ত্য মহিমা স্বামী কিমতে জানিবো আমি
হুয়া মহা মূঢ় অন্ত্যজাতি।।
কৃষ্ণৰ আগত জৰা পৰি আছে যেন মৰা
কৰি আতি অনেক বিনয়।
শুনিয়া কাকূতি বাণী কৃপাময় চক্ৰপাণি
দিলা সিটো ব্যাধক নিৰ্ভয়।।

(৩৯, ৪০) ভগৱানে ক'লে, হে ব্যাধ! ভয় নকৰিবা, উঠা। তুমি মোৰ ইচ্ছা মতেই কাম কৰিলা। সম্প্ৰতি মোৰ আদেশমতে তুমি পুণ্যবানসকলৰ প্ৰাপ্য স্বৰ্গলৈ গমন কৰা। ইচ্ছাময় ভগৱান কৃষ্ণই এনে প্ৰকাৰে আদেশ কৰাত জৰা ব্যাধে তেওঁক নমস্কাৰ কৰি তিনিবাৰ প্ৰদক্ষিণ কৰি বিমানত উঠি স্বৰ্গলৈ যাত্ৰা কৰিলে।

(৪১) সেই সময়তে দাৰুকে কৃষ্ণ পদ অন্বেষণ কৰি কৰি তাত উপস্থিত হ'লহি আৰু তুলসী গন্ধে আমোদিত বায়ু আঘ্ৰাণ কৰি তেওঁৰ সমুখলৈ আহিল।

(৪২, ৪৩) তাত অশ্বত্থমূলত বহি থকা, চক্ৰাদি অস্ত্ৰাদিৰে পৰিবেষ্টিত কৃষ্ণক দেখি দাৰুকৰ হৃদয় প্ৰেমাসিক্ত হৈ গ'ল, অশ্ৰুসিক্ত নয়নে দাৰুকে ৰথৰ পৰা নামি তেওঁৰ পদযুগলত পৰি ক'বলৈ ধৰিলে— হে প্ৰভু! আপোনাৰ পাদপদ্ম দৰ্শন নাপাই আমাৰ দৃষ্টি অন্ধকাৰত প্ৰৱিষ্ট হৈছে আৰু বিনষ্ট হৈছে। ৰাতি চন্দ্ৰবিহীন হ'লে যেনেকৈ কোনো দিশ দেখা পোৱা নাযায়, মনত শান্তি পোৱা নাযায়, আমাৰো তেনেকুৱাই হৈছে।

(৪৪, ৪৫) দাৰুকে এনেকৈ কৈ থকা অৱস্থাতে শ্ৰীকৃষ্ণৰ অশ্বধ্বজযুক্ত গৰুড় চিহ্নিত ৰথ আকাশলৈ উঠি গ'ল আৰু বিষ্ণু চক্ৰাদি অস্ত্ৰসমূহ তাৰ অনুগমন কৰিলে। তাকে দেখি বিস্মিত হৃদয় দাৰুকক জনাৰ্দন কৃষ্ণই ক'বলৈ ধৰিলে—

(৪৬, ৪৭, ৪৮, ৪৯) ভগৱানে ক'লে— হে দাৰুক! তুমি দ্বাৰকালৈ গমন কৰা, পৰস্পৰ জ্ঞাতিগণৰ নিধন, বলৰামৰ নিৰ্য্যান, আৰু আমাৰ এই দশা প্ৰাপ্তিৰ কথা সুহৃদসকলক কোৱাগৈ। তেওঁলোকক আৰু ক'বা যে তেওঁলোক বান্ধৱসকলৰ লগত যেন দ্বাৰকাত নাথাকে। আমি দ্বাৰকা এৰা মাত্ৰকতে সমুদ্ৰই প্লাৱিত কৰিব। গতিকে সকলোৱে নিজ নিজ পৰিয়ালবৰ্গেৰে আৰু আমাৰ পিতা-মাতাৰ সৈতে অৰ্জুনৰ দ্বাৰা ৰক্ষিত হৈ ইন্দ্ৰপ্ৰস্থলৈ যাওক।

আৰু তুমি আমাৰ ভক্তি-ধৰ্ম অৱলম্বন কৰি জ্ঞাননিষ্ঠ আৰু উদাসীন হৈ এই সংসাৰখন মায়াকল্পিত বুলি জানি শান্তি লাভ কৰি থাকা।

(৫০) কৃষ্ণই দাৰুকক এনেকৈ আদেশ কৰিলত তেওঁক প্ৰদক্ষিণ আৰু বাৰম্বাৰ প্ৰণাম কৰি দুখ মনেৰে দ্বাৰকালৈ গমন কৰিলে।

গুৰুজনাৰ অনুবাদ তলত উদ্ধৃত কৰা হ'ল ঃ

এহিমতে যেৱে জৰা নমৈ পড়ি মাথে।
দিলন্ত নিৰ্ভয় তাক জগতৰ নাথে।।
উঠ উঠ ব্যাধ ভয় নকৰ কিঞ্চিত।
কৰিলি সাফল মোৰ মনৰ বাঞ্ছিত।।
তোহোৰ ভকতি লভি তুষ্ট ভৈলো বৰ।
সশৰীৰে সত্বৰে স্বৰ্গক লাগি লৰ।।
পৰম সুকৃত্য কৰি পাৱৈ যিটো লোক।
মোৰ বৰে জৰা তোৰ তৈতে থিতি হোক।।
এতেক বোলন্তে আসি নামিল বিমান।
ৰত্নৰ জেউতি জ্বলৈ সূৰ্য্যৰ সমান।।
কৰ্ণক কিঙ্কিণীয়ে বাজে শাৰী শাৰী।
কৰৈ নৃত্য গীত তাতে যত দিব্য নাৰী।।
দেখিয়া উঠিল ব্যাধ হুয়া ভয় হীন।
কৃষ্ণক কৰিলা তিনিবাৰ প্ৰদক্ষিণ।।
প্ৰণামিলা অনেক আগত পড়ি পড়ি।
চড়ি পাছে বিমানে স্বৰ্গক গৈলা লড়ি।।
শুক নিগদতি শুনিয়োক নৃপবৰ।
যেন কথা ভৈল তৈত আত অনন্তৰ।।
কোটি শশী সম জ্বলে চতুৰ্ভুজ কায়।
আছন্ত মাধৱ বসি ব্যাধক পঠায়।।
শিশু অশ্বত্থত আউজিয়া জগন্নাথ।
মূৰ্তি ধৰি অস্ত্ৰ সৱে আছে দমাই মাথ।।
মদনৰো দৰ্প হৰৈ ৰূপক আকলি।
শৰীৰৰ জ্যোতি প্ৰকাশিত বনস্থলি।।
সেই সময়ত আসি উদ্ধৱ মহন্ত।

বিচাৰি কুৰন্তে মাধৱক দেখিলন্ত।।
যদ্যপি বিদায় তাঙ্ক দিলা যদুৰায়।
যাইবাক নপাৰি আছা পাছতে লুকাই।।
দেখিলন্ত সিটো যদুবংশৰ নির্য্যাণ।
কৃষ্ণক এড়ন্তে যেন ফুটি যায় প্ৰাণ।।
পাচে পাচে মাধৱৰ কুৰন্ত নিচুকি।
ভয়তে নেদন্ত দেখা পাৰন্ত ভুমুকি।।
কুৰন্ত সঙ্কোচি চাপি চুম্পি কৰি কাচে।
পৰিল কৃষ্ণৰ দৃষ্টি উদ্ধৱত পাচে।
তুলিলন্ত হাসি হৰি উদ্ধৱক দেখি।
আসা আসা কিছু ভয় নকৰিবা সখি।।
হেন শুনি উদ্ধৱৰ উল্লসিল জীৱ।
শিহৰি শৰীৰৰ সবে লোম ভৈল থিয়।।
প্ৰেম উপজিয়া ঝৰৈ লোতক বোম্বালে।
হা কৃষ্ণ কৃষ্ণ ৰড়ি পৰিলা নিঢ়ালে।।
দুই হাতে ধৰি দুই অৰুণ চৰণ।
তাতে মাথা থাপি থৈয়া কৰন্ত ক্ৰন্দন।।
মোক তেজি যাহা ঐ বাপ জগন্নাথ।
তুমি অবিহনে ভৈলো আজিসে অনাথ।।
এৰিলোহো মোহ যত পুত্ৰ পৰিবাৰ।
এহি চৰণকে মাত্ৰ কৰিলোহো সাৰ।।
আকো হৰুৱাইলো আৱে কিনো মন্দভাগি।
মোক কাক দিয়া নাথ যাহা কৈ লাগি।।
দেৱৰো দেৱতা তুমি ঈশ্বৰ সাক্ষাত
তথাপিতো নাথ মোক মাতা মন্ত্ৰণাত।।
তযু আগে কমন অধম মঞিও পাপী।
ওৱা সখি বুলি মাতা সম্বুধি তথাপি।।
অন্তেষপুৰতো থাকো পিন্ধো বস্ত্ৰ ছাড়।
ৰহস্য কথাকো মোত নকৰিলা আৰ।।
ইসব তোমাৰ গুণ সুমৰি সুমৰি।

ৰাখি আছো প্ৰাণ কিয় এভো নযাঞু মৰি।।
ব্ৰহ্মাৰো জনক হুয়া দেৱতো উত্তম।
মোক বোলা নাহিকে বান্ধৱ তুমি সম।।
নেদেখিবো দুনাই হেন গুণৱন্ত স্বামী।
আজিসি গুচিল চক্ষু অন্ধ ভৈলো আমি।।
চামৰে ঢুলিবো কাক শীতল শয্যাত।
কাৰ পদ পঙ্কজক ঝাণ্টিবো নিন্দ্ৰাত।।
কাক সেৱা কৰিয়া খপিবো আৱে দিন।
ঈশ্বৰে বঞ্চিত ভৈলো কিনো ভাগ্য হীন।।
জানিলো পাতকী মোত পৰে আউৰ নাই।
ইটো চিন্তামণি হৰুৱাইলো হাতে পাই।।
পূজিবে নপাইলো চৰণক চিৰকাল।
হা বিধি কিনো মোৰ অভাগ্য কপাল।।
ধ্বজ ব্ৰজ পঙ্কজ অঙ্কুশে অলঙ্কৃত।
কাৰ খোজ নিৰেখি থাকবো পৃথিৱীত।।
আজি গৈল উৎসৱ বিধৱা ভৈল ভুমি।
এইহ বুলি উদ্ধৱে কান্দন্ত হুমহুমি।।
নসহে হৃদয় শোকে প্ৰাণ যায় ফুটি।
পাৰন্ত সন্তাপে পৃথিৱীত লোটালুটি।।
হা কৃষ্ণ কৃষ্ণ বুলি কতো দেন্ত উকি।
তমোময় দেখি কতো থাকন্ত নিচুকি।।
কান্দন্ত উদ্ধৱে গুণ বৰ্ণাই বৰ্ণাই।
অসন্তোষে কেশৱে আছন্ত তাক চাই।।
ভকতৰ দুখত আকুল বনমালী।
চাৰি হাত মেলি তুলিলন্ত আঙ্কোৱালি।।
মহা স্নেহে ধৰি উদ্ধৱক গলে বান্ধি।
আছিলন্ত কৃষ্ণে কতোক্ষণ মানে কান্দি।।
কমল নেত্ৰৰ নীৰ বহে সৰসৰি।
মুচিলা সখিৰ মুখ পীতবস্ত্ৰ ধৰি।।
বোলন্ত অনেক তান্ক প্ৰবোধ মাধৱ।

হুয়ো সন্মুক্ষণ আৱে বান্ধৱ উদ্ধৱ।।
পৰম বান্ধৱ তুমি ভৈলো কৃতকৃত্য।
পূৰিবো তোমাৰ সবে মনৰ বাঞ্ছিত।।
আছিলাহা বসু তুমি উপৰি জন্মত।
কৰিলা ভকতি মাত্ৰ মোৰ চৰণত।।
তাৰ ফলে ইজন্মত লৈলা আসি লাগ।
সুদৃঢ় ভকতি জ্ঞান পৰম বৈৰাগ।।
মোহোৰ কৃপাত তুমি তৰিলা সংসাৰ।
আউৰ পুনৰপি জন্ম নাহিকে তোমাৰ।।
এহি শৰীৰতে তুমি লভিবা মুকুতি।
আউৰ খেদ কৰা সখি কমন যুগুতি।।
বৈকুণ্ঠ প্ৰয়াণ কৰো এৰি ইটো লোক।
হেন বেলা সখি আসি দেখিলাহা মোক।।
কৈলো যিটো মহাজ্ঞান ভকতি ব্ৰহ্মাত।
কৰিবো বেকত তাক উদ্ধৱ তোমাত।।
হেন কৃপা বাক্য বাণী শুনিয়া স্বামীৰ।
মহাস্নেহে শিহৰিল সমস্ত শৰীৰ।।
দুয়ো নয়নৰ নীড় ধাৰে বহি যায়।
কৰ যোড়ে বুলিলন্ত উদ্ধৱে দুনাই।।
চৰণে সেৱাক উদ্যমক কৰো মাত্ৰ।
এতেকতে এতেক স্নেহৰ ভৈলো পাত্ৰ।।
কিনো কৃপাময় তুমি ভৃত্য প্ৰিয় দেৱ।
কোননো অধম অন্ধে নকৰিবে সেৱ।।
তুমি পৰিপূৰ্ণ জ্ঞান জগত প্ৰখ্যাত।
তথাপিতো নাথ মোক মাতা মন্ত্ৰণাত।।
সোধা কথা আমাত সামান্য যেন জন।
সুমৰি ইহাক মোৰ মোহ হোৱৈ মন।।
ব্ৰহ্মাত ভকতি জ্ঞান যিটো কৈলা স্বামী।
তাঙ্ক জানিবাক যেবে যোগ্য হঞু আমি।।
কহিয়োক মোত তেৱে প্ৰভু ভগৱন্ত।

সংসাৰৰ দুখত হেনবা পাঞো অন্ত।।
মিলিল মৈত্ৰেয় ঋষি সেহি সময়ত।
কৃষ্ণক প্ৰণামি থিয় ভৈলন্ত আগত।।
তাঙ্ক দেখি প্ৰভু পাছে তুলিলন্ত হাসি।
কহিলা ৰহস্য জ্ঞান ভকতি প্ৰকাশি।।
শুনিয়ো ভকত দুয়ো কহিলো স্বৰূপ।
যেন দেখা আত পৰে নাহি মোৰ ৰূপ।।
ইহাক নজানি লোকে আন কৰ্ম কৰে।
এহি মাত্ৰ দোষে ঘোৰ নৰকত পৰে।।
হৃদয়তে আছো মোক জানিয়া নাদৰে।
নাহিকৈ নাৰকী সিটো পাতকীত পৰে।।
শ্ৰৱণ কীৰ্ত্তন বিনে ধৰ্ম নাহি আন।
কৈলো সত্য ৰহস্য ভকতি মহাজ্ঞান।।
শুনিয়ো মৈত্ৰেয় ঋষি কহিলো তোমাত।
নেদেখিলো প্ৰাণ বিদূষক ইবেলাত।
আপুনি কহিবা তান্ত ইটো তত্ত্ব ভেদ।।
চলিয়োক দুয়ো আৰে দিলো পৰিচ্ছেদ।।
পৰম প্ৰসাদ দুইকো দিলা কৃপাময়।
আনন্দে নধৰে আউৰ দুহানো হৃদয়।।
ৰোমাঞ্চিত তনু নয়নৰ ঝৰেনীৰ।
কৰিলন্ত প্ৰণাম পাৱত থৈয়া শিৰ।।
আউৰ মাতিবাক কিছু উদ্ধৱে নপাৰি।
চৰণৰ ধূলি তুলি লৈলন্ত ঝঙ্কাৰি।।
কৰিলন্ত প্ৰদক্ষিণ শৰীৰ সঙ্কুচি।
লৰিলন্ত কৰ যোৰে পাছে পাছ গুচি।।
দেখিবাক লাগি বীৰে বৈকুণ্ঠ প্ৰয়াণ।
আৰ হুয়া ৰহিলা লাভয়া মহাজ্ঞান।।
কৃষ্ণক এড়ন্তে ছাড়ি প্ৰাণ যেন যাই।
থাকিয়া নিচুকি সঙ্কুচিত কৰি কাই।।
এহিমতে মৈত্ৰেয় উদ্ধৱ যেৱে গৈল।

শুনা আত পৰে ৰাজা যেন কথা ভৈল।।
ৰথত চড়িয়া পাছে সাৰথি দাৰুকে।
মাধৱক চাহি দুখে ফুৰন্ত নিচুকে।।
হা কৃষ্ণ কৃষ্ণ বুলি তেজন্ত নিশ্বাস।
সচকিত নেত্ৰে আতি চান্ত দিশ পাশ।।
ফুৰন্ত বিচাৰ কৰি অনেক প্ৰৱন্ধ।
কতো ক্ষণে পাইলা পাছে তুলসীৰ গন্ধ।।
জীলো জীলো বুলি অতি উল্লসিত মনে।
কৃষ্ণক গৈলন্ত খেদি গন্ধ নিৰীক্ষণে।।
মাধৱক দেখিলা সমুখ হুয়া পাছে।
মূৰ্ত্তি ধৰি অস্ত্ৰ সৱে উপাসন্তে আছে।
প্ৰকাশে শৰীৰ যেন পূৰ্ণিমাৰ শশী।
শিশু অশ্বত্থত আউজিয়া আছা বসি।।
দেখিয়া সাৰথি গৈলা প্ৰত্যেকে প্ৰভুক।
বজাইললোতক ভৈল আকুল দাৰুক।।
হা প্ৰাণ নাথ বুলি মহা প্ৰেমভাৱে।
ৰথ হন্তে জাপ দিয়া পৰিলন্ত পাৱে।।
চৰণত পড়ি কান্দিলন্ত হুমহুমি।
এৰি মোক কৈত যাহা প্ৰাণ প্ৰভু তুমি।।
অৰুণ চৰণ দুই নেদেখিয়া স্বামী।
গুচি গৈল চক্ষু যেন অন্ধ ভৈলো আমি।।
নজানো বিদিশ দিশ দিনতে আন্ধাৰ।
নাহি একো সুখ শান্তি বান্ধৱ আমাৰ।।
নজ্বলৈ ৰজনী যেন অস্ত গৈল শশী।
আমাক এড়িয়া নাথ আছা ঐত বসি।।
দেৱতাৰো দেৱতা ঈশ্বৰ সদাশিৱ।
তোমাৰ অৱস্থা দেখি কেনে ধৰো জীৱ।।
ব্ৰহ্মা আদি দেৱে পূজে যাহাৰ চৰণ।
সৰ্বদায়ে যাৰ গতি গৰুড় বাহন।।
হেন প্ৰভু বসি আছা কেৱলে ভূমিত।

দেখি কিয় প্ৰাণ নযায় এভোধৰো চিত্ত।।
দণ্ডে কিয় প্ৰাণ নযায় এভো ধৰো চিত্ত।
দণ্ডে ছত্ৰে সেৱৈ অসংখ্যাত পাৰিষদে।
অনন্ত শয্যাত থাকা মহা পৰিচ্ছদে।।
আপুনি ঋান্তন্ত লক্ষ্মীমাৱে যাৱভৰি।
কিয় জীঞ্ও মাটিত দেখিয়া হেন হৰি।।
ৰুক্মিণী প্ৰমুখ্যে ষোল্ল সহস্ৰ সুন্দৰী।
যাক সেৱা কৰন্ত চামৰ কৰে ধৰি।।
হেনয় প্ৰভুৰ বাসা ভৈল তৰুতলে।
কান্দন্ত দাৰুকে দেখি শোকে অগ্নিজ্বলে।।
এহিমতে দাৰুকে বোলন্তে পাছে ৰথ।
আকাশে ধৰিলা বেগে বৈকুণ্ঠৰ পত।
লৰিল পাছত চক্ৰ আদি অস্ত্ৰচয়।
দেখিয়া দাৰুক ভৈল পৰম বিস্ময়।।
তবধ নয়নে উপৰক আছা চাই।
ৰথ লৈয়া চাৰি ঘোড়া উদ্ধক উধাই।।
অস্ত্ৰ সবো সঞ্চাৰিল পৰম উৎসুকে।
আৱেসে নশিলো বুলি কান্দন্ত দাৰুকে।।
বুলিলন্ত কৃষ্ণৰ চৰণে থৈয়া মাথ।
জানিলো তেজিয়া মোক যাইবা প্ৰাণ নাথ।।
তুমি অৱিহনে প্ৰাণে নবৰ্ত্তিবো স্বামী।
ভৈলো অনাথিতি আৱে আমি অধোগামী।
বৈকুণ্ঠৰ পৰা আইলো ৰথে সমন্বিতে।
ঘোড়াক পঠাইলা মঞি থাকিলো ভুমিতে।।
কোন অপৰাধে মোক কৰা উগ্ৰ শাস্তি।
এহি বুলি সাৰথি কান্দন্ত শোকে আতি।।
চলিবাহা প্ৰাণ প্ৰভু আমাক উপেক্ষি।
কেনে জীঞ্ও ইটো পদ পঙ্কজ নেদেখি।।
পৰিয়া দাৰুকে দুখে কৰন্ত বিলাপ।
ভকতৰ কাতৰত কৃষ্ণৰো সন্তাপ।।

আশ্বাসি ধৰিয়া প্ৰবোধিলা যদুৰাজ।
মোক লাগি শোক তুমি কৰা কোন কাজ।।
সত্বৰে সাৰথি চলিয়োক দ্বাৰকাক।
বান্ধৱত কৈয়ো গৈয়া আমাৰ বাৰ্ত্তাক।।
অন্যো অন্যে জ্ঞাতিগণ মৰিল সমস্ত।
প্ৰত্যেকে দেখিলা বলভদ্ৰো গৈল অস্ত।।
শৰঘাৱে ভৈলো মই মৃতক সমান।
পিতৃক মাতৃক গৈয়া তুমি দিয়া জান।।
দ্বাৰকাত আউৰ নথাকিব একো নৰে।
মই এৰিলাতে আসি বুৰাইবে সাগৰে।।
সবন্ধু বান্ধৱে সাগৰৰ হুইবা পাৰ।
নেৰিবাহা বৃদ্ধ পিতৃ মাতৃক আমাৰ।।
হৰি হৰি দৈৱকী দুখিনী মোৰ আই।
তোমাকেসে সুমৰন্তে প্ৰাণ ফুঠি ঘাই।
মোৰ পদে পূৰ্বতো নাছিল কিছু সুখ।।
পাপী কংসে বান্ধি নেদিলেক কোন দুখ।
মাৰিলেক ছয় পুত্ৰ পাইলা মহা শোক।।
পাসৰিলা সিসৱ শোকক দেখি মোক।
কৰিবে নপাইলো আৱে মই প্ৰতিপাল।
হৰি হৰি বিধি কিনো লাগিল কপাল।।
মই অবিহনে আৱে কিমতে জীৱন্ত।
এহি বুলি মকমকি মাধৱে কান্দন্ত।।
কমল নেত্ৰৰ নীৰ পৰৈ সৰসৰি।
কৰন্ত বিলাপ পিতৃ-মাতৃক সুমৰি।।
পীতবস্ত্ৰে মুচি মুখ তেজিয়া নিশ্বাস।
বুলিলন্ত দাৰুকক জগত নিবাস।।
যদি আয়ু অধিকে জীৱন্ত কতো কাল।
সিটো পিতৃ মাতৃক কৰিবো প্ৰতিপাল।।
আসিব অৰ্জুন সখি দেখিবাক মোক।
তান লগে যাইব দ্বাৰকাৰ যত লোক।।

ৰাখি নিব পথে ধনঞ্জয় মহাৰথ।
বঞ্চিবাহা গৈয়া তুমি সবো ইন্দ্ৰপ্ৰস্থ।।
সুমৰন্ত প্ৰাণ সখি যেবে মোৰ গুণ।
অনাথ বৃদ্ধক তেবে পালিব অৰ্জুন।।
তান হাতে সুপি হেৰা যাঞ্ছু নিজ ঘৰ।
মোৰ পদে কৰিবাহা সখিক কাতৰ।।
তুমি আচৰিবা ভাগৱত ধৰ্মচয়।
জ্ঞাননিষ্ঠ হুয়া সবে তেজিবা বিষয়।।
মায়াৰ ৰচনা ইটো জগতকে জানি।
পাছে মোক পাইবা গৈয়া কৈলো সত্য বাণী।।
দাৰুকে শুনিলা হেন কৃষ্ণৰ আদেশ।
কৰ যোৰে উঠিলা মনত কৰি ক্লেশ।।
প্ৰদক্ষিণে প্ৰভুক কৰিলা বাৰ সাত।
দুনাই দুনাই পৰিল উঠিয়া ঢ়াত ঢ়াত।।
শিৰত আছিলা ধৰি দুখানি চৰণ।
লোতকে চল্লল আখি কৰন্ত ক্ৰন্দন।।
চলি লোহো আজি প্ৰাণ প্ৰভুক উপেখি।
ইজন্মত ভৈল পৰিচ্ছেদ দেখা দেখি।।
এহি বুলি লৰিলা কৃষ্ণৰ পাৱ এড়ি।
হা প্ৰভু বুলিয়া পাৰন্তে যান্ত গেড়ি।।
স্বামীৰ বিয়োগে যেন ঘাই প্ৰাণ কুটি।
হা কৃষ্ণ বুলিয়া হানন্ত হিয়ে মুঠি।।

এই স্কন্ধৰ চলিত অধ্যায়ত বৰ্ণিত ব্যাধৰ স্বৰ্গলোক যাত্ৰাৰ পিছতে দাৰুকৰ আগমনৰ বিষয়টিহে প্ৰকাশ পাইছে (ভাগ-১১/৩০/৩৯—৫০) আৰু কৃষ্ণৰ আদেশ লাভ কৰি তেওঁ দ্বাৰকালৈ প্ৰস্থান কৰিছে। কিন্তু গুৰুজনে ব্যাধৰ প্ৰস্থানৰ পিছতে পুনৰ উদ্ধৱৰ কৃষ্ণ দৰ্শনৰ বৰ্ণনা প্ৰকাশ কৰা দেখা গৈছে। এনে বৰ্ণনা এই অধ্যায়টিত অভাৱ। পিছে গুৰুজনে ব্যাধৰ আৰু দাৰুকৰ প্ৰস্থানৰ মাজতে কৃষ্ণৰ ওচৰলৈ উদ্ধৱৰ আগমন দেখুৱাইছে। এই বৰ্ণনা ভাগৱতৰ তৃতীয় স্কন্ধৰ প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ অধ্যায়ৰ পৰাও ঘটনাক্ৰম টানি অনা হৈছে। আমি সেই বিষয়ে আৰম্ভণিতে প্ৰকাশ কৰি

আহিছোঁ। সেইদৰে প্ৰথম স্কন্ধৰ ঘটনা ক্ৰমো ইয়াত সংযোজিত হৈছে। ইয়াৰ মাজত গুৰুজনাৰ নিজৰ হস্ত পৰশত ভাগৱতীয় সূত্ৰৰ ওপৰত আধাৰিত হৈ ভক্তিতত্ত্বৰ মুখ্য বিষয়সমূহ প্ৰকাশিত হোৱাও দেখা গৈছে। দাৰুকক আশ্বাস বাক্যৰে বিদায় দিয়াৰ পিছত একাদশৰ একত্ৰিশ অধ্যায়ত কৃষ্ণ বৈকুণ্ঠ প্ৰয়াণৰ বিষয় বৰ্ণনা কৰা হৈছে। প্ৰথমতে ব্ৰহ্মাদি দেৱতাসকলৰ আগমন হৈছে আৰু ইয়াত আঠাইশটি শ্লোকৰ অৱতাৰণাৰে বিষয়টি প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰৰে এঘাৰ, চৈধ্য, সাতাইশ আৰু আঠাইশ সংক্যাৰ শ্লোক চাৰিটি বাদ দি বাকীখিনি শ্লোকৰ অনুবাদ কৰিছে আৰু মাজে মাজে সৃষ্টিমূলক ৰস সঞ্চাৰ কৰা দেখা গৈছে। আমি তলত শ্লোক কেইটিৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল।

(১—৪) শুকদেৱে ক'লে— হে ৰাজন্। ইয়াৰ পিছত দ্বাৰকা'লৈ ব্ৰহ্মাই আগমন কৰিলে। পাৰ্বতীৰ সৈতে শিৱ, প্ৰজাপতি, ইন্দ্ৰাদি দেৱতা পিতৃ, মুনি, সিদ্ধ, গন্ধৰ্ব, বিদ্যাধৰ, নাগ, কিন্নৰ, অপ্সৰা, দ্বিজগণে, ভগৱানৰ প্ৰয়াণ দৰ্শন কৰিবলৈ উৎসুক হৈ তাত উপস্থিত হ'লহি। তেওঁলোকে কৃষ্ণৰ জন্ম আৰু কৰ্ম স্মৰণ আৰু কীৰ্তন কৰি কৰি পৰম ভক্তি সহকাৰে হৃদয়ত গ্ৰহণ কৰি আকাশ মাৰ্গত বিমানেৰে আবৃত হৈ পুষ্পসমূহ বৰ্ষণ কৰিবলৈ ধৰিলে।

(৫—৬) ভগৱান কৃষ্ণই ব্ৰহ্মালৈ দৃষ্টি কৰি নিজ ঐশ্বৰ্য্য আৰু আত্মাত আত্মা সংযোজন কৰি চক্ষু মুদি ৰ'ল আৰু য'ত ধাৰণাৰ দ্বাৰালোকসকলে ধ্যান মঙ্গল লাভ কৰিব পাৰে, তেনেকৈ প্ৰকাশমান যোগ ধাৰণাৰে লোক মনোৰম নিজদেহ দগ্ধ নকৰাকৈ নিজধামলৈ গতি কৰিলে।

(৭) স্বৰ্গত দুন্দুভি বাজি উঠিল, আকাশৰ পৰা পুষ্প বৃষ্টি হ'ল, আৰু পৃথিবীৰ পৰা ধৰ্ম, ধৃতি, কীৰ্তি শ্ৰী, সত্য সেই সত্যস্বৰূপ পৰমাত্মাৰ অনুগমন কৰিলে।

(৮) তেতিয়া পিতামহ প্ৰভৃতি দেৱতাসকলে নিজ ধামলৈ যোৱা অবিজ্ঞাত গতি কৃষ্ণলৈ নিৰীক্ষণ কৰিলে। অথচ তেওঁলোকে দেখা নাপালে। তেওঁলোক অত্যন্ত বিস্ময়াপন্ন হ'ল।

(৯) মেঘৰ মাজেদি প্ৰকাশিত বিদ্যতৰ গতি দেৱতাসকলে দৰ্শন কৰিব পাৰে। কিন্তু যেনেকৈ মনুষ্যসকলে সেই গতি দৰ্শন কৰিবলৈ সমৰ্থ নহয়, তেনেকৈ পৃথিৱী ত্যাগ কৰা কৃষ্ণৰ প্ৰয়াণ দেৱতা আৰু মানৱসকলে দেখা নাপালে। কেৱল তেওঁৰ নিজ পাৰিষদসকলেহে দেখা পালে।

(১০) কৃষ্ণ প্ৰয়াণৰ গতি দেখিবলৈ অহা ব্ৰহ্মা ৰুদ্ৰাদি দেৱতাসকলে

তেওঁৰ প্ৰয়াণৰ গতি দেখি বিস্মিত হ'ল আৰু তেওঁৰ প্ৰশংসা কৰি কৰি নিজ নিজ ধামলৈ প্ৰস্থান কৰিলে।

(১১) হে ৰাজন! পৰম কাৰণ শ্ৰীকৃষ্ণৰ যদু বংশত জন্ম, বৈকুণ্ঠ প্ৰয়াণ লীলা— এই সকলো বিলাক নটৰ অভিনয়ৰ নিচিনা। এতেকে ইয়াক বিড়ম্বনা বুলি জানিবা। কিয়নো তেওঁ আত্মাৰ পৰা এই জগত সৃষ্টি কৰিছে আৰু অন্তৰ্যামিৰূপে তাত অনুপ্ৰৱেশ কৰিছে। প্ৰলয় কালত তেওঁ সংহাৰ কৰি স্বমহিমাৰে স্থিৰ হৈ থাকে।

(১২) যিজনে যমপুৰলৈ নি ৰখা গুৰু সান্দীপণি পুত্ৰসকলক স্বশৰীৰে আনি দিছিল, ব্ৰহ্মাস্ত্ৰদগ্ধ তোমাক যি শৰণাগতক ৰক্ষা কৰিছিল, যি সংহাৰকৰ্তা শিৱক বাণাসুৰ সংগ্ৰামত পৰাজিত কৰিছিল, জৰা নামৰ ব্যাধকো যিজনে সশৰীৰে স্বৰ্গলৈ প্ৰেৰণ কৰিছিল, তেনেকুৱা এজন পুৰুষে নিজক ৰক্ষা কৰিবলৈ অসমৰ্থ হ'ব পাৰেনে?

(১৩) যিজনে সমস্ত জগতৰ সৃষ্টি স্থিতি প্ৰলয়ৰ নিৰপেক্ষ কাৰণ, অশেষ শক্তিশালী, তেওঁ যাদৱসকলক সংহাৰ কৰি নিজ শৰীৰ অৱশিষ্ট ৰাখিবলৈ ইচ্ছা নকৰিলে। তাত তেওঁ মানৱ শৰীৰেৰে দিব্য গতি লাভৰ নিদৰ্শন প্ৰকাশ কৰি গ'ল।

(১৪) কৃষ্ণ বিৰহ কাতৰ দাৰুকে দ্বাৰকালৈ আহি বসুদেৱ আৰু উগ্ৰসেনৰ চৰণত পৰি অশ্ৰুনেত্ৰে তেওঁলোকৰ চৰণ তিয়াই পেলালে।

(১৫) হে ৰাজন! দাৰুকে যাদৱ বংশৰ নিঃশেষ নিধন বাৰ্তা নিৱেদন কৰিলত দ্বাৰকাৰ সমস্তলোক উদ্বিগ্ন চিত্ত আৰু শোকত মূৰ্চ্চা গ'ল।

(১৬) কৃষ্ণ বিৰহ বিহ্বল জ্ঞাতিসকলে মুখত আঘাত কৰি কৰি যি স্থানত যাদৱসকল মৰি পৰি আছিল তালৈ তৎক্ষণাৎ আগমন কৰিলে।

(১৭,১৮) দৈৱকী, ৰোহিনী আৰু বসুদেৱে নিজ পুত্ৰ কৃষ্ণ বলৰামক দেখিবলৈ নাপাই শোকত কাতৰ হৈ অচেতন অৱস্থাত সেই ঠাইতে প্ৰাণ ত্যাগ কৰিলে আৰু কৃষ্ণৰ কাতৰা নাৰীসকলে নিজ নিজ পতিসকলক আলিঙ্গন কৰি চিতাত আৰোহণ কৰিলে।

(১৯) বলৰামৰ পত্নীসকলে বলৰামৰ দেহত, বসুদেৱৰ পত্নীসকলে বসুদেৱৰ দেহত, আৰু কৃষ্ণ পুত্ৰসকল যেনে, প্ৰদ্যুম্নাদিৰ পত্নীসকলে সিসকলৰ দেহত আলিংগন কৰি অগ্নিত প্ৰৱেশ কৰিলে আৰু ৰোহিণী প্ৰভৃতি কৃষ্ণৰ আত্মীয় নাৰীসকলেও অগ্নিত প্ৰৱেশ কৰিলে।

(২০, ২১) কৃষ্ণৰ প্ৰিয় সখা অৰ্জুন বিৰহাতুৰ হ'লেও সদুক্তি আৰু কৃষ্ণ গুণ কীৰ্তনৰ দ্বাৰা আত্মাক সান্ত্বনা দিলে আৰু যিসকলৰ জ্ঞাতিহীনহৈছে, সিসকলৰ মৃত বন্ধুৰ পিণ্ডোদকাদি ক্ৰিয়া সমাপন কৰিলে।

(২২) হে মহাৰাজ! শ্ৰীকৃষ্ণই যেতিয়া দ্বাৰকাপুৰী পৰিত্যাগ কৰিলে, তেতিয়া তৎক্ষণাৎ কেৱল কৃষ্ণ মন্দিৰৰ বাহিৰে সমস্ত দ্বাৰকাপুৰী সমুদ্ৰত বুৰ গ'ল।

(২৩) সেই কৃষ্ণ মন্দিৰত ভগৱান মধুসূদন নিত্য সন্নিহিত থাকে। সেই সৰ্বমঙ্গলৰো মংগল কৃষ্ণ মন্দিৰৰ স্মৰণ মাত্ৰেই অশেষ অশুভ ৰাশি বিনাশ প্ৰাপ্ত।

(২৪) অৰ্জ্জুনে হতাৱশিষ্ট স্ত্ৰী, বালক, আৰু বৃদ্ধসকলক লগত লৈ ইন্দ্ৰপ্ৰস্থত সংস্থাপন কৰিলে আৰু তাত বজ্ৰ নামেৰে ৰজাক নৃপতি পদত অভিষিক্ত কৰিলে।

(২৫) হে ৰাজন! অৰ্জুনৰ মুখে ইন্দ্ৰপ্ৰস্থবাসী কুৰু বৃদ্ধ পিতামহসকলে বন্ধুবৰ্গৰ নিধন বাৰ্তা শুনি নিজৰ বংশধৰসকলক সংস্থাপন কৰি মহাপ্ৰস্থান কৰিলে ইত্যাদি।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ —

শুক নিগদতি নৃপতি সম্প্ৰতি
শুনা যেন কথা ভৈল।
কৃষ্ণৰ আদেশে কান্দন্তে দাৰুকে
দ্বাৰকাক যেবে গৈল।।
বৈকুণ্ঠক লাগি প্ৰয়াণ কৰিবে
খোজন্তে জগনিবাস।
সেই বেলা আসি ত্ৰিদশ দেৱতা
ৰহিলা জুড়ি আকাশ।।
দেৱ সিদ্ধ ঋষি আসিলা হৰিষি
ব্ৰহ্মাক বেঢ়ি উৎসুকি।
কৃষ্ণ গুণ গান কৰন্ত কীৰ্ত্তন
তাল কৰতাল ঠুকি।।
পাৰ্ব্বতী সহিতি আসি পশুপতি
সন্তোষে কৃষ্ণক চাই।

বজাৱে ডম্বৰু জগতৰ গুৰু
নাচন্ত গুণ বৰ্ণাই।।
ইন্দ্ৰ চন্দ্ৰ ৰবি কুবেৰ বৰুণ
আনো যত দিগপাল।
গৱৈ গুণগীত কতো কৰৈ নৃত্য
বাৱৈ দিব্য যন্ত্ৰতাল।।
দুন্দুভি মৃদঙ্গ ৰঙ্গে বিদ্যাধৰে
বাৱৈ আকাশক ছানি।
চাই এক দৃষ্টি কৰে পুষ্প বৃষ্টি
ৰড়ে জয়কৃষ্ণ বাণী।।
জয় কৃষ্ণ বুলি হাতে হাতে তালি
আনন্দে আকুল ভাব।
আজি দেৱহৰি পৃথিৱীক এড়ি
আসিবা আমাৰ ঠাৱ।।
পৰম ভকতি ত্ৰিদশে কৰিলা
আকাশ মণ্ডলে থাকি।
কৃষ্ণৰ মাথাত দিব্য পাৰিজাত
পুষ্প বৰষিলা ঢকি।।
ব্ৰহ্মা ৰুদ্ৰ ইন্দ্ৰ চন্দ্ৰ আদি কৰি
যত মহা দিগপাল।
আসা মোৰ থান নাথ নাৰায়ণ
কৰন্ত সবে কোহলাল।।
অন্যো অন্যে কৰি সবেয়ো বোলন্ত
আসিবা মোৰেসে ঠাই।
আকাশৰ পৰা কৰন্ত কাতৰ
কৃষ্ণৰ ভিতিক চাই।
হেন শুনি হৰি চাইলা চক্ষু মেলি
উপৰক তুলি মাথ।
ব্ৰহ্মা আদি কৰি ত্ৰিদশ দেৱক
দেখিলা কৃষ্ণে সাক্ষাত।।

কৃষ্ণৰ সদয় দেখি জয় জয়
করন্ত দেৱতা গণে।
যত দেৱমূল কৰৈ হুলস্থূল
আতি মহাৰঙ্গমনে।।
ব্রহ্মা হৰ ইন্দ্র যত দিগপাল
কৰৈ আতি কোলাহল।
আমাৰ থানক আসিয়োক বাপ
পৱিত্র কৰা কৃপাল।।
পাছে জগন্নাথ চপড়াইলা মাথ
দেৱৰ শুনি কন্দল।
কাহাকো সিদ্ধান্ত নিদিয়া মাধৱে
মুদিলা নেত্রকমল।।
দেৱতাসৱক বঞ্চিবাক লাগি
ধৰিলা মিছা ধিয়ান।
যতেক মাতন্ত নেদন্ত কাহাকো
কৃষ্ণে একো সমিধান।।
মঠ ধৰি হৰি বসিয়া আছন্ত
হুয়া আতি নিশৱদ।
বৈকুণ্ঠৰ পৰা আইলা আগবাঢ়ি
যত মুখ্য পাৰিষদ।।
মহা বাদ্যে ভণ্ডে ছানি ছত্রে দণ্ডে
কৃষ্ণৰ মহিমা গাৱে।
কৰৈ কোলাহল তাল কৰতাল
নানা দিব্য যন্ত্র বাৱে।।
নাচে চতুর্ভুজ সেনা তৈৰ পৰা
ধৱল চামৰ ঢোলে।
সকল গগন মণ্ডল পূৰিলে
কৃষ্ণৰ কীর্ত্তনে ৰোলে।।
শিৰীষ সেউতী চম্পক মালতী
পাৰিজাত সিঞ্চে মাথে।

এড়ি পৃথিৱীক বৈকুণ্ঠে যাইবাক
সাজিলা জগত নাথে।।
আকাশ প্ৰকাশি কৰিলা প্ৰয়াণ
ৰশ্মিপুঞ্জ যেন চুটিল।
দেখে নেদেখে বিজুলী চটকে
বৈকুণ্ঠে গৈয়া উঠিল।।
কৃষ্ণৰ গাৱত ৰশ্মি লাগি আসি
ব্ৰহ্মা আদি দেৱমানে।
তিৰিমিৰি দেখি অধোমখে সবে
পৰিলা নিজ বিমানে।।
চক্ষু কাটে বুলি আখিত ধৰিলা
দুহাতে ঝপায়া আটি।
অনন্ত শয্যাত কেশৱ বসিলা
কৰি অতি পৰিপাটি।।
দেখিয়া প্ৰভুক উৎসুকে পৰিয়া
প্ৰণামিলা লক্ষ্মী মাৱ।
কতোকালে লাগ পায়া ঝণ্টিবাক
লাগিলা স্বামীৰ পাৱ।।
মুখ্য পাৰিষদে উপাসি চৌপাশে
নম্ৰভাৱে তুতি বোলে।
মাথাৰ উপৰে শ্বেত ছত্ৰ তুলি
ধৱল চামৰে ঢোলে।।
কৃষ্ণক দেখিতে কৰে আয়াযাত
চতুৰ্ভুজ সেনা ছানি।
কৃষ্ণৰ আগত পড়ি দণ্ডৱতে
বোলে কতো তুতি বাণী।
বৈকুণ্ঠবাসীৰ ভৈল মহোৎসৱ
মিলিল মহাসম্পদ।
ৰঙ্গে ঠাৱে ঠাৱে গুণ গীত গাৱে
বজাৱে পঞ্চশৱদ।।

ব্ৰহ্মা প্ৰতিমুখে দেৱসৱো দুখে
পৰি আছে কতো বেলি।
সম্মুক্ষণ হুয়া উঠি আসি পাছে
নিহালন্ত চক্ষু মেলি।।
কৃষ্ণৰ গতিক নেদেখিয়া দেৱে
আচৰিত হুয়া আছে।
কৃষ্ণক অনেক প্ৰশংসা কৰিয়া
গৈলন্ত স্বৰ্গক পাছে।।
কৃষ্ণে এড়িলাত কলি প্ৰৱেশিল
অধৰ্ম্মে জুড়িয়া ৰৈল।
শ্ৰীধৰ্ম্ম ধৃতি সত্য শৌচ নীতি
কৃষ্ণৰ লগতে গৈল।।
স্বধৰ্ম্ম আচাৰ সবাকো খেদায়া
পাপে লৈল সামৰাজে।
পৃথিৱীত পুণ্য একো নথাকিল
একে হৰিনাম বাজে।।
তেতিক্ষণে যেন ছন্ন ভৈল ভূমি
শূন্য ভৈল দশোদিশ।
মহন্তৰ মহা মিলিল বিষাদ
দুৰ্জ্জনে কৰৈ হৰিষ।।
কৃষ্ণৰ বিয়োগে অগনি উধাই
পাৰন্ত পৃথিৱী গেড়ি।
হা প্ৰাণনাথ আজিসে অনাথ
কৰি মোক গৈলা এড়ি।।
আৱেসে বিধৱা ভৈলো মঞিও কৈলো
কতনো পাপ সঞ্চিত।
ধ্বজ ব্ৰজ যৱ চৰণৰ খোজে
আজিসে ভৈলো বঞ্চিত।।
কলি চণ্ডালৰ হাতত পড়িলো
পাইলে মোক মহাদুখে।

এহি বুলি ভূমি কান্দে হুমাহুমি
আতি সংলোতক মুখে।।

শুক নিগদতি শুনা ৰাজা মহাশয়।
কৃষ্ণৰ কথাত তুমি তেজিয়ো সংশয়।।
নপাৰিলা আপোনাক মাধৱে ৰাখিত।
নকৰিবা আৰে হেন শঙ্কা বিপৰীত।।
যমৰ পুৰৰো আনি পৰম উৎসুকে।
মৃতক পুত্ৰক দিলা দক্ষিণা গুৰুকে।।
সশৰীৰে নিলা স্বৰ্গে অন্ত্যজ জৰাক।
সি কি কৃষ্ণে ৰাখিবে নুৱাৰে আপোনাক।।
ব্ৰহ্ম অস্ত্ৰে দহিলে তোমাৰ কলেৱৰ।
গদা ধৰি প্ৰৱেশিলা গৰ্ভৰ ভিতৰ।।
অস্ত্ৰকো ভাঙ্গিলা যিটো জীয়াইলা তোমাক।
সি কি কৃষ্ণে ৰাখিবে নপাৰে আপোনাক।।
বাণক ৰাখিবে লাগি যুজিলন্ত হৰে।
তাহাঙ্কো মুহিলা প্ৰভু বিজৃম্ভণ শৰে।।
জগতকো সংহৰে অন্তক যিটো ৰুদ্ৰ।
কৃষ্ণ আগে ভৈলন্ত পতঙ্গ যেন ক্ষুদ্ৰ।।
পৰম ঈশ্বৰ হেন কৃষ্ণ কৃপাময়।
যাৰ কটাক্ষতে হোৱে সৃষ্টি স্থিতি লয়।।
হেন কৃষ্ণে ৰাখিবে নপাৰে আপোনাক।
কোননো বৰ্ব্বৰে আৰে পতিয়াইবে আক।।
মনুষ্য লোকত কিছু নাই সুস্থ গতি।
হেনসে দেখাইলা ইটো ত্ৰিজগত পতি।।
বৈকুণ্ঠক লৰি গৈলা নৰৈ দ্বাৰকাত।
জানিয়া নৃপতি শঙ্কা নকৰিবা আত।।
যিটো মহাৰাজা সিংহাসনে থাকে চড়ি।
ইন্দ্ৰ হেন অন্তকালে মৰে দান্ত তড়ি।।
মৰিলে অৱশ্যে হোৱে বিষ্ঠা পলু ছাই।

কুৎসিত বিষয় দেখা একো সুখ নাই।।
কৃষ্ণৰ ভকতি সুখ সাগৰ সঙ্কাশে।
জ্ঞান কৰ্ম্ম এড়ি কৰা হৰিত বিশ্বাস।।
ব্ৰহ্মালোক পৰ্য্যন্তে কালৰ নেৰাই হাত।
জানি সবে তেজি ভজা কৃষ্ণক সাক্ষাৎ।।
ই কথা থাকোক ৰাজা শুনা পাছ কথা।
বসুদেৱ দৈৱকীৰ যি ভৈল অৱস্থা।।
কৃষ্ণে পঠাই দিলা যেৱে বাৰ্তা কহিবাক।
দাৰুক সাৰথি পাছে গৈলা দ্বাৰকাক।।
গোৱিন্দৰ বিয়োগে বিহ্বল আতি হুই।
চাই আছে বাট নৰ নাৰী উৰ্দ্ধ মুই।।
নুগুচয় হাত ফোট নিশ্বাস দুখত।
ধান দিলে হোৱৈ আখে প্ৰজাৰ মুখত।।
হা হা বিধি কিবা আজি মিলাৱৈ অৱস্থা
পতি পুত্ৰ জ্ঞাতিৰ শুনোহো কিবা কথা।।
এহি বুলি নাৰীসবে অন্যো অন্যে ৰড়ে।
সৰসৰি নীৰ নয়নৰ পৰা পৰৈ।।
বিমঙ্গল দেখন্তে সবাৰো কাম্পে বুক।
বাৰ্তা লৈয়া তৈতে আসি মিলিলা দাৰুক।।
বিৱৰ্ণ বদন দুখে নলৰে অৱস্থা।
দেখিয়া জানিল সৱে অথন্তৰ কথা।।
উগ্ৰসেন বসুদেৱ আছা দুখ ভাবে।
পৰিল দাৰুক গৈয়া দুই হান্তৰো পাৱে।।
চক্ষুৰ লোতকে তিয়াইলন্ত দুইৰো ভৰি।
অনেক কান্দিলা ৰামকৃষ্ণক সুমৰি।।
বসুদেৱ দৈৱকীক দেখিয়া দুনাই।
দশ গুণে ইটো শোক অগণি উধাই।।
হা কৃষ্ণ কৃষ্ণ বুলি দিলা দীৰ্ঘ উকি।
ঝমক দেখিয়া কতো থাকন্ত নিচুকি।।
দেখি সমস্তৰে ধাতু অন্তৰীক্ষ ভৈল।

দাৰুকক বেঢ়ি বাৰ্ত্তা পুছিবাক লৈল।।
কিবা অথন্তৰে কান্দা কিসৰ অন্তৰে।
কি ভৈল সাৰথি কথা কহিয়ো সত্বৰে।।
সম্ভুকি দাৰুকে উঠি সলোতক মুখে।
তেজিলন্ত নিশ্বাস মনত মহাদুখে।।
কি কহিবো কথা মোৰ দহয়ে হৃদয়।
সমৰে মৰিল যদু বীৰ সমস্তয়।।
অস্ত্ৰ সব ঢুকুৱাইল হানিল মাদুৰি।
পৰিল সকলে সাগৰৰ তীৰ জুৰি।।
মিলল সন্তাপ দেখি বংশৰ নিৰ্য্যাণ।
মূৰ্দ্ধা স্ফোট কৰি বলো ছাড়িলন্ত প্ৰাণ।।
ভাইক ধৰি অনেক কান্দিলা দামোদৰ।
বনত পশিলা পাছে হুয়া একেশ্বৰ।।
বিচাৰিয়া পাইলে পাছে অনেক বিকলে।
বসিছা মাটিত শিশু অশ্বত্থৰ তলে।।
বিন্ধি আছে শৰ পাটে প্ৰভুৰ পাৱত।
দেখিয়া কান্দিলো শোকে কৃষ্ণৰ আগত।।
পালটাই পঠাইলা বাৰ্ত্তা কহিবাক লাগি।
প্ৰভুক এড়িয়া আইলো মঞিও মন্দ ভাগি।।
কিবা ভৈল প্ৰভুৰ নজানো পাছ কথা।
প্ৰাণ কুটে দেখি যদুবংশৰ অৱস্থা।।
জনেকো নবৈল নিৰন্তৰে ভৈল হত।
শুনি শোকে অগ্নি যেন লাগিল গাৱত।।
ক্ৰন্দনৰ উৰ্ম্মি উথলিল আতি বৰ।
প্ৰভাসক লাগি সৱে দিলেক লৱৰ।।
গালত চাপৰ মাৰৈ শোকে শ্ৰুতি নাই।
হা পতি পুত্ৰ বুলি গেড়িয়ান্তে যাই।।
ঝমক দেখিয়া কতো থাকন্ত থমকি।
পুত্ৰ পুত্ৰ বুলি কতো কান্দে মকমকি।।
পথতে পৰন্তে যাই শোকে অগ্নি জ্বলে।

তুলি ধৰি নেই বন্ধু বান্ধৱসকলে।।
কতো হিয়ে হানে মুঠ উঠি উঠি পড়ে।
হা স্বামী বুলি কতো কান্দন্তে লৱৰে।।
এহিমতে গৈয়া সৱে দেখিলেক পাছে।
সাগৰৰ তীৰক মৃতকে বেঢ়ি আছে।।
মৰা বন্ধু বান্ধৱক দেখিয়া সাক্ষাত।
শোকে গেড়ি পাৰৈ প্ৰজা কোটি অসংখ্যাত।।
স্বৰ্গ কোল পাইলে ক্ৰন্দনৰ আৰ্ত্ত ৰাৱে।
সাগৰৰ উৰ্ম্মি যেন উথলিল বাৱে।।
মৰা পতি পুত্ৰ সোদৰৰ বান্ধি গলে।
কতো নাৰীগণে কান্দে হাকলে বিকলে।।
ভূমিত পৰিয়া কতো আফালন্ত মাথ।
মোক এড়ি কৈক যাহা ঐ প্ৰাণ নাথ।।
স্বকী স্বকী স্বামীক আলিঙ্গি গলে বান্ধি।
কৰন্ত কাৰুণ্য নাৰী সৱে কান্দি কান্দি।।
দিয়া মুখ মুখত বিনাৱৈ গুণ আতি।
কিয় প্ৰাণ প্ৰভু আছা আমাক নমাতি।।
শীতল শয্যাত যিটো ঘেলাইহা গাৱ।
কিয় পড়ি ভৈল ধূলি ধূসৰ স্বভাৱ।।
উঠা উঠা প্ৰাণনাথ নিদ্ৰা পৰি হৰি।
মাতো মঞি তোমাৰেসে সুভগা সুন্দৰী।।
বায়ু ধৰি আছা কিয় নলৱা উশাহ।
আৱেসে জানিলো আসি ভৈলো সৰ্ব্বনাশ।।
কৈক যাহা ঐ প্ৰাণ পতি মোক এড়ি।
কান্দে আৰ্ত্ত ৰাৱে সৱে মৃতকক বেঢ়ি।।
মহা শোকে বসুদেৱ দৈৱকী ৰোহিণী।
ৰামক কৃষ্ণক বিচাৰিয়া কুৰৈ তিনি।।
পুত্ৰ পুত্ৰ বুলিয়া পাৰন্ত উকি আতি।
কৈত আছা দুয়ো বাপু আমাক নমাত।।
শৰীৰ নসহে দহে তোহোৰ অগণি।

দুখুনী দৈৱকী মাতো তোমাৰ জননী।।
ঝাণ্টে দেখা দিয়ো বাপু বনৰ বজাই।
জুৰুৱাউ জীৱ ঐ প্ৰাণৰ পুতাই।।
পাপী কংসে মাৰিলে প্ৰথমে ছয় পোক।
তোৰ মুখ দেখি পাসৰিলো সিটো শোক।।
তএো তেজিবাহা চাস বুকে দিয়া জুই।
মাতৃ বধ লৈলে তোৰ কোন লাভ হুই।।
বৃদ্ধ পিতৃ-মাতৃক কৰিয়া অনাথিতি।
কমল লোচন পুত্ৰ গৈলি কোন ভিতি।।
মৰিল সবংশে দেখি পায়া অপমান।
কৈত আছা পৰি বাপ কৃষ্ণ মোৰ প্ৰাণ।।
পিণ্ডক জলক লাগি নথাকিল সঞ্চ।
এভো প্ৰাণ পুতাই তঞিও আমাক নবঞ্চ।।
দিয়ো দেখা দামোদৰ দূৰ হৌক দুখ।
নেত্ৰ ভৰি দেখো বাপু সিটো চান্দ মুখ।।
উপজি এড়িয়া মোক গৈলি নন্দ ঘৰে।
বগাইলো নিহল মঞিও তোহোৰ আন্তৰে।।
পাপী কংসে নানা দুখ দিলা বন্দি কৰি।
মোক এড়ি যাস সিয়ো গুণ নুসুমৰি।।
এভো ওহ্লাই মাত মোক মাধৱ পুতাই।
মোক শোক সাগৰত নমাৰ পেহ্লাই।।
তোহোৰ বিয়োগে হেৰা যাঞু যমলোক।
অন্তকালে পুতাই পৰিচ্ছেদা দেখা মোক।।
যাদৱ বংশৰ শোক অপাৰ সাগৰ।
ৰামৰ বিয়োগে ভৈল কুন্তীৰ মগৰ।।
বাঢ়ৱ অগণি ইটো কৃষ্ণ তোৰ শোকে।
আৱেসে সমুলি পুলি পুতাই মাৰ মোকে।।
মৰন্তে নপাইলা লাগ ঐ কৃষ্ণ বাপ।
যমৰ পুৰতো তোৰ নেৰাবো সন্তাপ।।
এহি বুলি বিচাৰি কুৰন্ত তিনি প্ৰাণী।

হা বাপ কৃষ্ণ বুলি হিয়ে মুষ্ঠি হানি।।
কৃষ্ণ কৃষ্ণ বুলিয়া পাৰন্ত কতো উকি।
মূৰ্চ্ছা গৈয়া পৰি কতো থাকন্ত নিচুকি।।
ধাৰায়ে লোতক ঝৰে শ্ৰুতি নাহি গাত।
শোক নলে দহে কুঞ্চি আসে ভৰি হাত।।
শুখাই ওঁঠ কণ্ঠ তালু দশন নিষ্পান।
নৰহয় জীৱ যেন কুটি যাই প্ৰাণ।।
কৃষ্ণ কৃষ্ণ বুলিয়া কৰন্ত হাহাকাৰ।
চক্ষু মেলি চাহন্তে দেখন্ত অন্ধকাৰ।।
বসুদেৱ দৈৱকী ৰোহিণী বৰনাৰী।
নপাইলন্ত পুত্ৰ দুইক প্ৰবন্ধে বিচাৰি।।
নিশ্চয়ে জানিলো ৰামকৃষ্ণ গৈল মৰি।
কান্দিলা তিনিয়ো প্ৰাণী কৰি ধৰাধৰি।।
বসুদেৱে বোলন্ত থাকিয়ো প্ৰাণেশ্বৰী।
পুত্ৰ শোকে পোৰে ৰো মঞিও যাঞ মৰি।।
পৰিচ্ছেদ দেখা দেখি ভৈলা আজি ধৰি।
হেন শুনি কান্দি কান্দি মাতন্ত সুন্দৰী।।
এতেকে ঘাতুক বাণী বোলা কিবা হেতু।
কেৱলেসে ৰহি আছা মোৰ কলা ধাতু।।
কৃষ্ণৰ লগতে গৈল মোৰ পঞ্চ প্ৰাণ।
মৰি আসিলোহো আৰ নাসে সমিধান।।
ৰোহিণী বোলন্ত যাইবা আমাক উপেক্ষি।
মৰি গৈল ৰাম পুত্ৰ জীয়ো কাক দেখি।।
পুত্ৰ শোকে কুটি হেৰা জীৱ মোৰ যাই।
এহি বুলি কান্দন্ত তিনিয়ো তিনি ঠাই।।
চৰি যাই মৰ্ম্ম শোকে অগ্নি যাই জ্বলি।
কতো বেলি আছিলা কৰিয়া গলাগলি।।
তিনিৰো হৰিল আতি চেতন গিয়ান।
কৃষ্ণক কৰন্ত মাত্ৰ মনত ধিয়ান।।
কৃষ্ণ গুণ বৰ্ণান্তে নিৰ্ম্মল ভৈল চিত্ত।

নিজ ৰূপে ভৈল কৃষ্ণ হিয়াত বিদিত।।
কৰ্ম্ম বন্ধ চিণ্ডি ছাড়িলন্ত পাছে প্ৰাণ।
পাইলা মহা গতি ভৈল তিনিৰো নিৰ্য্যাণ।।
কৃষ্ণক নপাই পাছে ৰাজা উগ্ৰেসেন।
কৃষ্ণতে সুম্পিয়া প্ৰাণ ভৈলা বাউল যেন।।
মহা মৰ্ম্মে দিয়া উকি কৃষ্ণ কৃষ্ণ বলি।
উকৰি পড়িয়া ৰাজা মৰিলা সমূলি।।
অনেক সহস্ৰ কোটি যাদৱ কুমাৰ।
হৰৈ দৰ্প ইন্দ্ৰৰো দেখন্তো চমৎকাৰ।।
তিলকতে অন্যোঅন্যে সবে ভৈল হত।
কমনে বুজিবে পাৰৈ কৃষ্ণৰ মহত্ত্ব।।
যতেক পৰম বীৰ যাদৱ অপাৰ।
শতেক বৎসৰ কোনে লেখা দিবে তাৰ।।
তাসম্বাৰ শুনিয়ো পঢ়োৱা ওজা যত।
তিনি কোটি চৌৰাশী হাজাৰ একশত।।
সহস্ৰ সংখ্যাত ছাত্ৰ একৈক ওজাৰ।
তাৰ লেখা কৰিতে শকতি আছে কাৰ।।
সাগৰ সঙ্কাশ সিটো যদুবীৰ যত।
এক দিলে ছন্ন ভৈল কাৰ হাতত।।
সমৰত যম সম সৱে ধনুৰ্দ্ধৰ।
প্ৰতাপে আদিত্য দ্যুতি ভোগে পুৰন্দৰ।।
যাহাৰ কোপত তৃৰ্ণৱত দেৱাসুৰ।
দেখিয়ো ক্ষণেক কালে কৰিলেক চূৰ।।

পাছে শোকে দুখে ৰুক্মিণী প্ৰমুখ্যে
কৃষ্ণৰ অষ্ট মহিষী।
বিচাৰি কৰন্ত কৃষ্ণক প্ৰবন্ধে
সিটো ৰণভূমি পশি।।
স্বামীৰ সন্তাপে শৰীৰ শুখাই
খসি পৰৈ অলঙ্কাৰ।

সুলকিল চুল হৃদয় আকুল
দিনতে দেখৈ আন্ধাৰ।।
নয়ন পদ্মৰ নীৰ পড়ে ঝড়ি
কান্দন্ত গুণ বৰ্ণাই।
ভৈলোহো অনাথ হা প্ৰাণনথ
কৰিলা কোন বিলাই।।
কত পুণ্যে পাইলো তুমি হেন স্বামী
আমি সবে অভাগিনী।
কি ভৈল ললাট ভাঙ্গি ভৰা হাট
পাতিলে বিধি বিঘিনি।।
চন্দ্ৰতো অধিক মুখ পদ্ম সিটো
থাকিবে নপাইলো চাই।
অমৃত সুৰস মধুৰ আলাপ
নপাইবো আউৰ দুনাই।।
ৰত্নৰ শয্যাত শুতিবেক কোনে
চামৰে ঢুলিবো কাক।
অৰুণ চৰণ পূজিবে নপাইলো
দণ্ডিলে দৈৱে আমাক।।
কমল নয়ন হাস্য নিৰীক্ষণ
সুমৰি গোপ্য আলাপ।
প্ৰাণ যাই ফুটি পাৰৈ লোটালুটি
অনেক কৰি বিলাপ।।
সুনাসিকা সিটো ৰাতুল অধৰ
দশন মানিক পান্তি।
কোটি কন্দৰ্পৰো দৰ্প কৰৈ চূৰ
শ্যাম শৰীৰৰ কান্তি।।
সম্যকে মনত অমৃত বৰিষৈ
দেখন্তে ঈষত হাস।
সুধা সম সিটো বচনে আমাক
কৰিবে কোন আশ্বাস।।

আউৰ নেদেখিবো পদ্ম মুখ সিটো
জ্বলৈ যেন চন্দ্ৰ কোটি।
সুমৰিয়া মহা বাহু বক্ষস্থল
কিয় নযাই প্ৰাণ কুটি।।
ব্ৰহ্মা মহেশ্বৰ যাহাৰ কিঙ্কৰ
সিটো জগতৰে দেৱ।
হেনয় সুস্বামী ভৈলোহো বঞ্চিত
কৰিবে নপাইলো সেৱ।।
জগত দুৰ্ল্লভ প্ৰাণৰ বল্লভ
তেজি গৈলা কৈক লাগি।
স্বামী অবিহনে কি কৰৈ জীৱন
কি সক জীঞু অভাগী।।
পতিব্ৰতা স্ত্ৰীৰ স্বামীসে জীৱন
কেনে ৰাখি আছো প্ৰাণ।
হেন মনে মানি কাষ্ঠচয় আনি
নিৰ্ম্মিলন্ত চিতা খান।।
ঘৃতচয় ঢালি জ্বালিলা অগনি
লংঘিলে গগনে গৈয়া।
পাছে নাৰী সৱে সাধে ইষ্ট বৰ
হাতে পুষ্পাঞ্জলি লৈয়া।।
জন্মে জন্মে হুইবো কৃষ্ণৰ কিঙ্কৰী
আন নবাঞ্ছোহো আমি।
হুইবন্ত আমাৰ পৰম ঈশ্বৰ
কৃষ্ণেসে টিকৰ স্বামী।।
সততে ৰিস্তত নুগুচোক তান
চৰণত অভিলাষ।
হেন মনে মানি কৃষ্ণক আলিঙ্গি
অগনিত দিলা জাস।।
আত অনন্তৰে ৰেৱতী প্ৰমুখ্যে
ৰামৰ যত সুন্দৰী।

স্বামীৰ শৰক আলিঙ্গিয়া শোকে
সৱে সয়তৰি গৈল।।
কামদেৱ আদি কুমাৰ সৱৰ
আছে যত ভাৰ্য্যাগণ।
স্বকী স্বকীসৱে স্বামীৰ লগত
কৰিলা অণুগমন।।
সাগৰৰ তীৰ জুৰিলেক জুই
শিশুৰ শুনি ক্ৰন্দন।
চিতা ধূম্ৰে সৱে আকাশ ব্যাপিল
দ্বাৰকা ভৈল উচ্ছন্ন।।
কুলক সংহৰি যেৱে দেৱ হৰি
বৈকুণ্ঠক গৈলা ছলে।
দ্বাৰকা নগৰ সমূলঞ্চে তল
গৈল সাগৰৰ জলে।।
ৰুক্মিণী দেৱীৰ ৰত্নৰ মন্দিৰ
কেৱলে ৰহিলা তাত।
যাক ভগৱন্তে ক্ষণেকো নেৰন্ত
অদ্যাপি দেখি সাক্ষাত।।
ইন্দ্ৰ সম সিটো একৈ একৈ বীৰ
দিগগজ সমান বলে।
যাদৱ বংশক যুদ্ধত জিনিবে
হেন নাই ৰবিতলে।।
কালে সংহৰন্তে তিলেকো নভৈল
দেখা কিনো বিপৰীত।
অধীৰ জীৱন জানিয়া কৃষ্ণৰ
চৰণত দিয়া চিত্ত।।

নিগদতি শুক শুনা নৃপ পৰীক্ষিত।
যেন কথা ভৈল তাত অন্তৰে তহিত।।
মিলিলা তথাতে আসি দিন কতিপয়।

তযু পিতামহ মহাবীৰ ধনঞ্জয়।।
দ্বাৰকাবাসীৰ আসি দেখিলা অৱস্থা।
গৈলা এৰি কৃষ্ণৰো শুনিলা সৱে কথা।।
হিয়াত পৰিল যেন বজ্ৰৰ প্ৰহাৰ।
মহা দুখে দেখন্ত অৰ্জ্জুনে অন্ধকাৰ।।
কৃষ্ণ বিনে ভৈল অন্ধ যেন ধনঞ্জয়।
ফুটি যাই প্ৰাণ দুখে দগধ হৃদয়।।
হৰিল চেতন শোক অগণিৰ জ্বালে।
হা কৃষ্ণ বন্ধু বুলি পড়িলা নিঢালে।।
নাই শ্ৰুতি বুদ্ধি যেন মৃতক অন্বয়।
নয়নৰ পৰা নীৰ ধাৰায়ে বহয়।।
হা কৃষ্ণ বুলিয়া হানন্ত হিয়ে মুঠি।
ঢাত ঢাত মাটিত পৰন্ত উঠি উঠি।।
সুমৰি সুমৰি সিটো মাধৱৰ গুণ।
পৰম আকুলভাৱে কান্দন্ত অৰ্জুন।।
এৰি মোক কৈক গৈলা হা প্ৰাণ নাথ।
আজিসে জানিলো ভৈলা পাণ্ডৱ অনাথ।।
বন্ধু অবিহনে জীৱনত কোন সুখ।
আউৰ নেদেখিবো সুপ্ৰসন্ন সিটো মুখ।।
ঈষত হসিত চাৰু কমল লোচন।
শুনন্তে অমৃত স্ৰৱে মধুৰ বচন।।
অৰুণ চৰণ কাৰ থাকিবো নিৰেখি।
কোনে বুলিবেক মোক ওবা প্ৰাণ সখি।।
বান্ধৱ বুলিয়া কোনে লগাইবেক মাত।
ইসব সুমৰি যেন অগ্নি লাগে গাত।।
ইহাতেসে অধিকে দহৱে মোৰ বুক।
অন্তকালে নেদেখিলো মাধৱ বন্ধুক।।
নুগুছয় আউৰ হৃদয়ৰ ইসি শাল।।
হৰি হৰি কিনো ভৈল অভাগ্য কপাল।।
হা বিধি আছে কত পাতেক সঞ্চিত।

বান্ধৱ মাধৱ এৰে কৰিলি বঞ্চিত।।
কাৰ নিৰেখিবো আৰু অৰুণ চৰণ।
আপদ কালত কাত পশিবো শৰণ।।
সঙ্কট সময়ে কোনে ৰাখিবে আমাকে।
পাণ্ডুৰ বংশক পাইলে আৱেসে বিপাকে।।
বান্ধৱৰ বিয়োগে নিজীবো আৱে কেৱ।
হা কৈক গৈলা মোৰ প্ৰাণ ইষ্ট দেৱ।।
ঋষিসৱে কৱে নৰ নাৰায়ণ দুই।
একেলগে আইলা কৃষ্ণ ধনঞ্জয় হুই।।
আৱে কেনে এড়ি গৈলে ঐ কৃষ্ণ বাপ।
কোন দোষে দিলা মোক যাতনা সন্তাপ।।
কৃষ্ণ অৰ্জ্জুনৰ কিছু নাহিকে অন্তৰ।
শুনো গলাৰৱ মঞি মুখত লোকৰ।।
সিয়ো ভৈল মিছা মোক এড়িলে মাধৱ।
আজিসি জীৱন্তে মঞি যেন মৰাশৱ।।
কৈৰ মঞি অধম মনুষ্য গোট হুই।
একে শয্যা একে আসনত থাকো শুই।।
ইসব তোমাৰ মহা স্নেহক সুমৰি।
কিনো মঞি নিদাৰুণ এভো নযাঞু মৰি।।
ব্ৰহ্মা হৰে প্ৰণামে দূৰতে নমাই মাথ।
ৰথৰ সাৰথি ভৈলা হেন জগন্নাথ।।
আজি অনাথিতি কৰি কৈ গৈলা বান্ধৱ।
তুমি বিনে মৰো হেৰা মধ্যম পাণ্ডৱ।।
কাহাৰ চৰণ চাই মিলিবে উৎসুক।
আউৰ ই জন্মত মঞি নেদেখো বন্ধুক।।
ঐ বাপ কৃষ্ণ মোক তেজিলি নিশ্চয়।
কাত কৰি গৰ্ব আৱে জীবো ধনঞ্জয়।।
কাৰ নিৰেখিবো খোজে ধ্বজ বজ্ৰ যৱ।
আজিসে গুছিল পৃথিবীৰ মহোৎসৱ।।
শূন্য ভৈল দশোদিশ দিনতে আন্ধাৰ।

অন্ধলাৰ চক্ষু কৃষ্ণ কৈ গৈলা আমাৰ।।
আউৰ কৈত পাইবো হেন হিতকাৰী।
পাৰৈ এহি বুলি বীৰে মাটিত লোটাৰি।।
চক্ষু গোটে দেখিবে নপাইলো প্ৰাণনাথ।
পড়ি পড়ি পৃথিবীত আকালন্ত মাথ।।
সুমৰি সুমৰি মাধৱৰ গুণ যত।
নিনিমাই সিটো শোক অগণি গাৱত।।
কৃষ্ণ কৃষ্ণ বুলিয়া পাচন্ত আতি গেড়ি।
কান্দে দ্বাৰকাৰ লোকে শোকে তাঙ্ক বেঢ়ি।।
মাধৱৰ ভাৰ্য্যা যিটো ষোড়শ হাজাৰ।
ৰহি আছে কথমপি প্ৰাণ তাসম্বাৰ।।
ক্ৰন্দন শুনিয়া সিঠাইকে সৱে আইল।
অৰ্জ্জুনক দেখি দুনাই অগণি উধাইল।।
আছে অস্থি চাৰ্ম মাত্ৰ নেৰে হৃদি খেদ।
চক্ষুৰ লোতক সৰ্বদায়ে নুহি ছেদ।।
বিমুকুত কেশ সবে মলিন স্বভাৱ।
হা প্ৰাণ প্ৰভু বুলি কৰৈ আৰ্তৰাৱ।।
কোথা গৈল প্ৰাণ নাথ পাপীনীক নেনি।
প্ৰভু অৱিহনে আমি জীঞু কুলক্ষণী।
হানে হিয়ে মুঠি শোকে প্ৰাণ যাই ফুটি।
স্বামীৰ সন্তাপে পৃথিবীত পাৰৈ লুটি।
বাল্য বৃদ্ধ বিধৱা অনাথ যত নাৰী।
হা পতি পুত্ৰ বুলি কান্দে গেৰি পাৰি।
অৰ্জ্জুনক দেখি দুনাই জ্বলিল সন্তাপ।
সাগৰৰ বালি জুৰি কৰন্ত বিলাপ।।
হা মাৱ বাপ বুলি আতি আৰ্তনাদে।
কান্দে শিশুসবে পৰি পৰম বিষাদে।।
উঠলিল ক্ৰন্দনৰ উৰ্ম্মি মহাৰোল।
আকাশক কেৰিয়া লংঘিল স্বৰ্গ কোল।
কৃষ্ণৰ বিৰহে বহ্নি দগধ শৰীৰ।

আছা পড়ি মধ্যম পাণ্ডব মহাবীৰ।।
কৃষ্ণক স্মৰন্তে মহামৰ্ম্মে ফুটে বুক।
বাৰ্ত্তা লৈয়া আসি তৈতে মিলিলা দাৰুক।।
নিনিমাই শোকানল নাই শান্তি সুখ।
আছে তিতি লোতকে মলিন মহাদুখ।।
বীৰ অৰ্জ্জুনক আসি দেখিলা প্ৰত্যেক।
হা কৃষ্ণ বাপ বুলি কান্দিলা অনেক।।
পাছেহু ধৈৰ্য্য ধৰি কৰি ক্ৰন্দন নিৰোধ।
পাণ্ডৱক সাৱটিয়া বোলন্ত প্ৰবোধ।।
উঠা উঠা ধনঞ্জয় তেজিয়ো সন্তাপ।
শুনা যেন বচন বুলিলা কৃষ্ণ বাপ।।
কৰিলন্ত খেদ কৃষ্ণে সুমৰি তোমাক।
অন্তকালে নপাইলো সখিক দেখিবাক।।
ইসে শোকে অধিকে দহৱে মোৰ বুক।
মোক আদেশিলা বাৰ্ত্তা কহিবা দাৰুক।।
প্ৰাণ সখি সুমৰন্ত যেৱে মোৰ গুণ।
বাল্য বৃদ্ধ বিধৱাক পালিবা অৰ্জ্জুন।।
আপুন দেশক লাগি ৰাখি নিবা পথে।
পুত্ৰৱতে প্ৰতিপালি থৈবা ইন্দ্ৰ প্ৰস্থে।।
মঞিও চলি যাঞু হেৰা বৈকুণ্ঠ নিলয়।
কাত গৰ্ব কৰি আৱে জীৱা ধনঞ্জয়।।
হৰি হৰি প্ৰাণ সখি ভৈলা অসহায়।
এহি বুলি অনেক কান্দিলা যদুৰায়।।
বুলিলা তোমাক আৰো অনেক কাৰুণ।
মোক লাগি চিন্তা ইটো তেজিবা অৰ্জ্জুন।।
পূৰ্ব্বৱতে অৱগবধ নকৰিবা সখি।
কাৰ্য্য বুজি থাকিবাহা কালক উপেখি।।
কৃষ্ণৰ বচনে বীৰ থিৰ কৰা মতি।
তোমাতে সপিলো সৱে যাদৱ সন্ততি।।
বাল বৃদ্ধ বিধৱাক কৰিয়ো আশ্বাস।

শুনি ধনঞ্জয় দীৰ্ঘ তেজিলা নিশ্বাস।।
দাৰুকক সাৱটিয়া ধৰি গলে বান্ধি।
আওৰাৱে কতো বেলি আছিলন্ত কান্দি।।
ঐ বন্ধু সি বেলাতো সুমৰিলা মোক।
কিমতে পাসৰো সিটো বান্ধৱৰ শোক।।
দেৱৰো দুৰ্ল্লভ যিটো অৰুণ চৰণ।
যাহাক স্মৰণে ভৈলো বিপদ তৰণ।।
কেনে আসি দেখিবে নপাইলো চক্ষু গোটে।
ইহাতেসে অধিকে হৃদয় মোৰ ফুটে।।
কিনো অধমৰ মোৰ অভাগ্য কপাল।
জীএঞো মানে ৰৈল ইটো হৃদয়ত শাল।।
পাণ্ডৱৰ প্ৰাণ কৈক গৈলা কৃষ্ণ স্বামী।
তুমি বিনে ভৈলো আজি ধৰি অন্ধ আমি।।
এহি বুলি কান্দে শোকে আকুল হৃদয়।
কতোক্ষণে সন্ধুক্ষণ ভৈলা ধনঞ্জয়।
কৃষ্ণক সুমৰি মনে তেজন্ত নিশ্বাস।
বাল্য বৃদ্ধ বিধৱাক কৰিলা আশ্বাস।।
হাট ফোট নুগুছে নুৰুছে অন্ন পান।
কেশৱৰ শোকত বিবৰ্ণ মুখ ম্লান।।
যাদৱ বংশৰ প্ৰেত কাৰ্যক সঙ্কলি।
মৃতকক দিয়াইলন্ত পিণ্ড জলাঞ্জলি।।
বিধৱা নাৰীৰ সবে শুনন্তে কাৰুণ।
নাই লোতকৰ ছেদ কান্দন্ত অৰ্জুন।।
অনাথ বৃদ্ধক প্ৰতিপালি ধনঞ্জয়।
তথাতে বঞ্চিলা পাছে মাস কতিপয়।।

ইমানতে একাদশ স্কন্ধ ভাগৱতৰ কাহিনীৰ অন্ত পৰিলেও আমি পূৰ্বতে উল্লেখ কৰাৰ দৰে মহাপুৰুষগৰাকীয়ে ইয়াত সংযোগ কৰিছে তৃতীয় স্কন্ধ ভাগৱতৰ প্ৰথম অধ্যায়ৰ চৌবিশ, পঁচিশ, চাবিশ, সাথাইশ, আঠাইশ, ঊণত্ৰিশ, ত্ৰিশ, একত্ৰিশ, বত্ৰিশ, চৌত্ৰিশ, পয়ত্ৰিশ, ছয়ত্ৰিশ, আঠত্ৰিশ, ঊনচল্লিশ, এক চল্লিশ, বিয়াল্লিশ আৰু পঞ্চল্লিশ সংখ্যাৰ শ্লোক পৰ্য্যন্ত প্ৰায়

এৰাধৰাৰ মাজেৰে মুঠ সোতৰটি শ্লোকৰ বৰ্ণনা। দ্বিতীয় অধ্যায়ৰ এক, দুই, তিনি, চাৰি, সাত, আঠ ন, দহ, এঘাৰ, বাৰ, তেৰ, পোন্ধৰ, ষোল্ল, সোতৰ, ওঠৰ, ঊনৈশ, বিশ, একৈশ, বাইশ, তেইশ, পঁচিশ, চাব্বিশ, সাতাইশ, আঠাইশ, ঊনত্ৰিশ, ত্ৰিশ, বত্ৰিশ, তেত্ৰিশ, চৌত্ৰিশা, তৃতীয় অধ্যায়ৰ এক, দুই, ছয়, আঠ, ন, দহ, এঘাৰ, বাৰ, ষোল্ল, সোতৰ, ওঠৰ, ঊনৈশ বিশ, বাইশ, চৌব্বিশ, পঁচিশ, চাব্বিশ, সাতাইশ, চতুৰ্থ অধ্যায়ৰ এক, দুই, তিনি, চাৰি, পাঁচ, ছয়, সাত, আঠ, ন, দহ, এঘাৰ, বাৰ, তেৰ, চৌধ, ষোল্ল, সোতৰ, ওঠৰ, ঊনৈশ, একৈশ, চাব্বিশ, সাতাইশ, পয়ত্ৰিশ, ছয়ত্ৰিশ, পঞ্চম অধ্যায়ৰ এক, সংখ্যাৰ শ্লোক সামৰি কৃষ্ণ বৈকুণ্ঠ প্ৰয়াণৰ পিছৰ কালৰ উদ্ধৱ বিদুৰ সংবাদৰ বিবৰণ দাঙি ধৰা হৈছে। ইয়াৰ মাজে মাজে শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাবো পৰিছে (ভাগ- ৩/২/৮, ১৫)। সাম্প্ৰতি তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ শ্লোকৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল।

(১) ইয়াৰ পিছত উদ্ধৱে যেতিয়া সুৰাষ্ট্ৰ, সৌবীৰ, মৎস্য, কুৰুজাঙ্গল প্ৰভৃতি স্থান অতিক্ৰম কৰি কালক্ৰমত আহি যমুনাতীৰত উপস্থিত হ'লহি, সেই সময়তে বিদুৰো সেই স্থানতে উপস্থিত হৈ তেওঁ উদ্ধৱক দেখা পালে।

(২) সেই অত্যন্ত শান্ত স্বভাৱৰ কৃষ্ণভক্ত আৰু বৃহস্পতিৰ পূৰ্ব শিষ্য উদ্ধৱক দেখা পাই বিদুৰে প্ৰীতি সহকাৰে আলিঙ্গন কৰি তেওঁৰ ওচৰত ভগৱানৰ জ্ঞাতিসকলৰ মঙ্গল সংবাদ সুধিলে।

(৩) নিজৰ নাভী পদ্মৰ পৰা জাত ব্ৰহ্মাৰ প্ৰাৰ্থনা এই মৰ্ত্যলোকত অৱতীৰ্ণ হৈ যিজনে জগতৰ অশেষ কল্যাণ সাধন কৰি সকলোৰে আনন্দ বিধান কৰিছিল, সেই পুৰাতন পুৰুষ ৰাম কৃষ্ণ বসুদেৱৰ গৃহ কুশলে আছেনে?

(৪) হে উদ্ধৱ? পিতৃয়ে যেনেকৈ কন্যাক অভিলাষিত অৰ্থাদি প্ৰদান কৰে, সেইদৰে যি বসুদেৱে উদাৰতাৰে ভগিনীপতি সকলৰ তৃপ্তি বিধানৰ কাৰণে ভগিনীসকলক নানা ধৰণৰ অভিলাষিত অৰ্থাদি দান কৰিছিল; সেই কুৰু বন্ধু আমাৰ ভগিনীপতি বসুদেৱ সুখেৰে আছেনে?

(৫) ৰুক্মিণীয়ে বিপ্ৰ আৰাধনা কৰি শ্ৰীকৃষ্ণৰ পৰা পূৰ্বজন্মত যিজন কামদেৱ আছিল তেওঁক পুত্ৰ ৰূপে লাভ কৰিছিল। সেইজন যাদৱ সেনাপতিবীৰ প্ৰদ্যুম্ন কুশলে আছেনে?

(৬) সাত্বত, বৃষ্ণি, ভোজ, দাশাই প্ৰভৃতিৰ অধিপতি যি উগ্ৰসেনে এসময়ত ৰাজ্যৰ আশা এৰি দূৰত অৱস্থান কৰিছিল। কিন্তু যিজনক কৃষ্ণই ৰাজ্যত অভিষেক কৰিছিল, সেই উগ্ৰসেন কুশলে আছেনে?

(৭) হে সৌম্য! নিয়ম পৰায়ণা জাম্বৱতীৰ গৰ্ভত যিজনে জন্ম লাভ কৰিছিল আৰু যিজন জন্মান্তৰত কাৰ্ত্তিকেয় ৰূপে পাৰ্বতীৰ গৰ্ভত জন্ম হৈছিল, শ্ৰীহৰিষ সুযোগ্য পুত্ৰ শ্ৰেষ্ঠ ৰথী সেই শাম্ব কুশলে আছেনে?

(৮) যিজনে অৰ্জুনৰ ওচৰত ধনুৰ্বিদ্যা শিক্ষা কৰিছিল আৰু শ্ৰীকৃষ্ণৰ সেৱা কৰি অচিৰে যোগীজন দুৰ্ল্লভ কৃষ্ণ পদাশ্ৰয় লাভ কৰিছিল, সেই সাত্যকি কুশলে আছেনে?

(৯) যিজনে কৃষ্ণ প্ৰেমত আত্মহাৰা হৈ কৃষ্ণ চৰণ চিহ্নযুক্ত ধূলি ৰাশিৰ ওপৰত বাগৰিছিল, সেই ভগৱৎ শৰণাগত জ্ঞানী, নিষ্পাপ অক্ৰূৰ ভালে আছেনে?

(১০) যিজন ভক্তজনৰ অভীষ্ট ফল দাতা, যাৰ পৰা শব্দ ব্ৰহ্ম প্ৰকাশিত হৈছে আৰু যিজন অন্তঃকৰণৰ অধিষ্ঠাতা বুলি শাস্ত্ৰত কথিত হৈছে, সেইজন ভগৱান অনিৰুদ্ধ কুশলে আছেনে?

(১১) হে সৌম্য! হৃদীক, সত্যভামা পুত্ৰ চাৰুদেষ্ণ, গদ প্ৰভৃতি অন্যান্য যিসকলে একাগ্ৰচিত্তে দেহ আৰু আত্মাৰ অধিষ্ঠাতা স্বৰূপ পকৃষ্ণৰ অনুসৰণ কৰি থাকে, সিসকল কুশলে আছেনে?

(১২) যাৰ সভাত উৎকৃষ্ট ৰাজ্য সমৃদ্ধি দৰ্শন কৰি দুৰ্যোধন অনুতপ্ত হৈছিল, সেই ধৰ্মৰাজ যুধিষ্ঠিৰ নিজ বাহুযুগল স্বৰূপ কৃষ্ণাৰ্জুনৰ সহায়ত ধৰ্ম পথত থাকি ধৰ্মৰ মৰ্যাদা ভালকৈ ৰক্ষা কৰি আছেনে?

(১৩) মায়াবলে কিৰাত মূৰ্ত্তিধাৰী মহাদেৱে যাৰ শৰসমূহত আচ্ছন্ন হৈ লোক দৃষ্টিৰ পৰা অগোচৰ হৈ পৰিছিল আৰু যুদ্ধ কৌশলত সন্তুষ্ট হৈছিল, নিজৰ হস্তী আৰু ৰথসমূহৰ কীৰ্ত্তি বিধানকাৰী সেই গাণ্ডীৱধাৰী অৰ্জুন শত্ৰু সংহাৰ কৰি সুখে আছেনে?

(১৪) কুন্তীদেৱীৰ পুত্ৰ স্থানীয় মাদ্ৰীৰ যমজ পুত্ৰ নকুল আৰু সহদেৱ দুটা চকুৰে দুই পতা ঢাকি ধৰি ৰখাৰ দৰে যুধিষ্ঠিৰ প্ৰভৃতি ভাতৃসকলৰ দ্বাৰা আবৃত হৈ দুটা গৰুড় পক্ষীয়ে একেলগে ইন্দ্ৰৰ মুখৰ পৰা অমৃত কাঢ়ি লোৱাৰ দৰে যুদ্ধ কৰি শত্ৰুসকলৰ হাতৰ পৰা নিজৰ সম্পদ বলপূৰ্বক উদ্ধাৰ কৰি তেওঁলোক আনন্দে আছেনে?

(১৫) হে সৌম্য? ভাই পাণ্ডু মৰি গৈছে। এনে অৱস্থাত তেওঁৰ পুত্ৰসকলক যিজনে অনিষ্ট চিন্তা কৰি মৃতকৰ প্ৰাণত কষ্ট দিছিল আৰু আমি নিতান্ত হিতাকাংক্ষী ভাই হৈয়ো পুত্ৰসকলৰ মতানুসাৰে যিজনে মোক গৃহৰ পৰা নিৰ্বাসন দিছিল, সেই অধঃ পতিত ৰাজা ধৃতৰাষ্ট্ৰ কাৰণে আমাৰ বৰ দুখ লাগে।

(১৬) নিজৰ ঐশী শক্তিক গোপনে ৰাখি লৌকিক ভাৱৰ অনুকৰণ কৰি আনৰ চিত্ত বৃত্তিক বিক্ষিপ্ত কৰি থকা ভগৱান হৰিৰ অনুগ্ৰহত তেওঁৰ মহিমা বুজিব পাৰি সেই ভাতৃ নিৰ্বাসিত আমি বিস্ময়ভাৱ শূণ্য হৈ অন্যৰ অলক্ষিতে তীৰ্থাদি স্থান বিচৰণ কৰি আছো।

(১৭) হে সখি! জন্ম ৰহিত হৈয়ো যিজনে শৰণাগত নৃপতি আৰু নিজৰ মতাৱলম্বী অন্যান্য ভক্তসকলৰ প্ৰয়োজন সিদ্ধিৰ কাৰণে যদুবংশত জন্ম গ্ৰহণ কৰিছিল, তেওঁৰ বৃত্তান্ত বৰ্ণনা কৰা, কিয়নো তেওঁৰ লীলা কীৰ্ত্তি কথা শ্ৰৱণ কৰিলে সংসাৰ যন্ত্ৰণা ভোগ কৰিবলগীয়া নহয় (ইত্যাদি।

কহে মুনি শুকে শুনিয়ো সম্প্ৰতি
নৃপতি অপৰ কথা।
বিদুৰে উদ্ধৱে সংবাদ যি ভৈল
যমুনাতীৰত তথা।।
কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ দেখিয়া
উদ্ধৱ বীৰ মহন্ত।
পৰম সন্তাপে পড়ি থাকি পাছে
মুচি মুখ উঠিলন্ত।।
কৃষ্ণৰ ভৰিৰ খৰম দুখানি
আনি মাথে লৈলা বান্ধি।
হা বাপ কৃষ্ণ বুলি গেড়ি পাৰি
লড়ি যান্ত কান্দি কান্দি।।
ধূলিয়ে ধূসল কলেৱৰ আতি
সন্তাপে মুখ মলিন।
নাই অন্ন পান শোকে ফুটে প্ৰাণ
যাই যুগ সম দিন।।
সেহি সময়ত তীৰ্থত ভ্ৰমন্তে
বিদুৰ এ মহাভাগ।
যমুনা তীৰত মহাভাগৱত
উদ্ধৱক পাইলা লাগ।।
বুলি প্ৰাণ সখি সাৱটিলা স্নেহে
নয়ন ভৈল সজল।

যাদৱ পাণ্ডৱ কুলৰ সমস্তে
পুছিলা বাৰ্তা কুশল।
পুৰাণ পুৰুষ ৰাম কৃষ্ণ দুই
সবান্ধৱে দ্বাৰকাত।
ভাৰ সংহৰিয়া সুখে কি আছন্ত
কহিয়ো সখি সাক্ষাত।।
ৰাজা উগ্ৰসেন সাত্যকি অক্ৰুৰ
যত যদুবংশ মানে।
সাম্ব কামদেৱ গদ অনিৰুদ্ধ
আছে কি সৱে কল্যাণে।।
কৃষ্ণ অৰ্জুনক সহায় কৰিয়া
যুধিষ্ঠিৰে প্ৰজা পালে।
ভীম ধনঞ্জয় নকুল কণিষ্ঠ
সহদেৱ আছা ভালে।
ধৃতৰাষ্ট্ৰ ৰাজা জীৱন্ততে নিজ
পাপে গৈল অধোগতি।
সবাতো অধিক কৰো অনুশৌচ
সিটো পাতৰীক প্ৰতি।।
মোক অনাদোষে দেশৰ ডাকিলে
পুত্ৰৰ পাপী বিবাদে।
হুয়া কৃত কৃত্য তীৰ্থ কৰি ফুৰো
কৃষ্ণৰ পদ প্ৰসাদে।।
ই কথা থাকোক ঐ সখি কৃষ্ণৰ
কুশল কৈয়ো সত্বৰে।
ভকতক ৰাখি সুখে কি আছন্ত
প্ৰাণ ইষ্ট দেৱ মোৰে।।
যাৰ নাম যশে জগত নিস্তৰে
স্মৰণে পাপ প্ৰলয়।
হেনয় বন্ধুক কেনে এড়ি আইলে
মিলিল মনে সংশয়।।

তোমাৰ বিবৰ্ণ বদন দেখিয়া
সখি কুটে মোৰ বুক।
ঝাণ্টে কহ কথা কিহেতু তেজিয়া
আসিলা প্ৰাণ বন্ধুক।।
কিবা অথন্তৰ মিলিল তোমাৰ
কিহেতু হেন অৱস্থা।
ইংগিতে জানিলো পড়িল বিপাক
আউৰ সোধো কিবা কথা।।
সি কি প্ৰাণ কৃষ্ণ ভালে কি আছন্তে
তঞি সখি এড়ি আইলে।
জানিলো আমাক মাধৱে বঞ্চিলে
আৰেসে অন্তকে পাইলে।।

ইমানতে প্ৰথম অধ্যায়ৰ বিষয় বস্তুৰ বৰ্ণনা সমাপ্ত কৰা হৈছে। এই অধ্যায়টিৰ শ্লোকানুবাদত এৰা ধৰা নীতি গ্ৰহণ কৰাৰ উপৰিও নিজস্ব চিন্তাৰে শ্লোকৰ সৰ্ম্মাৰ্থ তথা সূত্ৰৰ ওপৰত নিজৰ ধাৰণাৰে সৃষ্টিমূলক বৰ্ণনা দাঙি ধৰিছে। আমি পূৰ্বতেও এনে ইংগিত দি আহিছোঁ। আমি এতিয়া দ্বিতীয় অধ্যায়ৰ বিষয় বস্তুলৈ আহোঁ। দ্বিতীয় অধ্যায়ৰ শ্লোক সংখ্যা চৌত্ৰিশ। ইয়াৰে পাঁচ, ছয়, চৌধ, চৌবিশ, একত্ৰিশ সংখ্যাৰ মুঠ পাঁচটি শ্লোক বাদদি বাকীখিনিৰ অনুবাদ কৰা হৈছে। ইয়াৰে আঠ আৰু পোন্ধৰ সংখ্যাৰ শ্লোকানুবাদত শ্ৰীধৰ স্বামী টীকাৰ প্ৰভাবো পৰিছে আৰু লগতে গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনাও আছে। সম্প্ৰতি শ্লোককেইটিৰ অসমীয়া ভাঙনি প্ৰকাশ কৰা হ'ল।

(১) শুকদেৱে ক'লে— বিদুৰে উদ্ধৱৰ ওচৰত এনে প্ৰকাৰে প্ৰিয়জনৰ সংবাদ জিজ্ঞাসা কৰাত শ্ৰীকৃষ্ণৰ কথা তেওঁৰ (উদ্ধৱৰ) স্মৃতি পথত উদয় হ'ল। তেওঁ কৃষ্ণ বিৰহজনিত উৎকণ্ঠিত অৱস্থাত তেতিয়াই প্ৰত্যুত্তৰ দিবলৈ সমৰ্থ নহ'ল।

(২—৩) যি উদ্ধৱে মাত্ৰ পাঁচ বছৰ বয়সতে শিশুৰ স্বভাৱজাত, খেলা প্ৰসঙ্গতে যি কৃষ্ণ সেৱাত মন নিবিষ্ট কৰি ৰাখিছিল, তেওঁৰ মাতৃয়ে প্ৰাতঃ আহাৰৰ কাৰণে মাতিলেও তাৰ প্ৰতি অনিচ্ছুক আছিল, আৰু বাৰ্দ্ধক্যৰ উপযুক্ত বয়স হ'লেও কৃষ্ণ সেৱাৰ প্ৰভাৱত যিজন জৰাক্ৰান্ত হোৱা নাছিল,

সেই উদ্ধৱে সম্প্ৰতি বিদুৰৰ প্ৰশ্ন জিজ্ঞাসাত সেই কৃষ্ণৰ চৰণ স্মৰণত কেনেকৈ তৎক্ষণাৎ উত্তৰ দিব পাৰে?

(৪) শ্ৰীকৃষ্ণৰ চৰণ পদ্মৰ স্মৃতি প্ৰেম সুধাত অত্যন্ত আনন্দ অনুভৱেৰে প্ৰৱল ভক্তি যোগত মগ্ন হৈ উদ্ধৱে তেতিয়া বহু সময় নীৰৱে থাকিল।

(৫) বিদুৰে ক'লে ঃ কৃষ্ণ ৰূপ সূৰ্য্য অস্ত যোৱাত আমাৰ সমস্ত গৃহ কাল সৰ্পৰ গ্ৰাসত পতিত হৈ নিতান্ত শ্ৰীহীন হৈছে। সেই কাৰণে আপোনাৰ জিজ্ঞাসা অনুসৰি আত্মীয় সকলৰ কুশল সংবাদনো দিম কি?

(৬) দ্বাৰকাবাসীসকল দুৰ্ভগীয়া। কিয়নো যেনেকৈ মৎস্যসকলে চন্দ্ৰৰ স্বৰূপ বুজিব নোৱাৰে, সেইদৰে কৃষ্ণৰ সৈতে একত্ৰে বাস কৰিও সিসকলে কৃষ্ণৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰিলে।

(৭) যাদৱসকলে অন্যৰ আভ্যন্তৰীণভাৱ বেশ বুজিব পাৰে আৰু তেওঁলোক সকলো বিষয়ে সূক্ষ্ম বুদ্ধি সম্পন্ন আছিল আৰু কৃষ্ণৰ লগত একে সঙ্গে ক্ৰীড়া কৌতুকাদি কৰিছিল। অথচ সেই সৰ্বভূতাশ্ৰয়ী ভগৱান কৃষ্ণক সকলোৱে কেৱল যদুশ্ৰেষ্ঠ বুলিহে মনত ভাবিছিল।

(৮) যিসকল মূৰ্খ যাদৱে ভগৱানৰ মায়াত নিতান্ত মুগ্ধ হৈ কৃষ্ণক আমাৰ এজন বন্ধু বুলি মনতে ভাবে আৰু শিশুপাল প্ৰভৃতি যিসকল ব্যক্তিয়ে কৃষ্ণৰ প্ৰতি জঘন্য শত্ৰুভাৱ পোষণ কৰে, তেওঁলোকৰ নানা ধৰণৰ কৃষ্ণনিন্দাসূচক বাক্যত ভগৱদ্ভক্ত সকলৰ বুদ্ধি কেতিয়াও বিচলিত নহয়।

(৯) শ্ৰীকৃষ্ণই জনগণক নিজৰ মনোহৰ মূৰ্ত্তি প্ৰদৰ্শন কৰি আছিল। কিন্তু যিসকলে তপস্যা কৰা নাই, তেওঁলোকৰ নয়ন তৃপ্তি নৌ হওঁতেই তেওঁ নিজ মূৰ্ত্তি সম্বৰণ কৰি গুচি গ'ল।

(১০) মৰ্ত্যলীলাৰ উপযুক্ত আৰু নিজৰো বিস্ময়জনক পৰম সৌন্দৰ্য্যময় মূৰ্ত্তি। আনকি অলঙ্কাৰসমূহ সেই মূৰ্ত্তিৰ সৌন্দৰ্য্য গুণেৰে ভূষিত হয়। এনেকুৱা যি সুন্দৰ মূৰ্ত্তি, তেওঁ নিজৰ যোগমায়াৰে পূৰ্ণ সামৰ্থ্য দেখুৱাবলৈ সেইবোৰ ভগৱানে গ্ৰহণ কৰিছিল।

(১১) ধৰ্ম পুত্ৰ যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞৰ সময়ত নয়নানন্দজনক শ্ৰীকৃষ্ণৰ মূৰ্ত্তি দেখি ত্ৰিভুৱনবাসী সৰ্বজনে মনতে ভাবিছিল যে মানৱ সৃষ্টি বিষয়ত বিধাতাৰ যিবোৰ নৈপুণ্য আছে, তাক যেন সম্পূৰ্ণৰূপে সেই কৃষ্ণ মূৰ্ত্তিতে প্ৰয়োগ কৰিছে।

(১২) প্ৰকাশ আৰু অপ্ৰকাশ উভয়ৰূপী ভগৱানে যেতিয়া নিজৰ শান্ত

মূৰ্ত্তিসমূহক অশান্ত মূৰ্ত্তিৰ দ্বাৰা পীড়িত হোৱা দেখে, তেতিয়া কৃপা কৰি নিজে জন্মৰহিত হ'লেও প্ৰকৃতিৰ সহযোগত অগ্নিৰ দৰে আত্ম প্ৰকাশ কৰি থাকে।

(১৩) শ্ৰীকৃষ্ণ জন্মৰহিত হৈয়ো যে বসুদেৱৰ কাৰাগাৰত জন্ম স্বীকাৰ কৰিছিল আৰু কংসৰ ভয়ত তেওঁক ব্ৰজত বাস কৰাইছিল আৰু তেওঁ শত্ৰুৰ ভয়ত মথুৰাৰ পৰা পলায়ন কৰিছিল, সেই কথাবোৰ ভাবিলে দুখ উপস্থিত হয়।

(১৪) শ্ৰীকৃষ্ণই পিতা মাতাৰ চৰণ বন্দনা কৰি তেওঁলোকক কৈছিল হে পিতৃ হে মাতৃ! কংসৰ ভয়ত ভীত হৈ আমি আপোনালোকৰ চৰণ সেৱা কৰিব পৰা নাই। আপোনালোক আমাৰ প্ৰতি প্ৰসন্ন হওক। এই কথা ভাবিলে আমাৰ মনত বৰ দুখ হয়।

(১৫) যিজনে যমস্বৰূপ হৈ পৃথিৱীৰ ভাৰ হৰণ কৰিছে, তেওঁৰ পাদ পদ্মৰ ধূলি কণা পৰ্য্যন্ত সেৱা কৰিলেও কোনে তেওঁক পাহৰিব পাৰে?

(১৬) আপুনি প্ৰত্যক্ষ কৰিছে যে যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত শিশুপালে কৃষ্ণৰ প্ৰতি বিদ্বেষ কৰিও এনেকুৱা সিদ্ধি লাভ কৰিছিল— যিটোক যোগীসকলে সমস্যকভাৱে যোগ তপস্যাৰ দ্বাৰা কামনা কৰি থাকে। এতেকে তেওঁৰ বিৰহ কোনে সহ্য কৰি থাকিব পাৰে?

(১৭) আৰু যিসকল মৰ্ত্যবাসী বীৰে যুদ্ধ ক্ষেত্ৰত শ্ৰীকৃষ্ণৰ নয়ন ৰঞ্জনকাৰী মুখ পদ্মক আগ্ৰহেৰে চাই চাই অৰ্জুনৰ অস্ত্ৰত নিহত হৈ শিশুপালাদিৰ নিচিনাকৈ তেওঁৰ সেই নিত্য ধাম প্ৰাপ্ত হৈছিল, সেয়া আপোনাৰ জনা আছে।

(১৮,১৯) হে বিদুৰ! যিজন তিনিগুণ, চৈতন্য, জীৱ, মায়া এই ত্ৰিশক্তিৰ অধীশ্বৰ, পৰমানন্দস্বৰূপ আৰু সকলো ভোগৰ পূৰ্ণানন্দ যাৰ ওচৰত বিৰাজমান, যাক সেৱা কৰিবলৈ কত প্ৰাচীন ৰজাসকলে নিজৰ মুকুট শোভিত মস্তকত তেওঁৰ চৰণ তলত লুণ্ঠিত হৈ থাকে, সেই শ্ৰীকৃষ্ণই সিংহাসনত উপবিষ্ট উগ্ৰসেনৰ ওচৰত বৈ "হে মহাৰাজ! আমাৰ প্ৰাৰ্থনা শ্ৰৱণ কৰক" এনেভাৱে যি বাক্য প্ৰয়োগ কৰিছিল। তেওঁৰ সেই ভৃত্য ভাৱ স্মৰণ কৰিলে কৃষ্ণসেৱক আমালোকৰ প্ৰাণত বৰ বেদনাবোধ হয়।

(২০) অহো। দুষ্টা পূতনা ৰাক্ষসীয়ে যাক বধ কৰিবলৈ বিষময় স্তন পান কৰাইছিল। তথাপি তেওঁ ধাত্ৰী যোগ্য গতি লাভ কৰিছিল, সেই কৃষ্ণৰ বাহিৰে আন কাৰ ওচৰত আমি কৃপাময় বুলি শৰণাগত হ'ম?

(২১) ভগৱানে ব্ৰহ্মাৰ প্ৰাৰ্থনা মতে পৃথিবীৰ মঙ্গল সাধন কৰিবলৈ কংসৰ কাৰাগাৰত বসুদেৱৰ পত্নী দৈৱকীৰ গৰ্ভত জন্ম গ্ৰহণ কৰিছিল।

(২২) ইয়াৰ পিছত পিতা বসুদেৱে কংসৰ ভয়ত কৃষ্ণক নন্দালয়ত থৈ আহিল। তাত তেওঁ আত্ম গোপন কৰি বলৰামৰ সহিত এঘাৰ বছৰ বাস কৰিছিল।

(২৩-২৪) মনো মুগ্ধকৰ বালক হ'লেও যাৰ দৃষ্টিপাত সিংহ শিশুৰ দৰে নিৰ্ভীক, সেই কৃষ্ণই কেতিয়াবা কান্দি, কেতিয়াবা হাঁহি গোকুল শব্দকাৰী পক্ষী পৰিব্যাপ্ত বৃক্ষসমূহত সুশোভিত যমুনাতীৰত থকা উপবনত গোপবালকৰ সহিত পৰিবেষ্টিত হৈ গোবৎস চৰাই লীলা কৰিছিল।

(২৫) সেই কৃষ্ণই শ্বেতবৰ্ণ বৃষযুক্ত নানা বৰণৰ সুশোভিত গোপসকলক চৰাই বংশী ধ্বনি কৰি সহচৰ গোপবালক সকলক আনন্দিত কৰিছিল।

(২৬) কৃষ্ণ অলপ বয়সৰ হ'লেও বালকসকলে যেনেকৈ খেলাৰ সামগ্ৰিসমূহ অনায়াসে খেলা কৰি থাকোঁতে ভাঙ্গি পেলাই, সেইদৰে তেওঁ কংস প্ৰেৰিত মায়াবী অসুৰসকলক অনায়াসে সংহাৰ কৰিছিল।

(২৭) শ্ৰীকৃষ্ণই নন্দ ৰজাৰ প্ৰভূত পৰিমাণৰ ধন ৰত্নৰ সৎ ব্যৱহাৰ আৰু ইন্দ্ৰৰ মান ভঞ্জনৰ কাৰণে ইচ্ছা কৰি বিপ্ৰসকলৰ দ্বাৰা গোপৰাজৰ দ্বাৰা গোসৱ নামৰ যজ্ঞ কৰাইছিল।

(২৮) হে বিদুৰ! পূজা নাপাই অপমানিত ইন্দ্ৰই যেতিয়া ক্ৰোধ সহকাৰে প্ৰবল বৃষ্টিধাৰা বৰ্ষণ কৰিছিল, তেতিয়া কৃষ্ণই কৃপা দৃষ্টিৰে গোৱৰ্দ্ধন পৰ্বতক ছত্ৰৰূপে ধাৰণ কৰি বিপন্ন ব্ৰজবাসী সকলক ৰক্ষা কৰিছিল।

(২৯) শৰৎ কালৰ চন্দ্ৰাৱলী ৰাতিত উৎফুল্লিত কৃষ্ণই ব্ৰজৰমণীসকলৰ লগত শোভা বৰ্দ্ধন কৰি মধুৰ সঙ্গীতসহকাৰে ক্ৰীড়া কৰিছিল।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ ঃ

এতেক বোলন্তে লোতক বঝাইল
বিদুৰ ভৈলা তবধ।
কৃষ্ণক স্মৰিয়া দুনাই উদ্ধৱৰ
হৃদয় ভৈল দগধ।।
হৰিল চেতন নাসৈ মাত মুখে
দুখে দেখৈ অন্ধকাৰ।

কৃষ্ণৰ চৰণ চিন্তি মৌন ভৈলা
নাহি সন্তাপৰ পাৰ।।
পাঞ্চ বৰিষতে তেজিয়া ভোজন
যিটো কৰি শিশু লীলা।
আন কৰ্ম এড়ি শিশুসবে বেঢ়ি
কৃষ্ণক মাত্ৰ পূজিলা।।
কৃষ্ণক সেৱন্তে আসি বৃদ্ধ ভৈলা
উদ্ধৱ সাধু মহন্ত।
প্ৰাণতো অধিক বন্ধুৰ বিৰহ
কিমতে আৰে মহন্ত।।
দুই দণ্ড মানে নমাতি আছিলা
কৃষ্ণৰ চিন্তি চৰণ।
উপজিল প্ৰেম পুলকিত তনু
লোতক ঝৰে নয়ন।।
বিদুৰে বোলন্ত কিনো মহোদয়
উদ্ধৱ কৃতাৰ্থ ভৈল।
তাহানে পৰম ভকতিক চাই
নিশৱদ হুয়া ৰৈল।।

নিগদতি শুক শুনা নৃপ পৰীক্ষিত।
এহিমতে আছা যেৱে উদ্ধৱ তহিত।।
কথমপি কৃষ্ণৰ চৰণে এড়ি মন।
বঝাই পাইলন্ত পাছে গাৱত চেতন।।
তেজিলা নিশ্বাস আতি কৃষ্ণক সুমৰি।
হাতে মলচিয়া চক্ষু চিত্ত থিৰ কৰি।।
কৃষ্ণৰ বিৰহ বহ্নি দহে দেহা প্ৰাণ।
কান্দন্তে দিলন্ত বিদুৰক সমিধান।।
কিবা কথা সোধা সখি দেখো অন্ধকাৰ
কৃষ্ণ সূৰ্য্য অস্ত গৈল প্ৰাণ যে আমাৰ।।
কাল সৰ্পে গ্ৰাসিলেক সুহৃদ সকল।
কি কহিবো সখি আউৰ আমাৰ কুশল।।

ব্ৰহ্মা হৰে নপান্ত সাক্ষাত সেৱিবাক।
ধ্যানতো নপান্ত মহা যোগীজনে যাক।।
কোটি কোটি ব্ৰহ্মাণ্ডৰ নাথ নাৰায়ণ।
এহি মাথে সেৱা কৰি আছিলো চৰণ।।
সি বাপে বঞ্চিত ভৈলো বিড়ম্বিলে বিধি।
হাততে হৰাইল যেন প্ৰভু নৱ নিধি।
মোৰ মহা অভাগ্যক কি কহিবো সখি।
এহি বুলি উদ্ধৱে কান্দন্ত মকমকি।
যাদৱ বংশৰ মহা মিলিল অভাগ।
নজানিল কৃষ্ণক হাততে পায়া লাগ।।
একেলগে কৰৈ সৱে শয়ন ভোজন।
ঈশ্বৰ বুলিয়া নজানিলা একোজন।।
ক্ষীৰ সাগৰত আছিলন্ত শশধৰ।
মাছে যেন বোলৈ ইয়ো একে জলচৰ।
সেহিমতে মানিলন্ত এন্তে জ্ঞাতি একজন।।
ভূষণৰো ভূষণ পৰম অঙ্গচয়।
যাক দেখি হৰি হোন্ত আপুনো বিস্ময়।।
অপুণ্য প্ৰাণীক দিয়া অল্প দৰিশন।
লগতে নিলন্ত যেন লোকৰ লোচন।।
দেখিয়ো কৃষ্ণৰ কেনে কৰ্ম বিড়ম্বন।
বসুদেৱ গৃহত অজৰ উতপন।।
যাৰ কটাক্ষতে হোৱে জগত বিনাশ।
কংস ভয়ে তেন্তে গোকুলত লন্ত বাস।।
বসুদেৱ দৈৱকীক বুলিলা প্ৰণামি।
কংস ভয়ে ব্ৰজত বঞ্চিলো গৈয়া আমি।।
হে পিতৃ-মাতৃ মোৰ মৰষিয়ো দোষ।
ইহাকেসে সুমৰন্তে মিলৈ অসন্তোষ।।
ৰাজসূয় যজ্ঞত দেখিলো নেত্ৰ ভৰি।
যেন গতি পাইলে শিশুপালে দ্বেষ কৰি।।
হেনয় প্ৰভুৰ যিটো গাইলে নাম গুণ।

পাসৰিবে আৰ দুনাই কোন নিদাৰুণ।।
ঈষত হৰিষত চাৰু কমল লোচন।
দৰশনে হোৱে মহা পাতক মোচন।।
জুৰাই তনু মন যেন বৰিষে অমৃত।
মিলৈ মহা মোক্ষ সুখে হোৱে কৃতকৃত্য।।
অৰ্জ্জুনৰ ৰথৰ আগত থাকা বসি।
প্ৰকাশৈ বদন যেন কোটি এক শশী।।
সেহি বেলা হোৱে যিটো যুদ্ধক সমুখ।
পূৰ্ণানন্দ প্ৰভুৰ সাক্ষাতে দেখৈ মুখ।।
সিটো মুখ পদ্মক কৰন্তে নেত্ৰে পান।
অৰ্জ্জুনৰ শৰে কাটে সুখে ছাড়ৈ প্ৰাণ।।
পাৱে পৰম্পদ ব্ৰহ্মাদিৰ যাত গহ।
হেনয় প্ৰভুৰ কোনে সহিবে বিৰহ।।
উগ্ৰসেন ৰাজাক বৈসায়া সিংহাসনেন।
কৰযোড়ে আগত বিনাৱে নাৰায়ণে।।
আজ্ঞা কৰা মহাৰাজা কোন কৰ্ম্ম কৰো।
ইহাকেসে সুমৰন্তে আতিশয় মৰো।।
কি কহিবো গুণ মঞিও অধম অভাগী।
দিলেক পুতনা স্তন মাৰিবাক লাগি।।
তথাপি পাইলেক তাই জননীৰ গতি।
হৰুৱাইলো হেন কৃপাময় প্ৰাণপতি।।
হেনয় স্বামীক এড়ি কোন মহা অন্ধ।
আনক ভজিবে লাগি কৰিবে প্ৰবন্ধ।।
অমৃতক তেজিয়া মৰিবে বিষ খাই।
আৰো গতিদাতা আছে কৃষ্ণত বিনাই।।
যত দৈত্য আসৈ মাধৱক ক্ৰোধ কৰি।
তাহাকো উত্তম গতি দেন্ত দেৱ হৰি।।
যিটো প্ৰেমভাৱে ভজে হেন ভগৱন্ত।
তাহান মহিমা কহি কোনে পাৱে অন্ত।।
হেন পূৰ্ণ ব্ৰহ্মাক হাতত পায়া লাগ।

হৰুৱাইলো সখি দেখা মোহোৰ অভাগ।।
মঞিও অধমক আউৰ কিবা সোধা তুমি।
এহি বুলি উদ্ধৱে কান্দন্ত হুমা হুমি।
সুমৰি সুমৰি যিটো স্বামীৰ চৰণ।
কহিবাক নুৱাৰন্ত দহে তনু মন।।
আখি মুখ মুচি পাছে থিৰ কৰি বুদ্ধি।
কতো বেলি বিদুৰক মাতিলা সম্বুধি।।
শুনিয়োক সখি যেন মিলিল অৱস্থা।
পূৰ্ব্বাপৰে কৃষ্ণৰ কহিবো সৱ কথা।।
খণ্ডিবাক লাগি পৃথিৱীৰ মহা ভাৰ।
দৈৱকীৰ গৰ্ভে আসি ভৈলা অৱতাৰ।।
ভয়ে বসুদেৱে নিয়া গোকুলত থৈলা।
কৰিলা বালক কৃষ্ণে তৈতে শিশুলীলা।।
গোপ শিশু সঙ্গে ৰঙ্গে বাচৰুক চাৰি।
ভ্ৰমিলন্ত যমুনাৰ তীৰত মুৰাৰি।।
কংসে পাঞ্চে আসৈ দেখি যতেক দানৱ।
পৰম লীলায়ে তাক মাৰন্ত মাধৱ।।
ইন্দ্ৰৰো কৰিলা কৃ... মহামখ ভঙ্গ।
বৰষিলা পুৰন্দৰে কৰি মহা খঙ্গ।।
এক হাতে মন্দৰ উল্লাসি ভগৱন্তে।
ৰাখিলা ব্ৰজক মহাবাত বৃষ্টি হন্তে।।
শৰত কালত চন্দ্ৰাৱলী ৰাতি পাই।
দিব্য ৰাসক্ৰীড়া কৰিলন্ত যদুৰাই।।
শঙ্গচূড় অৰিষ্ট বলিষ্ঠ অঘাসুৰ।
ধেনুক কেশীক মাৰি নিলা যমপুৰ।।

এতিয়া আমি সেই স্কন্ধৰে তৃতীয় অধ্যায়ৰ বৰ্ণনা দাঙি ধৰিব খুজিছো। এই অধ্যায়ৰ শ্লোক সংখ্যা আঠাইশ। ইয়াৰে ওঠৰটি শ্লোকৰহে অনুবাদ হৈছে (বিৱৰণ আগত দিয়া হৈছে)। শ্লোকৰ অসমীয়া অনুবাদ তলত প্ৰকাশ কৰা হ'ল।

(১) উদ্ধৱে ক'লে— ইয়াৰ পিছত কৃষ্ণই নিজৰ পিতৃ-মাতৃক শান্তি প্ৰদান কৰিবৰ কাৰণে বলৰামৰ সৈতে ব্ৰজ ধামৰ পৰা মথুৰানগৰীলৈ আহি অৰিকুল শ্ৰেষ্ঠ কংসক উচ্চ মঞ্চৰ পৰা বলপূৰ্বক ভূমিত পেলাই আহত কৰিলে আৰু সেই আঘাততেই কংসৰ মৃত্যু হোৱাত কংসৰ বিশাল মৃতদেহ ভূমিত বিকৰ্ষিত কৰিছিল।

(২) কৃষ্ণই সান্দীপণি মুনিৰ ওচৰত এবাৰ মাত্ৰ শ্ৰৱণ কৰি ছয় শাস্ত্ৰ বেদ আয়ত্ত কৰিছিল আৰু পঞ্চজন নামৰ দৈত্যৰ উদৰ বিদাৰণ কৰিছিল আৰু যমপুৰৰ পৰা মৃত পুত্ৰক আনি তেওঁক অৰ্পণ কৰিছিল।

(৩) ভূমিপুত্ৰ নৰকাসুৰে নিজৰ দেহৰ দ্বৰা আকাশ আচ্ছাদন কৰিবলৈ ধৰাত শ্ৰীকৃষ্ণই যুদ্ধত সুদৰ্শন চক্ৰেৰে তাক বধ কৰিলে। তেতিয়া .তওঁৰ মাতৃ ধৰণীৰ কাতৰ প্ৰাৰ্থনাত কৃষ্ণই হৃতাৱশিষ্ট ৰাজ্যখন ভগদত্তক দান কৰি নৰকাসুৰৰ অন্তঃপুৰত প্ৰৱেশ কৰিছিল।

(৪) ইয়াৰ পিছত কৃষ্ণই নিজৰ অসীম অচিন্ত্য শক্তিৰ প্ৰভাৱত তেওঁলোকৰ (ষোল্ল হাজাৰ কন্যাৰ) বাসনানুসাৰে ৰূপ ধাৰণ কৰি বিবাহোচিত আড়ম্বৰপূৰ্ণভাৱে একে সময়তে ভিন্ন ভিন্ন গৃহত সেই কন্যাসকলক পাণিগ্ৰহণ কৰিছিল ইত্যাদি।

(৫) শ্ৰীকৃষ্ণই প্ৰকৃতিৰ বিস্তাৰ কামনাৰে সেই স্ত্ৰীসকলৰ প্ৰত্যেকতে আত্মতুল্য দশটি পুত্ৰ উৎপাদন কৰিছিল।

(৬) ইয়াৰ পিছত কালযৱন, জৰাসন্ধ আৰু শাল্ব প্ৰভৃতি ৰজাসকলে সৈন্য লৈ মথুৰা অৱৰোধ কৰাত কৃষ্ণই তেওঁলোকক বধ কৰিলে আৰু নিজৰ পৰিয়ালবৰ্গৰ প্ৰভাৱ আৰু কীৰ্তি বিস্তাৰ কৰিলে।

(৭) ইয়াৰ বাহিৰেও তেওঁ (বলভদ্ৰ আৰু প্ৰদ্যুম্নাদিৰ দ্বাৰাও) শম্বৰ, দ্বিবিন্দ, বাণ, মুৰ বল্কল আৰু অন্যান্য কিছুমান ৰজাৰ বধ সাধন কৰিলে আৰু দন্তবক্ৰাদি দুৰ্জ্জনসকলক নিজেই বধ কৰিলে।

(৮) হে বিদুৰ! তোমাৰ ভাতৃপুত্ৰ যুধিষ্ঠিৰাদি আৰু দুৰ্যোধনাদিৰ পক্ষভুক্ত হৈ যিসকল ৰজাই কুৰুক্ষেত্ৰ যুদ্ধত সমৱেত হৈছিল, যাৰ সৈন্যৰ ভৰত সমস্ত পৃথিৱী কম্পিত হৈছিল, সেইসকলক কৃষ্ণই বিনাশ কৰিছিল।

(৯) এনে প্ৰকাৰে যদুবংশ ধ্বংসৰ উপায় চিন্তা কৰি কৃষ্ণই ধৰ্মপুত্ৰ যুধিষ্ঠিৰক তেওঁৰ পৈতৃক ৰাজ্যত সংস্থাপিত কৰিলে আৰু সৎ পথ প্ৰদৰ্শনেৰে মিত্ৰসকলৰ আনন্দ বিধান কৰিলে।

(১০) অভিমন্যুৱে নিজ পত্নী উত্তৰাৰ গৰ্ভত পুৰু বংশৰ অংকুৰ নিহিত কৰিছিল, সেই গৰ্ভ অশ্বত্থামাৰ ব্ৰহ্মাস্ত্ৰৰ দগ্ধ হ'ব ধৰাত কৃষ্ণই উদৰত প্ৰৱেশ কৰি পুনৰ তাক ৰক্ষা কৰিছিল।

(১১) কৃষ্ণই যুদ্ধিষ্ঠৰক তিনিবাৰ অশ্বমেধ যজ্ঞ কৰিবলৈ দিছিল। যুধিষ্ঠিৰেও ভীমাদি ভাতৃসকলৰ সৈতে কৃষ্ণৰ অনুবৰ্তী হৈ ৰাজ্য পালন কৰি পৰম সুখেৰে বিৰাজিত হৈছিল।

(১২) বিশ্বৰ পৰমাত্মা কৃষ্ণ প্ৰকৃতি পুৰুষৰ পাৰ্থক্য বিশেষৰূপে অৱগত আছিল। সেয়ে তেওঁ নিজে সম্পূৰ্ণ অনাসক্তভাৱে থাকিও লোক শিক্ষাৰ কাৰণে লৌকিক, বৈদিক আচাৰ অনুসাৰে দ্বাৰকাপুৰত ভোগ্য বস্তুৰ উপভোগ কৰিছিল।

(১৩) কৃষ্ণই কৰুণা আৰু হাস্যপূৰ্ণ অৱলোকন, অমৃততুল্য বাক্য, অনিন্দিত চৰিত্ৰ আৰু লক্ষ্মীৰ আৱাসস্বৰূপ নিজ দেহৰ দ্বাৰা স্বৰ্গ আৰু মৰ্ত্য লোকৰ দেৱতা আৰু মানৱ সমাজক, বিশেষকৈ যাদৱসকলক অতিশয় সন্তুষ্ট কৰি নিজে নানা প্ৰকাৰ ক্ৰীড়া কৰিছিল।

(১৪) শ্ৰীকৃষ্ণই বহু বছৰ কাল পূৰ্ব কথিত অনুসাৰে অনাসক্তভাৱে বিষয় ভোগ কৰিলেও তেওঁৰ গৃহী ধৰ্মৰ আৰু কাম্য ভোগৰ ওপৰত বৈৰাগ্য জন্মিছিল।

(১৫-১৬) কৃষ্ণই নিজ কুল ধ্বংসৰ ইচ্ছা কৰাত কোনো এদিন যদুবংশীয় আৰু ভোজ বংশীয় যুৱকসকলে দ্বাৰকাত ক্ৰীড়া কৰি কৰি প্ৰৱঞ্চনাৰ দ্বাৰা মুনিসকলৰ মনত ক্ৰোধ জন্মাইছিল। তেতিয়া মুনিসকলে ধ্যানত কৃষ্ণৰ অভিপ্ৰায় জানি ক্ৰোধ সহকাৰে তেওঁলোকক শাপ দিছিল। সেই ব্ৰহ্ম শাপত কেইমাহমানৰ পিছত কৃষ্ণ মায়ামোহিত বৃষ্ণি, ভোজ আৰু অন্ধকসকল সন্তুষ্ট মনেৰে ৰথত আৰোহণ কৰি প্ৰভাস তীৰ্থলৈ যাত্ৰা কৰিলে।

(১৭) তাৰ পিছত তেওঁলোকে প্ৰভাসত উপস্থিত হৈ তীৰ্থজলত স্নান কৰিলে আৰু সেই জলৰ দ্বাৰা দেৱতা, ঋষি পিতৃসকলৰ তৰ্পণ কৰি বহুগুণ সম্পন্ন গোদান কৰিলে।

(১৮) তেওঁলোকে বহু পৰিমাণৰ সোণ, ৰূপ, শয্যা, নানা বিধ বস্ত্ৰ, মৃগ চৰ্ম্ম, কম্বল, বহু হস্তী, অশ্ব, ৰথ, সালংকৃতা বালিকা আৰু জীৱিকা পৰ্যাপ্ত ভূমি বিপ্ৰসকলক দান কৰিছিল।

গুৰুজনাৰ অনুবাদ—

কংসে পাঞ্চিলেক পাছে আসিলা অক্ৰূৰ।
গোপে সমে ৰাম কৃষ্ণ গৈলা মধুপুৰ।।
ৰূপ দেখি মথুৰাৰ সুন্দৰী তবধ।
কৰিলন্ত তৈতে কুবলয় মল্ল বধ।।
কংসকো মাৰিলা দেৱ দৈৱকী নন্দন।
পিতৃৰ মাতৃৰ পাছে ছোড়িলা বন্ধন।।
পঢ়িবাক লাগি গৈলা হুয়া প্ৰভু ছাত্ৰ।
সান্দীপণি গুৰু পঢ়াইলন্ত যত শাস্ত্ৰ।।
মৰা পোক গুৰুক দক্ষিণা আনি দিয়া।
কৰিলন্ত কৃষ্ণে অষ্ট মহিষীক বিয়া।।
নৰকক মাৰি মহা ৰূপে গুণে ধন্যা।
পাইলা প্ৰভু ষোড়শ হাজাৰ দিব্য কন্যা।।
সৱাহন্তে দশ তনয় ভৈলা জাত।
বলে বীৰ্য্যে ধৈৰ্য্যে সৱে জগতে প্ৰখ্যাত।।
দন্তবক্ৰ দ্বিবিদ সম্বৰ জৰাসন্ধ।
শাল্ব শিশুপাল পৌণ্ডকৰো ছেদি কন্ধ।।
পাছে পাঞ্চ পাণ্ডৱৰ হাতে যুদ্ধজিনি।
মৰাইল গৈয়া অষ্টদশ অক্ষৌহিনী।।
পৰীক্ষিত নামে পাণ্ডু বংশৰ সন্ততি।
উত্তৰা নাৰীৰ গৰ্ভে ভৈলা উতপতি।।
শৰীৰক দহিলে দ্ৰৌণীৰ ব্ৰহ্মশৰে।
ধৰি গদা গৰ্ভত ৰাখিলা দামোদৰে।।
মাধৱৰ মহা অনুগ্ৰহ পাছে পাই।
ভুঞ্জিলন্ত ৰাজ্য যুধিষ্ঠিৰ মহাৰাই।।
যাদৱগণৰ মহা বঢ়ায়া উৎসৱ।
ৰাত্ৰি দিনে দ্বাৰকাত আছন্ত মাধৱ।।
ভৈলা পাছে প্ৰভুৰ গৃহত বিৰকতি।
সংহৰিবে কুলক কৃষ্ণৰ ভৈলা মতি।।
থাকৈ যেৱে যাদৱ দুঃসহ মহাবীৰ।

নুগুছিল কিছু তেৱে ভাৰ পৃথিৱীৰ।
দিয়াইলা বংশক বিপ্ৰশাপ প্ৰভু ছলে।
সৱাকো নিয়াইলা প্ৰভু প্ৰভাসৰ জলে।।
স্নান কৰি দ্বিজক দক্ষিণা দিলা দান।

তৃতীয় স্কন্ধত চতুৰ্থ অধ্যায়ৰ শ্লোক সংখ্যা ছয়ত্ৰিশ। ইয়াৰে পোন্ধৰ, বিশ, বাইশ, তেইশ, চৌত্ৰিশ সংখ্যাৰ শ্লোক বাদ দি বাকীখিনি শ্লোকৰ অনুবাদ সম্পন্ন কৰা হৈছে আৰু স্থান বিশেষে গুৰুজনাই নিজৰ মতেৰে সৃষ্টিমূলক বৰ্ণনাও কৰিছে। তলত শ্লোকসমূহৰ অসমীয়া ভাঙনি প্ৰকাশ কৰা হ'ল।

(১) উদ্ধৱে ক'লে— ইয়াৰ পিছত সেই বৃষ্ণি, ভোজ আৰু অন্ধকসকলে বিপ্ৰসকলৰ অনুমতি পাই আহাৰ কৰিলে আৰু পৈষ্টী নামৰ সুৰাপান কৰি তাৰ শক্তিতে জ্ঞানহাৰা হৈ পৰস্পৰে নানা ধৰণৰ দুৰ্বাক্য প্ৰয়োগেৰে মনত বেদনা দিবলৈ ধৰিলে।

(২) সুৰাপানৰ দোষত তেওঁলোকৰ চিত্ত বিকৃত হোৱাত বাঁহৰ মাজত ঘৰ্ষণ হ'লে যেনেকৈ বিনাশ প্ৰাপ্ত হয়, তেনেকৈ সন্ধ্যাৰ সময়ত পৰস্পৰে বিবাদ কৰি বিনষ্ট হোৱাৰ উপক্ৰম হ'ল।

(৩) শ্ৰীকৃষ্ণই নিজ মায়া শক্তিৰ তেনেকুৱা অৱস্থা দেখি সৰস্বতী নদীৰ জলত আচমন কৰি বৃক্ষৰ তলত উপবিষ্ট হ'ল।

(৪) হে বিদুৰ! শৰণাগত দুখহাৰী শ্ৰীকৃষ্ণই নিজ কুল বিনাশৰ কাৰণে আমাক পূৰ্বতে কৈছিল যে তুমি বদৰিকাশ্ৰমলৈ গমন কৰা।

(৫) হে বিদুৰ! ইয়াৰ পিছত তেওঁ অভিপ্ৰায় জানি আমি প্ৰভুৰ চৰণ বিৰহ সহ্য কৰিব নোৱাৰি তেওঁৰ অনুগমন কৰিছিলো।

(৬, ৭, ৮) অন্বেষণ কৰি কৰি আমি দেখিবলৈ পালোঁ যে সৰ্ব সৌন্দৰ্যশালী উজ্জ্বল শ্যামবৰ্ণ শুদ্ধ সত্ত্বময় আমাৰ প্ৰিয়তম প্ৰভু অন্য বাসস্থান ত্যাগ কৰি সৰস্বতী নদীৰ তীৰত বাম উৰুত দক্ষিণ পদ থৈ এজোপা কোমল অশ্বত্থ বৃক্ষত আঁউজি অকলে বহি আছে। চাৰিহস্ত আৰু পীতবস্ত্ৰৰ দ্বাৰাই দৰ্শন মাত্ৰেই কৃষ্ণ বুলি জানিব পাৰি আৰু সেই সময়ত যদিও তেওঁ সমস্ত বিষয় সুখ ত্যাগ কৰিছে তথাপি অতি আনন্দিত যেন লাগিছিল।

(৯) বেদব্যাসৰ প্ৰিয় বন্ধু পৰম ভাগৱত তপসিদ্ধ মৈত্ৰেয় মুনি ত্ৰিভুবন বিচৰণ কৰি কৰি অকস্মাতে সেই স্থানত আহি উপস্থিত হ'লহি।

(১০) মৈত্ৰেয় মুনি কৃষ্ণৰ প্ৰতি একান্ত অনুৰক্ত আছিল। সেয়ে তেওঁ

আনন্দ ভাবাবেশত নতশিৰ হৈ ভগৱানৰ বাক্য শ্ৰৱণত তৎপৰ হ'লেও শ্ৰীকৃষ্ণই অনুৰাগ দৃষ্টিত আমাৰ ক্লান্তি দূৰ কৰি আমাক ক'বলৈ ধৰিলে।

(১১) কৃষ্ণই ক'লে— হে উদ্ধৱ! তুমি জন্মান্তৰত এজন বসু আছিলা। তেতিয়া প্ৰজাপতিসকল আৰু বসুসকলৰ সমবেত ৰূপে অনুষ্ঠিত যজ্ঞত আমাক পাবলৈ তুমি আমাৰ আৰাধনা কৰিছিলা। আমি তোমাৰ অন্তৰত থাকি তোমাৰ কামনা জানিব পাৰি আনৰ পক্ষে দুৰ্লভ হ'লেও আমি তোমাক সেই সিদ্ধি প্ৰদান কৰিছো।

(১২) হে সাধু! তোমাৰ সকলো জন্মৰ ভিতৰত এই জন্মই শেষ জন্ম। কাৰণ এই জন্মত তুমি আমাৰ অনুগ্ৰহ লাভ কৰিছা। আমি এই পৃথিৱী ত্যাগ কৰি যাবলৈ ওলাইছো। এই সময়ত তুমি একান্ত ভক্তিসহকাৰে যি আমাক দৰ্শন কৰিলা, এয়াও তোমাৰ পক্ষে মঙ্গলজনক।

(১৩) পূৰ্বে সৃষ্টিৰ আৰম্ভণিতে আমাৰ নাভিপদ্মজাত ব্ৰহ্মাক আমাৰ লীলা মাহাত্ম্য প্ৰকাশক উৎকৃষ্ট জ্ঞানোপদেশ প্ৰদান কৰিছিলো, যাক পণ্ডিতসকলে আজিও চতুঃশ্লোকী ভাগৱত বুলি কৈ থাকে।

(১৪) পৰম পুৰুষ শ্ৰীকৃষ্ণৰ কৃপানুগ্ৰহ সাদৰ বাক্য শুনি প্ৰেমাপ্লুত হৈ পৰিলো। নয়নাশ্ৰু নিগৰি পৰিল, বাক্য গদ গদ হ'ল। আমি কৃতাঞ্জলি হৈ ক'বলৈ ধৰিলো।

(১৫) হে ভগৱান! আপুনি নিষ্ক্ৰিয় হৈয়ো কৰ্মত প্ৰবৃত্ত, জন্মৰহিত হৈয়ো জন্মলাভ কৰিছে, কালৰ অধিপতি হৈয়ো ভয়ত দুৰ্গত আশ্ৰয় আৰু পলায়ন কৰিছে আৰু আত্মাৰাম হৈয়ো বহুস্ত্ৰীসহকাৰে গৃহাশ্ৰমত অৱস্থান কৰিছে। এইবোৰ বিষয়ত জ্ঞানীসকলৰ মন বুদ্ধি অস্থিৰ হৈ পৰে।

(১৬) হে প্ৰভু! আপোনাৰ পূৰ্ণ অভ্ৰান্ত জ্ঞান কেতিয়াও বিফল নহয় আৰু আপুনি সদায় সকলো কাৰ্যতে বিশেষ লক্ষ্য কৰি থাকে। অথচ মন্ত্ৰণা বিষয়ত আমাক ওচৰলৈ মাতি সাধাৰণ অনভিজ্ঞ লোকৰ নিচিনাকৈ আমাৰ ওচৰত যি জিজ্ঞাসা কৰে, সেই সকলো কথা ভাবিলে আমি মোহাচ্ছন্ন হৈ পৰো।

(১৭) হে নাথ! আপুনি আত্ম ৰহস্য প্ৰকাশক যিবোৰ তত্ত্বজ্ঞানৰ উপদেশ বাক্য ব্ৰহ্মাক কৈছিল, সেয়া যদি আমি বুজিবৰ কাৰণে যোগ্য হওঁ, তেন্তে সেয়া আমাক শীঘ্ৰে কওক। তাৰ পৰা আমি মনৰ সন্দেহ দুখৰ পৰা নিস্তাৰ পাম।

(১৮) আমি এনেভাৱে আমাৰ মনৰ অভিপ্ৰায় তেওঁৰ ওচৰত প্ৰকাশ কৰাত সেই পদ্মপলাশলোচন পৰম পুৰুষে নিজৰ বিচিত্ৰ লীলা ৰহস্য আমাক প্ৰকাশ কৰিলে।

(১৯) আমি প্ৰথমতে প্ৰভুৰ দৰ্শনত আনন্দ আৰু পিছত বিৰহ দুখত দুখিত হৈ সম্প্ৰতি তেওঁৰ প্ৰিয় বদৰিকাশ্ৰমলৈ গমন কৰিম।

(২০) হে বিদুৰ! কৃষ্ণই যেতিয়া মৰ্ত্যলোক এৰিবলৈ উদ্যত হৈছিল, তেতিয়া তেওঁ স্বয়ং আমাৰ সাক্ষাততে তত্ত্বোপদেশৰ কাৰণে আপোনাৰ আৰাধনাৰ উপযুক্ত পাত্ৰ মৈত্ৰেয় মুনিক আদেশ কৰিছে।

(২১) শুকদেৱে ক'লে— উদ্ধৱে এইদৰে বিদুৰৰ সৈতে বিশ্বমূৰ্তি ভগৱন্তৰ গুণ কীৰ্তনৰূপ অমৃত আস্বাদনেৰে বিৰহ দুখাদি প্ৰশমন কৰি যমুনা তীৰত সেই ৰাতিটো ক্ষণকালৰ দৰে যাপন কৰি প্ৰভাততে অন্য স্থানলৈ যাত্ৰা কৰিলে।

(২২) হে পৰীক্ষিত! উদ্ধৱ সেই স্থানৰ পৰা আঁতৰি যোৱাৰ পিছত কৃষ্ণই উদ্ধৱৰ যোগেদি তেওঁক মৈত্ৰেয়ৰ ওচৰলৈ যাবলৈ উপদেশ দি যোৱা কথাখিনি স্মৰণ কৰি বিদুৰে প্ৰেম বিহ্বল হৈ কান্দিবলৈ ধৰিলে।

(২৩) হে মহাৰাজ পৰীক্ষিত! বিদুৰে যমুনা তীৰত এনেদৰে সিদ্ধিৰ উপায় লাভ কৰি অলপ সময়ৰ পিছতে মৈত্ৰেয় মুনি যি স্থানত বাস কৰি আছে, সেই গংগাতীৰতলৈ যাত্ৰা কৰিলে।

গুৰুজনে অনুবাদ কৰিছে এনেকৈ—

কৰিলন্ত সবংশে বাৰুণি সুৰা পান।।
কৃষ্ণৰ মায়ায়ে পাছে চেতন হৰিল।
অনোঅন্যে ৰণ কৰি সবংশে মৰিল।।
স্নান কৰি প্ৰভু পাছে প্ৰভাসৰ জলে।
বসিলা আসনে শিশু অশ্বত্থৰ তলে।।
মোক অগ্ৰে আদেশিলা জগতৰ নাহা।
বদৰিকাশ্ৰমক উদ্ধৱ তুমি যাহা।।
প্ৰভুক এড়ন্তে যেন গাৱে লাগে জুই।
পাছে পাছে চুপি মঞি কৰো আৰ হুই।।
নেদেখিয়া প্ৰভুক আকুল কৰৈ মতি।

বনত বিচাৰি পাছে পাইলো প্ৰাণপতি।।
কোটি এক শশী সম প্ৰকাশে শৰীৰ।
দেখি ৰূপ হৰৈ দৰ্প কন্দৰ্প কোটিৰ।।
দাহিন পাৱক বাম উৰুত থাপিয়া।
বসি আছা শিশু অশ্বত্থত আৱজিয়া।।
দেখিলো সাক্ষাতে প্ৰভু পূৰ্ণানন্দ ভাবে।
মহাস্নেহে সখি শিহৰিল সৰ্ব্ব গাৱে।।
মিলিলন্ত তহিতে মৈত্ৰেয় ঋষি আসি।
তাঙ্ক দেখি প্ৰাণ প্ৰভু তুলিলন্ত হাসি।।
কান্দিবে লাগিলো চাই স্বামীৰ চৰণ।
প্ৰবোধিলা ধৰি মোক নাথ নাৰায়ণ।।
বৈকুণ্ঠক যাঞু মঞি এড়ি ইটো লোক।
হেন বেলা আসি সখি দেখিলাহা মোক।।
দিলো মহাজ্ঞান যিটো ভকতি ব্ৰহ্মাক।
কহিবো তোমাত সিটো ৰহস্য কথাক।।
এহি বুলি মোত কৃপাময় কৃষ্ণে হাসি।
কহিলা ৰহস্য জ্ঞান ভকতি প্ৰকাশি।।
মাধৱত পৰম প্ৰসাদ পাইলো আমি।
মোক এড়ি গৈলা বৈকুণ্ঠক কৃষ্ণ স্বামী।।
প্ৰভু অবিহনে দহে তনু মন মোৰ।
নপাঞ প্ৰাণ সখি ইটো সন্তাপৰ ওৰ।।
তোমাক এড়িয়া মই অভাগী পৰম।
কৃষ্ণৰ আদেশে যাইবো বদৰিকাশ্ৰম।।
তোমাক ভকতি জ্ঞান কহিবাক প্ৰতি।
কৰিলন্ত মৈত্ৰেয়ক আজ্ঞা যদুপতি।।
হৰি হৰি নেদেখিলো বিদুৰ বান্ধৱ।
তোমাক সুমৰি দেখ কৰিলা মাধৱ।।
হেন শুনি বিদুৰ পৰিলা প্ৰেমভাবে।
সিবেলাত সুমৰিলে ঐ কৃষ্ণ বাপ।
জীয়ো মানে ৰৈল হৃদয়ত ইটো তাপ।।
হা মোৰ পৰম সুহৃদ দেৱ ইষ্ট।

দেখিবে নপাইলো মঞি অধম পাপীষ্ঠ।।
পৰোক্ষতো চিন্তিলা মোহোৰ মহাহিত।
হেন প্ৰাণ বন্ধু বিনে কেনে ধৰো চিত্ত।।
কোটি কোটি ব্ৰহ্মাণ্ডৰ নাথ তুমি হুই।
যুধিষ্ঠিৰ ৰাজাৰো কৰাইলা ৰাজসূই।।
পিতৃ যেন পুত্ৰক পালিলা প্ৰতিনিতে।
ভৈল মোৰ পাণ্ডৱ আৱেসে অনাথিতি।।
কৌৰৱ ৰাজাৰ ঘৰে নকৰিলা বাস।
বোলা মোৰ বিদুৰ আছন্ত নিজ দাস।।
বঞ্চিলা মোহোৰ ঘৰে ঐ বন্ধু হৰি।
কিয় জীএো মঞি সিটো গুণক সুমৰি।
আউৰ নেদেখিবো সুনাসিকা সিটো মুখ।
কমল নেত্ৰক দেখি মিলে মহাসুখ।।
অৰুণ চৰণ দৰশনে হৰৈ তাপ।
কেনমতে হৰুৱাইলো হেন কৃষ্ণ বাপ।।
ঐ কৃষ্ণ বাপ মোক কৈক গৈলা এড়ি।
কৃষ্ণ কৃষ্ণ বুলিয়া পাৰন্ত কতো গেড়ি।।
ছাড়ৈ আতি সন্তাপ কৃষ্ণক সুমৰন্তে।
যমুনাৰ বালিত কুৰন্ত বাগৰন্তে।।
কান্দন্ত বিদুৰ কতো উদ্ধৱক ধৰি।
কৈত থৈয়া আইলা আৱে মোৰ প্ৰাণ হৰি।।
প্ৰভুৰ বিৰহে দহে দেখা মোৰ বুক।
নেদেখিবো মঞি আউৰ সিহেন বন্ধুক।।
নপাইলো লৈবেক মাথে চৰণৰ ধূলি।
মকমকি কান্দন্ত বিদুৰে এহি বুলি।।
কৃষ্ণ পদ পৰশিয়া আসি আছ বাপ।
তোক চুই হঞো মঞি পৰম নিষ্পাপ।।
ঐ বাপ উদ্ধৱ সাৱটি ধৰ মোক।
শুনি দশগুণে উধাই উদ্ধৱৰ শোক।।
কৰন্ত বিলাপ বিদুৰৰ ধৰি গলে।
দুইকো দুই তিয়াইলন্ত নয়নৰ জলে।।

কৃষ্ণ গুণ বৰ্ণান্তে ৰজনী গৈল ক্ষয়।
অনন্তৰে ভৈল আসি আদিত্য উদয়।।
দেখি দুয়ো দুইকো মিলে মহাদুখ।।
কৃষ্ণক সুমৰি দুয়ো তেজন্ত নিশ্বাস।
কৰিলন্ত দুইকো দুই ধৰিয়া আশ্বাস।।
দুই হস্তকো দুয়ো পাছে প্ৰণামিলা পড়ি।
কান্দন্তে উদ্ধৱ গৈলা বিদুৰক এড়ি।। ইত্যাদি।

এই স্কন্ধৰে পঞ্চম অধ্যায়ৰ শ্লোক সংখ্যা একাৱন্ন। ইয়াৰে গুৰুজনাই প্ৰথম শ্লোকটিহে ব্যৱহাৰ কৰিছে। এই অধ্যায়ৰ মূল বিষয়বস্তু 'মৈত্ৰেয় বিদুৰ' সংবাদ আৰু ইয়াত কৃষ্ণৰ দ্বাৰা উদ্ধৱ মৈত্ৰেয়ৰ আগত কথিত তাত্ত্বিক ৰূপ, ভাগৱল্লীলা ৰহস্যৰ ব্যাখ্যাহে। পিছে গুৰুজনাই এইখিনি এই প্ৰসংগত বাদ দি থৈছে আৰু প্ৰথম শ্লোকটিৰ কথাকে সামৰি বিষয়টিৰ মোখনি মাৰি এনেকৈ কৈছে—

পাছে মহামুনি শুকে উৎসুকে কহন্ত কথা
নৃপ পৰীক্ষিত শুনিয়োক।
উদ্ধৱ মহন্ত যেৱে কান্দন্তে গৈলন্ত এড়ি
বিদুৰৰ জ্বলি গৈল শোক।।
মহা দুখে অধোমুখে মকমকি কান্দিলন্ত
সন্তাপতে পৃথিৱীত পড়ি।
কতোক্ষণে সন্ধুকিয়া মচি মুখ গৈলা পাছে
মৈত্ৰেয়ৰ আশ্ৰমক লড়ি।।
কুশাৰু পুত্ৰক পাই পড়িয়া প্ৰণামি পাছে
পুছিলন্ত কৰি বাহুমান।
কৃষ্ণৰ আদেশে ঋষি ৰহস্য ভকতি সমে
কহিলা ঈশ্বৰ মহাজ্ঞান।।
শ্ৰৱণে মাত্ৰকে এক ভকতি কৃষ্ণত ভৈল
বিদুৰ কৃতাৰ্থ আতি ভৈলা।
মুনিক প্ৰণামি পড়ি কৃষ্ণক হৃদয়ে ধৰি
হস্তিনাপুৰক লাগি গৈলা।।

তৃতীয় স্কন্ধ ভাগৱতৰ পঞ্চম অধ্যায়ৰ প্ৰথম শ্লোকটিৰ অসমীয়া ৰূপ এনেধৰণৰ— শুকদেৱে ক'লে কৃষ্ণানুগ্ৰহ কৃতাৰ্থ কুৰুশ্ৰেষ্ঠ বিদুৰ গংগাৰ দ্বাৰদেশে (হৰিদ্বাৰত) উপবিষ্ট অসীম জ্ঞানী মৈত্ৰেয় মুনিৰ ওচৰত উপস্থিত হৈ তেওঁৰ সৎ ব্যৱহাৰাদি গুণত অত্যন্ত তৃপ্ত হৈ তেওঁক সুধিলে। ইত্যাদি।

ইয়াৰ পিছতে তৃতীয় স্কন্ধৰ ওপৰত ভৰসা এৰি গুৰুজনে প্ৰথম স্কন্ধ ভাগৱতৰ ফালে মন মেলিলে। এই স্কন্ধৰ ত্ৰয়োদশ অধ্যায়ৰ পৰা পঞ্চদশ অধ্যায়লৈকে মুঠ তিনিটা অধ্যায়ৰ বিষয়বস্তু সামৰি গুৰুজনে ইয়াক সজাইছে। উক্ত অধ্যায় তিনিটত বিদুৰৰ হস্তিনাপুৰ আগমন, ধৃতৰাষ্ট্ৰৰ গৃহ ত্যাগ, যুধিষ্ঠিৰৰ অশুভ দৰ্শন, অৰ্জুনৰ আগমন, যুধিষ্ঠিৰৰ যদুকুলৰ কুশল জিজ্ঞাসা, কৃষ্ণ প্ৰয়াণৰ বাৰ্তাও পঞ্চ পাণ্ডৱৰ স্বৰ্গাৰোহণ ইত্যাদিত বৰ্ণিত হৈছে। সম্প্ৰতি এই অধ্যায়ৰ অসমীয়া ৰূপ প্ৰকাশ কৰা হ'ল। ইয়াৰ শ্লোক সংখ্যা ষাঠী। গুৰুজনে ইয়াৰে এক, তিনি, চাৰি, পাঁচ, ছয়, সাত, আঠ, ন দহ, এঘাৰ, বাৰ, তেৰ, সোতৰ, ওঠৰ, বিশ, একৈশ, বাইশ, চাব্বিশ, আঠাইশ, ত্ৰিশ, একত্ৰিশ, বত্ৰিশ, পঁয়ত্ৰিশ, ছয়ত্ৰিশ, আঠত্ৰিশ, ঊনচল্লিশ, চল্লিশ, একচল্লিশ, তিৰাল্লিশ, পঞ্চলিশ, ছয়চল্লিশ, ঊনপঞ্চাশ, পঞ্চাশ, একাৱন্ন, তেপন্ন, চৌৱন্ন, সাতাৱন্ন, আঠাৱন্ন, ঊনষাঠী, ষাঠী সংখ্যাৰ শ্লোক সৰ্বমুঠ চল্লিশটিৰ অনুবাদ সম্পন্ন কৰিছে। ইয়াত শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱো পৰিছে।

(১) সুতে ক'লে— বিদুৰে তীৰ্থ ভ্ৰমণ কৰি মৈত্ৰেয় ঋষিৰ ওচৰত সৰ্ব্বজীৱৰ একমাত্ৰ গতি হৰি ভজন তত্ত্ব অৱগত হৈ তাতে সৰ্বাৰ্থ পৰিপূৰ্ণ হৈ হস্তিনাপুৰলৈ পৰিবৰ্তী আহিল।

(২-৩) হে শৌনক! ভাতৃসকলৰ সৈতে যুধিষ্ঠিৰ, ধৃতৰাষ্ট্ৰ, যুযুৎসু, সঞ্জয়, কৃপাচাৰ্য, কুন্তী, গান্ধাৰী, সুভদ্ৰা, উত্তৰা, কৃপী, পাণ্ডুৰ জ্ঞাতি পত্নীসকল, অন্যান্য নাৰীসকলে পৰম বন্ধু বিদুৰক অহা দেখি মূৰ্চ্ছাপ্ৰাপ্তসকলৰ পুনৰ প্ৰাণ সঞ্চাৰিত হোৱাৰ দৰে সকলোৱে আনন্দিত হৈ তেওঁৰ ওচৰত উপস্থিত হ'লহি।

(৪) বহুদিন অদৰ্শন দুঃখিত যুধিষ্ঠিৰাদি সকলোৱে যথাযোগ্য আলিংগন আৰু সম্ভাষণাদি কৰি বিদুৰৰ সৈতে মিলিত হ'ল আৰু প্ৰেমাশ্ৰু বৰ্ষণ কৰিবলৈ ধৰিলে।

(৫) বিদুৰে আসন গ্ৰহণ কৰাৰ পিছত যুধিষ্ঠিৰে মধুপৰ্বাদিৰে তেওঁক সৎকাৰ কৰিলে। তাৰি পিছত ভোজন আৰু বিশ্ৰাম কৰি বিদুৰে সুখাসনত উপবিষ্ট হোৱাৰ পিছত যুধিষ্ঠিৰে আত্মীয়সকলৰ সাক্ষাতত বিদুৰক ক'বলৈ ধৰিলে।

(৬) যুধিষ্ঠিৰে ক'লে— বিষ প্ৰয়োগ, জতুগৃহ দাহ প্ৰভৃতি মহা বিপদাদিৰ পৰা মাতৃৰ সহিত আমাক আপুনি ৰক্ষা কৰিছিলে। পক্ষীয়ে যেনেকৈ নিজৰ পাখীৰে ছাঁ দি পোৱালি ৰক্ষা কৰে, সেইদৰে আমাকো ৰাখি আমাক ডাঙৰ-দীঘল কৰিছিলে। সেই কথা আপোনাৰ মনত পৰেনে?

(৭) কি প্ৰকাৰে আপুনি জীৱন নিৰ্বাহ কৰিছে আৰু আপুনি কোন কোন তীৰ্থ ভ্ৰমণ কৰিছে?

(৮) আপোনালোকৰ নিচিনা ভক্ত শ্ৰেষ্ঠসকল তীৰ্থৰ নিচিনা পৱিত্ৰ। আপোনালোকে নিজৰ হৃদয়ত থকা ভগৱান সম্বন্ধে তীৰ্থক মহাতীৰ্থলৈ পৰিণত কৰিবৰ কাৰণেই তীৰ্থ ভ্ৰমণ কৰি থাকে।

(৯-১০) হে পিতৃব্য! আমাৰ পৰম বান্ধৱ কৃষ্ণগত প্ৰাণ যাদৱসকল দ্বাৰকাত কুশলে আছেনে? আপুনি আমাৰ বিষয়ে কিছু কথা শুনিছেনে বা দেখিছে নেকি? যুধিষ্ঠিৰে এই সকলো জিজ্ঞাসা কৰিলত বিদুৰে যদুবংশ ধ্বংসৰ বাহিৰে আন সকলো কথাৰ বৰ্ণনা কৰিলে।

(১১) মাৰৱ কোনো দুখজনক বিষয় উপনীত হ'লে তেওঁলোকক কোনো কথা ক'ব নালাগে। সেই কাৰণেই পাণ্ডৱসকলৰ দুখ দৰ্শনত অসমৰ্থ পৰম কৃপালু বিদুৰে যদুবংশ ধ্বংসৰ কথা গোপন কৰিলে।

(১২) পাণ্ডৱসকলৰ দ্বাৰা দেৱতাতুল্য পূজা লাভ কৰি বিদুৰে কিছুদিন হস্তিনাপুৰত বাস কৰিছিল। তাত সকলোৱেই পৰম আনন্দ লাভ কৰিছিল আৰু বিদুৰেও সেই সময়তে ধৃতৰাষ্ট্ৰক তত্ত্বোপদেশ প্ৰদান কৰিছিল।

গুৰুজনে অনুবাদ কৰিছে এনেকৈ—

পাছে মহামুনি শুকে উৎসুকে কহন্ত কথা
নৃপ পৰীক্ষিত শুনিয়োক।
উদ্ধৱ মহন্ত যেৱে কান্দন্তে গৈলন্ত এড়ি
বিদুৰৰ জ্বলি গৈল শোক।।
মহা দুখে অধোমুখে মকমকি কান্দিলন্ত
সন্তাপতে পৃথিৱীত পড়ি।
কতোক্ষণে সম্ভুকিয়া মচি মুখ গৈলা পাছে
মৈত্ৰেয়ৰ আশ্ৰমক লড়ি।।
কুশাৰু পুত্ৰক পাই পড়িয়া প্ৰণামি পাছে
পুছিলন্ত কৰি বহুমান।

কৃষ্ণৰ আদেশে ঋষি ৰহস্য ভকতি সমে
কহিলা ঈশ্বৰ মহাজ্ঞান।
শ্ৰৱণ মাত্ৰকে এক ভকতি কৃষ্ণত ভৈল
বিদুৰ কৃতাৰ্থ আতি ভৈলা।
মুনিক প্ৰণামি পড়ি কৃষ্ণক হৃদয়ে ধৰি
হস্তিনাপুৰক লাগি গৈলা।।
সুহৃদ বিদুৰ খুড়া আইল শুনি আথে বেথে
আগ বাঢ়িলন্ত চাৰি ভাই।
সুভদ্ৰা দ্ৰৌপদী কুন্তী উত্তৰা প্ৰভৃতি নাৰী
গৈলা ৰঙ্গে গৃহৰ বঝাই।।
যেন প্ৰিয় প্ৰাণ আইল জুড়াইল শৰীৰ সৱে
যেন আতি আনন্দে নাচন্ত।
চিৰকালে বিদুৰক দেখিয়া বান্ধৱ সৱে
শোকে মকমকি কান্দিলন্ত।।
ধৃতৰাষ্ট্ৰ গান্ধাৰীয়ো গলে বান্ধি কান্দিলন্ত
নুগুচৈ হিয়াৰ শোক শাল।
প্ৰাণ দেৱৰক ধৰি কৰন্ত বিলাপ কুন্তী
কৈতনো আছিলা এতকাল।।
তোমাৰেসে উপকাৰে পূৰ্ব্বতো বৰ্ত্তিলো বাপ
ইটো মোৰ পুত্ৰ পাঞ্চ গুটি।
দ্ৰৌপদী সুভদ্ৰা কুন্তী নাৰীগণে কান্দে দেখি
শোকে যেন যাই প্ৰাণ ফুটি।।
প্ৰেম ভাবে পুনু পুনু লোতকে তিয়াইলা তনু
কান্দিলন্ত বিদুৰো লগতে।
পাছে যুধিষ্ঠিৰ ৰাজা কৰিলা পৰম পূজা
বৈসাই আনি দিব্য আসনতে।।
অনেক সাদৰ কৰি পখালিলা দুই ভৰি
ভুঞ্জাইলা বিচিত্ৰ পৰমান্নে।
পথৰো এৰাইলা শ্ৰান্তি দেখি ৰাজা বুলিলন্ত
সৱে সমজ্যাৰ বিদ্যমানে।।

আমাসাৰ শিশুকালে পিতৃ পৰলোকে গৈলে
ভৈলোহো অনাথ পাঞ্চ ভাই।
পুত্ৰৱতে প্ৰতিপাল কৰিলাহা কতকাল
কৃপাময় তুমিসি খুড়াই।।
অনেক আপদ বেলা বুদ্ধি দিয়া উদ্ধাৰিলা
মাতৃ সমে শিশুক আমাক।
পখী যেন ছায়া ধৰি আছিলাহা ৰক্ষা কৰি
সুমৰাহা সিসৱ কথাক।।
কোন ক্ষেত্ৰ তীৰ্থ ভূমি এতকাল ফুৰা ভ্ৰমি
কেনমতে মিলিল আহাৰ।
জানিলো তোমাক ছুই তীৰ্থেসে পৱিত্ৰ হুই
তীৰ্থৰ সিজিল উপকাৰ।।
পাতকীৰ সম্পৰ্কত মহা মহা তীৰ্থ যত
পাপে হোৱৈ পৰম মলিন।
হৰিক হৃদয়ে লৈয়া ভকতে পৰশে গৈয়া
তেৱেসে পাতকে হোৱৈ হীন।।
ভকতৰ হিয়া এড়ি যাইবে নপাৰন্ত হৰি
লগাই আছে পাৱে প্ৰেমজৰি।
একবাৰ হৰি পাৱ চুইলে মাত্ৰ গঙ্গামাৱ
নভৈলন্ত ভকতৰ সৰি।।
দেৱে তীৰ্থে ভকতৰ অনেক অন্তৰ জানা
শুনি আছো বেদৰো ৰহস্য।
ভকতৰ সঙ্গ যিটো ক্ষণ মাত্ৰ লৱৈ সিটো
ঈশ্বৰ কৃষ্ণক কৰৈ বশ্য।।
যাদৱ বংশক তুমি আপুনি দেখিলা খুড়া
সুখে কি আছন্ত নিজ থানে।
ত্ৰিজগতে কৰৈ সেৱ মোৰ প্ৰাণ ইষ্টদেৱ
সি কি কৃষ্ণ আছন্ত কল্যাণে।।
সাত মাস ভৈল ভৈয়াই দ্বাৰকাক লাগি গৈল
নাসিল অৰ্জ্জুন কিবা কাজে।

নৃপতি পুছিলা মানে বিদুৰে সকলে কৈলা
যাদৱ কুলৰ কথা বাজে।।
কৃষ্ণৰ নিৰ্যান শুনি পাণ্ডৱে এড়িবে প্ৰাণ
মৰিবেক বাৰ্ত্তাক কহন্তে।
এতেকে নকৈলা কথা স্বভাৱে পৰক বেথা
পৰদুখ নেদেখে মহন্তে।
বিৰকতি মিলৈ নিত বঞ্চিবাক নাহি চিত্ত
যদ্যপি সবংশে কৰৈ মান।
কৃষ্ণৰ বিয়োগ স্মৰি মহা উচপিচ কৰি
থাকিলন্ত কতো দিন মান।।

(১৩) এনেদৰে সংসাৰ বাসনাত বৃথা কাল ক্ষয় বুজি বিদুৰে ধৃতৰাষ্ট্ৰক ক'লে— হে ৰাজন! এই মৰণশীল পৃথিৱীত যি কালৰ কোনো প্ৰকাৰে প্ৰতিকাৰ নহয়, সেই অচিন্ত্য প্ৰভাৱশালী কাল আমাৰ সকলোৰে ওচৰত।

(১৫-১৬) তোমাৰ পিতা, মাতা, বন্ধু, পুত্ৰ প্ৰভৃতি সকলোৱেই কালবশে নষ্ট হৈছে। পৰমায়ুও শেষ, দেহ জৰাগ্ৰস্ত। তথাপি এতিয়াও পৰৰ গৃহত বাস কৰিছা? তুমিতো আজন্মই অন্ধ, সম্প্ৰতি শ্ৰৱণ শক্তিও লোপ পাইছে, বুদ্ধিও হীন হৈছে, গলিত দন্ত, মন্দাগ্নি, কফৰ প্ৰকোপ ইত্যাদি উপস্থিত হৈছে। তথাপি এতিয়াও পৰমাসক্তভাৱে পৰগৃহত বাস কৰিছা।

(১৭) জীৱসমূহৰ জীয়াই থাকিবলৈ কি যে বলৱতী বাসনা। যি ভীমে তোমাৰ শত পুত্ৰ বিনাশ কৰিছে, তুমি কুকুৰৰ দৰে তেওঁৰ অন্ন ভোজন কৰিছা।

(১৮) এই পৃথিৱীত যিজনে নিজ বুদ্ধিবলে নাইবা কাৰোবাৰ উপদেশত বৈৰাগ্যবান হৈ মনক বশীভূত কৰি হৰিচৰণ স্মৰণসহকাৰে সংসাৰ ত্যাগ কৰি যাব পাৰে, মনুষ্যৰ মাজত তেৱেঁই শ্ৰেষ্ঠ।

(১৯) কনিষ্ঠ বিদুৰৰ ওচৰত উক্ত উপদেশ পাই জন্মান্ধ ধৃতৰাষ্ট্ৰ আত্মীয়সকলৰ সুদৃঢ় স্নেহবন্ধন ছিঙি ভাতৃ নিৰ্দিষ্ট পথ লক্ষ্য কৰি গৃহ এৰিলে।

(২০) যুধিষ্ঠিৰে প্ৰাতঃকালীন হোম আৰু সন্ধ্যা বন্দনাদি সমাপন কৰি বিপ্ৰসকলক গো-ভূমি, সুবৰ্ণ আদি দান কৰি গুৰু বন্দনা কৰিবলৈ ধৃতৰাষ্ট্ৰৰ গৃহত প্ৰৱেশ কৰিলত ধৃতৰাষ্ট্ৰ, গান্ধাৰী আৰু বিদুৰ কাকো নেদেখিলে।

(২১) তেওঁলোকক নেদেখি চিত্ত ব্যাকুল হৈ তাত উপস্থিত থকা সঞ্জয়ক সুধিলে— হে সঞ্জয়! আমাৰ অন্ধ, বৃদ্ধ ধৃতৰাষ্ট্ৰৰ, পুত্ৰ শোকাৰ্তা গান্ধাৰী আৰু পৰম মিত্ৰ বিদুৰ ক'লৈ গ'ল?

(২২)পুত্ৰ শোকাৰ্তা সেই ধৃতৰাষ্ট্ৰই আমাৰ পৰা কোনো অনিষ্ট আশংকা কৰি মনৰ দুখত নিজ পত্নীসহ গংগাত প্ৰাণ ত্যাগ কৰিলে নেকি বাৰু?

(২৩) ইয়াৰ পিছত দুই হাতেৰে চকুলো টুকি বুদ্ধি চিত্ত স্থিৰ কৰি ধৃতৰাষ্ট্ৰৰ চৰণ স্মৰণ কৰি সঞ্জয়ে যুধিষ্ঠিৰক ক'বলৈ ধৰিলে।

(২৪) সঞ্জয়ে ক'লে— হে কুৰু নন্দন! আপোনাৰ দুই পিতৃব্য আৰু গান্ধাৰীৰ উদ্দেশ্য কি তাক আমি জনা নাই। হায়। তেওঁলোকৰ চৰণ দৰ্শনৰ পৰা আমি বঞ্চিত হ'লো।

গুৰুজনে উক্ত শ্লোককেইটিৰ অনুবাদ এনেকৈ কৰিছে—

নিগদতি শুক শুনিয়োক পাছে কথা।
পাণ্ডৱ কুলৰ যেন মিলিল অৱস্থা।।
দিনেক বিদুৰ পশি দুইপৰ ৰাতি।
ধৃতৰাষ্ট্ৰ ৰাজাক জগাইলা গৈয়া মাতি।।
উঠা উঠা মহাৰাজা বঝায়ো সকাল।
সবাৰো মিলিল আসি বিনাশৰ কাল।।
মৰিল শতেক পুত্ৰ নাহি ৰাজভোগ।
তোৰ ইঠাৱত বঞ্চিবাৰ নুহি যোগ।।
কৰিলি অনেক পাণ্ডৱক কূট নাট।
তোৰ পদে পাঞ্চো ভাই ভুঞ্জিলে ললাট।।
কেনে হেন শত্ৰুৰ ঘৰত কৰা বাস।
ভৈল জলথল বৃদ্ধ এভো জীৱে চাস।।
যিটো ভীমে মাৰিলে শতেক পুত্ৰ তোৰ।
পিলেক ৰুধিৰ সিটো কৰি কৰ্ম্ম ঘোৰ।।
তাহাৰ ভাতত আশা তেজি নযায় দূৰ।
উচ্ছিষ্টক চোম্পে যেন নিৰ্গত কুকুৰ।।
তোৰ অনিচ্ছাতে ধৰি মাৰিবেক কালে।
মোৰ বোলে অন্ধ তথ্রিও বঝাও ভালে ভালে।
এতে কাল ব্যৰ্থে নিলি মনুষ্য জনম।
নাহি তোত ভকতি নভৈলি নৰোত্তম।।
এতেকে তীৰ্থত গৈয়া তেজিয়ো শৰীৰ।
যোগ চিন্তি মৰৈ যিটো তাকে বুলি ধীৰ।।

শুনি ধৃতৰাষ্ট্ৰৰ বৈৰাগ্য ভৈলা আতি।
মকমকি কান্দে ৰাজা বিদুৰক মাতি।।
স্বভাৱে অন্ধক মঞি আৰো মন্দমতি।
ঐ বাপু বিদুৰ কৰিয়ো মোৰ গতি।।
জ্যেষ্ঠ হুয়া মঞি তোৰ চৰণত ধৰো।
নিয়ো মোক সত্বৰে হেনবা বাপ তৰো।
হেন শুনি বিদুৰে হাতত ধৰি আনি।
পন্থ উপদেশতে লড়িলা দুয়ো প্ৰাণী।।
নিশা ভাগে গঙ্গাৰ কৰিলা দুইকো পাৰ।
শীঘ্ৰে চলি যান্ত যেন বিজুলী সঞ্চাৰ।।
কতো গঞি ভৰি কতো লৱৰন্ত ভিৰি।
দিনা কতিপয়ে পাইলা হিমৱন্ত গিৰি।।
আবে ধৃতৰাষ্ট্ৰৰ বৃত্তান্ত ইটো থঞু।
পাণ্ডৱ ৰাজাৰ যেন ভৈল তাকে কঞু।।
উঠি ৰাজা প্ৰভাতে গঙ্গাত কৰি স্নান।
পিতৃ দেৱ পূজিয়া বিপ্ৰক দিলা দান।।
নমস্কাৰ কৰিবাক ৰাজা যুধিষ্ঠিৰ।
প্ৰৱেশিলা ধৃতৰাষ্ট্ৰ ৰাজাৰ মন্দিৰ।।
বৃদ্ধ পিতৃ মাতৃক নেদেখি ৰাজা তথা।
সঞ্জয়ত নৃপতি পুছিলা পাছে কথা।।
সন্তাপে সঞ্জয়ে কান্দি বুলিলা বচন।
নজানিলো ৰাজা কিবা ভৈল দুয়োজন।।
শুনি নৃপতিৰ মহা মিলিল সন্তাপ।
হা নষ্ট ভৈল মোৰ সিটো বৃদ্ধ বাপ।।
গঙ্গাত দিলন্ত জাম্প দুয়ো পুত্ৰ শোকে।
পাইলে পিতৃ বধে আৰে অধমক মোকে।।
সিজিল অসংখ্য মোত গোত্ৰ হত্যা পাপ।
সবাতো অধিক ভৈল পিতৃৰ সন্তাপ।
এহি বুলি পড়িয়া কান্দন্ত হুমহুমি।
নয়নৰ লোতকে তিয়াইলা ৰাজা ভুমি। ইত্যাদি

(২৫) সঞ্জয়ে এনে প্ৰকাৰে বিলাপ কৰি আছে। এনে সময়তে তুম্বুৰু আৰু নাৰদ মুনি সেই ঠাইত আহি উপস্থিত হ'লহি। যুধিষ্ঠিৰাদি পাঁচ ভায়ে আসনৰ পৰা উঠি মান্য কৰি অভিবাদন কৰি ক'বলৈ ধৰিলে—

(২৬, ২৭, ২৮) যুধিষ্ঠিৰে নাৰদক ক'লে— হে ভগৱান! আমাৰ দুই পিতৃব্য আৰু মৃত পুত্ৰ শোক সন্তপ্তা পত্নীৰ কি উদ্দেশ্য তাক নাজানিলো, যিহেতু তেওঁলোক সকলোৰেই ক'ৰবালৈ গুছি গৈছে। অপাৰ সমুদ্ৰৰ কৰ্ণধাৰৰ দৰে আপুনি শোক সমুদ্ৰৰ পাৰ দৰ্শক। এতেকে আমি আপোনাৰ ওচৰত শৰণাপন্ন হ'লো। মুনিৰাজ! আপুনি কওকচোন— তেওঁলোক কি উদ্দেশ্যে ক'লৈ গৈছে। যুধিষ্ঠিৰৰ কথা শুনি মুনিৰাজ নাৰদে ক'বলৈ ধৰিলে। হে ৰাজন! পৃথিৱীখন ঈশ্বৰাধীন। এতেকে কাৰো কাৰণে শোক কৰা উচিত নহয়।

(২৯) ব্ৰহ্মাণ্ড সহ ব্ৰহ্মাণ্ড পতিগণো যাৰ শাসনত পৰিচালিত। সেই ভগৱানৰ ইচ্ছাতেই জীৱসকলে পৰস্পৰ মিলিত আৰু বিচ্ছিন্ন হয়।

(৩০) যেনেকৈ খেলাৰ পুতলাসকল কেতিয়াবা মিলন আৰু বিচ্ছিন্ন হয় আৰু সেইবোৰ শিল্পীজনৰ ইচ্ছানুপাতেই সমাধান হৈ থাকে, সেইদৰে ঈশ্বৰৰ ইচ্ছাতেই জগতৰ জীৱসমূহৰ মাজত সংযোগ বিয়োগ হৈ থাকে।

(৩১) হে মহাৰাজ! জগত ঈশ্বৰাধীন, আনহাতে তেওঁলোক নিৰাশ্ৰয়। সেই পিতৃব্যদ্বয় আৰু গান্ধাৰী আমাৰ সাহায্য অবিহনে কেনেকৈ জীয়াই থাকিব— এই অজ্ঞানতা আৰু চিত্ত ব্যাকুলতা ভাব পৰিত্যাগ কৰা।

(৩২) কোনো সৰ্পগ্ৰস্থ ব্যক্তিয়ে যেনেকৈ আন কোনো সৰ্পগ্ৰস্ত ব্যক্তিক ৰক্ষা কৰিব নোৱাৰে। সেইদৰে কাল, কৰ্ম আৰু গুণৰ অধীন দেহধাৰী ব্যক্তিয়েও অন্য কাকো ৰক্ষা কৰিব নোৱাৰে।

(৩৩) সেই ব্ৰহ্মাণ্ড পৰিপালক শ্ৰীকৃষ্ণই নিজেই পৰমানন্দ স্বৰূপ হৈয়ো বাহ্যিক দৃষ্টিত কালৰূপে অৱতীৰ্ণ হৈ অসুৰসকলৰ বিনাশৰ হেতু এই পৃথিবীত লীলা কৰিছে।

(৩৪) সম্প্ৰতি দেৱকাৰ্য্যৰ অৱসান হৈছে আৰু কিছু কাৰ্য্য অৱশিষ্ট আছে কাৰণে শ্ৰীকৃষ্ণই সময়লৈ প্ৰতীক্ষা কৰিছে। যিমান দিন তেওঁ পৃথিবীত থাকিব। সেই পৰ্য্যন্ত তোমালোক অপেক্ষা কৰা।

(৩৫) তোমাৰ পিতৃব্য ধৃতৰাষ্ট্ৰই বিদুৰ আৰু গান্ধাৰীৰ সৈতে হিমালয় পৰ্বতৰ দক্ষিণ ভাগস্থ ঋষিসকলৰ আশ্ৰমলৈ গৈছে।

(৩৬) ধৃতৰাষ্ট্ৰই সকলো লৌকিক চেষ্টা ত্যাগ কৰি সেই তীৰ্থত ত্ৰিসন্ধ্যা স্থান, যথা বিধি হোমানুষ্ঠান, আৰু জলমাত্ৰ পানে জীৱন ধাৰণ কৰি চিত্ত বৃত্তি নিৰোধ কৰি কাল অতিবাহিত কৰিছে।

(৩৭) তেওঁ আসন, প্ৰাণায়াম ইন্দ্ৰিয় জয় কৰি হৰিৰ ভাৱনাৰে তিনিগুণৰ মলিনতা দূৰ কৰিছে।

(৩৮) হে ৰাজন! তুমি সৰ্ব কৰ্মত্যাগী ধৃতৰাষ্ট্ৰৰ মোক্ষ পথৰ মাজত বিঘিনি নকৰিব্যা। তেওঁ আজিৰ পৰা পঞ্চম দিনা নিজ কলেৱৰ ত্যাগ কৰিব আৰু সেই দেহো যোগাগ্নিত ভস্মসাৎ হ'ব।

(৩৯, ৪০) ধৃতৰাষ্ট্ৰৰ দেহ পৰ্ণশালা সহ ভস্মীভূত হোৱাৰ পিছত পতিব্ৰতা পত্নী গান্ধাৰীও পতিক স্মৰণ কৰি সেই অগ্নিতে প্ৰবেশ কৰিব। বিদুৰে সেই পৰমাশ্চৰ্য্য ঘটনা দেখি হৰ্ষ আৰু বিষাদ মনেৰে তীৰ্থ যাত্ৰা কৰিবলৈ গুছি যাব।

(৪০) নাৰদে যুধিষ্ঠিৰক এই কথাখিনিকৈ তুম্বুৰুৰ সৈতে স্বৰ্গলৈ গতি কৰিলে। যুধিষ্ঠিৰেও নাৰদৰ কথামতে পিতৃব্য বিয়োগ দুখৰ পৰা মুক্ত হ'ল। (ইত্যাদি)

গুৰুজনাৰ অনুবাদ এনেধৰণৰ

মিলিল নাৰদ ঋষি আসিয়া তহিতে।
গোৱিন্দৰ গুণ গাৱ তুম্বুৰু সহিতে।।
দেখিয়া নৃপতি উঠি তেজিয়া ক্ৰন্দন।
আসনে বৈসায়া দুইকো কৰিলা বন্দন।।
তযু দৰশনে খেদ খণ্ডিল দুৰ্ঘোৰ।
কৈয়ো কৈক গৈল বৃদ্ধ পিতৃ মাতৃ মোৰ।।
তাসম্বাক নেদেখিয়া দহৱে শৰীৰ।
হাসি ঋষি বোলন্ত শুনিয়ো যুধিষ্ঠিৰ।।
জানো সবে কথা বৃথা তেজিয়ো সন্তাপ।
লৈয়া গৈল বিদুৰে তোমাৰ বৃদ্ধ বাপ।।
গঙ্গাদ্বাৰে যোগ চিন্তি পঞ্চম দিবসে।
পাইবন্ত পৰম গতি নৃপতি আৱেসে।।
হৰি ভাৱনাত মল গুচিবে মনৰ।
যোগাগ্নিয়ে দহিবে ৰাজাৰ কলেৱৰ।।

সেহি জুইত জাম্প দিয়া মৰিবে গান্ধাৰী।
চলিবা বিদুৰে দুইকো উপায়ে উদ্ধাৰি।
প্ৰভাস তীৰ্থত তেহো তেজিব শৰীৰ।
তাসম্বাক বিঘ্নি নকৰিবা যুধিষ্ঠিৰ।।
বন্ধু বান্ধৱক লাগি মিছা কৰা শোক।
ঈশ্বৰ ইচ্ছায়ে হোৱে সংযোগ বিয়োগ।।
গিলি আসিলেক ৰাজা কাল অজগৰে।
আৰো সুহৃদক্ চিন্তা তুমি নৃপবৰে।।
সৰ্পে ধৰি আছে যেন কেহো পুৰুষক।
সিকি জনে জানো পাৰৈ ৰাখিবে আনক।।
কাল মূৰ্ত্তি কৃষ্ণে দ্বাৰকাত অৱতৰি।
খণ্ডিলা ভূমিৰ ভাৰ অসুৰ সংহৰি।।
নুবুজিয়া কেতিক্ষণে যান্ত নিজ থান।
তুমি সবো আপুনাক হোৱা সাৱধান।।
মিলিল দুৰন্ত কাল পৰিল বিপাক।
আনক নিচিন্তি ৰাজা চিন্তা আপুনাক।।
হেনয় প্ৰবোধ বাণী বুলি দেৱ ঋষি।
স্বৰ্গক সৈলন্ত লড়ি পৰম হৰিষি।।
নাৰদৰ বাণী শুনি ৰাজা যুধিষ্ঠিৰ।
নয়ন তবধ তনু মন নুহি স্থিৰ।।

নাৰদৰ প্ৰস্থানৰ পিছত পাণ্ডৱৰ অৱস্থাৰ কৰুণ কাহিনীৰ বৰ্ণনা সেই স্কন্ধৰ চতুৰ্দশ আৰু পঞ্চদশ অধ্যায়ত বিশেষভাবে আছে। অৰ্জুনে দ্বাৰকাৰ পৰা প্ৰত্যাৱৰ্তন কৰি আহোঁতে কৃষ্ণ পত্নীসকলক ৰক্ষা কৰি ইন্দ্ৰপ্ৰস্থত সংস্থাপনৰ কাৰণে লৈ আহিছিল। বাটতে গোৱালসকলে আগচি ধৰিলে আৰু অৰ্জুনক পৰাস্ত কৰি তেওঁলোকক লৈ গ'ল। এই কাহিনীটি পঞ্চদশ অধ্যায়ত বৰ্ণিত হৈছে। এই ঘটনাক্ৰম যুধিষ্ঠিৰক অৰ্জুনে কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ বৰ্ণনা দি আহোঁতে কোৱা কথাহে। কিন্তু গুৰুজনে ইয়াক ৰূপকত পৰিণত কৰি বৰ্ণনা কৰিছে। এই বিষয়ে পিছত বহলকৈ বৰ্ণনা কৰা হ'ব।

চতুৰ্দশ অধ্যায়ৰ শ্লোক সংখ্যা চৌৱাল্লিশ। ইয়াৰে গুৰুজনে অনুবাদ কৰিছে চল্লিশটি শ্লোকৰ। তলত শ্লোককেইটিৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল

(ওঠৰ, ঊনৈশ, পয়ত্ৰিশ, চৌৰাল্লিশ সংখ্যাৰ শ্লোক বাদ দিয়া হৈছে)।

(১) সুতে ক'লে হে শৌনকাদি ঋষিগণ! আত্মীয় দৰ্শন, আৰু পুণ্য শ্লোক।

(২) শ্ৰীকৃষ্ণৰ লীলা স্বাদন মানসেৰে অৰ্জুন দ্বাৰকালৈ গৈছিল কেইমাহমান অতীত হৈছে। তথাপি তেওঁ উভটি অহা নাই। ইফালে হস্তিনাপুৰত যুধিষ্ঠিৰে নানা প্ৰকাৰ অশুভ লক্ষণ দেখিবলৈ পাইছে।

(৩, ৪, ৫) যুধিষ্ঠিৰে দেখা পাইছে— কালৰ গতি অতি ভীষণ শীত গ্ৰীষ্মাদি ঋতুৰ অস্বাভাৱিক পৰিবৰ্তন, সকলো লোক ক্ৰোধ, লোভ আৰু মিথ্যা পৰায়ণ হৈ অসৎ উপায়ে জীৱিকা নিৰ্বাহ কৰিছে। সকলোৰে ব্যৱহাৰ কপটতাপূৰ্ণ, বন্ধুত্ব শঠতাপূৰ্ণ, পিতৃ, মাতৃ, আত্মীয় ভ্ৰাতা, পত্নী পতি সকলোৱে কন্দলত ব্যস্ত। নিজৰ ৰাজত্বকালত এনেকুৱা অশুভ লক্ষণ আৰু প্ৰজাসকলৰ লোভাদি অধৰ্ম জাতীয় স্বভাৱ দেখি যুধিষ্ঠিৰে নিজৰ ভায়েক ভীমক ক'বলৈ ধৰিলে।

(৬, ৭) ভাই ভীম! আত্মীয় দৰ্শন আৰু পৱিত্ৰ কীৰ্তি কৃষ্ণৰ লীলা ৰসাস্বাদন কৰাৰ মান সেৰে অৰ্জুনক দ্বাৰকালৈ পঠাইছিলোঁ। কিন্তু সাত মাহ অতীত হৈ গ'ল। তথাপি অৰ্জুন উলটি অহা নাই। ইয়াৰ কাৰণ একো বুজিব পৰা নাই।

(৮) দেৱৰ্ষি নাৰদে কৈ গ'ল যে ভগৱানে তেওঁৰ প্ৰকট লীলাময় শ্ৰীমূৰ্ত্তি গোপন কৰিব। বৰ্তমান সেই সময় উপস্থিত নেকি বাৰু?

(৯) যাৰ পৰা আমাৰ সম্পদ, ৰাজ্য, ভাৰ্য্যা, প্ৰাণ, কুল, প্ৰজা প্ৰভৃতি সকলোবোৰ লাভ হৈছে আৰু যাৰ অনুগ্ৰহত আমাৰ শত্ৰুক্ষয়, যজ্ঞাদি সাধিত হৈছে।

(১০) হে নৰ শ্ৰেষ্ঠ! আমাৰ বুদ্ধি ভ্ৰংশকৰ সন্নিহিত ভয়সূচক উল্কাপাত ভূমিকম্প আদি উৎপাত তুমি দেখিছা।

(১১) হে ভীম! বাৰে বাৰে মোৰ বাওঁ উৰু, বাওঁ চকু, বাওঁ বাহু, স্পন্দন হৈছে। মাজে মাজে বুকু কপি উঠিছে। সম্ভৱতঃ সোনকালে কোনো মহা বিপদ উপস্থিত হ'ব।

(১২) শৃগালিনীয়ে সূৰ্য্যৰ অভিমুখে ৰাৱ কৰিছে আৰু তেওঁলোকৰ মুখেদি যেন অগ্নি বাজ হৈছে। কুকুৰসমূহে নিৰ্ভীকৰ দৰে মোৰ পিনে মুখ কৰি উচ্চ ৰৱ কৰিছে।

(১৩) গো প্ৰভৃতি মঙ্গলসূচক পশুবোৰে আমাৰ বাওঁহাতে গুছি গৈছে

আৰু অমঙ্গলসূচক গৰ্দাভাদি পশুবোৰে আমাৰ সোঁহাতে গুছি গৈছে। আমাৰ অশ্বসমূহে যেন ৰোদন কৰিছে, তেওঁলোকলৈ দৃষ্টিপাত কৰিলে, তেনেকুৱা দেখি।

(১৪) কপৌ, ফেঁচা কাউৰী আদি পক্ষীসমূহে হৃদয় বিদাৰক শব্দৰ দ্বাৰা যেন মৃত্যু ঘোষণা কৰিছে আৰু পৃথিবী শূন্য হোৱাৰ দৃশ্য দেখা পোৱা হৈছে।

(১৫) চাৰিওফালে ধোঁৱা বৰণীয়া ৰূপ ধাৰণ কৰি যেন মণ্ডলাকাৰে পৃথিবীখন আবৃত কৰি আহিছে। পৰ্বত সহ পৃথিৱী ক্ষণে ক্ষণে কম্পিত হৈছে। কেতিয়াবা মেঘে গৰ্জন কৰিছে, কেতিয়াবা বিনা মেঘে বজ্ৰপাত হৈছে।

(১৬) ধূলিয়ে চাৰিওফালে অন্ধকাৰ কৰি প্ৰদূষিত বায়ু প্ৰবাহিত হৈছে, মেঘে ৰক্ত বৰ্ষণ কৰিছে।

(১৭) সূৰ্য্যৰ প্ৰভা ক্ষীণ, গ্ৰহবোৰে পৰস্পৰে ঘাত প্ৰতিঘাত কৰিছে, পৃথিবীখন আৰু আকাশ মণ্ডল যেন নানা বিধ প্ৰাণী আৰু ৰুদ্ৰানুচৰসকলৰ দ্বাৰা প্ৰজ্বলিত হৈছে।

(১৮) মন্দিৰৰ দেৱ প্ৰতিমাই যেন ৰোদন কৰিছে আৰু সময়ে সময়ে ঘৰ্মাক্ত আৰু যেন খোজ কাঢ়ি চলিছে। গ্ৰাম, নগৰ, উদ্যান, আকৰ আৰু আশ্ৰম প্ৰভৃতিও পূৰ্ব্ববৎ শোভা কৰা নাই, সকলোতে বিষাদৰ ছায়া। নাজানো আমাৰ কি অমঙ্গল হয় গৈ।

(১৯) এইসকলো অশুভ লক্ষণ দেখি মোৰ ধাৰণা হৈছে হতভাগ্য পৃথিবী বোধহয় কৃষ্ণ পদচিহ্ন হীনা হ'ব।

(২০) হে শৌনক! যুধিষ্ঠিৰে যেতিয়া এনে ধৰণৰসকলো অশুভ লক্ষণ দেখি ঘোৰ চিন্তা মগ্ন, তেনেকুৱা অৱস্থাতে দ্বাৰকাৰ পৰা অৰ্জুন পৰিবৰ্তী আহিল।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ ঃ

নানা বিধ বিমঙ্গল দেখি অদভুত।
ভীমক সম্বুধি মাতিলন্ত কুন্তী সুত।।
দেখ দেখ ভৈয়াই ভীম কিনো বিপৰ্য্যয়।
পাপে জিনিলেক আসি লোকৰ হৃদয়।।
ভৈল শঠা মিত্ৰ কৰৈ ধৰ্ম্মতো কপট।
নাহিকে আচাৰ বেশধাৰী যেন নট।।

বেদপন্থ এড়ি কৰৈ যাৰ যেন ইচ্ছা।
মিলিল অসত্য অকাৰ্য্যতো মাতৈ মিছা।।
জানিলো পাইলেক কলি পৰম নিস্থল।
বাপে পোৱে ভাই ভাই নুগুচে কন্দল।।
দেখ দেখ দশোদিশে ঘোৰ উতপাত।
লৰে ভূমিখণ্ড পৰৈ সঘনে নিৰ্ঘাত।।
ৰথৰ ঘোড়াৰ লোতকৰ ছেদ নাই।
কান্দে উৰ্ম্মি কৰিয়া কুকুৰে মুখ চাই।।
দেখিয়ো নক্ষত্ৰে যুজে ছানিয়া আকাশ।
সূৰ্য্যক সমুখে পাড়ে ফেৰুৱা আটাস।।
ফেপ্তা বক কপোতৰ কুচিত শৱদ।
নাসৈ নিদ্ৰা পাৱে জানো একোৱে প্ৰসাদ।।
দেৱৰ প্ৰতিমা কান্দে কম্পে অঙ্গ বাম।
দেখো নিৰানন্দ সৱে নগৰ কুগ্ৰাম।।
বহে খৰ্ব বায়ু মহা ধূলায়ে আন্ধাৰি।
জানিলো মিলিবে আৱে একো মহামাৰি।।
যিটো কথা সৰ্বজান নাৰদে কহিল।
সেহি দুসৰিশ কাল অৱশ্যে মিলিল।।
দ্বাৰকাত গৈল বাপ তোহোৰ কনিষ্ঠ।
সাত মাস ভৈল নপাঞ একো বাৰ্ত্তা নিষ্ঠা।।
ঘোৰ বিমঙ্গল দেখি কাম্পে মোৰ চিত্ত।
হঞু জানো আমি কৃষ্ণ বান্ধৱে বঞ্চিত।।
যাহাৰ প্ৰসাদে ভৈলো দুৰ্গতি তৰণ।
হৰুৱাঞু জোনো সিটো অৰুণ চৰণ।।
যাৰ পদে পাইলো অকণ্টক ৰাজ্য ভাৰ।
যাহাক আপেক্ষি আছে প্ৰাণ যে আমাৰ।।
যিহেতু তৰিলোঁ আমি অনেক বিপাক।
হেন বন্ধু কৃষ্ণ জোনো তেজন্ত আমাক।।
মোৰ কথা ভীমসেন বাপ মনে গুণ।
ভালে কি আছন্তে নাসৈ ভৈয়াই অৰ্জুন।।

জানো কৃষ্ণ চৰণে বঞ্চিত ভৈল ভূমি।
এহি বুলি নৃপতি কান্দন্ত হুম হুমি।।
দুয়ো নয়নৰ লোতকৰ নাই ছেদ।
নাহি সুখ সদায়ে নখণ্ডে হৃদি খেদ।।
নাসৈ নিদ্ৰা নিশাত চিত্তৰ নাই থিৰ।
এহিমতে আকুলে ৰহিলা যুধিষ্ঠিৰ।।

মূলত ইয়াৰ পিছতে অৰ্জুন দ্বাৰকাৰ পৰা আহি যুধিষ্ঠিৰৰ আগত তাৰ ঘটনাৰ কথা কৈছেহি। যুধিষ্ঠিৰে পোনতে অৰ্জুনক দ্বাৰকাৰ বা-বাতৰি সুধিছে। অৰ্জুনে সমস্ত বৰ্ণনা দিয়াৰ মাজতে কৃষ্ণৰ আদেশক্ৰমে তেওঁৰ পত্নীসকলক আৰু দ্বাৰকাৰ অৱশিষ্ট প্ৰজাসকলক লগত লৈ ইন্দ্ৰপ্ৰস্থ অভিমুখে আহি থাকোঁতে এদল দস্যু গোৱালে তেওঁক পৰাস্ত কৰিছে। পত্নীসকলক কাঢ়ি লৈ যোৱাৰ কথা যুধিষ্ঠিৰৰ আগত প্ৰকাশ কৰি দুখ নিৱেদন কৰিছে। সেই কথাৰ বৰ্ণনা পঞ্চদশ অধ্যায়তহে আছে আৰু অৰ্জুনে যুধিষ্ঠিৰক কৰুণ বৰ্ণনা দিওঁতে কোৱা কথাহে। কিন্তু গুৰুজনে পদত ইন্দ্ৰপ্ৰস্থলৈ আহি থাকোতে ৰূপকৰ কথাৰে অৰ্জুন আৰু দস্যুসকলৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনা বৰ বিস্তৃত ভাৱে দিছে। পঞ্চদশ অধ্যায়ৰ কুৰি সংখ্যাৰ শ্লোকৰ শেষাংশৰ সূত্ৰটিৰ ওপৰতে ভেজাদি গুৰুজনে ইয়াক ৰূপকত পৰিণত কৰিছে। শ্লোকাংশটি হ'ল 'অধবন্যৰুক্ৰম পৰিগ্ৰহমঙ্গল ৰক্ষণ গোপে ৰসদ্ভিৰবলেৰ বিনিৰ্জ্জ তোঽস্মি" অৰ্থাৎ হে ৰাজন! সেয়ে আজি কৃষ্ণ পত্নীসকলক লৈ হস্তিনাপুৰলৈ আহি থাকোঁতে পথত দস্যুসকলে আক্ৰমণ কৰি আমাক পৰাজিত কৰিলে। আমি তেওঁলোকক ৰক্ষা কৰিব নোৱাৰিলো এই সূত্ৰটিতে ভেজাদি গুৰুজনে ইয়াক বৰ্ণনা কৰিছে এনেকৈ—

ই কথা থাকোক আৰো শুনা অথন্তৰ।
কৃষ্ণ বিনে যেন ভৈল বীৰ অৰ্জুনৰ।
সুহৃদৰ প্ৰেতকাৰ্য্য কৰি সমস্তয়।
ইন্দ্ৰপ্ৰস্থ যাইবাক সাজিলা ধনঞ্জয়।।
আশ্বাসিয়া মাধৱৰ আদেশ সৱাকে।
লৈয়া লড়িলন্ত বাল্য বৃদ্ধ বিধৱাকে।।
কৃষ্ণক সুমৰি সৱে কৰন্ত বিষাদ।
প্ৰভু অৱিহনে ভৈলো ভিঠিৰ উছাদ।।

দুনাই যেন নৱ ভৈল মাধৱৰ শোক।
কৃষ্ণ কৃষ্ণ বুলি উকি পাৰি কান্দে লোক।।
মাধৱৰ ভাৰ্যা যিটো ষোড়শ হাজাৰ।
হা কৃষ্ণ স্বামী বুলি কৰৈ হাহাকাৰ।।
বহৱে লোতক সন্তাপৰ নাহি ওৰ।
স্বামীৰ সন্তাপে দেখে অন্ধকাৰ ঘোৰ।।
কেৱলেসে আছে মাত্ৰ কলা ধাতুৰই।
প্ৰবোধ বুলিয়া ধনঞ্জয়ে যান্ত লই।।
মিলিল সৱাৰো পূৰ্ব লিখিত ললাট।
সেহি বেলা গোপগণে ভেটিলেক বাট।।
বোলৱৈ গোৱাল সৱে জাতিত অধম।
উপৰক তুলি ভাঙ্গ দেখাৱৈ বিক্ৰম।।
ৰহ ৰহ অৰে নাৰীসৱ কৈক যাস।
সমুলি মাৰিবো কোবাই নতু আণ্টা পাশ।।
ভ্ৰূকুটি কুটিল মুখ আখি পকাই চাৱে।
স্ত্ৰীসৱো কম্পন্ত কন্দলী যেন বাৱে।।
ত্ৰাহি ত্ৰাহি ধনঞ্জয় পাড়ন্ত আটাস।
নাহি ভয় বুলি বীৰে কৰিলা আশ্বাস।।
পাচ কৰি স্ত্ৰীক আগ ভৈলন্ত অৰ্জুন।
কথমপি লগাইলন্ত গাণ্ডীৱত গুণ।।
ৰথে চড়ি টঙ্কাৰি মাতন্ত মহা ৰাগে।
কৈৰ ক্ষুদ্ৰ পতঙ্গ গোৱাল মোৰ আগে।।
অৰ্জুনকো জোঙ্কা আসি এতমান প্ৰাণ।
এহি বুলি বীৰে বৰষিবে লৈলা বাণ।।
পৰশু মুষল অসি ভল্ল ভিণ্ডিপাল।
নবাচ তোমাৰ ত্ৰিকণ্টক শণিয়াল।।
সনাইবাৰ শৰসৱ হানন্ত সন্ধানে।
গোৱালৰ চালকো নিবিন্ধে গৈয়া বাণে।।
বোলন্ত অৰ্জুনে দেখি মহা বিপৰ্য্যয়।
সেই ৰথ ধনু মঞি সেই ধনঞ্জয়।।

কৃষ্ণ বিনে ব্যৰ্থ ভৈল সবে বীৰ্য্য বল।
ভস্মত হানিলে যেন নাই কিছু ফল।।
ত্ৰৈলোক্য বিজয়ী মই বীৰ ধনঞ্জয়।
মোহোৰ বিক্ৰম দেখি দেৱৰো বিস্ময়।।
কৃষ্ণ বিনে একে তিলে সবে ভৈল ছন্ন।
এহিমনে গুণি বীৰে কৰন্ত ক্ৰন্দন।।
ভাগি গৈল গৰ্ব একো নপান্ত উপায়।
গুৱালে গৰ্জ্জিবে লৈল অৰ্জুনক চাই।।
এহিসে বিক্ৰমে বীৰ বোলাস লোকত।
ৰহ ৰহ ভাঙ্গো আজি তোহোৰ মহত।।
এহি বুলি তুলি ডাঙ্গ ধাইলেক গোৱালে।
পাইলে খেদি অৰ্জুনক যেন যমকালে।।
কোপে কোবাইবাক লৈলা অৰ্জুনক বেঢ়ি।
দিলেক লবড় স্ত্ৰী সমস্তক এড়ি।।
কৃষ্ণৰ ভাৰ্যাক বেঢ়ি ধৰিলে গোৱালে।
মাৰি ধৰি আঝুৰি ডকাই নেই পালে।
হৰিল চেতন আতি আকুল স্বভাৱ।
কৃষ্ণ কৃষ্ণ বুলিয়া কৰন্ত আৰ্ত্তৰাৱ।।
ভকতিৰ প্ৰভাৱত ভৈল সঙ্কুক্ষণ।
মাৰন্তো নেৰন্ত কেহো কৃষ্ণৰ চৰণ।।
ভৈল কৰ্ম বন্ধ ছেদ দুষ্মহ দুখত।
কৃষ্ণ ৰাম নাম আউৰ নুগুছে মুখত।।
কৃষ্ণৰ মূৰ্ত্তিক মনে হৃদয়ে ধৰিল।
প্ৰেমে পুলকিত তনু লোতক ঝৰিল।।
কৃষ্ণময় হুয়া সবে নেদেখন্ত আন।
গোৱালৰ হাততে ছাড়িলা সবে প্ৰাণ।।
সংসাৰৰ ক্লেশ ভৈল ক্ষণেকে উছাদ।
পাইলন্ত পৰম পদ কৃষ্ণৰ প্ৰসাদ।।
মৰিবাৰ দেখিয়া গোৱাল গৈল এড়ি।
আৰ্ত্তনাদ কৰি কান্দে শিশুসবে বেঢ়ি।।

আসিলন্ত উলটি কান্দন্ত ধনঞ্জয়।
মৃতকক দেখি চুখে দগধ হৃদয়।।
হা বিধি কৰিলে হেনসে বিড়ম্বন।
আকে লাগি এড়ি গৈলে কমল লোচন।।
যাদৱৰ বংশ শোক ভৈল চিতাখান।
কৃষ্ণৰ বিয়োগ বহ্নি দহে আতি প্ৰাণ।।
ভৈল ভাণ্ডি খোঞ্চালি ইসৱ স্ত্ৰীৰ শোকে।
আৱেসে সমূলি পুলি খুঞ্চি মাৰৈ মোকে।।
পাছে কাষ্ঠ সংস্কাৰক কৰিয়া আপুনে।
তাসম্বাৰ প্ৰেত কাৰ্য্য সম্বলি অৰ্জুনে।।
হস্তিনাপুৰত প্ৰবেশিলা ধনঞ্জয়।।
ধূলিয়ে ধুসৰ তনু বিমুকুত কেশ।
কান্দন্তে ভৈলন্ত ৰাজসভাত প্ৰৱেশ।
দহৱে শৰীৰ শোক অগনিৰ জ্বালে।
ৰাজাৰ আগত গৈয়া পড়িলা নিঢ়ালে।।
অধোমুখে কান্দন্ত নেত্ৰৰ ঝৰে নীৰ।
দেখি অন্তৰীক্ষ ধাতু যুধিষ্ঠিৰ।

পূৰ্বোক্ত বৰ্ণনাসমূহ পঞ্চদশ অধ্যায়ৰ কুৰি সংখ্যাৰ শ্লোকৰ কথাহে। সম্প্ৰতি পুনৰ চতুৰ্দশ অধ্যায়ৰ তেইশ সংখ্যাৰ শ্লোকৰ পৰা যুধিষ্ঠিৰ আৰু অৰ্জুনৰ মাজত হোৱা কথোপ কথনৰ বিষয় আৰম্ভ হৈছে। তলত শ্লোকৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল।

(২১, ২২) যুধিষ্ঠিৰে হীনবীৰ্য্য অৰ্জুনক ছিন্নমূল বৃক্ষৰ দৰে পদ পতিত দুঃখাৰ্ত্ত, অধোবদন, অশ্ৰু নিগৰিত, মলিন বদন দেখি নাৰদৰ কথা মনত পৰি কম্পিত হৃদয়ে ভীমাদিৰ সমুখত সুধিলে।

(২৩, ২৪, ২৫) যুধিষ্ঠিৰে ক'লে, হে অৰ্জুন! দ্বাৰকাত মধু, ভোজ, দশাই, অৰ্হ, সাত্বত, অন্ধক, বৃষ্ণি আদি আমাৰ স্বজনসকল, পৰম মাননীয় মাতামহ শূৰ, মাতুল বসুদেৱ ভাতৃসকলৰ সৈতে ভালে আছেনে? বসুদেৱৰ পত্নী দৈৱকী প্ৰভৃতি সাত ভগিনী, আমাৰ মাতুলানীসকল পুত্ৰ আৰু পুত্ৰ বধুসকলৰ কুশলনে?

(২৬, ২৭) নষ্ট পুত্ৰ উগ্ৰসেন, ভাতৃদেৱক, পুত্ৰ হৃদীক, অক্ৰুৰ, জয়ন্ত, গদ, সাৰণ প্ৰভৃতি কৃষ্ণৰ ভাতৃসকল, আৰু শত্ৰুজিত প্ৰভৃতিসকলো ভালে আছেনে? ভক্ত পালক ভগৱানক বলৰাম সুখেৰে আছেনে?

(২৮, ২৯, ৩০, ৩১) যদু শ্ৰেষ্ঠ যোদ্ধা প্ৰদ্যুম্ন, যুদ্ধত অতি বেগবান, অনিৰুদ্ধ, সুৰেণ, চাৰুদেষ্ণ, জাম্ববতী সুত সাম্ব, আৰু অন্যান্য কৃষ্ণ পুত্ৰ গণ, সপুত্ৰ ঋষভ, শ্ৰুতদেৱ, উদ্ধৱ, নন্দ, সুনন্দ প্ৰভৃতি কৃষ্ণৰ অনুচৰসকল, ৰাম কৃষ্ণৰ চৰণাশ্ৰয়ত তেওঁলোক কুশলে আছেনে? আমাৰ ওপৰত স্নেহশীল বান্ধৱসকলে আমাৰ কথা মনত ভাবেনে?

(৩২, ৩৩) ব্ৰহ্মণ্যদেৱ, ভক্ত বৎসল ভগৱান গোৱিন্দ সুহৃদসকলৰ সৈতে কুশলে আছেনে? যাৰ বাহুবলৰ দ্বাৰা ৰক্ষিত দ্বাৰকাপুৰীত যদুবংশীয়সকল দেৱপূজ্য হৈ বৈকুণ্ঠ নাথৰ অনুচৰৰ দৰে পৰমানন্দে ক্ৰীড়া কৰিছে।

(৩৪, ৩৫) সত্যভামা প্ৰভৃতি ষোল্ল হাজাৰ মহিষীয়ে যাৰ চৰণ সেৱাৰ বলে দেৱতাসকলক পৰাস্ত কৰি ইন্দ্ৰ পত্নী ভোগ্য পাৰিজাত পুষ্প ভোগ কৰিবলৈ সক্ষম হৈছে। যাৰ বাহুবলত যদুবীৰসকলে নিৰ্ভয়ে দেৱৰাজ ইন্দ্ৰৰ ভোগ্য সুধৰ্মা সভা অনায়াসে অধিকাৰ কৰি বাৰম্বাৰ পদ দলিত কৰিছে, সেই শ্ৰীকৃষ্ণ কুশলে আছেনে?

(৩৬, ৩৭, ৩৮) বৎস অৰ্জুন! তোমাৰ শৰীৰ সুস্থ আছেনে? তোমাক দেখি মোৰ ধাৰণা হৈছে যেন তুমি শ্ৰীহীন হৈছা। বহুদিন তুমি দ্বাৰকাত আছিলা। তাত তোমাক কোনোৱে অনাদাৰ বা অৱজ্ঞা কৰিছিল নেকি? তাত কোনোৱে তোমাক প্ৰেমশূন্য কৰ্কশ বাক্য প্ৰয়োগ কৰিছিল নেকি? কাৰোবাক কিবা দিম বুলি প্ৰতিশ্ৰুতি দিও বাক্য ৰক্ষা কৰিব নোৱাৰি নিৰাশ কৰিছিলা নেকি?

কোনো শৰণাগত ব্ৰাহ্মণ, বালক, গো, বৃদ্ধ, ৰোগী, ৰমণী বা কোনো প্ৰাণীক ৰক্ষা কৰিবলৈ অসমৰ্থ হৈছিলা নেকি?

(৩৯, ৪০) কোনো অগম্যাগমন কৰিছিলা নেকি, গম্যানাৰীক পৰিত্যাগ কৰিছিলা নেকি অথবা পথত কোনো সমকক্ষ বা হীন ব্যক্তিৰ ওচৰত পৰাজয় স্বীকাৰ কৰিছিলা নেকি? কোনো বৃদ্ধ আৰু বালকসকলক ভোজন নকৰাই নিজে ভোজন কৰিছিলা নেকি আৰু তুমি নিতান্ত অনুপযুক্ত কোনো নিন্দিত কৰ্ম কৰিছিলা নেকি? (ইত্যাদি)

গুৰুজনাৰ অনুবাদ এনেধৰণৰ

পুছন্ত সাৱটি বাৰ্ত্তা নয়ন সজল।
ঝান্টে কহ বাপু যদুকুল কুশল।।
মামা বসুদেৱ সুখে আছন্ত সাক্ষাত।
পুত্ৰ সমে বঞ্চন্ত দৈৱকী দ্বাৰকাত।।
শূৰ অক্ৰূৰৰ কথা কহিয়ো সকালে।
উগ্ৰসেন নৃপতি আছন্ত কেন ভালে।।
সাধু অনিৰুদ্ধ ৰাম সাম্ব কাম গদ।
তাসম্বাৰ পূৰ্ব্বৱতে আছে কি সম্পদ।।
সাত্যকি সুনন্দ নন্দ উদ্ধৱ প্ৰমুখ্যে।
আছন্ত ভকতসৱ আৱে কেন সুখে।।
বান্ধৱ কৃষ্ণৰ বাৰ্ত্তা কহিয়ো সত্বৰে।
সুখে কি আছন্ত সিটো ইষ্ট দেৱ মোৰে।
যদুবীৰগণে যাৰ বাহুক আশ্ৰই।
সুধৰ্ম্মা সভাত পাৱে আক্ৰমি ভ্ৰমই।।
সত্যভামা নাৰী যাৰ চৰণ সেৱাত।
দুৱাৰতে ৰোৱাইলা যাৰ চৰণ সেৱাত।
দুৱাৰতে ৰোৱাইলা শচীৰ পাৰিজাত।।
দশ দিগপালৰ বিভৱ সৱে আনি।
যাদৱ বংশক দিলা যিটো চক্ৰপাণি।।
সিটো প্ৰাণ কৃষ্ণৰ কহিয়ো নিষ্ঠ কথা।
কেনে হেন ভৈল বাপু তোহোৰ অবস্থা।।
চিৰকাল প্ৰৱাসত কিবা পাইলি দুখ।
তনু তোৰ নিস্তেজ মলিন দেখো মুখ।।
নকৰিলি প্ৰাণীক ভয়ত পৰিত্ৰাণ।
বিপ্ৰক নেদিলি কিবা প্ৰতিশ্ৰুত দান।।
অতিথিক নেদি কিবা কৰিলি ভোজন।
সিজিল পাতক কিবা অগম্যাগমন।।
নকৰিলে মান্য কিবা তোহোক মহন্তে।
অধমে জিনিলে কিবা পথত আসন্তে।।

কিহেতু তোহোৰ হেন মিলিল বিহ্বাই।
ঝাণ্টে কথা কহ ঐ প্ৰাণৰ ভৈয়াই।।
কিহেতু তোহোৰ বাপ সুস্থ নুহি চিত্ত।
জোনো প্ৰাণ কৃষ্ণ এৰে ভৈলোহো বঞ্চিত।।
এতেক বোলন্তে মৰ্মে ছানিলেক গাৱ।
কৃষ্ণক সুমৰি ভৈলা আকুল স্বভাৱ।
লোতকে বেঢ়িল কণ্ঠ নয়ন তবধ।
অৰ্জুনক চাই ৰাজা ভৈলা নিশবদ।। (ইত্যাদি)

ইয়াৰ পিছতে পঞ্চদশ অধ্যায়ৰ বিষয়বস্তু আৰম্ভ হৈছে। এই অধ্যায়ৰ শ্লোক সংখ্যা একাৱন্ন। ইয়াৰে ছয়, তেৰ, ষোল্ল, তেইশ, চৌব্বিশ, পঁচিশ, চাব্বিশ, সাতাইশ, চৌত্ৰিশ, পয়ত্ৰিশ, ছয়ত্ৰিশ, ঊনপঞ্চাশটি সহ মুঠ বাৰটি শ্লোক বাদ দি বাকীখিনিৰ অনুবাদ সম্পন্ন কৰা হৈছে। তলত শ্লোকৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল।

(১,২) সুতে ক'লে— বিবিধ অশুভ সম্ভাৱনাসূচক ভাৱ দেখি ৰাজা যুধিষ্ঠিৰে সন্দেহ ভাৱনাৰে নানা কথা সোধাত কৃষ্ণ বিৰহ কাতৰ, শোক মলিন বদন আৰু ভগ্ন হৃদয় কৃষ্ণ সখা অৰ্জুনে কৃষ্ণৰ কথা মনত ভাবি যুধিষ্ঠিৰৰ কথাৰ উত্তৰ দিব নোৱাৰিলে।

(৩,৪) ইয়াৰ পিছত বহু কষ্টে নয়নৰ জল নয়নেই নিবাৰণ কৰি আৰু হস্তৰ দ্বাৰা নয়ন মাৰ্জন কৰি কৃষ্ণ বিৰহ ব্যাকুল হৈ কৃষ্ণৰ সাৰথি কাৰ্যত তেওঁৰ হিতৈষিতা, উপকাৰিতা, মিত্ৰভাব প্ৰভৃতি স্মৰণ কৰি শোকত কণ্ঠ ৰোধ অৱস্থাৰে গদ গদ বচনে যুধিষ্ঠিৰক ক'বলৈ ধৰিলে।

(৫, ৬) হে মহাৰাজ! পৰম বান্ধৱ হৰিয়ে আমাক ত্যাগ কৰিছে, দেৱসকলৰ বিস্ময়োৎ পাদক আমাৰ ধৈৰ্য্য দিও তেওঁৰ সঙ্গতে গৈছে। যাৰ সাহত আমি দ্ৰৌপদীৰ স্বয়ম্বৰত দ্ৰুপদ ৰাজগৃহত সমাগত কন্যা লালসাৰে উত্তেজিত ৰাজন্যবৰ্গৰ বীৰত্ব গৰ্ব খৰ্ব কৰিছিলো আৰু শৰাসন সজ্জিত কৰি যন্ত্ৰোপৰি পৰিভ্ৰমণৰত মৎস্য ভেদ কৰি দ্ৰৌপদীক লাভ কৰিছিলো।

(৭, ৮) যাৰ ওচৰত থাকি আমি দেৱবৃন্দ সহ ইন্দ্ৰক পৰাজয় কৰি অগ্নিক খাণ্ডৱ বন প্ৰদান কৰিছিলোঁ, খাণ্ডৱ দাহত ময় নামৰ অসুৰক ৰক্ষা কৰাত তেওঁ সন্তুষ্ট হৈ বিচিত্ৰ কাৰু কাৰ্য্য বিশিষ্ট সভা নিৰ্মাণ কৰি দিছিল, সেই সভাতেই ৰাজসূয় যজ্ঞৰ সময়ত নানা স্থানৰপৰা অহা নৃপতিসকলে আপোনাক

নানা উপহাৰ প্ৰদান কৰিছিল, আপোনাৰ ভাই দহ হাজাৰ হস্তীৰ সমান বলশালী ভীমসেনে যিজন কৃষ্ণৰ বলতে মহা বলীয়ান হৈ ৰাজসূয় যজ্ঞ সমাপন কৰিবলৈ সমস্ত ৰাজন্যবৰ্গ বিজেতা জৰাসন্ধাক বধ কৰিছিল আৰু জৰাসন্ধই বন্দী কৰি থোৱা মহাভৈৰৱ যজ্ঞৰ কাৰণে আনীত ৰাজন্যবৰ্গক মুক্ত কৰি দিছিল, পৰিশেষে সেইসকলো ৰাজন্যই ৰাজসূয় যজ্ঞত নানা উপহাৰসহ উপস্থিত হৈছিল।

(৯) দুঃশাসনাদি খল প্ৰকৃতিৰ লোকসকলে দ্যূত সভালৈ আনীতা আৰু কৰুণ ৰোদন পৰায়ণা দ্ৰৌপদীৰ ৰাজসূয় যজ্ঞত পাঞ্চজন্য শংখ জলেৰে অভিষিক্ত পৰম ৰমণীয় কেশ পাশ উন্মোচন কৰি আকৰ্ষণ কৰিছিল। শ্ৰীকৃষ্ণ তেওঁলোকৰ পত্নীসকলক বিধৱা আৰু মুক্ত কেশ কৰিছে।

(১০) শ্ৰীকৃষ্ণই দ্বৈতবনলৈ আহি পাকপাত্ৰ লগ্ন শাকান্ন ভোজন কৰি দুৰ্যোধনৰ কু-পৰামৰ্শত শাপ দিবলৈ কৃত সংকল্প দহ হাজাৰ শিষ্যৰ অগ্ৰজভোজী মহা ক্ৰোধী দুৰ্বাসাৰ দাৰুণ অভিশাপৰ পৰা আমাক মুক্ত কৰিছিল। ভোজনৰ পূৰ্বতে দুৰ্বাসা দহ হাজাৰ শিষ্যসহ মধ্যাহ্ন কৃত্য অঘমৰ্ষণৰ কৰিবৰ কাৰণে জলমগ্ন হৈছিল। কিন্তু কৃষ্ণৰ শাকান্ন ভোজনত তেওঁলোকৰ ভূৰি ভোজনৰ তৃপ্তি লাভ কৰিছিল আৰু ত্ৰিজগত তৃপ্ত হোৱা বুলি মনত ভাবিছিল।

(১১) যি কৃষ্ণৰ কৃপাবলত দুৰ্গা আৰু বিৰাত ৰূপী শিৱই মোৰ যুদ্ধ বিক্ৰম দেখি চমৎকৃত হৈ মোক পাশুপাট অস্ত্ৰ প্ৰদান কৰিছিলে। অধিক কথা কি ক'ম আমি মৰ্ত্যদেহেৰেই স্বৰ্গত ইন্দ্ৰৰ সহিত একাসনে উপবেশন কৰিছিলো।

(১২) যি কৃষ্ণ সখাৰ সহায়ত একমাত্ৰ একৰতে ভীষ্ম দ্ৰোণাদি তিমিঙ্গিল তুল্য-ব্যাপ্ত অপাৰ কুৰু সৈন্য সাগৰ পাৰ হৈছিলো আৰু দুৰ্যোধনাদিয়ে নিজ শক্তিৰে, বলেৰে বিৰাট ৰজাৰ গোধন লৈ যাওঁতে মোহনাস্ত্ৰে সকলোকে মোহিত কৰি তেওঁলোকৰ প্ৰভাৱ সূচক মণিময় মুকুট, অলংকাৰাদি লৈ আহিছিল।

(১৩) অসংখ্য ৰাজন্যবৰ্গৰ ৰথেৰে পৰিবেষ্টিত ভীষ্ম, দ্ৰোৰ্ণ, কৰ্ণ প্ৰভৃতিৰ সৈন্যৰ মাজত বিভু ভগৱান কৃষ্ণই আমাৰ সাৰথি হৈ কাল দৃষ্টিৰে শত্ৰু সেনা নায়কসকলৰ আয়ু, উৎসাহ, শক্তি আৰু অস্ত্ৰ প্ৰয়োগ কৌশলাদি হৰণ কৰিছিল।

(১৪) বিবেকীসকলে মুক্তি লাভৰ আশাত যাৰ পদকমল ভজনা কৰি থাকে। যাৰ অচিন্ত্য শক্তি মহিমা গুণত আমি জয়দ্ৰথ বধৰ দিনা অশ্বসকলক জল পান কৰাবৰ কাৰণে পথৰ পৰা ভূমিত নমাৰ পিছতো শত্ৰুসকলে আমাৰ অংগত অস্ত্ৰ প্ৰহাৰ কৰিব পৰা নাছিল। হায় হায়! আমি কি যে নিৰ্বোধ। সেই ঈশ্বৰক আমি সাৰথি কাৰ্যত নিযুক্ত কৰিছিলো।

(১৫) হে ৰাজন! সেই হাস্যমুখীয়া মুখেৰে হে পাৰ্থ, হে অৰ্জুন, হে সখি, হে কুৰুনন্দন! ইত্যাদি সেই মাধৱৰ পৰিহাসযুক্ত হৃদয়স্পৰ্শী মধুৰ বাক্যবোৰ স্মৰণ কৰি আমাৰ অন্তৰ ক্ষোভিত হৈছে।

(১৬) আমি দুয়োজনে একত্ৰ শয়ন উপবেশন, ভ্ৰমণ, ভোজন, নিজ গুণ-গৌৰৱ ব্যাখ্যা আদি কৰিছিলো। কোনো সময়ত তেওঁৰ কোনো ব্যৱহাৰ বুজিব নোৱাৰি মনত ভাবিছিলো— এওঁ খুব অন্যায় কৰিছে। সেয়ে বিদ্ৰূপ সুৰেৰে তেওঁক কৈছিলো— হে বয়স্য! তুমি খুব সত্যবাদী। কিন্তু কি ক'ম। সেই পৰম উদাৰ শ্ৰীকৃষ্ণই নিজ মহত্বগুণে সেই তিৰস্কাৰ বাক্য সহ্য কৰিছিল। সখিয়ে সখিৰ, কিম্বা পিতৃয়ে পুত্ৰৰ অপৰাধ গ্ৰহণ নকৰে— এই কথাৰ শ্ৰীকৃষ্ণই দৃষ্টান্তস্থল।

(১৭) হে মহাৰাজ! শ্ৰীকৃষ্ণৰ এনেকুৱা প্ৰিয়পাত্ৰ হৈয়ো দুৰ্ভাগ্যক্ৰমে আমি পৰম মিত্ৰ সেই ভগৱান শ্ৰীকৃষ্ণৰ পৰা বঞ্চিত হ'লো, হৃদয়হীন হ'লো। সেয়ে আজি কৃষ্ণ-পত্নীসকলক হস্তিনাপুৰলৈ লৈ আহোঁতে পথত দস্যুগণে আমাক আক্ৰমণ কৰি অবলাৰ দৰে পৰাজিত কৰিছিল। তেওঁলোকক ৰক্ষা কৰিব নোৱাৰিলো।

(১৮) আমাৰ সেই একেই গান্ধীৱ ধনু, সেই ব্ৰহ্মাস্ত্ৰ, পাশুপাট প্ৰভৃতি বাণ, সেই ৰথ, সেই অশ্বসকল— যাক দেখি ৰাজন্যবৰ্গই বিনাযুদ্ধে বশ্যতা স্বীকাৰ কৰিছিল, আমিয়েই সেই বিশ্ববিজয়ী মহাৰথী অৰ্জুন। কিন্তু হায়! কৃষ্ণ সম্বন্ধ শূন্য হোৱাত ভস্মত ঘৃতাহুতি, ইন্দ্ৰজালিক প্ৰদত্ত ধন, আৰু মৰুভূমিত বীজ ৰোপণৰ দৰে আমাৰ সমস্ত বস্তুৱেই তুচ্ছ হৈ গ'ল।

(১৯) হে ৰাজন! আপুনি পুনঃ পুনঃ দ্বাৰকাপুৰৰ মিত্ৰসকলৰ কথা সুধিছে তেওঁলোক বিপ্ৰ শাপগ্ৰস্ত হৈ পৰস্পৰে যুদ্ধ কৰি সকলোৰে মৃত্যু হৈছে।

(২০) এনে প্ৰকাৰে কৃষ্ণ চিন্তা কৰি কৰি অৰ্জুনৰ দৃঢ় প্ৰেম ভাবনা চিত্তৰ পৰা শোক, সন্তাপ, অস্থিৰতা দূৰ হৈ গ'ল।

(২১, ২২) অনবৰতে কৃষ্ণ চৰণ চিন্তা কৰি কৰি প্ৰেম বৰ্ধিত হৈ অৰ্জুনৰ

সৰ্ববিধ মলিনতা দূৰ হ'ল। তেওঁ ইমান দিনে কৃষ্ণৰ প্ৰকট লীলা চৰিত্ৰ মায়ামুগ্ধ অৱস্থাত পাহৰি আছিল। বৰ্তমান কৃষ্ণ বিৰহ তাপত পুনৰ অন্তৰত সেইবোৰ উদয় হ'ল। কুৰুক্ষেত্ৰ যুদ্ধত কৃষ্ণই তেওঁক কোৱা গীতাতত্ত্ব পুনৰ স্মৃতি পথত ভুমুকি মাৰিলে।

(২৩) তাৰ পিছত নৰাকৃতি ব্ৰহ্মৰ সাক্ষাৎকাৰৰ দ্বাৰা সৰ্ববিধ দুখ আৰু সংশয়, ভেদ জ্ঞান দূৰ হ'ল। প্ৰকৃতিগত বিক্ষেপ, বাসনা বীজ নিৰ্মূল হ'ল। তেওঁ প্ৰাকৃত শৰীৰহীন হ'ল, জন্মান্তৰ বাসনাও নিৰ্মূল হ'ল ইত্যাদি।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ—

ৰাজাৰ বচন শুনি সব্যসাচী
কান্দন্তে বসিলা উঠি।
কৃষ্ণৰ সন্তাপে শুখাই আণ্টু মুখ
বজাই যেন প্ৰাণ ফুটি।।
সুহৃদ সখিত্ব সুমৰি শৰীৰে
অধিকে উধাই জুই।
কতো বেলি মানে নমাতি আছিলা
অধোমুখে মৌন হুই।।
পাছে আখি মুখ মুচি দুই হাতে
সন্তাপ সিটো তন্তাই।
নিশ্বাস তেজিয়া গদ গদ বাক্যে
বুলিলা ৰাজাক চাই।।
কিবা সোধা ৰাজা মোহোৰ অৱস্থা
সৰ্ব্বনাশ ভৈলো আমি।
মাধৱ বন্ধুক হৰুৱাইলো মোক
বঞ্চিলা জগত স্বামী।।
যাহাক আশ্ৰয়ে মৎস্যক ভেদিলো
দেখিলো লক্ষেক ৰাজা।
পাইলো দ্ৰৌপদীক দেখিলেক মোৰ
বিক্ৰম সমস্তে প্ৰজা।।
যাহাৰ প্ৰসাদে ইন্দ্ৰক জিনিয়া
অগ্নিক দিলো খাণ্ডৱ।

হেন প্ৰাণ কৃষ্ণে বঞ্চিলা আৱেসে
নাশিলো সৱে পাণ্ডৱ।।
যাহাৰ প্ৰসাদে সভা সাজি দিল
কৰিয়া ময়ে প্ৰবন্ধ।
ভীমে যাৰ তেজে নির্য্যাণ কৰিল
মহাৰাজা জৰাসন্ধ।।
একলক্ষ ৰাজা যোগাইলেক কৰ
কৰিলাহা ৰাজসূই।
হেন বন্ধু কৃষ্ণে মোক তেজি গৈলা
গাৱত লগায়া জুই।।
পৰশিল কেশ দুষ্ট দুঃশাসনে
দ্ৰৌপদী কান্দিয়া দুখে।
কৃষ্ণৰ আগত দেখাই সেহি কেশ
পড়িলন্ত অধোমুখে।।
তাহান শত্ৰুৰ ভাৰ্যাক বিধৱা
কৰিলা যিটো বান্ধৱে।
হেন বন্ধু বিনে মৰিলো জীৱন্তে
জানিবা সৱে পাণ্ডৱে।।
যাৰ তেজে মঞি জিনিলো হৰক
দিলা অস্ত্ৰ ত্ৰিনয়ন।
যাহাৰ প্ৰসাদে অপ্ৰয়াসে পাইলো
মহেন্দ্ৰৰো অৰ্দ্ধাসন।।
স্বৰ্গতো অসুৰ মাৰিয়া ইন্দ্ৰক
থাপিলো যাৰ নিদানে।
হেন প্ৰাণ বন্ধু মাধৱে তেজিলা
জীঞু কিয় এভো প্ৰাণে।।
অযুতেক শিষ্য সহিতে দুৰ্বাসা
বনত খুজিলা ভাত।
ঋষি শাপ ভয়ে নৃপতি তোমাৰ
মুখতো হৰিল মাত।।

কৃষ্ণে আসি শাক ভুঞ্জন্তে দুৰ্ব্বাসা
পলাইলা পেট উখসি।
হেন প্ৰাণ কৃষ্ণ বন্ধু বিনে এভো
কিসক নগৈলো নাশি।।
সাগৰ সঙ্কাশ কুৰুবলে সাজি
গৈল পাল আনিবাক।
যাৰ তেজে মঞি জিনিলো একলে
হেলায়ে সিটো সেনাক।।
সবাৰো গাৱৰ বস্ত্ৰ আভৰণ
আনিলো যাহাৰ গুণে।
হেন প্ৰাণকৃষ্ণ বিয়োগে জীয়াঞু
নমৰি মঞি দাৰুণে।।
জয়দ্ৰথ বধে ঘোৰ অঙ্গীকাৰ
কৰিলো যাহাত গয়।
শত্ৰুৰ মাজত পিয়াইলো পানীক
ৰথৰ মেলিয়া হয়।।
যাহাৰ প্ৰসাদে বধিলো সৈন্দৱ
সাধিলো প্ৰতিজ্ঞা ঘোৰ।
হেন প্ৰাণবন্ধু কৃষ্ণক সুমৰি
কিয় নযাই জীৱ মোৰ।।
উভয় সেনাৰ মধ্যে ৰথ থৈয়া
যিটো কৃষ্ণ প্ৰাণ পতি।
পৰম ঈশ্বৰ জ্ঞান কহি মোৰ
হৰিলা সৱে কুমতি।।
দ্ৰোণ ভীষ্ম কৰ্ণ অজয় বীৰকো
জিনিলো যাহাত গহে।
কৈলো বিপৰীত হেন কৃষ্ণ বিনে
অদ্যাপিয়ো প্ৰাণ ৰহে।।
যাহাৰ প্ৰসাদে বীৰ দুঃশাসন
ধৰিলা ভীমে খেদিয়া।

ভূমিত পৰিয়া কুঠাৰ হানিয়া
জীৱন্তে ছিৰিলা হিয়া।।
সিটো মহাবলী প্ৰতিজ্ঞা সাফলি
পিলন্ত তাৰ ৰুধিৰ।
কিয় জীঞু চাৰ সিটো উপকাৰ
সুমৰি কৃষ্ণ স্বামীৰ।।
যাৰ তেজবলে তোমাৰ সোদৰে
বৃকোদৰ মহাবীৰ।
ভাঙ্গিলা লীলায়ে গদায়ে কোবাই
উৰু কুৰু নৃপতিৰ।।
মাৰি লাথি মাথে কৰিলন্ত তাৰ
শিৰৰ মুকুট চুৰ।
হেন বন্ধু বিনে এভো জীঞু মঞি
কিয় নগৈ যমপুৰ।।
যাৰ পাদ পদ্ম সদায়ে সেৱন্ত
ব্ৰহ্মা শিৱ সুৰপতি।
হেন ঈশ্বৰকো কৰিলো সাৰথি
হেনসে মঞি কুমতি।।
কৰো উপালন্ত তথাপি বোলন্ত
ঐ সখি ওবা অৰ্জুন।
মোৰ অপৰাধ নধৰিলা বন্ধু
কি কৈবো কৃষ্ণৰ গুণ।।
যেন মহামিত্ৰে যেন পিতা পুত্ৰে
আছিলো অভিন্নভাৱে।
নাহি সুখ শান্তি প্ৰভুৰ মনত
মোক নপাৱন্ত যাৱে।।
কৰো একেলগে গমন ভোজন
একে শয্যা থাকো শুই।
সিসব মধুৰ আলাপ সুমৰি
শৰীৰে উধাই জুই।।
কৃষ্ণ পত্নীগণ আনন্তে পথত
গুৱালে নিলেক কাঢ়ি।

যেন স্ত্ৰীক মোক জিনিয়া খেদিল
ডাঙ্গৰ মাৰিয়া বাড়ি।।
সবাতো অধিক ইসে খেদ ভৈল
জীৱন্তে মৰিলো আমি।
মোৰ বীৰ্য্য বল লগত লৈ গৈলা
জানিলো মাধৱ স্বামী।
যাদৱ বংশৰ কি কথা পুছিলা
মৰিল যুজি সমস্ত।
মোৰ মনে ৰাজা বুৰিল সমূলি
কৃষ্ণ সূৰ্য্য গৈলা অস্ত।।
দেখো অন্ধকাৰ মাত নাসে আৰ
দহৱে বন্ধুৰ জুই।
এহি বুলি বীৰে কান্দি মকমকি
পড়িলন্ত অধো মুই।।
কৃষ্ণক বৰ্ণান্তে কান্দন্তে কান্দন্তে
বৈৰাগ্য ভৈল প্ৰৱল।
কৃষ্ণৰ চৰণ চিন্তন্তে একান্তে
গুছিল মনৰ মল।।
ভকতিৰ বেগ বাজি অৰ্জ্জুনৰ
তনু লোম শিহৰিল।
গীতাত যি জ্ঞান গোৱিন্দে কহিলা
মনত দুনাই পড়িল।।
গুছিল সংশয় শোক মায়াময়
মিলিল মনে আনন্দ।
জীৱন্তে মুকুত ভৈল ধনঞ্জয়
ছিণ্ডিল সংসাৰ বন্ধ।।
গৃহ শৰীৰকো পাসৰিলা নিজ
আত্মাতে মজিলা মতি।
এহিমতে তৈত ৰহিলা অৰ্জ্জুন
লভিয়া নিৰ্গুণ গতি।।

(২৪) স্থিৰ চিত্ত যুধিষ্ঠিৰে অৰ্জুনৰ মুখত ভগৱানৰ স্বধাম গমন, যাদৱকুল নাশৰ বাতৰি শুনি কৃষ্ণ ধাম যাত্ৰাৰ কাৰণে মতি স্থিৰ কৰিলে।

(২৫) কুন্তীয়ে অৰ্জুনৰ কথা শুনি, যদুকুল নাশ, ভগৱানৰ স্বধাম গমন বৃত্তান্ত জানি একান্ত ভক্তি সহকাৰে কৃষ্ণতে চিত্ত সমৰ্পণ কৰি তৎক্ষণাৎ পৃথিবীৰ পৰা অন্তৰ্হিত হ'ল।

(২৬) জ্ঞানী যুধিষ্ঠিৰে নিজৰ ৰাজধানীত, ৰাজ্যত, নিবাস স্থানত আনকি নিজ দেহতো কলিকালৰ লোভ, মিথ্যাবাদ, কুটিলতা প্ৰভৃতি নানা কুলক্ষণ দেখি সংসাৰ ত্যাগ কৰিবলৈ ইচ্ছা কৰিলে।

(২৭, ২৮) ইয়াৰ পিছত আত্মতুল্য গুণশীল পৰম বিনয়ী পৰীক্ষিতক হস্তিনাপুৰ ৰাজ সিংহাসনত আৰু কৃষ্ণ নাতি বজ্ৰনাভক শূৰসেনক দেশৰ অধিপতি কৰি মথুৰাৰ ৰাজসিংহাসনত স্থাপন কৰিলে। তাৰ পিছত প্ৰজাপত্য যজ্ঞ সমাপন কৰি গাইপত্যাদি অগ্নিত্ৰয় আত্মাত সমৰ্পণ কৰিলে।

(১৯, ৩০, ৩১) যুধিষ্ঠিৰে ৰাজভৱনতে ৰাজোচিত বসনভূষণাদি পৰিত্যাগ কৰি মমতা, অহঙ্কাৰ আৰু সকলো বাসনাৰ পৰা বন্ধন মুক্ত হ'ল। ইয়াৰ পিছত চক্ষুৰাদি ইন্দ্ৰিয়সমূহ মনত, মন প্ৰাণত, প্ৰাণ অপনাত, অপান মৃত্যুত,. মৃত্যু দেহত, দেহ সত্ত্বাদি ত্ৰিগুণত সমৰ্পণ কৰি ত্ৰিগুণ প্ৰকৃতিত, প্ৰকৃতি জীৱাত্মাত আৰু জীৱাত্মা পৰমব্ৰহ্মাত সমৰ্পণ কৰিলে।

(৩২) যুধিষ্ঠিৰে ছিন্ন বসন পৰিধান, আহাৰ ত্যাগ, বাক্য সংযম, কৰি জড়, উন্মত্ত বা পিশাচৰ দৰে আচৰণ কৰিবলৈ ধৰিলে। বধিৰৰ দৰে তেওঁ কাৰো কথাত কৰ্ণপাত নকৰা হ'ল। এইদৰে সকলো পৰিত্যাগ কৰি নিজ গৃহৰ পৰা বাহিৰ হ'ল।

(৩৩) তেওঁ ভগৱৎ চিন্তা কৰি কৰি তেওঁৰ পূৰ্বপুৰুষসকল য'লৈ গৈছিল, সেই উত্তৰ দিশলৈ গমন কৰিলে।

(৩৪) পৃথিবীৰ প্ৰজাসকলক কলিয়ে আক্ৰান্ত কৰা দেখি ভীমাৰ্জুন আদি কৰি ভ্ৰাতৃসকল কৃষ্ণ চৰণ প্ৰাপ্তি কামনাৰে যুধিষ্ঠিৰৰ পিছে পিছে যাত্ৰা কৰিলে।

(৩৫) সৰ্ব বিষয়ে কৃতাৰ্থ পাণ্ডৱসকলে কৃষ্ণ চৰণকে পৰম পুৰুষাৰ্থ বুলি জানি মনত তাকে চিন্তা কৰিবলৈ ধৰিলে।

(৩৬,৩৭) কৃষ্ণচৰণাৰবিন্দত ভক্তি বৃদ্ধি কৰি বুদ্ধি বিশুদ্ধ, নিৰ্মলাত্মা, পৰমব্ৰহ্ম নিষ্ঠাপৰ পাণ্ডৱসকলে বিষয়ীসকলৰ অপ্ৰাপ্য নিৰ্গুণ গোবিন্দ চৰণত পৰম গতি লাভ কৰিলে।

(৩৮) দ্রৌপদীয়েও বিষয়শূন্য পতিসকলৰ কৃষ্ণচৰণ নিকট গমনোদ্যত বুলি জানি ভগৱান বাসুদেৱত চিত্ত অৰ্পণ কৰি তেওঁকেই প্ৰাপ্ত হ'ল।

(৩৯) যিজন ভাগ্যৱান ব্যক্তিয়ে কৃষ্ণ প্ৰিয় পাণ্ডৱসকলৰ পৰম মঙ্গল আৰু পবিত্ৰজনক ইহলোক পৰিত্যাগৰ বাৰ্ত্তা শ্ৰৱণ কৰে, তেওঁ সৰ্বপাপহৰী গোৱিন্দত শ্ৰদ্ধা সহ ভক্তি লাভ কৰি অছিৰাৎ প্ৰেমৰূপ সিদ্ধি প্ৰাপ্ত হয়।

নিম্নস্থানত গুৰুজনাৰ অনুবাদ প্ৰকাশ কৰা হ'ল ঃ

শৌনকৰ আগত কহন্ত শুকে কথা।
শুনিয়োক পাণ্ডৱৰ যি ভৈল অৱস্থা।।
যুধিষ্ঠিৰ ৰাজা শুনি কৃষ্ণৰ নিৰ্য্যাণ।
পড়িলা ভূমিত মহা মৰ্ম্মে ফুটে প্ৰাণ।।
হৰিল মুখত মাত দেখন্ত আন্ধাৰ।
পাত্ৰ মন্ত্ৰীলোকে শোকে কৰে হাহাকাৰ।।
ভাতৃসৱো পড়িল হৰিল মাত বোল।
অন্তেষপুৰতো ক্ৰন্দনৰ উৰ্ম্মি ৰোল।।
হা কৃষ্ণ বুলি কৰৈ সমস্তে সন্তাপ।
আমাক এড়িয়া কৈক গৈলা কৃষ্ণ বাপ।।
আৰ্ত্তনাদ আন্দোলে হস্তিনাপুৰ জুড়ি।
হৃদয় ছাকুৰে দাৱালত যেন গুড়ি।।
কান্দে মহাশোকে লোক বাট বাট ছনি।
চতুৰ্ভিতি শুনি মাত্ৰ হা কৃষ্ণ ধ্বনি।।
কৃষ্ণ সূৰ্য্য বিনে দেখে দিনতে আন্ধাৰ।
নাই স্নান পান প্ৰজা তেজিলে আহাৰ।।
আসি শুনিলন্ত কুন্তী কৃষ্ণৰ অভাৱ।
হা কৃষ্ণ বাপ বুলি দিলা দীৰ্ঘ ৰাৱ।।
কৈ গৈলে বান্ধৱ সৱ আমাক উপেক্ষি।
পড়িলা ভূমিত সতী তমোময় দেখি।।
কৃষ্ণৰ অৰুণ যিটো পাদ পদ্ম চুই।
উঠি বসি হিয়াত ধৰিলা অধো মুই।।
কান্দন্ত কৃষ্ণৰ গুণ বৰ্ণাই বৰ্ণাই।

হৰি হৰি বাপ কৃষ্ণ দুখৰ সহাই।।
মাতৃতো অধিক স্নেহ আছিলেক মোক।
নৰাখিলা দৈৱকীৰ ছয় গুটি পোক।।
পাণ্ডু পুত্ৰ সমে মোক কৰিলাহা ত্ৰাণ।
আৰে এড়ি গৈলে কেহ্নু ঐ কৃষ্ণ প্ৰাণ।।
ইহ পৰলোকে গতি বাপ জগন্নাথ।
আৰেসে কৰিলা পাণ্ডু পুত্ৰক অনাথ।।
বিপদত থাকিবো কাহাক বাট চাই।
নেদেখিবো আউৰ চান্দ বদন দুনাই।।
পদ্ম নেত্ৰ দুতয় দেখন্তে গুচৈ তাপ।
অৰুণ চৰণ দৰশনে হৰৈ পাপ।।
বাহু বক্ষস্থলক দেখন্তে সুখী হুই।
মধুৰ মূৰুতি মধাই কৈ গৈলে বিছুই।।
এভো প্ৰাণ ধৰো হৰি এড়িবাৰ শুনি।
কিবা দেখি নযাঞু মৰি মঞি নিদাৰুণি।।
মাধৱক সুমৰন্তে অগ্নি যাই জ্বলি।
পৰম সন্তাপে সতী পৰিলন্ত ঢলি।।
কৃষ্ণ গুণ বৰ্ণান্তে নিৰ্মল ভৈল মতি।
উপজিল বন্ধু বান্ধৱত বিৰকতি।।
ঈশ্বৰ বিদিত ভৈল আপুনি মনত।
কৃষ্ণময় দেখিলন্ত সমস্তে জগত।।
পৰিধান ফটা কাণি আউল জাউল কেশ।
ভৈলা তৈতে যেন জড় পিশাচৰ বেশ।।
কৃষ্ণৰ অৰুণ দুই চৰণক চিন্তি।
জীৱন্তে মুকুত হুয়া বাঝ ভৈলা কুন্তী।।
উত্তৰ দিশক লাগি যান্ত ৰাজমাৱ।
দেখি যুধিষ্ঠিৰ ভৈলা আকুল স্বভাৱ।।
কৃষ্ণৰ বিয়োগে একে দগধ শৰীৰ।
মাতৃৰ সন্তাপে আউৰ চিত্ত নুহি স্থিৰ।
কৃষ্ণ গুণ সুমৰন্তে উধাই আতি জুই।

অৰুণ চৰণ চিন্তি ৰৈলা অধো মুই।।
নির্মল মনত ভৈল ঈশ্বৰ সাক্ষাত।
ভকতিৰ মহা বেগ বাঝিল ৰাজাত।।
কৃষ্ণ বিনে আন নেদেখন্ত মহাভাগ।
গৃহ শৰীৰত আসি মিলিল বৈৰাগ।।
কৃষ্ণৰ চৰণ সেৱা মহালাভ জানি।
উঠিল তেখনে মৌন হুয়া মহামানী।।
এঢ়িলন্ত দণ্ড পাট আছিল যতেক।
পৰীক্ষিত নাতিক কৰিলা অভিষেক।।
অনিৰুদ্ধ পুত্ৰক আনিয়া সিবেলাত।
কৰাইলন্ত অভিষেক আনি মথুৰাত।।
কৃষ্ণ বিনে মনে মহা মিলিল বিচাট।
ছাড়িলন্ত ৰত্নময় সিংহাসন খাট।।
খসাইলন্ত শৰীৰৰ ৰাজ অলঙ্কাৰ।
দিব্য বস্ত্ৰ মানে কৰিলন্ত পৰিহাৰ।।
উহ্নি কানি-কন্থা আউল বাউল কৰি কেশ।
ভৈলা তেতিক্ষণে যেন বাতুলৰ বেশ।।
ভাতৃ পুত্ৰ ভাৰ্যাকো নকৰি সম্ভাষণ।
কৃষ্ণক হৃদয়ে ধৰি কৰিলা গমন।।
এঢ়িলা বচন বিনে ৰাম কৃষ্ণ বাণী।
চিন্তে চিন্তে মাত্ৰ কৃষ্ণ চৰণ দুখানি।।
নমাতন্ত মাতন্তো ভৈলন্ত যেন জড়।
উত্তৰ দিশক লাগি দিলন্ত লৰৰ।।
ৰাজাৰ অৱস্থা দেখি চাৰিয়ো সোদৰ।
পৰম বৈৰাগ্যে কেহো নপশিলা ঘৰ।।
কানি কন্থা পিন্ধিয়া ধৰিলা সেই বেশ।
পাছতে দিলন্ত লৰ আউল কৰি কেশ।।
কৃষ্ণৰ চৰণ সেৱা সংসাৰতে সাৰ।
জানিলা পৰম গতি এহিসে আমাৰ।।
একান্তে নেড়ন্ত কৃষ্ণ চৰণ মনত।

দহিলন্ত ভকতি মনৰ মল যত।।
ভৈল জ্ঞান উদয় ছিণ্ডিল কৰ্ম বন্ধ।
পাণ্ডো ভাইৰ গুচিল চক্ষুৰ যেন অন্ধ।
মায়ায়ে এড়িল ভৈল প্ৰসন্ন হৃদয়।
বাহিৰে ভিতৰে দেখিলন্ত কৃষ্ণ ময়।।
নিজ শৰীৰকো নেদেখন্ত আপুনাৰ।
ভৈলা ভকতিতে সুখে সংসাৰৰ পাৰ।।
একান্তে পাইলন্ত কৃষ্ণ চৰণত ঠাই।
জীৱন্তে মুকুত হৈয়া ৰৈলা পাণ্ডো ভাই।।
দ্ৰৌপদী দেখান্ত পাণ্ডো পতি এড়িলন্ত।
মৰ জীৱ একো মোক নেদিল সিদ্ধান্ত।।
মহা শোকে কান্দন্ত সুন্দৰী আৰ্ত্তৰাৱে।
হেনসে বিপত্তি ভৈল কৃষ্ণৰ অভাৱে।।
হা কিনো ভৈল মোৰ প্ৰাণ নৃপবৰ।
কৈক গৈল দণ্ড ছত্ৰ বিচিত্ৰ চামৰ।।
কৈক গৈল দিব্য আভৰণ সিংহাসন।
পাণ্ডো ভাইৰ ভৈল আজি কাসে ভূষণ।।
কোননো বিধাতা হেন কৰিলে বিলাই।
কৈতনো বাঞ্চিবা পাণ্ডো ভিক্ষা মাগি খাই।।
যৈতে নিদ্ৰা আসে তৈতে শুবা মহা দুখে।
আজিসে তেজিলা সসাগৰা ৰাজ্য সুখে।।
শীতল শয্যাত যিটো নাথ থাকা শুই।
ধৰ্মময় শৰীৰ দেখন্তে সুখী হুই।।
হৈবেক কুবেশ পৃথিবীৰ লাগি ধূলি।
নিচিনিবে একোজনে আজি ৰাজা বুলি।।
লক্ষে লক্ষে ৰাজা যাক থাকে সেবা কৰি।
ধৱল চামৰে ঢোলে শ্বেতছত্ৰ ধৰি।।
কি ভৈল অৱস্থা হৰি হৰি মহাৰাই।
কিমতে বৰ্ত্তিবা আৱে ভিক্ষা মাগি খাই।।
হা বৃকোদৰ প্ৰভু পৰম বিক্ৰম।

অযুতেক হস্তী যাৰ বলে নুহি সম।।
সবাতো অধিক কৰি দেঞ্ঁ অন্ন পান।
ভিক্ষা মাগি কিমতে ৰাখিবা আৱে প্ৰাণ
কৈক গৈলা নাথ মোৰ মধ্যম পাণ্ডৱ।
হৰকো যুজিয়া যিটো কৰাইলা বিস্ময়।
ভৈলা ভিক্ষাহাৰী আজি হেন ধনঞ্জয়।।
হা কিনো ভৈল মোৰ নকুল মহন্ত।
মদন সদৃশ দেহা মহা ৰূপৱন্ত।।
ভুঞ্জাঞ্ঁ পঞ্চামৃতে নিতে মঞি অনুৰাগী।
জীৱন্ত কিমতে সিটো প্ৰভু ভিক্ষা মাগি।।
হা সহদেৱ মহাগুণে সুমণ্ডিত।
যাক সম নাহি মহা পৰম পণ্ডিত।।
দেৱতো অধিক কৰি ধৰো নিতে আল।
সিটো প্ৰভু ভিক্ষায়ে খাপিবা কেনে কাল।।
সবাৰো আছিলো মঞি মহা সুভাগিনী।
বনতো নাছিল সুস্থ কাৰো মঞি বিনি।।
কেনে আজি যাহন্তে নচাহা টেৰ কৰি।
এহি বুলি মকমকি কান্দন্ত সুন্দৰী।।
কৈক গৈলা আমাথেৰ কৃষ্ণ ইষ্ট দেৱ।
তুমি বিনে মোৰ আউৰ বন্ধু নাহি কেৱ।।
ঘোৰ ঘোৰ বিপদত কৰি আছা ত্ৰাণ।
তোমাকেসে সুমৰন্তে ফুটে মোৰ প্ৰাণ।।
দুষ্ঠ দুঃশাসনে মোৰ ধৰিল চুলিত।
দৰশিলো সেই কেশ তোমাৰ পাৱত।।
এতেকে কৰিলা বিপক্ষক বুন্দামাৰ।
তুমি হেতু নিসিজিল কোন উপকাৰ।।
বস্ত্ৰ কাঢ়ি লৈলেক সভাত সেহি পাপী।
নেদেখিলে মোৰ একো অঙ্গক তথাপি।।
তোমাৰ প্ৰসাদে গাৱে হোৱে বস্ত্ৰ ভিন্ন।
সুজিবে নপাৰো চিৰকাল ইটো ঋণ।

তোমাৰ প্ৰসাদ আদিত্যৰ বৰদানে।
পাইলোহো অক্ষয় অন্ন মঞি নখাঞো মানে।।
আঠাইশ সহস্ৰ ঋষি নিতে ভুঞ্জাঞো বনে।
সি কি উপকাৰ আউৰ গুচৈ মোৰ মনে।।
অযুত হস্তীৰ বল যাহাৰ গাৱত।
হেনয় কীচকে মোৰ ধৰিলে বস্ত্ৰত।।
পড়িল উফৰি মোৰ হাতৰ চৈলাত।
তুমিসে ৰাখিলা সিটো সঙ্কট বেলাত।।
হেন উপকাৰী হৰি কৈ গৈলে মাধৱ।
তুমি বিনে একেগুলে কি ভৈলা পাণ্ডৱ।।
চৰণৰ দাস কৰি নিলা পাণ্ডপতি।
থাকিলোহো পড়ি মঞি পাপিনী সম্প্ৰতি।।
ভৈলো নিমাখিতী তেজি গৈলা যদুৰাজ।
আউৰ ইটো চাৰ জীৱনত নাহি কাজ।।
কৃষ্ণৰ বিয়োগ বহ্নি দহে সৰ্বগাৱ।
কৃষ্ণ কৃষ্ণ বুলিয়া কৰন্ত আওৰাৱ।।
কৃষ্ণ গুণ বৰ্ণান্তে নিৰ্মল ভৈল মতি।
মিলিল সতীৰ শৰীৰতো বিৰুকতি।।
শোক এড়ি বসিলন্ত গুচিল সংশয়।
দশোদিশে দ্ৰৌপদী দেখন্ত কৃষ্ণময়।।
কৃষ্ণৰ চৰণ মনে ধৰি দৃঢ় ধ্যান।
কৃষ্ণ কৃষ্ণ বুলিয়া ছাড়িলা সতী প্ৰাণ।।
কৃষ্ণত গৈলন্ত লীন সিটো মহাসতী।
দেখিয়োক ভকতিৰ মহিমা সম্প্ৰতি।।
পাণ্ডৱৰ নিৰ্যাণ পৰম পুণ্য কথা।
আক একচিত্তে যিটো শুনন্ত সৰ্বথা।।
সমস্তে পাপত হন্তে হুইবে মহা শুদ্ধি।
বাঢ়িবেক ভকতি কৃষ্ণতো হুইবে বুদ্ধি।। (ইত্যাদি)

ইমানতে প্ৰথম স্কন্ধৰ পঞ্চদশ অধ্যায়ত বৰ্ণিত পাণ্ডৱ নিৰ্যানৰ কাহিনীৰ অন্ত হৈছে। আমি পূৰ্বতে একাদশ স্কন্ধত উল্লেখিত কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ

লগত তৃতীয় স্কন্ধ আৰু প্ৰথম স্কন্ধৰ কাহিনী সংযোগ হৈছে বুলি কৈ অহা হৈছেই। গুৰুজনে এই কাহিনী ভাগ একে কথি কৰি পেলাইছে আৰু ইয়াৰ লগত পূৰ্বৰ দৰেই এই অধ্যায়টিত শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰয়োজনীয় কথাখিনি সংযোগ কৰিয়ো দিছে। আনহাতে গুৰুজনে কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত পাণ্ডৱ নিৰ্য্যানৰ দৰে ভাগৱতত অনুক্ত গোকুলবাসীৰ নিৰ্যাণৰ বিষয়টি যোগ দি কৃষ্ণ ভক্তসকলৰ কৃষ্ণ প্ৰেমৰ উদাহৰণ দাঙি ধৰিছে। আমি এতিয়ালৈকে ব্ৰহ্মপুৰাণ, বিষ্ণু পুৰাণ, পদ্ম পুৰাণ, ব্ৰহ্ম বৈৱৰ্ত পুৰাণ আদি পুৰাণসমূহত গোকুলবাসীৰ নিৰ্য্যাণৰ কাহিনী পোৱা নাই। বোধ হয় গুৰুজনে নিজৰ সৃষ্টিমূলক মতেৰে ইয়াক নতুনকৈ সজাইছে। আমি নিম্ন স্থানত অধ্যায়ৰ শেষ কাহিনীটিৰ উদ্ধৃতি দিয়া হ'ল।

আত অনন্তৰে শুনা গোকুলবাসীৰ কথা
তাসম্বাৰ যি ভৈল অৱস্থা।
কৃষ্ণৰ বিয়োগে একে দণ্ডে যেন যুগ যাই
হাট ফোট নুগুচে সৰ্বথা।।
বৃন্দাবন কালিন্দীক দেখন্তে শুকাই ধাতু
এথানে ক্ৰীড়িলা কৃষ্ণ প্ৰাণ।
নুগুচে হিয়াৰ খেদ লোতকৰ নাই ছেদ
স্বভাৱতে মৃতক সমান।।
বংশীৰ শুনন্তে ৰাৱ গোপীৰ উপজৈ ভাৱ
যাত কৰি শিহৰৈ শৰীৰ।
কৃষ্ণ বুলি পাৰৈ উকি কতো কান্দে মকমকি
পড়ে ধাৰে নয়নৰ নীৰ।।
অৰুণ চৰণ দুইক সাৱটি বিৰহ জুইক
উপশান্ত কৰৈ কতোক্ষণে।
কৃষ্ণত নুগুচৈ চিত্ত এড়িলে গৃহৰ কৃত্য
মহা ভাগ্যৱতী গোপী গণে।।
নিতান্তে যশোদা কান্দো তিনি বেলা ৰাৱ বান্ধে
হা কৃষ্ণ পুত্ৰ গৈল এড়ি।
পেটত নুৰুচৈ ভাত নাহি আন কথা মাত
কৃষ্ণ বুলি পাড়ে আতি গেড়ি।।

হুয়া আতি নিৰানন্দ লগতে কান্দন্ত নন্দ
চক্ষুৰ লোতক নাই চেদ।
কৃষ্ণ বিনে নাহি আন সবাৰো এহিসে প্ৰাণ
কৃষ্ণক নেদেখি কৰৈ খেদ।।
সেহি সময়তে আসি দেখি সবে ব্ৰজবাসী
মিলিল পৰম বিমঙ্গল।
ঘৰে ঘৰে ৰাৱৈ ফেৰু যতলতা তৃণ তৰু
আকাশত ধৰৈ ফুল ফল।।
সঘনে নিৰ্ঘাত পড়ে ঘনে ঘনে ভূমি লৰে
মহা খৰ্ব বায়ু বেঢ়ি বাৱৈ।
ভৈল বিপক্ষৰ চিহ্ন ধেনু সৱো নখাই তৃণ
চক্ষুৰ লোতক মাত্ৰ স্ৰৱৈ।।
আৰাৱে কুকুৰে কান্দে নাৰীৰ দক্ষিণ ফান্দে
সোম গুই গৃহত সোমাই।
জানিলো মিলিল দুখ ওঠ কণ্ঠ শুকাইমুখ
বিমঙ্গল দেখি ধাতু যাই।।
পাছে সেহি বেলা তথা সবায়ো শুনিলা কথা
কৃষ্ণ প্ৰাণ ভৈলন্ত নিৰ্য্যাণ।
যেন ভৈল বজ্ৰপাত মুখতো হৰিল মাত
নাহি একো চেতন গিয়ান।।
কান্দিবে লাগিলোকে কৃষ্ণৰ দাৰুণ শোকে
নিৰন্তৰে গোপপুৰ জুড়ি।
ঢাত ঢাত পড়ে উঠি হৃদয়ত হানৈ মুঠি
যেন দাৱালত পড়ে গুড়ি।।
কৃষ্ণ বিনে ভৈলো নাশ আৱেসে গুচিল আশ
যায় সন্তাপতে প্ৰাণ ফুটি।
কৈক গৈলা প্ৰাণনাথ ভূমিত আফালে মাথ
পড়ে পৃথিৱীত লোটালুটি।।
মাধৱৰ বাৰ্ত্তা মন্দ শুনিয়া যশোদানন্দ
থিয়য়ে মৰিল দুয়ো প্ৰাণী।

ঝমক দেখিয়া লোকে পুতাই এড়ি গৈলা মোকে
কান্দন্ত হৃদয়ে মুঠি হানি।।
ঐ পুতাই বাপু হৰি গৈলা পৰিচ্ছেদা কৰি
মোৰ মানে গৈল সৱে বুড়ি।
এহি বুলি দুয়োজনে পড়িলা সন্তাপ মনে
শোকে যেন যাই ধাতু উড়ি।।
নোহ্নলাই আৰ শোক শাল পুৰিলেক আসি কাল
কৃষ্ণক কৰিয়া দৃঢ় ধ্যান।
উপজিল প্ৰেমভাৱ কৃষ্ণ বুলি দিয়া ৰাৱ
তেখনে ছাড়িলা দুয়ো প্ৰাণ।।
ভৈলন্ত নিৰ্ম্মল মতি পাইলন্ত পৰম গতি
সমস্ত পাতকে হুয়া হীন।
ছিণ্ডিল কৰ্ম্মৰ বন্ধ তথাতে যশোদা নন্দ
কৃষ্ণৰ চৰণে গৈলা লীন।।
একে গোপীসৱে মৰৈ সন্তাপে চেতন হৰৈ
দুখে দণ্ডে যুগৰ সমান।
কৃষ্ণ কৃষ্ণ মাত্ৰ ৰড়ে স্মৰন্তে লোতক পড়ে
ৰাত্ৰি দিনে কৃষ্ণকেসে ধ্যান।।
আসিবন্ত দুনাই হৰি দেখিবো নয়ন ভৰি
পদ্ম নেত্ৰ বদন মণ্ডল।
দেখি হুইব দুখ নাশ সুন্দৰ মধুৰ হাস
সিটো মহা বাহু বক্ষস্থল।।
আশাতে জীৱন্তে আছে তথাতে শুনিলা পাছে
কৃষ্ণদেৱ গৈলা ভূমি এড়ি।
মহামৰ্ম গৈল চড়ি কান্দন্ত নিঢ়ালে পড়ি
কৃষ্ণ কৃষ্ণ বুলি পাড়ি গেড়ি।।
সন্তাপে ঢাকুড়ে মাথ ঐ কৃষ্ণ প্ৰাণনাথ
ভৈলো নাশ আৱেসে সমূলি।
ধ্বজ বজ্রে মনোহৰ হেন পদ পঙ্কজৰ
লৈবাক নপালো ধুৱাই ধূলি।।

উধাই বিৰহ জুই ধৰিলন্ত মৌন দুই
আলিঙ্গি কৃষ্ণক কৰি ধ্যান।
ভাগৱতী গোপীঝাক কৃষ্ণ বুলি দিয়া ঢাক
তথাতে ছাড়িলা সৱে প্ৰাণ।।
কৰ্ম্ম বন্ধে হুয়া ক্ষীণ কৃষ্ণত গৈলন্ত লীন
নিস্তাৰিল সংসাৰৰ ক্লেশ।
কৃষ্ণখ জানিল মানে লতাতৰু সেহিথানে
মৰি কৃষ্ণে ভৈলন্ত প্ৰৱেশ।।
কৃষ্ণৰ নিৰ্য্যাণ দেখি যত কীট পশু পক্ষী
বিৰিন্দাবনৰ তৃণ সীমা।
পাইলা সবে পৰম্পদ ভৈলা সবে নিশৱদ
ভকতিৰ কি কৈবো মহিমা।
অনাচাৰী জ্ঞানহীন জড় জাতি তৰু তৃণ
কৃষ্ণতে পাইলেক সৱে গতি।
আশ্চৰ্য্য আশ্চৰ্য্য কিনো হেন হৰি দেৱ বিনা
আৰো আছে উপায় সম্প্ৰতি।।
দ্বাৰকা হস্তিনাপুৰী আছিলা গোকুল ভৰি
পৰম ভকত যতমানে।
কৃষ্ণৰ নিৰ্য্যাণ শুনি মৰৈ সৱে হিয়া ধুনি
মৰি গৈলা বৈকুণ্ঠ বিমানে।।
কৃষ্ণৰ পাছতে ছন্ন ভৈল পুৰী তিনি খান
দেখা কিনো কৃষ্ণৰ মহত।
অদ্যাপি নিচিন্ত দেৱ কৃষ্ণক কৰিও সেৱ
যাৰ আছে চেতন গাৱত।। (ইত্যাদি)

(একাদশ স্কন্ধ ভাগৱতৰ বৰ্ণনা সমাপ্ত)

● ● ●

(১১) দ্বাদশ স্কন্ধ

দ্বাদশ স্কন্ধ ভাগৱতৰ শ্লোকৰ সংখ্যা পাঁচশ পঁয়ষষ্ঠী। প্ৰথম অধ্যায়ৰ শ্লোক সংখ্যা একচল্লিশ। এই অধ্যায়টিৰ মূল কাহিনী হ'ল ৰজাসকলৰ বংশাৱলী আৰু তেওঁলোকৰ মলিনতা প্ৰাপ্তিৰ বিৱৰণ। গুৰুজনে ইয়াৰে ঊনচল্লিশ, চল্লিশ আৰু একচল্লিশ— এই তিনিটিৰহে অনুবাদ কৰিছে। দ্বিতীয় অধ্যায়ৰ শ্লোক সংখ্যা চৌৰাল্লিশ। ইয়াৰে একৰ পৰা পঁচিশলৈকে সম্পূৰ্ণ ঊনত্ৰিশ, ত্ৰিশ, তেত্ৰিশ, সাতত্ৰিশ, আঠত্ৰিশ, চল্লিশ, একচল্লিশ, বিৰাল্লিশ, তিৰাল্লিশ, চৌৰাল্লিশ— এই সংখ্যাৰ শ্লোকখিনি অৰ্থাৎ পঁয়ত্ৰিশটি শ্লোকৰ অনুবাদহে সম্পন্ন কৰা হৈছে। ১২/৩/১, ১২/৪/১, ১২/৪/২৩, ১২/৫/১২ এই শ্লোকৰ অনুবাদত শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱো পৰিছে। শুকে পৰীক্ষিতক ভৱিষ্যতে কি কি ঘটিব তাৰ বৰ্ণনা দিছে আৰু সেই প্ৰসংগতে চাৰি যুগত চাৰি বৰ্ণৰ প্ৰভাৱৰ বিষয়েও কৈছে। ভৱিষ্যতে পৃথিৱীত কি কি ঘটিব, সেই বিষয়ে মহাপুৰুষ মাধৱদেৱৰ ৰচিত 'জন্ম ৰহস্য' নামৰ গ্ৰন্থখনিতো বৰ্ণনা আছে। পূৰ্বানুৰূপে গুৰুজনে এই স্কন্ধটিৰ মাজতো মূলৰ অতিৰিক্ত কথা অৰ্থাৎ সৃষ্টিমূলক বৰ্ণনা দাঙি ধৰিছে। তলত প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ বৰ্জিত মূল শ্লোকৰ বিপৰীতে বাকী গৃহীত শ্লোকসমূহৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল।

(১) এওঁলোকে নাৰী, বালক, গো, দ্বিজঘাতী, পৰস্ত্ৰী, পৰধনত লালসা, অল্পপ্ৰাণ নাশ শক্তি হেতুকে অল্পায়ু। এতেকে এওঁলোকৰ উত্থানৰ লগে লগে পতন হ'ব।

(২) সংস্কাৰ ৰহিত ক্ৰিয়াহীন এইসকল ক্ষত্ৰিয় ৰূপী ম্লেচ্ছ ৰজাই ৰজ আৰু তমোগুণেৰে আবৃত হৈ প্ৰজাসকলক পীড়া কৰিব।

(৩) পূৰ্বোক্ত আচাৰ সম্পন্ন ৰজাসকলৰ পৰিচালনাত প্ৰজাসকলে তেওঁলোকৰ আচাৰ আৰু চৰিত্ৰৰ অনুকৰণ কৰিব আৰু পৰস্পৰ পীড়িত নৃপতিসকলৰ অত্যাচাৰ পীড়িত হৈ বিনাশপ্ৰাপ্ত হ'ব।

(৪) শুকদেৱে ক'লে— হে ৰাজন। কলি প্ৰৱেশৰ পিছত প্ৰবল কাল প্ৰভাৱত প্ৰতিদিনে ধৰ্ম, সত্য, শৌচ, ক্ষমা, দয়া, আয়ু, বল, আৰু স্মৰণ শক্তি ক্ষয়প্ৰাপ্ত হ'ব।

(৫) কলিকালৰ লোকসকলৰ ধনেই ভাল জন্ম, সদাচাৰ, সৎগুণ নিৰ্ধাৰণ, বল, ধৰ্ম আৰু নীতি নিৰূপণৰ একমাত্ৰ কাৰণ বুলি মানি ল'ব।

(৬) অভিৰুচিয়েই পতি-পত্নীৰ সম্বন্ধৰ কাৰণ হ'ব। ক্ৰয়-বিক্ৰয়ত হ'ব প্ৰৱঞ্চনা, নাৰী-পুৰুষ সম্বন্ধ থাকিব ৰতি ক্ৰিয়াতহে, বিপ্ৰত্বৰ পৰিচয় থাকিব যজ্ঞসূত্ৰত।

(৭) দণ্ড, কমণ্ডলু আৰু অজিন চিহ্ন হ'ব আশ্ৰম পৰিচয়, দণ্ডাদি ত্যাগী হ'ব, এখন আশ্ৰমৰ পৰা আন আশ্ৰম প্ৰাপ্তিৰ সাক্ষী, ধনাদি দানেৰে ন্যায়ৰ পৰাজয় ঘটিব আৰু বহুবক্কী হ'ব পাণ্ডিত্যৰ পৰিচয়।

(৮) নিৰ্ধনী লোক অসাধুৰূপে পৰিচিত হ'ব। দম্ভ প্ৰদৰ্শনত সাধুতা পৰিচিত হ'ব, স্বীকাৰ কৰিলেই বিবাহ সিদ্ধ হ'ব, স্নান নকৰিলেও কেৱল কেশ পৰিষ্কাৰতে স্নান সিদ্ধ হ'ব।

(৯-১০) দূৰত অৱস্থিত জলাশয় মাত্ৰেই তীৰ্থ ৰূপে বিবেচিত হ'ব। কেশ বিন্যাসেই লাৱণ্যৰ চিন হ'ব, নিজৰ উদৰ পূৰণেই পুৰুষাৰ্থ আৰু শঠতাৰ সত্যৰ প্ৰতিষ্ঠা হ'ব। নিজৰ পুত্ৰ-পত্নী পোষণ-পালনেই সংসাৰ নিপুণতা নিৰূপিত হ'ব; কীৰ্তিলাভৰ কাৰণে ধৰ্মৰ সেৱা কাৰ্য চলিব। এনেদৰে দুৰ্মতি লোকসকলে পৃথিৱী পৰিব্যাপ্ত হ'লে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰসকলৰ মাজত যিজনেই অধিক শক্তিশালী সেইজনেই ৰজা হ'ব।

(১১) লুভীয়া, নিৰ্দয়, দস্যুধৰ্মী ৰজাসকলে বলপূৰ্বক প্ৰজাসমূহৰ স্ত্ৰী, ধন অপহৰণ কৰিলে তেওঁলোকে নিজ নিজ গৃহত্যাগ কৰি দুৰ্গম কাননত আশ্ৰয় গ্ৰহণ কৰিব।

(১২) অনাবৃষ্টিত দুৰ্ভিক্ষ হ'ব। কৰ ভাৰ পীড়িত প্ৰজাসকলে শাক, মূল, মাংস, মৌ, কল, পুষ্প আৰু বীজ মাত্ৰ ভোজন কৰিও দেহ ধাৰণ কৰিবলৈ অসমৰ্থ হ'লে সকলোবোৰ বিনাশপ্ৰাপ্ত হ'ব।

(১৩,১৪)— এটাৰ পিছত এটাকৈ এনে প্ৰকাৰে শীত, বাত, ৰৌদ্ৰ, বৰ্ষা, হিম ভোগ কৰি, ক্ষুধা, তৃষ্ণা, ৰোগত কাতৰ হৈ প্ৰজাসকল দুশ্চিন্তাত অত্যন্ত পৰিতাপ ভোগ কৰিব। কলিকালত লোকসকলৰ মাত্ৰ পঞ্চাশ বছৰহে পৰমায়ু হ'ব।

(১৫-১৯)— কলিৰ দোষত মানৱগণৰ দেহ ক্ষীণ, বৰ্ণা শ্ৰয়ীসকলৰ আশ্ৰম ধৰ্ম বিনষ্ট, বেদমাৰ্গত অনীহা, ধৰ্মত পাষণ্ড মতৰ প্ৰৱৰ্তন, ৰাজন্যবৰ্গৰ দস্যু প্ৰবৃত্তি, মানৱ সমাজ চৌৰ্য কাৰ্যত প্ৰবৃত্ত, মিছা ব্যৱহাৰ, মিছা হিংসা,

জাতিসকল শূদ্ৰ প্ৰায়, গাভীসকল ছাগাকৃতি ক্ষুদ্ৰকায়, অল্প দুগ্ধৱতী, গৃহ মাত্ৰেই আশ্ৰম নামেৰে পৰিচিত, পত্নী গৃহেই কুটুম্বৰ পৰিচয়, ঔষধৰ অন্নৰসত্ব, অসৎ বৃক্ষৰ বাহুল্য, বৃষ্টিহীন বিদ্যুৎ, মেঘগৰ্জন, গৃহজন শূন্য আৰু মানৱ সমাজ দুষ্ট স্বভাৱৰ হ'ব। এনেধৰণৰ অৱস্থাত কলিৰ অৱশিষ্ট সময়ত সত্ত্ব গুণাশ্ৰয়ী ভগৱানে ধৰ্ম ৰক্ষাৰ কাৰণে পৃথিৱীত অৱতীৰ্ণ হ'বহি।

পূৰ্বোক্ত শ্লেকসমূহৰ অনুবাদৰ পূৰ্বতে গুৰুজনে এই স্কন্ধটিৰ আৰম্ভণিতে মঙ্গলাচৰণ কৰিছে আৰু পিছৰ ভাগৱতোক্ত পূৰ্বৰ বিষয়ৰ সূত্ৰৰ ওপৰত নিৰ্ভৰ কৰি নিজৰ মতেৰে কাহিনীটি সজাইছে। নিম্নস্থানত পদখিনি তুলি দিয়া হ'ল।

কলিত মলিন হুইবে যতেক নৃপতি।
গুচিবে আচাৰ ধৰ্ম্ম হুইবেক দুৰ্ম্মতি।।
যেন ৰাজা যেন প্ৰজা এড়িবে আচাৰ।
অধৰ্ম্মে জুড়িবে হৈব লোক একাকাৰ।।
যেন যেন অনৰ্থ মিলাইবে দুষ্ট কলি।
ভৱিষ্যত ৰাজাৰ কহিবো বংশাৱলী।।
উপজায়ো লোকৰ মনত বিৰকতি।
দুনাই দুৱাই নৃপতিত দঢ়াই যুগুতি।।
এই হেতু দ্বাদশক কৰিলো আৰম্ভ।
কলিৰ প্ৰভাৱে প্ৰজা হুইবে দুষ্ট দম্ভ।।
তাহাঙ্ক কৃপায়ে কৈলো মহামুনি শুকে।
টীকাৰ সম্মতচয় শুনিলা উৎসুকে।।
পুছে পৰীক্ষিতে শুক মুনিত সংশয়।
যদুবংশ বিভূষণ কৃষ্ণ কৃপাময়।।
বৈকুণ্ঠক গৈলা সবে প্ৰচাৰি চৰিত্ৰ।
কৈয়ো কাৰ বংশে ৰাজা ভৈলা পৃথিৱীত।।
শুক নিগদতি ৰাজা শুনা পৰীক্ষিত।
হৈব যেন যেন ৰাজা দুৰ্ঘোৰ কলিত।।
হুয়ো সাৱধান নৃপতিক এহি বুলি।
সমস্তে বৰ্ণাইলা মুনি ৰাজ বংশাৱলী।।
যাৰ বংশে ৰাজা হুয়া ভুঞ্জিবেক মহী।
যতেক বৰিষ যাৰ বংশ থাকে ৰহি।।

পাত্রে হুইবে ৰাজা যিটো কাটিয়া ৰাজাক।
ভূত ভৱিষ্যত কথা কহিলেক তাক।।
কলিত হৈবেক আৰে যত যত ৰাজা।
এড়িবে আচাৰ ধৰ্ম্ম পীড়িবেক প্ৰজা।।
মহা অহঙ্কাৰী ক্ৰোধী পৰম প্ৰচণ্ড।
অল্প অপৰাধত কৰিবে উগ্ৰদণ্ড।।
স্ত্ৰী বধ ব্ৰহ্ম বধ গোবধ পাতেকক।
বলে হৰিবেক পৰদাৰাক প্ৰত্যেক।।
অসত্য পাতকী আতি হুইবেক কু দাতা।
ছাড়িবে মৰ্য্যাদা নমানিবে পিতা মাতা।।
ক্ষণেকে হৰিষ শোক ক্ষণেকে আকুল।
কামাতুৰ হুয়া নবাছিবে জাতিকুল।।
পৰদাৰা গমন পাতকে হুইবে ভ্ৰষ্ট।
আতি ক্ষুদ্ৰ আয়ু অল্পকালে যাইবে নষ্ট।।
মহন্তজনত আতি মিলাইবে বিপাক।
স্ত্ৰীবলে নিবে কাঢ়ি পীড়িবে প্ৰজাক।।
আতি অনাচাৰ ব্যভিচাৰী অকুলীন।
মহাম্লেচ্ছ সবে ধৰিবেক ৰাজচিহ্ন।।
হেন ৰাজা সব যি দেশৰ অধিকাৰী।
তাতে অনুবৰ্ত্তী থাকে যত নৰ-নাৰী।
তাহাৰে স্বভাৱ লৈবে তাহাৰে আচাৰ।
এড়ি কুল ক্ৰিয়া সৱে হৈব একাকাৰ।।
অন্যো অন্যে ৰাজা সাজি গজ বাজী বল।
ৰাজ্যৰ নিমিত্তে ঘোৰ কৰিবে কন্দল।।
কাটি মাৰি গ্ৰাম দেশ কৰিবে উচ্ছন্ন।
মহাপীড়া পায়া ক্ষয় হুইবে প্ৰজাগণ।।
পৰম নিৰ্দ্দয় যেন ৰাক্ষস আকাৰ।
ধন লোভে প্ৰজাৰ চিন্তিবে মহামাৰ।।
লোকত মিলিবে আসি ঘোৰ বিমঙ্গল।
অনুদিনে বাঢ়িবে কলিৰ মহাবল।।

ধৰ্ম্মৰ ভাঙ্গিবে কলি চাৰিয়ো চৰণ।
সত্য শৌচ ক্ষমা দয়া কৰিবে উচ্ছন্ন।।
হুইবেক অল্পায়ু লোক মহা দুৰ্ব্বিনয়।
সুহৃদতো নছাড়িবে কপট হৃদয়।।
ঘোৰ কলিযুগে যিটোজন ধনৱন্ত।
সেহিসে কুলীন সদাচাৰী গুণৱন্ত।।
বলিষ্ঠজনৰ সিজিবেক পাপচয়।
অন্যায়তো বলিষ্ঠজনৰ হুইবে জয়।।
নকৰিবে কুলশীল বিচাৰ যুৱতী।
যাকে অভিৰুচি তাকে মানিবেক পতি।।
পুৰুষে নচাইবে ভাল মন্দ সমুদায়।
কৰিবেক ভাৰ্য্যা আনি যাকে বাঞ্ছা যায়।।
সদায়ে বুলিব মিছা কপট আচাৰ।
ক্ৰয়-বিক্ৰয়তো হোৱে মায়া ব্যৱহাৰ।।
ৰতিত কুশল যিটোজন অনাচাৰী।
তাকেসে পুৰুষ বুলিবেক দুষ্টা নাৰী।
ৰতি সুশিক্ষিতা যিটো দুষ্টা মন পুৰে।
স্ত্ৰী বুলি তাকে মানিবক কামাতুৰে।।
কুল স্ত্ৰীকো এড়ি তাতে কাৰিবেক ৰতি।
নিজ পতি তেজি তাকে মানিবেক পতি।।
কলিত যতেক দ্বিজে এড়িব আচাৰ।
কপটে দেখাইবে মাত্ৰ লোক ব্যৱহাৰ।।
লোভে আক্ৰমিবে হৈবে কুলক্ৰিয়া হীন।
একে নৱগুণ মাত্ৰ থাকিবেক চিন।।
ব্ৰহ্মাচাৰী সন্যাসীয়ো হৈবে জ্ঞানহীন।
দণ্ড কমণ্ডলু মাত্ৰ থাকিবেক চিন।।
কটিত কৌপিন শৰীৰত ব্যাঘ্ৰ চৰ্ম্ম।
বেশধাৰী মাত্ৰ নাহি আশ্ৰমৰ ধৰ্ম্ম।।
কৰিবে দুৰ্জ্জন লোকে ধনতেসে গয়।
খতি ধন দিলে হুইবে অন্যায়তো জয়।।

খতি খাইবে নপাইলে মনত হুইবে খঙ্গ।
ছলে বলে উচিত ন্যায়তো দিবে ভঙ্গ।।
কহিবে নপাৰে একো বেদ শাস্ত্ৰ তত্ত্ব।
মহা জ্ঞান শূন্য পৰমাৰ্থ বিচাৰত।।
একোৱে নজানে কিছু নপাৰে খণ্ডিত।
বহুবৰ্ক্কী ভৈলে তাকে বুলিবে পণ্ডিত।।
ধনজন বিভৱ নথাকে যাৰ আতি।
সেহিজন অসাধু লোকৰ অসঞ্জাতি।।
পৰম দাম্ভিক যিটো ধনৰ গৰ্ব্বিত।
সেহিজন মহাসাধু বোলাইবে লোকত।।
এড়ি বেদ বিধি আচাৰিবে পাপঘোৰ।
বাক্যে বুলিবেক মাত্ৰ এহি স্ত্ৰী মোৰ।।
এতেকে বিবাহ হৈবে নলাগে বিচাৰ।
গিয়াতি কুটুম্বসৱে বেঢ়ি খাইবে তাৰ।।
শৰীৰক ঘসি পিসি যিটো কৰে স্নান।
হুইবেক কলিত অলঙ্কাৰ এহিমান।।
চতুৰ্ভিতি বেঢ়ি মাথে ৰাখিবেক পাশ।
কেশতেসে হুইবেক লাৱণ্য লয়লাস।।
নাদৰিবে মহাগুৰুজনকো হেলাত।
বিদূৰৰ জনে তীৰ্থ বুদ্ধি হৈবে জাত।।
অন্যায়ে অন্যায়ে আনি ভৰিবে উদৰ।
এহিমানে পুৰুষাৰ্থ থাকিবে লোকৰ।।
মহা ধূৰতালি কৰি বুলিবে বচন।
জানিবেক লোকে সত্য মাতৈ ইটোজন।
পোষে পুত্ৰ ভাৰ্য্যা মাত্ৰ হুয়া কামাতুৰ।
এতেকে বুলিবে লোকে ই বৰ চতুৰ।।
দান পুণ্য কৰিলে মোহোৰ হুইবে খ্যাতি।
হেন দম্ভভাৱে ধৰ্ম্ম আচৰিবে আতি।।
হেনয় দুৰ্ম্মতি আতি পৰম নিষ্ফল।
প্ৰজায়ে ক্ৰীড়িবে সবে পৃথিবী মণ্ডল।।

চাৰিয়ো জাতিৰ মাজে যিজন বলিষ্ঠ।
হুইবে আসি ৰাজা সেহি দুৰ্জ্জন অনিষ্ট।।
লোভাবিষ্ট হুয়া কৰ্ম্ম কৰিবেক ঘোৰ।
দাৰুণ নিৰ্দ্দয় দুষ্ট যেন খট চোৰ।।
পীড়িবে প্ৰজাক সুখে নথাকিবে বহি।
স্ত্ৰী কাঢ়ি নিবে বলে ধনকো আগ্ৰহি।।
ছলে বলে নিষ্ফলে লোকক দুখ দিয়া।
নীচক বঢ়াইবে মহন্তক উচ্চাদিয়া।।
সহিবে নপাৰি পীড়া পাছে প্ৰজাগণ।
দশোদিশে যাইবে হুয়া দেশৰ উচ্ছন।।
পৰ্ব্বত বনত পশি নপাইবেক অন্ন।
ফলমূল মাংস, শাক কৰিব ভোজন।।
অনাবৃষ্টি দুৰ্ভিক্ষত কতো হুইবে ক্ষয়।
তাতো কৰ সাধিবে দুৰ্জ্জন ৰাজাচয়।।
ৰৌদ্ৰ বাৰিষণ শীত সহিবে বতাস।
ক্ষুধা তৃষ্ণা ব্যাধিত হুইবেক কতো নাশ।
নুগুচিব চিন্তা হৃদয়ৰ অহৰ্নিশ।
কৈক যাইব কি কৰিব নপাইব উদিশ।।
কলিত লোকৰ মহা মিলিবে বিপত্তি।
হৈবে পৰমায়ু ত্ৰিংশ বৰিষ বিংশতি।।
এৰিবে আচাৰ ধৰ্ম্ম বেদৰ বিহিত।
কুলক্ৰিয়া একো নথাকিবে কলিত।।
অনেক পাষণ্ড আসি ব্যাপিবেক দেশ।
লৈবে লোকে পাষণ্ডজনৰ উপদেশ।।
মছলৰ চৰিত্ৰ হৈবেক যত ৰাজা।
মিছা হিংসা চোৰ বৃত্তি কৰিবেক প্ৰজা।।
ধৰিবে চাৰিয়ো জাতি আচাৰ শূদ্ৰৰ।
হুইবে অল্প প্ৰমাণ শৰীৰ মনুষ্যৰ।।
কাহাৰো নুহিবে আৰ তনুমন শুদ্ধ।
ছাগ সম হুইবে ধেনু হৰিবেক দুগ্ধ।

চাৰিয়ো আশ্ৰমী হৈবে গৃহস্থৰ নয়।
ভাৰ্যাৰ কুটুম্বে হৈবে গৃহস্থৰ নয়।
ভাৰ্য্যাৰ কুটুম্বে হৈবে সুহৃদ নিশ্চয়।।
আতি অনু প্ৰমাণ হৈবেক যত ধান।
ছোট ছোট হৈবে বৃক্ষ সমিধ প্ৰমাণ।
বিজুলী চমক যেন চঞ্চল সদায়।
মেঘসৱ হৈবেক কলিত তত প্ৰায়।।
অধৰ্ম্মে জুৰিবে অআসি ৰাজ্য নিৰন্তৰ।
হৈবে ধৰ্ম্ম শূন্য গৃহ সমস্তে লোকৰ।।
পৰম দুষ্মহ চেষ্টা হৈব মনুষ্যৰ।
ধৰিবে গাধৰ ধৰ্ম্ম লোক নিৰন্তৰ।।
সবান্ধৱে ধৰ্ম্মক দেশৰ কৰি বাজ।
সকুটুম্বে অধৰ্ম্মে জুৰিবে সবে ৰাজ।।
ধৰ্ম্ম বুলি কৰন্তে অধৰ্ম্ম হৈবে জাত।
মিলাইবেক দুষ্টট কলি লোকৰ বিঘাত।।
পাষণঅড আগমে কবিকে বেদ লোপ।
হেন দেখি ঈশ্বৰৰ হৈবে মহাকোপ।।
গত প্ৰায় ভৈল যেৱে কলি দুৰাচাৰ।
ভগৱন্ত হৈবন্ত আপুনি অৱতাৰ।।

পূৰ্বোক্ত পদসমূহৰ ভিতৰত 'মছলৰ চৰিত্ৰ হৈবেক যত ৰাজা'— এই শাৰী পদৰ ওপৰত যথেষ্ট আলোড়নৰ সৃষ্টিও হয়। বহুতে 'মছল' শব্দটিক মুছলমান জাতিৰ কথাকে বুজাইছে বুলি ধাৰণা কৰে। আচলতে সেই শব্দটিয়ে সেই অৰ্থ প্ৰকাশ নকৰে। গুৰুজনে 'ম্লেচ্ছা ৰাজন্য ৰূপিনঃ' (১২/১/৪০) এই সূত্ৰৰ ওপৰত নিৰ্ভৰ কৰিহে 'ম্লেচ্ছ' শব্দটিৰ বিপৰীতে 'মছল' কৰিছে। আখৰ জোঁটনিৰ ফালৰ পৰা 'ম্লেচ্ছ' আৰু 'মছল' শব্দটিৰ পাৰ্থক্য পৰিলক্ষিত হৈছে। কিন্তু ম্লেচ্ছক মছল কৰিব পৰা নিয়ম এটি নথকা নহয়। সংস্কৃত ব্যাকৰণত থকা এটি সূত্ৰৰ আধাৰতে ইয়াৰ পৰিবৰ্ত্তিত ৰূপ এটি পাব পাৰি। তলত সূত্ৰটি দিয়া হ'ল, যেনে—

বৰ্ণাগমো বৰ্ণ বিপৰ্য্যয়শ্চ দ্বৌ চাপৰৌৱৰ্ণবিকাৰ নাশৌ।
ধাতোস্তদৰ্থাতিশয়েন যোগাস্তদুচ্যতে পঞ্চবিধং নিৰুক্তম্।।

উক্ত সূত্ৰটিৰ মতে সময়ে সময়ে বৰ্ণাগম (ৱৰ্ণ লগ হয়), বৰ্ণনাশ (বৰ্ণ নষ্ট হয়) আদি হয়। তাৰ উদাহৰণ যেনে—

(১) **বৰ্ণাগম** — 'গোবিন্দ ঃ— গৌঃ শব্দৰাশিৰ্ব্বিদ্যতেদস্মিনিতি গাং বেত্তীতি বা গোৱিন্দঃ ইয়াত 'গো+ৱিদ' এই শব্দ দুটিত 'অত্ৰ নকাৰাগমঃ' হৈছে অৰ্থাৎ 'ন' বৰ্ণটোৰ আগম হোৱাত গোৱিন্দ হ'ল। সেয়ে তাক কোৱা হয়— 'বৰ্ণাগমঃ'।

(২) **ৱৰ্ণ বিপৰ্য্যয় ঃ** 'সিংহঃ'— হিনস্তীতি সিংহঃ। হসোৰ্ব্বিপৰ্য্যয়ঃ এই সূত্ৰমতে বৰ্ণৰ ওলট-পালট হ'ল অৰ্থাৎ 'হ' আৰু 'স' বৰ্ণৰ আগ পিছ হৈ 'স' বৰ্ণ আগলৈ আহিল আৰু 'হ' আখৰটো পিছত বহিল। এতিয়া সম্পূৰ্ণ ৰূপ হ'ল 'সিংহ'। ইয়াকে 'বৰ্ণ বিপৰ্যয়' বুলি কয়।

(৩) **ৱৰ্ণ বিকাৰ ঃ** 'অশ্বত্থামা' সস্যতঃ। উক্ত 'অশ্বত্থামা' শব্দটিৰ পূৰ্বৰ ৰূপ আছিল 'অশ্বস্থামা'। কিন্তু পূৰ্বোক্ত সূত্ৰটিৰ অনুযায়ী 'স' আখৰটোৰ বিকৃত হৈ তাৰ ঠাইত 'ত' বৰ্ণ এটি বহি ৰূপ পালে 'অশ্বত্থামা'।

(৪) **ৰৰ্ণনাশ ঃ** সুশোভনং অনৌজলং যস্যেতি সুৱৰ্ণম্ সলোপশ্চ।

ইয়াত 'স' বৰ্ণ এটি লোপ পালে। সেয়ে ৰূপ পালে সুৱৰ্ণম্।

সেইদৰে 'পৃষোদৰঃ, মকৰঃ, মস্কৰী, মুকুন্দঃ দ্বীপঃ' এই শব্দবোৰতো বৰ্ণাগম, বৰ্ণ বিপৰ্যয়, বৰ্ণবিকাৰ, বৰ্ণনাশ হৈ একোটি শব্দই বেলেগ ৰূপ লৈছে। পূৰ্বোক্ত 'ম্লেচ্ছ' শব্দৰ ঠাইত 'মছল' হোৱাটো অসম্ভৱ নহয়। আমি ম্লেচ্ছ শব্দটিৰ উচ্চাৰণ নকৰি কেতিয়াবা গাঁৱলীয়া চহা ভাষাৰে 'মেলেছ' বুলিও কওঁ। ম্লেচ্ছ আৰু মেলেছৰ অৰ্থ একেই। পূৰ্বৰটি সংস্কৃত ৰূপ আৰু পিছৰটি গাঁৱলীয়া কথিত ৰূপ। সেইদৰে ব্ৰজাৱলী ভাষাৰ বিকৃত ৰূপ অজ্ঞান—অগিয়ান, অদ্ভুত—অদভুত, অপ্সৰা—অপেচৰা, ব্যাকুল—বিয়াকুল, বল্লভ—বালাভ, বিৰক্তি—বিৰকতি ইত্যাদি ৰূপবোৰতো বিকৃত হৈছে ইত্যাদি।

(২০) সাধুসকলৰ ধৰ্ম ৰক্ষাৰ কাৰণে অখিলাত্মা চৰাচৰ গুৰু ঈশ্বৰ বিষ্ণুৰ আৱিৰ্ভাৱ জীৱসকলৰ মুক্তিৰ কাৰণেই হৈ থাকে।

(২১) সেই ভগৱান কল্কিয়ে শম্ভলগ্ৰামৰ প্ৰধান বিপ্ৰ মহাত্মা বিষ্ণু যশাৰ গৃহত জন্ম গ্ৰহণ কৰিব।

(২২,২৩) অতুলনীয় কান্তিমান ঐশ্বৰ্যযুক্ত জগতপতি কল্কিয়ে শীঘ্ৰগামী অসন্তনাশক দেৱদত্ত ঘোটকত উঠি আহিব আৰু পৃথিৱী ভ্ৰমণ কৰি কপট ৰাজবেশী দস্যুসকলক অস্ত্ৰাঘাতে বধ কৰিব।

(২৪) সকলো দস্যুৰ অৱসান হোৱাৰ পিছত বিষ্ণুৰ অংগৰাগ চন্দনৰ সুৰভি-গন্ধে পৱিত্ৰ বায়ুৰ স্পৰ্শত সেইসকল পুৰবাসী আৰু দেশবাসী প্ৰজাসকলৰ মন নিৰ্মল হ'ব।

(২৫) তেতিয়া সত্ত্বমূৰ্তি ভগৱানে দেশবাসী জনগণৰ হৃদয়ত বিৰাজ কৰিব আৰু তাৰ ফলত তেওঁলোকৰ বহুত সন্ততি লাভ হ'ব।

(২৬) যেতিয়া ধৰ্মৰক্ষক কল্কিৰ অৱতাৰ হ'ব, তেতিয়া সত্য যুগ আৰম্ভ

(২৭) যেতিয়া চন্দ্ৰ, সূৰ্য, বৃহস্পতি পুষ্যানক্ষত্ৰাশ্ৰিত হৈ একেৰাশিতে অৱস্থান কৰিব, তেতিয়াই সত্য যুগ আৰম্ভ হ'ব।

(২৮) চন্দ্ৰ আৰু সূৰ্যবংশত যি যি ৰজাসকল পূৰ্বতে আছিল, বৰ্তমানেও আছে আৰু পিছতো হ'ব, সেইখিনি সংক্ষেপতে কোৱা হ'ল।

(২৯) বিষ্ণুৰ কৃষ্ণাৱতাৰ ৰূপ সূৰ্য যেতিয়া অন্তৰ্ধান হয়, তেতিয়া কলিয়ে লোকসলৰ হৃদয় অধিকাৰ কৰে। সেই কাৰণে তেওঁলোক পাপত নিৰত হৈ থাকে।

(৩০) যি পৰ্যন্ত ৰমাপতি বিষ্ণুৰ পাদপদ্ম দুই পৃথিৱী স্পৰ্শ কৰি থাকে তেতিয়ালৈকে কলিয়ে পৃথিৱী আক্ৰমণ কৰিবলৈ সমৰ্থ নহয়।

(৩১) যি সময়ত কৃষ্ণ স্বস্থানে প্ৰস্থান কৰিব সেইদিনাই সেই সময়ত কলি যুগৰ প্ৰৱেশ ঘটিব, এই কথা পুৰাতত্ত্ববিদসকলে কৈছে।

(৩২, ৩৩) সোমবংশীয় শান্তনু ভ্ৰাতা দেৱাপি আৰু ইক্ষাকু বংশৰ মেৰুকলাপগ্ৰামত বাস কৰিছে। তেওঁলোকে কৃষ্ণৰ ওচৰত শিক্ষা লাভৰ মহাযোগবলযুক্ত হৈ আছে। তেওঁলোকেই কলিৰ শেষত ইয়ালৈ আহি সত্যাদিযুগত যেনেকুৱা আছিল, সেইদৰে বৰ্ণাশ্ৰম ধৰ্ম পুনৰ প্ৰতিষ্ঠা কৰিব।

(৩৪) হে ৰাজন! আমি দেৱতুল্য নৃপতি আৰু বিপ্ৰ, বৈশ্য শূদ্ৰাদি অন্যান্য লোকসকলৰ যি কথা উল্লেখ কৰিলো, এওঁলোকে প্ৰথমতে পৃথিৱীত সমতা বিস্তাৰ কৰে আৰু পিছত পৃথিৱী ত্যাগ কৰি লয়প্ৰাপ্ত হয়।

(৩৫) যিসকল দেহধাৰী ইহকালত ৰাজা নামেৰে পৰিচিত, মৰণৰ পিছত তেওঁলোক কৃষি, বিষ্ঠা আৰু ভস্মত পৰিণত হয়। এনেকুৱা শৰীৰৰ পোষণৰ কাৰণে যি প্ৰাণী হিংসা কৰে সি তেওঁৰ স্বাৰ্থৰ কথা নাজানে। প্ৰাণীদ্ৰোহৰ পৰা নৰক ভোগ হয়।

(৩৬) তেনেকুৱা স্বাৰ্থপৰ ব্যক্তিয়ে ইয়াকো চিন্তা কৰে যে আমাৰ পূৰ্ব পুৰুষসকলৰ দ্বাৰা পালিত আৰু বৰ্তমান আমাৰ শাসিত এই অখণ্ড পৃথিৱী আমাৰ অভাৱত মোৰ পুত্ৰ পৌত্ৰ অথবা জ্ঞাতিসকলে কেনেকৈ লাভ কৰিব পাৰে

(৩৭) অবিবেকী নৃপতিসকলে মায়াত পৰি তেজ, জল আৰু অন্নময় ক্ষণভংগুৰ দেহ আৰু পৃথিৱী মণ্ডল নিজৰে বুলি ভাবি থাকে। কিন্তু আয় শেষ হ'লে দেহ আৰু পৃথিৱী সকলোকে এৰি মৃত্যু প্ৰাপ্ত হয়।

(৩৮) যিসকল ৰজাই নিজৰ তেজৰ বলত পৃথিৱী ভোগ কৰি আছে কালক্ৰমত তেওঁলোক সকলোজনৰে কথা মাত্ৰহে থাকে, আন একোৰে চিন মোকাম নাথাকে।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ :

শুক নিগদতি নৃপতি শুনিয়ো
কৃষ্ণৰ চাৰু চৰিত্ৰ।
আত পৰে গতি নাহি নাহি নাহি
জানিবা আৰে কলিত।।
কলিৰ চেষ্টাত নষ্ট ভৈল লোক
দেখিয়া গৰুড়কেতু।
কলিৰ অন্তত হৈব অৱতাৰ
ধৰ্ম্মক ৰক্ষাৰ হেতু।।
চৰাচৰ গুৰু ঈশ্বৰ বিষ্ণুৰ
জন্মৰ শুনা কাৰণ।
সাধু সমস্তৰে ধৰ্ম্ম ৰক্ষা হৈব
নশিৰ দুষ্ট দুৰ্জ্জন।।
ভকতসকলে এহি জন্ম কৰ্ম্ম
শুনিবে গাইৰে মুখে।
সংসাৰ তাপক এতেকে নিস্তাৰি
পাইবে মোক্ষ মহাসুখে।।
পৃথিৱী মণ্ডলে হুইবেক পৰম
প্ৰসিদ্ধ শম্ভল গ্ৰাম।
সেহি গ্ৰামেশ্বৰ হৈব দ্বিজবৰ
যাৰ বিষ্ণু যশা নাম।।
বেদত শাস্ত্ৰত সমস্তে পাৰ্গত
নেৰিলে নীতি আচাৰ।
পৰম ভকত তাহানে গৃহত
হৈবা কল্কি অৱতাৰ।।
ঐশ্বৰ্য্যে যুগুত সৰ্ব্ব গুণান্বিত
ৰূপে আতি অনুপাম।
মহা বেগৱন্ত ঘোৰাত চড়িয়া
যাৰ দেৱদত্ত নাম।।
আতি তীক্ষ্ণতৰ খাণ্ডা কৰে ধৰি
কৰি মহা আৰস্ফাটি।
ঘোটকত উঠি বেগে দিয়া ছুটি
কৰিবা তুমি পৰ্যাটি।।

কৰি কৰ্ম্ম ঘোৰ যত খট চোৰ
লোকত ৰাজা বোলাৱে।
কোটি অসংখ্যাত কাটিবন্ত তাক
তীখাল খাণ্ডাৰ ঘাৱে।।
মহা ম্লেচ্ছ সৱে ৰাজা বোলইবেক
ধৰাই শ্বেত ছত্ৰ দণ্ড।
নিঃসন্ততি কৰি কোপে কল্কি হৰি
কৰিবন্ত খণ্ড খণ্ড।।
যত দুষ্ট ৰণ্ড যতেক পাষণ্ড
লোকক কৰৈ কুধণ্ড।
বিচাৰি বিচাৰি কাটিবা মুৰাৰি
নথৈবা তাহাৰ সণ্ড।।
শিষ্টক আশ্বাসি দুষ্টক বিনাশি
খণ্ডিবা প্ৰজাৰ দুখ।
পৰম নিৰ্ভয় ভকতক দিয়া
স্নেহত হৈবা বিমুখ।
যত খট চোৰ যত ৰাজা ঘোৰ
যেৱে সৱে ভৈল নাশ।
কল্কি শৰীৰৰ চন্দন সুগন্ধি
বহিবে পুণ্য বতাস।।
তাহাৰ পৰশ পায়া প্ৰজাসৱ
হৈবেক নিৰ্ম্মল মন।
বাসুদেৱ মূৰ্তি হুইবে হৃদি স্থিতি
চিন্তিবে আনে চৰণ।।
আউৰ অধৰ্ম্মক মনতো নলবৈ
কৰিবে পুণ্য সদায়।
তাত হন্তে যত উপজিবে প্ৰজা
সৱে হুইব স্থূল কায়।।
বল বীৰ্য্য যত অনেক উচ্ছ্ৰিত
পৰম পুণ্য শৰীৰ।
এহিমতে হৰি পাষণ্ড সংহাৰি
কৰিবা পৃথিৱী থিৰ।।

যেখনে হুইবন্ত কল্কী অৱতাৰ
আপুনি আসি ঈশ্বৰ।
তেখনৰে পৰা হুইব সত্য যুগ
কলিক কৰি অন্তৰ।।
শুদ্ধ সত্ত্ব গুণে হৈবে প্ৰজা যত
নিৰ্ম্মল মন শৰীৰ।
কাম ক্ৰোধ লোভ সৱে দূৰ হৈব
যতেক গুণ কলিৰ।।
চন্দ্ৰ সূৰ্য্য পুষ্য বৃহস্পতি যেৱে
প্ৰৱেশিল একে ৰাশি।
কলিক খেদায়া তেৱে সত্য যুগে
জানিবা মিলিল আসি।।
ভূত ভৱিষ্যত যত বৰ্ত্তমান
ৰাজাৰ বংশ চৰিত।
তোমাৰ আগত সমস্তে বৰ্ণাইলো
শুনিলাহা পৰীক্ষিত।।
যাৱে পাদপদ্ম পৃথিৱী পৰশি
আছিলা জগত পতি।
তাৱে পৃথিৱীক পীড়া কৰিবাক
নভৈলা কাৰো শকতি।।
যেতিক্ষণে কৃষ্ণে বৈকুণ্ঠক গৈলা
সংহৰি বংশ নিশেষ।
সেহিক্ষণে বলে কলি নিকৰুণে
ভূমিত ভৈলা প্ৰৱেশ।।
কৃষ্ণক বৈকুণ্ঠে যাইবাক শুনিয়া
কৰে কলি কুলি মালি।
অধৰ্ম্মে সহিতে সৱে ৰাজ্য লৈলা
ধৰ্ম্মক দেশ নিকালি।।
যতেক ৰাজ্যৰ কৈলো বংশাৱলী
জনেকো ভূমিত নাই।
সতি সন্ততিয়ো সহিতে সবাকো
কালে কৰিলেক ছাই।।

শান্তনুৰ ভাই নামত দেৱাপি
সূৰ্য বংশী মৰু নাম।
যোগ বলে সিয়ো আজিও আছন্ত
প্ৰৱেশি কলাপগ্ৰাম।।
সত্য যুগ ভৈলে দুয়ো আসিবন্ত
কল্কীৰ পায়া আদেশ।
চন্দ্ৰ সূৰ্য্য বংশ দুনাই প্ৰবৰ্ত্তাই
কৰাইবা ধৰ্ম্ম নিশেষ।।
যতেক কহিলো মহা মহা ৰাজা
কৰিবে ছিদ্ৰ ধৰাই।
ভূমিত মমত কৰি ভৈলা হত
সতি সন্ততিয়ো নাই।।
যিটো শৰীৰক ৰাজা বোলাই ইটো
হুইবে বিষ্ঠা পলু ছাই।
তাহাৰে নিমিত্তে প্ৰাণী দ্ৰোহ কৰি
মৰি নৰকক যাই।।
উপৰি পুৰুষে যি ৰাজ্য ভুঞ্জিলে
ময়ো ভুঞ্জো আৰে তাক।
মোৰ পুত্ৰ নাতি কিমতে ভুঞ্জিবে
দিনে ৰাতি চিন্তে আক।।
মল মূত্ৰময় শৰীৰ লভিয়া
মোৰ মোৰ বুলি মৰে।
যত পৰিবাৰ শৰীৰ সৰ্ব্বস্ব
তিলেকে অন্তকে হৰে।।
কৰিয়া মমত সমস্তে নৃপতি
দেখা তেজি গৈল মহী।
ক্ষণেকতে কালে উৰুৱাইল ঐৰ
কথা মাত্ৰ আছে ৰহি।।
হেন চাৰ ইটো জীৱনক লাগি
এৰেঁ বন্ধু লক্ষ্মীপতি।
অমৃতক তেজি মৰে বিষ ভুঞ্জি
কিনো মহা মূঢ়মতি।। ইত্যাদি।

তৃতীয় অধ্যায়ৰ শ্লোক সংখ্যা বাৱন্ন। ইয়াৰে এক সংখ্যাৰ পৰা চৈধ্য সংখ্যাৰ শ্লোকলৈকে থকা বৰ্ণনাসমূহ ভূমি গীতা নামেৰে প্ৰসিদ্ধ (শ্ৰীধৰ টীকা (১২/৩/১)। গুৰুজনে বাইশটি পদত প্ৰকাশ কৰিছে আৰু ইয়াক দুঠাইত (১) ভূমি গীতা আৰু (২) ধৰণী গীতা বুলি উল্লেখ কৰিছে। মূলতঃ ইয়াৰ কোনো নাম উল্লেখ কৰা হোৱা নাই। শ্ৰীধৰ স্বামীয়েহে ইয়াৰ নামকৰণ কৰিছে।

উক্ত ভূমি গীতা বা ধৰণী গীতাৰ চৈধ্যটি শ্লোকৰ অসমীয়া ৰূপ তলত প্ৰকাশ কৰা হ'ল।

(১) শুকদেৱে ক'লে— পৃথিৱী জয় কৰাত ব্যস্ত ৰজাসকলক দেখি পৃথিৱীয়ে হাস্য কৰি থাকি কয় যে অহো যমৰ ক্ৰীড়া পুতলা তুল্য ৰজাসকলে আমাক জয় কৰিবলৈ অভিলাষ কৰে। এয়া অতি বিস্ময়ৰ বিষয়।

(২) জলৰ ফেনৰ নিচিনা ক্ষণস্থায়ী দেহত যিসকল ৰজাই বিশ্বাস কৰে। সেই সকল ৰজাৰ আৰু আনকি পণ্ডিতসকলৰো আমাক জয় কৰাৰ আশা ব্যৰ্থ।

(৩, ৪) প্ৰথমতে ইন্দ্ৰিয়সমূহ জয় কৰি শক্তি সঞ্চয়ৰ দ্বাৰা ৰাজমন্ত্ৰীসকলক বশীভূত কৰিম, তাৰ পিছত অমাত্য, পুৰবাসী, বন্ধু আৰু হস্তীপালকসকলক জয় কৰি তাৰ পিছত বিপক্ষসকলক পৰাভূত কৰিম— এনে ৰূপে সসাগৰা পৃথিৱী জয় কৰিম— এনেকুৱা আশাত আৱদ্ধ হৃদয় ৰজাসকলে ওচৰতে থকা যমদূতক নেদেখে।

(৫) কোনো কোনো ৰজাই সাগৰেৰে আবৃতা মোক নিজ শক্তি বলে জয় কৰি অতি কামনা বশবৰ্ত্তী হৈ ৰত্ন আহৰণৰ কাৰণে সাগৰৰ জলত প্ৰৱেশ কৰি থাকে। এয়া কেনেকুৱা ইন্দ্ৰিয় জয় বাৰু? একমাত্ৰ মুক্তিয়েই হ'ল আত্মজয়ৰ ফল।

(৬) হে কুৰুবৰ! মনুষ্যসকলে আৰু তেওঁলোকৰ পুত্ৰ পৰম্পৰাৰ ব্যক্তিসকলে যুদ্ধ জয়ৰ আশা পৰিহাৰ কৰি মোক ত্যাগ কৰি নিজ নিজ জ্ঞানানুসৰি বিৰক্ত হৈ বনলৈ গৈছে। অথচ সেই অবোধ ৰজাসকলে মোক জয় কৰিবলৈ অভিলাষ কৰি আছে।

(৭, ৮) মোৰ ওপৰতে ভোগ কৰিম বুলি ভাবি মায়াবদ্ধ অসৎ লোকসকলে পিতা-পুত্ৰ, ককাই-ভাইৰ সৈতে যুদ্ধ কৰে। 'এই সমস্ত পৃথিৱী মোৰ তোৰ নহয়' ইত্যাদি কক্ষৰে পৰস্পৰে স্পৰ্দ্ধা কৰে। এনেভাৱে পৰস্পৰে প্ৰহাৰ কৰিবলৈ উদ্যত হয় আৰু পঞ্চত্ব প্ৰাপ্ত হয়।

(৯—১৩)— পৃথু, পুৰূৰৱা, গাধি, নহুষ, ভৰত, কাৰ্ত্তবীৰ্য্যাৰ্জুন, মান্ধাতা, সগৰ, ৰাম, খট্বাঙ্গ, ধুন্ধুমাৰ, ৰঘু, তৃণবিন্দু, যযাতি, শৰ্য্যাতি, শন্তনু, গয়, ভগীৰথ, কুবলয়াশ্ব, কাকুৎস্থ, নৈষধ, নৃগ, হিৰণ্যক আৰু ইয়াৰ বাহিৰেও যিসকল দৈত্য আৰু ক্ষত্ৰিয় ৰজাই মোৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিছে, তেওঁলোক সকলোৱেই বিজ্ঞ আৰু বীৰ। কিন্তু সকলোৱে সকলোকে জয় কৰিও পৰাজিত হৈ আছে। মৰ্ত্যধৰ্মী মানৱসকলে মোৰ ওপৰত বিশেষ আসক্তি কৰিলেও আমি এওঁলোকক নামমাত্ৰ কৰিহে ৰাখিছো।

(১৪) হে ৰাজন! তিনিও লোকত জ্ঞান আৰু বৈৰাগ্য বিকাশ কামনা কৰি পৰলোকগত মহৎ ৰজাসকলৰ কীৰ্ত্তি বিস্তাৰ কৰিবলৈ আমি যিবোৰ কথা ক'লোঁ, সেইবোৰ বাক্‌বিলাস মাত্ৰ। কিন্তু পাৰমাৰ্থিক কাৰ্যসাধক নহয়।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ —

শুক নিগদতি আৰে শুনিয়ো নৃপতি।
অহম্মমী ৰাজাসৱ যিমত দুৰ্ম্মতি।।
ধন জন গৰ্ব্বিত নমানে পিতা মাতা।
কহো আৰে নৃপতি শুনিয়ো ভূমি গীতা।।
মহা মদ গৰ্ব্বে ৰাজাসৱ অন্ধ আতি।
পৃথিৱীক জিনিবে যতন দিনে ৰাতি।।
তাহাৰ চেষ্টাক দেখি ভূমি কৰে হাস।
আমাক জিনন্তে হৈবে আপুনি বিনাশ।।
ধন জন বিভৱ তিলেকে কৰৈ ছন্ন।
আপোনাক নজানয় জীৱন মৰণ।।
নেদেখে দুৰ্ম্মতি মৃত্যু ফুৰে আগে আগে।
মাৰিবেক ধৰি হৰিণক যেন বাগে।।
কেন সম দেহ হোৱে ক্ষণেকে বিনাশ।
ইহাতে কৰিবে লোকে সুদৃঢ় বিশ্বাস।।
মোক জিনৈ শৰীৰৰ সুখক আশায়।
ব্যৰ্থ হোৱে আশা আপুনিয়ো নাশ যায়।।
ৰাত্ৰি দিনে চিন্তে ৰাজাসৱ দুৰাশয়।
কেনমতে সমস্তে পৃথিৱী মোৰ হয়।।
বিষয় লম্পট ভৈলে নপাৰে ৰাজ্যক।
প্ৰথমে জিনিবে ছয় ইন্দ্ৰিয়বৰ্গক।।
ৰাজা মন্ত্ৰীসৱক কৰিবে বশ্য পাছে।

আনোসৱ সেৱক অমাত্য যত আছে।।
গজ বাজি প্ৰজা বশ্য কৰি লক্ষে লক্ষ।
জিনিবে পাছত যত আছয় বিপক্ষ।।
মোতে খাটিবেক যত নৃপতি মহন্তে।
পাইবো পৃথিৱীক সবে সাগৰ পৰ্য্যন্তে।।
হেন আশা পাশে বদ্ধ কৰিলে হৃদয়।
কাছতো নেদেখে অন্তককো ৰাজাচয়।।
চিন্তিলেক মাত্ৰ নিসিজিল মনোৰথ।
আলোচন্তে কতো ৰাজা গৈল যম পথ।।
কৰিলেক যিটো সাতো দ্বীপ অধিকাৰ।
তথাপি নপাইল তৃষ্ণা সাগৰৰ পাৰ।।
ইন্দ্ৰিয়ক দমৈ মোক জনিবাক লাগি।
তাত পৰে নাই মণ্ড পৰম অভাগি।।
ইন্দ্ৰিয়ক দমি যদি ভজে ভগৱন্ত।
পাৱে মোক্ষ ফল আত সুখ অপৰ্য্যন্ত।।
অসংখ্যাত মনু মনু তনয় সমস্ত।
মোক এড়ি সহস্ৰে সহস্ৰে গৈল অস্ত।।
মোহোৰ নিমিত্তে সৱে প্ৰাণকো সুজাই।
যথা হন্তে আইল গৈল তথাতে দুনাই।
কেহো বোলৈ মোৰ ইটো পৃথিবী মণ্ডল।
নুহি তোৰ বোলে কতো নৃপতি নিস্থল।।
অন্যো অন্যে কৰৈ যুদ্ধ প্ৰজা জ্জয়ঙ্কাৰ।
মোক লাগি চিন্তে আপোনাৰ মহামাৰ।।
মোৰ পদে কৰৈ যুদ্ধ সুহৃদ সোদৰে।
ভাই ভাই কোপে কটা কটি কৰি মৰে।।
মোহোৰ নিমিত্তে পিতা পুত্ৰে যুজে আসি।
ইহাক দেখিতে মোৰ উঠে আতি হাসি।।
সপ্তদ্বীপা পৃথিৱী যুজিয়া বাহুবলে।
কৈক গৈলা মহাৰাজা সল সমদলে।।
মই বহি আছো সৱে মোতে ভৈল ছাই।
কালে সংহৰিলে সতি সন্ততিও নাই।।
পৃথু পুৰূৰৱা গাধি মান্ধাতা শয্যাতি।
খট্বাঙ্গ সগৰ গয় অৰ্জ্জুন যযাতি।।
তৃণ বিন্দু দিলীপ ধুন্ধুহা মহাৰথ।

শান্তনু নৈষধ নৃগ নহুষ কাকুথ।।
শত্ৰুজিত যুৱনাশ্ব অজ দশৰথ।
অম্বৰীষ ভৰত নাভাগ ভগীৰথ।।
মুচুকুন্দ যদু ৰঘু দাশৰথী ৰাম।
মোক তেজি গৈল নুপূৰিল মনকাম।
হিৰণ্যকশিপু বৃত্ৰ শম্বৰ নৰক।
ৰাৱণ নুমুচি শুম্ভ নিশুম্ভ তাড়ক।।
যাহাৰ আগত ইন্দ্ৰ পতঙ্গ পৰায়।
কালাৰ হাতত ধেকা সৱে ভৈল ছাই।।
আনোসৱ ৰাজা যত দৈত্য অপৰ্য্যান্ত।
সৱে মহাসুৰ মহাবলী বুদ্ধি মন্ত।।
কালৰ হাতত সৱে ভৈল চূৰ্ণীকৃত।
কেৱলেসে কথা মাত্ৰ আছে পৃথিবীত।।
অত্যন্ত মমত মোত আছিল সবাৰ।
জনেকো নপাইল তৃষ্ণা সাগৰৰ পাৰ।।
অন্তকালে সবাৰো মিলিল বিসঙ্গতি।
কৈক গৈলা এড়ি মোক সিসৱ নৃপতি।।
মোতে উপজিয়া সবে মোত ভৈল ছাই।
যেন জল বুদবুদ কিনো মোহে অন্ধমতি।
এহি বুলি সদায়ে গাৱন্ত বসুমতী।
শুক নিগদতি শুনা পৰীক্ষিত ৰায়।
যি কথা কহিলো তাৰ লৈয়ো অভিপ্ৰায়।।
মহাৰাজাসৱ যশ কৰিয়া প্ৰখাত্য।
গৈল পৰলোক তাক শুনিলা সাক্ষাত।।
ই কথা শুনিবে যাৰ আছে মহাভাগ।
মিলিবে মনত তাৰ পৰম বৈৰাগ।।
বিষয় অসাৰ আক জানিবেক চিতে।
কহিলো ধৰণী গীতা এহিসে নিমিত্তে।
ইসৱ কথাত যেৱে এড়া অভিলাষ।
নুহি পৰমাৰ্থ ইটো বচন বিনাশ।

পূৰ্বোক্ত পদসমূহত উল্লেখিত ৰজাসকলৰ নাম মূল ভাগৱতৰ লগত সামান্য পাৰ্থক্য আছে। ভাগৱতৰ শ্লোকত থকা (১২/৩/৯-১৩) ত্ৰিশ সংখ্যক নামৰ বিপৰীতে গুৰুজনে উনচল্লিশজন ৰজাৰ নাম প্ৰকাশ কৰিছে (পদ নং

৮৩-৮৫) আৰু কেইটিমান নতুন নাম সংযোজন কৰিছে। যেনে (১) মান্ধাতা, গয়, শত্ৰুজিত, যুৱনাশ্ব, অজ, দশৰথ, অম্বৰীষ, নাভাগ, মুচুকুন্দ, যদু, শুম্ভ, নিশুম্ভ, দিলীপ আৰু ইয়াত কুবলয়াশ্ব আৰু হিৰণ্যাক্ষৰ নাম বাদ পৰিছে। তদুপৰি মূলত থকা 'ৰামঃ' এই নামটিৰ বিপৰীতে শ্ৰীধৰ স্বামীয়ে টীকাত লিখিছে "ৰামো নামঃ কশ্চিদ্ৰাজা, যদ্বা লোক দৃষ্ট্যা দাশৰথিৰেৱ নিৰ্দিষ্টঃ"। অৰ্থাৎ 'ৰাম' নামৰ কোনো এগৰাকী ৰজা, কিন্তু লোক দৃষ্টিত দাশৰথি ৰামকে বুজাইছে। কিন্তু গুৰুজনে "দাশৰথী ৰাম" বুলি শ্ৰীৰাম চন্দ্ৰকে নিৰ্দিষ্ট কৰি দেখুৱাইছে। এতিয়া আমি মূল বিষয়লৈ আহিছোঁ।

(১৫) অমঙ্গল অপহাৰী ভগৱানৰ গুণানুবাদ সম্পূৰ্ণৰূপে বৰ্ণনা কৰা হৈছে। কৃষ্ণ ভক্তি লাভানুৰাগী ব্যক্তিয়ে সদায় সেই কৃষ্ণগুণানুবাদ শ্ৰৱণ কৰিব।

(১৬, ১৭) পৰীক্ষিতে ক'লে— হে মুনিৰাজ! কলিযুগত সঞ্চিত পাপ কলি যুগৰ নৰ সমাজে কি উপায়েৰে নাশ কৰিব, সেই উপায় আমাৰ ওচৰত ব্যক্ত কৰক আৰু যুগ তথা যুগ ধৰ্ম কেনেকুৱা, সংহাৰ আৰু স্থিতি কালৰ পৰিমাণ কি, কালৰূপী জীৱাত্মা পৰমেশ্বৰ বিষ্ণুৰ গতি এই খিনিও কওক।

(১৮, ১৯) শুকদেৱে ক'লে— হে নৃপতি! সত্যযুগত লোকসকলৰ ব্যৱহৃত ধৰ্মৰ চতুষ্পাদ আছিল। সত্য,দয়া, তপস্যা আৰু দান এই চাৰিটি ধৰ্মৰ পদ। সত্যযুগৰ লোকসকল দয়াবান, জগন্মিত্ৰ, শান্ত, দান্ত, সহিষ্ণু, আত্মাৰাম, সমদৰ্শী আৰু আত্মদৰ্শনশীল।

(২০) ত্ৰেতা যুগত মিথ্যাৰ দ্বাৰা সত্য, হিংসাৰ দ্বাৰা দয়া, অসন্তোষৰ দ্বাৰা তপস্যা, আৰু যুদ্ধৰ দ্বাৰা দ্বন্দ্ব— ধৰ্মৰ সত্যাদি চতুষ্পাদৰ এনেদৰে চাৰিভাগৰ এভাগ কৰি ধীৰে ধীৰে হ্ৰাস পাব।

(২১) ত্ৰেতাৰ লোকসকল ক্ৰিয়া আৰু তপোনিষ্ঠ, প্ৰায় অহিংস, নাৰীত আসক্তিশূন্য, ধৰ্ম, অৰ্থ আৰু কাম এই ত্ৰিবৰ্গৰ সাধক, বেদবিদ্যাত পৰিপক্ক। সমস্ত জাতিৰ মাজত ব্ৰাহ্মণেই অধিক।

(২২) দ্বাপৰত হিংসা, অসন্তোষ মিথ্যা, দ্বেষ্য, অধৰ্ম লক্ষণৰ দ্বাৰা তপস্যা সত্য, দয়া, দান বহুলতা ধৰ্মৰ অৰ্দ্ধক্ষয় হ'ব।

(২৩) দ্বাপৰ যুগৰ লোকসকল প্ৰশংসাপ্ৰিয়, উচ্চস্বভাৱ, বেদাধ্যায়ণৰত, ধনী, বহু বন্ধু বান্ধৱসম্পন্ন, হৃষ্টপুষ্ট আৰু জাতিগত ভাবে ক্ষত্ৰিয় বৈশ্য বহুল হ'ব।

(২৪) কলিযুগত অধৰ্ম বৃদ্ধিপ্ৰাপ্ত হোৱা হেতুকে পৰস্পৰ ক্ষীয়মাণ যি চতুৰ্থভাগ অৱশিষ্ট থাকিব, সিয়ো শেষ সময়ত একেবাৰে বিনষ্ট হ'ব।

(২৫) কলিৰ শেষত শূদ্ৰ আৰু কৈবৰ্তৰ প্ৰাধান্য স্থাপন হ'ব আৰু লোকসকল লুভীয়া নিৰ্দয়, অনাৱশ্যক কাজিয়াত ব্যস্ত, দুৰ্ভগীয়া, আৰু অত্যন্ত কামানুকুল হ'ব।

(২৬) যি সময়ত মন, বুদ্ধি আৰু ইন্দ্ৰিয়সমূহ সত্ত্বগুণত প্ৰতিষ্ঠিত হয় আৰু যেতিয়া জ্ঞান আৰু তপস্যাত ভালকৈ ৰুচিবোধ জন্মে, তেতিয়াই সত্যযুগ বুলি অৱগত হ'ব।

(২৭) হে জ্ঞানী পৰীক্ষিত! যিসময়ত প্ৰাণীসকলৰ কাম্য কৰ্ম আৰু যশ লাভৰ কাৰণে আসক্তি হয়, তেতিয়া ৰজঃ প্ৰধান ক্ৰেতা যুগ বুলি জানিব।

(২৮) যেতিয়া লোকসকলৰ লোভ, অসন্তোষ মান, দম্ভ, আৰু মাৎসৰ্য্য যুক্ত হ'ব তথা কাম্য কৰ্মত প্ৰতিমান হ'ব, তেতিয়াই ৰজতমো প্ৰধান দ্বাপৰ যুগ বুলি জানিব।

(২৯) যিসময়ত লোকসকল মায়া, মিথ্যা, তন্দ্ৰা, নিদ্ৰাহিংসা, দুখ, শোক, মোহ, ভয় আৰু দৰিদ্ৰ পৰায়ণ হ'ব তেতিয়াই তমোময় কলিকাল বুলি জানিব।

(৩০, ৩২) কলিৰ প্ৰভাৱত মানৱ সমাজ ক্ষুদ্ৰ দৃষ্টি, অল্প ভাগ্য, বহু আহাৰী, ধনহীন অথচ কাম পৰায়ণ, অসতী নাৰী, দেশত বহু দস্যু সমকীৰ্ণ, পাষণ্ডসকলৰ দ্বাৰা বেদৰ কুব্যাখ্যাত দূষিত, ৰজাসকল প্ৰজা পীড়ক, দ্বিজসকল কামলম্পট আৰু উদৰপূৰক, ব্ৰাহ্মণ-বালকসকল উপনয়ন আৰু শৌচহীন, গৃহস্থসকল ভিক্ষাজীৱী অথচ নিজে ভিক্ষা দানত বিমুখ, তপস্বীসকল বনবাসৰ পৰিবৰ্তে নগৰবাসী আৰু ত্যাগী সন্ন্যাসীসকল অতিশয় ধন লালায়িত হ'ব।

(৩৩) কলি যুগৰ নাৰীসকল ক্ষুদ্ৰকায়, বহু ভোজন পৰায়ণা, বহু সন্তান দাত্ৰী, নিৰ্লজ্জা, সদা কটুভাষিণী আৰু চোৰ, কপটতাপূৰ্ণ অত্যন্ত সাহসিকা হ'ব।

(৩৪) ধনাভাববশতঃ কূট ব্যৱসায়ী বঞ্চক বণিকসকলে ছল-কপটেৰে ক্ৰয়-বিক্ৰয়াদি ব্যৱসায় চলাব। প্ৰকৃত আপদকালতো নিৰাপদ বুলি আখ্যায়িত কৰি নিন্দিত ব্যৱসায়ক উত্তম কাৰ্য বুলি মানি ল'ব।

(৩৫) নাৰীসকলে ধনহীন স্বামীক ভৃত্যসকলে সৰ্বগুণসম্পন্ন পালকক পালকসকলে ৰোগাদি বিপন্ন পুৰণা ভৃত্যক ত্যাগ কৰিব। গোধনগৰাকীসকলে দুগ্ধহীন গোসকলক ত্যাগ কৰিব।

(৩৬) কলিকালত সুৰত সম্বন্ধৰ ওপৰত সুহৃদ ভাব প্ৰতিষ্ঠিত হ'ব। মানৱসকল কেৱল কামাসক্ত আৰু দৰিদ্ৰ হ'ব। পিতা-মাতা, ভ্ৰাতা, সুহৃদ আৰু জ্ঞাতিসকলক পৰিত্যাগ কৰি ভাৰ্যাৰ ভগিনী আৰু খুলশালিৰ লগত সাংসাৰিক বিষয়ে পৰামৰ্শ কৰিব।

(৩৭) শূদ্ৰসকলে জীৱিকাৰ্জ্জন অভিলাষেৰে তপস্বী বেশ ধাৰণ কৰি ভিক্ষা কৰিব। ধৰ্মজ্ঞানহীনসকলে ধৰ্ম বক্তাৰ আসনত বহি ধৰ্ম ব্যাখ্যা কৰিব।

(৩৮) হে ৰাজন! পৃথিৱীত অন্নাভাব হ'লে দুৰ্ভিক্ষ হ'ব। অনাবৃষ্টিৰ ভয়ত কাতৰ প্ৰজাসকলে কৰ দিবলৈ অপাৰগ হৈ উদ্বিগ্নচিত্তে কাল যাপন কৰিব।

(৩৯) কলিকালৰ প্ৰজাসকল বসন, জল, শয্যা, স্ত্ৰীসহবাস, স্নান আৰু ভূষণহীন হৈ পিশাচৰ দৰে কদাকাৰে পৰিপুষ্ট হ'ব।

(৪০) কলিকালৰ লোকসকলে কুৰি কড়া মাত্ৰ কড়িৰ কাৰণে কাজিয়া কৰি সুহৃদ ভাব ত্যাগ কৰি নিজৰ প্ৰাণ বিসৰ্জন দিব আৰু নিজ নিজ প্ৰাণ নষ্ট কৰি আত্মঘাতী হ'ব।

(৪১) শিশ্নোদৰ পৰায়ণ ক্ষুদ্ৰ হৃদয় মানৱসকলে বৃদ্ধ পিতা, মাতা, পুত্ৰ আৰু সৎকুলজাত ভাৰ্যাৰ ভৰণ-পোষণ নকৰিব ইত্যাদি।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ—

যাহাক শুনিলে হোৱে কৃষ্ণত ভকতি।
কহো পৰমাৰ্থ কথা শুনিয়ো নৃপতি।।
একান্ত ভকত সৱে অতি প্ৰীতিভাৱে।
উত্তম শ্লোকৰ গুণ যশ সদা গাৱে।।
তাসম্বাৰ সমীপত থাকি থিৰ চিত্তে।
ভৰিত কৰ্ণক কৃষ্ণ চৰিত্ৰ অমৃতে।।
প্ৰতি নিতে সততে শুনিয়া কৃষ্ণ যশ।
উপজিবে তেবেসে কৃষ্ণত প্ৰেম ৰস।।
পৰম নিৰ্মল হোৱৈ কৃষ্ণত ভকতি।
কৈলো পৰমাৰ্থ তত্ত্ব তোমাত নৃপতি।
যাহাৰ কৃষ্ণত ভৈল ভকতি অচল।
তাহাৰেসে গুচিল মনৰ মহামল।।
হৃদয়ে দেখিবে সিটো ঈশ্বৰ মূৰ্তিক।
পাইবেক প্ৰসাদ মহা মোক্ষতো অধিক।।
কথাৰ বুজিলা ৰাজা যেন অভিপ্ৰায়।
নাহিকে পৰম গতি ভকতি বিনায়।।
পুছন্ত শুকত পুনু নৃপে মনে গুণি।
ছেদিয়ো সংশয় চয় মোৰ মহামুনি।।
কলিত লোকৰ ধৰ্ম্ম নাহিকে আচাৰ।
নিতে নিতে বাঢ়ে পাপ পৰ্ব্বত আকাৰ।।
কলিত পাতকে লোক হৈবে জৰ্জ্জৰিত।

নুপজিবে পাতকীৰ ভকতি কিঞ্চিত।।
দোষৰ সাগৰ কলি পৰম দুৰ্জ্জন।
পাপ নকৰন্তা আত নাহি একোজন।।
পাপ নষ্ট নভৈলে কৃষ্ণক নযায় মতি।
কিমতে তৰিবে লোকে কলিত দুৰ্গতি।।
কলিৰ চেষ্টাক শুনি থিৰ নুহি কায়।
কহিয়ো ইহাৰ গুৰু তৰণ উপায়।
কোনবা পৰম ধৰ্ম্ম অধৰ্ম্ম কলিত।
কহিয়োক গুৰু মোৰ থিৰ হোক চিত্ত।।
কাল ৰূপে ঈশ্বৰৰ গতি কেনে থান।
আতি প্ৰলয়ৰ কহিয়োক কেনমান।।
কোন যুগ ধৰ্ম্ম ইটো চৰিয়ো যুগৰ।
কহিয়ো গুচোক মোৰ সংশয় মনৰ।।
অন্তকালে গুৰু ভৈলা তুমি মহাভাগ।
কত পুণ্য কৰি সুধিবাক পাইলো লাগ।।
দিয়া পৰিচ্ছেদ মোক কৃপা দৃষ্টি চাই।
তোমাৰ আমাৰ কথা এহিমানে যাই।।
শুনিয়া সিদ্ধান্ত দেন্ত ব্যাসৰ নন্দন।
শুনিয়ো নৃপতি যুগ ধৰ্ম্মৰ লক্ষণ।।
সত্যত আছিলা ধৰ্ম্ম হৃষ্ট ভাবে।
তপ সত্য দয়া দান থাকে চাৰি পাৱে।।
সিকালৰ লোকমানে সৱে সকৰুণ।
শান্তি তুষ্টি ক্ষমা মৈত্ৰী আছে সৱে গুণ।।
সবেয়ো কৰিলে মন ইন্দ্ৰিয় নিৰোধ।
আত্মাতেসে ৰতি সমস্ততে সমবোধ।।
সবাহাতো আছিলা ঈশ্বৰ মহাজ্ঞান।
হৰি ভকতিত পৰে নজানিলা আন।।
থিৰ বুদ্ধি কৰে সৱে হৰিকেসে ধ্যান।
এতেকে চাৰিয়ো জাতি উত্তম সমান।।
ত্ৰেতাত পাইলেক আসি কিঞ্চিত প্ৰমাদ।
ভাঙ্গিলেক অধৰ্ম্মে ধৰ্ম্মৰ একপাদ।।
সিকালৰ লোক মানে সৱে জ্ঞাননিষ্ঠ।
নোহে আতি লম্পট নুহিকৈ আতি শিষ্ট।।
ব্ৰাহ্মণে ধৰিবে মাত্ৰ ভকতিক আতি।

নপাৰিলে ৰাখিবে অপৰ তিনি জাতি।।
স্বৰ্গক বাঞ্ছায়ে কৰৈ যাগ যজ্ঞ দান।
এতেকে ত্ৰেতাত ভৈলা বিপ্ৰেসে প্ৰধান।।
দ্বাপৰ যুগৰ লোক হৈবে জ্ঞান ভ্ৰষ্ট।
দুই পাদ ধৰ্ম্মৰ অধৰ্ম্মে কৰে নষ্ট।।
সিকালৰ লোকৰ যশত হৈবে প্ৰীতি।
পঢ়য় পঢ়াৱে হৃষ্ট ভাবে প্ৰতিনিত।।
সবেয়ো শ্ৰীমন্ত আত কুটুম্ব বিস্তৰ।
ধন জন গৃহ বিষয়ত ততপৰ।।
ৰাত্ৰি দিনে সকাম কৰ্ম্মত আসকতি।
ব্ৰাহ্মণ ক্ষত্ৰিয় মাত্ৰ ধৰিবে ভকতি।।
এতেকেসে দ্বাপৰত আছলা সমান।
ব্ৰাহ্মণ ক্ষত্ৰিয়ো দুয়ো উত্তম প্ৰধান।।
কলিত অধৰ্ম্ম হুইবে হৃষ্ট পুষ্ট ভাব।
ধৰ্ম্মৰ ভাঙ্গিবে ইটো দুষ্টে তিনি পাৱ।।
চতুৰ্থ চৰণো পাছে কৰিবেক নষ্ট।
কলিত যতেক লোক ভৈল ধৰ্ম্ম ভ্ৰষ্ট।।
মিলিবে পৰম লোভ হুইবে অনাচাৰ।।
দাৰুণ নিৰ্দয় যেন ৰাক্ষস আকাৰ।।
খাইবাক পাৰয় তৃষ্ণা বাঢ়ি যাইব আতি।
অকাৰ্য্যে কৰিব বৈৰ কলহত প্ৰীতি।।
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য ইটো তিনি জাতি।
নুশুনিবে হৰি ভকতিক কাণ পাতি।।
শূদ্ৰ সব অনেক কৈবৰ্ত্ত আদি কৰি।
অন্ত্যজ পৰ্যন্ত ভজিবেক মহাহৰি।।
অপ্ৰয়াসে লভিব ঈশ্বৰ মহাজ্ঞান।
এতেকে কলিত শূদ্ৰ কৈবৰ্ত্ত প্ৰধান।।
যেখনে সাত্বিক হয় বুদ্ধি মলমতি।
জ্ঞানত তপত আতিশয় হয় ৰতি।
দূৰ হয় কাম ক্ৰোধ লোভ মোহ চয়।
তেখনে জানিবা ভৈল সত্যৰ উদয়।।
যেখন লোকৰ যশস্যাত প্ৰীতি বাঢ়ে।
সকাম কৰ্ম্মক আতি মনুষ্যে নাচৰে।।
ৰজো গুণ বৃত্তি হাস্য হৰিষ মিলয়।

তেখনে জানিবা ভৈলা ত্ৰেতাৰ উদয়।।
যেতিক্ষণে মিলে লোভ দম্ভ অহং মান।
দ্বেষ্য অসন্তোষ ৰোগ মোহ অপমান।।
কৰে কাৰ্য্য কৰ্ম্ম ৰজো তম বৃত্তিচয়।
তেখনে জানিবা ভৈলা দ্বাপৰ উদয়।।
কপট কুনীতি নিদ্ৰা হিংসা শোক ভয়।
দীন দুখ বিষাদ তামস বৃত্তিচয়।
পাপৰ পথক লাগি মন যায় টলি।
তেখনে জানিবা আসি পাইলে পাপী কলি।।
কহো কলি যুগ দুনাই শুনিয়ো নৃপতি।
নকৰিবে দুষ্ট কলি কোননো সঙ্গতি।।
হুইবে মলমতি একো নাচৰিবে পুণ্য।
পাৰিবে বিস্তৰ খাইবে কিন্তু ভাগ্য শূন্য।।
আতি দীন দুখী বিত্ত নুহিবে প্ৰচুৰ।
তথাপি পাতকী লোক হুইবে কামাতুৰ।।
বেশ্যা সম হুইবে নাৰী সমস্তে অসতী।
পৰ পুৰুষক যাইবে তেজি নিজ পতি।।
হুইবেক প্ৰচুৰ চোৰ ডকাইত কলিত।
পাষণ্ডে কৰিবে বেদ পথক দূষিত।।
পাষণ্ডৰ মুখত শিখিবে ধৰ্ম্ম জ্ঞান।
কলিত কৰিব পাষণ্ডক বহুমান।।
আন একো জীৱিকাক ৰাজায়ে নজানে।
প্ৰজাকেসে খাব চিণ্ডি ধনৰ নিদানে।।
এড়িবেক দ্বিজে জাতি ধৰ্ম্ম নিৰন্তৰ।
স্ত্ৰী ধন দুইত মাত্ৰ হুইবে ততপৰ।।
ছলে ভিক্ষা মাগি ভ্ৰমিবেক দেশে দেশ।।
বনস্থ তপস্বী সৱ হুইব গ্ৰামবাসী।
মহাধন লোভী হৈবে যতেক সন্ন্যাসী।।
নাৰীৰ স্বভাৱ কহো শুনা পৰীক্ষিত।
কলিত বহুত হৈবে বেশ্যাৰ চৰিত্ৰ।।
লাজ কাজ এড়িয়া স্বভাৱে মহাক্ৰূৰ।
হৈবে ছোট কায়া খাইবে পাৰিবে প্ৰচুৰ।।
সততে কটুৰ বাক্য বুলিবে অসত্য।
কপট নেৰিব হৈবে অনেক অপত্য।।

পৰম নিৰ্ভয় ভাব পুৰুষতোধিক।
নাহিকে নাৰীত পৰে মহা সাহসিক।।
মিছা মাতি সাউদে কৰিবে কিনা বিকা।
জীৱে সম্পদতো কৰি নিন্দিত জীৱিকা।।
উত্তম নায়ক যদি হোৱে ক্ষীণ বিত্ত।
এড়িবেক তাক পুৰাতন যত ভৃত্য।।
যদি ৰোগী ভৈল ভৃত্য অনেক পুৰুষী।
দেখি স্বামী সৱে তাক এড়িবে নুপুষি।।
ধেনুক তেজিবে যেৱে ভৈলে দুগ্ধ হীন।
কলিত হৈবেক লোক স্ত্ৰী পৰাধীন।।
পিতৃ মাত্ৰ জ্ঞাতি যত তেজিবে সোদৰ।
ভাৰ্য্যাৰ কুটুম্ব হৈব সুহৃদ লোকৰ।।
শূদ্ৰসৱে ধৰিবেক তপস্বীৰ বেশ।
ছদ্ম নাম লৈয়া ভ্ৰমিবেক গ্ৰাম দেশ।।
মূৰ্খৰ উন্নতি হৈবে ফুৰিবে উল্লাসি।
ধৰ্ম্ম বখানিবে উচ্চ আসনত বসি।।
পৰিবে দুৰ্ভিক্ষে ভাতে মৰিবেক প্ৰজা।
কৰৰ নিমিত্তে তাত পীড়িবেক ৰাজা।।
ৰাজভৃত্যসকলে কৰিবে হুলস্থূল।
নুগুচিবে মনুষ্যৰ মনত আকুল।
নালাপিবে স্ত্ৰীক লোকে নকৰিবে স্নান।।
শুখাইব শৰীৰ একো নপাইবে আহাৰ।
হুইবেক কলিত লোক পিশাচ আকাৰ।।
সুহৃদ সোদৰ একো নবাছিবে চিত্তে।
কৰিবে কন্দল পাঞ্চ গণ্ডাৰ নিমিত্তে।।
সুহৃদক বান্ধিবেক ধনৰ নিদানে।
কন্দলতো মৰি যাইবে আপুনিয়ো প্ৰাণে।।
ভাৰ্য্যা পুত্ৰ পিতৃ-মাতৃ কতো নেদি চিত্ত।
আপুনি জীৱেক মাত্ৰ দুৰ্ঘোৰ কলিত।।
মিলিবে লোকত আনো অনেক বিপাক।
কতেক কইবো দুষ্ট কলিৰ চেষ্টাক।।
পৰম দাৰুণ কলি পাপৰ সাগৰ।
ইহাত মজিবে জ্ঞান হৰিবে লোকৰ।।
পাপে সমে কৰ্ম্ম কৰি অধকেসে যায়।

একে কৃষ্ণ বিনে নাই দ্বিতীয় উপায়।।
এহি বুলি মৌন ভৈলা শুক মহামুনি।
মনে বিমৰিষ ঋষি কৰন্ত আপুনি।
খেদ ভৈল ৰাজাৰো কলিৰ শুনি কথা।
লোকৰ হৈবেক আৱে হেনসে অৱস্থা। ইত্যাদি।

(৪২) হে ৰাজন! ত্ৰিলোক নাথ ব্ৰহ্মাদি দেৱতাসকলেও যাৰ পাদপদ্মত শিৰ নত কৰে, পাষণ্ডসকলৰ প্ৰৰোচনাত হৃতজ্ঞান কলিৰ লোকসকলে সেই জগতৰ শ্ৰেষ্ঠ গুৰু অচ্যুতক প্ৰজায়েই পূজা নকৰিব।

(৪৩) ম্ৰিয়মাণ অৱশ ৰোগীয়েও শয্যাত পতিত অৱস্থাত উচ্চাৰণত অসমৰ্থ হলেও হৰিনাম সামান্যভাৱে ভাবিও তেওঁ কৰ্মবন্ধ বিমুক্ত হৈ উত্তম গতি লাভ কৰিব পাৰে, সেইজনাৰ উপাসনা কালৰ লোকসকলে নকৰিব।

(৪৪) হৃদিস্থিত পুৰুষোত্তম ভগৱানে মানৱ সমজাৰ দ্ৰব্য, দেশ আৰু চিত্তজাত কলিকৃত সমস্ত দোষ আৰু পৰজন্মজাত সমস্ত পাপ হৰণ কৰে।

(৪৫) ভগৱানে শ্ৰৱণ, কীৰ্তন, ধ্যান, পূজা অথবা কেৱল ভক্তিৰ দ্বাৰা আদৃত হ'লে তেতিয়াই হৃদয়ৰ মাজৰ উদিত হৈ মানৱ সমাজৰ অযুত জন্মাৰ্জিত পাপ নাশ কৰি থাকে।

(৪৬) তাম্ৰাদি মিশ্ৰিত সুবৰ্ণত অগ্নি সংযোগ হ'লে অগ্নিয়ে যেনেকৈ তাৰ মলিনতা নাশ কৰে, তেনেকৈ হৃদিস্থিত বিষ্ণুৱে যোগীসকলৰ দুৰ্বাসনা নাশ কৰি দিয়ে।

(৪৭, ৪৮) ভগৱানে অনন্ত হৃদিস্থিত হৈ যেনেকৈ তেওঁলোকৰ অন্তৰাত্মাত বিশুদ্ধতা আনি দিব পাৰে, দেৱোপাসনা, তপস্যা, প্ৰাণায়াম, মৈত্ৰী, তীৰ্থস্নান, ব্ৰত, দান, আৰু জপাদিৰ দ্বাৰা তেনেকুৱা আত্ম শুদ্ধি লাভ কৰিব নোৱাৰে। সেই কাৰণেহে ৰাজন! সৰ্বতোপ্ৰকাৰে স্থিৰভাৱে হৰিক হৃদয়ত প্ৰতিষ্ঠিত কৰি লোৱা। তাৰ দ্বাৰা তুমি অৱশ্যেই মৃত্যুৰ পিছত পৰম গতি লাভ কৰিব পাৰিব।

(৪৯) হে ৰাজন! মৃত্যুৰ সময়ত যিজনে বিশ্বপিতা পৰমেশ্বৰক ধ্যান কৰিব পাৰে, তেওঁলোকক হৰিয়ে নিজৰ ৰূপ প্ৰদান কৰে।

(৫০) হে ৰাজন! সৰ্বদোষৰ সাগৰসদৃশ কলি যুগৰ এটি মহাগুণ আছে। ভগৱান কৃষ্ণৰ নাম-কীৰ্তনেই মানৱ সমাজক বন্ধন মুক্ত কৰি দিয়ে আৰু পৰমাত্মা প্ৰশস্তি হয়।

(৫১) সত্য যুগত ধ্যান, ত্ৰেতাত যজ্ঞ, দ্বাপৰত পূজা-অৰ্চনা কৰিলে যিফল প্ৰাপ্তি হয়, কলিত একমাত্ৰ নাম-কীৰ্তন কৰিলে সকলো ফল একেলগে পোৱা যায় ইত্যাদি।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ—

কতোক্ষণে মনে গুণি আছে পাছে মহামুনি
মহা কষ্টে ছাড়িলা নিশ্বাস।
হা কিনো দৈৱ বিধি লোকৰ ন ভৈল সিদ্ধি
পাষণ্ডে কৰিবে সৰ্ব্বনাশ।।
মহা কাৰুণিক শুকে লোকৰ নিকাৰ দেখি
পৰম ব্যথিত ভৈলা চিত।
ৰাজাক বোলন্ত চাই শুনা পৰীক্ষিত ৰাই
যেন মোৰ মন বিপৰীত।।
বেদৰো ৰহস্য ইটো মহাভাগৱত শাস্ত্ৰ
পৃথিৱীত কৰিলো প্ৰচাৰ।
কলিত মলিন লোক শুনি সৱে নিস্তাৰোক
অভিপ্ৰাই হেনসে আমাৰ।।
জগত পৰম গুৰু ঈশ্বৰ কৃষ্ণক যিটো
ব্ৰহ্মা হৰে সেৱে অবিচ্ছেদ।
কলিতে বহুতো তাঙ্ক ভজিবেক নপাৰিবে
পাষণ্ডে কৰিবে বুদ্ধি ভেদ।।
পৰম আতুৰ যাৰ নাম অনিচ্ছাৰে স্মৰি
মৰন্তে পৰন্তে পিছলন্তে।
এতেকে কলিত হৰে মহা কৰ্ম্মবন্ধ ছেদ
পাৱে মোক্ষ সংসাৰত হন্তে।।
স্মৰণ মাত্ৰকে যাক উত্তম গতিক পাৱে
হেন দেৱ ঈশ্বৰ কলিত।
নভজিবে বহুতৰে অধম পামৰ নৰে
পাষণ্ডে ভেদিবে আসি চিত্ত।।
দুৰ্ঘোৰ কলিত ইটো তৰণ উপায় যিটো
কহো ৰাজা হুয়ো সাৱধান।
দুষিত কৰিলে কলি কাহাৰো পবিত্ৰ নুহি
দ্ৰব্য দেশ তনু মন প্ৰাণ।।

ঈশ্বৰ কৃষ্ণক যিটো চিত্তত নিশ্চয় কৰি
ভজে মাত্ৰ তাহান চৰণে।
হুয়া তাতে পৰিতোষ হৰন্ত কলিৰ দোষ
মহা হৰি এতেকে তেখনে।।
মাধৱৰ নাম গুণ কলিত পৰম পুণ্য
থাকে যিটো দঢ়াই প্ৰতি নিতে।
শ্ৰৱণ কীৰ্ত্তন কৰে যদিবা মনত স্মৰে
তাকে বা আশংসে যিটো চিত্তে।
কেশৱত দঢ়াই হিয়া সি পাৰে নৈবেদ্য দিয়া
তাঙ্কে মাত্ৰ পূজে যিটো নৰে।
এতেকে হিয়াত থাকি অযুত জন্মৰ পাপ
কলিত হৰন্ত দামোদৰে।।
দুৰ্ঘোৰ কলিত ইটো তৰণ উপায় এহি
আত পৰে আৰ কিছু নাই।
আপুনি পুছিলা যিটো তাহাৰ সিদ্ধান্ত দিলো
শুনা ৰাজা আৰো অভিপ্ৰায়।
পাপত মগন হুয়া কৰ্ম্মক আচৰে গৈয়া
জানা সি কি পুণ্য সিজৈ তাৰ।
দুৰ্ঘোৰ কলিত ইটো মলমতি মনুষ্যৰ
একো কৰ্ম্মে নাহি অধিকাৰ।।
যেন সুবৰ্ণক শুদ্ধ মৃত্তিকা নকৰৈ যদি
ধোৱৈ আনি অসংখ্যাত জলে।
খপন্তে খপন্তে যেৱে বহ্নি অন্তৰ্গত ভৈলে
তেৱে সুবৰ্ণক তেজৈ মলে।।
এহিমতে তপ জপ যজ্ঞ যোগ আচৰিয়া
মিছাতেসে পাৱে মহা খেদ।
যাৱত নিশ্চয় কৰি হিয়াত নধৰে হৰি
নোহে তাৰ কৰ্ম্ম বন্ধ ছেদ।।
দেৱ সৱে উপাসয় যদি যোগ অভ্যাসয়
কৰে স্নান সমস্তে তীৰ্থত।
দান ব্ৰতে তপে বুদ্ধি নুহি অভ্যন্তৰ শুদ্ধি
কহিলো তোমাত ইটো তত্ত্ব।।
জগত ঈশ্বৰ হৰি তাঙ্ক হৃদি স্থিত কৰি
যিমতে পৱিত্ৰ হোৱৈ চিত্ত।

কহিলো শাস্ত্ৰৰো সাৰ কলিত নিস্তাৰ আৰ
নাহি জানা ইসে পৰীক্ষিত।
বুজিয়ো শাস্ত্ৰৰ মজ্জা সৰ্ব্বজন্মে তুমি ৰাজা
কৰিয়ো কৃষ্ণক হৃদিস্থিত।
তেৱে মৃত্যু সময়ত ধৰি কৃষ্ণ চৰণত
মহা গতি পাইবা পৰীক্ষিত।।
নৈবে মনে মৰণতো কৃষ্ণৰ চৰণ যিটো
তাৰ কথা শুনিয়ো স্বৰূপ।
সংহৰি কলিৰ পাপ তাহাক জগত বাপ
দেন্ত আপোনাৰ নিজ ৰূপ।।
এৱে মই দঢ়াই মতি কলিকেসে কৰো তুতি
যদি কলি পাপৰ সাগৰ।
মহন্ত গুণেক আৰ সংসাৰ মধ্যত সাৰ
শুনা সাৱধানে নৃপবৰ।।
যদি দুৰাচাৰ আতি যদিবা অধম জাতি
কৰে মাত্ৰ কৃষ্ণৰ কীৰ্তন।
আতি অপ্ৰয়াসে ভাৱে এতেকে কৃষ্ণৰ পাৱে
চিণ্ডে ঘোৰ সংসাৰ বন্ধন।।
সত্য যুগে ধ্যান কৰি সদায়ে আৰাধে হৰি
নানা যজ্ঞ যজিয়া ত্ৰেতাত।
দ্বাপৰে ভকতি ভাৱে পূজিয়া যি গতি পাৱে
মহা মহা মহন্তে সাক্ষাত।।
ইটো ধন্য ধন্য কলি আকেসে মহন্ত বুলি
ভাল মন্দ একোৱে নচাৰে।
যতেক যুগৰ ধৰ্ম্ম আচাৰ যতেক ধৰ্ম্ম
কীৰ্ত্তনে সৱাৰো ফল পাৱে।।
কলিৰ পৰম ধৰ্ম্ম মাধৱৰ নাম কৰ্ম্ম
কীৰ্ত্তনেসে জানিবা নৃপতি।
কলিৰ পাতেক চয় কীৰ্ত্তনেসে কৰে ক্ষয়
পাৱে নৰে পৰম মুকুতি।।
মহা ভাগ্যৱন্ত নৰে কলিত কীৰ্ত্তন কৰে
আছে পুণ্য পৰ্ব্বত আকাৰ।
কেশৱ প্ৰসন্ন তাৰ কহিলো সাৰতো সাৰ
সিসে পাইলে সংসাৰৰো পাৰ।। ইত্যাদি।

তৃতীয় অধ্যায়ৰ বৰ্ণনা শেষ হোৱাৰ পিছত চতুৰ্থ অধ্যায়ৰ বৰ্ণনা আৰম্ভ হৈছে। এই অধ্যায়ৰ শ্লোক সংখ্যা তিয়াল্লিশ। ইয়াৰে গুৰুজনে এক, দুই, তিনি, চাৰি, সাত, আঠ, ন, দহ, এঘাৰ, বাৰ, তেৰ, পোন্ধৰ, ষোল্ল, সোতৰ, ওঠৰ, বাইশ, তেইশ, চৌব্বিশ, পঁচিশ, ছাব্বিশ, একত্ৰিশ, বত্ৰিশ, তেত্ৰিশ, চৌত্ৰিশ, উনচল্লিশ, চল্লিশ, একচল্লিশ, বিৰাল্লিশ, তিৰাল্লিশ সংখ্যক সৰ্বমুঠ উনত্ৰিশটি শ্লোকৰ অনুবাদ কৰিছে। ইয়াৰে পূৰ্বতে কোৱাৰ দৰে ১২/৪/১; ১২/৪/৪২, ১২/৪/৪৩ শ্লোকৰ পদত গুৰুজনে শ্ৰীধৰ স্বামীৰ টীকাৰ ওপৰত সামান্য ৰূপে নিৰ্ভৰশীল হোৱা দেখা গৈছে। প্ৰথমটিৰ টীকাৰ সাৰাংশ এনেধৰণৰ— 'তত্ৰ সংসাৰ নিস্তাৰো হৰি কীৰ্ত্তনবৰ্ণ্যতে। কলিদোষ নিৱৰ্ত্তক হৰি নাম সংকীৰ্ত্তনা দিকং স এৱ চ কলৌ পৰমো ধৰ্ম্ম ইতি প্ৰশ্নদ্বয়স্যোত্তৰমুক্তম্'। গুৰুজনাৰ অনুবাদ পুছিলা নৃপতি তুমি সংশয় দুতয়। কোন পুণ্যে কলিৰ পাতক হোৱে ক্ষয়।। কলিৰ পৰম ধৰ্ম্ম শ্ৰৱণ কীৰ্ত্তন। দিলো দুয়ো সিদ্ধান্ত শুনিলা একমন' ইত্যাদি। সেইদৰে তেইশ সংখ্যাৰ শ্লোকৰ সাৰাংশ (টীকাৰ) 'বিমতং সন্নভৱতি দৃশ্যত্বাৎ কাৰণ ব্যতিৰেকাৎ আদ্যন্তবত্বাচ্চ ৰজ্জু সৰ্পাদিবদিতি'। গুৰুজনাৰ অনুবাদ ব্ৰহ্ম ব্যতিৰেকে যত দেখা মিছা আন। জৰীত উপজি যেন আছে সৰ্পজ্ঞান' ইত্যাদি। এই অধ্যায়টিৰ বিষয়বস্তু হ'ল— নৈমিত্তিকাদি চাৰি প্ৰকাৰ লয় আৰু হৰিনাম কীৰ্তনৰ প্ৰভাৱ ইত্যাদি। সম্প্ৰতি শ্লোকসমূহৰ অসমীয়া অনুবাদ আৰু গুৰুজনাৰ পদ্যানুবাদ প্ৰকাশ কৰা হ'ল।

(১) শুকদেৱে ক'লে হে ৰাজন! পৰমাণুৰ পৰা আৰম্ভ কৰি দ্বিপৰাৰ্দ্ধ পৰ্যন্ত কালৰ কথা তোমাক কৈছোৱেই। এতিয়া কল্প আৰু লয়ৰ বিষয়ে কওঁ শুনা।

(২) হে পৃথিৱীপতি! চাৰি হাজাৰ যুগত ব্ৰহ্মাৰ এদিন হয়। তাৰ নাম কল্প। এনে প্ৰকাৰে কল্পকালৰ মাজত চৈধ্য মনুৰ আৱিৰ্ভাৱ হয়।

(৩) কল্প অৱসানে প্ৰলয় হয়। যেনেকৈ চাৰি হাজাৰ যুগত ব্ৰহ্মাৰ এদিন হয়, তেনেকৈ তেওঁৰ ৰাতিৰ পৰিমাণো চাৰি হাজাৰ যুগ। সেই ব্ৰহ্মাৰ ৰাতিতেই এই পৰিদৃশ্যমান জগতখন লয় হয়।

(৪) ইয়াৰ নাম নৈমিত্তিক প্ৰলয়। এই নৈমিত্তিক প্ৰলয়তে বিশ্ব স্ৰষ্টা শ্ৰী নাৰায়ণে ব্ৰহ্মাণ্ডক নিজৰ কৰি লৈ ব্ৰহ্মাৰে সৈতে অনন্ত শয্যাত শয়ন কৰে।

(৫) হে ৰাজন! যেতিয়া শত বছৰলৈকে মেঘে বৃষ্টি দিব, তেতিয়া অন্নাভাৱত পীড়িত প্ৰজাসমূহে পৰস্পৰক ভক্ষণ কৰিব। এনেভাৱে বিপদ কালত তেওঁলোক ক্ৰমে ক্ষয়প্ৰাপ্ত হ'ব।

(৬) প্ৰলয় সূৰ্যই প্ৰখৰ কিৰণৰ দ্বাৰা সাগৰজল, মৃত্তিকা ৰস, আৰু প্ৰাণীৰ দৈহিক ৰক্ত পৰ্যন্ত সমস্তৰে ৰস আকৰ্ষণ কৰিব, বিন্দু মাত্ৰও ৰস বৃষ্টি নকৰিব।

(৭) তাৰ পিছত সঙ্কৰ্ষণৰ মুখৰ পৰা উত্থিত প্ৰলয়ানল বায়ু বেগেৰে প্ৰৱাহিত হৈ প্ৰাণী পৰিপূৰ্ণ শূন্য পাতলাদি লোকসমূহ দগ্ধ কৰিব।

(৮) সূৰ্য আৰু অগ্নিৰ দ্বাৰা তাৰ শিক্ষাই অধঃ আৰু উৰ্ধ্ব আদি চাৰি দিশে দগ্ধীভূত ব্ৰহ্মাণ্ড গোময় পিণ্ডৰ দৰে প্ৰতিভাত হ'ব।

(৯) তেতিয়া অতি প্ৰচণ্ড প্ৰলয় বায়ু শতবৰ্ষৰ অধিক কাল প্ৰৱাহিত হৈ থাকিব আৰু আকাশ মণ্ডল ধূলিৰে আবৃত আৰু ধূমাচ্ছাদিত হৈ যাব।

(১০, ১১) হে ৰাজন! তেতিয়া অনেক প্ৰকাৰ বিচিত্ৰ বৰ্ণৰ মেঘ মালাই আকাশত-ভীষণ শব্দৰে গৰ্জন আৰু শতবৰ্ষ ব্যাপি বৰ্ষণ কৰিব। তেতিয়া ব্ৰহ্মাণ্ড জলময় হ'ব।

(১২, ১৩, ১৪, ১৫) তাৰ পিছত তেজে জল শোষণ কৰিব আৰু সি নীৰস হৈ সম্পূৰ্ণ লীণ হ'ব। বায়ুৱে তেজৰ ৰূপ, ৰূপহীন তেজক বায়ুৱে গ্ৰাস কৰিব, আকাশে বায়ুৰ শক্তি গ্ৰাস কৰিব। হে ৰাজন! সেই বায়ুৱে আকাশত লীন হ'ব, তেজ, অহংকাৰে ইন্দ্ৰিয়সকলক গ্ৰাস কৰিব। বৈকাৰিক অহংকাৰে ইন্দ্ৰিয়াধিষ্ঠাতৃ দেৱগণক তেওঁলোকৰ বৃত্তিসহ গ্ৰাস কৰিব আৰু মহানে সৰ্ববিধ অহংকাৰক গ্ৰাস কৰিব আৰু সত্ত্বাদি গুণত্ৰয়ে মহানক, প্ৰকৃতিয়ে কাল প্ৰেৰিত হৈ সত্ত্বাদি গুণক গ্ৰাস কৰিব।

(১৬) যিসময়ত প্ৰকৃতি পুৰুষৰ তত্ত্বাদি শক্তিসমূহে কাল বিপ্লৱত বিৱশ হৈ বিলীন হয়, তেতিয়াই এই প্ৰাকৃতিক লয় সংঘটিত হৈ থাকে।

(১৭) বুদ্ধি, ইন্দ্ৰিয় আৰু পদাৰ্থৰ আশ্ৰয় জ্ঞানে সেই সেই বুদ্ধি প্ৰভৃতিৰ অনুগতভাৱে প্ৰকাশিত হৈ থাকে। যাৰ আদি আৰু অন্ত আছে, সেয়া দৃশ্য আৰু কাৰণৰ পৰা অভিন্ন হেতুকে অবস্তু বুলি কোৱা হয়।

(১৮) দীপ, চক্ষু আৰু ৰূপ যেনেকৈ তেজৰ পৰা ভিন্ন পদাৰ্থ নহয়, তেনেকৈ বুদ্ধি, ইন্দ্ৰিয়, বিষয়সমূহ অত্যন্ত ভিন্ন সত্য স্বৰূপ ব্ৰহ্মাৰ পৰা পৃথক নহয়।

(১৯) জাগৰণ, সপোন, শয়ন— এয়া বুদ্ধিৰে অৱস্থা বুলি বিশেষ ৰূপে জ্ঞাত। সেয়ে হে ৰাজন! নানা ৰূপো মায়া কল্পিত।

(২০) মেঘসমূহ আকাশত যেনেকৈ কেতিয়াবা থাকে, কেতিয়াবা নাথাকে, সেইদৰে এই বিশ্বও কেতিয়াবা ব্ৰহ্মাত বিকশিত হয়, কেতিয়াবা লীণ যায়। সেইহেতু উৎপত্তি বিনাশ ধৰ্মী হোৱাৰ কাৰণে ই অনিত্য।

(২১) একে সুবৰ্ণ যেনেকৈ অলংকাৰাদি ব্যৱহাৰ কাৰ্যত মানৱগণৰ নিৰ্মাণভেদে বহু প্ৰকাৰে প্ৰতীত হয়, তেনেকৈ একমাত্ৰ ভগৱানৰ বিষয়ে মানৱ সমাজৰ দ্বাৰা লৌকিক বৈদিক ব্যৱহাৰ পথত বিভিন্ন প্ৰকাৰে ব্যাখ্যা হৈ থাকে।

(২২) সূৰ্যৰ পৰা জন্ম মেঘবোৰ যেতিয়া বিদীৰ্ণ হয়, তেতিয়া যেনেকৈ চক্ষু ৰূপ সূৰ্যক দেখিবলৈ পোৱা যায়, তেনেকৈ ব্ৰহ্মজিজ্ঞাসাৰ দ্বাৰা আত্মাৰ উপাধিভূত অহংকাৰ তিৰোহিত হ'লে তেতিয়া ব্ৰহ্মৰ স্বৰূপ স্মৰণ হয়।

(২৪) হে ৰাজন! ভগৱৎ স্মৰণ ৰূপ বিবেকাস্ত্ৰ দ্বাৰা যেতিয়া মায়াময় অহংকাৰকৃত আত্মবন্ধন ছেদন কৰি ভগৱানত আত্মানুভৱ সম্পন্ন হয়, সেই অৱস্থাকে পণ্ডিতসকলে আত্যন্তিক প্ৰলয় বুলি কৈছে।

(২৫) হে কুৰুশ্ৰেষ্ঠ! অখিল জীৱাশ্ৰয় বিশ্ব নিয়ন্তা নাৰায়ণৰ এই লীলা কথা সংক্ষেপতে কোৱা হ'ল। ইয়াৰ সমস্ত লীলা কথা ব্ৰহ্মায়ো ক'বলৈ সমৰ্থ নহয়।

(২৬) অতি দুস্তৰ সংসাৰ সাগৰ পাৰ গমনাভিলাষী বিবিধ দুখ পীড়িত মানৱ সমাজৰ পুৰুষোত্তম ভগৱানৰ লীলা কথা ৰস সেৱা ব্যতীত অন্য আশ্ৰয় নাই।

(২৭, ২৮, ২৯) শুকদেৱে ক'লে— হে মহাৰাজ পৰীক্ষিত! অব্যয় ঋষি নাৰায়ণে পূৰ্বতে এই পুৰাণ সংহিতা নাৰদৰ ওচৰত কীৰ্তন কৰিছিল। হে কুৰুশ্ৰেষ্ঠ! তাৰ পিছত সেই নাৰদে কৃষ্ণ দ্বৈপায়ন বেদব্যাসৰ ওচৰত ইয়াক বৰ্ণনা কৰে। ব্যাসে প্ৰীত হৈ আমাৰ ওচৰত এই বেদসম্মত ভাগৱত সংহিতা কীৰ্তন কৰে। ইয়াৰ পিছত নৈমিষাৰণ্যত দ্বাদশ বাৰ্ষিক যজ্ঞ আৰম্ভ হোৱাত শৌনকাদি ঋষিসকলৰ জিজ্ঞাসানুসৰি সূতে এই সংহিতা ঋষিসকলৰ ওচৰত ব্যাখ্যা কৰিব ইত্যাদি।

গুৰুজনাৰ অনুবাদ প্ৰকাশ কৰা হ'ল—

পুছিলা নৃপতি তুমি সংশয় দুতয়।
কোন পুণ্যে কলিৰ পাতক হোৱে ক্ষয়।।
কলিৰ পৰম ধৰ্ম্ম শ্ৰৱণ কীৰ্তন।
দিলো দুয়ো সিদ্ধান্ত শুনিলা একমন।।
প্ৰলয় কল্পৰ আৱে শুনিয়োক মান।
এহিটো কৃষ্ণৰ লীলা চৰিত্ৰ প্ৰধান।।
শুনিয়োক চতুৰ্ব্বিধ প্ৰলয়ৰ কথা।
প্ৰথমতে কহা নিত্য প্ৰলয় ব্যৱস্থা।।
ব্ৰহ্মা আদি কৰি যত আছে প্ৰাণীচয়।
সমস্তৰে হোৱে নিতে উৎপত্তি প্ৰলয়।।
কালৰ বেগত যাই দেহৰ অৱস্থা
তাক কেহো তৰ্কিবাক নপাৰে সৰ্ব্বথা।।
যেন আকাশতে চন্দ্ৰ সূৰ্য্যে গতি কৰে।
তাক লক্ষিবাক নপাৰয় একো নৰে।।

যেন নদী সমস্তৰ জল যাই বহি।
তথাপি আগতে দেখে নদী আছে ৰহি।।
সেহিমতে ব্ৰহ্মা আদি কৰি যত তৃণ।
সবাৰো শৰীৰ ক্ষণে ক্ষণে হোৱে ভিন্ন।।
পৰম অতৰ্ক কাল ঈশ্বৰৰ গতি।
কহিলো প্ৰলয় নিত্য তোমাত নৃপতি।।
শুনা আৱে নৈমিত্তিক প্ৰলয়ৰ কথা।
কতনো নিকাৰ কৈবো জীৱৰ অৱস্থা।।
চতুৰ্থ হাজাৰ যুগে ব্ৰহ্মাৰ দিৱস।
ব্ৰহ্মাৰ দিনত হোৱে মনু চতুৰ্দ্দশ।।
ৰাত্ৰিয়ো ততেক কাল জানিবা নিশ্চয়।
তিনিয়ো লোকৰ হোৱে নিশাত প্ৰলয়।।
জগতক উদৰতে লৈয়া নাৰায়ণ।
অনন্ত শয্যাত প্ৰভু কৰিলা শয়ন।।
শূন্য তিনি লোক মজে প্ৰলয় জলতে।
ব্ৰহ্মায়ো থাকন্ত শুতি কৃষ্ণৰ লগতে।
নিশা অৱসানে দুনাই সৃষ্টি প্ৰৱৰ্ত্তয়।
জানা ৰাজা আকে বলি নৈমিত্তিক লয়।।
প্ৰাকৃত প্ৰলয় আৱে শুনিয়ো নৃপতি।
কোননো নহৈব ইটো জীৱৰ সঙ্গতি।।
যেৱে একশত ভৈল বৰিষ ব্ৰহ্মাৰ।
কৰন্ত ঈশ্বৰো তেৱে ব্ৰহ্মাকো সংহাৰ।।
পৃথিৱী প্ৰমুখ্যে সৱে হুয়া গুণে হীন।
যাত হন্তে হোৱে দুনাই তাতে যায় লীন।।
নৰহয় কিছু ব্ৰহ্মাণ্ডৰ হোৱে নাশ।
জগতকে দেন্ত কৃষ্ণে উদৰতে বাস।।
নোহে বৃষ্টি শতেক বৰিষ পৃথিৱীত।
খাইবে নপাই প্ৰজা হৈবৈ ক্ষুধায়ে পীড়িত।।
অন্যে অন্যে ধৰি শৰীৰৰ মাংস খায়।
এহিমতে লোক নিৰন্তৰে মৰি যায়।।
প্ৰচণ্ড আদিত্যে উপৰত তাপ কৰে।
অনন্ত মুখৰ বহ্নি বজাই তাত পৰে।।
পাতাল পৃথিৱী দহি ওপৰক আসে।
সঞ্চৰৈ বহ্নিৰ শিখা প্ৰচণ্ড বতাসে।।

অগ্নি সূৰ্য্যে অধে উৰ্দ্ধে ব্ৰহ্মাণ্ডকো দহে।
দগধ গোময় পিণ্ড যেন হুয়া ৰহে।।
মহা মেঘে বৰিষয় শতেক বৎসৰ।
প্ৰলয়ৰ জলে ভৰে ব্ৰহ্মাণ্ড ভিতৰ।।
কালৰ বেগত ব্ৰহ্মাণ্ডৰো হোৱে ক্ষয়।
সাতো আৱৰণ অন্যে অন্যে যাই লয়।।
পৃথিৱী জলত পশে উদক তেজত।
তেজো পশে বায়ুত পৱন আকাশত।।
পশে অহঙ্কাৰত আকাশো গৈয়া পাছে।
ইন্দ্ৰিয় দেৱতা মন আনো যত আছে।।
মহত্ত্বতো পশে অহঙ্কাৰ বৃত্তিহীন।
প্ৰকৃতিত আপুনি মহতো যায় লীণ।।
ঈশ্বৰৰ লীলাত জগত নাশ হয়।
কটাক্ষতে কোটি কোটি ব্ৰহ্মাণ্ডৰো লয়।।
পুৰুষ প্ৰকৃতি বৃত্তি শূন্য হুয়া থাকে।
জ্ঞানীগণে প্ৰাকৃত প্ৰলয় বোলে আকে।।
নিত্য নৈমিত্তিক কৈলো প্ৰাকৃত প্ৰলয়।
শুনা আত্যন্তিক লয় আৱে মহাশয়।।
মোক্ষকেসে বুলি ৰাজা আত্যন্তিক লয়।
ব্ৰহ্মজ্ঞানী দেখৈ জগতকে ব্ৰহ্মময়।।
বুদ্ধি মন ইন্দ্ৰিয় মহত অহঙ্কাৰ।
ব্ৰহ্মত পৃথক নুহি যতেক সংসাৰ।।
ব্ৰহ্ম ব্যতিৰেকে যত দেখা মিছা আন।
জৰীত উপজে যেন আছে সৰ্পজ্ঞান।।
জাগন সপোন বুদ্ধিৰেসে বৃত্তিচয়।
নানাবিধ দেখা যিটো সিটো মায়াময়।।
সমস্তে অবস্তু যেন টাটৈকৰ নয়।
ক্ষণেকে উপজি ক্ষণেকতে নাশ হয়।
যেন আকাশত মিলৈ সংহতি মেঘৰ।
ক্ষণেক থাকিয়া হোৱৈ ক্ষণেকে অন্তৰ।।
ব্ৰহ্মতো জগত ৰাজা নাজা সেহি নয়।
উপজিয়া ব্ৰহ্মত ব্ৰহ্মাতে হোৱে লয়।।
একে ব্ৰহ্ম আছা সৰ্ব্বদেহক প্ৰকটে।
যেন এক আকাশ প্ৰত্যেক ঘটে ঘটে।।

জলত সূৰ্য্যক যেন দেখি ভিন্ন ভিন্ন।
সেহিমতে জানিবা ব্ৰহ্মাৰো ভেদহীন।।
কঙ্কণ কুণ্ডল ঘট মণি হেমহাৰ।
একে সুবৰ্ণক দেখি অনেক আকাৰ।।
এহিমতে এক ব্ৰহ্ম জানা সত্য সিদ্ধ।
অজ্ঞানত বাক্য বোলৈ তাঙ্ক বহুবিধ।।
সূৰ্য্যৰ ৰশ্মিত হোৱৈ মহা মেঘগণ।
সূৰ্য্য অংশ চক্ষুক তথাপি কৰে ছন্ন।।
ব্ৰহ্মাৰে স্বৰূপ অহঙ্কাৰ যদি হয়।
ব্ৰহ্ম অংশ জীৱক তথাপি আৱৰয়।।
যেন মেঘ গৈলে চক্ষু সূৰ্য্যক নিৰেখে।
অহঙ্কাৰ গুচিলে ব্ৰহ্মক জীৱ দেখে।।
মায়া এৰি আপুনি বুদ্ধিৰ গুছৈ ভ্ৰম।
নিৰ্ম্মলি হৃদয় জীৱে দেখে পৰব্ৰহ্ম।।
যিকালত জ্ঞান অস্ত্ৰে ছেদে অহঙ্কাৰ।
ছিণ্ডে কৰ্মবন্ধ জীৱে তেৱে আপোনাৰ।।
হৃদয়তে পৰম আনন্দ হোৱে জাত।
পৰিপূৰ্ণ আত্মা হোৱৈ মনতে সাক্ষাত।।
দেহকো নেদেখে জীৱে হুয়া ব্ৰহ্মময়।
ইহাকে বুলিয় ৰাত্ত্য আত্যন্তিক লয়।।
কহিলো তোমাত চাৰি প্ৰকাৰ প্ৰলয়।
ভকতি নভৈলে কৈতো নেৰাই মৃত্যু ভয়।।
দেএগ্ৰা পৰিচ্ছেদ কিবা কহিবো বহুত।
দেখে ব্ৰহ্মময় যিটো জীৱন্তে মুকুত।।
তথাপিতো সিতো কৃষ্ণ কীৰ্তনেসে তৰৈ।
ভকতি নভৈলে দুনাই মায়া আসি ধৰৈ।।
কৰৈ অচেতন ব্ৰহ্মজ্ঞান হোৱৈ হত।
পৰৈ পৰিবৰ্তি আসি সংসাৰ গৰ্ত্তত।।
ভকতি বিহীনে হেন জ্ঞানৰো অৱস্থা।
মহামূঢ় বিষয়ীৰ কি কহিবো কথা।।
যিটো নাৰায়ণ কৃষ্ণ জগতৰ ধাতা।
জগত নিবাস জগতৰ পিতা মাতা।।
কহিলো তাহান কিছু মাত্ৰ লীলা কথা।
কহিবে নপাৰে সবে ব্ৰহ্মায়ো সৰ্বথা।।

হেনবা হৈবেক শঙ্কা মনত তোমাৰে।
সমস্তে কহিবে যেবে ব্ৰহ্মায়ো নপাৰে।।
তেবে ইটো কথা কহিবাক কোন কাজ।
আৰ অভিপ্ৰায় কহো শুনা মহাৰাজ।।
সংসাৰত তিনি তাপ যেন দাবানল।
কৰিবাক লাগি আছে জীৱক বিকল।।
আক নিস্তাৰিবে বাঞ্ছে যিটো মহাজন।
কৰন্তোক কৃষ্ণকথা ৰস নিসেৱন।।
এহিসে সুদৃঢ় নৌকা সংসাৰ সাগৰে।
নাহি নাহি তৰণ উপায় আত পৰে।।
চাৰিবেদ চৌদ্ধয় শাস্ত্ৰৰ ইসে তত্ত্ব।
কহিলো নৃপতি আৱে তোমাৰ আগত।।
হেন জানি জন্ম লোকে নকৰিয়ো বৃথা।
যাৰ যেন শকতি শুনোক কৃষ্ণ কথা।।
যাৰ যেন মতি কৰা কৃষ্ণৰ কীৰ্ত্তন।
এতেকে ছিণ্ডিবে ঘোৰ সংসাৰ বন্ধন।।
যেন ফল পাৱে তপ জপ তীৰ্থ স্নানে।
যেন ফল পাৱে মহাজ্ঞান যোগ দানে।।
যেন ফল পাৱে মহাজ্ঞান বৈৰাগ্যত।
কলিত সমস্তে পাৱে কৃষ্ণ কীৰ্ত্তনত।।
শ্ৰৱণ কীৰ্ত্তন এড়ি আন কৰ্ম কৰে।
পাৱৈ শ্ৰম বিফলে কলিত সিটো নৰে।।
অধৰ্ম্মে খেদাইলে ধৰ্ম্মে কৈতো নপাই ঠাই।
হৰি ভকতিত আছে শৰণ সোমাই।।
আচৰি ভকতি যিটো নাম গুণ গাৱে।
সিসি জনে সমস্ত ধৰ্ম্মৰ কল পাৱে।।
এতেকেসে কলিত কীৰ্ত্তন ধৰ্ম্ম সাৰ।
আউৰ একো থানে নাই ধৰ্ম্মৰ সঞ্চাৰ।।
এহিসে পৰম ধৰ্ম্ম জানিবা সৰ্ব্বথা।
হেনবা বুলিবা কৈত পাইলা ইটো কথা।।
একোৱে পুৰুষে নতু শুনি কৰ্ণ শ্ৰুতি।
কহো আৰ শুণ আৱে শুনিয়ো নৃপতি।।
বেদৰো ৰহস্য ইটো আতি অনুপাম।
পৰমাৰ্থ শাস্ত্ৰ মহাভাগৱত নাম।।

পৰম ঈশ্বৰ যিটো নাৰায়ণ মুনি।
ইটো শাস্ত্ৰ তেন্তে মাত্ৰ জানন্ত আপুনি।।
পাছে পদ্ম কলপত কেশৱ সাক্ষাত।
ইটো মহাভাগৱত কহিলা ব্ৰহ্মাত।।
পৰম ঈশ্বৰ জ্ঞান ৰহস্য ভকতি।
জানি কৃতকৃত্য আতি ভৈলা প্ৰজাপতি।।
পৰম দয়ালু দেৱ জগতৰ পিতা।
কৈলা নাৰদত ইটো পুৰাণ সংহিতা।।
কৃষ্ণ দ্বৈপায়ণ সিটো মোৰ পিতৃ ব্যাস।
দয়ায়ে নাৰদে তাঙ্ক কৰিলা প্ৰকাশ।।
নাৰদৰ উপদেশে ব্যাস সৰ্ব্বজান।
কৰিলা বিস্তৰ ইটো শাস্ত্ৰক নিৰ্ম্মাণ।।
মহাভাগৱত ইটো পুৰাণ সংহিতা।
পৰম স্নেহত মোত কহিলন্ত পিতা।।
সুৰ সিদ্ধ মুনি আক কেহোৱে নজানে।
নাহিকে প্ৰচাৰ আৰ আউৰ একো থানে।।
নষ্ট ভৈলা প্ৰজা জানি কলিৰ পাপত।
এতেকে কহিলো মঞি তোমাৰ আগত।।
দেখিতে নপাৰি ইটো লোকৰ নিকাৰ।
কৃপায়ে কৰিলো আনি শাস্ত্ৰক প্ৰচাৰ।।
আকে শুনি ভণি কলিযুগে যত লোক।
মহাসুখে থাকিয়া ঘৰতে নিস্তাৰোক।।
উগ্ৰশ্ৰৱা সুত আছা আগতে উৎসুকে।
আঙ্গুলি নিৰ্দ্দেশি তাক বুলিলন্ত শুকে।।
নৈমিষাৰণ্যত ঋষি সমজ্যাত তথা।
এহি সূতে কৈবা ইটো ভাগৱত কথা।।
আত হন্তে হৈব ইটো ৰাজ্যত বিদিত।
আকে শুনি নিস্তাৰিবে দুৰ্ঘোৰ কলিত।।
এতেক বোলন্তে শুক গুৰু প্ৰসাদত।
ভৈল শাস্ত্ৰ তেখনে সূতৰ কণ্ঠোগত।।
মহা মুনি শুকৰ প্ৰসাদ পায়া সূত।
মিলিল আনন্দ যেন ভৈলন্ত মুকুত।।
হৰিষে নেত্ৰৰ নীৰ ঝৰে পুনু পুনু।
প্ৰেমত সৰ্ব্বাঙ্গে ভৈল পুলকিত তনু।।
দণ্ডৱতে শুকক কৰিলা নমস্কাৰ।

চৰণৰ ধূলি তুলি লৈলা বাৰম্বাৰ।।
প্ৰাণ গুৰু বুলি তুতি কৰিলন্ত সূত।
দেখি ভৈল সমস্তে সমাজে অদভুত।।
আছন্ত মনত গুণি শুক কৃপাময়।
ইটো শাস্ত্ৰ শুনন্তে মৃত্যুৰ গুচৈ ভয়।।
দুনাই সুমৰাঞ তান হেন ভৈল চিত।

এই অধ্যায়টিৰ পদ্যানুবাদ কৰোঁতে গুৰুজনা শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱত পৰা বুলি পূৰ্বতে উল্লেখ কৰা হৈছে। ইয়াৰ ১২/৪/৪২ আৰু ১২/৪/৪৩ শ্লোকৰ টীকাত লিখিছে যেনে— 'সবৈবাদৰায়ণঃ প্ৰীতঃ সন্ মহ্যমিমাং সংহিতাং প্ৰাহেতি পূৰ্ব্বেণান্বয়ঃ। অসৌ সূত ইতি পুৰতঃ স্থিত মঙ্গুল্যা নিৰ্দিশ্যাহ নৈমিষালয়ে নৈমিষাৰণ্য স্থানে" ইত্যাদি। পূৰ্বোক্ত পদৰ "পৰম দয়ালু দেৱ জগতৰ পিতা"ৰ পৰা "এহি সূতে কৈবা ইটো ভাগৱত কথা" লৈকে শ্ৰীধৰস্বামীৰ টীকাৰ পৰা সাৰোদ্ধাৰ কৰা হৈছে।

এই স্কন্ধৰ পঞ্চম অধ্যায়ৰ শ্লোক সংখ্যা তেৰ। ইয়াৰে এক মাত্ৰ আঠ সংখ্যক শ্লোকটি বাদ দি বাকীখিনিৰ অনুবাদ কৰা হৈছে। তলত শ্লোকৰ অসমীয়া অনুবাদ প্ৰখাশ কৰা হ'ল।

(১) শুকদেৱে ক'লে ব্ৰহ্মাও যাৰ অনুগ্ৰহত জন্ম গ্ৰহণ কৰিছে, যাৰ ক্ৰোধৰ পৰা ৰুদ্ৰদেৱৰ উদ্ভৱ হৈছে এই ভাগৱতত বিশেষভাৱে সেই বিশ্বাত্মা ভগৱান হৰিৰ কথা বৰ্ণনা কৰা হৈছে।

(২) হে ৰাজন! তুমি মৰিবা। এই অবিবেক বুদ্ধি পৰিত্যাগ কৰা, তোমাৰ এই দেহ পূৰ্বতো জন্মা নাই, আজিও জন্মা নাই আৰু ভৱিষ্য তেওঁ জন্ম নহ'ব।

(৩) বীজৰ পৰা যেনেকৈ অঙ্কুৰিত হয়, তেনেকৈ তুমিয়ো পুত্ৰ পৌত্ৰাদি ৰূপে জন্ম গ্ৰহণ কৰিছা। পুনঃ তোমাৰ জন্ম নহ'ব। অগ্নি যেনেকৈ কাঠৰ পৰা ভিন্ন, তুমিয়ো তেনেকৈ দেহৰ পৰা পৃথক।

(৪) সপোনত যিহেতুকে নিজেই নিজৰ শিৰচ্ছেদ দৰ্শন কৰে, জাগৰণ হোৱাৰ দৰে যাৰ পৰা দেহৰ মৃত্যু হোৱা দেখে। সেয়া ভ্ৰম মাত্ৰ, দৰাচলতে আত্মাৰ মৃত্যু নাই।

(৫) ঘট ভাগিলে পূৰ্বতে যি আকাশ আছিল ঘটাকাশ যেনেকৈ সেই মহাকাশত মিলি যায়। সেইদৰে দেহৰ মৃত্যু হ'লে জীৱাত্মা ব্ৰহ্মৰ লগত মিলি যায়।

(৬) মনে জীৱৰ দেহ, গুণ আৰু কৰ্ম উৎপাদন কৰে আৰু সেই মনে উৎপন্ন কৰে মায়া। তাতেই জীৱৰ সংসাৰ হৈ থাকে।

(৭) তৈল, দীপাধাৰ, বৰ্ত্তি আৰু তাত যেতিয়া অগ্নি সংযোগ হয়, তেতিয়াই দীপৰ দীপত্ব। দেহৰ জন্মও তেনেকৈ বুলি জানিবা। সত্ত্ব, ৰজ, তম বৃত্তিৰ দ্বাৰাই দেহ উৎপন্ন আৰু বিনাশ হয়।

(৮,৯) হে ৰাজন! ভগৱান্ বাসুদেৱ নিযুক্ত অনুভবশালিনী বুদ্ধিযোগত আত্মাৰ দ্বাৰা হৃদিস্থতাত্মাক নিশ্চয় কৰা। এনেদৰে কৰিলে তুমি মৃত্যুক জয় কৰিব পাৰিবা। বিপ্ৰশাপ প্ৰেৰিত তক্ষকে তোমাক দংশন কৰি দগ্ধ কৰিব নোৱাৰিব। তক্ষকৰ কথানো কি মৃত্যুৰ দৰে কোনো বিষয়েই তোমাক নষ্ট কৰিব নোৱাৰিব।

(১০-১১) আমিয়েই 'পৰমধাম ব্ৰহ্ম আৰু পৰমপদ ব্ৰহ্ম" এইদৰে নিশ্চিত হৈ নিৰ্লিপ্ত আত্মাত আত্ম প্ৰতিষ্ঠা কৰা। এনেদৰে কৰিলে তোমাৰ পদত বিষাক্ত সৰ্প তক্ষকে দংশন কৰিলেও তেওঁক তুমি দেখা নাপাবা। আত্মাৰ পৰা বিশ্ব আৰু শৰীৰৰ পৃথক দৰ্শন নহ'ব।

(১২) হে ৰাজন্! তুমি পূৰ্বতে যি আত্মাৰ কথা সুধিছিলা, সেই কথা তোমাক কোৱা হ'ল। হে বৎস! ইয়াৰ পিছত বিশ্বাত্মা হৰিৰ আৰু কি লীলা শুনিবলৈ ইচ্ছা জন্মিছে কোৱা।

গুৰুজনাৰ অনুবাদ প্ৰকাশ কৰা হ'ল ঃ

ৰাজাক বোলন্ত শুকে শুনা পৰীক্ষিত।।
জগতৰ কৰ্ত্তা হৰ্ত্তা ব্ৰহ্মা মহেশ্বৰ।
যাহাৰ অধীন দুয়ো দেৱ নিৰন্তৰ।।
হেন ভগৱন্তক শুনিলা মহাশয়।
আৰো আছে নৃপতি তোমাৰ মৃত্যু ভয়।।
আউৰ কি মৰিবা তুমি আপুনি কৃতাৰ্থ।
শুনিলাহা ভাগৱত কথা পৰমাৰ্থ।।
ভৈলা কোটি জন্মৰ পাতকচয় চূৰ্ণ।
মৰো হেন মনৰ অজ্ঞান কৰা দূৰ।।
নাহি জন্ম পূৰ্বত অদ্যাপি নোহা জাত।
অজৰ অমৰ তুমি আত্মাসে সাক্ষাত।।
দেহৰেসে ধৰ্ম ইটো জনম মৰণ।
দেহতেসে হন্তে হোৱৈ দেহ উতপন।।
দেহতে আছাহা মাত্ৰ তুমি দেহহীন।
যেন অগ্নি থাকন্তে কাষ্ঠতো কৰি ভিন্ন।।
যেন ঘট ভাঙ্গি গৈলে ঘটৰ আকাশ।
আকাশতে লীণ হোৱৈ নাহি তাৰ নাশ।।

জনম মৰণ ইটো দেহৰেসে ধৰ্ম।
মনে স্ৰজৈ জীৱৰ শৰীৰ গুণ কৰ্ম।।
মনকো মায়ায়ে স্ৰজৈ জানা সাৰে সাৰ।
ভ্ৰমৰ কাৰণে হোৱৈ জীৱৰ সংসাৰ।।
তৈল মালৈ শলা বহ্নি সংযোগ যাৱত।
দীপ হেন বুদ্ধি ভাবে প্ৰকাশে লোকত।।
দেহ মন কাম আত্মা সৱত সংযোগ।
তাৱে জীৱ নাম থাকৈ দুখ কৰে ভোগ।।
দেহ কৰ্ত্তা মনেৰেসে জানিবা সংসাৰ।
জনম মৰণ একো নাহিকে আত্মাৰ।।
তৈল অসংযোগে গুছে দীপৰ প্ৰকাশ।
মহা জ্যোতি ৰূপ অগণিৰ নাহি নাশ।।
যত পৰমাৰ্থ তত্ত্ব কহিলো বিদিত।
হেন মনে মানা তুমি স্থিৰ কৰি চিত।।
মই পৰমাত্মা আত নাহিকে সন্দেহ।
দেহতেসে আছো মঞি নোহো ইটো দেহ।।
যিটো মঞি সেহি ব্ৰহ্ম মানা হেন মনে।
যিটো ব্ৰহ্ম সেই মঞি জানা সৰ্ব্বক্ষণে।।
এতেকে গুছিবে শোক মোহ মহাৰথ।
কহিলো তোমাত ইটো ব্যৱহাৰ পথ।।
এতেক নলাগে কহি আছো বিদ্যমান।
অন্তকালে ভকতি মিলাইবে মহাজ্ঞান।।
ভকতিত আছে যত জ্ঞান বিৰকতি।
জানিয়া কৃষ্ণৰ পাৱে ধৰা দৃঢ় মতি।।
কৃষ্ণৰ চৰণ চিত্তে চিন্তা হৃদয়ত।
কৃষ্ণৰেসে অংশ মঞি মানিবা মনত।।
নেদেখিবা তক্ষককো পাৱত দংশন্তে।
এতেকে তোমাক নিস্তাৰিবে ভগৱন্তে।।
যতেক পুছিলা মানে পৰীক্ষিত তাত।।
ৰহস্যৰো ৰহস্যক কহিলো তোমাত।।
জগতৰে আত্মা যিটো কৃষ্ণ কৃপাময়।
কৰিলো বিদিত তান যত চেষ্টা চয়।।
তোমাৰ কি শোক মোহ গুছিল নিশ্চয়।
আৱৰ নুপজৈ মনে মোহ মৃত্যু ভয়।।

ঈশ্বৰক চিনিলা জানিলা আপোনাক।
বাপ পৰীক্ষিত মোত কৈয়ো দৃঢ় বাক।।
আৰো বুজিবাক আছে যদিবা প্ৰবন্ধ।
বোলা পুনৰপি তেৱে কহো বাহুকন্ধ।।
নৃপতিৰ মুখক নিৰেক্ষি কৃপাময়।
এহি বুলি মৌন ভৈলা ব্যাসৰ তন্ময়।।(ইত্যাদি)

এই স্কন্ধৰ ষষ্ঠ অধ্যায়ৰ শ্লোক সংখ্যা আশী। ইয়াৰে এক সংখ্যাৰ পৰা পয়ত্ৰিশ সংখ্যালৈকে আটাইকেইটি শ্লোকৰে অনুবাদ সম্পূৰ্ণ কৰা হৈছে। ইয়াৰ মাজত শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱো পৰিছে। শ্লোক কেইটিৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল।

(১) সূতে ক'লে— বিষ্ণু ভক্ত পৰীক্ষিতে হৰি দৰ্শন পৰায়ণ শান্ত মুনি ব্যাস নন্দন শুকৰ মুখত এই ভাগৱত তত্ত্ব শুনি তেওঁৰ পদত শিৰ থৈ কৰযোৰে ক'বলৈ ধৰিলে।

(২) পৰীক্ষিতে ক'লে— হে মুনি! কৰুণা কৰি আপুনি যি উৎপত্তি নাশ ৰহিত ভগৱান হৰিৰ লীলা কথা আমাক শুনালে, ইয়াত পূৰ্ণ মনোৰথ আৰু কৃতাৰ্থ কৰিলে।

(৩) যাৰ চিত্তত হৰি বিৰাজ কৰে, তেনেকুৱা উচ্চ ভক্তসকলৰ প্ৰতি কৃপা নকৰি মোৰ নিচিনা সংসাৰ তাপত তাপিত অজ্ঞানীজনৰ প্ৰতি যি অনুগ্ৰহ কৰিলে, এয়াই বিস্ময়ৰ কথা।

(৪) যাৰ নাম শ্ৰৱণ কীৰ্তন কৰিলে মঙ্গলময় হয়, সেই ভগৱান হৰিৰ কথা য'ত বৰ্ণিত হৈছে, সেই পুৰাণ সংহিতা আপোনাৰ ওচৰত শুনিছোঁ।

(৫) হে ভগৱান! আপুনি অভয় দিছে, তাৰ পৰা আমি মোক্ষ পদত প্ৰবেশ কৰিছোঁ। সেই কাৰণে যমতুল্য তক্ষকাদিৰ পৰা আমাৰ কোনো ভয় নাই।

(৬) হে ব্ৰহ্মণ! আমাৰ মনত কোনো কামনা নাই। আমাক আদেশ কৰক। ভগৱান্ অধোক্ষজত ইন্দ্ৰিয় আৰু চিত্ত সমধান কৰি যেন আমি প্ৰাণ ত্যাগ কৰিব পাৰোঁ।

(৭) আপুনি আমাক ভগৱানৰ মঙ্গলময় পৰম্পদ প্ৰদৰ্শন কৰিছে। তাতে জ্ঞান আৰু বিজ্ঞান নিষ্ঠা সহকাৰে পালন কৰাত আমাৰ অজ্ঞান দূৰীভূত হৈছে।

(৮) সূতে ক'লে— ৰজা পৰীক্ষিতে শুকদেৱৰ ওচৰত প্ৰাৰ্থনা আৰু পূজা সমাপন হোৱাৰ পিছত তেওঁৰ বাক্য অনুমোদন কৰি ভিক্ষুসকলৰ সৈতে প্ৰস্থান কৰিলে।

(৯) ৰাজৰ্ষি পৰীক্ষিতেও আত্মাই আত্মা প্ৰতিষ্ঠা কৰি স্পন্দনহীন বৃক্ষৰদৰে নিশ্চল হৈ পৰমাত্মাৰ ধ্যানত নিবিষ্ট হ'ল।

(১০) নিঃসন্দেহ, নিষ্কাম মহাযোগী পৰীক্ষিতে গঙ্গাৰ পাৰত কুশাসন আগ কৰি উত্তৰ মুখে বহি প্ৰাণ ত্যাগ কৰিলে।

গুৰুজনাৰ অনুবাদ প্ৰকাশ কৰা হ'ল ঃ

নিগদতি সূত শুনিয়ো শৌনক
যেন কথা ভৈলা পাছে।
এতেক বচন বুলি ব্যাস সুত
মৌন হুয়া যেবে আছে।।
জগতক যিটো দেখৈ কৃষ্ণময়
ব্ৰহ্মৰূপী মহামুনি।
বৈকুণ্ঠৰ শাস্ত্ৰ মহাভাগৱত
তাহানে মুখত শুনি।।
শৰীৰ মনৰ মল দুৰ ভৈল
গুছিল মোহ আন্ধাৰ।
পৰম ঈশ্বৰ প্ৰকাশ ভৈলন্ত
হিয়াত আসি ৰাজাৰ।।
দ্ৰৱ ভৈল চিত্ত তনু ৰো'মাঞ্চিত
ঝৰে নয়নৰ নীৰ।
আনন্দে মগন ভৈলা কতোক্ষণ
কৰিলন্ত চিত্ত থিৰ।।
অৱনত মাথে উঠি নৰমাথে
সম্পুষ্ট অঞ্জলি ধৰি।
শুকৰ চৰণ পদ্ম দুখনিক
মাথাত লৈলা সাদৰি।।
সলোতক মুখে গদ গদ বাক্যে
বুলিলা ৰাজা প্ৰণামি।
কহি পৰমাৰ্থ কৰিলা কৃতাৰ্থ
তৰিলো তৰিলো আমি।
যিটো মহা হৰি ব্ৰহ্মা আদি কৰি
মোহিত যাৰ মায়াত।
মোহ অন্ধকাৰ গুছায়া আমাৰ
কৰাইলা তাঙ্ক সাক্ষাত।।

তযু উপদেশ আৱেশে জানিলো
প্ৰাণ বন্ধু কৃষ্ণক।
কৰিলাহা যেন কিনো কৃপা মোক
চক্ষু দিলা অন্ধকক।
সংসাৰ তাপত মৰৈ মূঢ় লোক
কৰাহা আক নিস্তাৰ।
কেশৱত চিত্ত আছে যাৰ ইটো
নুহি অদভুত তাৰ।।
যিটো শাস্ত্ৰ মোত কহিলাহা আত
কিছু নেদেখিলো আন।
ঈশ্বৰ কৃষ্ণক প্ৰকাশে সদায়
নামেসে ধৰ্ম প্ৰধান।।
অভয় ব্ৰহ্মক আপুনি দেখাইলা
তাহান্তে ভৈলো প্ৰবেশ।
তক্ষক মৃত্যুক লাগি গুৰু মোৰ
নাহি ভয় লৱ লেশ।।
আউৰ অকো আন শুনিবাক লাগি
প্ৰয়োজন নাহি বাপ।
কৃষ্ণ গুণ নাম ব্যতিৰেকে মঞি
এৰোহো আন আলাপ।।
কাম অভিলাষ বিষয় বাসনা
চিত্তে তেজিলেক মোৰ।
কৃষ্ণৰ চৰণ তেজন্তেসে এবে
মিলে মহা দুখ ঘোৰ।।
হেন জানি মোক তুমি গুৰু বাপ
দিয়ো অনুমতি দান।
মাধৱ বন্ধুৰ চৰণত চিত্ত
দিয়া তিয়াগিবো প্ৰাণ।।
পৰম অভয় কৃষ্ণৰ চৰণ
দেখাইলা মোক আপুনি।
গুছিল অজ্ঞান ভৈলো জ্ঞান নিষ্ঠ
নিষ্ঠে কহো মহামুনি।।
এহি বুলি ৰাজা পূজিলা গৌৰৱে
শুকৰ দুই চৰণ।

অনেক বচনে বিনয় বোলন্ত
হুয়োক গুৰু প্ৰসন্ন।।
কৰোহো কাতৰ দিয়ো এহি বৰ
মৰণ সময়ে স্বামী।
বান্ধৱ কৃষ্ণৰ অৰুণ চৰণ
যেৱে নপাসৰো আমি।।
শিৰক পৰশি শুকে বুলিলন্ত
হেনয় হৌক নৃপতি।
ভিক্ষুগণ সমে উঠি লৰি গৈলা
লৈয়া তান্তে অনুমতি।
পাছে পৰীক্ষিত গঙ্গাৰ তীৰত
বসিলা কুশ বিছাই।
উত্তৰক মুখে মাধৱক স্মৰি
থিৰ কৰিলন্ত কায়।।
আত্মা বিষয়ত চিত্ত প্ৰৱেশায়া
চিন্তন্ত কৃষ্ণ চৰণ।
নিশ্চল শৰীৰ মন ভৈল থিৰ
নটলে প্ৰাণ পৱন।।
ছিণ্ডিল সংশয় ভৈল ব্ৰহ্মময়
দেহাৰ এৰিয়া সঙ্গ।
ভৈলন্ত হিয়াত ঈশ্বৰ সাক্ষাত
লিঙ্গ দেহা ভৈল ভঙ্গ।।
আনন্দ সমুদ্ৰে সমূলে মজিলা
গৈল মায়া বন্ধ ছিড়ি।
সুনিশ্চল কায় যেন তৰু প্ৰায়
আছন্ত আসন ভিৰি।।
দ্ৰৱ ভৈল চিত্ত তনু ৰোমাঞ্চিত
ঝৰে নয়নৰ নীৰ।
অনেক সহস্ৰ সেনা বেঢ়ি আছে
আন্দোল গজ বাজীৰ।
অস্ত্ৰ শস্ত্ৰ ধৰি প্ৰজা পাটোৱাৰী
আছে যেন কৰি ধ্যান।
বিপ্ৰ ব্যতিৰেকে বাজুৰ ভিতৰে
পশিতে নপাৰে আন।।

অসংখ্যাত নৌকা পুৰু সাজ কৰি
গঙ্গাত বেঢ়িয়া আছে।
পিস্পৰা পৰ্য্যন্তে নপাৰে পশিবে
সিবেলা ৰাজাৰ কাছে।।
দেৱ ঋষি ব্যাস বশিষ্ঠ প্ৰমুখ্যে
অনেক ঋষি সহস্ৰ।
ৰাজাক বেঢ়িয়া বসিয়া আছন্ত
হৰিক স্মৰি অজস্ৰ।।

ইয়াৰ পিছৰ দুটি শ্লোকত (১২/৬/১১, ১২) তক্ষক আৰু কশ্যপৰ সাক্ষাত আৰু তক্ষকৰ দ্বাৰা কশ্যপক ধনদানেৰে সন্তুষ্ট কৰি তেওঁক বিদায় দান আৰু পৰীক্ষিতক দংশন এই ঘটনা বিবৃত হৈছে। শ্লোক দুটি নিম্নাংশত তুলি দিয়া হ'ল। যেনে—

(১১) তক্ষকঃ প্ৰহিতো বিপ্ৰাঃ ক্ৰুদ্ধেন দিজ্ঞ সূনুনা।
হন্তু কামো নৃপং গচ্ছন্ দদৰ্শ পথি কশ্যপম্।।
(১২) তং তৰ্পয়িত্বা দ্ৰবিনৈনিৰ্বৰ্ত্ত্য বিষ হাৰিণম্।
দ্বিজ ৰূপ প্ৰতিচ্ছন্নঃ কামৰূপোহ দৰ্শন্নৃপম্।।

অৰ্থাৎ সূতে ক'লে— হে ঋষিগণ! ঋষি পুত্ৰ শৃঙ্গীৰ শাপ প্ৰভাৱত প্ৰেৰিত তক্ষকে ৰজাক নাশ কৰিবলৈ পথেদি গৈ থাকোঁতে হঠাতে কশ্যপক দেখা পালে। তক্ষকে কশ্যপক ধন দানেৰে সন্তুষ্ট কৰি বিদায় দিয়াত সেই কামৰূপী তক্ষকে প্ৰচ্ছন্ন দ্বিজ বেশ ধাৰণ কৰি পৰীক্ষিতক দংশন কৰিলে।

পূৰ্বোক্ত দুটি শ্লোকৰ আধাৰতে শ্ৰীধৰ স্বামীয়ে অলপ বহলকৈ তক্ষক আৰু কশ্যপৰ সাক্ষাৎকাৰ আৰু তক্ষকৰ সন্তুষ্টিকৰণত কশ্যপৰ প্ৰস্থান বিষয়টি দাঙি ধৰিছে এনেকৈ "তদেবং ব্ৰহ্মভূতে তস্মিংস্তক্ষকা গমনাদিকং পিষ্ট পেষণমিৱাভৱ দিতি দৰ্শয়তি তক্ষক ইতি ত্ৰিভিঃ। হে বিপ্ৰাঃ। তং বিষ চিকিৎসয়া পৰীক্ষিদ্ৰক্ষণেন দ্ৰব্যাৰ্জ্জনায়া গচ্ছন্তম্। তত্ৰ স্বালীঢ় বট বৃক্ষস্য ভস্মী ভূতস্য পুনৰঙ্কু ৰাদিত্ৰমেণোত্থাপনাৎ বিষহাৰিণ তদপেক্ষিত দ্ৰবিণৈঃ সন্তৰ্প্য ততো নিৰ্বৰ্ত্ত্য দ্বিজৰূপেণ তিৰোহিত সন্নদশৎ।। ইত্যাদি। ইয়াৰ মূলমূল বৰ্ণনা এনেধৰণৰ ব্ৰহ্মভাৱ প্ৰাপ্ত পৰীক্ষিতৰ এনে ভাৱনাৰ অন্তত তক্ষকে দংশন কৰিবলৈ আহোঁতে পহুত পৰীক্ষিতক বিষ চিকিৎসাৰে জীৱদান দিবলৈ আহি (কশ্যপৰে) মুখামুখী হ'ল আৰু তক্ষকৰ দংশনত ভস্মীভূত বটবৃক্ষ পুনৰ অঙ্কুৰিত হোৱাত বিষহাৰীক (কশ্যপক) বস্তুৰে সন্তৰ্পিত কৰি তেওঁক বিদায়

দিয়া হয় আৰু দ্বিজৰূপী কশ্যপৰ বিদায়ৰ পিছত তেওঁক (পৰীক্ষিতক) দংশন কৰিলে ইত্যাদি।

পূৰ্বোক্ত শ্লোক আৰু টীকাৰ বৰ্ণনাৰ পৰা প্ৰকৃত ছবিখন অস্পষ্ট ৰূপত দেখা গৈছে। কিন্তু গুৰুজনাই ইয়াৰ আধাৰতে অতি স্পষ্ট ৰূপত সুন্দৰকৈ সমগ্ৰ ঘটনাটিৰ বৰ্ণনা দিছে। তলত উদ্ধৃতি দিয়া হ'ল—

কহে সূত শুনিয়ো শৌনক মহাভাগ।
ঋষিশাপ শুনিয়া তক্ষক মহানাগ।।
আপুনাৰ নিজৰূপ তেজিয়া নিঃশেষ।
ৰাজাক দংশিবে আসৈ ধৰি বিপ্ৰ বেশ।।
কাশ্যপ ব্ৰাহ্মণ সমে ভৈল এক ঠাই।
তান্ত কথা সোধে ঔষধৰ গন্ধ পাই।।
কোথেৰ ব্ৰাহ্মণ তুমি যাহা কৈক লাগি।
বিপ্ৰে বোলে কিবা সোধা ফুৰো ভিক্ষা মাগি।।
ৰাজাক তক্ষকে খাইবে যাঞু হেন শুনি।
নৃপতিক মন্ত্ৰ বলে জীয়াইবো আপুনি।।
পাইবো বহু বিত হৈবে মোৰ দুখ দূৰ।
হেন শুনি খঙ্গিল তক্ষক মহাক্ৰূৰ।।
চক্ষু পকাই বোলৈ কাশ্যপক চাই মাতি।
কিনো তই অবোধ লুভীয়া দ্বিজ জাতি।।
তক্ষকে খাইবে যাক তাকো কৰ সাস।
দংশো বট বৃক্ষ দেখো কিমতে জীয়াম।।
কাশ্যপে বোলন্ত দম্ভ নকৰিবি সৰ্প।
বুজো দংশ বটক ভাঙ্গিবো তোৰ দৰ্প।।
শুনি নিজ ৰূপে কোপে নাগ মহাবলী।
দিলে খোট বটত অগণি গৈল জ্বলি।।
বিষ বহ্নি লাগি বটবৃক্ষ ভৈল ছাই।
আছিল খাৰিয়া তাতো ভস্ম ভৈলা কাই।।
জীয়ায়ো তক্ষকে বোলৈ দেখো মুনিসাই।
দ্বিজো থৈলা বোকোগুাক কাষৰ নমাই।
কোঞ্চাই আনি ছাইক সবে এক থান কৰি।

পঢ়িবে লাগিলা মন্ত্ৰ গুৰুক সুমৰি।।
দিলন্ত ঔষধ আনি গজাইল অঙ্কুৰ।
ডালে মূলে পাতে বৃক্ষ ভৈল ভৰপূৰ।।
জীলেক খৰীয়া আছে হাততে অঙ্কুশ।
দেখি ভৈল তক্ষক সাক্ষাতে যেন মুষ।।
নৈয়ো দেখি হেন মন্ত্ৰৰ মহত।
কাশ্যপক বোলৈ সৰ্পে হুয়া দৰ্পহত।।
উলটি যায়োক ধন দেঞু যত লাগে।
অনেক সুবৰ্ণ আনি যোগাই লেক আগে।।
ধন দেখি ব্ৰাহ্মণৰ পালটিল চিত।
গৈলন্ত উলটি বোকোগুাত ভৰাই বিত্ত।।

ইয়াৰ পিছত পৰীক্ষিতৰ ওচৰলৈ তক্ষকৰ আগমন আৰু দংশনৰ বিষয়তো গুৰুজনাৰ হাতৰ নতুন পৰশ পৰিছে।। মূল শ্লোকৰ অসমীয়া ৰূপ তলত দাঙি ধৰা হ'ল।

(১৩) তক্ষকৰ বিষ বহ্নিত ব্ৰহ্মভূত ৰাজৰ্ষি পৰীক্ষিতৰ দেহ সৰ্ব্বজন সাক্ষাততে তৎক্ষণাৎ ভস্মীভূত হৈ গ'ল।

(১৪) পৃথিৱী আৰু আকাশত সকলো ফালৰ পৰা হাঁহাকাৰ ধ্বনি উঠিল, অসুৰ নৰ আৰু অন্যান্য প্ৰাণীসকল বিস্মিত হ'ল।

(১৫) স্বৰ্গত দেৱ দুন্দুভি বাজিবলৈ ধৰিলে, গন্ধৰ্ব আৰু অপ্সৰাসকলে জয় গান কীৰ্তন কৰিলে আৰু দেৱসকলে সাধুবাদ কৰি কৰি পুষ্প বৰ্ষণ কৰিলে।

(১৬) জন্মেজয়ে নিজ পিতৃ পৰীক্ষিতে তক্ষক দংশনত দেহ ত্যাগ কৰিছে বুলি শুনি অত্যন্ত ক্ৰোধ জন্মিল আৰু দ্বিজসকলৰ সৈতে যথাবিধি সৰ্প যজ্ঞত নাগসকলক অগ্নিৰ মাজত আহুতি প্ৰদান কৰিলে।

(১৭) সৰ্প যজ্ঞত প্ৰজ্বলিত বহ্নিত মহাসৰ্পবোৰ পুৰি মৰা দেখি ভয় ব্যাকুল তক্ষকে ইন্দ্ৰৰ শৰণাপন্ন হ'ল।

(১৮) ৰাজা জন্মেজয়ে তাতলৈ তক্ষকক অহা নেদেখি দ্বিজসকলক সুধিলে— সৰ্বাধম তক্ষক কিয় দগ্ধ হোৱা নাই?

(১৯) দ্বিজসকলে ক'লে— হে ৰাজেন্দ্ৰ! তক্ষকে ইন্দ্ৰৰ আশ্ৰয় লৈছে। সেই কাৰণে তেওঁ তক্ষকক ৰক্ষা কৰিছে। তক্ষক যাতে পতিত নহয়, তাকে

কৰিবলৈ ইন্দ্ৰই তেওঁৰ আসনৰ সৈতে তেওঁক বন্ধন কৰি ৰাখিছে।

(২০) উদাৰ বুদ্ধি জন্মেজয়ে সেই কথা শুনি পুৰোহিতসকলক ক'লে— হে বিপ্ৰসকল! ইন্দ্ৰৰ সহিত কিয়নো তক্ষকক পতিত নকৰে?

(২১) বিপ্ৰসকলে জন্মেজয়ৰ এই কথা শুনি 'মৰুৎ গণযুক্ত ইন্দ্ৰৰ সৈতে তক্ষক সোনকালে অগ্নিত পতিত হওক' এই মন্ত্ৰ উচ্চাৰণ কৰি যজ্ঞত ইন্দ্ৰৰ সৈতে তক্ষকক আহুতি প্ৰদান কৰিলে।

(২২) বিপ্ৰসকলৰ কৰ্কশ বাক্যত এই মন্ত্ৰ উচ্চাৰিত হোৱাত ইন্দ্ৰ নিজ ঠাইৰ পৰা বিমান আৰু তক্ষকৰ সৈতে বিভ্ৰান্ত হৈ পৰিল।

(২৩, ২৪) আকাশৰ পৰা বিমানৰ সৈতে নামি অহা তক্ষকক দেখি বৃহস্পতিয়ে জন্মেজয়ক ক'লে— হে মহাৰাজ! এই সৰ্পেন্দ্ৰ তোমাৰ বধ্য নহয়। কাৰণ তক্ষক অমৃত পান কৰি অজৰ-অমৰ হৈ আছে।

(২৫) হে ৰাজন! নিজৰ কৰ্মফলতে প্ৰাণী মাত্ৰেই জীৱন মৰণ আৰু স্বৰ্গাদি গতি হৈ থাকে। প্ৰাণীসকলৰ অন্য কোনো সুখ দুখ দাতা নহয়।

(২৬, ২৭) হে ৰাজন! সৰ্প, চোৰ, বহ্নি, বিদ্যুৎ, ক্ষুধা, তৃষ্ণা আৰু ৰোগাদিৰ দ্বাৰা প্ৰাণীৰ যি পঞ্চত্ব প্ৰাপ্তি সেয়া তাৰ কেৱল আৰব্ধ কৰ্মৰ ভোগ মাত্ৰ। এতেকে হে ৰাজন! এই আভিচাৰিক যজ্ঞ এই ঠাইতে সমাপ্ত কৰা। নিৰপৰাধী সৰ্পসকল যে দগ্ধ হৈছে, ইয়াত তোমাৰ অপৰাধ নাই। কাৰণ প্ৰাণী মাত্ৰেই নিজ নিজ ভাগ্য ফল ভোগ কৰে।

(২৮) জন্মেজয়ে এনে প্ৰকাৰে আদেশ পাই বৃহস্পতিৰ বাক্য সাদৰেৰে স্বীকাৰ কৰি 'সেয়ে হওক' বুলি 'সৰ্পযজ্ঞ' বন্ধ কৰিলে আৰু বৃহস্পতিক পূজা কৰিলে।

(২৯) এয়া বিষ্ণুৰ অলংঘনীয় মায়া। এই মায়াৰ বলতে বিষ্ণুৰ অংশ ভূত প্ৰাণীসকলে দেহাদিত গুণ বৃত্তিৰ দ্বাৰা মোহ প্ৰাপ্ত হয়।

(৩০) আত্মবাদীসকলৰ আত্মবাদ এবাৰ বিচাৰ হৈ গ'লে দম্ভৰূপা মায়া তাত স্থিতভাৱে স্থান নাপায়। আৰু সেই মায়াকৃত বিবাদ বাহুল্য নাথাকে। মনৰো সংকল্প বিকল্পবৃত্তি নাথাকে।

(৩১) যত স্ৰষ্টা আৰু সৃজ্য এই উভয়ৰ সাধ্য ফল নাই, তাতে আত্মাস্বৰূপ মুনি অহংকাৰাদি পৰিশূন্য হৈ ইয়াতে ক্ৰীড়া কৰি থাকে।

(৩২) 'এয়া নহয় এয়া নহয়'। এনেদৰে অন্য পদাৰ্থ পৰিত্যাগশীল অনন্য যোগসকলে দেহাত্মভাব পৰিত্যাগ কৰি সমাধিৰ দ্বাৰা হৃদয়ত অৱৰুদ্ধ

আত্মতত্ত্বক আলিংগন কৰে আৰু তাকে পৰম বিষ্ণুপদ বুলি ব্যাখ্যা কৰি থাকে।

(৩৩) যিসকলৰ দেহজ অহংকাৰ, গেহজ মমকাৰ ইত্যাদি দোষহীন, তেওঁলোকেই এই বিষ্ণুৰ পৰমপদ প্ৰাপ্ত হৈ থাকে।

(৩৪) সেই কাৰণে অতি তৰ্ক ত্যাগ কৰিব। কাকো অপমানিত নকৰিব আৰু এই দেহজ কাৰণে কাৰো সহিত শত্ৰুতাও নকৰিব।

(৩৫) সুতে ক'লে— যাৰ পাদপদ্মৰ ধ্যান প্ৰভাৱত এই ভাগৱত সংহিতা আমি অধ্যয়ন কৰিছো সেই অকুণ্ঠজ্ঞানী বেদব্যাসৰ প্ৰতি নমস্কাৰ কৰিছো। ইত্যাদি।

গুৰুজনাৰ অনুবাদ প্ৰকাশ কৰা হ'ল—

তক্ষকে ধৰিলা বৃদ্ধ ব্ৰাহ্মণৰ বেশ।
দান্ত লৰফৰ কৰে পৰিক গৈলা কেশ।।
বৃদ্ধ ব্ৰাহ্মণৰ বেশে চলি ধীৰে ধীৰ।
তক্ষকে পাইলেক আসি ভাগীৰথী তীৰ।।
জল স্থল বৃদ্ধ দেখি কেহো নবাধিল।
কটকৰ বাজু চড়াই তক্ষক পশিল।।
বসি আছা পৰীক্ষিত কৃষ্ণক আৰাধি।
শৰীৰতো নাহি জ্ঞান ব্ৰহ্মাত সমাধি।।
ধৰি আছা চাপি চিত্তে কৃষ্ণ চৰণকে।
ধৰিলেক নি ৰূপ তেখনে তক্ষকে।।
ভয়ঙ্কৰ শৰীৰ মাটিত থাপি পেট।
কৰিল কোকাৰ উপৰক তুলি ফেট।।
বিজুলী সঞ্চাৰে আসি চেলেকি কোৱাৰি।
ৰাজাক দংশিলে চৰণত খোট মাৰি।।
শৰীৰত বিষ বহ্নি লাগি উধাই গৈল।
ক্ষণেকতে নৃপতিৰ দেহা ভস্ম ভৈল।।
শৰীৰক এড়ি পায়া আছন্ত ব্ৰহ্মাকে।
পুত্ৰৰেসে কৰ্ম্ম আসি কৰিল তক্ষকে।।
দেখি দশোদিশে প্ৰজা কৰৈ হাহাকাৰ।
হা কৈক গৈলা বাপ নৃপতি আমাৰ।।
তুমি অবিহনে ভৈল পৃথিৱী অনাথ।
এহি বুলি লোকে শোকে ধাকুৰয় মাথ।।

পৰম বিস্ময় ভৈলা দেৱাসুৰ নৰ।
ধন্য ধন্য পৰীক্ষিত ৰাজ নৃপবৰ।।
বিষ বহ্নি দহন্তে নাছিল কিছু জ্ঞান।
ভৈলা মোক্ষ পাইলা সবে প্ৰত্যেক্ষে প্ৰমাণ।।
বাৱে দেৱে দুন্দুভি গন্ধৰ্ব্বে গাৱে গীত।
পৰম উৎসৱে অপেচৰা কৰে নৃত্য।।
সাধু সাধু বুলি দেৱে বৰিষন্ত ফুল।
আকাশ ছানিয়া গৈল শবদ তুমুল।।
মহা ঋষিসৱো কৰিলন্ত সাধুৰ্ব্বাদ।
কিনো কথা শুক পৰীক্ষিতৰ সম্বাদ।।
ইহাৰেসে কীৰ্ত্তি ইটো ৰৈল সংসাৰত।
সাফল জন্মিলা ৰাজা পাণ্ডুৰ বংশত।।
প্ৰশংসি ৰাজাক ঘৰাঘৰি গৈলা চলি।
জন্মেজয়ে দিলন্ত পিতৃক জলাঞ্জলি।।
দিলা দান দক্ষিণা সম্ভালি পিতৃ কৰ্ম্ম।
মোক্ষ পাইলা জানি তেজিলন্ত সৱে মৰ্ম্ম।।
শুকৰ সম্বাদ পৰীক্ষিতৰ মুকুতি।
শুনৈ ভনৈ যিবা এক চিত্তে প্ৰতিনিত।।
নৃপতিয়ে গতিক পাইলেক মহাসুখে।
শুনা পাছ কথা আৱে শৌনক প্ৰমুখ্যে।।
ভৈলা জন্মেজয় পাছে নৃপতি প্ৰধান।
সমজ্যাতে খৰীয়া তাহান্তে দিলা জান।।
কাশ্যপ তক্ষকে যেন যেন কথা ভৈলা।
সমস্তে বৃত্তান্ত নৃপতিৰ আগে কৈলা।।
ৰাজাক জীয়াইবে আসৈ ব্ৰাহ্মণ ইভক্ষুকে।
তক্ষকেসে উলটাই পঠাইলা নিচুকে।।
কহিলা খৰীয়া আসি যতেক সংগোপ।
শুনি জন্মেজয়ৰ জ্বলিলা মহাকোপ।।
ঋষি শাপে খাইলে আসি নাই আত দোষ।
দ্বিজক পঠাইলে কেনে কৰিয়া আক্ৰোশ।।
তাত পৰে নাহি নাহি মহা পিতৃ বৈৰী।
নথৈবো সৰ্পৰ নাম মাৰিবো সংহাৰি।।
অথৰ্ব্ব বেদীয় বিপ্ৰ সমস্তক আনি।
পাতিলন্ত সৰ্প সত্ৰ মহাকুণ্ড খানি।।

অগণি জ্বালিয়া মন্ত্রে দেই হোম দান।
মৰৈ সৰ্প পুৰি আসি অসংখ্য প্ৰমাণ।।
পৃথিৱী পাতালে যত আছে সৰ্পচয়।
কৰিবে লাগিলা ৰাজা সবাৰো প্ৰলয়।।
দেখি তক্ষকৰ হৃদি কম্পি গৈল লৰি।
ইন্দ্ৰত শৰণ গৈয়া লৈলেক লৰৰি।।
ত্ৰাহি ত্ৰাহি পুৰন্দৰ ৰাখা মোৰ প্ৰাণ।
জন্মেজয় সাগৰত কৰা পৰিত্ৰাণ।।
অভিচাৰ মন্ত্রে দহি মাৰে সৰ্পগণ।
তোমাৰ পাৱত আসি পশিলো শৰণ।।
দেখি পুৰন্দৰ ভৈলা সৰ্পত সদয়।
অমৃত পিয়াইয়া তাঙ্ক দিলন্ত নিৰ্ভয়।।
মই ৰক্ষা কৰিবো বুলিলা পুৰন্দৰ।
তথাপি নুগুচে শঙ্কা ক্ৰূৰ তক্ষকৰ।।
পশিল খাটৰ তলে পেটক ঘসাই।
খুৰাক সাৱটি ৰৈলা আধাৰি পকাই।।
কাম্পে কলেৱৰ তৈতো হুয়া মহাত্ৰাস।।
দেখি দিগপাল সৱে তুলিলেক হাস।।
বৈষ্ণৱ ৰাজাক দংশিলেক দুষ্ট নাগে।
ভকতৰ দ্ৰোহী আৰ মৰিবাক লাগে।।
এহি বুলি তক্ষকক কৰন্ত বিশুতি।
হাতৰ নিশানে নিষেধিলা সুৰ পতি।।
মৰৈ সৰ্প সত্ৰত আনসে সৰ্পচয়।
তক্ষকক নেদেখিয়া পাছে জন্মেজয়।।
ব্ৰাহ্মণসৱক কোপে পুছিলন্ত হাসি।
পিতৃবৈৰী তক্ষক নপৰৈ কেনে আসি।।
শুনি দ্বিজসৱে বোলৈ ৰাজাক বচন।
লৈলেক তক্ষকে গৈয়া ইন্দ্ৰত শৰণ।।
ৰাখি আছে পুৰন্দৰে পিয়াইয়া অমৃত।
সিহেতু নপৰৈ আসি তক্ষক বহ্নিত।।
শুনি আদেশিলা আতি ক্ৰোধত নৃপতি।
ইন্দ্ৰ সমে তক্ষকক কৰিয়ো আহুতি।।
মোৰ পিতৃ বৈৰীক ৰাখিবা পুৰন্দৰে।
জপাই দুইকো দহিয়োক বহ্নিত সত্বৰে।।

শুনি দ্বিজ সবে কৰিলন্ত অঙ্গীকাৰ।
লৈলা স্রুব উচ্চাৰিয়া মন্ত্র অভিচাৰ।।
পৰ আসি তক্ষকে সহিতে সুৰপতি।
এহি বুলি অগণিত দিলন্ত আহুতি।।
এতেক বোলন্তে ইন্দ্র তক্ষকে সহিত।
পৰন্ত স্বৰ্গৰ পৰা হুয়া ভয় ভীত।।
হৰিলন্ত চেতন জ্ঞান আকুল স্বভাৱ।
ত্ৰাহি ত্ৰাহি গুৰু বুলি দিলা দীৰ্ঘৰাৱ।।
হেন শুনি আথে বেথে গৈলা বৃহস্পতি।
ৰাজাক বোলন্ত শুনিয়োক মহামতি।।
বৈষ্ণৱৰ বংশ তুমি জগতে বিদিত।
তক্ষক বধিবে নুহি তোমাৰ উচিত।।
পিলেক অমৃত ভৈল অজৰ অমৰ।
মোৰ বাক্যে দ্ৰোহ নাচৰিবা বাসৱৰ।।
জীৱন মৰণ মিলৈ নিজ কৰ্ম্ম গতি।
সুখ দুখ দাতা আন নাহিকৈ নৃপতি।।
সৰ্পে চোৰে অগণিত যদি মৰৈ জলে।
তাহাকো মিলাৱৈ জানা নিজ কৰ্ম্ম ফলে।।
নুহিকে স্বতন্ত্র সৱে কৰ্ম্মৰ অধীন।
হেন জানি ৰাজা ইটো ক্ৰোধে হোৱা হীন।।
এৰা প্ৰাণী হিংসা সৰ্প সত্ৰ জন্মেজয়।
কোন দোষে কৰা ইটো সৰ্পৰ প্ৰলয়।।
মিছাতেসে কৰা তুমি ইটো অপৰাধ।
ললাটে লিখিত ফল দৈৱে নাহি বাধ।।
শুনি জন্মেজয় পাছে গুণিয়া মনত।
এৰিলন্ত সৰ্প সত্ৰ গুৰুৰ বাক্যত।।
বৈসায়া সাদৰে পাদ্য অৰ্ঘ্য দিলা দান।
কৰিলা নৃপতি বৃহস্পতিক সন্মান।।
গৈলা গুৰু ৰাজাক কৰিয়া আশীৰ্বাদ।
তক্ষক সহিতে ইন্দ্রে এৰাইলা প্ৰমাদ।।
ধাতু নামি আইল দুনাই উঠিলা স্বৰ্গত।
সূতে কহিলন্ত কথা ঋষি সমস্তত।।

এহিতো বিষ্ণুৰ মায়া নপাৰি তৰ্কিত।
বিষ্ণু অংশ জীৱ তাকো কৰে বিমোহিত।।
শ্ৰুতি জ্ঞান গুচি মহা মিলৈ ক্ৰোধ মোহ।
অন্যো অন্যে দেহত আচৰৈ মহা দ্ৰোহ।।
যাৱে কৃষ্ণ ৰূপক নকৰে নিৰূপণ।
যাৱত নধৰৈ তান অৰুণ চৰণ।।
যাৱে নোহে তান্ত এক শৰণ সাক্ষাত।
নেৰাই তাৱে দুৰ্জ্জন মায়াৰ নেৰে হাত।।
পৰম সুহৃদ ভাব আনত নকৰে।
কৃষ্ণে প্ৰাণ আত্মা বুলি যিটো জনে ধৰে।।
কৃষ্ণৰ চৰণ সেৱা নছাড়ে মনত।
সেহি নৰে তৰৈ মায়া ইটো সংসাৰত।।
বিষ্ণু পদ পাৱৈ গৈয়া সেহি নৰোত্তম।
দেহত গেহত যাৰ নাহি অহম্মম।।
সবাকো বিয়াপি আছা পুৰুষ পুৰাণ।
জানি হৰি বুদ্ধি কৰৈ সৱাকো সম্মান।।
কাৰো লগে আতিশয় নকৰি বিবাদ।
একোৱে প্ৰাণীক মনে নেদিয়া বিষাদ।।
দেহৰ নিমিত্তে এৰিবেক বৈৰ বুদ্ধি।
তেৱেসে কৃষ্ণক পাই চিত্তো হোৱৈ শুদ্ধি।।
নমো নমো কৃষ্ণ দ্বৈপায়ণ মহা ঋষি।
যাহাৰ প্ৰসাদে শাস্ত্ৰ জানিলো হৰিষি।।
নমো ব্যাস সূত শুক গুৰুক আহ্লাদে।
পাইলো মহাভাগৱত যাহাৰ প্ৰসাদে।।
আঙ্গুলি নিৰ্দ্দেশি মোক দেখাইলা স্নেহত।
এতেকতে কণ্ঠোগত ভৈলা ভাগৱত।।
সংসাৰ সাগৰে মোক দৰশাইলা নাৱ।
কি কহিবো শুক মহাগুৰুৰ প্ৰভাৱ।।
পৰীক্ষিত মোক্ষ এহিমানে সমাপতি।
আউৰ কিবা শুনিবে তোমাৰ আছে মতি।।
সুধিয়োক হৌক আসি মহা ভাগ্যোদয়।
কৰৈ কৃষ্ণ কথা কলিমলৰ প্ৰলয়।।

ইমানতে এই অধ্যায়ৰ বৰ্ণনা সমাপ্ত হৈছে। সপ্তম অধ্যায়ৰ কথা ইয়াত বাদ দি অষ্টম অধ্যায়ৰ উনোপঞ্চাশটি শ্লোকৰ আটাইকেইটি অনুবাদ সম্পন্ন কৰা হৈছে। তলত শ্লোকসমূহৰ অসমীয়া ৰূপ প্ৰকাশ কৰা হ'ল। যেনে—

(১) শৌনকে ক'লে— হে সাধু সূত! তুমি চিৰঞ্জীৱী হোৱা। অন্ধকাৰময় সংসাৰত ভ্ৰাম্যমান মানৱ সমাজৰ তুমিয়েই পাৰ প্ৰদৰ্শনত সমৰ্থ। হে বাগ্মীবৰ! আমাৰ ওচৰত পৌৰাণিক কাহিনী বৰ্ণনা কৰা।

(২) পৃথিৱীত মৃকণ্ডুতনয় মাৰ্কণ্ডেয় চিৰজীৱী বুলি খ্যাতি আছে। কলান্ত কালত এ জগতে বিনষ্ট হওঁতে তেওঁ কি প্ৰকাৰে জীৱিত আছিল, সেই কথা কোৱাচোন।

(৩) সেই ভৃগুবংশপ্ৰবৰ মাৰ্কণ্ডেয়-বৰ্তমান কল্পত আমাৰ বংশতেই জন্মিছিল, কিন্তু তাৰ পিছত এতিয়ালৈকে কোনো প্ৰাকৃতিক বা নৈমিত্তিক প্ৰলয় উপস্থিত হোৱা নাই।

(৪) তেতিয়া জলৰ বাহিৰে আৰু একো নাছিল। সেই অৱস্থাত মাৰ্কণ্ডেয় মুনিয়ে অকলশৰে সাগৰৰ মাজত ভ্ৰমণ কৰোতে কৰোতে দেখিলে বটপত্ৰৰ মাজত এটি অদ্ভুত পুৰুষ বিগ্ৰহ বালক শয়নাৱস্থাত আছে।

(৫) সেই একাৰ্নৱকৃতাৱস্থাত সেই অদ্ভুত ব্যাপাৰত এয়া আমাৰ ঘোৰ সংশয়, কৌতূহলো কিছু হৈছে। হে মহা যোগী! যিহেতু তুমি ইতিহাস জ্ঞানী; সেয়ে আমাৰ এই সংশয় দূৰ কৰা।

(৬) সূতে ক'লে— হে মহৰ্ষি শৌনক! তোমাৰ এই প্ৰশ্নসমূহ লোকসকলৰ ভ্ৰম প্ৰমাদ দূৰকাৰক। যি,প্ৰশ্নত ভগৱানৰ লীলা কথা থাকে, সেয়াই কলি পাপনাশক।

(৭) মাৰ্কণ্ডেয় মুনি পিতৃৰ ঔৰসত বিশুদ্ধভাৱে জন্মলাভ কৰি ক্ৰমে উপনয়নাদি সংস্কাৰ সাধিত হৈ যথাবিধি বেদাধ্যয়ন কৰি তপচৰ্য্যা আৰু বেদাদি নিয়ত পাঠ কৰিবলৈ ধৰিলে।

(৮, ৯, ১০) নৈষ্ঠিক ব্ৰহ্মচাৰী শান্ত ঋষি সংযম বৃদ্ধিৰ কাৰণে জঁটাধাৰী, বাকলি বস্ত্ৰ পৰিধায়ী হ'ল আৰু মেখলাৰ সৈতে যজ্ঞসূত্ৰ, দণ্ড, কমণ্ডলু, কৃষ্ণাজিন, অক্ষমালা, কুশ ধাৰণ কৰি অগ্নি, সূৰ্য গুৰু, বিপ্ৰ, আত্মাতে প্ৰাতঃ-সন্ধ্যা ভিক্ষা আহৰণ কৰি নিজ গুৰুক প্ৰদান আৰু তেওঁৰ অনুমতি লৈ এবাৰ মাত্ৰ মৌনীহে ভোজন কৰে। কিন্তু ভিক্ষাৰ অভাৱে উপবাসে থাকে।

(১১) এনে প্ৰকাৰে তপস্যা আৰু বেদাধ্যয়নত সদা নিৰত মাৰ্কণ্ডেয় মুনিয়ে যাৱজ্জীৱন হৰি আৰাধনা কৰি দুৰ্জয় মৃত্যুক জয় কৰিলে।

(১২) মাৰ্কণ্ডেয়ৰ তপস্যাচৰণত ব্ৰহ্মা, শিৱ, ভৃগু, দক্ষ প্ৰভৃতি প্ৰজাপতি আৰু মৰীচি প্ৰমুখ্যে অন্যান্য ব্ৰহ্মাৰ পুত্ৰসকল মানৱ, দেৱ পিতৃলোক আৰু অন্য প্ৰাণীসকল অতিশয় বিস্ময়ান্বিত হ'ল।

(১৩) তপস্যা, বেদাধ্যয়ন, আৰু সংযম সহকাৰে সুদীৰ্ঘ ব্ৰতধাৰী যোগী মাৰ্কণ্ডেয়ৰ শৰীৰত ৰোগাদিৰ প্ৰভাৱ নথকাত শান্তচিত্তে হৰি চিন্তা কৰিবলৈ ধৰিলে।

(১৪) যোগী মাৰ্কণ্ডেয় মুনিয়ে যোগ সাধনাৰে এনেকৈ ভগৱানত মন-প্ৰাণ সঁপি দিলে যে এই অৱস্থাত তেওঁৰ সুদীৰ্ঘকাল অতীত হৈ গ'ল আৰু ইয়াৰ মাজত ছটা মন্বন্তৰ অতিক্ৰম কৰিলে।

(১৫) হে শৌনক! এই সপ্তম মন্বন্তৰত ইন্দ্ৰই মাৰ্কণ্ডেয়ৰ এই তপস্যা বৃত্তান্ত বিদিত হৈ আৰু তেওঁৰ তপস্যাত শংকিত হৈ তেওঁৰ তপস্যা বিঘ্নিত কৰিবলৈ উদ্যত হ'ল ইত্যাদি।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ

শৌনক বদতি চিৰঞ্জীৱ হোৱা সূত।
তোমাতেসে শুনো কৃষ্ণ কথা অদভুত।।
অসাৰ সংসাৰে ভ্ৰমৈ যত প্ৰাণীচয়।
তাৰ পৰা দেখাই দিয়া তুমিসে নিৰ্ভয়।।
পৰম চিৰায়ু যিটো মৃকণ্ডু তনয়।
মাৰ্কণ্ডেয় নামে যাক জগতে জানয়।।
কেনমতে কল্পান্তত আছিলা অকলে।
কিমতে বৰ্ত্তিলী সিটো একাৰ্ণৱ জলে।।
আমাৰ কুলতে হুয়া আছা উতপন।
ভৈলন্ত কিমতে প্ৰলয়ক দৰিশন।।
অদ্যাপিও হোৱে নতু একোৱে প্ৰলয়।
নঘটে ইসব কথা মিলিল সংশয়।।
কহিয়োক সূত সিটো ভাৰ্গৱ মহন্তে।
ভয়ঙ্কৰ একাৰ্ণৱ জলত ভ্ৰমন্তে।।
বট পত্ৰ পুটে কৰি আছন্ত শয়ণ।
কেনে পাইলা বাল মুকুন্দক দৰিশন।।

ইহাকে শুনিতে আছে উৎসুক প্ৰধান।
ছেদিয়ো শংসয় তুমি সূত সৰ্ব্বজান।।
আপুনি পণ্ডিত জানা পুৰাণ বহুত।
দিলন্ত উত্তৰ পাছে হেন শুনি সূত।।
কৰিলাহা প্ৰশ্ন যিটো ঋষি মহাশয়।
শুনন্তে লোকৰ পাপচয় হোৱৈ ক্ষয়।।
যতে নাৰায়ণ কথা আছৈ পৰতেক।
এহিসে নাশিবে পাৰে কলিৰ পাতেক।।
মাৰ্কণ্ডেয় ঋষি মায়া দেখিবাক লাগি।
মাধৱক আৰাধি লৈলন্ত বৰ মাগি।।
মায়াতে দেখিলা পাছে সাত গোটা কল্প।
শুনা যেন পীড়া পাইলা নুহি ইটো অল্প।।
উপজিয়া মাৰ্কণ্ডেয় লভিলা সংস্কাৰ।
পঢ়িলা বেদক লৈয়া কুলৰ আচাৰ।।
পৰম নৈষ্ঠিক পাছে ভৈলা ব্ৰহ্মাচাৰী।
কৰে কমণ্ডলু দণ্ড মাথে জঁটাধাৰী।।
কটিত বাকলি বস্ত্ৰ কুশৰ মেখলা।
অজীণ উত্তৰী তান হাতে অক্ষ মালা।।
সূৰ্য অগ্নি গুৰু বিপ্ৰ আতে আনাতে।
হৰিক অৰ্চন্ত নিতে উভয় সন্ধ্যাতে।।
দুয়ো বেলা ভিক্ষা মাগি গুৰুক যোগান্ত।
গুৰু অনুমতিয়েসে এক সন্ধ্যা খান্ত।।
এহিমতে মাৰ্কণ্ডেয় তপস্যা আচৰি।
দশকোটি বৰিষ আৰাধে দেৱহৰি।।
বাঢ়ন্তেসে যাই নিতে কৃষ্ণক উৎসুক।
জিনিল ভকতি বলে দুৰ্জ্জয় মৃত্যুক।।
ব্ৰহ্মা হৰ ভৃগু দক্ষ আনো সিদ্ধচয়।
দেখিয়া তপস্যা আতি ভৈলন্ত বিস্ময়।।
নিয়ম সংযমে ব্ৰহ্মাচৰ্য্য ব্ৰত ধৰি।
একান্তে চিন্তন্ত সদা মনে মহা হৰি।।

এহিমতে ধ্যানতে মৃকণ্ডু তনয়ৰ।
বহি গৈলা কাল পাছে ছয় মন্বন্তৰ।।
সপ্তম মনুত পাছে দেৱ পুৰন্দৰ।
মহা ভয় ভৈলা দেখি তপস্যা বিস্তৰ।।
কৰে যেন তপ ইটো মৃকণ্ডু তনয়।
মোৰ ইন্দ্ৰ পদ কাঢ়ি লৈবেক নিশ্চয়।।
হৰুৱাইলো দণ্ডপাট পুৰী অম্ৰাৱতী।
হৰুৱাইলো ইটো অপেচৰাক সম্প্ৰতি।।
ৰাত্ৰি দিনে তান চিন্তা নুগুচৈ হিয়াত।
কিমতে কৰিবো এৱে তপস্যা বিঘাত।।
লৈবে পাৰে কাঢ়ি আসি ত্ৰৈলোক্য সম্প্ৰতি।
হেনসে কৰিলে আৱে বিধি বিসঙ্গতি।।
মোৰ যমকাল ভৈল মৃকণ্ডু তনয়।
হেন মনে গুণন্তে দেখন্ত তমোময়।।

(১৬) ইন্দ্ৰই মুনিৰ তপ ভংগ কৰিবলৈ তেওঁৰ আশ্ৰমলৈ গন্ধৰ্ব, অপ্সৰা, মদন, বসন্ত মলয়বায়ু, লোভ আৰু মদক প্ৰেৰণ কৰিলে।

(১৭) হে মহৰ্ষি! হিমালয়ৰ উত্তৰ ফালে যি স্থানত পুষ্পভদ্ৰা নদী প্ৰৱাহিত হৈছে আৰু যি স্থানত চিত্ৰা নামৰ শিলা প্ৰতিষ্ঠিত হৈছে, সেই ঠাইতেই মুনিৰ আশ্ৰম আৰু তালৈকে ইন্দ্ৰ প্ৰেৰিত গন্ধৰ্বাদি দেৱসকল গমন কৰিলে।

(১৮, ১৯) সেই আশ্ৰমখন পৱিত্ৰ তৰু লতাৰে আচ্ছন্ন আৰু পৱিত্ৰ দ্বিজসকলৰ দ্বাৰা পৰিবেষ্টিত। তাৰ সৰোবৰৰ জল পৱিত্ৰ আৰু নিৰ্মল, মধুলোভী ভ্ৰমৰসকলে তাত গুঞ্জণ কৰে, মত্ত কোকিলে কলৰৱ কৰি থাকে, ময়ূৰসকলে চালি ধৰি নৃত্য কৰি কৰি কেকা শব্দ কৰে আৰু পক্ষীসকলৰ দ্বাৰা সমাকীৰ্ণ হৈ থাকে।

(২০) মলয়া বায়ু সেই আশ্ৰমত প্ৰৱাহিত হৈ থাকে, সুগন্ধি কুসুমত আসক্ত হৈ শীতল নিঝৰাৰ কণা গ্ৰহণ কৰি পৱনে মদন উদ্দীপিত কৰে।

(২১) তাত সন্ধ্যা সময়ত চন্দ্ৰ উদয় হ'লত নৱ নৱ পত্ৰ পল্লৱসমূহে স্নিগ্ধ তৰুলতাৰে সৈতে সুন্দৰৰূপে প্ৰকাশিত হ'ল আৰু বসন্তই আহি দেখা দিলেহি।

(২২) অপ্সৰাসকলৰ দলপতি কামদেৱে পুষ্পধনু সম্মোহনাদি বাণ হাতত লৈ উপস্থিত হ'লহি। গীত বাদ্যকাৰী গন্ধৰ্বৰ দল তেওঁৰ আগে আগে আহি ৰ'লহি।

(২৩) ইন্দ্ৰৰ ভৃত্য কামদেৱে প্ৰভৃতি আশ্ৰমলৈ আহি অগ্নিত আহুতি দি উপৱিষ্ট ঋষিক দেখা দিলেহি আৰু সেই মুদিত নয়ন মূৰ্তিমান অগ্নিতুল্য আসন উপৱিষ্ট মুনিক দেখা পালে।

(২৪) ইয়াৰ পিছত অপ্সৰাসকলে ঋষিৰ সমুখত নৃত্য কৰিলে, গন্ধৰ্বসকলে গীত গালে, বাদ্যকাৰ সকলে মৃদংগ বীণা, পনৱাদি বাদ্য মন্ত্ৰাদি যোগে মনোৰম সাংগীতিক কাৰ্যক্ৰম প্ৰকাশ কৰিবলৈ ধৰিলে।

(২৫) তেতিয়া কামদেৱে নিজৰ পঞ্চশৰ ধনুত যোজনা কৰিলে। বসন্ত লোভ, মোহ আদি ইন্দ্ৰানুচৰসকলে ঋষিৰ মন বিচলিত কৰিবলৈ যত্ন কৰিলে।

(২৬, ২৭) অপ্সৰাই কন্দুক ক্ৰীড়া কৰিবলৈ ধৰিলে, কন্দুকৰ গতি কোন দিশে হৈছে, তালৈ লক্ষ্য কৰি চাৰিওদিশে ভ্ৰমণ কৰিবলৈ ধৰিলে, সেয়ে কেশবদ্ধ মালা স্খলিত হ'ল, স্তনভাৰত তেওঁৰ কটিদেশ কুঞ্চিত হৈ গ'ল আৰু কটিবন্ধন ৰজ্জু সুলকি পৰাত তেওঁৰ বস্ত্ৰ বায়ুৱে উৰুৱাই লৈ গ'ল।

(২৮) কামদেৱে ভাবিলে মুনিয়ে বশ্যতা স্বীকাৰ কৰিছে। এনে সময়তে তেওঁ শোষণাদি শৰ নিক্ষেপ কৰিলে। কিন্তু ভাগ্যহীনজনৰ যেনেকৈ সকলো উদ্যম ব্যৰ্থ হৈ যায়, তেনেকৈ তেওঁৰো সমস্ত যত্ন বিকল হৈ গ'ল।

(২৯) হে শৌনক! এনেদৰে কামদেৱাদি অশিষ্টসকল মুনিৰ তেজত ম্লান পৰি বালকসকলে ৰজ্জুক সৰ্পবোধে যেনেকৈ পলায়ন কৰে সেইদৰে পলায়ন কৰিলে।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ—

নিগদতি সূত শুনা শৌনক প্ৰমুখ্যে ঋষি
যেন কথা ভৈলা তাত পৰে।
পৰম বিষাদ মনে সেনা সমে মদনক
আনি আদেশিলা পুৰন্দৰে।।
শুনিয়ো মদন মন্দ বায়ু বিদ্যাধৰ সব
বসন্ত কোকিল লোভ মোহ।
যেন তেন মতে পাৰা সৈয়া তপ ভঙ্গ কৰা
কৰৈ ঋষি মোক মহাদ্ৰোহ।।

হেৰ অপেচৰী লোক আপদে উদ্ধাৰা মোক
কৰা গৈয়া ঋষিক মোহিত।
বসন্ত মলয়া বাৱ কোকিল সত্বৰে যাৱ
ঋষিৰ মথিয়ো গৈয়া চিত্ত।।
হেন শুনি কামদেৱ ইন্দ্ৰক কৰিয়া সেৱ
গগনে চলিলা পিন্ধি কাছ।
তাহান যোগান ধৰি লয় লাসে বিদ্যাধৰী
কতো আগ কতো ভৈলা পাছ।।
হেমৱন্ত পৰ্বতৰ উত্তৰ পাৰ্শ্বত আছে
মাৰ্কণ্ডেয় ঋষিৰ আশ্ৰম।
পুষ্পভদ্ৰা নদী তটে প্ৰকটে প্ৰকাশে পুনু
পাথৰৰ তম্ভ মনোৰম।।
আনো অসংখ্যাত ঋষি হৰিষে নিবাস কৰৈ
বেদ ধ্বনি শুনি ঠাৱে ঠাৱে।
কতো যোগ অভ্যাসয় পৰম ভকত চয়
আনন্দে গোৱিন্দ গুণ গাৱে।।
পুণ্য বৃক্ষ লতা তাৰ কুলে কুলে জাতিষ্কাৰ
যেন কল্পতৰুৰ স্বভাৱ।
আছে যত সৰোবৰ নিৰ্ম্মল পৱিত্ৰ জল
পদ্মবনে হংসৰ আৰাৱ।।
পুষ্পৰসে হুয়া মত্ত গুঞ্জৰে ভ্ৰমৰ যত
কোকিলৰ কুহু কুহু নাদ।
প্ৰমত্ত ময়ুৰচয় উৎসুকে নাচন্তে আছে
মিলৈ মহা মনত উন্মাদ।।
সুগন্ধি শীতল বাত লহু লহু বহে তাত
মনত বঢ়াবৈ কাম ভাব।
অৱসান ভৈল দিন চন্দ্ৰৰ উদয় দেখি
আনন্দে চটকে কাঢ়ে ৰাৱ।।
শীতল দীপিতি আতি প্ৰকাশে পুষ্পিত বন
তাৰ গন্ধে দশোদিশ বাসে।

কৰৈ কান্তি তপোবন কুমুদ উৎপল যেন
সুহৃদ চন্দ্ৰক চাই হাসে।।
সেহি সময়ত তৈত মিলিল মদন আসি
অপেচৰা সমূহ সহিত।
কোকিল বসন্ত ৰাৱ মলয় মদন আসি
পৰম উন্মাদ কৰৈ চিত।।
মাৰ্কণ্ডেয় ঋষিৰাজ পূজাৰ সঙ্কলি কাজ
বসি আছা থিৰ কৰি কায়।
নিৰোধিয়া মন প্ৰাণ কৃষ্ণক কৰন্ত ধ্যান
যেন মূৰ্তিমন্ত অগ্নিপ্ৰায়।।
দেখিয়া ইন্দ্ৰৰ গণ পৰম উৎসাহ মন
পাতিলন্ত নাট তান আগে।
গন্ধৰ্বৰ মৃদঙ্গ বাৱে বিদ্যাধৰী সৱে গাৱে
উচ্ছায়া পঞ্চম অনুৰাগে।।
কটাক্ষে নিৰেখি হাসে আতিশয় লয়লাসে
অপেচৰী সৱে কৰে নৃত্য।
বহয় মলয়া ৰাৱ কোকিলো তেজিলে ৰাৱ
নটলে তথাপি তান চিত।।
প্ৰবন্ধিয়া লোভ মোহ বসন্ত মলয়া বাৱ
সৱে মিলি মনক চালয়।
বসিয়া আছন্ত ঋষি কৃষ্ণৰ চৰণ চিন্তি
তান একো লোম নলৰয়।।
তাল কৰতাল ঠুঙ্কি উৎসুকে আনন্দে বালা
বজায়া মধুৰ মহামন্ত্ৰ।
মদনৰ শিক্ষা ধৰি কুহু কুহু নাদ কৰি
কোকিলে শুনাৱে যেন মন্ত্ৰ।।
নাচে অপেচৰী বেঢ়ি কতো খেলে ভণ্টা খেড়ি
কাৰো খসৈ খোপাৰ মালতী।
লৰে উচ্চ কুচ ঘনে কেৱলে ভণ্টাক মনে
আতি লয় লাসে কৰৈ গতি।।

হালে আতি কৃষকটি মেখলা পৰম ছিণ্ডি
উৰুৱাইলে বস্ত্ৰক বতাসে।
গোপ্য অঙ্গ হোৱৈ উদি কতো থাকে চক্ষু মুদি
ঋষিক নিৰেখি কতো হাসে।।
কামদেৱ ধনুধৰ জুৰিলন্ত পঞ্চশৰ
ব্ৰহ্মা তোল গাৱে যিটো যাঞ্চ।
সঙ্গোপন সম্মোহন সন্দীপণ প্ৰতাপন
সম্মৰ্দ্দন নাম এহি পাঞ্চ।।
বাম ভৰি আগ কৰি ধনুক ভিৰিয়া ধৰি
আচৰিয়া তপৰ বিপক্ষক।
প্ৰবন্ধিয়া চিত প্ৰাণ প্ৰহাৰিলা পঞ্চবাণ
মদনে ঋষিক কৰি লক্ষ্য।।
নুচুলে তাহান অঙ্গ নকৰিলে ভুৰিভঙ্গ
দেখা কেনে ভকতিৰ বল।
পৰাক্ৰম ভৈল ব্যৰ্থ দৰিদ্ৰৰ মনোৰথ
যেন হোৱে আপুণি বিকল।।
ইন্দ্ৰৰ কিঙ্কৰচয় বোলৈ হুয়া মহাভয়
আহাঙ্ক মুহিবে কাৰ বাপে।
নলড়িল একো অঙ্গ তপস্যা নভৈল ভঙ্গ
এৱে নষ্ট হুইবো চণ্ডশাপে।।
ঋষিৰ মুখক চাই পাচ ভৰি গুচি যাই
বাজ হুয়া লৱৰি পলাৱে।
পেহ্লায়া নাচৰো কাচ উলটি নচাৱে পাচ
অপ্সৰাৱতী নপাইলন্ত যাৱে।
ওষ্ঠ কণ্ঠ শুখাইল দুখে নিশ্বাস বজাইলা মুখে
বিবৰ্ণ বদন যেন মৰা।
ইন্দ্ৰক প্ৰণামি পাছে বসিলা তাহান কাছে
মদন পৱন অপেচৰা।।
কহিলা বৃত্তান্ত চয় শুনি ইন্দ্ৰ ভৈলা ভয়
আৰ মোৰ নাই ৰক্ষা হেতু।

ভৈল মৰণৰ বাট হৰুৱাইলো দণ্ডপাট
ঋষি ভৈলা মোৰ ধূমকেতু।।
সুখ শান্তি নাহি আৰ শুনি গুণি অন্ধকাৰ
দেখন্তেসে নপান্ত উপায়।
অন্নপান নুৰুচয় হাটকোট নুশুচয়
চিন্তা দুখে দণ্ডে যুগ যায়। ইত্যাদি।

(৩০) হে ব্ৰাহ্মণ! ইন্দ্ৰানুচৰ কামাদি দেৱতাৰ দ্বাৰা এনেধৰণৰ ধৰ্ষিত হৈ মহামুনি মাৰ্কণ্ডেয় যি অহংকাৰ জনিত বিকাৰ প্ৰাপ্ত হোৱা নাই, মহৎ ব্যক্তিসকলৰ পক্ষে এয়া কোনো বিচিত্ৰতা নাই।

(৩১) স্বৰ্গপতি ইন্দ্ৰই নিজ অনুচৰ কামাদিসকলৰ মুখ ম্লান দেখি আৰু বিপ্ৰবৰ মাৰ্কণ্ডেয়ৰ মাহাত্ম্য অনুভৱ কৰি পৰম বিস্ময় হ'ল।

(৩২) তপস্যা, বেদপাঠ, আৰু সংযম এই তিনিটি কৰ্মত সন্তুষ্ট হৈ ঋষিক অনুগ্ৰহ কৰিবলৈ নৰনাৰায়ণ হৰি সেই স্থানত আবিৰ্ভাৱ হ'লহি।

(৩৩) তেওঁলোকৰ এজন শুক্লবৰ্ণ, আনজন কৃষ্ণবৰ্ণ, নয়ণ নৱপদ্মতুল্য, দুয়োজন চতুৰ্ভুজ। তেওঁলোক এজনৰ বস্ত্ৰ কৃষ্ণাজিন আৰু আনজনৰ বস্ত্ৰ বাকলি। তেওঁলোক কুশহস্ত, আৰু ত্ৰিগুণ যজ্ঞসূত্ৰ, কমণ্ডলু আৰু পোন বংশদণ্ড ধাৰণ কৰিছে।

(৩৪) মূৰ্তিমান তপোমূৰ্তি সেই উন্নত দুয়োজনৰ এজনে কমলমালা আৰু আনজনে অক্ষমালা ধাৰণ কৰিছে। জনগণৰ শুদ্ধিকাৰক কুশমুষ্টি তেওঁলোকৰ হাতত আছে। দেৱশ্ৰেষ্ঠসকলৰ অভিবন্দিত সেই দেৱ দুজনৰ অংগ কান্তি উজ্জ্বল বিদ্যুতৰ সমান পিঙ্গল।

(৩৫) মুনিয়ে সাক্ষাৎ ভগৱান দুই ঋষি নৰনাৰায়ণক দেখি গাত্ৰোত্থান কৰি সাদৰেৰে দণ্ডৱৎ প্ৰণাম কৰিলে।

(৩৬) তেওঁলোকক দেখি মুনিৰ দেহ, ইন্দ্ৰিয় আৰু মন শান্ত হৈ গ'ল। শৰীৰ ৰোমাঞ্চ নয়ন অশ্ৰুজলে ব্যাপ্ত হ'ল। তেওঁ দুয়োজনক সেই কাৰণে পুনৰ দৃষ্টিপাত কৰিব নোৱাৰিলে।

(৩৭) মুনিয়ে তেতিয়া প্ৰণাম কৰি উঠি নম্ৰভাৱে কৃতাঞ্জলি কৰি উৎসুকসহকাৰে যেন তেওঁলোকক আলিংগন কৰি এনেভাবেৰে তেওঁ নৰনাৰায়ণক গদ গদ বাক্যে আপোনালোকক 'নমস্কাৰ নমস্কাৰ' এনেকৈ ক'বলৈ ধৰিলে।

(৩৮) তেওঁলোকক বহিবলৈ আসন আগ বঢ়াই দি পদদ্বয় প্ৰক্ষালন কৰিলে আৰু অৰ্ঘ্য, অনুলেপন, ধূপ, মালা আদিৰে তেওঁলোকক পূজা কৰিলে।

(৩৯) মুনিয়ে প্ৰসন্নতাপূৰ্ণ সমাগত আসনত উপৱিষ্ট শ্ৰেষ্ঠ সেই নৰনাৰায়ণ ঋষিক এই কথাখিনি ক'বলৈ ধৰিলে।

(৪০) হে বিভু! আপোনাৰ বৰ্ণনা কৰিম কি! যিহেতু আপোনাৰ প্ৰেৰণাতে প্ৰাণ পৰিচালিত হয়। আপোনাৰ আশ্ৰয় কৰি বাক্য, মন, ইন্দ্ৰিয়সকলে কাৰ্য সম্পাদন কৰে। প্ৰাকৃতসকলৰ কথাই নাই— ব্ৰহ্মা, শিৱ সম্পৰ্কেও একেই কথা আৰু আমাৰ সম্পৰ্কেও একেই। তথাপি আপোনাক যিসকলে উপাসনা কৰে আপুনি প্ৰেমাকৃষ্ট হৈ তেওঁলোকৰ বশ্যতা স্বীকাৰ কৰি থাকে।

(৪১) হে ভগৱান! আপোনাৰ এই মূৰ্তি ত্ৰিলোকৰ মঙ্গল, দুখ নিবাৰণ আৰু মুক্তিৰ কাৰণ। আপুনি এই বিশ্ব পালনৰ কাৰণে অন্যান্য শৰীৰ ধাৰণ কৰে আৰু সেইদৰে সংকোচনো কৰিব পাৰে।

(৪২) আপুনি স্থাবৰ, জংগমৰ গৰাকী আৰু ৰক্ষক। আপোনাৰ চৰণাশ্ৰয় কৰিলে কৰ্ম আৰু গুণৰ ৰজোৰূপ মলিনতাই তেওঁক স্পৰ্শ কৰিব নোৱাৰে। সেই কাৰণে বেদ তাৎপৰ্য জ্ঞানী মুনিসকলে আপোনাৰ সেই পাদপদ্মৰ আশ্ৰয় অভিলাষে আপোনাক স্তুতি, প্ৰণাম, পূজা আদি কৰি থাকে।

(৪৩) হে প্ৰভু! আপুনি সাক্ষাৎ মোক্ষমূৰ্তি। সংসাৰ ভীতজন আপোনাৰ পদাশ্ৰয় ভিন্ন আন কোনো মংগল দেখা নাই। অতি দীৰ্ঘকাল স্থায়ী ব্ৰহ্মাগুও কালৰ ওচৰত ক্ষয়প্ৰাপ্ত হয়। সেয়ে আনৰ কি কথা থাকিব পাৰে?

(৪৪) এতেকে এই বিনাশী, নিষ্ফল, তুচ্ছ আত্মভ্ৰম প্ৰতিপাদক আত্মাক আবৰি থকা এই দেহ গেহাদিৰ অভিমান এৰি সত্য জ্ঞাননিষ্ঠ আপোনাৰ পাদপদ্ম ভজনা কৰো। কিয়নো যদি এনেদৰে উপাসনা কৰা হয়, তেন্তে আপোনাৰ ওচৰত সকলো অভীষ্ট লাভ হৈ থাকে।

(৪৫) হে প্ৰভু! এই জগতৰ পালন, সৃষ্টি, সংহাৰৰ কাৰণ সত্ত্ব, ৰজ, তম আদি সকলো আপোনাৰ মায়া। হে আত্মাবন্ধু! আপোনাৰ সত্ত্ব গুণময় হ'ল শান্তিদায়ক। আন ৰজ আৰু তমো গুণ হ'ল মোহ আৰু ব্যসনৰ কাৰণ। এতেকে আপোনাৰ ত্ৰিবিধ লীলাই মায়াময়ী।

(৪৬) হে ভগৱান! সেই কাৰণেই আপোনাৰ উপাসনাৰ বিষয়ে নিপুণ উপাসকসকলে আপোনাৰ ত্ৰিগুণ মূৰ্তিৰ মাজত নিজৰ প্ৰিয় সত্ত্ব মূৰ্তিৰ

উপাসনা কৰি থাকে। তাৰ পৰাই লোকসকলে অভয় আৰু আত্মসুখ লাভ কৰিব পাৰে কাৰণে অন্য মূৰ্তিৰ সেৱা নকৰে।

(৪৭) তেনে ধৰণৰ ভগৱান পুৰুষ মূৰ্তি সৰ্বব্যাপক সৰ্বপ্ৰাণী স্বৰূপ বিশ্বগুৰু অভীষ্ট দেৱতা নৰোত্তম সত্ত্বমূৰ্তি বাক্ সংযমী বেদ প্ৰৱৰ্তক নাৰায়ণ ঋষিক নমস্কাৰ।

(৪৮) আপোনাৰ ৰহস্য বেদ শাস্ত্ৰতেই প্ৰকাশিত হৈছে। বেদৰ পৰাই আপোনাৰ স্বৰূপ জ্ঞান হৈ থাকে। ব্ৰহ্মাদি দেৱতাসকলে আপোনাৰ স্বৰূপ বুজিবলৈ চেষ্টা কৰিও বিফল হয়, সাংখ্য তত্ত্বয়ো অনুৰূপ অনুসৰণ কৰিব নোৱাৰে, আপুনি জ্ঞানৰ অতীত, আপোনাক আত্মহৃদয়ৰ মাজত প্ৰণাম কৰো ইত্যাদি।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ—

নিগদতি সূত শুনা কথা আত পৰে।
কৰিল উৎপাত যত ইন্দ্ৰৰ কিংকৰে।।
তথাপি নুঠিল ক্ৰোধ মৃকণ্ডু পুত্ৰৰ।
নুহি ইটো আশ্চৰ্য একান্ত ভকতৰ।।
কৃষ্ণ চৰণত চিত্ত নিবেশি সাক্ষাত।
নকৰিলা ভুৰি ভঙ্গ ইন্দ্ৰৰ মায়াত।।
দিব্য নাৰী সৱে দৰশাইলা কাম ভাব।
নটলিল মেৰু যেন বিচনীৰ বাৱ।।
নিয়মে সংযমে আতি চিত্ত বশ্য কৰি।
চিন্তি আছা বিষ্ণুক নিবিড় ধ্যান ধৰি।।
পৰম সন্তুষ্ট হুয়া ঋষিৰ সেৱাত।
ভৈলা নৰনাৰায়ণ আগতে সাক্ষাত।।
শুক্ল কৃষ্ণ মূৰ্তি দুই মহা মনোহৰ।
প্ৰকাশে বদন দুইৰো যেন শশধৰ।
ঈষত হসিত মুখ পঙ্কজ লোচন।
দৰশনে হোৱৈ মহাপাতক মোচন।।
চাৰু চতুৰ্ভুজ দুইৰো বলিত সমান।
কৃষ্ণসাৰ চৰ্ম্ম শৰীৰত পৰিধান।।

দণ্ড কমণ্ডলু অক্ষমালা আৰো কুশ।
বেশ ধৰি আছা দুয়ো পৰম পুৰুষ।।
বান্ধিছা মেখলা কটিতটক আৱৰি।
কান্ধে নৱগুণ দুইৰো অজিন উত্তৰি।।
তপৰ প্ৰভাৱে যেন বিজুলী প্ৰকাশে।
চাহন নযাই দুইকো নয়ন নভাসে।।
মায়ায়ে স্ৰজন্ত যিটো ইটো ত্ৰিজগত।
ব্ৰহ্মা হৰে কৰে যাৰ পাৱে অৱনত।।
হেন ঈশ্বৰৰ ৰূপ নাৰায়ণ ঋষি।
দিলা দেখা মাৰ্কণ্ডেয় ঋষিক হৰিষি।।
চক্ষু মেলি চাইলা পাছে মৃকণ্ডুৰ সুত।
নৰনাৰায়ণ ৰূপ দেখি অদভুত।।
মিলিল সম্ভ্ৰম উঠিলাহা আথে-বেথে।
দণ্ডৱতে পৰি প্ৰণামিলা নমাই মাথে।।
পৰম সাদৰে পৰি আছা কতোক্ষণ।
চক্ষু মেলি চাইলা প্ৰাণ প্ৰভুৰ চৰণ।
দেখিলা পাৱৰে পৰা বয়ন নয়ন।
জুৰাইল অমৃত প৲ি যেন তনু মন।।
দ্ৰৱিল হৃদয় ভৈল ৰোমাঞ্চ শৰীৰ।
ধাৰায়ে নিগড়ে দুয়ো নয়নৰ নীৰ।।
উপজিল প্ৰেমভাব পৰম হৰিষি।
আউৰ চাহিবাক দুইকো নপাৰন্ত ঋষি।।
আখি মুখ মচি পাছে চিত্ত কৰি থিৰ।
কৃতাঞ্জলি বুলিলা বচন ধীৰে ধীৰ।।
লোতকে নিৰোধ কণ্ঠ বাক্য গদ্ গদ্।
নমো নমো দুয়ো ঈশ্বৰৰ পাদপদ্ম।।
আসনে বৈসাইলা দুইকো ভৈলা নম্ৰভাৱ।
লৈলা পাদোদক দুইৰো পখালিয়া পাৱ।।
পাদ্য অৰ্ঘ্য নৈবেদ্য চন্দন পুষ্পে গন্ধে।
অৰ্চিলা চৰণ দুইৰো অনেক প্ৰবন্ধে।।

সুখে বসি আছা যেন দুই পূৰ্ণকাম।
দেখি মাৰ্কণ্ডেয় দুনাই কৰিলা প্ৰণাম।।
ধৰি কৃতাঞ্জলি জানু পাৰি আছে ঋষি।
হুয়া অৱনত তুতি বুলিলা হৰিষি।।
কৰো তুতি কিমতে তুমিসে নিজ আয়ু।
তোমাৰেসে কৃপাতে সঞ্চৰে প্ৰাণ বায়ু।।
তেৱেঁসে সচল হোৱৈ ইন্দ্ৰিয় যতেক।
মুখতো বচন বজাই তেৱেঁসে প্ৰত্যেক।।
আছোক সামান্য প্ৰাণী তাৰ কোন কথা।
ব্ৰহ্মা মহেশ্বৰো প্ৰভু হেনয় অৱস্থা।।
দাৰুৰ পুতলি যেন যত জীৱ আমি।
যেন চাই কুৰৱা তুমিসে অন্তৰ্য্যামী।।
তথাপিতো কায় বাক্য মনে যিটোজনে।
তোমাকেসে সেৱা কৰে একান্ত যতনে।।
তাহাৰেসে হোৱা তুমি পৰম বান্ধৱ।
নাহি তাত পৰে বন্ধু তোমাৰ মাধৱ।।
উপজৈ পিতৃৰ স্নেহ কেৱলে পুত্ৰত।
নাহিকে আপোন পৰ তোমাৰ সিমত।।
যেই সেই মতে ভজে কৰিয়া নিশ্চয়।
বোলা তাক সুহৃদ এতেকে কৃপাময়।।
নুহিকা ধৰ্ম্মৰ পুত্ৰ জগত আধাৰ।
ভৈলা আনো যেন মৎস্য কূৰ্ম্ম অৱতাৰ।।
ত্ৰৈলোক্য ৰক্ষাৰ হেতু তোমাৰ উদয়।
দিবা মোক্ষ লোকৰ খণ্ডিয়া দুখ ভয়।।
যত সৃষ্টি প্ৰলয় তোমাত হন্তে মিলে।
যেন জাল পাতিয়া মকৰে দুনাই গিলে।।
জানিলো তুমিসে ইটো জগত কাৰণ।
তোমাকেসে ভজো নিতে পশিয়া শৰণ।।
এইহ চৰণক যিটো কৰিলে আশ্ৰয়।
তাকেসে নোচোৱৈ কৰ্ম্মমল কাল ভয়।।

বেদ তাৎপৰ্য্য জানে যত মহামুনি।
এহি চৰণৰ মাত্ৰ কথা থাকে শুনি।।
আকেসে অৰ্চ্চনা কৰে আকেসে প্ৰণাম।
এহি চৰণৰ মাত্ৰ স্মৰৈ গুণ নাম।।
যেন মতে পাঞ্ঁ আক ইসে পৰমাৰ্থ।
আতপৰে নজানো অপৰ পুৰুষাৰ্থ।।
তোমাৰ কটাক্ষে মিলে ব্ৰহ্মাৰো বিঘাত।
সত্য লোক পৰ্য্যন্তে কালৰ নেৰাই হাত।।
সামান্য প্ৰাণীৰ আৰ কৈবো কিবা কথা।
কাল সৰ্পে দংশি মাৰৈ যায় যথা তথা।।
তুমি মোক্ষ মূৰ্ত্তিৰেসে চৰণ সেৱাত।
জানো লোক নিশ্চয়ে কালৰ নেৰাই হাত।।
জগত উদ্ধৰে তোমাৰেসে সেৱা স্বামী।
আতপৰে কুশল নজানো আৰ আমি।।
মিছা দেহে গেহে কৰৈ পৰম আকুল।
আক এড়ি ভজিলো তোমাৰ পাদমূল।।
তুমিসে স্বৰূপ আন সৱে মায়া পথ।
প্ৰাণ প্ৰভু তোমাৰ পুৰিয়ো মনোৰথ।।
যদ্যাপি পৰম গুৰু তুমিসে আপুনে।
লীলায়ে ধৰাহা তিনি মূৰ্ত্তি তিনি গুণে।।
তথাপি ভকতে ভজে সাত্ত্বিক মূৰ্ত্তিক।
গুচৈ দুখ মিলৈ সুখ মোক্ষতো অধিক।।
আন মূৰ্ত্তি নুৱাৰন্ত দুখক খণ্ডিত।
কৰন্ত অনিষ্ট ছিদ্ৰ দেখিলে কিঞ্চিত।।
তুমি সুবৎসল প্ৰভু দেৱতা নিচল।
তোমাৰেসে সেৱা সাধে পৰম কুশল।।
ঈশ্বৰৰ ৰূপ বুলি আনক নমানে।
নাৰায়ণ মূৰ্ত্তিক ভকতে প্ৰিয় মানে।।
যাহাক ভজিলে বৈকুণ্ঠত হোৱৈ থিতি।
তথাতেসে নাহিকে কালৰ হস্তে ভীতি।।

লোকৰ ভিতৰ হন্তে তথাপি বিশেষ।
কদাচিতো নাহি তাত কালৰ প্ৰৱেশ।।
আছে যদি মহা মহাভাগ্য ভৰিপূৰ।
তথাপিতো আত্মা সুখ তাতেসে প্ৰচুৰ।।
সিটো বৈকুণ্ঠক পাৱৈ যাহাৰ সেৱাত।
নমো হেন ভগৱন্ত তোমাক সাক্ষাত।।
পৰম পুৰুষ বিশ্বৰূপী ব্যাপি ব্ৰহ্ম।
নমো নমো নাৰায়ণ ঋষি নৰোত্তম।।
নমো নমো পৰম দেৱতা অচ্যুতক।
নমো চৰাচৰৰূপী ব্ৰহ্ম অৱতাৰ।
অগতিৰ গতি প্ৰভু কৰিয়ো আমাৰ।।
মিছা বিষয়কো যিটো কৰৈ মাত্ৰ ধ্যান।
চাৰিবেদ পঢ়ন্তো নুপজে তাৰ জ্ঞান।।
যদ্যপি সুহৃদ তুমি আছা হৃদয়ত।
নজানে তথাপি তাতো নুহিকা বেকত।।
যি বেদে তোমাক কহে তাকে নিতে পঢ়ে।
তথাপি অজ্ঞান তাৰ নিতে নিতে চড়ে।।
তোমাৰ মায়ায়ে আতি আৱৰিল মতি।
পাইলেক দুৰ্গতি সিটো গৈল অধোগতি।।
বেদেসে প্ৰকাশে প্ৰভু তোমাৰ ৰহস্য।
বেদ তাত পৰ্য্য জানিলেসে হোৱা বশ্য।।
যোগ সাংখ্য চিন্তে যিটো তেজিয়া সেৱাক।
ব্ৰহ্মাদিয়ো হোৱৈ মোহ নপায়া তোমাক।।
তুমিসি কৰুণাময় পুৰুষ পুৰাণ।
মঞি মহা ভিক্ষুক ভকতি দিয়ো দান।।
তোমাৰ চৰণে ৰতি মিলোক আমাৰ।
হে মহাপুৰুষ কৰোহো নমস্কাৰ।।৬৯

মাৰ্কণ্ডেয়ৰ উক্ত স্তুতিৰ পিছতে নৰনাৰায়ণৰ প্ৰবচন প্ৰকাশ কৰা হৈছে এই স্কন্ধৰে নৱম অধ্যায়ৰ পৰা। এই অধ্যায়টিৰ শ্লোক সংখ্যা চৌত্ৰিশ আৰু ইয়াৰ আটাইকেইটিৰ অনুবাদ সম্পূৰ্ণ কৰা হৈছে। তলত শ্লোক কেইটিৰ

অনুবাদ তুলি দিয়া হ'ল। যেনে—

(১) সূতে ক'লে— ধীমান মাৰ্কণ্ডেয়ই এনে প্ৰকাৰে স্তুতি কৰাত সৰ্ব্বপ্ৰাণী বন্ধু নাৰায়ণে প্ৰীতিসহকাৰে মাৰ্কণ্ডেয়ক ক'বলৈ ধৰিলে।

(২) ভগৱানে ক'লে— হে ব্ৰহ্মৰ্ষি প্ৰবৰ! তপস্যা, স্বাধ্যায়, সংযম অৱলম্বলন কৰি চিত্তৰ একাগ্ৰতাৰ দ্বাৰা আমাত বিশুদ্ধ ভক্তি কৰি তুমি সিদ্ধি লাভ কৰিছা।

(৩) তোমাৰ নৈষ্ঠিক ব্ৰহ্মচৰ্য ব্ৰতত আমি তোমাৰ প্ৰতি সন্তুষ্ট হৈছো। হে শান্তমূৰ্ত্তি! তোমাক বৰ দান কৰিম, সেয়ে অভীষ্ট বৰ গ্ৰহণ কৰা।

(৪) ঋষিয়ে ক'লে— হে দেৱদেৱেশ! আপুনি আমাৰ প্ৰতি উৎকৰ্ষ প্ৰদৰ্শন কৰিছে। হে প্ৰপন্নজনতাৰণ অচ্যুত! আপুনি যি আমাৰ প্ৰত্যক্ষ দৰ্শন দিছে, সেয়াই আমাৰ বৰ, অন্য বৰ প্ৰাৰ্থনা নকৰো।

(৫) ব্ৰহ্মাদি দেৱতাসকলে পৰিপক্ক যোগ সাধনাৰ দ্বাৰা মনে মনে আপোনাৰ চৰণ কমল স্মৰণ কৰি কৃতাৰ্থ হয়। কিন্তু সেইজন আপুনি স্বয়ং আমাৰ প্ৰত্যক্ষতে উপস্থিত হৈছেহি।

(৬) তথাপি হে কমল নয়ন! হে পুণ্যশ্লোক চূড়ামণি! আপোনাৰ যি মায়াৰ দ্বাৰা ব্ৰহ্মাদি লোকপালকসকলসহ সকলোজনে সৎ বস্তুত ভেদ প্ৰদৰ্শন কৰে, আমি আপোনাৰ সেই মায়া দৰ্শন কৰিবলৈ ইচ্ছা কৰো।

(৭) হে শৌনক! মাৰ্কণ্ডেয় মুনিয়ে এনেকৈ বহু স্তুতি, পূজা লাভ কৰি ভগৱান ঈশ্বৰৰ সেই নৰনাৰায়ণে ঈষৎ হাস্য সহকাৰে 'সেয়ে হওক' এই বুলি কৈ বদৰিকাশ্ৰমলৈ গুচি গ'ল।

(৮) মহৰ্ষি মাৰ্কণ্ডেয় নিজৰ আশ্ৰমতে থাকি অগ্নি, সূৰ্য জল, পৃথিৱী, বায়ু, আকাশ আৰু দেহ সকলোতে সেই প্ৰলয়ৰ বিষয় কৈ চিন্তা কৰিবলৈ ধৰিলে।

(৯) তেওঁ সকলোতে হৰিক ধ্যান কৰি কৰি মানসোপচাৰে পূজা কৰিছিল আৰু কেতিয়াবা প্ৰেম স্ৰোতত উটি আহি গৈ পূজা বিস্মৃতি হৈ গৈছিল ইত্যাদি।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ—

কৰিলা পৰম তুতি মৃকণ্ড নন্দনে।
ভৈলন্ত সন্তোষ শুনি নৰনাৰায়ণে।।

মধুৰ বচনচয়ে ঋষিক আশ্বাসি।
প্ৰসন্ন বদনে বুলিলন্ত হৰি হাসি।।
হে ব্ৰহ্ম ঋষি তুমি শুনিয়ো যুগুতি।
মোৰ ভকতিত তুমি পাইলাহা মুকুতি।।
মহা তুষ্ট ভৈলো দেখি ব্ৰত ব্যৱহাৰ।
লৈয়ো বৰ এৱে মন বাঞ্চিত তোমাৰ।।
হেন শুনি ঋষি কহিলন্ত অভিমত।
আপুনাৰ উক্ত ঋষি কৰিলা বেকত।।
হে দেৱ দেৱ ভয়হাৰী ভকতৰ।
নাহিকে তোমাত পৰে কৰুণা সাগৰ।।
মনেয়ো দেখিলে মাত্ৰ তযু পাদ পদ।
যেহি সেহি প্ৰাণী পাৱৈ ব্ৰহ্মা ৰুদ্ৰ পদ।।
হেন দেৱ ভৈলা আসি চক্ষুৰ গোচৰ।
আৰো আত পৰে মোৰ পাইবে লাগে বৰ।।
দেখিলো চৰণ কৰিলোহো সম্ভাষণ।
প্ৰভু মোৰ কোন নিসিজিল প্ৰয়োজন।।
কৰিলাহা কৃতাৰ্থ নলাগে আন বৰ।
কৰো কিন্তু স্বামী আমি এখনি গোচৰ।।
যিটো বিষ্ণুমায়া জগতকে মোহ কৰে।
বিদ্যমানে তোমাক নিচিনৈ নিৰন্তৰে।।
সেহিটো মায়াক আমি জানিবাক চাঞো।
মায়াক দেখিলে প্ৰভু সবে বৰ পাঞো।।
হেন শুনি নাৰায়ণে বুলিলন্ত হাসি।
নিকটতে মোৰ মায়া দেখা দিবে আসি।।
পাইবা দেখা মায়াক সিজিবে মনস্কাম।
বৰ পায়া মাৰ্কণ্ডেয় কৰিলা প্ৰণাম।।
পূজিলা চৰণ দুইৰো দুনাই ঋষিৰাজ।
ভৈলা নৰনাৰায়ণ আশ্ৰমৰ বাজ।।
লৈয়া পাছে সাদৰে ঋষিত অনুমতি।
গৈলা দুয়ো বদৰিকা আশ্ৰমক প্ৰতি।।

কিমতে মায়াক দেখো হেন মনে ঋষি।
আশ্ৰমতে বসিয়া গুণন্ত অহৰ্নিশি।।
দেখিবো মায়াক মহা মনত উৎসুক।
কৰন্ত আনন্দে ধ্যান হৃদয়ে বিষ্ণুক।।
চন্দ্ৰ সূৰ্য্য জল অগ্নি পৃথিৱী আকাশ।
আপুনাৰো মনে মূৰ্তি কৰন্ত প্ৰকাশ।।
মনোময় নৈবেদ্য কল্পিয়া দীপ ধূপ।
সদা ঋষিৰাজে পূজে মহা হৰি ৰূপ।।
মহা প্ৰেম ৰসে কতো মনতে উপজৈ।
পাসৰন্ত পূজা আনন্দত মন মজৈ।।
মিলৈ আসি হৰিষ শৰীৰ ৰোমাঞ্চিত।
লোতক নিগড়ি ঢলি পৰৈ পৃথিৱীত।।
কৃষ্ণ কৃষ্ণ বুলি কতো কৰন্ত ক্ৰন্দন।
মোক নছাড়িবা প্ৰভু দৈৱকী নন্দন।
হৃদয়তে দেখি কতো মূৰ্ত্তিৰ প্ৰকাশ।
পাইলো পাইলো কৈক যাইবা বুলি কৰৈ হাস।।
ৰাম কৃষ্ণ হৰি বুলি কৰন্ত আৰাৱ।
নাচন্ত গাৱন্ত প্ৰেমে আকুল স্বভাৱ।।
গোপালৰ লীলা কতো কৰন্ত উৎসুকে।
তমোময় হুয়া কতো থাকন্ত নিচুকে।।
নছাড়ৈ হৰিক আৰ ঋষিৰ হৃদয়।
যেহি দিকি চাহন্তে দেখন্ত কৃষ্ণময়।।
এহিমতে ঋষি যেবে কতো দিন আছে।
শুনিয়ো শৌনক যেন কথা ভৈল পাছে।। ইত্যাদি।

(১০) হে ভৃগুবৰ! এদিনাখন সন্ধ্যাসময়ত তেওঁ পুষ্পভদ্ৰা নদী তীৰত বহি আছিল। এনেতে প্ৰচণ্ড বায়ু প্ৰৱাহিত হ'ল।

(১১) সেই প্ৰলয় বায়ুৱে প্ৰচণ্ড শব্দ কৰি বলিবলৈ ধৰিলে, মেঘসমূহে ভয়ংকৰ গৰ্জন কৰি বায়ুৰ লগত সংযোগ হ'লহি আৰু বিদ্যুৎসহ ভীষণ বৃষ্টিধাৰা পৰিবলৈ ধৰিলে।

(১২) ইয়াৰ পিছত চাৰিওফালে চাৰিখন সমুদ্ৰই দেখা দিলে। বায়ু বেগত

তাত ঢৌ উঠিল। ভয়ংকৰ কুম্ভীৰাদি জলজন্তুৰ সমাৱেশ আৰু সমুদ্ৰই পৃথিৱী গ্ৰাস কৰি পেলালে।

(১৩) পৃথিৱীত জলপ্লাৱন হ'ল, দ্যুলোকলৈকে সমুদ্ৰ জলে স্পৰ্শ কৰিলে, প্ৰখৰ সূৰ্য ৰশ্মি, বিদ্যুতৰ দ্বাৰা চতুৰ্ব্বিধ জীৱ জগতত ভিতৰে বাহিৰে উত্তাপিত হ'ল। মুনিও নিজে উত্তাপিত হ'ল। ইয়াকে দেখি মুনিৰ মহাভয় উপস্থিত হৈ মন সেমেকি উঠিল।

(১৪) সেই ঋষিৰ সাক্ষাততে মেঘৰ বৰ্ষণত মহাৰ্ণৱ সৃষ্টি হ'ল, বায়ুৱে সেই সাগৰ জল কম্পিত কৰিবলৈ ধৰিলে, তাৰ পৰাই ভীষণ ঢৌ উঠিল আৰু দেখোঁতে দেখোঁতে সেই মহাৰ্ণৱে দ্বীপ, বৰ্ষ আৰু পৰ্বতবোৰৰ সৈতে পৃথিৱী আবৃত কৰি পেলালে।

(১৫) তেতিয়া পৃথিৱী আৰু অন্তৰীক্ষৰ প্ৰাণী, স্বৰ্গৰ দেৱতা আৰু নক্ষত্ৰসকলৰ সৈতে ত্ৰিলোকৰ সৰ্বদিশ জলত প্লাৱিত হ'ল। কেৱল মুনি মাৰ্কণ্ডেয়হে অৱশিষ্ট আছিল। তেওঁ মূৰৰ জঁটা মেলি জড় আৰু অন্ধৰ দৰে জলৰ ওপৰত উঠি-ভাহি ফুৰিছিল।

(১৬) ক্ষুধা, তৃষ্ণাত পৰিতপ্ত, মকৰ আৰু তিমিঙ্গিলৰ অত্যাচাৰ, ঢৌ আৰু বায়ুৰ দ্বাৰা আহত, অত্যন্ত শ্ৰান্ত মাৰ্কণ্ডেয় মুনিয়ে অপাৰ অন্ধকাৰত পতিত হৈ দিশ, বিদিশ, আকাশ, পৃথিৱী আদি একোকে দেখা নাপাইছিল।

(১৭, ১৮) মাৰ্কণ্ডেয় মুনিয়ে কেতিয়াবা মহাৰ্ণৱত মগ্ন, কেতিয়াবা ঢৌত পতিত কেতিয়াবা জলজন্তুৰ দ্বাৰা ভক্ষণাৰ্থ আক্ৰান্ত হৈ, কেতিয়াবা শোক, মোহ, দুখ আৰু ভয়ত আত্মৰক্ষাৰ কাৰণে উপায় বিচাৰি কিছু সুস্থ হ'ল, ইয়াৰ বাহিৰেও ৰোগাদিৰ দ্বাৰা পীড়িত হৈ মৃতকল্পও হ'ল।

(১৯) সেই একাৰ্ণৱত ভ্ৰাম্যমাণ মাৰ্কণ্ডেয়ৰ শত-সহস্ৰ অযুত বৰ্ষ অতীত হৈ গ'ল। তেওঁ বিষ্ণুৰ মায়াত আবৃত থাকিও ইয়াক প্ৰত্যক্ষ কৰিব পাৰিছিল। ইত্যাদি

গুৰুজনাৰ অনুবাদ এনেধৰণৰ—

পাছে একদিনা মাৰ্কণ্ডেয় ঋষি
নিজ আশ্ৰমৰ কাছে।
পুষ্পভদ্ৰ নদী তট নিকটত
বিষ্ণুক চিন্তন্তে আছে।।

সূৰ্য্য অস্তগত সেহি সময়ত
আছন্ত ঋষি তহিতি।
প্ৰচণ্ড বায়ুৰ আন্দোল শৱদ
শুনন্ত চাৰিও ভিতি।।
পৰম কল্লোল গিৰ গিৰ ৰোল
শুনন্ত চাৰিও পাশে।
মহা মহা মেঘ সমূহে শোসাই
বায়ুৰ লগতে আসে।।
দুৰ্ঘোৰ গৰ্জ্জনে যেন কাণ কাটে
মেদিনী মণ্ডলো লৰে।
বিজুলী সঞ্চাৰে হৃদয় বিদাৰে
পৃথিৱী বুৰাৱে বৰে।।
কৰে শিলা বৃষ্টি নষ্ট কৰে সৃষ্টি
সঘনে অস্ত্ৰ প্ৰহাৰে।
বেঢ়িয়া চৌপাশে ঢাকিয়া আকাশে
বৰিষে মুষধাৰে।।
বিস্বাশৰদ আন্দোল বায়ুৰ
দেখন্তে ধাতু উৰাই।
চাৰিয়ো ভিতিৰ সাগৰৰ উৰ্ম্মি
পৃথিৱী আসে বুৰাই।।
প্ৰচণ্ড বতাসে ঢউ উথলয়
লংঘিয়া আসে আকাশ।
কুম্ভীৰ মগৰে কৰে উৰুফাল
দেখি ঋষি ভৈল ত্ৰাস।।
ভয়ঙ্কৰ পাক চাক যেন কুৰে
দেখি ভয়ে গৰ্ভ গেলে।
পৃথিৱী পৰ্ব্বত স্বৰ্গকো লংঘিয়া
আসে সাগৰৰ জলে।।
প্ৰচণ্ড বায়ুৰ আন্দোলে উথলে
ভয়ঙ্কৰ উৰ্ম্মিচয়।

ক্ষণেকে ত্ৰৈলোক্য তল নিয়ালেক
ঋষিৰ কাম্পে হৃদয়।।
চন্দ্ৰ সূৰ্য্য জ্যোতি যতেক নক্ষত্ৰ
যত স্বৰ্গবাসী দেৱ।
নিমিষেকে আসি সৱে তল গৈল
আৰ নথাকিল কেৱ।।
একেশ্বৰে মাত্ৰ ৰৈলা অৱশেষ
তাঙ্কো পাইলে পানী আসি।
উৰ্ম্মিৰ আন্দোলে আউল জাউল জঁটা
উঠন্ত জলত ভাসি।।
কতো তল যান্ত কতো পানী খান্ত
কতো চৌৰে মাৰে লৰা।
নাহি জ্ঞান শ্ৰুতি হতাশতে ঋষি
ভৈল যেন কলা জৰা।।
ভয়ঙ্কৰ মৎস্য মগৰে বেঢ়িয়া
ঠোণ্টে খুণ্টিয়াই মাৰে।
পৰ্ব্বত আকাৰ কুম্ভীৰ মগৰে
গিলে কতো উদগাৰে।।
কুম্ভীৰৰো পৰা মগৰে লৈ যায়
তাৰো পৰা তিমিঙ্গিলে।
তাকো খেদি আসি ৰাঘৱে ধৰয়
প্ৰাণৰ সঙ্কট মিলে।।
ঋষিক ভুঞ্জিবে লাগি জল জন্তু
যুজে মহা উৰুফালে।
কামোৰা কামুৰি কৰে হুলস্থূলি
প্ৰলয় জল উথালে।।
বতাসে হিল্লোলে উৰ্ম্মিৰ আন্দোলে
ফুৰন্ত পাকতে উটি।
ভয়ে ধাতু নাই ক্ষুধায়ে তৃষায়ে
যায় যেন প্ৰাণ ফুটি।।

কেহো বেলা শোক মোহ মিলৈ আসি
কেহো বেলা মহা দুখ।
কতো বেলা মহা ভয় পাৱৈ আসি
কতো বেলা মিলৈ সুখ।।
কেহো বেলা আসি মহা ব্যাধি ধৰৈ
বেদনাত মূৰ্চ্ছা যান্ত।
অপাৰ সাগৰে পৰি পুনু ঋষি
দুখৰ ওৰ নপান্ত।
বিষ্ণুৰ মায়াত বিমোহিত মতি
হৰাইল চেতন জ্ঞান।
নাই মন শান্তি নেৰৈ ভয় ভ্ৰান্তি
আছে কথমপি প্ৰাণ।।
কত লক্ষ কোটি সহস্ৰ বৰিষ
জলতে ভ্ৰমন্তে গৈল।
তথাপিতো সিটো দুষ্মহ দুৰন্ত
দুখৰ অন্ত নভৈল।। ইত্যাদি।

(২০) সেই দ্বিজে এই অৱস্থাত একাৰ্ণৱত ভ্ৰমণ কৰোঁতে কৰোঁতে পৃথিৱীৰ উন্নত স্থানত আশ্ৰয় স্বৰূপ এটি বটবৃক্ষ দেখিবলৈ পালে।

(২১) এই অৱস্থাত তেওঁ সেই বটবৃক্ষৰ উত্তৰ পূব দিশে এটি শাখাৰ বট পত্ৰত শয়নাৱস্থাত এটি বালক দেখা পালে। সেই বালকে যেন নিজৰ প্ৰভানুপাতে প্ৰলয়ান্ধকাৰ গ্ৰাস কৰি অৱস্থিত আছে।

(২২, ২৩, ২৪, ২৫) তেওঁৰ মুখপদ্ম শোভাযুক্ত, মৰকত মণিতুল্য, শ্যামবৰ্ণ, কম্বুগ্ৰীৱ, প্ৰশস্ত বক্ষ, সুন্দৰ নাসিকা, ভ্ৰূ যুগল মনোহৰ, শ্বাসবায়ুত কম্পিত অলকাৱলী, দাড়িম্ব পুষ্পতুল্য বলয়াকাৰে কৰ্ণদ্বয় সুশোভিত, বিদ্ৰুমমণিতুল্য লোহিত কান্তি বিশিষ্ট। মুখত সুধাসদৃশ হাস্য অতি মনোৰম, চকুৰ কোণত পদ্মতুল্য ঈষৎ ৰক্ত, মুখৰ হাস্য আৰু নয়নৰ দৃষ্টি হৃদয় স্পৰ্শী, শ্বাসবেগত চালিত ত্ৰিবলীৰ সৈতে কম্পিত গভীৰ নাভি, অশ্বত্থ পত্ৰতুল্য উদৰ, তেওঁ অতি শিশুৰ দৰে আঙ্গুলি দুটাৰে নিজৰ চৰণ কমল আকৰ্ষণ কৰি মুখত লগাই চুপি আছে। মাৰ্কণ্ডেয় মুনিয়ে সেই বালকক দেখি বিস্মিত হ'ল।

(২৬) সেই বালকক দেখি মুনিৰ হৃদয় পদ্ম আৰু কোমল নয়ন উৎফুল্লিত হ'ল। আনন্দত তেওঁৰ অৱসাদ দূৰ হৈ গ'ল আৰু বালকৰ আশ্চৰ্যজনক ৰূপত মুনিৰ দেহ ৰোমাঞ্চিত হৈ পৰিল। এই অৱস্থা দৰ্শন কৰি সামান্য শংকিত হৈয়ো বালকৰ পৰিচয় জানিবলৈ তেওঁ বিচলিত মনে তেওঁৰ ওচৰত উপস্থিত হ'ল।

(২৭) মশক যেনেকৈ শ্বাসযোগে মানুহৰ উদৰস্থ হয় তেনেকৈ মাৰ্কণ্ডেয় মুনিও সেই শিশু বালকৰ শ্বাসযোগে তেওঁৰ উদৰস্থ হ'ল। তেওঁ প্ৰলয়ৰ পূৰ্বে যেনেকৈ পৃথিৱীখন দেখা পাইছিল, তেনেকৈ সেই শিশুৰ উদৰত সমস্ত পৃথিৱী দৰ্শন কৰি বিস্মিত হ'ল।

(২৮, ২৯) আকাশ, স্বৰ্গ, পৃথিৱী, নক্ষত্ৰ, পৰ্বত, দ্বীপ, দশদিক, সুৰ, অসুৰ, বন, দেশ, নদী, পুৰ আকৰ, গ্ৰাম, গোভূমি, আশ্ৰম, বৰ্ণ, আশ্ৰমবৰ্ণ বৃত্তি, পঞ্চমহাভূত, জীৱ, জাতি, কাল, যুগ, কল্প, জাগতিক বস্তু ইত্যাদি এনেধৰণৰ পৃথিৱী সেই বালকৰ উদৰত দেখা পালে।

(৩০) হিমালয় আৰু আশ্ৰমত প্ৰৱাহিত সেই পুষ্পবহানদী, যিসকলক তেওঁ প্ৰথমতে নিজৰ আশ্ৰমৰ মাজত দেখা পাইছিল, সেই নৰনাৰায়ণ ঋষিক নিজ আশ্ৰমত দেখা পালে। এনে প্ৰকাৰে তেওঁ বিশ্ব দৰ্শন কৰি কৰি শিশুৰ শ্বাসযোগে পুনৰ বাহিৰ হৈ পুনৰ প্ৰলয় জলত পতিত হ'ল।

(৩১, ৩২) ইয়াৰ পিছত তৎক্ষণাৎ তেওঁ পৃথিৱীৰ উন্নত স্থানত সেই বটবৃক্ষ পত্ৰত শয়নাৱস্থাত থকা অতি ক্ষুদ্ৰ বালকক দেখি আৰু তেওঁৰ সুধাতুল্য হাস্যসহ প্ৰশস্ত দৃষ্টিৰ দ্বাৰা নিৰীক্ষণ কৰি কৰি অতি আনন্দ মনে সেই অধোক্ষজ বালকক নেত্ৰ পথে হৃদিগত কৰি তেওঁক আলিংগন কৰিবলৈ ওচৰলৈ গ'ল।

(৩৩) ঋষিয়ে যেনেকৈ তেওঁক আলিংগন কৰিবলৈ উদ্যত হ'ল, তেতিয়া সৰ্বগুহাশয় সাক্ষাৎ যোগেশ্বৰ সেই বালক ৰূপী ভগৱানে নিৰ্দ্দৈব্যকল্পিত নিষ্ফল প্ৰযত্নৰদৰে সেই ঋষিৰ হৃদয়ৰ পৰা তৎক্ষণাৎ অন্তৰ্ধান হ'ল।

(৩৪) হে বিপ্ৰ! বালকৰ অন্তৰ্ধানৰ লগে লগে বটবৃক্ষ জলপ্লাৱন ক্ষণকালৰ মধ্যতে অদৃশ্য হৈ গ'ল। মাৰ্কণ্ডেয় মুনিয়ে নিজৰ আশ্ৰমত পূৰ্বৰ দৰে থকাৰ দৰে থাকিল ইত্যাদি।

গুৰুজনাৰ অনুবাদ প্ৰকাশ কৰা হ'ল—

শুনিয়ো শৌনক আত পৰে পাছ কথা।
কি কহিবো আউৰ সিটো ঋষিৰ অৱস্থা।।
হৰিল চেতন একো নপাওঁ উদিশ।
উটন্তে ফুৰন্তে কোটি সহস্ৰ বৰিষ।।
এহিমতে ভ্ৰমন্তে দেখিলা কদাচিত।
মহা বটবৃক্ষ ফল পল্লৱে শোভিত।।
পৃথিৱী উন্নত প্ৰদেশত ৰহি আছে।
লাসে লাসে সমীপ চাপিলা তাৰ কাছে।।
কিছু কিছু কৰি পাছে দৃষ্টি বলাই চাইল।
ঐশানৰ শাখাত শিশুক ভেট পাইল।।
বট পুত্ৰ পুটে কৰি আছন্ত শয়ন।
শৰীৰৰ কান্তি কৰৈ দিশক প্ৰসন্ন।।
চৈধ্যয় ভুবনে নাহি ৰূপক উপাম।
তনু সুকুমাৰ মহা মৰকত শ্যাম।।
সুন্দৰ বদন চাৰু নৱ পদ্ম কোষ।
অৰুণ পঙ্কজ নেত্ৰ দেখন্তে সন্তোষ।।
সুসম নাসিকা সুবলিত ভ্ৰূৱ দুই।
সচল অলকা পান্তি দেখি সুখী হুই।।
অৰুণ অধৰ চাৰু প্ৰৱাল অঙ্কুৰ।
হাস্যতে বৰিষে অমৃত যে প্ৰচুৰ।।
পদ্ম গৰ্ভ অৰুণ নেত্ৰৰ প্ৰান্ত দেশ।
হাস্য নিৰীক্ষণ সুকোমল বক্ৰ কেশ।
তিনি ৰেখা সহিতে প্ৰকাশে কম্বুগল।
সিংহ বন্ধ কন্ধ বহল বক্ষস্থল।।
শংখ প্ৰায় কৰ্ণ দুই বলয় বলিত।
মনোহৰ দাড়িম্ব কুসুম সুশোভিত।।
সুন্দৰ উদৰ অশ্বত্থৰ পত্ৰ নয়।
নিম্ন তিনিৰেখা তাতে জ্বলে আতিশয়।।
ত্ৰিবলি বলিত নিশ্বাসতে আতি চলে।
পৰম গম্ভীৰ নাভি সৰোৰুহ জ্বলে।।

চাৰু কৰ কিশলয় অলকত ভান্তি।
ৰত্নৰ শলাকা সম আঙ্গুলিৰ পাৰ্ন্তি।।
দুই হাতে ধৰি দুই চৰণ পদ্মক।
চোসন্তে আছন্ত মুখে বৃদ্ধ আঙ্গুষ্ঠক।।
শৰীৰৰ কান্তি দূৰ কৰৈ অন্ধকাৰ।
দেখি ঋষিৰাজ ভৈলা আতি চমৎকাৰ।।
শিশুক উৎসুকে চান্ত নয়নে নিৰেখি।
গুচিল বেদনা দুখ দিব্য ৰূপ দেখি।।
যেন অমৃতক পিলে শৰীৰ শীতল।
ভৈল প্ৰফুল্লিত মন নয়ন কমল।।
শিহৰিল লোম মহা আনন্দে হৃদয়।
দেখিয়া আশ্চৰ্য্য ৰূপ মিলিল বিস্ময়।।
হেন অদভুত শিশু নতু দেখি শুনি।
গৈয়া আকে পুছো কথা ইহান্তে আপুনি।।
হেন মনে গুণি আছি পাছে মহা ঋষি।
লাসে লাসে তান পাশ চাপিলা হৰিষি।।
পুছিবে চাহন্তে আসি নাকৰ নিশ্বাসে।
পশিলা ভিতৰ ঋষি হৃদয় আকাশে।।
যেন মস নাসিকাৰ পথে প্ৰবেশিল।
সমস্তে জগত গৈয়া গৰ্ভতে দেখিল।।
মিলিল মনত আসি পৰম বিশ্ময়।
চক্ষু মেলি ঋষি দশোদিশ নিহালয়।।
আকাশ নক্ষত্ৰ শশী সূৰ্য্য সাতো স্বৰ্গ।
কিন্নৰ চাৰণ বিদ্যাধৰ দেৱবৰ্গ।।
সপত পাতাল দৈত্য দানৱ যতেক।
আছে সাতো দ্বীপ তৈতে পৃথিৱী প্ৰত্যেক।।
নদী নদ দীঘি সৰোবৰ বন যত।
সাগৰ নগৰ গ্ৰাম বৰিষ পৰ্ব্বত।।
যত লতা তৃণ বৰ নাগ বৃক্ষ পক্ষী।
মিলিল সম্ভ্ৰম তৈতে সমস্তকে দেখি।।

বহু বিধ কীট পশু পতঙ্গ পৰ্য্যন্তে।
আছে কাল তৈতে যুগ কল্পনা কৰন্তে।।
তজ জপ যাগ যোগ যত নিত্য কৰ্ম্ম।
কৰিবাক লাগি আছে বৰ্ণাশ্ৰম ধৰ্ম্ম।।
পঢ়ে বেদ শাস্ত্ৰক আচৰৈ সদাচাৰ।
কৰৈ ক্ৰয় বিক্ৰয় বাণিজ্য ব্যৱহাৰ।।
যত জীৱ জন্তু ইটো সমস্তে জগত।
আছে সবে দেখন্ত শিশুৰ উদৰত।।
আছে হিমালয় মহা পৰ্ব্বত উত্তম।
পুষ্পভদ্ৰা নদী নিজ দেখন্ত আশ্ৰম।।
সেহি ঋষি বিস্ময়ে স্মৰন্ত ৰাম হৰি।।
তাসম্বাত কিছু কথা পুছিবে চাহন্তে।
আউৰ নিশ্বাসতে বাজ ভৈলা তৈৰ হন্তে।।
এহি মতে সাতো বাৰ কৰি আয়াযাত।
দেখিলন্ত সাত গোটা কল্প সিবেলাত।।
উশাসতে পশি দেখে সৃষ্টি সমস্তয়।
নিশ্বাসতে বঝাই দেখে দুৰ্ঘোৰ প্ৰলয়।।
বাল মুকুন্দৰ যিটো উত্তম নাসাত।
যেন ক্ষুদ্ৰ মস গোট কৰে আয়াযাত।।
দুনাই পৰিলন্ত সেহি প্ৰলয় জলত।
পুনৰপি মহাভয় মিলিল মনত।।
ধৰৈ জল জন্তু লাগৈ উৰ্ম্মিৰ আন্দোল।
পুনৰপি পাইলা আসি উইচুলা কোল।।
সেহি বটবৃক্ষ আসি দেখিলা দুনাই।
নিহালন্ত তাকে একদৃষ্টি কৰি চাই।।
সেই বট পত্ৰ পুটে কৰিয়া শয়ন।
আছা শুতি সেহি শিশু বদন প্ৰসন্ন।।
হাস্যতে অমৃত স্ৰৱে নয়নৰ প্ৰান্তে।
আছন্ত স্নেহত সিটো ঋষিক চাহান্তে।।
দূৰ ভৈলা তাপ তনু হৃদয় জুড়াইল।

এক দৃষ্টি কৰিয়া ঋষিয়ো তাঙ্কে চাইল।।
নয়নৰ দ্বাৰে নিয়া হৃদয় পদ্মক।
আলিঙ্গিলা মনে ঋষি বাল মুকুন্দক।।
পৰিলা চৰণে উপজিলা প্ৰেম ভাব।
দ্ৰৱিল হৃদয় ৰোমাঞ্চিত সৰ্ব্ব গাৱ।।
ধাৰায়ে পৰয় নয়নৰ নীৰ ঝৰি।
ভৈল অন্তৰ্ধান হৃদয়তে পাছে হৰি।
চক্ষু মেলি চাহি ঋষি বাহিৰক লাগি।
একো নেদেখন্ত যেন সপোনৰ জাগি।
পূৰ্ব্বৱতে আছে সৃষ্টি সমস্তে সংসাৰ।
নাহিকে প্ৰলয় ভয় ভ্ৰান্তি আপোনাৰ।।
নাহি বটবৃক্ষ বায়ু জল প্ৰলয়ৰ।
নাহিল জলজন্তু একো কুম্ভীৰ মগৰ।।
গুচিল বিভ্ৰম মাৰ্কণ্ডেয় মহাযশী।
পূৰ্ব্বৱতে আছা সেহি আশ্ৰমতে বসি।।
পুষ্পভদ্ৰা নদীৰ তীৰত মহাসুখে।
জাগি যেন স্বপ্নৰ স্মৰন্ত ৰাম মুখে।।
কেশৱৰ সিটো যোগমায়াৰ বৈভৱ।
সাক্ষাতে দেখিয়া পাইলা মহা পৰাভৱ।।
তেজন্ত ফোকাৰ মুখে মাৰ্কণ্ডেয় ডৰি।
হৃদয় কম্পয় তাকে সুমৰি সুমৰি।।
শিহৰে শৰীৰ হবৈ অদ্যাপি চেতনা।
ভুঞ্জে জীৱ সবে আসি হেনসে যাতনা।।
নেদেখন্ত আন ঘোৰ মায়াৰ তৰণ।
কৃষ্ণৰ চৰণে দুনাই লৈলন্ত শৰণ।।
তোমাৰেসে ভৈলো ভৃত্যহে কৃষ্ণ বাপ।
তযু চৰণেসে হবৈ ভকতৰ তাপ।।
যেনমতে হৈবো ইটো মায়াৰ নিস্তাৰ।
চিন্তিয়ো আপুনি হিত বান্ধৱ আমাৰ।।
জ্ঞানকেসে চিন্তে যিটো তেজিয়া ভকতি।

তোমাৰ মায়ায়ে তাৰ মোহ হোৱৈ মতি।।
মঞিঙ মহাজ্ঞানী বুলি কৰৈ অহঙ্কাৰ।
কদাচিতো নেৰাই যিটো দুৰ্ঘোৰ মায়াৰ।
মঞিঙ পুনু তুমি বিনে নজানোহো আন।
এহি বুলি কৃষ্ণত ধৰিলা দৃঢ় ধ্যান।।
আউৰ একো ভীতিক নট লৈ তান মন।
কৰিলা সাক্ষাত সিটো অৰুণ চৰণ।।
দ্ৰবৈ হিয়া শিহৰৈ শৰীৰ ঝাত ঝাত।
হোৱৈ আনন্দতে নয়নৰ অশ্ৰু পাত।।
কৃষ্ণৰ মূৰুতি ভৈল স্ফুৰুতি হিয়াত।
পৰম আনন্দ মন মিলিল সাক্ষাত।।
নাৰায়ণে মায়া দেখাই দিলা মহা শ্ৰান্ত।
শিৱ ৰূপে আসি কৰাইলন্ত উপশান্ত।।
শিৱৰ ঋষিৰ যেন ভৈল সমাগম।
শুনিয়ো শৌনক সিটো সম্বাদ উত্তম।। ইত্যাদি।

এই স্কন্ধৰ দশম অধ্যায়ৰ শ্লোক সংখ্যা বিয়াল্লিশ। ইয়াৰে একচল্লিশ সংখ্যাৰ শ্লোক বাদ দি বাকী আটাইকেইটি শ্লোকৰ অনুবাদ সম্পূৰ্ণ কৰা হৈছে। প্ৰথম আৰু দ্বিতীয় শ্লোক দুটিৰ ভাবানুবাদ পূৰ্বোক্ত শেষৰ পদকেইটিত কিছু কথা প্ৰকাশ পাইছে। তলত শ্লোকৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল—

(১) সূতে ক'লে— মাৰ্কণ্ডেয় মুনিয়ে নাৰায়ণ ঋষিৰ দ্বাৰা বিস্তাৰিত যোগ মায়াৰ ঐশ্বৰ্যৰ অনুভৱ কৰি সেই ভগৱানৰ চৰণত শৰণ গ্ৰহণ কৰিলে।

(২) মাৰ্কণ্ডেয়ই ক'লে— অসত্য হ'লেও সত্যৰ দৰে প্ৰতীত আপোনাৰ যি মায়াত মনীষীসকলে মোহিত হয়— হে হৰে আমি শৰণাৰ্থীসকলৰ অভয়দাতা আপোনাৰ চৰণত আশ্ৰয় গ্ৰহণ কৰিছো।

(৩) সূতে ক'লে— এদিনাখন ভূত গণ পৰিবেষ্টিত হৈ শিৱই পাৰ্বতীৰে সৈতে বৃষভ বাহনত আকাশ পথেদি পৰ্যটন কৰি কৰি ধ্যনযোগে সমাহিত ঋষিক দেখা পালে।

(৪, ৫) ইয়াৰ পিছত পাৰ্বতীয়ে সেই ঋষিক দেখি শিৱক সমাদৰ কৰি ক'লে হে ভগৱান! এই জিতেন্দ্ৰিয় বিপ্ৰকলৈ চাওক— এওঁ নিৰ্বাত নিষ্কম্প

শান্ত বিস্তৃত জলজন্তুস্থিত সমুদ্ৰৰ নিচিনাকৈ অৱস্থান কৰিছে। আপুনি সিদ্ধ পুৰুষ। সেয়ে আপুনি এওঁৰ তপস্যাৰ সম্যক সিদ্ধি প্ৰদান কৰক।

(৬) শিৱই ক'লে— এওঁ ভগৱান অব্যয় পুৰুষৰ পৰা ভক্তি লাভ কৰিছে। সেই কাৰণে এই ব্ৰহ্মৰ্ষিয়ে কোনো অভ্যুদয় আনকি মোক্ষও কামনা নকৰে।

(৭) তথাপি হে ভৱানী! এই সাধু মহৰ্ষিৰ লগত সম্ভাষণ কৰিম। কিয়নো সাধু সমাগম সকলো লোকৰ পক্ষে পৰম লাভ।

(৮) সূতে ক'লে— সৰ্বজ্ঞানৰ, সৰ্বজীৱৰ ঈশ্বৰ, সন্তসকলৰ গতিদাতা ঈশান মহাদেৱে এই বুলি কৈ সেই মাৰ্কণ্ডেয় ঋষিৰ ওচৰত উপস্থিত হ'লগৈ।

(৯) মুনিৰ অন্তঃকৰণ বৃত্তি তেতিয়া ৰুদ্ধ হৈ আছিল। সেই কাৰণে জগদাত্মা সাক্ষাৎ ঈশ্বৰ মূৰ্তি উমা মহেশৰ আগমনৰ কথা জানিব পৰা নাছিল। আনকি আত্মা আৰু বিশ্ব বৃত্তান্তও তেওঁৰ স্মৰণ পথৰ অতীত আছিল।

(১০) ভগৱান গিৰীশ শিৱই ঋষিৰ এনে অৱস্থা জানি যোগামায়াৰ সাহায্যত প্ৰৱিষ্ট বায়ুৰ নিচিনাকৈ তেওঁৰ হৃদয় গুহা আকাশত প্ৰৱেশ কৰিলে।

(১১, ১২, ১৩) ঋষিয়ে নিজৰ আত্মীয় শংকৰৰ দৰ্শন লাভ কৰিলে। তেওঁৰ শিৰত বিদ্যুৎ প্ৰকাশ তুল্য পিংগল বৰ্ণৰ জঁটা, তেওঁৰ তিনিটা চকু, দশভুজ, উন্নত আৰু ব্যাঘ্ৰ চৰ্ম পৰিহিত, হাতত ত্ৰিশূল, ধনু, বাণ, অসি, চৰ্ম, অক্ষমালা, ডম্বৰু, কপাল আৰু পৰশু। ঋষিয়ে উদিত সূৰ্যৰ দৰে হৃদয়ত তৎক্ষণাৎ প্ৰতিভাসিত শিৱক দেখি বিস্মিত হ'ল আৰু এয়া কি, ক'ৰ পৰা আহিল, এনেদৰে চিন্তা কৰি সমাধিৰ পৰা বিৰত হৈ ৰ'ল।

(১৪) মুনিয়ে চকু মেলি চাই দেখিলে উমা আৰু ভূতসকলৰ সৈতে ত্ৰিলোক নাথ ৰুদ্ৰ আগমণ কৰিছে। ইয়াৰ পিছত মুনিয়ে তেকৈঁ প্ৰণাম জনালে।

(১৫, ১৬) মুনিয়ে স্বাগত সম্ভাষণ, পাদ, অৰ্ঘ্য, গন্ধ, মাল্য, ধূপ, দীপ আদিৰে উমা, ভূতগণৰ সমন্বিতে শিৱক সেৱা বিধান কৰিলে আৰু ক'লে— হে বিভু! আপোনাৰ দ্বাৰা এই পৃথিৱী উপশান্ত। এতেকে হে ঈশ্বান! আত্মানুভৱত পূৰ্ণকাম আপোনাৰ আমি কি সেৱা কৰিব পাৰো?

(১৭) আপুনি নিৰ্গুণ, শান্ত, সত্ত্ব আৰু সুখদাতা! অথচ আপুনি ৰজোযুক্ত আৰু ঘোৰ তমোযুক্ত ভয়ংকৰ। আপোনাক প্ৰণাম জনাইছো।

(১৮) সূতে ক'লে— সাধুসকলৰ গতিদাতা ভগৱান মহাদেৱ এনে প্ৰকাৰে মুনিৰ দ্বাৰা স্তুত, পৰিতুষ্ট আৰু প্ৰসন্ন হৈ হাঁহি হাঁহি সেই ঋষিক এই কথাখিনি ক'বলৈ ধৰিলে।

(১৯) শিৱই ক'লে— যাৰ দৰ্শন ফলদায়ক, মানৱসকলে যাৰ ওচৰত অমৃতত্ত্ব লাভ কৰে, সেই বিষ্ণু, ব্ৰহ্মা আৰু আমি বৰ দান কৰিবলৈ সমৰ্থ। সেই কাৰণে আমাৰ ওচৰত তুমি অভীষ্ট বৰ প্ৰাৰ্থনা কৰা।

(২০, ২১, ২২) ব্ৰাহ্মণসকল সদাচাৰসম্পন্ন, মাৎসৰ্যহীন, নিষ্কামী, সৰ্বভূত দয়াবান, একান্ত ভক্ত, শত্ৰুহীন, ব্ৰহ্মা, বিষ্ণু, শিৱও সমদৰ্শী, লোকপালসকলৰ সৈতে ইন্দ্ৰাদি দেৱতাসকলে ব্ৰাহ্মণসকলক পূজা কৰি থাকে। আমি ব্ৰহ্মা আৰু স্বয়ং ঈশ্বৰ হৰি, মোত, ব্ৰহ্মাত আৰু অচ্যুতত তেওঁলোকে অনুমাত্ৰও ভেদভাব নকৰে। আত্মাত আৰু সাধাৰণ প্ৰাণীতো তেওঁলোকৰ ভেদ দৃষ্টি নাই। সেই কাৰণে আপোনালোকক আমি ভজনা কৰো।

(২৩) কেৱল জল হ'লেই তীৰ্থ নহয়, শিলা বা মাটিৰে নিৰ্মিত মূৰ্তিয়েই দেৱতা নহয়। কিয়নো সিসকলে দীৰ্ঘকালৰ অন্ততহে সেৱকসকলক পৱিত্ৰ কৰিব পাৰে, কিন্তু আপোনালোকৰ নিচিনা সন্তসকলৰ দৰ্শন মাত্ৰেই পৱিত্ৰ হৈ যায়।

(২৪) চিত্তৰ একাগ্ৰতা, তপস্যা, বেদাধ্যয়ন আৰু ইন্দ্ৰিয় সংযম আদিৰ দ্বাৰা ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰৰ তুল্য ৰূপ ধাৰণ কৰা সিসকললৈ আমি নমস্কাৰ কৰো।

(২৫) আপোনাৰ দৰ্শন মাত্ৰেই আনকি শ্ৰৱণ মাত্ৰকে মহা পাতকী অন্ত্যজাতিও যেতিয়া পৱিত্ৰ হয়, তেন্তে আপোনাৰ সাক্ষাৎ-সম্ভাষণাদিত নহ'ব কিয়?

(২৬) চন্দ্ৰভূষণ শিৱৰ ধৰ্ম ৰহস্যময় এনে বাক্যামৃত কৰ্ণৰ দ্বাৰা পান কৰিয়ো মাৰ্কণ্ডেয় মুনিয়ে তৃপ্তিৰ সীমা অতিক্ৰম কৰিব নোৱাৰিলে।

(২৭) মুনিয়ে দীৰ্ঘকাল ব্যাপি বিষ্ণুৰ মায়াত ভ্ৰমণ কৰি অতিশয় ক্লান্ত হৈ আছিল। সম্প্ৰতি শিৱৰ অমৃতময় বাক্যত সেই ক্লান্ত দূৰ হৈ গ'ল আৰু পুষ্টিৰ অন্তত শিৱক ক'বলৈ ধৰিলে।

(২৮) মাৰ্কণ্ডেয়ই ক'লে— ভগৱানৰ লীলা লোকসকলৰ চিন্তাৰ অতীত। কিয়নো যিজন জগতৰ নিয়ন্তা, তেওঁ তেওঁৰ সৃষ্ট সেই মোৰ নিচিনা জীৱকো

স্তুতি কৰিবলৈ প্ৰবৃত্ত হৈছে।

(২৯) লোকসকলক ধৰ্ম গ্ৰহণ কৰিবলৈ উপদেশ দাতা হৈয়ো তেওঁলোকে নিজ নিজ ক্ৰিয়মান ধৰ্মাচাৰ আচৰণৰ বাবে অনুমোদন আৰু প্ৰশংসা কৰি থাকে।

(৩০) লোক শিক্ষাৰ কাৰণেই অযোগ্যজনৰ নিচিনাকৈ স্তুতি কৰা বিষয়টো মহানুভৱতাৰ লক্ষণ। এয়া ভগৱানৰ মায়াময় প্ৰযত্ন প্ৰসূত লোক।

(৩১, ৩২) যিজনে মনৰ দ্বাৰা বিশ্ব সৃষ্টি কৰি তাৰ পিছতে তাত আত্মা ৰূপে প্ৰৱেশ কৰি ক্ৰিয়াশীল গুণৰ দ্বাৰা কৰ্তাৰ দৰে প্ৰতিভাত হয়, অথচ যিজন কৰ্তা হৈয়ো অকৰ্তা, সেইজন ভগাৱানৰ ত্ৰিগুণ আৰু ত্ৰিগুণাত্মা অদ্বিতীয় লোকগুৰু ব্ৰহ্ম মূৰ্তিক নমস্কাৰ।

(৩৩) হে সৰ্বব্যাপি! যাক দৰ্শন কৰিলে সকলোৰে সৰ্বমনস্কাম পূৰ্ণ হয়, সেইজন পূৰ্ণতম ভগৱানৰ ওচৰত আৰুনো কি অন্য বৰ প্ৰাৰ্থনা কৰিম?

(৩৪) তথাপি সৰ্বাভীষ্ট দাতা আপোনাৰ ওচৰত এটি বৰ প্ৰাৰ্থনা কৰো যেন আপোনাৰ ভক্তৰ ওচৰত আৰু আপোনাত আমাৰ অচলা ভক্তি থাকে।

(৩৫) সূতে ক'ল— মুনিয়ে এনেকৈ উত্তম বাক্যৰ দ্বাৰা পূজিত আৰু স্তুতি প্ৰকাশ কৰাত উমাসহ শিৱই অনুমোদন কৰি ক'বলৈ ধৰিলে।

(৩৬) হে মহৰ্ষি! তুমি ভগৱানত ভক্তিমান। এতেকে তোমাৰ সেই অভিলাষ পূৰ্ণ হওক। তুমি কল্পকাল পৰ্যন্ত পবিত্ৰ যশ আৰু নিৰোগী দেহেৰে অমৰত্ব লাভ কৰা।

(৩৭) তুমি ব্ৰহ্মতেজ সম্পন্ন ত্ৰিকালজ্ঞ আৰু বৈৰাগ্যযুক্ত বিজ্ঞান লাভ কৰিবা আৰু সমস্ত পুৰাণত তুমি আচাৰ্য পদবী লাভ কৰিবা।

(৩৮) সূতে ক'লে— সেই শিৱই ঋষিক এনে প্ৰকাৰে বৰ দি ইতিপূৰ্বে মুনিয়ে বিষ্ণুৰ মায়া বৈভৱ যিদৰে উপলব্ধি কৰিছিল, সেই সকলো কথা উমাৰ আগত প্ৰকাশ কৰি কৰি তাৰ পৰা প্ৰস্থান কৰিলে।

(৩৯) সেই মাৰ্কণ্ডেয় মুনিয়ে মহাযোগ মাহাত্ম্য প্ৰাপ্ত হৈ ভগৱানত একাত্মা প্ৰাপ্তিৰে সংসাৰ পথত বিচৰণ কৰি আছে।

(৪০) ধীমান মাৰ্কণ্ডেয়ৰ অনুভূত বিষ্ণু মায়া বৈভৱ আমি তোমাৰ ওচৰত বৰ্ণনা কৰিলো।

(৪১) হে শৌনক! নাৰায়ণৰ প্ৰভাৱত প্ৰকটিত এই মাৰ্কণ্ডেয় মুনিৰ বৃত্তান্ত যিজনে শ্ৰৱণ কৰে অথবা আনক শুনায়, তেওঁলোক উভয়েই সমান আৰু

তেওঁলোকৰ কৰ্ম বাসনাজনিত সংসাৰৰ পৰা নিবৃত্তি হয়।

গুৰুজনাৰ অনুবাদ প্ৰকাশ কৰা হ'ল—

সেই সময়ত পাছে পাৰ্ব্বতি শঙ্কৰ।
ৰঙ্গে সঙ্গে লৈয়া যত ভৃত্য নিৰন্তৰ।।
বৃষভত চড়ি দুয়ো আকাশে আসন্ত।
মাৰ্কণ্ডেয় ঋষিক দূৰতে দেখিলন্ত।।
ধ্যান ধৰি আছা ঋষি কেশৱক মনে।
হৰক বোলন্ত গৌৰী মধুৰ বচনে।।
দেখিয়োক ঋষি ইটো কেন বুদ্ধি থিৰ।
নিৰ্ব্বাত সময়ে যেন সাগৰ গম্ভীৰ।।
কৰিয়োক আন ইটো তপস্যাৰ সিদ্ধি।
তুমি বৰদাতা ভকতৰ নৱনিধি।।
হেন শুনি গৌৰীক বুলিলা হাসি হৰ।
নলৈৱন্ত ঋষি ইটো কদাচিতো বৰ।।
কোন আন কামনা মোক্ষতো নাহি ইচ্ছা।
বিনা হৰি ভকতি দেখন্ত সবে মিছা।।
তথাপি কৰিবো ঋষি সমে সম্ভাষণ।
মহা ভাগৱত মাৰ্কণ্ডেয় মহাজন।।
কত মহাভাগ্যে ভকতৰ সঙ্গ পাই।
আতপৰে জীৱৰ পৰম লাভ নাই।।
এহি বুলি পাৰ্ব্বতী সমে তাতে ত্ৰিপুৰাৰি।
ভৃত্যগণে বেঢ়ি ৰৈলা চৌভিতি যোগানে।
নেমেলন্ত চক্ষু ঋষি আছন্ত ধিয়ানে।।
নেদেখন্ত শিৱক আগত ঋষিৰাজ।
দেখি মহেশ্বৰে মনে আলোচন্ত কাজ।।
কৃষ্ণৰ ৰূপত আন প্ৰৱেশিল মতি।
সিহেতু নাহিকে শৰীৰত আসকতি।।
এতেকেসে আমাক নাচন্ত চক্ষু মেলি।
আৰে আন সমাধি ভাগিবে কোন বেলি।।
এহি বুলি মহেশ্বৰে যোগমায়া বলে।

পশিল ঋষিৰ গৈয়া হৃদয় কমলে।।
নির্ম্মল ফটিক সম শৰীৰ ধৱল।
বিকট পিঙ্গট জঁটা বিজুলী উজ্জ্বল।।
তিনি চক্ষু দশভুজ গলে মুণ্ডমালা।
কটিতটে প্ৰকাশ কৰয় বাঘছাল।।
ধনু শৰ অসি চর্ম্ম পৰন্ত কপাল।
ত্ৰিশূল ডম্বৰু কৰে আছে অক্ষমান।।
বিভূতি ভূষিত দেহা সর্পে অলঙ্কাৰ।
ভৈলা আসি হৃদিত দেখন্তে চমৎকাৰ।।
ভয়ঙ্কৰ ৰূপ ঋষি দেখি হৃদয়ত।
ইটো কোন বুলি ভৈল বিস্ময় মনত।।
কৰৈ উচপিচ চিত্ত কৃষ্ণক নেদেখি।
ভাগিল সমাধি মেলিলন্ত দুয়ো আখি।।
পাৰ্ব্বতী সহিতে হৰ আছন্ত তথাত।
দুইকো দেখিলন্ত ঋষি আগতে সাক্ষাত।।
ত্ৰৈলোক্যৰ গুৰু আসি মোৰ ভৈলা ঠাই।
কৰিলা প্ৰণাম পৰি দুনাই দুনাই।।
পাদ্য অৰ্ঘ্য গন্ধ ধূপ দীপ উহাৰে।
অর্চ্চিলন্ত দুইকো প্ৰিয় বাক্যে বাৰম্বাৰে।।
তুমি পূর্ণকাম প্ৰভু মই অকিঞ্চন।
আদেশিয়ো কিবা আৰে সাধো প্ৰয়োজন।।
তোমাৰেসে ইটো পদ পঙ্কজ দুতয়।
মিলৈ মনোৰথ আকে কৰিলে আশ্ৰয়।।
যাহাৰ সেৱাত সিদ্ধি হোৱে মনকাম।
পৰম ঈশ্বৰ কাৰোং তোমাক প্ৰণাম।।
নমো নমো নির্গুণ শঙ্কৰ গতি দাতা।
সত্ত্ব ৰজ তম তিনি গুণ অধিষ্ঠাতা।।
নমো নমো শিৱ সম্ভু ভৱভয়হাৰী।
হুয়োক প্ৰসন্ন শূলধাৰী ত্ৰিপুৰাৰি।।
এহিমতে মাৰ্কণ্ডেয় কৰিলন্ত সেৱ।

শুনি তুষ্ট তাতে আতি ভৈলা মহাদেৱ।।
বোলন্ত হাসিয়া ঋষি লোৱা ইষ্ট বৰ।
জানা বৰ দাতা আমি তিনিও ঈশ্বৰ।।
একে মূৰ্ত্তি ব্ৰহ্মা বিষ্ণু মই ত্ৰিনয়ন।
নুহিকে বিফল আমাসাক দৰশন।।
জগত বন্দনি ভৈলা কি কহিবো কথা।
তোমাকে বন্দোহো আমি তিনিয়ো সৰ্বথা।।
যিসব বিপ্ৰত আছে সদা সদাচাৰ।
এৰিলে পৰক দ্বেষ হিংসা অহঙ্কাৰ।।
একান্ত ভকত যিটো তিনিতো আমাত।
তাকেসে প্ৰণামে দেৱ সমস্তে সাক্ষাত।।
মোত মাধৱত অনু মাত্ৰ নাহি ভেদ।
ব্ৰহ্মময় মূৰ্ত্তিকেসে চিন্তে অবিচ্ছেদ।।
মই ব্ৰহ্মা বিষ্ণু আমি তিনিয়ো ঈশ্বৰ।
তুমি হেন বিপ্ৰকেসে বন্দো নিৰন্তৰ।।
জলময় তীৰ্থ যত দেৱৰ প্ৰতিমা।
কত কালে কৰে শুদ্ধি তাৰ নাহি সীমা।।
তুমি হেন মহন্তক দেখৈ যিটো জন।
হোৱৈ মহা শুদ্ধ গুচৈ পাতক তেখন।।
যিটো মহা পাতকী পৰম অন্ত্যজাতি।
শ্ৰৱনে দৰ্শনে যাৰ শুদ্ধ হোৱৈ আতি।।
হেন ভকতক যিটো কৰৈ সম্ভাষণ।
তাহাৰ নিসিজে জানা কোন প্ৰয়োজন।।
তুমি মহা মহন্তক কৰিলো আলাপ।
কায় বাক্য মনৰ গুচিল যত পাপ।।
আজিৰ দিৱস ভৈল সাফল আমাৰ।
কৰিলা ঋষিক শিৱে বাক্যে সতকাৰ।।
হৰৰ বচন চয় অমৃত সমান।
কৰ্ণ ভৰি ঋষিয়ো কৰিল তাক পান।।

বিষ্ণুৰ মায়াত পাইলা যত মহাক্লেশ।
মহেশ্বৰ আলাপত গুচিল নিশেষ।

কহে সূতে শুনিয়োক শৌনক প্ৰমুখ্যে ঋষি
যেন কথা ভৈল আত পৰে।
বিষ্ণুৰ মায়াত মহা তাপ পায়া আছা ঋষি
আসি আশ্বাসিলা যেৱে হৰে।
মহেশ্বৰ সিটো বাক্য অমৃত তৃপিতি আতি
ভৈলন্ত জুৰাইল তনু মন।
জানু পাৰি শঙ্কৰক কৰিলন্ত প্ৰণিপাত
কৃতাঞ্জলি বুলিলা বচন।।
পৰম আশ্চৰ্য্য ইটো ঈশ্বৰ সবৰ লীলা
আক তৰ্কিবেক কোন নৰে।
আপুনি পালন্ত যাক তাক তুতি নতি আসি
কি কাৰ্য্যত কৰন্ত ঈশ্বৰে।।
লোককেসে শিক্ষা দিয়া হেনসে গণিতে পাৰি
আনো দেখি ধৰোক ই ধৰ্ম।
নুহি মহা ঈশ্বৰৰ কি কাৰ্য্যে কৰিবে লাগে
তোমাৰ অযোগ্য হেন কৰ্ম।।
হেনবা নিৰ্ম্মিয়া লোক লীলায়ে কৰাহা তুতি
আত কোন মহিমাৰ হানি।।
যেন টাটেকীয়া বাজি খেলাৱে পুতলা সাজি
তাত তাৰ কিবা পৰাভৱ।
নাহি আত প্ৰভু দোষ সন্তোষ বঢ়াইলা আসি
যেন পিতৃ পুত্ৰৰ উৎসৱ।।
হেন জগতৰ নাথ প্ৰণামো নমাই মাথ
ভগৱন্ত তুমি মহেশ্বৰ।
জগত নিয়ন্তা দেৱ কেৱল ব্ৰহ্মাৰ মূৰ্ত্তি
মহাগুৰু ভকত জনৰ।।
তোমাৰ চৰণ দুইক দৰশন ভৈলো মঞি
নেদেখোহো বৰ আত পৰে।

দেখিলে মাত্ৰকে যাক আপুনি আনন্দ ৰূপ
হোৱৈ পূৰ্ণ কাম সবেনৰে।।
তথাপিতো একবৰ তোমাৰ পাৱত মাগো
তুমি দেৱ বঞ্চিত পূৰণ।
ঈশ্বৰ কৃষ্ণত মোৰ নিশ্চল ভকতি হোক
নুগুচোক তাহান স্মৰণ।।
হৈবে হৰি ভকতেসে সুহৃদ পৰম মোৰ
নেৰো যেন সাধুৰ সঙ্গতি।
তোমাৰ চৰণে নমি এতেকে প্ৰাৰ্থনা কৰো
ণদিয়া বৰ প্ৰভু পশুপতি।।
এহিমতে মহামুনি মহেশক স্তুতি কৰি
বাঞ্চিলন্ত অভিমত বৰ।
গৌৰীয়ো স্বামীক চাই কটাক্ষে ঠাৰিলা যেৱে
ভৈলন্ত সন্তোষ তাতে হৰ।।
পৰম প্ৰসন্নভাৱে ঋষিক বুলিবে লৈল
শুনা মাৰ্কণ্ডেয় মহামুনি।
তোমাৰ সম্বন্ধি মঞি মহা তুষ্ঠ ভৈলো আতি
ইটো পৰমাৰ্থ কথা শুনি।
যতেক বাঞ্চিলা মানে সমস্তৰে হৌক সিদ্ধি
দিলো বৰ মঞি চিত্ত শুদ্ধি।
থাকোক ভকতি সদা ঈশ্বৰ কৃষ্ণৰ পাৱে
তোমাৰ নিৰ্মল হৌক বুদ্ধি।।
হুইবেক কল্পান্ত আয়ু পৰম অজৰামৰ
সদায়ে থাকোক মহাজ্ঞান।
বাঢ়িবেক যশ কীৰ্তি কহিবে পাৰিবা তুমি
ভূত ভবিষ্যত বৰ্তমান।।
বাঢ়িবেক ব্ৰহ্ম তেজ জানিবা চাৰিয়ো বেদ
কহিবাক পাৰিবা পুৰাণ।
ব্ৰহ্মাক সাক্ষাতকাৰ পৰম বৈৰাগ্য জ্ঞান
হৌক মঞি দিলো বিদ্যমান।

এহিমতে মহেশ্বৰ দিয়া হেন মহাবৰ
লৈয়া পাছে তান্তে অনুমতি।
পাৰ্বতী সহিতে উঠি ভূতগণ সমন্বিত
চলিলন্ত কৈলাসক প্ৰতি।।
বিষ্ণুৰ মায়াত যত পাইলা পৰাভৱ ঋষি
সৱে কথা কহিলা গৌৰীত।
পায়া মহা যোগসিদ্ধি মাৰ্কণ্ডেয় মহাঋষি
কৃষ্ণত একান্ত ভৈল চিত্ত।।
শুনিয়ো শৌনক ঋষি পৰম হৰিষে আসি
তুমি মোত যতেক পুছিলা।
শিৱ ঋষি সম্বাদক্ত নাৰায়ণ চৰিত্ৰক
কৈলা বাল মুকুন্দৰ লীলা।
কৃষ্ণৰ চৰিত্ৰচয় শুনে যেৱে শুনাৱয়
কৃষ্ণৰ চৰণে দিয়া মতি।
ছিণ্ডিয়া মায়ৰ পাশ অপ্ৰয়াসে সিটোনৰে
কৰিবেক বৈকুণ্ঠক গতি।।
যতেক পুছিলা মানে কহিলো সকলো কথা
আউৰ কিবা শুনিবো সম্প্ৰতি।
কহিয়োক বিদ্যমান মাৰ্কণ্ডেয় উপাখ্যান
এহিমানে ভৈল সমাপতি।।

এই স্কন্ধৰ একাদশ অধ্যায়টি সম্পূৰ্ণ বাদ দিয়া হৈছে আৰু দ্বাদশ অধ্যায়ৰ ভাগৱতৰ অনুক্ৰমনিকা বিষয়টিৰ উন সত্তৰটি শ্লোকৰ ভিতৰৰ উনষাঠী, বাষষ্ঠী, তেষষ্ঠী, ছয়ষষ্ঠী, সাতষষ্ঠী, আঠষষ্ঠী, উনসত্তৰ সংখ্যাৰ শ্লোক আঠোটি বাদ দি বাকীকেইটি শ্লোকৰ অনুবাদ সম্পূৰ্ণ কৰা হৈছে। এই অধ্যায়টিত ভাগৱত পুৰাণৰ মূল চৰিত্ৰ কৃষ্ণদেৱৰ সংক্ষিপ্ত চৰিত্ৰসমূহৰ বৰ্ণনা কৰা হৈছে। তলত শ্লোকৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল।

(১) সূতে ক'লে, হৰি ভক্তি লক্ষণযুক্ত ধৰ্মক নমস্কাৰ, সেই ধৰ্ম যৰ পৰা প্ৰাপ্ত হয়, সেই কৃষ্ণক নমস্কাৰ, ধৰ্ম প্ৰকাশক ব্যাসাদি বিপ্ৰসকলক নমস্কাৰ কৰি সনাতন ধৰ্ম প্ৰকাশক ব্যাসাদি বিপ্ৰসকলক নমস্কাৰ কৰি সনাতন ধৰ্ম কীৰ্তন কৰিম।

(২) হে বিপ্ৰসকল! আপোনালোকে যিবোৰ কথা সুধিছিল, মানৱসকলৰ

শ্ৰৱণযোগ্য বিষ্ণুৰ সেই অদ্ভুত চৰিত্ৰসমূহ আপোনালোকৰ আগত কীৰ্ত্তন কৰিলোঁ।

(৩) এই ভাগৱত গ্ৰন্থত সৰ্বপাপনাশক হৰি, সৰ্বজীৱাশ্ৰয়, ইন্দ্ৰিয় অধিষ্ঠাতা আৰু উদ্ধৱাদি ভক্তসকলৰ প্ৰতিপালক সাক্ষাৎ ভগৱানৰ বিষয়ে বৰ্ণিত হৈছে।

(৪) ইয়াত য'ৰ পৰা বিশ্বৰ উৎপত্তি আৰু প্ৰলয় হৈছে, সেই পৰম গুহ্য ব্ৰহ্ম আৰু যাৰ পৰা ইয়াক জনা যায়, সেই বিজ্ঞানসম্মত জ্ঞান বিশেষ ৰূপে বৰ্ণিত হৈছে।

(৫) এই ভাগৱতত ভক্তি যোগ, বৈৰাগ্য, পৰীক্ষিতৰ জন্ম আৰু নাৰদৰ উপাখ্যান বিশেষভাৱে বৰ্ণিত হৈছে।

(৬) ইয়াত বিপ্ৰশাপ প্ৰাপ্ত পৰীক্ষিতৰ প্ৰায়োপবেশন আৰু ব্ৰহ্মৰ্ষি শুকদেৱ আৰু পৰীক্ষিতৰ সংবাদ বৰ্ণিত হৈছে।

(৭) ইয়াত পৰীক্ষিতৰ যোগ সাধনাৰে উৰ্দ্ধ গতি লাভ, ব্ৰহ্মা নাৰদ সংবাদ অৱতাৰ কথা আৰু প্ৰকৃতিৰ পৰা মহদাদি জগতৰ উৎপত্তি বৰ্ণিত হৈছে।

(৮) বিদুৰউদ্ধৱ সংবাদ, কথোপকথন, পুৰাণ আৰু সংহিতা বিষয়ৰ প্ৰশ্ন আৰু প্ৰলয়ত মহাপুৰুষৰ সংস্থিতি বৰ্ণিত হৈছে।

(৯) তাৰ পিছত প্ৰাকৃতিক সৰ্গ, সপ্ত বৈকৃতিক, বৈকাৰিক সৰ্গ আৰু যাৰ পৰা ব্ৰহ্মাণ্ডৰ উৎপত্তি হৈছে সেই বিৰাট পুৰুষৰ বৰ্ণনা কৰা হৈছে।

(১০) স্থূল আৰু সূক্ষ্ম্য কালৰ স্বৰূপ, পদ্মযোনি ব্ৰহ্মা, সাগৰৰ পৰা পৃথিবী উদ্ধাৰ, হিৰণ্যাক্ষ বধ, আদিৰ বিষয়ো বৰ্ণিত হৈছে।

(১১, ১২, ১৩, ১৪, ১৫) স্বৰ্গ, মৰ্ত্য, পাতাল, ৰুদ্ৰ সৃষ্টি, অৰ্দ্ধাংশ নৰ, নাৰী বিগ্ৰহৰ সৃষ্টি, স্বায়ম্ভুৰ মনুৰ উৎপত্তি, নাৰীৰ মাজত আদি আৰু উত্তমা প্ৰকৃতি শতৰূপা আৰু প্ৰজাপতি কৰ্দ্দমৰ পৰা ধৰ্ম পত্নীসকলৰ সন্তান সৃষ্টি ভগৱান কপিলাৱতাৰ, দেবহূতৰি লগত কথোপকথন, মৰীচি প্ৰভৃতি নজন ব্ৰাহ্মণৰ উৎপত্তি, দক্ষ যজ্ঞ ধ্বংশ, প্ৰাচীন বৰ্হি আৰু পৃথু চৰিত্ৰ বৰ্ণনা, নাৰদ সংৱাদ, প্ৰিয়ব্ৰত চৰিত, ঋষভ আৰু ভৰত চৰিত্ৰ আদি ইয়াত বৰ্ণিত হৈছে।

(১৬, ১৭, ১৮) দ্বীপ, সমুদ্ৰ, পৰ্বত, নদ, নদী, জ্যোতিশ্চক্ৰ, পাতাল, নৰক সুৰাসুৰ, নৰ, সৰ্প, পক্ষী, তিৰ্য্যক প্ৰভৃতিৰ উৎপত্তি, প্ৰচেতসগণৰ পৰা কন্যাসমূহৰ উৎপত্তি, তাৰ সন্ততিসমূহ আৰু দক্ষৰ জন্ম, বৃত্ৰাসুৰৰ উৎপত্তি, বিনাশ, দিতিৰ পৰা হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষ তথা প্ৰহ্লাদৰ জন্ম বৃত্তান্ত ইয়াত বৰ্ণিত হৈছে।

(১৯-২৫) এই ভাগৱতত মন্বন্তৰ বৃত্তান্ত, গজেন্দ্ৰ মোক্ষণ, মন্বন্তৰাৱতাৰ, হয়গ্ৰীৱ, কূৰ্ম, মৎস্য, নৰসিংহ, বামনাৱতাৰ, সমুদ্ৰ মন্থন, দেবাসুৰৰ যুদ্ধ, ৰাজবংশানু চৰিত, ইক্ষ্বাকুৰ জন্ম, তেওঁৰ বংশ, সুদ্যুম্নৰ ইলা নামক নাৰীত্ব প্ৰাপ্তি, তাৰাৰ উপাখ্যান, সূৰ্য্যবংশীয় ৰাজ বৃত্তান্ত, শশাদ, নৃগ ৰজা, শৰ্য্যাতি

আৰু তেওঁৰ তনয়া সুকন্যা, খট্বাঙ্গ মান্ধাতা, সৌভৰি সগৰৰ চৰিত, ৰাম চন্দ্ৰৰ পাপনাশী কাহিনী নিমিৰ অঙ্গ পৰিত্যাগ, জনকাদি ৰাজৰ্ষিসকলৰ উৎপত্তি ভৃগুবংশীয় পৰশুৰামৰ ক্ষত্ৰিয় বধ, আৰু চন্দ্ৰ বংশৰ ঐল, যযাতি নহুৰ চৰিত্ৰ বৰ্ণিত হৈছে।

(২৬, ২৭) দুষ্মন্ত কুলজাত ভৰতৰ চৰিত্ৰ, শান্তনু আৰু তেওঁৰ পুত্ৰ যযাতিৰ জ্যেষ্ঠ পুত্ৰ যদুৰ বংশ কীৰ্তন আৰু সেই যদুবংশজাত কৃষ্ণৰ বসুদেৱৰ গৃহত জন্ম আৰু গোকুলত বৰ্দ্ধিত বিষয়ো বৰ্ণিত হৈছে।

(৩৭-৩৯) জৰাসন্ধৰ সৈন্য বধ, কালযৱন নিধন, কুশস্থলীৰ প্ৰতিষ্ঠা পাৰিজাত হৰণ, শত্ৰু মৰ্দন কৰি ৰুক্মিণী হৰণ, বাণ যুদ্ধত শিৱৰ সহিত কৃষ্ণৰ বিৰোধ, বাণৰ বাহুছেদন, নৰকাসুৰ নিধন আৰু বন্দিনী কন্যাসকলৰ মোচন— ভাগৱতত এইসকল বৰ্ণিত হৈছে।

(৪০-৪২) শিশুপাল পৌণ্ড্ৰক, শাম্ব, দন্ত বক্ৰ, শম্বৰ, দ্বিবিদ পীঠ মূৰ পাঞ্চজন্য আদি বধ, কাশী দাহন, পাণ্ডৱক নিমিত্ত কৰি ভূমিৰ ভাৰ হৰণ, বিপ্ৰশাপছলে যদুবংশ শসংহাৰ, উদ্ধৱ কৃষ্ণৰ সংবাদ আদি এই ভাগৱতত বৰ্ণিত হৈছে।

(৪৩, ৪৪) এই ভাগৱতত সমস্ত আত্মজ্ঞান, বৰ্ণাশ্ৰমধৰ্ম, যোগ প্ৰভাৱত কৃষ্ণৰ নৰতনু পৰিত্যাগ, যুগৰ লক্ষণ, প্ৰবৃত্তি, কলিকালত মানৱসকলৰ প্ৰলয়, নিত্য, নৈমিত্তিক প্ৰাকৃতিক বৈকাৰিক এই চাৰি বিধ লয়, প্ৰাকৃতিক, নৈমিত্তিক, নিত্য এই ত্ৰিবিধ সৃষ্টিৰ বৰ্ণনা আছে।

(৪৫, ৪৬) এই ভাগৱতত ধীমান বিষ্ণু ভক্ত পৰীক্ষিতৰ দেহত্যাগ, বেদ ব্যাসৰ বেদ শাখা বিভাগ, মাৰ্কণ্ডেয় মুনিৰ তপস্যা, বৃত্তান্ত মহাপুৰুষৰ সংস্থান, জগদাত্মা সূৰ্য্যৰ বিন্যাস বৰ্ণনা কৰা হৈছে। এই বিষয়ত আপোনালোকে আমাক যি সুধিছিল, আমি সকলো বিলাক কীৰ্তন কৰিলো। এই প্ৰসঙ্গত কৃষ্ণৰ সমুদায় লীলা আৰু অৱতাৰ কৰ্মও কীৰ্তন কৰা হ'ল।

(৪৭, ৪৮) কূপাদিত পতিত, সোপানাদিৰ পৰা স্খলিত ব্যক্তি, আৰ্ত্ত, কিম্বা ক্ষুধা পীড়িত লোকে যদি উচ্চৰবে 'হৰয়ে নমঃ" এই বুলি কয়, তেন্তে তেওঁ সৰ্বপাতকৰ পৰা মুক্ত হয়। যিসকলে ভগৱান অনন্তৰ মহিমা শ্ৰৱণ আৰু তেওঁৰ নাম কীৰ্তন কৰে, তেন্তে তেওঁ সিজনৰ হৃদয়ত প্ৰবেশ কৰি সূৰ্য্যই যেনেকৈ অন্ধকাৰ আঁতৰ কৰে আৰু প্ৰবল বায়ুৱে যেনেকৈ মেঘ অপসাৰিত কৰে, তেনেকৈ তেওঁ দুখ দূৰ কৰি থাকে।

(৪৯) হে বিপ্ৰসকল! যিহেতু যিবোৰ বাক্যত ভগৱান বিষ্ণুৰ কোনো বৰ্ণনা নাথাকে, তেন্তে সঁচাকৈ জানিবা সেইবোৰ অসত্য আৰু অসৎ কথা আৰু য'ত ভগৱানৰ গুণ বৰ্ণনা কৰা হৈছে, সেয়া সত্য, সেয়াই মঙ্গলময় আৰু পৱিত্ৰ।

(৫০, ৫১, ৫২) য'ত পুণ্য শ্লোক ভগৱানৰ কীৰ্তি কথা গান কৰে, মানৱসকলৰ সেয়াই ৰম্য, নিত্য নতুন বুলি ৰুচিকৰ আৰু সেয়াই মনৰ শোক সাগৰ শোষণকাৰী অবিনাশী। য'ত বাক্যৰ বিচিত্ৰতা নাই, বিচিত্ৰতা সত্বেও য'ত হৰিৰ জগৎ পৱিত্ৰকৰ যশ, কীৰ্তন হোৱা নাই; সেয়া কাকতুল্য নৰসমাজৰ ৰতি স্থান, সেই ঠাই সাধুসকলৰ সেব্য নহয়, আৰু যিস্থানত অচ্যুতৰ যশ কথা আছে, সেয়াই পৱিত্ৰ মনৰ সাধুসকলৰ সেব্য। যাৰ প্ৰতি কথাত অনন্ত অচ্যুতৰ যশ কথাৰ নামমালা থাকে, তেওঁৰ অন্য অসংলগ্ন কথা জড়িত হ'লেও, তথাবিধ বাক্যৰ যি প্ৰয়োগ হয়, সেই হৰি কথাই জনসমূহৰ পাপ নাশ কৰে। সেই কাৰণে সাধুসকলে তাকে শ্ৰৱণ বৰ্ণন আৰু গান কৰি থাকে।

(৫৩) নিৰ্গুণ কৰ্ম আৰু তাৰ পৰা প্ৰাপ্ত নিৰ্মল জ্ঞানো যদি ভগৱদ্ভক্তি বৰ্জ্জিত হয় আৰু যি কৰ্ম ভগৱৎ অৰ্পিত নহয়, সি যদি উত্তম কৰ্মও হয়, তেন্তে সেয়া পৰ্যাপ্তৰূপে প্ৰশংসনীয় নহয়। কিয়নো ফলাফল পিছত দুখৰহে কাৰণ হৈ পৰে।

(৫৪) বৰ্ণাশ্ৰমাচাৰ তপস্যা আৰু বেদাধ্যয়নাদিত যি মহান শ্ৰম সেয়া যশ বা সম্পদৰ লালসাতে কৰা হয় আৰু ভগৱানৰ শ্ৰৱণ আৰু আদৰ প্ৰদৰ্শনে সেই শ্ৰীপাদ পদ্মই অবিস্মৃতি জন্মাই থাকে।

(৫৫) শ্ৰীকৃষ্ণৰ চৰণ কমলত যি নিত্য চিন্তা, কৰে, সি অমঙ্গল নাশ কৰি শান্তি, সত্ত্ব শুদ্ধি, পৰমাত্মাত ভক্তি আৰু বিজ্ঞান বৈৰাগ্যযুক্ত জ্ঞান বিস্তাৰ কৰি থাকে।

(৫৬) হে বিপ্ৰবৰ গণ! আপোনালোক মহা ভাগ্যবান। আপোনালোকৰ ভক্তি অস্খলিত, যিহেতু আপোনালোকে নিত্য অন্তৰ্যামী সৰ্বনিয়ন্তা দেৱ শ্ৰেষ্ঠ নাৰায়ণক হৃদয়ত স্থাপন কৰি ভজনা কৰি থাকে।

(৫৭) পূৰ্বতে আমি নৃপতি পৰীক্ষিতৰ প্ৰায়োপবেশন কালে প্ৰধান প্ৰধান শ্ৰোতা মহৰ্ষিসকলৰ সভাত সেইসকল মহৰ্ষিৰ মুখে যি আত্মতত্ত্ব শ্ৰৱণ কৰিছিলোঁ, তাকে আমি সোঁৱৰাই দিলো।

(৫৮) হে বিপ্ৰসকল! যাৰ উত্তম কৰ্ম সদায় কীৰ্তনীয়, সেই কৃষ্ণৰ সৰ্ববিপদনাশী মাহাত্ম্য আমি আপোনালোকৰ ওচৰত প্ৰকাশ কৰিলোঁ।

(৫৯) দ্বাদশী, একাশীত এয়া শ্ৰৱণ কৰিলে দীৰ্ঘজীৱী আৰু উপবাসী আৰু যত্ন সহকাৰে শ্ৰৱণ কৰিলে, তেওঁ পবিত্ৰ হৈ থাকে।

(৬০, ৬১) হে দ্বিজগণ! যত্নপৰ মানৱসকলে এই পুৰাণ সংহিতা পাঠ কৰি ভগৱানে যি পৰমপদৰূপ প্ৰাপ্তিৰ পথ দেখুৱাই থৈছে, সেই সকলোবোৰ লাভ কৰিব পাৰে। এই ভাগৱত অধ্যয়ন কৰি বিপ্ৰসকলে জ্ঞান, ৰজাসকলে সসাগৰা পৃথিৱী, বৈশ্যই ধন লাভ আৰু শূদ্ৰই পাপমুক্ত হয়। (ইত্যাদি)

গুৰুজনাৰ অনুবাদ প্ৰকাশ কৰা হ'ল

ভাগৱত ধৰ্মক প্ৰণামি প্ৰথমত।
প্ৰণামো কৃষ্ণক যাৰ অচিন্ত্য মহত।।
ভকত বিপ্ৰক প্ৰতি মোৰ নমস্কাৰ।
কৰো সনাতন ধৰ্ম চয়ক প্ৰচাৰ।।
সূত নিগদতি শুনা শৌনক প্ৰস্তুত।
কহিলো তোমাত কৃষ্ণ কথা অদভূত।।
যিটো ধৰ্ম পুৰুষৰ শুনিবে উচিত।
তোমাৰ আগত তাক কৰিবো বিদিত।।
সংক্ষেপে কহিবো কথা বাহ্ৰয় স্কন্ধৰ।
তাক একচিত্তে শুনা মুনি নিৰন্তৰ।।
প্ৰথমে প্ৰথম স্কন্ধ কৰো উপাখ্যান।
মহা হৰি কৃষ্ণ যিটো দেৱতা প্ৰধান।।
যাত হন্তে হোৱে জগতৰ সৃষ্টি লয়।
হেন গোপ্য ব্ৰহ্ম ভৈল প্ৰথমে উদয়।
কহে জ্ঞান কাণ্ড তাতে বিজ্ঞান সহিত।
ভৈল তাতে বিৰকতি ভকতি বিদিত।।
বদৰিকাশ্ৰমে ভৈল নাৰদ প্ৰৱেশ।
ব্যাসক দিলন্ত ভাগৱত উপদেশ।।
কৰিলন্ত তাতে অশ্বথামাৰ দুৰ্গুণ।
ব্ৰহ্মাস্ত্ৰৰ হন্তে পৰীক্ষিতৰ ৰক্ষণ।।
প্ৰেমভাৱে কৃষ্ণক কৰিলা কুন্তী স্তুতি।
কৃষ্ণৰ আগত ভৈলা ভীষ্মৰ মুকুতি।।
ভৈল অন্তৰ্জ্জুল ৰাজা বিপ্ৰশাপ শুনি।
পাতিলা সমাজ আসি অসংখ্যাত মুনি।।

শুক পৰীক্ষিতৰ সম্বাদ ভৈলা তথা।
নৃপতি পুছিলা পাছে ভাগৱত কথা।।
কহিবাক আৰম্ভিলা মহাভাগৱত।
দ্বিতীয় স্কন্ধৰ আৱে শুনিয়ো সাম্প্ৰত।।
কহিলন্ত স্থূল সূক্ষ্ম ধাৰণা যুগুতি।
যেন মতে পাৱৈ ক্ৰমে পৰম মুকুতি।।
বিৰাট ৰূপক শুকে কহিলা ৰাজাত।
ব্ৰহ্মা নাৰদৰ ভৈল সম্বাদ তথাত।।
যেনমতে সৃষ্টি হোৱৈ প্ৰকৃতিৰ হন্তে।
মহদহঙ্কাৰ ভৈল ইন্দ্ৰিয় পৰ্যন্তে।।
কহিলা কৃষ্ণৰ যত অৱতাৰ তথা।
তৃতীয় স্কন্ধৰ আৱে শুনিয়ো ব্যৱস্থা।।
বিদুৰে উদ্ধৱে ভৈলা প্ৰথমে সম্বাদ।
কৃষ্ণৰ নিৰ্য্যানে দুইৰো মিলিল বিষাদ।।
কহিলা বিদুৰে মৈত্ৰেয়ত তত্ত্ব জ্ঞান।
আছৈ তৃতীয়ত মহাপুৰুষ সংস্থান।।
যিমতে প্ৰপঞ্চ প্ৰকৃতিত হোৱৈ জাত।
চব্বিশ তত্ত্বৰো সৃষ্টি কহি আছা তাত।।
যিমতে ব্ৰহ্মাণ্ড স্ৰজে কহিলন্ত তাকে।
বৈৰাজ পুৰুষ যেনমতে তাত থাকে।।
তাত কহি আছা স্থূল সূক্ষ্ম কাল গতি।
ভৈলা ব্ৰহ্মাতাতে নাভিপদ্মে উতপতি।।
তৃতীয়ত কহিলা বৰাহ অৱতাৰ।
তাতে হিৰণ্যাক্ষ বধ ধৰণী উদ্ধাৰ।।
স্বায়ম্ভুৱ মনু শতৰূপ ভাৰ্য্যাতান।
দেৱহূতি কন্যা কৰ্দ্দমক দিলা দান।।
তাত হন্তে ভৈলন্ত কপিল অৱতাৰ।
জ্ঞান দানে কৈলা দেৱহূতিক নিস্তাৰ।।
কহিলা মাতৃত গোপ্য ভকতিকো তথা।
চতুৰ্থ স্কন্ধৰ আৱে শুনিয়ো ব্যৱস্থা।।
নৱ প্ৰজাপতি তাতে ভৈল উতপতি।
কৰিলা কন্দল দক্ষ সমে পশুপতি।।
দক্ষক নিন্দিয়া সতী তেজিলন্ত প্ৰাণ।
দক্ষৰ যজ্ঞক হৰে কৰিলা নিৰ্য্যাণ।।

ভকত দ্বেষীক কৰিলন্ত বিৰ্ভৎসনা।
হাত দান্ত ভৰি ভাঙ্গি কতো ভৈল কণা।।
সপত্নী মাৱক কোপে তপস্যা আচৰি।
পাঞ্চ বৎসৰতে ধ্ৰুৱে আৰাধিলা হৰি।।
মহা তুষ্টে বিষ্ণু আসি দিলা বৰ দান।
পাইলা ধ্ৰুৱে ব্ৰহ্মাৰো দুৰ্লভ যিটো থান।।
ভৈল অবতাৰ তাতে পৃথু নামে ৰাজা।
হৰি ভকতিত সৱে প্ৰবৰ্তাইলা প্ৰজা।।
পৃথিবীক দমিয়া দুহিলা সবে ৰস।
জগতকে ব্যাপিল পৃথুৰ মহাযশ।।
প্ৰাচীন বৰ্হিৰ হিত চিন্তিয়া নাৰদ।
দূৰ কৰি কৰ্ম দিলা ভকতি সম্পদ।।
কহিলা ৰাজাত পুৰঞ্জন উপাখ্যান।
নাৰদৰ প্ৰসাদে বৈকুণ্ঠে ভৈলা থান।।
শুনিয়ো পঞ্চম স্কন্ধ আত অনন্তৰে।
মিলিল সম্বাদ প্ৰিয়ব্ৰত নাৰদৰে।।
ভৈল আসি নাভিত ঋষভ অৱতাৰ।
ভৈল তাতে ভকতৰ চৰিত্ৰ প্ৰচাৰ।।
ৰহূগণ ৰাজাক ভকতি দিয়া দান।
উপজিল পৰম বৈৰাগ্য মহাজ্ঞান।।
দণ্ড দুই আলাপে মায়াৰ পাইল সীমা।
ভকত সঙ্গ কত কহিবো মহিমা।।
বৰিষ সমুদ্ৰ দ্বীপ পৰ্বতৰ মান।
সপত পাতাল জ্যোতি চক্ৰ সঙ্গস্থান।।
বৰ্ণাইলা নৰক সাতো পাতালৰ তলে।।
যাত পৰি পাৱে পীড়া পাতকী সকলে।।
নৰকৰ যাতনা শুনি পাছে পৰীক্ষিত।
কম্পিত হৃদয় ভৈলা মহাভয় ভীত।।
নৰকৰ নিস্তাৰ শুকত শুনিলন্ত।
দিল শুকে পাছে ষষ্ঠ স্কন্ধত সিদ্ধান্ত।।
শুনিয়োক আৱে ষষ্ঠ স্কন্ধ অনুক্ৰমে।
হৰিৰ নামৰ কৈলা মহিমা প্ৰথমে।।
পুত্ৰৰ সঙ্কেতে নাম লৈয়া অজামিল।
মৃত্যুক তৰিয়া বৈকুণ্ঠত আৰোহিল।

উপজিল দক্ষ আসি দশ প্ৰচেতাত।
তাহানে কন্যাত ভৈল সৃষ্টি অসংখ্যাত।।
পশু পক্ষী বৃক্ষ নৰ নাগ দেৱাসুৰ।
ভৈল কন্যা সন্তানে জগত ভৰিপূৰ।।
তাতে আছে চিত্ৰকেতু চৰিত্ৰ প্ৰচুৰ।
গৌৰী শাপে তেহো আসি ভৈল বৃত্ৰাসুৰ।।
বধিলা বাসৱে কৰি অনেক প্ৰবন্ধ।
বজ্ৰে বৰিষেকে তান ছেদিলেক কন্ধ।।
শুনিয়ো সপ্তম স্কন্ধ দক্ষৰ কন্যাত।
হিৰণ্যাক্ষ হিৰণ্যকশিপু ভৈলা জাত।।
জগত কম্পন দৈত্য হিৰণ্যকশিপু।
ইন্দ্ৰক খেদায়া ৰাজ্য লৈলে দেৱৰিপু।।
জগতৰে দ্ৰোহ আচৰিল দুৰাচাৰে।
লৈলা প্ৰাণ তাৰ নৰসিংহ অৱতাৰে।।
তাৰ পুত্ৰ ভৈল আসি বৈষ্ণৱ প্ৰহ্লাদ।
মাধৱত পাইলা যিটো পৰম প্ৰসাদ।।
সদায়ে নছাড়ে মহা হৰিক হৃদয়।
বাহিৰে ভিতৰে যিটো দেখে হৰিময়।।
মহাভাগৱত আৰ নাহি তাত পৰে।
শুনিয়ো অষ্টম স্কন্ধ আত অনন্তৰে।।
মন্বন্তৰ চৰিত্ৰ গজেন্দ্ৰ বিমোক্ষণ।
ভৈল হয়গ্ৰীৱ অৱতাৰ নাৰায়ণ।।
কূৰ্মৰূপে মন্দৰ ধৰিলা পিঠি পাতি।
দেৱাসুৰে সাগৰ মথিলা দিনে ৰাতি।।
নাৰীৰূপ ধৰি ত্ৰিদশৰ চিন্তি হিত।
দৈত্যক বঞ্চিয়া দিলা দেৱক অমৃত।।
কৰিলা দুৰ্ঘোৰ যুদ্ধ যত দেৱাসুৰ।
দেৱক জিনাইলা হৰি হুয়া পক্ষপুৰ।।
অদিতিত হন্তে ভৈলা বামন উদিত।
ফুটাইলা কটাহ গঙ্গা ভৈলন্ত বিদিত।।
বলিক ছলিয়া সুতলক দিলা থান।
তুষ্ট হুয়া ভকতি প্ৰসাদ দিলা দান।।
ভৈলা হৰি তাতে মহা মৎস্য অৱতাৰ।
প্ৰলয় জলত আতি কৰিলা বিহাৰ।।

সত্যব্ৰতে তুতি কৰিলন্ত কৃতাঞ্জলি।
নৱম স্কন্ধৰ শুনা ৰাজ বংশাৱলী।।
ইক্ষ্বাকু কাকুথ ইলা শশাদ শৰ্য্যাতি।
খট্টাঙ্গ সগৰ নৃগ নহুষ যযাতি।।
জনক শান্তনু নিমি সৌভৰি ভৰত।
আসম্বাৰ বংশৰ কহিলা কথা যত।।
ভৈলন্ত পৰশুৰাম নামে অৱতাৰ।
নিক্ষেত্ৰি কৰিলা ভূমি তিনি সাত বাৰ।।
শ্ৰৱণে বিনাশে মহা দূষিত ত্বৰিত।
আছে তাতে হেন ৰাম চন্দ্ৰৰ চৰিত্ৰ।।
যযাতিৰ জ্যেষ্ঠ পুত্ৰ যদু নাম যাৰ।
তাহানে বংশত ভৈলা কৃষ্ণ অৱতাৰ।।
বসুদেৱ দৈৱকীত হন্তে জন্ম ভৈলা।
কংসৰ ভয়ত নিয়া গোকুলত থৈলা।।
শুনিয়োক দশম স্কন্ধৰ আৰে কথা।
শিশু লীলা অনেক কৰিলা হৰি তথা।।
পূতনাৰ শুষিলন্ত তনে সমে প্ৰাণ।
শকট উছাট তৃণাৱৰ্ত্তৰ নিৰ্যাণ।।
উড়ল বন্ধন বৃক্ষ অৰ্জুন ভঞ্জন।
কংস বক ধেনুক কালিক নিকালন।।
ব্ৰহ্মাকো মুহিলা পাছে প্ৰলম্ব নিৰ্য্যাণ।
বনজুইত হন্তে গোপ গৰু পৰিত্ৰাণ।।
কৰিলা সৰ্পৰ পৰা নন্দক মোক্ষণ।
পাইলা বৰ ব্ৰত আচৰন্তে কন্যাগণ।।
বিপ্ৰক সন্তাপ দিলা পত্নীক প্ৰসাদ।
গোবৰ্দ্ধন ধৰি দিলা ইন্দ্ৰক বিষাদ।।
বৰুণ লোকৰ পৰা নন্দক উদ্ধাৰ।
শৰত ৰাত্ৰিত কেলি কৰিলা অপাৰ।।
শংখচূড় বধ কেশী অৰিষ্ট নিৰ্যাণ।
অক্ৰূৰ গমন ৰাম কৃষ্ণৰ প্ৰয়াণ।।
ব্ৰজবধূ বিলাপ মথুৰা দৰিশন।
গজ মল্ল মাৰণ কংসৰ বিনাশন।।
পিতৃৰ মাতৃৰ বন্ধ মোক্ষ অতিৰেক।
নন্দ প্ৰশান্তন উগ্ৰসেন অভিষেক।।

সান্দীপনি গুৰুক মৃতক পুত্ৰ দান।
মথুৰাত কৈলা যদুবংশক সমান।।
উদ্ধৱক পঠাই শান্ত কৰি গোপী যত।
কুব্জীক ৰমণ অক্ৰূৰৰ গৃহাগত।।
ৰাম উদ্ধৱক সঙ্গে লৈয়া বহুবাৰ।
কৰিলন্ত বধ জৰাসন্ধৰ সেনাৰ।।
যৱনৰ মৰণ নিৰ্ম্মিয়া দ্বাৰকাক।
আনিলন্ত পাৰিজাত সুধৰ্মা সভাক।।
যাদৱ বংশৰ মহা মিলিল উৎসাহ।
ৰুক্মিণী প্ৰমুখ্যে অষ্ট মহিষী বিবাহ।।
নৰকৰ বধ কন্যাগণৰ হৰণ।
শাল্ব শিশুপাল পৌণ্ড্ৰ সম্বৰ নাশন।।
পাণ্ডৱক নিমিত্ত কৰিয়া ৰণে জিনি।
সংহৰিলা হৰি অষ্টাদশ অক্ষোহিনী।।
আপুনি বেকত হুয়া জগত আধাৰ।
লীলায়ে হৰিলা পৃথিবীৰ মহাভাৰ।।
কতেক কহিবো দেৱ কৃষ্ণৰ মহত।
একাদশ স্কন্ধ আৱে শুনিয়ো সাম্প্ৰত।।
বিপ্ৰশাপ শুনি ভৈলা বংশৰ বিষাদ।
নাৰদে কহিলা নৱ সিদ্ধৰ সম্বাদ।।
ব্ৰহ্মা আদি দেৱে আসি কৰিলন্ত স্তুতি।
উদ্ধৱে জানিলা পাছে প্ৰভুৰ যুগুতি।।
কৃষ্ণৰ চৰণে পৰি কৰিল বিষাদ।
ভৈলা পাছে তাতে কৃষ্ণ উদ্ধৱ সম্বাদ।।
ৰহস্য ধৰ্মক প্ৰকাশিলা কৃপাময়।
জ্ঞান কৰ্ম ভকতিৰ কহিলা নিৰ্ণয়।।
বদৰিকাশ্ৰমক পঠাইলা উদ্ধৱক।
প্ৰভাসত সংহৰিলা যাদৱ বংশক।।
নিজ ৰূপে বসি শিশু অশ্বত্থ তলত।
মহাজ্ঞান ভকতি কহিলা উদ্ধৱত।।
দেৱ সৱে নিৱে আইল আপুনাৰ থান।
কৰিলন্ত কৃষ্ণে তাতে বৈকুণ্ঠ প্ৰয়াণ।।
এহিমানে গৈলা একাদশৰ ব্যৱস্থা।
দ্বাদশ স্কন্ধৰ আৱে শুনিয়োক কথা।।

যুগৰ লক্ষণ যুগ ধৰ্ম যেন বিধি।
কহিলা কলিত একো ধৰ্মে নাহিসিদ্ধি।।
অধৰ্মে কৰিবে আসি কলিত বিপ্লৱ।
হৰি কীৰ্তনেসে তৰে পাপ পৰাভৱ।।
চাৰিবিধ প্ৰলয় কহিলা মহাভাগ।
পৰীক্ষিত নৃপতিৰ তাতে তনু ত্যাগ।।
সৰ্প সত্ৰ মাৰ্কণ্ডেয় মায়া দৰিশন।
বেদ শাখা ভেদ মহাপুৰুষ লক্ষণ।।
দ্বাদশৰো কথা সবে কহিলা নিশেষ।
কৃষ্ণৰো লীলা ইটো চৰিত্ৰ বিশেষ।।

নিগদতি সূত শুনিয়ো শৌনক
প্ৰমুখ্যে ঋষি যতেক।
বাহ্ণয় স্কন্ধৰ যিটো তাতপৰ্য্য
কহিলো তাক প্ৰত্যেক।।
হৰি গুণ নাম শ্ৰৱণ কীৰ্তন
সমস্তে ধৰ্মৰ সাৰ।
বাহ্ণস্কন্ধ মিলি আকে প্ৰতিপাদো
শুনা ফলশ্ৰুতি তাৰ।।
পৰে বা পিচলে যদিবা ক্ষুধায়ে
তৃষ্ণায়ে পীড়িত হুয়া।
নমো হৰি বুলি ডাকে উচ্চ কৰি
মাধৱৰ নাম লৈয়া।।
এতেকতে তাৰ যতেক পাতেক
অনেক কোটি জন্মৰ।
তাতে লাগে জুই পুৰি ভস্ম হুই
মহা শুদ্ধ হোৱে নৰ।।
যিটোজনে কৰে কৃষ্ণৰ শ্ৰৱণে
কৃষ্ণ কৰে কীৰ্তন।
তাহাৰ চিত্তত হোৱন্ত প্ৰবেশ
ভগৱন্ত নাৰায়ণ।।
এতেক পাতক তাৰ পলায় যেন
সূৰ্য্যৰ আগে আন্ধাৰ।
প্ৰচণ্ড বতাসে যেন উৰুৱাৱে
নথাকে মেঘ সঞ্চাৰ।।

হৰি কীৰ্তনেসে জানা মহাফল
সমস্তৰে হৰৈ পাপ।
তাত ব্যতিৰেকে যত আন কথা
সমস্তে মিছা প্ৰলাপ।।
যিটো বাক্যসেৱে কৃষ্ণক নকহে
নকৰৈ নাম প্ৰখ্যাত।
সেহি মিছা বাক্য সেহিটো অসতী
অসন্তৰ কথা যত।।
সেহি মহা সত্য সেহিসে মঙ্গল
সেহি মহা শুভনয়।
কৰৈ যিটো বাক্যে ঈশ্বৰ কৃষ্ণৰ
গুণ নাম অভ্যুদয়।।
সেহি মহা ৰম্য মহন্তৰ তাত
বাঢ়ে প্ৰীতি নৱ নৱ।
শুনন্তে তাহাক প্ৰেম উপজয়
মনৰো মহা উৎসৱ।।
সেহিসে হৰিষ বঢ়াৱে সেহিসি
শোষয় শোক সাগৰ।
উত্তম শ্লোকৰ যশ গুণ গাৱে
যিটো বাক্যে নিৰন্তৰ।।
নানা চিত্ৰ পদে ৰচিত সি বাক্য
শুনন্তে অমৃত প্ৰায়।
কিন্তু হৰি যশ জগত পৱিত্ৰ
নাহিকে তাত সদায়।।
কাক তুল্য সিটো কামী পুৰুষৰ
জানিবা ৰতিৰ স্থান।
পৰম ভকত জনে নুশুনন্ত
তাত নপাতয় কাণ।।
যি কথাত কৃষ্ণ আছন্ত সাক্ষাত
মহা মহন্তৰ গতি।
নিৰ্মল ভকত সকলে তাতেসে
কৰন্ত সততে ৰতি।।
সেহি মহা বাক্যে লোকসমূহৰ
পাতক কৰৈ বিঘাত।

কেশৱৰ যশে অঙ্কিত যি নাম
প্ৰতিপাদি আছে তাত।
কহন্তা থাকিলে আপুনি শুনয়
শুনন্তা থাকিলে গাবৈ।
একলেও স্মৰৈ যিটো হৰি নাম
সেহিসে মোক্ষক পাবৈ।।
হেন কথা মনে ধৰি জ্ঞানত কৰ্মত কৰি
কীৰ্ত্তনত কৰিবা আদৰ।
পৰম নিৰ্ম্মল জ্ঞানো ভকতি বৰ্জ্জিত ভৈলে
তাতো সিদ্ধি নাহিকে লোকৰ।।
সৰ্বোত্তম যিটো কৰ্ম কৃষ্ণত নৰ্পিলা যেৱে
সিয়ো হৌবৈ সকলে বিকল।
নিন্দিত সকাম কৰ্ম তাৰ কি কহিবো কথা
দেখা হৰি ভকতিৰ বল।।
বৰ্ণাশ্ৰম ধৰ্ম যত তপস্যা আচৰে ব্ৰত
ইটো একো নোহে পুৰুষাৰ্থ।
সম্পত্তি কীৰ্ত্তিৰ অৰ্থে কৰৈ মিছা পৰিশ্ৰম
শুনা কহো যিটো পৰমাৰ্থ।।
কেশৱৰ গুণ নাম শ্ৰৱণ কীৰ্ত্তন কৰে
তাক যিবা শুনিয়া সাদৰে।
এতেকে কৃষ্ণৰ পাদ পদ্ম নপাসৰে আৰ
অচিৰ কালতে ফল ধৰে।
কৃষ্ণৰ চৰণে তাৰ প্ৰথমে পাতেক নাশে
কৃষ্ণত কৰাবৈ নিষ্ঠ বুদ্ধি।
পৰম ভকতি জ্ঞান বৈৰাগ্যয়ো লাগ লবৈ
হোবৈ আতিশয় চিত্ত শুদ্ধি।।
ধ্যানত কৰ্মত কৰি ভকতিসি মহাশ্ৰেষ্ঠ
ভকতি মধ্যত মুখ্য দুই।
শ্ৰৱণ কীৰ্ত্তন ইটো আক ধৰিলেক যিটো
বিধিৰ কিঙ্কৰ সিটো নুই।।
শৌনক প্ৰমুখ্যে মহা মুনিসব আছা যত
তুমি সব মহাভাগ্যৱন্ত।

যিহেতু পৰম হৰি চিত্তত নিশ্চয় কৰি
একান্তে ভজিলা ভগৱন্ত।।
যিটো আত্মা ঈশ্বৰক শুনিলো শুকৰ মুখে
মহা ঋষি সমজ্যাৰ কাছে।
হেন বন্ধু মাধৱক সুধি সুমৰাইলা মোক
এতেকে মোহোৰ ভাগ্য আছে।।
পৰম দূষিত হৰৈ হৰিষ চৰিত্ৰ যত
কহিলো তোমাত সবে তাক।
অনুদিনে শুনে যিটো সেহিতো পৱিত্ৰ কৰৈ
দেহে সমে আপুন আত্মাক।।
হৰি বাসৰত যিটো নিৰাহাৰ হুয়া পঢ়ে
তাহাৰ ফলৰ নাহি সীমা।
কৃষ্ণৰ চৰণে মতি দিয়া পাইবে মহাগতি
পৰলোকে বাঢ়িবে মহিমা।।
ইটো ভাগৱত শাস্ত্ৰ পঢ়ে বিপ্ৰসৱে যেৱে
হৈবে আসি মহা জ্ঞান সিদ্ধি।
ক্ষত্ৰিয়ে পঢ়িয়া পাইবে সসাগৰা বসুমতী
বৈশ্যে পঢ়ি পাইবে নৱনিধি।।
শূদ্ৰ সৱে পঢ়ে যেৱে ইটো মহাভাগৱত
সমস্ত পাপতে হুইবে শুদ্ধি।
উপজিবে পুণ্য ৰাশি পাছত চাৰিয়ো আসি
কৃষ্ণৰ চৰণে হুইবে বুদ্ধি।। (ইত্যাদি)

এই অনুবাদৰ পিছতে দ্বাদশ অধ্যায়ৰ বৰ্ণনা সমাপ্ত হৈছে। অৱশ্যে গুৰুজনে দ্বাদশ স্কন্ধৰ শেষৰ ত্ৰয়োদশ অধ্যায়টি সম্পূৰ্ণ বাদ দি এই অধ্যায়তে সমাপ্ত কৰিছে আৰু উপদেশ বাণীৰ লগতে গ্ৰন্থ সমাপ্তিৰ প্ৰাৰ্থনা কৰি এই স্কন্ধটিৰ বিষয় বস্তুটি সামৰিছে। ইমানতে গুৰুজনাৰ ৰচিত ভাগৱতৰ পদ্য ভাগটিৰ সমাপ্ত হৈছে।

দ্বাদশ স্কন্ধ ভাগৱত সমাপ্ত।

● ● ●